হীৰক-জয়ন্তী উপলক্ষে

# অসম সাহিত্য সভাৰ ৰূপলেখা

তিনিকুৰি বছৰৰ ইতিবৃত্ত

( ১৯১৭ চনৰপৰা ১৯৭৭ চনলৈ )

প্ৰণেতা

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

তপোবন, গুৱাহাটী-১

সহযোগী সংকলক

শ্ৰীৰামচৰণ ঠাকুৰীয়া

প্ৰথম প্ৰকাশ

হীৰক-জয়ন্তী দিবস, ২৬ ডিচেম্বৰ, ১৯৭৭ চন,

অসম সাহিত্য সভা

১৯৭৭ চন

**ASAM SAHITYA SABHAR RUPLEKHA**

A History of Asam Sahitya Sabha written by Prof. Atulchandra Hazarika, M.A., B.L. B.T. and Published by Abdus Satter, M.A., General Secretary, Asam Sahitya Sabha, Chandrakanta Handique Bhavan, Jorhat-I, Ed. 1st. 1977,

প্ৰকাশক :
আব্দুছ ছাত্তাৰ এম-এ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা,
যোৰহাট-১

কেন্দ্ৰীয় কাৰ্য্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১
গুৱাহাটী কাৰ্য্যালয়
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

বেটুপাতৰ শিল্পী :
শ্ৰীযুগল দাস
পাণবজাৰ, গুৱাহাটী-১

ছপাশাল :
শ্ৰীসৰস্বতী প্ৰেছ
গুৱাহাটী-১

মূল্য : ষোল টকা ( ১৬৲ টকা )

# সাহিত্য সভাৰ একেষাৰ

১৯১৭ চনৰ ২৬ ডিচেম্বৰত অসম সাহিত্য সভা প্ৰতিষ্ঠা হৈছিল কেইগৰাকীমান সাহিত্যপ্ৰেমী দেশপ্ৰাণ ব্যক্তিৰ চেষ্টাত বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ নগৰত। আজি অসম সাহিত্য সভা অসমীয়া জাতীয় জীৱনৰ একমাত্ৰ বৃহৎ ৰাজহুৱা অনুষ্ঠান। এই অনুষ্ঠানৰ প্ৰতিষ্ঠাৰ আজি ৬০ বছৰ পূৰ্ণ হোৱা উপলক্ষে অসম সাহিত্য সভাই 'হীৰক-জয়ন্তী' উৎসৱ উদ্‌যাপন কৰিবলৈ লৈছে। এই কাৰ্য্য সমগ্ৰ অসমৰ বাবে গৌৰৱজনক কথা বুলি বিবেচনা কৰোঁ।

এই 'হীৰক-জয়ন্তী'তে এনে এটা সাহিত্য-সংস্কৃতিৰ জাতীয় বৃহৎ অনুষ্ঠানৰ ক্ৰমবিকাশৰ বুৰঞ্জী ওলোৱাটো উচিত বুলি ভাবি কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্তক্ৰমে এখনি গ্ৰন্থ প্ৰণয়ন কৰিবলৈ অনুৰোধ জনোৱা হয়—লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, কবি আৰু নাট্যকাৰ অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱক। অধ্যাপক হাজৰিকাদেৱ অসম সাহিত্য সভাৰ লগত বহুপ্ৰকাৰে জড়িত। তেখেত অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতিয়েই নহয়—সুদীৰ্ঘ তিনি বছৰ কাল প্ৰধান সম্পাদকৰ ভাৰো কৃতিত্বৰে বহন কৰি গ'ল। তদুপৰি তেখেত আছিল সভাৰ দুবছৰৰ উপসভাপতি। 'বেজবৰুৱা-গ্ৰন্থাৱলী'ৰ বৃহৎ দুটা খণ্ডৰ সম্পাদনাই তেখেতৰ আশাতীত সাফল্য আৰু কাৰ্য্যদক্ষতাৰ কথাকে সোঁৱৰায়। মুঠতে অসম সাহিত্য সভাৰ বাহিৰ-ভিতৰ জনা অতি যোগ্যজনেই 'অসম সাহিত্য সভাৰ ৰূপলেখা"ৰ যোগেদি সভাৰ স্বৰূপ প্ৰকাশ কৰা এই উপাদেয় গ্ৰন্থ লিখিছে। গ্ৰন্থখন প্ৰকৃততে সমলসমৃদ্ধ সুখপাঠ্য হৈছে।

পুথিখন পাঁচোটা খণ্ডত বিভক্ত কৰা হৈছে। এই গ্ৰন্থত অতি খৰচি মাৰি বহুতো জানিবলগা কথা হাজৰিকাদেৱে জনাবলৈ চেষ্টা কৰিছে। স্বৰ্গীয় শৰৎচন্দ্ৰ ভাণ্ডাৰীয়াই প্ৰতিষ্ঠাতা-সম্পাদকৰূপে যি কষ্ট স্বীকাৰ কৰিলে সেয়া প্ৰণিধানযোগ্য। সকলুৱা কথা

কিছুমান হাজৰিকাদেৱে অতি নিখুতভাৱে লিপিবদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰাত বহুতো কথা কালৰ বুকুত মিলি নোযোৱাকৈ সংৰক্ষণ কৰা হ'ল। লেখকৰ প্ৰকাশভঙ্গী এনে ৰসাল হৈছে যে পাঠকে পঢ়ি নিশ্চয় আমনি নেপাব। জ'তুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ সুপ্ৰয়োগে গ্ৰন্থখনৰ মূল্য দুগুণে বঢ়াইছে। 'পাৰ্শ্বজ্যোতিবোৰ' প্ৰকৃততে বৰ আকৰ্ষণীয় হৈছে। হাঁহিৰ সমলো গ্ৰন্থখনত যথেষ্ট আছে। দ্বিতীয় খণ্ডৰ 'শনিৰ দশা' নামৰ অধ্যায়ত সভাৰ এসময়ৰ নিৰাশজনক পৰিস্থিতিৰ কথা সুন্দৰকৈ বৰ্ণোৱা হৈছে। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ যত্নই সভাক শোক লগা অৱস্থাৰপৰা যে কিছু টনকিয়াল অৱস্থালৈ আনিলে সেই কথা জানিলে দুয়ো গৰাকীলৈ ভক্তিত মূৰ দোঁ খায়।

চতুৰ্থ খণ্ডটো দৰাচলতে বুৰঞ্জী নহয়; ইয়াত সাহিত্য সভাৰ বিবিধ সুকীৰ্তিৰ চিনাকি আৰু প্ৰকৃত কাম-কাজৰ আভাস পোৱা যাব। ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম এই বিষয়ত এই খণ্ডত এজন প্ৰাক্তন সম্পাদকে লিখা কথা সন্নিবিষ্ট কৰা হৈছে। শতবাৰ্ষিকী-লেখক-শিবিৰ আদিৰো ইয়াত ধাৰাবাহিক চমু ইতিবৃত্ত আছে। মুঠতে এই খণ্ডটোতে অসম সাহিত্য সভাৰ প্ৰকৃত ৰূপটো ফুটি উঠিছে বুলি কব লাগিব। শেষৰ খণ্ডটো পৰিশিষ্ট। তাত বিভিন্ন বিষয়-ববীয়াৰ নাম-তালিকা দিয়া হৈছে।

মাহ লেখেৰে মাত্ৰ ৩/৪ মাহৰ ভিতৰতে সকলো কথাৰ সন্ধান লৈ তথ্যপাতি সংগ্ৰহ কৰি অতি খৰখেদাকৈ হাজৰিকাদেৱৰ দৰে এজন কৰ্মব্যস্ত প্ৰবীণ ব্যক্তিয়ে পুথিখন লিখি উলিওৱাটো অতি কষ্টসাধ্য কথা। গতিকে অসম সাহিত্য সভাৰ হৈ মই তেখেতক আন্তৰিক কৃতজ্ঞতা জনাই দীৰ্ঘায়ু কামনা কৰিলোঁ। তেখেতৰ লগত সহযোগ কৰিবৰ কাৰণে শ্ৰীৰামচৰণ ঠাকুৰীয়াক দিয়াত অতি আগ্ৰহেৰে হাজৰিকাদেৱলৈ সহযোগিতা আগবঢ়োৱাত মই তেখেতকো কৃতজ্ঞতা আৰু ধন্যবাদ জনালো।

'ৰূপলেখা'ৰ পাণ্ডুলিপিৰ পুনৰীক্ষণৰ ভাৰ দিয়া হৈছিল—অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক সুসাহিত্যিক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মাদেৱক। তেখেতেও অতি আগ্ৰহেৰে নিজ কাৰ্য্য সমাপন কৰি পুথিখন প্ৰকাশত বিশেষ বৰঙণি যোগোৱাত মই তেখেতকো আন্তৰিক শলাগ লৈ ধন্যবাদ জনালো। মুঠতে, 'ৰূপলেখা' প্ৰকাশৰ ৰূপকাৰ হাজৰিকাদেৱৰ একনিষ্ঠতাৰ কাৰণে বাকী দুয়ো গৰাকী সহযোগীয়ে তৎপৰতাৰে কাৰ্য্য কৰিবলৈ লোৱাত অতি কম সময়ত পুথিখন পোহৰলৈ ওলাল।

গুৱাহাটী শ্ৰী'সৰস্বতী' প্ৰেছৰ কৰ্মকৰ্তাসকলে অতি খৰটকীয়াকৈ ছপাকাৰ্য্য সমাধা কৰি সাহিত্য সভাক নথৈ সহায় কৰাত তেওঁলোককো বিশেষভাৱে ধন্যবাদ জনালো। ইতি—

বাইজৰ সেৱক

আব্দুছ ছাত্তাৰ

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,

যোৰহাট

২৬/১২/৭৭

# মোৰ কথা

বৰ্তমানে মোৰ শাৰীৰিক অৱস্থা ভাল আৰু বেয়াৰ দোমোজাত। দুটা চকুৰ এটা অচল, আনটো দুৰ্বল। ভৰিত বাতবিষ, গাত জঠৰতা। আহি আহি বয়সৰ পয়সত্তৰ নম্বৰ খোঁটালিত সোমাইছোঁ। এইটো বয়স বিশেষকৈ নাম জপিবৰ কাল। ওৰেজীৱনে সাহিত্যৰ নামকে জপি আহিছোঁ। এতিয়াও তাকে কৰি থাকিব পৰা হলে মনত শান্তি পালোঁহেতেন। পিছে আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা-বিধি। এই কণা-বিধি হৈছে প্ৰকাশন সমস্যা। অব্যাহতভাবে লিখি থাকিব পাৰোঁ কিন্তু লেখাবোৰ প্ৰকাশ কৰে কোনে? ইতিমধ্যে প্ৰকাশৰ বাটত যিখিনি তিতা-কেঁহা অভিজ্ঞতা লাভ কৰিলোঁ সেই-বোৰেই আঁতিভাহি গৈছে। সেই কাৰণে ইমানতে হাতৰ কাপ নমাই থৈ জীৱন-সাগৰৰ ঢৌ লেখি বহি আছিলোঁ।

যোৱা শাওণ মাহত অহুকাণে পহুকাণে শুনিবলৈ পাইছিলো, অসম সাহিত্য সভাৰ কাৰ্য্যপালিকাই বোলে হীৰক-জয়ন্তী উপলক্ষে মোক বুৰঞ্জীলেখকৰ দায়িত্ব দিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মোৰ মনত বহুত সাহিত্য-পৰিকল্পনাই থৌকিবাথৌ লগাই থাকি-লেও সাহিত্য সভাৰ বুৰঞ্জী লিখাৰ পৰিকল্পনা কোনো দিনে নাছিল। সেই বাবে শুনা কথাত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিলোঁ। সাহিত্য সভাৰ কাৰ্য্যালয়ৰপৰাও এই সম্পৰ্কে কোনো কথা জানিব পৰা নাছিলোঁ। অৱশ্যে তাৰ কেইদিনমান পিছতে আচম্বিতে এদিন অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক স্নেহাস্পদ শ্ৰীআব্দুছ ছাত্তাৰ সোঁশৰীৰে মোৰ তপোবনত হাজিৰ হ'লহি। তেওঁ হাতে হাতে মোক সাহিত্য সভাৰ ফৰমান দি কামটো কৰি দিবলৈ সভাৰ হৈ আৰু ব্যক্তিগত ভাবেও খাটনি ধৰিলে। মই নিজৰ দাম বঢ়াবলৈ নহয়, পৰি অহা স্বাস্থ্যৰ অজুহাত দেখুৱাই কামটো কৰি দিবলৈ প্ৰথমতে অমান্তি

হৈছিলোঁ। কিন্তু পিছত সতৃষ্ণনয়নে মোৰ শেষ উত্তৰলৈ বাট চাই থকা ছাত্তাৰৰ মুখখনলৈ চাই সুধিলোঁ—বুৰঞ্জী কেনেকুৱা হ'ব আৰু কেতিয়াকৈ লাগিব ? যদি কাৰ্য্যনিৰ্বাহকে কিতাপখনৰ দীঘ-পুতল আৰু ধৰণকৰণ নিৰ্দিষ্ট কৰি দিছে, তেন্তে মোৰদ্বাৰা এই কামটো কৰা সম্ভৱ নহব। বাধ্যবাধকতাৰ মাজত নোসোমোৱাকৈ মই সাহিত্য সভাৰ মৰ্য্যাদা ৰাখিবলৈ যথাসাধ্য চেষ্টা কৰি চাব পাৰোঁ। মোৰ কিতাপখন কিন্তু বুৰঞ্জীৰ লগতে সাহিত্যও হ'ব।

ছাত্তাৰে কলে—পৰিকল্পনাৰ দায়িত্ব আপোনাৰ ওপৰতে বৰ্তিছে। সাহিত্য সভাৰ বুৰঞ্জী সাহিত্য হ'ব বুলি আমিও আশা কৰিছোঁ। পিছে হীৰক-জয়ন্তী উপলক্ষে গ্ৰন্থখন প্ৰকাশ হৈ ওলাব লাগিব।

দিওঁ-নিদিওঁকৈ ছাত্তাৰক সন্মতিসূচক সমিধান দিলোঁ। কাম হাচিল কৰি তেওঁ সন্তুষ্ট হৈ বিদায় ললে।

তেওঁ যোৱাৰ পিছৰপৰাই মোৰ মূৰত চিন্তাৰ চাকনৈয়া ঘূৰিবলৈ ধৰিলে কামটো এলাপেচা বিধৰ নহয়। তাতে আকৌ হুতাই তাই, লোণ খৰিচা সানিবৰ উপায় নাই। সময় নিচেই তাকৰ। হীৰক-জয়ন্তীৰ চিকমিকনি ৰিণিকি ৰিণিকি দেখা গৈছেই। তথাপি হুৰ মুৰ যাত্ৰা, যি কৰে বিধতা বুলি কামটো হাতত ললোঁ।

প্ৰথমতে কিতাপখনৰ নামকৰণৰ কথা ভাবিলোঁ। ইয়াত নিৰ্দিষ্ট পৰিসৰৰ মাজত সাহিত্য সভাৰ সকলো কথা আহলবহলভাৱে সুমুৱাটো সম্ভৱপৰ নহব। সেই কাৰণে 'ৰূপৰেখা' নামটো দিয়া হ'লে অধিক যুক্তিসঙ্গত হ'লহেঁতেন। কিন্তু মোৰ আন দুখন কিতাপ 'মঞ্চলেখা' আৰু 'স্মৃতিলেখা'ৰ লগত ৰজিতা খুৱাই 'ৰূপলেখা' নামটো দিবলৈকে সিদ্ধান্ত কৰিলোঁ। কিতাপৰ কোনটো খণ্ডত কি বিষয়-বস্তু থাকিব মনৰ মাজতে আউটি ললোঁ।

তাৰ পিছত আহিল সহায়-সমলৰ কথা। এই বিষয়ত প্ৰধান সহায়ক হ'ল প্ৰতিষ্ঠাতা-সম্পাদক শৰৎচন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা, অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশিত 'অসম সাহিত্য সভাৰ ইতিবৃত্ত'

নামৰ প্ৰবন্ধ, ড°শ্ৰীমহেশ্বৰ নেওগে ৰচনা কৰা Annals of theAsam Sahitya Sabha নামৰ সৰু ইংৰাজী পুথি, ছিলং মুকুল সংঘৰ 'মুকুল-প্ৰকাশ', শিৱসাগৰ ৫ম লেখক-শিবিৰৰ স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা পত্ৰিকা আৰু অসম সাহিত্য সভাৰ বাৰ্ষিকীবোৰ, ভাষণাৱলী চাৰিখন আৰু শ্ৰীনন্দ তালুকদাৰ ৰচিত 'চিৰচেনেহী মোৰ ভাষা জননী' নামৰ পুথিখন। প্ৰতিষ্ঠা যুগৰ বিবৰণ লিখোঁতে দুষ্প্ৰাপ্য তাকৰীয়া সমলৰ ওপৰত ভেজা লবলগীয়া হৈছে। সঞ্জীৱনী যুগৰ বহু কথাই মোৰ মনত সেউজীয়া হৈ আছে। বিস্তাৰ যুগৰ কথাবোৰ বিস্তাৰিত হৈ আছে বাৰ্ষিকীবোৰত। সেইবোৰক নিৰ্মমভাবে সংকোচন কৰিবলৈ অনিচ্ছাৰে বাধ্য হৈছোঁ।।

এই কথা স্বীকাৰ্য্য, নিৰ্দিষ্ট কম পৰিসৰত কিতাপখন যুগুত কৰিব লগীয়া হোৱাত ইয়াৰ ভিতৰত বহু কথাই এৰা-ধৰাকৈ লিখিবলগীয়া হৈছে। অসম সাহিত্য সভাৰ সুবচনী, শাখাসভাৰ বৃত্তান্ত আৰু গ্ৰন্থ-পৰিচয় আদি বিষয়বোৰ এই পুথিৰ অবিচ্ছেদ্য অংশ হোৱাটো উচিত আছিল। কিন্তু প্ৰধান সম্পাদকৰ পৰামৰ্শ অনুসৰি আমি ইয়াত চৰ্বিত চৰ্বন কৰিব খোজা নাই অৰ্থাৎ সভাপতিসকলৰ ভাষণৰপৰা যথাসম্ভৱ কম বিবৃতি উদ্ধৃত কৰা হৈছে, শাখাসভা-বিলাকৰ কথা আৰু অসম সাহিত্য সভাৰ প্ৰকাশিত গ্ৰন্থবোৰৰ কথাও প্ৰায় বাদ দিয়া হৈছে বুলিয়েই কব লাগিব। সভাৰ সম্পাদকে ইঙ্গিত দিয়ামতে মযো আশা কৰিছোঁ যে হীৰক-জয়ন্তী উপলক্ষে একে সময়তে ওলাবলগীয়া অসম সাহিত্য সভাৰ আন কেইখন গ্ৰন্থ ইখন লিখনৰ পৰিপূৰক হব।

এই পুথিত মই কাকো প্ৰাপ্য স্বীকৃতি দিবলৈ সমূলি কৃপিণালি কৰা নাই। কিন্তু এই কথাও স্বীকাৰ্য্য, আসম সাহিত্য সভাৰ তিনি-কুৰি বছৰীয়া দীঘল ইতিবৃত্তত অনেক কীৰ্তিৰ লগে লগে অ'ত ত'ত অপকীৰ্তিও নথকা নহয়। নিৰপেক্ষ বুৰঞ্জী-লেখক হিচাপে যিখিনি কথা নিতান্ত নকলে নহয় সেইখিনি নামনিমিত্তকৈ অনিচ্ছাৰে

লিখিবলগীয়া হৈছে। তাকে কৰোঁতে মোৰ নিজৰ বিবেক-বুদ্ধিৰ উপৰিও ড° শ্ৰীহেমন্ত শৰ্মাৰ পৰামৰ্শ ই কাম কৰিছে।

এতিয়া যাই শাক মৰলীয়া অৰ্থাৎ কাৰ সহায়ত মই এই ভাৰুকৰ সাঙীখন কান্ধত তুলি লৈছিলোঁ, সেই সম্পৰ্কে চমুকৈ কওঁ। প্ৰথমতে উল্লেখ কৰিছোঁ, প্ৰধান সম্পাদক প্ৰমুখ্যে মূল সভাৰ বিষয়ববীয়াসকল। দ্বিতীয়তে কাৰ্য্যনিৰ্বাহকে যথাক্ৰমে নিৰীক্ষক আৰু সহযোগী হিচাপে মনোনীত কৰি দিয়া মোৰ দুজন স্নেহাস্পদ বন্ধু ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা আৰু শ্ৰীৰামচৰণ ঠাকুৰীয়া। দুয়ো পৰাখিনি সহায় কৰি দি মোৰ আৰু সাহিত্য সভাৰ ধন্যবাদৰ পাত্ৰ হৈছে। এই দুজনৰ লগতে আছে ছিলং অধিবেশনৰপৰা আজি পৰ্য্যন্ত সাহিত্য সভাৰ গাত কঠালৰ আথাৰ দৰে লাগি থকা মোৰ অন্যতম সহযোগী, যোৰহাটৰ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী। এওঁ মোক আৰম্ভকীয় সমল লাগমতে যোগান ধৰি আছে—সকলো সময়তে। ইয়াৰ উপৰিও আন জনচেৰেক সহায়কো আছে। সেইসকল হৈছে শ্ৰীবেণুধৰ শৰ্মা শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীনগেন শইকীয়া, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীভৱানন্দ ৰাজখোৱা, শ্ৰীতিলক দাস, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা আৰু শ্ৰীদুৰ্গেশ্বৰ শৰ্মা প্ৰভৃতি। মোৰ খাটনিমতে কোনো কোনো আলচ লিখি দিওঁতাসকলৰ ওচৰতো মই বিশেষভাবে ধৰুৱা। এই বিষয়ত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ককা অগ্ৰণী। আন আন বহুতৰ নাম কিতাপৰ ভিতৰতে লিপিট খাই আছে। সকলো আঙুলিয়ে যায়, বুঢ়াই হেচুকিলেহে যায়। সেয়ে হলেও আনবোৰ আঙুলিয়ে সহযোগ নকৰিলে বুঢ়াই অকলে হেচুকি কাৰ্য্যসিদ্ধি কৰিব নোৱাৰে নিশ্চয়। সেই কাৰণে নাম লোৱা-নোলোৱা সকলোটিলৈকে মই মোৰ হৈ আৰু সাহিত্য সভাৰ হৈ শলাগৰ শৰাই আগবঢ়াইছোঁ।

ইয়াৰ উপৰিও শ্ৰীকমলেশ্বৰ চলিহা, শ্ৰীমেঘৰাম পাঠক আৰু শ্ৰীমান কমলানন্দ বৰদলৈয়ে পুথিখনৰ পাণ্ডুলিপি যুগুত কৰাত

আৰু আন প্ৰকাৰেও সহায় কৰিছে। ভাস্কৰ শ্ৰীযুগল দাসে বেটুপাতৰ ৰংচঙীয়া ছবিখন কম সময়তে আঁকি দিছে। সকলোটি ধন্যবাদৰ পাত্ৰ।

সামৰণিত আটাইতকৈ ডাঙৰ শলাগৰ শৰাইখন আগবঢ়াইছোঁ গুৱাহাটীৰ শ্ৰীসৰস্বতী ছপাশালৰ গুৰিয়াল শ্ৰীদেবেন দত্ত আৰু তেওঁৰ সহকৰ্মীসকললৈ। শ্ৰীদত্তই সাহিত্য সভাৰ কাম নিজৰ কাম বুলি গা পাতি লৈ দিন-ৰাতি ছেদভেদ নোহোৱাকৈ অবিশ্বাস্যভাবে কম সময়ত তীৰ্য্যক গতিবেগেৰে ছপাকাম সম্পূৰ্ণ নকৰা হলে আৰু ছপাশালখন মোৰ ঘৰৰ ওচৰতে নোহোৱা হলে ভুকুতে কলটো পকাই তিথিৰ দিনত ৰূপলেখাক ৰাইজৰ আগলৈ সজাইপৰাই উলিয়াটো সম্ভৱপৰ নহ'লহেঁতেন। তথাপি মনত এয়ে দুখ থাকিল যে হাতত আৰু কেইদিনমান পোৱা হলে লুটিয়াই চাই কিতাপখন নিৰ্ভুল কৰাৰ উপৰিও ভাষা আৰু ওখ-চাপৰবোৰ ৰেণ্ডা মাৰি নিমজ কৰিব পৰা গ'লহেঁতেন। গতস্য শোচনা নাস্তি।

সদৌ শেষত মহাপুৰুষৰ নামঘোষাৰ এফাঁকি পদেৰে পাঠক-সমাজৰ আগত আঁঠু লৈছোঁ :

অধমে কেৱলে দোষ লোৱয় মধ্যমে গুণ
দোষ যত কৰিয়া বিচাৰ,
উত্তমে কেৱলে গুণ লোৱয় উত্তমোত্তমে
অল্পগুণ কৰিয়া বিস্তাৰ॥

তপোবন, গুৱাহাটী-১
২৩।১২।৭৭

নিবেদক
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

# সূচীপত্ৰ

## প্ৰথম খণ্ড : প্ৰতিষ্ঠা যুগ


১। উপক্ৰমণিকা : পূৰ্ববঙ্গ ... ... ৬
২। প্ৰথম শিৱসাগৰ অধিবেশন (১) ... ১৮
৩। প্ৰথম গোৱালপাৰা অধিবেশন (২) ... ২৩
৪। প্ৰথম বৰপেটা অধিবেশন (৩) ... ২৫
৫। প্ৰথম তেজপুৰ অধিবেশন (৪) ... ২৮
৬। প্ৰথম যোৰহাট অধিবেশন (৫) ... ৩৪
৭। প্ৰথম ডিব্ৰুগড় অধিবেশন (৬) ... ৩৮
৮। প্ৰথম গুৱাহাটী অধিবেশন (৭) ... ৩৯
৯। প্ৰথম নগাঁও অধিবেশন (৮) ... ৪৪
১০। প্ৰথম ধুবুৰী অধিবেশন (৯) ... ৪৮
১১। দ্বিতীয় গোৱালপাৰা অধিবেশন (১০) ... ৫২
১২। দ্বিতীয় যোৰহাট অধিবেশন (১১) ... ৫৬
১৩। প্ৰথম গোলাঘাট অধিবেশন (১২) ... ৫৮
১৪। দ্বিতীয় শিৱসাগৰ অধিবেশন (১৩) ... ৬০
১৫। প্ৰথম উত্তৰলক্ষীমপুৰ অধিবেশন (১৪) ... ৬২
১৬। প্ৰথম মঙলদৈ অধিবেশন (১৫) ... ৬৪
১৭। দ্বিতীয় তেজপুৰ অধিবেশন (১৬) ... ৬৯
১৮। দ্বিতীয় গুৱাহাটী অধিবেশন (১৭) ... ৭১
১৯। তৃতীয় যোৰহাট অধিবেশন (১৮) ... ৭৪
২০। তৃতীয় শিৱসাগৰ অধিবেশন (১৯) ... ৭৭
২১। দ্বিতীয় ডিব্ৰুগড় অধিবেশন (২০) ... ৮৩
২২। মাৰ্ঘেৰিটা অধিবেশন (২১) ... ৮৪
২৩। উপসংহাৰ ... ... ... ৮৯

## দ্বিতীয় খণ্ড : সঞ্জীৱনী যুগ

২৪। শনিৰ দশা ... ... ... ৯৩
২৫। ছিলং অধিবেশন (২২) ... ৯৬
২৬। চতুৰ্থ যোৰহাট অধিবেশন (২৩) ... ১১৭
২৭। তৃতীয় গুৱাহাটী অধিবেশন (২৪) ... ১২২
২৮। কপালী জয়ন্তী অধিবেশন (২৫) ... ১২৮
২৯। তিনিচুকীয়া অধিবেশন (২৬) ... ১৩৪
৩০। দ্বিতীয় নগাঁও অধিবেশন (২৭) ... ১৩৯

## তৃতীয় খণ্ড : বিস্তাৰ যুগ

৩১। জনতাই জনাৰ্দন ... ... ১৫৭
৩২। পলাশবাৰী ( মিৰ্জা ) অধিবেশন (২৮) ... ১৫৯
৩৩। তৃতীয় গোৱালপাৰা অধিবেশন (২৯) ... ১৬৪
৩৪। নাজিৰা অধিবেশন (৩০) ... ১৬৯
৩৫। ডিগবৈ অধিবেশন (৩১) ... ১৭৪
৩৬। নলবাৰী অধিবেশন (৩২) ... ১৮০
৩৭। দ্বিতীয় উত্তৰলক্ষীমপুৰ অধিবেশন (৩৩) ... ১৮৫
৩৮। তৃতীয় ডিব্ৰুগড় অধিবেশন (৩৪) ... ১৮৯
৩৯। তৃতীয় তেজপুৰ অধিবেশন (৩৫) ... ১৯৬
৪০। দ্বিতীয় বৰপেটা অধিবেশন (৩৬) ... ২০০
৪১। খিং অধিবেশন (৩৭) ... ২০৪
৪২। মাকুম অধিবেশন (৩৮) ... ২১০
৪৩। তৃতীয় ধুবুৰী অধিবেশন (৩৯) ... ২১৩
৪৪। ৰঙিয়া অধিবেশন (৪০) ... ২১৭
৪৫। দ্বিতীয় মঙলদৈ অধিবেশন (৪১) ... ২২৩
৪৬। তিতাবৰ অধিবেশন (৪২) ... ২২৯
৪৭। টিহু অধিবেশন (৪৩) ... ২৩৪

৪৮। অভয়াপুৰী অধিবেশন (৪৪) ... ২৪১
৪৯। উপসংহাৰ ... ১৪৬

চতুৰ্থ খণ্ড : বিবিধ প্ৰসঙ্গ

১। ছুটা ভৱন :
(ক) চন্দ্ৰকান্ত সন্দিকৈ ভৱন ... ২৫১
(খ) ভগৱতী প্ৰসাদ বৰুৱা ভৱন ... ২৬২
২। দুখন গ্ৰন্থ :
(ক) চন্দ্ৰকান্ত অভিধান ... ২৬২
(খ) বেজবৰুৱা গ্ৰন্থাৱলী
৩। অসম সাহিত্য সভা পত্ৰিকা ২৭১
৪। পুৰস্কৃত গ্ৰন্থ ২৭২
৫। উপাধি, অভিনন্দন, সম্বৰ্দ্ধনা ২৭৫
৬। ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ২৭৮
৭। ভাষা-জ্ঞান পৰীক্ষা—শ্ৰীপ্ৰকাশ গোস্বামী ২৮৯
৮। সম্প্ৰীতি-সন্দেশ : ২৯২
(ক) অৰুণাচল (১)—ড° শ্ৰীমহেশ্বৰ নেওগ
(খ) অৰুণাচল (২)—অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা
(গ) নগাভূমি—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
(ঘ) কাছাৰ—বাগ্মীবৰ শ্ৰীনীলমণি ফুকন
(ঙ) কাছাৰ আৰু মানকাচৰ—ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা
৯। শতবাৰ্ষিকী আৰু স্মাৰক-বক্তৃতা : ... ৩২৮
হৰিপ্ৰসাদ নেওগ, শ্ৰীযতীন গোস্বামী, শ্ৰীনগেন শইকীয়া, ড° শ্ৰীহেমন্ত শৰ্মা, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীবসন্ত গোস্বামী, শ্ৰীহেৰম্ব বৰদলৈ
১০। লেখক-শিবিৰ (পাঁচখন) ... ৩৭০
১১। লেছেৰিবোটলা ... ৪০০
১২। মধুৰেণ সমাপয়েৎ ...
পৰিশিষ্ট ৪০৯

# পতাকা উত্তোলনী গীত

বাজক দবা, বাজক শঙ্খ
বাজক মৃদং-খোল,
অসম আকৌ উন্নতি-পথত
জয় আই অসম বোল।
আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম—
সকলো আছিল সকলো আছে
নুবুজোঁ নলওঁ গম।
শঙ্কৰে দিলে, বিশুদ্ধ ধৰম
লাচিতে বাহুত বল,
সতী জয়মতী সতীত্ব তেজেৰে
অসমী আই প্ৰবল।

—লক্ষ্মীনাথ বেজবৰুৱা

# অধিবেশনৰ আৰম্ভণী গীত

চিৰচেনেহী মোৰ ভাষা-জননী ।
আই ধন্যে-পুণ্যে হৃৎপাৱনী ॥

প্ৰকৃতি পৰশে বসে অমল কমল,
চঞ্চল হৃদি-জলে ধালে পৰিমল
কোমল চম্পাৰ কলি
ঢৌৱে ঢৌৱে ঢৌৱে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী ॥

সংসাৰ-গুৰুভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়াভৰা গান
কাৰ নিচুকনি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰ লয় জিৰণি ॥

জীৱনে-মৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে মোৰ মধুৰাননা
মাগিছোঁ মাধুৰীকণা
দিয়া দিয়া দিয়া আই মধুভাষিণী ।

—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত


# সামৰণী জাতীয় সঙ্গীত


অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিবীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত ।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই ।

—লক্ষ্মীনাথ বেজবৰুৱা





ভগৱতীপ্ৰসাদ ৰৱৰ ভৱন গুৱাহাটী

# অসম সাহিত্য সভাৰ
# ৰূপলেখা

* * অসমৰ বহু খ্যাতনামা সাহিত্যিকৰ শক্তিশালী লেখনীয়ে অসমীয়া ৰাইজক সুখৰ সময়তেই হওক বা দুখৰ সময়তেই হওক প্ৰেৰণা যোগাইছিল আৰু প্ৰকৃত পথৰ সন্ধান দিছিল। অসমীয়া সাহিত্য-জগতৰ সবাতোকৈ ডাঙৰ ব্যক্তি শ্ৰীশ্ৰীশঙ্কৰদেৱৰ কথা আজি মোৰ মনত পৰিছে। এই মহাপুৰুষজনাই চাৰি শতিকাৰো আগতে যি অতুলনীয় কাব্য ৰচনা কৰিছিল, নাটক আৰু সঙ্গীতত যি অৰিহণা আগবঢ়াইছিল সি সঁচাকৈয়ে আপুৰুগীয়া। যি সময়ত অন্য ঠাইত নাটশিল্প কেঁচুৱা অৱস্থাত আছিল, সেই সময়ত এইগৰাকী মহান মানৱে উন্নতমানৰ অসমীয়া নাট ৰচনা আৰু প্ৰদৰ্শন কৰিছিল।

উল্লেখযোগ্য যে অসম সাহিত্য সভাই এনে এটা সময়ত জন্ম লভিছিল, যেতিয়া দেশে জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত এটা নতুন ৰাজনৈতিক আন্দোলনত ব্ৰতী হৈছিল। অসমৰ সুখ্যাত দেশপ্ৰেমিকসকলে যেতিয়া ৰাজ্যৰ সমাজ-সংস্কৃতিৰ উন্নয়নৰ কথাও বিশেষভাৱে চিন্তিত হৈ পৰিছিল, তেতিয়া ১৯১৭ চনত অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে অসম সাহিত্য সভা প্ৰতিষ্ঠা হৈছিল। আনন্দৰাম ঢেকিয়ালফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা আৰু সাহিত্যক নতুন ৰূপ দিলে। তেখেতসকলৰ অৰিহণাই অসমীয়া ভাষা-সাহিত্যক এটা নিজা বৈশিষ্ট্য দি উন্নতিৰ পথ মুকলি কৰিলে। ১৯ শতিকাৰ শেষ ভাগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, কবি চন্দ্ৰকুমাৰ আগৰৱালা আৰু বুৰঞ্জীবিদ হেমচন্দ্ৰ গোস্বামীদেৱে (অসমীয়া সাহিত্যৰ "তিনি মূৰ্তি") যি ৰচনা কৰিছিল—সেই ৰচনাই অসমৰ সাহিত্যক অধিক শক্তিশালী কৰি তুলিছিল। বেজবৰুৱা আৰু তেখেতৰ সমসাময়িক সাহিত্যিক গোষ্ঠীটোৱে সাহিত্যৰ দৰবাৰত এক সফল নৱজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অসম সাহিত্য সভাৰ জন্মই কুৰি শতিকাৰ প্ৰথম ভাগত অসমীয়া ভাষা আৰু সাহিত্যক চহকী কৰিবলৈ উৎসাহ যোগাইছিল।

সাহিত্যিকসকলে সাধাৰণ মানুহৰ আশা-আকাঙ্খাবোৰ প্ৰকাশ কৰিবলৈ সক্ষম হোৱা উচিত। যি সময়ত বহুবোৰ অশুভ আৰু বিভেদকামী শক্তিয়ে মূৰ দাঙি উঠিবলৈ চেষ্টা চলাই আছে, সেই সময়ত লেখক আৰু কবিসকলে জাতীয় ঐক্য, শৃঙ্খলা আৰু সম্প্ৰীতিৰ এটা পৰিবেশ সৃষ্টি কৰা অতি প্ৰয়োজন। জনসাধাৰণক একতাৰ ডোলেৰে বান্ধি তেওঁলোকৰ অন্তৰক সমাজবাদৰ মহান আদৰ্শ আৰু নীতিৰে অনুপ্ৰাণিত কৰাটোৱেই বুদ্ধিজীৱীসকলৰ কৰ্তব্য বুলি মই বিবেচনা কৰোঁ। * *

মই আশা কৰিছোঁ, প্ৰাৰ্থনা কৰিছোঁ, অসমীয়া সাহিত্যৰ সৌৰভ অসম ৰাজ্যৰ সীমাৰেখা পাৰ হৈ সমগ্ৰ দেশ তথা বিশ্বৰ সাহিত্যপ্ৰেমীসকলৰ মাজত আনন্দ বিতৰণ কৰিবলৈ সক্ষম হব।

টিহু
১।২।৭৬

—ফখৰুদ্দিন আলি আহমেদ
ৰাষ্ট্ৰপতি

প্ৰথম খণ্ড ঃ

# প্ৰতিষ্ঠা-যুগ

( শিৱসাগৰৰপৰা মাৰ্ঘেৰিটালৈ )

প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি ( freedom )। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধনবিহীনতা স্বচ্ছন্দে লেখিবৰ শক্তি নাই, সেই সাহিত্য মৃতবৎ। তাৰ আত্ম-প্ৰতিভা অবিকশিত, অস্ফুষ্ট, অপুষ্ট, অম্লান। মানুহৰ জীৱন-বৈচিত্ৰ্যও সেই লক্ষণাক্ৰান্ত। কিন্তু যেতিয়াই আমি সাহিত্যক কঠোৰ নিয়মৰ নিগড় দি বান্ধো-চাটেঁা, তেতিয়াই সাহিত্যই পঙ্গু আৰু নিৰ্জীৱ অৱস্থাৰ ফালে ঢাল লয়। * * জাতীয় সাহিত্যৰ লগত জীৱনৰ সম্বন্ধ অঙ্গাঙ্গী। জাতীয় জীৱনৰ ভৰা সেঁাতায়েই জাতীয় ইতিহাস আৰু সাহিত্যৰ ভৰাসেঁাতা। * * যি দেশৰ জাতীয় জীৱন যিমান সৌষ্ঠৱপূৰ্ণ সেই দেশৰ সাহিত্যও সিমান সৌষ্ঠৱপূৰ্ণ।

গুৱাহাটী
২৭।১২।২৪

—লক্ষ্মীনাথ বেজবৰুৱা

ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য্য আৰু বৈচিত্ৰ্য নহলে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশ থল হৈছে সাহিত্য।

গুৱাহাটী
২৮।১২।৩৭

—শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

সাহিত্য বস্তুটো জীৱনৰ প্ৰতিবিম্ব। যি জীৱনৰ যেনে ৰূপ, তাৰ লেখাত তেনে প্ৰতিবিম্বই পৰে। জীৱনত আত্মজ্ঞান, আত্মবিশ্বাস, আত্মশ্ৰদ্ধা, আত্মমৰ্য্যদাৰ অনুভূতিটো যিমানেই স্পষ্ট, প্ৰখৰ আৰু সতেজ হৈ বৰ্ত্তিব, সেই জীৱনৰ বিৰাট উজ্জ্বল প্ৰতিবিম্ব বুকুত লৈ তিমানেই মহান সাহিত্যৰ সৃষ্টি হব। সেই সাহিত্যইহে মানৱীয় মনোজগতত একচ্ছত্ৰী অধিকাৰ থাপি, মানৱৰ সকলো দুৰ্বলতা, অপূৰ্ণতা, কলুষ, ক্লেশ, গ্লানি, নীচতা, ভীৰুতা, ক্লেশ, দৈন্য ধ্বংস কৰি তাক নিখুঁত মানৱীয় ৰূপত প্ৰকৃতিস্থ কৰি তুলিব। সেয়ে বিশ্ব-মানৱীয় সাহিত্য।

মাৰ্ঘেৰিটা
১১।৩।৫০

—অম্বিকাগিৰী ৰায়চৌধুৰী

# উপক্ৰমণিকা ঃ পূৰ্ববঙ্গ

অধিবেশনৰ লেখেৰে নহলেও বয়সৰ লেখেৰে তিনিকুৰি বছৰ জীৱন-কাল সম্পূৰ্ণ কৰি ১৯৭৭ চনত অসম সাহিত্য সভাই অসমৰ সভা আৰু অনুষ্ঠানৰ বুৰঞ্জীত এক গৌৰবোজ্জ্বল অভিলেখৰ সৃষ্টি কৰিছে। এনেয়ে বুঢ়ী নাচনী, তাতে আজি নাতিনীয়েকৰ বিয়া। নাতিনীজনী হৈছে হীৰক-জয়ন্তী সমাৰোহ। বয়স বাঢ়ি অহাৰ

জোৰণি

লগে লগে মানুহৰ গাৰ বল-শক্তি পৰি আহে, আৰু ক্ৰমাৎ ডেকাতেজৰ পিৰপিৰণিও টুটি আহে। অসম সাহিত্য সভাৰ ক্ষেত্ৰত কিন্তু ওলোটাটোহে হৈছে, অৰ্থাৎ বয়সৰ লগে লগে এই সভাৰ শক্তি বৃদ্ধিহে হৈছে, ৰূপত ৰাং চৰিছে। সেয়েহে হীৰক-জয়ন্তী উপলক্ষে আজি এই সাহিত্য সভা উলাহৰ মাদলী হৈছে। উপৰিপুৰুষৰ কীৰ্তি-কাহিনীৰ কথা শুনিলে জীৱন ধন্য হয়, গাৰ শক্তি বাঢ়ে। সেই কাৰণে হীৰক-জয়ন্তী শুভ সমাৰোহৰ লগত ৰজিতা খুৱাই অসম সাহিত্য সভাৰ জীৱন-বৃত্তান্ত এই ৰূপলেখা মুগুতাবলৈ লোৱা হৈছে।

এই কথা সঁচা যে ৰাম নৌউপজোঁতেই ৰামায়ণ হোৱাৰ নিচিনাকৈ অসম সাহিত্য সভাৰ জন্মলগ্নৰ বহু দিন আগতেও, অসমৰ অ'ত ত'ত বিভিন্ন স্থানত বিভিন্ন, অনুষ্ঠানত পৰোক্ষভাৱে হলেও অসম সাহিত্য সভাই কৰিবলগীয়া কামবোৰকে চুচু ৰীয়াভাৱে কৰিবলৈ চেষ্টা চলিছিল। সেই সময়ত যিবোৰ বাজহুৱা অনুষ্ঠান আছিল তাৰো কৰ্মকৰ্তাসকলৰ মাজত অসমীয়া ভাষা-সাহিত্যৰ বিষয়ে নিশ্চয় আলোচনা-বিলোচনা হৈছিল, কিন্তু কোনেও বিষয়টোৰ লগত

পোনপটীয়াভাৱে জড়িত হৈ পৰা নাছিল। স্বনামধন্য আনন্দৰাম ঢেকিয়ালফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, লম্বোদৰ বৰা প্ৰভৃতি বৰেণ্যসকলৰ সাহিত্য-প্ৰচেষ্টা গাইগুটীয়া পৰ্যায়ৰ আৰু সেইবোৰ কিতাপ আৰু আলোচনীৰ পাততে সীমাবদ্ধ হৈ আছিল। সেইবোৰে কোনো আনুষ্ঠানিক ৰূপ লোৱা নাছিল। সেইসকলৰ সাহিত্য-সেৱা যে উলাই কৰিব পৰা বিধৰ আছিল, তেনে কথা কোনেও ক'ব নোৱাৰে। হেম বৰুৱাৰ 'হেমকোষ' আৰু সাহিত্য সভাৰ 'চন্দ্ৰকান্ত অভিধান' কোনখন ডাঙৰ, কোনখন সৰু সমালোচনাৰ তুলাচনীৰে জুখি নিৰ্ণয় কৰিব নোৱাৰি। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা স্বয়ং একোটা অনুষ্ঠানৰ দৰে আছিল। সেয়ে হলেও গুটীয়া প্ৰচেষ্টাতকৈ সমূহীয়া প্ৰচেষ্টাৰ শক্তি বেছি। সংহতিৰ কাৰ্যসাধিকা শক্তি অপৰিসীম। সেই কাৰণে সাতে-পাঁচে বাৰ হৈ এদিন শুভ লগ্ন, শুভ ক্ষণত অসম সাহিত্য সভাৰ জন্ম-হ'ল। এটা সৰু গুটিৰপৰা জন্মলাভ কৰি এজোপা বৰগছ বছৰে বছৰে লহপহকৈ বাঢ়ি বৃহৎ বটবৃক্ষ হোৱাৰ নিচিনাকৈ শাখা-প্ৰশাখাৰে অসম সাহিত্য সভায়ো ক্ৰমাৎ সৰুৰপৰা বৰ হোৱাত ইয়াৰ ঠাল-ঠেঙুলি শাখা-সভাবোৰে আজি সমগ্ৰ অসম ছাতি পেলাইছে। অসম সাহিত্য সভা আজি সদৌ অসমৰ এক মহান আৰু বিৰাট জাতীয় অনুষ্ঠান। চিৰচেনেহী ভাষা-জননীৰ জয়গানে আজি অসমৰ গগন-পৱন মুখৰিত।

এতিয়া অলপ আগৰপৰা আৰম্ভ কৰা যাওক। কলিকতাত উচ্চ শিক্ষা লবলৈ গৈ এমুঠি অসমীয়া ছাত্ৰে ১৮৮৮ চনত প্ৰতিষ্ঠা কৰা অসমীয়া ভাষাৰ উন্নতিসাধিনী সভাখনকে ( অ-ভা-উ-সা সভা ) অসম সাহিত্য সভাৰ আগৰ জন্মৰ ৰূপ বুলি কব পৰা যায়। এই দুয়োখন সভাৰে উদ্দেশ্য আৰু কাৰ্যপ্ৰণালীৰ মাজত বিশেষ পাৰ্থক্য একো নাই। অসমীয়া সাহিত্যৰ উন্নতিসাধন কৰা আৰু অসমীয়া ভাষা-সাহিত্যক বাহিৰৰ অবৈধ আক্ৰমণৰ পৰা ৰক্ষা কৰাটোৱেই

অ-ভা-উ সভাৰ উদ্দেশ্য আছিল, অসম সাহিত্য সভাৰো অনুৰূপ উদ্দেশ্যই নহয় জানো ? *

মহাপুৰুষ শ্ৰীশঙ্কৰ-মাধৱ, ভট্টদেৱ প্ৰভৃতিৰ অমৰ লেখনীয়ে যি সাহিত্যৰ সোণালী যুগ ৰচনা কৰিছিল, যোৱা শতাব্দীৰ শেষভাগ আৰু বৰ্তমান শতাব্দীৰ আদিভাগত সেই সাহিত্য ৰণত পৰি ৰুলীয়া ভেঁশ নাপাই ফপৰীয়া হৈছিল। দেশত তেতিয়া নতুনকৈ আচহুৱা ইংৰাজ আমোল প্ৰৱৰ্তন হোৱাত সেই সময়ত অসমীয়া জাতিয়ে আত্মবিস্মৃত হৈ বিজতৰীয়া হৈ পৰিছিল। মান মৰাণৰ মাধমাৰৰ ফৰফৰণি তেতিয়াও ভাষা-সাহিত্যৰ কঁকালত লাগিয়েই আছিল। দেশ আৰু জাতিৰ তেনে কলাঘুমটীয়া অৱস্থাৰ সুযোগ লৈ বঙ্গীয় অঘাসুৰ-বকাসুৰবিলাকে কেৱল ভাষা-সংস্কৃতিকে নহয়, গোটেই দেশখনকে নিজৰ বৰটোটোলাত সুমাই লবলৈ অহৰহ অপচেষ্টা চলাই আছিল। সেই দুৰ্দিনৰ ফটফটীয়া ছবি এখন সংৰক্ষিত হৈ আছে জোনাকী-যুগৰ অন্যতম ধনুৰ্দ্ধৰ ৰাধানাথ ফুকনদেৱৰ অসম সাহিত্য সভাৰ যোৰহাটত অনুষ্ঠিত অধিবেশনৰ ( ১৯৫৪ চন ) আদৰণী ভাষণত। তাৰেপৰা একাংশ তুলি দিছোঁ : "জগতৰ ইতিহাসত চাব, ৰজাঘৰৰপৰা উৎসাহ আৰু সহায় নোপোৱাকৈ কোনো সাহিত্যৰ উন্নতি হোৱা নাছিল। আমাক বিদেশী ইংৰাজ ৰজাই সহায় যে নকৰিলেই, বৰং আমাৰ ভাষাৰ বিদ্বেষ কৰিলে। প্ৰথম আহিয়েই তেওঁবিলাকে বুজিলে যে অসমীয়া জাতি জাতি নহয়,

* যি কাৰ্য্যৰ নিমিত্তে অসমীয়া ভাষা-উন্নতিসাধনী সভাৰ জন্ম হৈছিল সেই কাৰ্য্য অতি সন্তোষজনকভাবে সিদ্ধি হৈ যোৱাৰ পিছত সেই সভা এতিয়া আৰু নাই। কিন্তু তাৰ পৰিবৰ্তে অসম সাহিত্য সভাই জন্ম ললে।

—কনকলাল বৰুৱা

It may be claimed with much justice that Asam Sahitya Sabha inherited the role, the objectives, as well as the national character of Asamiya Bhasa Unnati Sadhini Sabha.

—Dr Maheswar Neog.

অসমীয়া ভাষা ভাষা নহয়; এইদৰেই তেওঁলোকক বুজালে। তেওঁবিলাকে বুজিলে যে অসমীয়া ভাষা বঙলা ভাষাৰ অপভ্ৰংশ। এই বিষয়ে তেওঁলোকৰ প্ৰধান যুক্তি হ'ল যে এতিয়াও ৰংপুৰ, কোচবিহাৰ আদি পূৰ্ববঙ্গৰ মানুহে বঙলা ভাষা কয়। এইটো সঁচা কথা যে এইবোৰ মানুহে ভঙা ভঙা অসমীয়া কথাহে কয়। কিন্তু আমি সেই সময়ত বিদেশী ৰজাক বুজাব নোৱাৰিলোঁ যে অতীজত পূৰ্ববঙ্গৰ বহুখিনি ঠাই প্ৰাচীন বিশাল সমৃদ্ধিশালী কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল আৰু সকলোৰে কামৰূপৰ ভাষাকেহে কৈছিল আৰু এতিয়াও তাকে কৈ আছে। প্ৰাচীন কামৰূপ ৰাজ্যৰ গৌৰৱৰ কথা তেতিয়াও তেওঁবিলাকে জনা নাছিল। এই কথাটো জানিবলৈ তেওঁবিলাকৰ এশ বছৰ লাগিল আৰু যেতিয়া জানিলে তেতিয়া তেওঁবিলাকৰ যাবৰে হ'ল।**

১৮৯৭ চনলৈকে, এই তিনিকুৰি বছৰেও আমাৰ দেশত এজন এম-এ পাছ কৰা মানুহ নাছিল। বিশ্ববিদ্যালয়ত উচ্চ স্থান অধিকাৰ কৰাৰ যে আমাৰ শক্তি আছে, এনে ভাব আমাৰ মনলৈ নাহিছিল। কিয় এনে অৱস্থা হৈছিল আপোনাসকলক বুজোৱা টান। মোৰ কথা বিশ্বাস কৰক যে আমাৰ স্কুলৰ শিক্ষা অতি বেয়া আছিল। আমি কলিকতালৈ গৈহে বুজিলোঁ যে সকতে আমাৰ আচলতে কুশিক্ষাহে আছিল। আমাৰ প্ৰধান অভাৱ আছিল আত্মগৌৰৱ নিজৰ ওপৰত বিশ্বাস। আমাৰ ভাষাক আমি নিজেই অৱজ্ঞা কৰিছিলো। কলিকতাত আমাৰ বহুত ভাল ভাল ল'ৰা ফেইল হৈছিল—আমাৰ দোষত নহয়, আমাৰ বাল্যকালৰ শিক্ষাৰ দোষত। নিতৌ স্কুললৈ গৈ যদি কিতাপ পঢ়াৰ পৰিৱৰ্তে অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ বিষয়ে নিন্দা শুনিব লাগে, তেন্তে পঢ়াশুনা কেনে হ'ব তাক আপোনালোকে নিজেই ভাবি চাওক। আমাৰ অমনোযোগী শাসনকৰ্তাসকলৰ দোষত বা ভুলত আমাৰ শিক্ষা এশবছৰ পাছ পৰিল।

ঠিক এনে সময়তে, সম্ভৱতঃ ১৮৮৬ চনত, এদিন শুভ ক্ষণত কলিকতাৰ এটি সৰু মেছত এখন চাহ-খোৱা মেলত দুজনমান অসমীয়া ছাত্ৰৰ মনত খেলালে যে যদি আমাৰ জাতীয়ত্ব ৰক্ষা কৰিব লাগে, তেন্তে প্ৰথমতে আমি আমাৰ ভাষাটোক বিদেশী আক্ৰমণৰ-পৰা ৰক্ষা কৰিব লাগিব। তেওঁবিলাকে তাৰ পিছদিনাই অ-ভা-উ-সা সভা নাম দি এখন সভাৰ প্ৰতিষ্ঠা কৰে।”

অসমীয়া ভাষা-সাহিত্যৰ সেই পানীত হাঁহ নচৰা দুৰৱস্থাৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লবলৈ ১৮৮৬ চনত এদিন কলিকতাত অ-ভা উ-সা সভাৰ জন্ম হৈছিল আৰু একালত সেই সভাৰ প্ৰভাৱ গোটেই অসমতে বিস্তাৰিত হৈ পৰিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ ভাষাৰেই কৈছোঁ :

“মাতৃভাষাৰ ভালৰ অৰ্থে আমি অকল ‘জোনাকী’ উলিয়ায়ে বহি থকা নাছিলোঁ। ‘অসমীয়া ভাষা উন্নতিসাধিনী সভা’ নামেৰে সভা এখন স্থাপন কৰি তাৰ উন্নতি সাধন কৰিবলৈ প্ৰাণপণে লাগি গৈছিলোঁহক। এই বছৰৰ

অ-ভা-উ-সা সভা

‘জোনাকী’ত ছপা হোৱা অ-ভা-উ-সা সভাৰ কাৰ্য্য-বিৱৰণ পঢ়িলেই তাৰ আভাস পোৱা যায়। এই লেখক সেই বছৰত সেই সভাৰ সম্পাদক আছিল। তেওঁ লেখা বছেৰেকীয়া কাৰ্য্য-বিৱৰণৰপৰা অলপ তুলি দিলোঁ। এই বছেৰেকীয়া সভা ১৮১১ শকৰ ১০ আহিনত ২নং ভবানীচৰণ দত্ত লেনৰ ঘৰত বহিছিল, আৰু তাৰ সভাপতি আছিল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা।

জন্মৰ সংক্ষেপ বিৱৰণ—কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ ‘টি পাৰ্টি’ ( অৰ্থাৎ চাহখোৱা মেল ) নামেৰে এখন সম্মিলনী আছিল। সেই সম্মিলনী প্ৰতি শনিবাৰে গধূলি অসমীয়া ডেকাসকলৰ কোনো এটি বহাত বহি সেইসকলৰ মাজত পৰস্পৰ সদ্ভাৱ-প্ৰীতি আদি উৎপন্ন কৰাৰ প্ৰধান উপায় সাধিছিল। আৰু সেই সুযোগত তাত দেশহিতকৰ ভাল ভাল বিষয়বিলাকৰ অলপ আলচ হৈছিল। সেই

আলচৰ ফলস্বৰূপে এই 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম। পৃথিৱীৰ ইতিহাসলৈ চকু দিলে দেখিবলৈ পোৱা যায় যে এই জগতত যতবিলাক ডাঙৰ ডাঙৰ কাৰ্য্যৰ অনুষ্ঠান হৈছে প্ৰায় সকলোবোৰৰ উৎপত্তিৰ সূত্ৰপাত এনে সৰু কাৰ্য্য বা ক্ষুদ্ৰ ঘটনাৰপৰা হৈছে। বিলাতী পণ্ডিত জনছন, এডিছনৰ দিনৰ 'কফি হাউছ' য়ুৰোপ, এছিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ কথাৰ ওপজা ঠাই। এতিয়াও অসমীয়া ভাইসকলৰ এই নগণ্য ক্ষুদ্ৰ 'টি পাৰ্টি'ৰ পৰা গজালি মেলা পুলি 'অসমীয়া ভাষা উন্নতিসাধিনী সভা'ৰ ডাল-পাত যে কালক্ৰমত প্ৰকাণ্ড আকাৰ ধৰি এশ যোজন ব্যাপি পৰিবৰ সম্ভৱ তাক কোন অসমীয়াৰ ওখ আশাৰে চপচপীয়া হিয়াই মুই কৰিবলৈ আগবাঢ়িব ? ১৮১০ শকৰ ভাদ মাহত ( ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে ) ৬৭নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা 'টি পাৰ্টি'ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখন সভা কৰিবৰ প্ৰস্তাৱ হৈ সেই প্ৰস্তাৱ কাৰ্য্যত পৰিণত হোৱাৰ ফলস্বৰূপে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হয়।

এই সভাৰ উদ্দেশ্য হৈছে, অসমীয়া ভাষাৰ উন্নতিসাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই 'অসমীয়া ভাষা উন্নতিসাধিনী' নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ-দীঘল হব ; কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই তুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব ; কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।

এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ যত্ন কৰিছে। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয়, সভাই তাৰো চেষ্টাত

আছে। অসমৰ সকলো বিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয়, আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰা ; লেখা-পঢ়া কাৰ্য্যত অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ, পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ, শ্ৰীধৰ কন্দলি, শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লেখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ আসামৰ আগৰ দিন বা এতিয়াৰ যিবিলাক ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি, আৰু খেল, মেল, গাঁও-ভূঁইৰ আনুপূৰ্বিক বৃত্তান্ত আছে তাক সংগ্ৰহ কৰি এখন প্ৰকৃত বিস্তৃত বুৰঞ্জী লেখিবলৈ ; দেশৰ সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চা হয় তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ ; বাতৰি কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ ; আৰু আসামৰ সকলো অঞ্চলতে এটা মাত্ৰ লেখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।"

কলিকতীয়া অ-ভা-উ-সভাৰ আৰ্হিৰে অসমৰ বিভিন্ন ঠাইত কেবাখনো অ-ভা-উ-সা সভাৰ সৃষ্টি হৈছিল। কিন্তু একে উদ্দেশ্য আৰু একে নিয়ম-প্ৰণালীৰে গঠিত হলেও অসম সাহিত্য সভাৰ মূল সভা আৰু শাখাসভাবোৰৰ দৰে থলুৱা অ-ভা-উ-সা-বোৰৰ গুৰিগছৰ লগত কোনো সম্পৰ্ক নাছিল, বাধ্যবাধকতাও নাছিল। অসমৰ অ-ভা-উ-সা সভাবোৰে স্বতন্তৰীয়া, গাইগোটা পেটেভঁৰাল হৈ নিজ নিজ কাৰ্য্যক্ষেত্ৰত মাজে মাজে একোখন সভা পাতি জীৱনধাৰণ কৰি আছিল আৰু দুই এটা ভাষাহিতকৰ কামো নকৰাকৈ থকা নাছিল।

এই অ-ভা-উ-সা সভাবোৰৰ মাজত কোনো যোগসূত্ৰ নাছিল। সদৌ অসমৰ বাবে এখন সাহিত্য সভা লাগে বুলি ক'তো সিদ্ধান্ত লোৱা হোৱা নাছিল। কলিকতাৰ অ-ভা-উ-সা সভাৰ বিলুপ্তি ঘটাৰ পিছতো অৱশ্যে এই অ-ভা-উ-সা সভাবোৰ বৰ্তি আছিল।

* * *

এইখিনিতে উল্লেখ কৰিব পাৰি যে এই শতিকাৰ ১ম-২য় দশকত উজনি-নামনিৰ কথ্য ভাষাৰ শুদ্ধাশুদ্ধ লৈ 'বাঁহী' আৰু 'আসাম বান্ধৱ'ৰ পাতত অপ্ৰীতিকৰ বাক-বিতণ্ডাৰ সৃষ্টি হৈছিল, তাকে দেখি নেতৃস্থানীয় এচাম লোকে মাহৰ মাৰ দেখি তিলে যেত মেলাৰ নিচিনাকৈ ক'ৰ পানী কলৈ যায় তাৰৈল চাই হাত সাৰটি বহি আছিল। আনকি শান্তিপ্ৰিয় সত্যনাথ বৰাৰ দৰে এগৰাকী প্ৰবীণ সাহিত্যিকেও হিতে বিপৰীত হব পাৰে বুলি আশঙ্কাত সদৌ অসমৰ বাবে এখন সাহিত্য সভা গঠন কৰাৰ মতত হয়ভৰ দিব পৰা নাছিল। অনাহকত বাটৰ কচু গাত ঘঁহি লয় কোনে? কিন্তু শেনচকুৰা অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সমগ্ৰ অসমৰ বাবে এখন সাহিত্য সভা লাগে বুলি তেতিয়াই কাকতে-পত্ৰে লেখালেখি কৰিছিল। পিছে সময়ে সেই নিৰাশাবাদীসকলৰ মনৰ আশঙ্কা অমূলক প্ৰতিপন্ন কৰিলে। 'বাঁহী-বান্ধৱ'ৰ বিবাদৰ বুৰবুৰণি কিছুদিনলৈ চলি থাকি আপোনা আপুনি মাৰ গ'ল। অসম সাহিত্য সভাই সকলো ভয়-ভ্ৰান্তি-আশঙ্কা অমূলক চিন্তাৰ কণকঠীয়া মাৰি মহামিলনৰ সাহিত্য-তীৰ্থ ৰচনা কৰিলে। এই সভা কেৱল 'অসমীয়া সাহিত্য সভা' নহৈ 'অসম সাহিত্য সভা' হ'ল। ইয়াৰ পৰিধি আৰু পৰিসৰে অসমৰ সকলো লোককে, ভিন ভিন জনগোষ্ঠীক ঐক্য আৰু সম্প্ৰীতিৰ একেগছি মিলন-ডোলেৰে বান্ধি আপোন কৰি ল'ব পৰা এখন ভাষা-সংস্কৃতিৰ বিশাল অনুষ্ঠানত পৰিণত হ'ল। যিসকলে আদিতে *এই সভাখনৰ নামকৰণ কৰিছিল, সেইসকলৰ সুদূৰপ্ৰসাৰী দূৰদৃষ্টি* নিশ্চয় শলাগিবলগীয়া।

অসম সাহিত্য সভা ভূমিষ্ঠ হোৱাৰ আগতেও যে তেনে এখন অনুষ্ঠান গঠন কৰিবলৈ অ'ত ত'ত কল্পনা-জল্পনা হোৱা নাছিল এনে নহয়, কিন্তু সেই প্ৰচেষ্টাবোৰ এচাম মুখিয়াল লোকৰ সমৰ্থন নোপোৱাৰ বাবে উমনিতে ঘোলা হৈছিল। এনে এখন সভাৰ চিন্তাই প্ৰথমতে উক দিছিল, কৰ্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ মনত। তেওঁ ১৯১৪ চনতে গুৱাহাটী অ-ভা-উ-সা সভাত এনে এখন সাহিত্য সভা লাগে বুলি এটা প্ৰস্তাৱ দিছিল। কালিৰাম দাসে (বৰ্মণ?) তেওঁক সমৰ্থন কৰিছিল। এই সম্পৰ্কে মতভেদ হোৱাত শৰ্মাৰ প্ৰস্তাৱটো নৰজিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে কৰ্মপ্ৰাণ শৰ্মাদেৱ সাহিত্যপ্ৰাণো আছিল। অসম ছাত্ৰ সম্মিলনৰ মজিয়াতো তেওঁ এই বিষয়ে চেষ্টা কৰিছিল। অসম সাহিত্য সভাৰ প্ৰথম চাৰিখনমান বছেৰেকীয়া অধিবেশনত তেওঁ সহযোগ কৰিছিল। কিন্তু অসম এছোচিয়েছন আৰু কংগ্ৰেছৰ কামত গা ঢালি দিবলগীয়া হোৱাৰ বাবে আৰু ৰুগ্ন স্বাস্থ্যৰ বাবে তেওঁ সাহিত্য সভাৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পৰিব নোৱাৰিলে। 'চেতনা'ৰ যুটীয়া সম্পাদকৰ পদো এৰি দিবলগীয়া হৈছিল। পিছত তেওঁক অকাল মৃত্যুৱে গ্ৰাস কৰি ৰাজনীতি আৰু সাহিত্যৰ অপূৰণীয় ক্ষতি কৰিলে।

১৯১৫ চনত অসম উপত্যকাৰ কমিছনাৰ পি—আৰ-টি গৰ্ডন চাহাবৰ উদ্যোগত যোৰহাটত এখন ৰাজ্যিক পৰ্য্যায়ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল। সেই উপলক্ষে যোৰহাটলৈ যোৱা অসমৰ বিভিন্ন স্থানৰ মুখিয়াল লোকসকলে বিষ্ণুৰাম হলত গোটখাই এখন অসমীয়া সাহিত্য সভা পাতিবলৈ কুৰুংকাৰাং কৰিছিল। মেঘে গাজিলে, কিন্তু বৰষুণ নহ'ল। সেই চনতে গুৱাহাটীৰ অ-ভা-উ-সা সভাৰ এক বৈঠকত মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ মহাশয়ে 'অসম সাহিত্য সম্মিলন' এখন গঠন কৰি তাৰপৰা 'বঙ্গীয় সাহিত্য সম্মিলন'লৈ প্ৰতিনিধি পঠিয়াবৰ বাবে এটা প্ৰস্তাৱ দিছিল। যাইকৈ

প্ৰবীণ সাহিত্যিকসকলৰ বিৰোধিতাত সেই প্ৰস্তাৱো ফুটুকাৰ ফেন হৈ উৰি গ'ল।*

সেই একে চনৰে ডিচেম্বৰ মাহত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম এছোচিয়েছনৰ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত বছেৰেকীয়া সভাৰ অন্তত শিৱসাগৰত ফণীধৰ চলিহা ডাঙৰীয়াৰ সভাপতিত্বত অসমীয়া সাহিত্যৰ এখন অভিবৰ্তন বহিছিল। সত্যনাথ বৰা, পদ্মনাথ বৰুৱা (গোহাঞিবৰুৱা), নবীনচন্দ্ৰ বৰদলৈ প্ৰভৃতি অনেক গণ্যমান্য লোক সেই সভাত উপস্থিত আছিল। সত্যনাথ বৰা, বেণুধৰ ৰাজখোৱা, দুৰ্গানাথ চাংকাকতী, তফজ্জুল হুছেইন প্ৰভৃতিয়ে বক্তৃতা দিছিল। কিন্তু তাতো গালৈঁ বালৈঁ খোলাকটিৰ তাল হ'ল।

১৯১৬ চনত গুৱাহাটীত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰ সভাপতিত্বত অসম এছোচিয়েচনৰ বছেৰেকীয়া অধিবেশন অনুষ্ঠিত

* "১৯১৫ খৃষ্টাব্দৰ জুলাই মাহত মই কটন কলেজৰ প্ৰথম বাৰ্ষিকত ভৰ্তি হওঁ। তাৰ অলপ আগতে কটন কলেজৰ সংস্কৃতৰ প্ৰফেছৰ পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়ৰ অনুগ্ৰহত ১৯১৫ খৃষ্টাব্দত বৰ্দ্ধমানৰ বঙ্গীয় সাহিত্য সম্মিলনলৈ মমো হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰনাথ শৰ্মা, সৰ্বেশ্বৰ শৰ্মাকটকীৰ সৈতে 'হাফ কনচেছন' টিকটত ডেলিগেট স্বৰূপে যাবলৈ সুবিধা পাওঁ। সেই বৰ্দ্ধমান সাহিত্য সম্মিলনৰ দৰ্শনৰ ফলতে মই, চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকা ৰায়চৌধুৰী এই তিনিজনৰ যুটীয়া যত্নৰ ফলতে অসম সাহিত্য সম্মিলনৰ যত্ন বুলিব লাগে। অসম ছাত্ৰ সম্মিলন পাক লাগি (indirectly) অসম সাহিত্য সম্মিলন ৰূপেহে জন্ম লোৱাৰ কথা আছিল। পিছে কলিকতাৰ এ-এছ-এল ক্লাবৰ সভ্য আৰু ড° বাণীকান্ত কাকতী (তেতিয়া বি-এ) আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ইচ্ছাক্ৰমে গুৱাহাটীত ছাত্ৰ সম্মিলনৰূপে জন্ম হ'ল। আমাৰ কল্পনা-গৰ্ভস্থ অসম সাহিত্য সভা শিৱসাগৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত ১৯১৭ চনত ভূমিষ্ঠ হ'ল। সেই প্ৰথম অধিবেশনত মই 'কোৱা ভাষা আৰু লেখা ভাষা' নামৰ প্ৰবন্ধ এটা পাঠ কৰাৰ গৌৰৱৰ আনন্দ এতিয়াও মোৰ মনত আছে।"

—ৰত্নকান্ত বৰকাকতী গদ্যসম্ভাৰ (আত্মবাণী)

হৈছিল। উজান বজাৰ লতাশিল খেলমাটিত সজোৱা সেই সন্মিলনৰ সভামণ্ডপত অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশন বহিল। এই ছাত্ৰ সন্মিলনৰ ত্ৰিমাতা-কলিকতাৰ এ-এছ-এল ক্লাব, গুৱাহাটীৰ এ-এছ-এল ক্লাব আৰু গুৱাহাটীৰ একতা সভা। উদ্যোক্তা ছাত্ৰসকল আছিল চন্দ্ৰনাথ শৰ্মা অম্বিকানাথ বৰা, জ্ঞাননাথ বৰা, সৰ্বেশ্বৰ শৰ্মা কটকী, উমেশচন্দ্ৰ চোধাৰী আৰু দৈবচন্দ্ৰ তালুকদাৰ প্ৰভৃতি। অসমৰ সকলোবোৰ স্কুল-কলেজৰ ছাত্ৰ-প্ৰতিনিধিৰ উপৰিও অসমৰ নবীন-প্ৰবীণ সাহিত্যিকসকল সমবেত হ'ল। সভাপতিত্ব কৰিবলৈ আহিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া।

অসম ছাত্ৰ সন্মিলন

প্ৰথমতে ইয়াৰ 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' কৰিব খোজা হৈছিল। পিছত অৱশ্যে কৰ্মৰ পৰিসৰ ব্যাপকতৰ কৰিবৰ বাবে অসম ছাত্ৰ সন্মিলন নামকৰণ কৰা হ'ল।

এই ছাত্ৰ সন্মিলনৰ অভূতপূৰ্ব কৃতকাৰ্য্যতা দেখি বয়সীয়া সাহিত্যিকসকলৰো গা উঠিল। তেওঁলোকৰ মনৰপৰা বহু দিনৰপৰা গোটমাৰি থকা দোধোৰ-মোধোৰ ভাব পানীকৃত্য হৈ নোহোৱা হ'ল। সন্মিলনত যোগ দিবলৈ অহা বিভিন্ন স্থানৰ সাহিত্যিকসকলক থুপ খুৱাই গৌৰীকান্ত তালুকদাৰৰ উকিলখানাত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে এখন বৰমেল পাতিলে। সেই মেলৰ সভাপতি হ'ল অধ্যাপক (ডক্টৰ) সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়া। তাত দৃঢ়তাৰে সিদ্ধান্ত লোৱা হ'ল যে বিৰুদ্ধবাদী কেইজনমানৰ হেঙাৰলৈ কেৰেপ নকৰি পিছৰ বছৰ অসম এছোচিয়েছনৰ লগতে অসম সাহিত্য সভা পাতিবই লাগিব। এই উদ্দেশ্যে আন ঠাইৰ সাহিত্যিকসকলৰ লগত পৰামৰ্শ আৰু শিৱসাগৰৰ লগত যোগাযোগ কৰি সদৌ অসমৰ সাহিত্যিকসকলৰ সভা এখনৰ প্ৰথম অধিবেশন পাতিবলৈ সেই মেলতে এখন তদৰ্থ সমিতি গঠন কৰি দিয়া হয়। সেই সমিতিৰ সম্পাদকৰ ভাৰ দিয়া হয় 'অসমৰ পিট' চন্দ্ৰনাথ শৰ্মাক। শৰ্মাদেৱে এনেবোৰ কামত নাবা বুলিলেও চাবি চাপৰ মাৰে; এভিয়া বা বুলিলে যেভিয়া কথাই নাই। তেওঁ

যি কামতে ধৰে সেই কাম সফল নোহোলৈকে চেষ্টাৰ ত্ৰুটী নকৰে। শিৱসাগৰ সভা-সমিতি পাতিবলৈ সদায় উত্ৰাৱল। সাহিত্য সভা পাতিবলৈ চন্দ্ৰনাথ শৰ্মাৰ যোগেদি যোৱা সাহিত্যিকসকলৰ আহ্বানত শিৱসাগৰৰ শিৱদলে মূৰ তুপিয়াই সমৰ্থন জনালে।

একে সময়তে, একে উদ্দেশ্যকে লৈ যোৰহাটত শৰৎচন্দ্ৰ গোস্বামী আৰু কুলধৰ চলিহায়ো হৈধ্বনি দিছিল। কাকতালীয় ঘটনা। যোৰহটীয়া প্ৰচেষ্টাৰ বিতং বিৱৰণ শৰৎ গোসাঁয়ে বিবৃত কৰিছে এনেদৰেঃ "আমি যোৰহাটত এখন সাহিত্য সভা পাতিবৰ দিহা কৰিলোঁ। আৰু মৱেই সকলো লেঠা লৈ যোৰহাট সাহিত্য সভাৰ প্ৰথম অধিবেশন আৰম্ভ কৰিলোঁ।।

ইং ১৯১১-১৯১৪ চনৰ ভিতৰতে পম্পু সিংহ ই-এ-চিৰ ঐকান্তিক যত্নত আৰু মোৰো চেষ্টাত যোৰহাট থিয়েটাৰ স্থাপিত হ'ল। তাত চন্দ্ৰধৰ বৰুৱা প্ৰমুখ্যে সকলো জনা-বুজা ধনী-মানী লোকে যোগ দিছিল, অভিনয় আদি কৰিছিল। থিয়েটাৰৰ এই চক্ৰটোৰ লগত নিবিড় কৰি যোগ দিয়াতো সাহিত্য সভা পাতিবলৈ মোৰ পক্ষে বৰ সহজ হৈছিল। বিশেষ কৰি আদিৰেপৰা যোৰহাটৰ বাইজে মোক বৰ মৰম কৰিছিল আৰু বিশ্বাস কৰিছিল। সেইদেখি মই আৰম্ভ কৰা কামত সকলোখিনিতে বৰ সহায় আৰু সহযোগিতা পাইছিলো।

যিমানদূৰ মনত পৰিছে, যোৰহাটৰ এই প্ৰথম সাহিত্য সভাত দেৱীচৰণ বৰুৱা সভাপতি আছিল। দেৱীচৰণ বৰুৱা এক কথাৰ মানুহ আছিল। কাকো হিংসা-কুচ্‌'ট নকৰিছিল। অনাৱশ্যকৰূপে কোনো মানুহৰ লগত সংশ্ৰৱ নাৰাখিছিল, অথচ তেখেতৰ বিশ্বাস উৎপাদন কৰিব পাৰিলে সকলো ভাল কামত সহায় কৰিছিল। মিটিংখন হৈছিল বিষ্ণুৰাম হলত। মই 'কিবাকিবি' নাম দি সেই সময়ৰ অসমীয়া ভাষা আৰু লেখকসকলক মৃদু ব্যঙ্গ কৰি এটা প্ৰবন্ধ পাঠ কৰিছিলো। তাত যোৰহাটৰ গণ্যমান্য সকলোবিলাক লোক উপস্থিত আছিল।

"সেই দিনাৰেপৰা যোৰহাট সাহিত্য সভা স্থাপিত হ'ল আৰু মাহে মাহে এই সভাৰ অধিবেশন বহিবলৈ আৰম্ভ কৰিলে। মোৰ মনত আছে, প্ৰথম যোৰহাট সাহিত্য সভা বহাৰ দিনা গধুলি মোৰ ঘৰত পাঠা এটা মাৰি ভাত খাইছিলোঁ। খোৱা লগ আছিল শ্ৰীযুত কুলধৰ চলিহা আৰু দেবেশ্বৰ চলিহা, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা আৰু এজন নে দুজন। তেতিয়া মই নৰ্মাল স্কুলৰ ছুপাৰিন্‌টেন্‌ডেণ্ট। গতিকে ইং ১৯১৫ চনৰ এপ্ৰিল-মে মাহ হব।

এইদৰে কিছুদিন গ'ল। তেতিয়া 'অসম সাহিত্য সভা' এখন গঠন কৰিবৰ কাৰণে আলোচনা কৰিলোঁ। এইবোৰ প্ৰধানকৰি পৰামৰ্শ কৰিছিলোঁ শ্ৰীযুত কুলধৰ চলিহাৰ লগত। মাজে মাজে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ লগতো কথা হৈছিলোঁ। শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা সেই সময়ত যোৰহাটৰপৰা বদলি হৈ সম্ভবতঃ মেছপাৰৰ মেনেজাৰ হৈছিল।"

ইং ১৯১৭ চনৰ বৰদিনৰ বন্ধত আসাম এছোচিয়েছনৰ কনফাৰেঞ্চ বহাৰ কথা। সভাপতি শ্ৰীযুত সত্যনাথ বৰা। ঠাই শিৱসাগৰ। তাতেই আমি প্ৰথম অসম সাহিত্য সম্মিলন স্থিৰ কৰিলোঁ। আমি মানে শ্ৰীযুত কুলধৰ চলিহা আৰু মই।"

# প্ৰথম শিৱসাগৰ অধিবেশন (১)

ঃ ২৬, ২৭ ডিচেম্বৰ, ১৯১৭ চন ঃ

অসম সাহিত্য সভা উপজিছিল বুৰঞ্জীয়ে গৰকা পুৰণি ৰংপুৰ বা আধুনিক শিৱসাগৰ নগৰত—যি ঠাইত অৰুণোদয়ে ধলফাট দিয়াত অসমীয়া সাহিত্যৰ বৰ্তমান যুগৰ আৰম্ভ হৈছিল। একে ঠাইতে অনুষ্ঠিত হোৱা অসম এছোচিয়েছনৰ সভামণ্ডপেই এই সভাখনকো কোলা পাতি লৈছিল। সদৌ অসমৰ সাহিত্যিকসকলক আদৰি সোধপোছ কৰিবলৈ সুযোগ পাই সাহিত্যপ্ৰেমী ৰংপুৰীয়া ৰাইজৰ গা সাতখন আঠখন হৈছিল। তেওঁলোকে আদৰণী সভাৰ সভাপতিৰ দায়িত্ব দিলে, সুপ্ৰসিদ্ধ জনপ্ৰিয় 'ভ্ৰমৰঙ্গ'ৰ অন্যতম নাট্যকাৰ গুঞ্জানন বৰুৱা ডাঙৰীয়াক। সম্পাদক হ'ল কবি লক্ষ্মীকান্ত বৰুৱা বি-এল। এই আদৰণী সভাৰ আন সদস্যসকল আছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ৰাধিকানাথ শৰ্মা আৰু সিদ্ধেশ্বৰ গোহাঞি প্ৰভৃতি। শৰৎ গোস্বামী আৰু কুলধৰ চলিহাই যোৰহাটৰপৰা শিৱসাগৰলৈ আহি গাত লাগি দিহা-পৰামৰ্শ দিছিল।

সভাপতি নিৰ্বাচিত হৈছিল সাহিত্যগুৰু পদ্মনাথ গোহাঞিবৰুৱা। এই সম্পৰ্কত তেখেতে লেখি থৈ গৈছে—"মণ্টেগু-চেমছফৰ্ড ডেপুটেছন লোৱাৰ নিৰ্ধাৰিত দিনা পুৱা কলিকতাৰ আলহী-বহাত আমি উখল-মাখলকৈ ওলাইছোঁ। এনেতে ইফালৰপৰা বিজুলী-বাতৰি পালেগৈ বোলে আগন্তুক 'সদৌ অসম সাহিত্য সন্মিলনী'ত সভাপতিৰ বাব লবলৈ মই সন্মত হ'ব লাগে। অসময়ত সেই বাতৰিৰ বিজুলীয়নিয়ে মোক চমক খুৱাই তুলিলে। সেই দিনা গৱৰ্ণৰৰ ৰাজভৱনৰপৰা উলটি আহি আলহী-বহা সোমোৱাৰ লগে লগেই সন্ধিয়া লাগিল। ৰাতি দহমান বজাত আমি পুৱা এৰি যোৱা কথাৰ আলোচনাত

বহিলোঁহক কিয়নো বহা যি বহাহে। ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই আগধৰি তাৰ মোখনি মাৰি বহি আছিল। মই আহি নৌ পাওঁতেই তেখেতে মোৰ নামে সেই সভাপতি-বাছনিৰ সন্নিধানত তথাস্তু বুলি যথা ঠাইলৈ বিজুলী-বাতৰি দি থমথম কৰি বহি আছিল। মই ভিতৰি অলপ অপ্ৰস্তুত হলোঁ। যদিও বাহিৰে ফুটাই এক মাতিব নোৱাৰিলোঁ, যেহেতু অনুজ হেন মই সততে ঘনশ্যাম বৰুৱা ৰায়-বাহাদুৰৰ সদিচ্ছাধীন আছিলোঁ। মোক চিন্তাযুক্ত দেখি তেওঁ দু-আষাৰমান কথাৰে সামৰণি মাৰি বিচনাত পৰিলগৈ। 'চিন্তাৰ কাৰণ নাই, আমি আটায়ে ওলাইছোঁ, বলাহঁক, একেটা মণ্ডপতে দুজন সাহিত্যিকক সাহিত্যিক আৰু ৰাজনীতিক আসনত বহুৱাই মাতৃভূমিৰ উন্নতিকল্পে আলোচনা কৰি কৃতাৰ্থ হওঁগৈ।" নকলেও হব যে দুজনৰ এজন বৰা সত্যনাথ আৰু আনজন বৰুৱা পদ্মনাথ।

গোহাঞিবৰুৱাক থাকিবলৈ দিয়া হৈছিল বৰপুখুৰীৰ পাৰত থকা জেঁৱায়েক সিদ্ধেশ্বৰ গোহাঞিৰ বঙলাত। তাৰপৰা ফণীধৰ চলিহাৰ নেতৃত্বত এটা সমদলে তেখেতক বিষ্ণুদল, শিৱদল, দেৱীদল প্ৰদক্ষিণ কৰাই ঘোঁৰাবাগীত তুলি সভামণ্ডপলৈ আদৰি নিছিল। এই অধি-বেশনৰ হুবহু বিৱৰণ শৰৎচন্দ্ৰ গোস্বামীয়ে লিপিবদ্ধ কৰি থৈ গৈছে এনেদৰে :

"সেই সময়ত মই যোৰহাটৰ তৰাজানত নিজে এটা খেৰীঘৰ কৰি থাকোঁ। মোৰ পাছৰ ফালে শ্ৰীযুত কুলধৰ চলিহা থাকে। আমি দুয়ো সদায় পৰামৰ্শ কৰোঁ। নিয়মাৱলী প্ৰস্তুত কৰিলোঁ। চলিহাই কোনো কথাৰ ভিতৰলৈ যাব নোখোজে। দিহা দিলেই তেওঁ ভাবে, কাম হ'ল বুলি। নিয়মাৱলী ৰচনা কৰি তাক লিখো কৰি লৈ আমি শিৱসাগৰলৈ ওলালোঁ।

শেষত কিন্তু মই যাওঁতে দুদিনমান পলম কৰিবলগীয়া হ'ল। চলিহা আগতে গ'ল। গুৱাহাটীৰ পৰা দাদা (পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী), শ্ৰীযুত বিষ্ণুৰাম মেধি, শ্ৰীযুত গৌৰীকান্ত তালুকদাৰ আৰু

কোনোবা এজন শিৱসাগৰলৈ যাবলৈ গৈ যোৰহাটত সোমাল। তেওঁলোকে যোৰহাটত ৩।৪ দিনমান থাকিবৰ ইচ্ছা প্ৰকাশ কৰিলত মযো থাকিবলৈ বাধ্য হলোঁ।

আসাম এছোচিয়েছনৰ ফালৰপৰা অভ্যাগত প্ৰতিনিধিসকলক সোধপোছ কৰিবলৈ বিশেষ যোগাৰ কৰিছিল। তাৰ ভাগ আমিও পালোঁ। দাদা, মেধি, তালুকদাৰ, মই একেলগে থাকিলোঁ। ইয়াতে সেই সময়ত সম্মিলন আদিত উপস্থিত হবলৈ মানুহে যিমান যো-জা কৰিছিল তাৰে অলপ কথা কওঁ। গণ্যমান্য ইংৰাজী জনা লোক মাত্ৰেই ক'লা গৰম কাপোৰৰ কোট-পেণ্টলুন বা চৌগা-চাপকন পিন্ধিছিল। ইবিলাক মানুহেও পাৰ্য্যমানে মুগা আৰু পাটৰ চাপকন পিন্ধি গৈছিল। মোৰ যিমানদূৰ মনত পৰে, মই জনা মানুহৰ ভিতৰত কেৱল দাদাইহে সাধাৰণ চুৰিয়া-চোলা-পাগুৰি পিন্ধি সম্মিলনলৈ গৈছিল। তেওঁৰো এজোৰ ক'লা আলপাকাৰ চৌগা-চাপকন আছিল। কিন্তু তাক দুই এক বছৰৰপৰাই পিন্ধিব এৰিলে, আৰু পোছাক-জোৰা তেওঁৰ আবাল্য সখি পণ্ডিত তাৰানাথ কাব্যবিনোদক দিলে। তেতিয়াৰ দিনৰ ভদ্ৰতাৰ চিন কোট-পেণ্টলুন। সভা-সমিতিৰ পোছাকো তেনে। মই এজোৰ ক'লা কোট-পেণ্ট পিন্ধি গৈছিলোঁ।"

শুভ দিন, শুভ লগ্নত অসম সাহিত্য সভা আৰম্ভ হ'ল। সেই দিনা আছিল ১৯১৭ চনৰ ২৬ ডিচেম্বৰ।

গোহাঞিবৰুৱাই সভাপতিৰ ভাষণত কৈছিল—"ব্যাকৰণতহে ভাষাৰ বিশেষত্ব ৰয়, বাক্যাৱলী বা বচনভঙ্গীত নহয়। অসমীয়া ভাষাৰ সাহিত্য আৰু সেই সাহিত্যৰ বিশেষত্ব বঙলা ভাষাৰ সাহিত্যৰ বিশেষত্বৰপৰা কিমান পৃথক তাক ইয়াৰ আগেয়ে বিবিধ প্ৰসঙ্গত ভালেমান কৃতবিদ্য সাহিত্যিকে বিশেষকৈ বুজাই কৈছে। ব্যাকৰণৰ মজিয়াত খোপনি লৈ পিটখোৱা সুগঠিত সাহিত্যত যিমানেই কি বিদেশী বা বিভাষী শব্দ আৰু বচন-ভঙ্গী সোমাওক লাগে, সি কেতিয়াও সাহিত্যৰ স্বকীয়াত্বৰ হানি কৰিব নোৱাৰে।"

সেই সভাত নগাওঁৰ মোছলেইউদ্দিন আহমেদৰ 'অসমীয়া সাহিত্য আৰু মুছলমান', গুৱাহাটীৰ ডাঃ বিপিনবিহাৰী বৰাৰ 'গোৰৰ-ৰহস্য', শৰৎচন্দ্ৰ গোস্বামীৰ 'কীৰ্তনৰ সাহিত্য-সৌষ্ঠব' আৰু ৰত্নকান্ত বৰকাকতীৰ 'অসমীয়া ভাষা' নামৰ প্ৰবন্ধ পাঠ কৰা হৈছিল।

বিষয় বাছনী সভাত অনুমোদিত অসম সাহিত্য সভাৰ নিয়মাৱলী গৃহীত হ'ল।

হাতত নাই বিত, মন কৰে পিত পিত। তেতিয়াৰ সাহিত্য সভাৰ পুঁজিৰ ঘৰত শূন্য। ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়াই চোলাৰ মোনাৰ পৰা দহটকীয়া নোট এখন উলিয়াই শূন্যৰ আগত এক এটা লগাই দহ কৰি দিলে। এয়ে সাহিত্য সভাৰ মূল ভঁৰাললৈ প্ৰথম দান।

তলত নাম দিয়ামতে সেই সভাতে সাহিত্য সভাৰ প্ৰথম বছৰৰ বিষয়ববীয়া নিৰ্বাচিত হৈছিল।

## পোনপ্ৰথম কাৰ্য্যনিৰ্বাহক

প্ৰধান সম্পাদক—শৰৎচন্দ্ৰ গোস্বামী। সহঃ প্ৰধান সম্পাদক দেবেশ্বৰ শৰ্মা। সদস্যসকল : ডিব্ৰুগড়ৰ শ্ৰীনীলমণি ফুকন, মফিজুদ্দিন আহমেদ হাজৰিকা। শিৱসাগৰৰ গুণ্জানন বৰুৱা, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁঞি, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, কালিৰাম দত্ত।

যোৰহাটৰ পূৰ্ণানন্দ শৰ্মাপাঠক, দেৱেশ্বৰ চলিহা, জেহিৰুদ্দিন আহমেদ, জনাৰ্দন বেজবৰুৱা চন্দ্ৰধৰ বৰুৱা, সীতানাথ বৰবৰা, কমলাকান্ত বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, কীৰ্তিনাথ শৰ্মাবৰদলৈ।

গুৱাহাটীৰ সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্মা, সিংহদত্ত দেৱ অধিকাৰী, আজিজুৰ ৰহমান, কমলাকান্ত দাস, চফিয়ুৰ ৰহমান, হৰেকৃষ্ণ দাস, অম্বিকাগিৰী ৰায়চৌধুৰী।

নলবাৰীৰ তাৰানাথ চক্ৰৱৰ্তী।

বৰপেটাৰ গিৰিশচন্দ্ৰ ৰায়চৌধুৰী, মোদলৰাম দাস।

নগাওঁৰ ৰত্নকান্ত বৰকাকতী, মোছলেইউদ্দিন আহমেদ।

দৰঙৰ মহাদেৱ শৰ্মা, ৰজনীকান্ত বৰুৱা।

গোৱালপাৰাৰ অমৃতভূষণ অধিকাৰী, পীতাম্বৰ চক্ৰৱৰ্ত্তী।

মঙলদৈৰ ৰমণীকান্ত বৰুৱা।

উত্তৰ লক্ষীমপুৰৰ ৰোহিতাশ্চ দত্ত ডম্বৰুধৰ গগৈ।

কলিকতাৰ লক্ষ্মীনাথ বেজবৰুৱা, লোহিতচন্দ্ৰ নায়ক।

উল্লেখযোগ্য যে যোৰহাটৰ বাহিৰৰ সদস্যসকলক কাৰ্য্যনিৰ্বাহকৰ অলঙ্কাৰ স্বৰূপেহে অন্তৰ্ভুক্ত কৰা হৈছিল। সেইসকলৰ ভালে কেইজন অধিবেশনত উপস্থিত নাছিল।

এই সভা উপলক্ষে ৰাতি শিৱসাগৰ নাট্যমন্দিৰত গোহাঞিবৰুৱা ৰচিত 'জয়মতী' নাট অভিনীত হৈছিল। গদাধৰৰ ভাৱত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জয়মতীৰ ভাৱত পদ্মধৰ চলিহা আৰু লেচাইৰ ভাৱত নামিছিল পাৰ্বতিপ্ৰসাদ বৰুৱা।

× × ×

শৰৎচন্দ্ৰ গোস্বামীয়ে লেখিছে: ইং ১৯১৭ চনৰ বৰদিনৰ বন্ধত সভা স্থাপিত হ'ল। যোৰহাটত আমি সভাৰ কাৰ্য্য আৰম্ভ কৰিলোঁ। তেতিয়া মই নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট মই চাৰিওফালে চিঠি-পত্ৰ লেখি শাখা-সভা, স্বীকৃত সভা আদি পাতিবৰ দিহা কৰিলোঁ। আৰু সেই সময়ত সাহিত্যৰ প্ৰতি মানুহৰ ইমান ৰাপ আছিল যে অলপ দিনৰ ভিতৰতে প্ৰত্যেক নগৰ আৰু ডাঙৰ গাঁৱলীয়া কেন্দ্ৰত একোখন সাহিত্য সভা হৈ উঠিল। এওঁবিলাকৰ লগত চিঠি-পত্ৰ লেখা এটা বেচ কাম হৈ পৰিল। এইবোৰ কৰিবলৈ মোৰ সহায়ক প্ৰায় কোনো নাছিল। শ্ৰীযুত হৰিনাথ পাঠক সহকাৰী সম্পাদক থকা কালত অৱশ্যে বহুতো কামত তেওঁ ঢেৰ সহায় কৰিছিল আৰু যেতিয়াই যিটো কাম কৰিবলৈ কৈছিলোঁ। তাকে কৰিছিল।"

# প্ৰথম গোৱালপাৰা অধিবেশন (২)

**ঃ ২৭, ২৮ ডিচেম্বৰ, ১৯১৮ চন ঃ**

পিছৰ বছৰ ( ১৯১৮ চন, ২৭ ডিচেম্বৰ ) গোৱালপাৰাত অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশন অনুষ্ঠিত হয় সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাদেৱৰ সভাপতিত্বত। চন্দ্ৰধৰ বৰুৱা তেতিয়া ভৰ ডেকা, সাহিত্য-ৰত্নও হোৱা নাছিল। তেনেস্থলত ভালেকেইজন প্ৰবীণ সাহিত্যিক থকা সত্বেও নবীন চন্দ্ৰধৰক সাহিত্য সভাৰ সিংহপীৰাত তোলা হৈছিল কিয়? পিছৰ কালত অৱশ্যে বৰুৱাদেৱে এই সন্মানৰ যোগ্যতা বাৰুকৈয়ে প্ৰতিপন্ন কৰিছিল। দৰাচলতে গোৱালপাৰাৰ বাবে নিৰ্বাচিত সভাপতি আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱহে। সভা বহাৰ কেইদিনমান আগতে গোস্বামীদেৱ এক দুৰ্বৃত্তৰ আক্ৰমণত আঘাতপ্ৰাপ্ত হয়। সেই কাৰণে সেইবাৰ তেখেত সভাপতি হবলৈ অক্ষম হোৱাত মুৰামুৰি সময়ত শৰৎ গোসাঁই আৰু কুলধৰ চলিহাই বৰুৱা দেৱক এই পদ লবলৈ মান্তি কৰালে। বাছনিত অৱশ্যে এজন যোগ্য লোকেই উঠিল। প্ৰধান সম্পাদক শৰৎ গোসাঁয়ে পত্নীক নৰিয়াপাটীত এৰি কৰ্তব্যকঠোৰ প্ৰভুৰ নিৰ্দেশত বন্ধু কুলধৰ চলিহাৰ লগত বেলৰে গৈ গুৱাহাটীত এনিশা খপিহে গোৱালপাৰাৰ জাহাজ ধৰিব পাৰিছিল।

গোৱালপাৰাত গঠিত হোৱা আদৰণী সভাৰ সভাপতি আছিল জমিদাৰ যতীন্দ্ৰনাৰায়ণ চৌধুৰী, উপদেষ্টাদ্বয় দুৰ্গেশ্বৰ শৰ্মা ( মেছপাৰাৰ মেনেজাৰ ) আৰু কালিৰাম মেধি ( ছেটেলমেণ্ট অফিচাৰ ); দহখন শাখা-সভা আৰু এঘাৰখন স্বীকৃত সভাৰ প্ৰায় এশজন সদস্য উপস্থিত আছিল। দেশভক্ত ফুকনৰ উপৰিও কৰ্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মা প্ৰভৃতি অসম এছোচিয়েছনৰ বিশিষ্ট জননেতায়ো যোগ দি সাহিত্য সভাৰ জেউতি চৰাইছিল।

অসমৰ উজনি আৰু নামনি অঞ্চল বঙ্গভাষাৰ গ্ৰাসৰপৰা মুক্ত হৈছিল যদিও পশ্চিমপ্ৰান্ত জমিদাৰপ্ৰধান গোৱালপাৰা জিলাত তেতিয়াও বঙলা প্ৰভাৱ নিৰ্মূল হোৱা নাছিল। তেনে এটা সময়ত মেছপাৰাৰ জমিদাৰ যতীন্দ্ৰনাৰায়ণ চৌধুৰীয়ে অসমীয়া ভাষাৰে সভাৰ অভিভাষণ পাঠ কৰাটো সেই ঠাইৰ মানুহৰ মনত এটা নতুন কথা যেন হৈছিল।

সভাপতি বৰুৱা ডাঙৰীয়াই তেখেতৰ ভাষণত মোখনি মাৰি কৈছিল: "এনে ঠাইত অসম সাহিত্য সভাৰ সন্মিলন বহাটো অতি যুগুত হৈছে। এই সাহিত্য সভাৰ প্ৰথম সন্মিলন বহিল শিৱসাগৰ—য'ত Baptis Mission ৰ পাদুৰীসকলৰ সাহায্যত অসমীয়া সাহিত্যই নতুন সাজপাৰ পিন্ধিছিল। অসমীয়া সাহিত্যৰ লীলাভূমি এই সুন্দৰ গুৱালপাৰ নগৰত—ইও অতিশয় বিতোপন হৈছে।"

পানীকেচুৱা সভাখনৰ তেতিয়া ধনভঁৰালটোৰো তলি উদং। গোহাঞিবৰুৱাই দান-বৰঙণি বিচাৰি এঘণ্টা জুৰি এহালিচা বক্তৃতা জুৰিলে। তাৰ ফলত সভাথলীতে ৬৪০ টকা নগদ আৰু ১১৪২ টকা দানৰ প্ৰতিশ্ৰুতি পোৱা গৈছিল। পূৰ্বৰ সভাপতি গোহাঞিবৰুৱা এই অধিবেশনত সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল। সেই অধিবেশনতে প্ৰধান সম্পাদক থকা ঠাইতে সভাৰ কাৰ্য্যালয় হোৱা নিয়ম হ'ল। সেইমতে সম্পাদক হোৱাত তেওঁৰ লগতে সাহিত্য সভাৰ কাৰ্য্যালয় যোৰহাটৰ পৰা তেজপুৰলৈ গ'ল। দণ্ডিনাথ কলিতা আৰু মহাদেৱ শৰ্মাই আগবঢ়োৱা 'অৱৰক্ষক সমিতি' স্থাপনৰ প্ৰস্তাৱ এটা গৃহীত হৈছিল। তিনিজনীয়া অৱৰক্ষক সমিতিৰ সদস্যসকল আছিল: (১) চন্দ্ৰধৰ বৰুৱা (২) কুলধৰ চলিহা (৩) শৰৎচন্দ্ৰ গোস্বামী (সম্পাদক)। মহাদেউৰ ধন, কুবেৰ ভঁৰালী। মহাদেউ তেজপুৰত, কুবেৰ যোৰহাটত।

# প্ৰথম বৰপেটা অধিবেশন (৩)

**ঃ ২৬, ২৭, ডিচেম্বৰ, ১৯১৯ চন ঃ**

চাউলখোৱা, মৰানদী আৰু নখন্দা এই তিনিখন নৈৰে পৰিবেষ্টিত বৰপেটা চহৰ—মথুৰাদাস আতাৰদ্বাৰা প্ৰতিষ্ঠিত মথুৰাপুৰ। তেতিয়া ৰেল-মটৰ নোহোৱা দিনত এই নৈকেইখনেই আছিল বৰপেটীয়া জীৱনৰ প্ৰাণকেন্দ্ৰ। বৰ বৰ নাৱত চলাচল কৰি বৰপেটীয়া সাউদসকলে বণিজ বেহাই দূৰ বিদেশৰপৰা লখিমী চপাই আনিছিল। এই নখন্দা নৈৰ পাৰৰ সভামণ্ডপতে ১৯১৯ চনৰ বৰদিনৰ বন্ধত পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত অসম এছোচিয়েছন আৰু ভাষাবিদ্ কালিৰাম মেধি ডাঙৰীয়াৰ সভাপতিত্বত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন বহিছিল। উভয় সভাৰে অভ্যৰ্থনা সমিতি আছিল এখন আৰু তাৰ কাৰ্য্য-বিবৰণি একেটা বহীতে লেখি ৰখা হৈছিল। ৰামপ্ৰসাদ দাস আছিল অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

সভামণ্ডপ সজা হৈছিল বৰপেটা কীৰ্তন-ঘৰৰ ডাঙৰ ডাঙৰ চন্দ্ৰতাপেৰে। কোনো ধন লোৱা বনুৱা নিয়োগ কৰা হোৱা নাছিল। অভ্যৰ্থনা সমিতিৰ ফালৰপৰা হাটীয়ে হাটীয়ে তামোল-পাণৰ শৰাই আগবঢ়াই নিমন্ত্ৰণ দিয়া হৈছিল। সেইমতে হাটীৰ ডেকাসকলে সমূহীয়াকৈ শ্ৰমদান কৰি সভামণ্ডপ আৰু আন অস্থায়ী ঘৰ আদি নিৰ্মাণ কৰি দিছিল।

নখন্দা নৈৰ পাৰত চালিঘৰত প্ৰতিনিধিসকল আছিল। তেতিয়া বৰপেটাত কোনো হোটেল নাছিল। নৈত থকা বৰ বৰ বেপাৰী-নাৱৰ বেপাৰীসকলে দূৰণিবটীয়া দৰ্শকক ৰান্ধিবাঢ়ি খুৱাইছিল আৰু ৰাতিৰ অতিথি দামোদৰসকলক তেওঁলোকৰ নাৱতে থাকিবলৈ সুবিধা কৰি দিছিল।

কালিৰাম মেধি ডাঙৰীয়া বৰপেটাৰ জোঁৱাই। তেওঁৰ শহুৰেক উকিল বলোৰাম দাসদেৱৰ ঘৰ দক্ষিণহাটীৰ কীৰ্তন ঘৰৰ দাঁতিতে। শহুৰেকৰ ঘৰতে জোঁৱায়েক মেধি-সভাপতিৰ বাহৰ। তাৰেপৰা নখন্দা সভাথলীলৈ প্ৰায় এমাইল বাট। আলিৰ দুয়োকাষে শাৰী শাৰীকৈ কলপুলি পোতা হৈছিল। সভাপতিক তালৈ গায়নে-বায়নে সমদল পাতি নিয়া হৈছিল। সমদলৰ আগে আগে কীৰ্ত্তন ঘৰৰ ভকতনী আইসকলে হৰিবোলা ৰামবোলা ঘোষা-পদ গাই গৈছিল। মুকলি সভা দুদিনীয়াকৈ বহিছিল ১৯১৯ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত। বাস্তৱাদী সভাপতিয়ে তেওঁৰ তথ্যপূৰ্ণ অভিভাষণ পাঠ কৰি শুনাইছিল। তেখেতৰ পাণ্ডিত্যগন্ধী অভিভাষণত ভালেমান সাৰুৱা কথা আছিল।

অভ্যৰ্থনা সমিতিৰ কাৰ্য্য-বিবৰণিৰ পৰা জনা গৈছে যে সেই সভাত উপস্থিত থকা সকলৰ ভিতৰত আছিল দৰং জিলাৰ পদ্মনাথ গোহাঞিবৰুৱা, ডালিমচন্দ্ৰ বৰা ( ৰায়চাহাব ), মহাদেৱ শৰ্মা, দণ্ডিনাথ কলিতা, চন্দ্ৰনাথ শৰ্মা প্ৰভৃতি ; শিৱসাগৰ-যোৰহাটৰ দেৱেশ্বৰ শৰ্মা, দেৱেশ্বৰ বৰুৱা ( ৰায়চাহাব ), বিষ্ণুপ্ৰসাদ চলিহা প্ৰভৃতি ; গুৱাহাটীৰ শ্ৰীবিষ্ণুৰাম মেধি, যোগেন্দ্ৰনাথ বৰুৱা ( প্ৰাক্তন এম-এল-এ ), ডাক্তৰ বিপিনবিহাৰী বৰা, কালিৰাম দাস ( বৰ্মন ), দুৰ্গানাথ বৰুৱা ( দুৰ্গী বৰুৱা ), কামাখ্যাৰাম বৰুৱা, হৰকান্ত গোস্বামী ( মোক্তাৰ ), কামেশ্বৰ চক্ৰৱৰ্ত্তী, সুৰেশচন্দ্ৰ বেনাৰ্জী, প্ৰতাপচন্দ্ৰ গোস্বামী ( নলবাৰী ), প্ৰতাপচন্দ্ৰ চৌধুৰী ( ৰায়চাহাব ), যোগেশচন্দ্ৰ তামুলী, জ্ঞানদাভিৰাম বৰুৱা, সত্যনাথ বৰা, ৰঘুনাথ চৌধাৰী ; গোৱালপাৰা জিলাৰ শিৱচন্দ্ৰ নাথ, হৰিশচন্দ্ৰ নাথ, বিপিনচন্দ্ৰ ঘোষ, বীৰনাৰায়ণ ৰায়, ধৰ্মনাথ ঘোষ, জগবন্ধু সৰকাৰ, প্ৰমথনাথ চক্ৰৱৰ্ত্তী, কালিৰাম মেধি প্ৰভৃতি ; পীতাম্বৰ চক্ৰৱৰ্ত্তী ( গৌৰীপুৰ ), হৰেশ্বৰ দাস, ভগৱানচন্দ্ৰ বৰুৱা ( গৌৰীপুৰ ) ; ছিলঙৰ ৰজনীনাথ ঠাকুৰ, সৰ্ব্বেশ্বৰ শৰ্মা কটকী, মণিকান্ত শৰ্মা প্ৰভৃতি।

বৰপেটাৰ সেই অধিবেশন উপলক্ষে ২৮৯৮॥৶৬ পাই উঠিছিল। খৰচ বাদে সম্পাদকৰ হাতত ৰাহি ১২৭।/৯ পাই আছিল। সেই অধিবেশনৰ হিচাপ বুজি লোৱা বহুত ৰছিদপত্ৰ পৰিপাটিকৈ ৰখা পোৱা গৈছে। তাত সৰুসুৰা বস্তুৰো উল্লেখ থকা দেখা যায়। যেনে তেজপাত ৶০, চিলিম ২০ টা=।০, হোকা ১০ টা=১।০, চেকনি ৪ খন=৶০ ইত্যাদি।

ৰাতি বিখ্যাত বৰপেটীয়া আতচবাজী, হাৰৈ-ফুলজাৰী ফুটোৱা হৈছিল, কলীয়া ঠাকুৰক দেউলত প্ৰদক্ষিণ কৰোৱাৰ নিচিনাকৈ। আকাশত হেনো অসম সাহিত্য সভাৰ নাম জুইফুলেৰে জিলিকি উঠিছিল। অম্বিকাগিৰী ৰচিত 'জয়দ্ৰথ-বধ' নাটৰ গীতাভিনয় হৈছিল।

এই অধিবেশনত কেবাজনো সাহিত্যিক আৰু দেশনেতাই বক্তৃতা দিছিল। মেধি আৰু তৰুণৰাম ফুকনে দৰ্শকৰ ধাতু বুজি দিয়া বক্তৃতা শুনি সকলো সাহিত্যিক-অসাহিত্যিকে তবধ মানিছিল। 'ঘাই সম্পাদক' পদ্মনাথ গোহাঞিবৰুৱাৰ ঠাইত সম্পাদক নিৰ্বাচিত হয় সত্যনাথ বৰা ডাঙৰীয়া। সভাৰ কাৰ্য্যালয় তেজপুৰৰপৰা গুৱাহাটীলৈ আহে। বৰা ডাঙৰীয়াই ঘাই শব্দটো নাকচ কৰি পূৰ্ববৎ প্ৰধান সম্পাদক হয়।

## পাৰ্শ্বজ্যোতি

সেই সময়ত তিৰোতা মানুহ ঘৰৰ ভিতৰত আৰু ৰৰজাপিৰ আঁৰতে আছিল। মুকলি সভা-সমিতিত ওলাই তেওঁলোকে দেখা দিয়া নাছিল। কিন্তু বৰপেটাৰ সেই সভাত এজনী দীপলিপ গাভৰুৱে পুৰুষ-দৰ্শকৰ লগত বহিছিল। তেওঁক দেখি বহুতৰ চকু থৰ হৈছিল। তেওঁ যে সভাত কেৱল যোগেই দিছিল এনে নহয়, সভাপতিৰ নিষেধ অমান্য কৰি মঞ্চত উঠি এটি দীঘলীয়া বক্তৃতাও দিছিল। সেই সাহসী গাভৰু গৰাকী আছিল চন্দ্ৰপ্ৰভা দাস (শইকীয়ানী)। সেই তেজস্বিনী ছোৱালীজনীয়ে পিছত যে এদিন অসম মহিলা সমিতিৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী হব সেই দিনা সেই কথা কোনেও কল্পনাও কৰিব পৰা নাছিল।

# প্ৰথম তেজপুৰ অধিবেশন (৪)

**: ২৮, ২৩ ডিচেম্বৰ, ১৯২০ চন :**

অসম-ৰত্ন মাণিকচন্দ্ৰ আৰু গোৱালপাৰা-ৰত্ন প্ৰভাতচন্দ্ৰই তুলি-তালি খুটি খাব পৰা কৰা অসম এছোচিয়েছনৰ বুৰঞ্জীত, ডিবুৰুৰ প্ৰসন্নকুমাৰ বৰুৱাৰ সভাপতিত্বত তেজপুৰত অনুষ্ঠিত ১৯২০ চনৰ অধিৱেশনখন বিশেষভাৱে স্মৰণযোগ্য। এই অধিবেশনতে অনুষ্ঠান-খনিৰ মৃত্যুৰ ঘণ্টাধ্বনি বাজিছিল; কিয়নো ভাৰতীয় জীৱনৰ মূল সোঁতা কংগ্ৰেছ মহাসভাৰ লগত নিজকে মিলাই দিবলৈ এই সভাই কংগ্ৰেছৰ নাগপুৰ অধিবেশনৰ সিদ্ধান্ত সাৰোগত কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। তাৰ ফলত আনুষ্ঠানিকভাৱে আৰু কিছু দিনলৈ অসম এছোচিয়েছনৰ জীৱন-বন্তি টিমিক-টামাককৈ জ্বলি আছিল যদিও দৰাচলতে তেজপুৰতে ইয়াৰ চিলিম ছিগিছিল বুলি কব পাৰি। তাৰ পিছত ইয়াৰ সৰহসংখ্যক সদস্য আৰু নেতাই অসম এছোচিয়েছনৰ লগত সম্পৰ্ক এৰি হৰিনাম লোৱাৰ নিচিনাকৈ কংগ্ৰেছত যোগ দি মহাত্মা গান্ধীৰ নাম লৈ অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। তেজপুৰৰ পিছত অসমৰ আৰু কোনো ঠাইত অসম এছোচিয়েছনৰ জাকজমকীয়া অধিবেশন বহা নাছিল।

সেই বছৰ আৰু তাৰো আগৰ তিনি বছৰ অসম এছোচিয়েছনৰ ৰভাৰ তলতে অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন বহিছিল। অসম এছোচিয়েছনে কংগ্ৰেছত জাহ যোৱাৰ বাবে অসম সাহিত্য সভাই লোকৰ মজিয়াত বহি বৰভোজ খোৱাৰ সাম্দহ খোৱা বালি তল গ'ল। তেজপুৰৰ পিছতে অসম সাহিত্য সভাই আউজিবলৈ এটা বৰগাৰু হেৰুৱালে, দিহা-পৰামৰ্শৰ

বাবে ৰাজনৈতিক নেতাসকলক গাৰ কাষতে পোৱা সুযোগৰো মুদা মৰিল।

সি যি নহওক অসম সাহিত্য সভাৰ চতুৰ্থ অধিবেশন অসম এছোচিয়েছনৰ লগত অগাপিছাকৈ সমিলমিলভাৱে তেজপুৰত সুসম্পন্ন হৈছিল। সাহিত্য সভাৰ বাবে ইতিপূৰ্বে আৰু এবাৰ নিৰ্বাচিত হোৱা পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱ দ্বিতীয়বাৰ নিৰ্বাচিত হৈ গৈছিল। শৰৎ গোস্বামীয়ে 'অসম সাহিত্য সভা' নামৰ ইতিবৃত্তত নিৰ্বাচনত হেম গোসাঁয়ে তেওঁতকৈ দুটা নে তিনিটা ভোট বেছি পাই নিৰ্বাচিত হোৱা বুলি লেখি থৈ গৈছে। ইফালে আকৌ 'পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী' গ্ৰন্থত সৰহ সংখ্যক ভোটত হেম গোসাঁই নিৰ্বাচিত হোৱা বুলি কৈ যিখন নিৰ্বাচন-যুদ্ধৰ তালিকা প্ৰকাশ কৰা হৈছে, তাত মাজমূৰত শিয়ালৰ শিং নোহোৱাৰ দৰে শৰৎ গোসাঁইৰ ভোটৰ কথা বাদেই নামটোও নাই। অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত গ্ৰন্থ আৰু পত্ৰিকাত থকা এনে অমিলৰ তলানলা পোৱা টান। শৰৎ গোসাঁয়ে তেজপুৰলৈ গৈ অধিবেশনত যোগ দিব পৰা নাছিল যদিও যোগ্যজন সভাপতি নিৰ্বাচিত হোৱাৰ বাবে তেওঁ আনন্দিত হৈছিল। এই অধিবেশন অনুষ্ঠিত হৈছিল ১৯২০ চনৰ ২৮ আৰু ২৯ ডিচেম্বৰত। এই অধিবেশনত মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য ৰচিত 'বৃত্তমঞ্জৰী' ছপাবলৈ প্ৰস্তাৱ এটা লোৱা হৈছিল। সি অৱশ্যে সাহিত্য সভাৰদ্বাৰা কাৰ্য্যকৰী নহ'ল। বহু বছৰ পিছত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগেহে এই অমূল্য গ্ৰন্থখন ছপাই উলিয়ালে।

নিজৰ ঘৰতে আলহী সুধিবলৈ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ বাব লৈছিল কৰ্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মাদেৱে। তেওঁৰ লগত আছিল গোহাঞিবৰুৱা, দণ্ডিনাথ কলিতা, মহাদেৱ শৰ্মা, বসন্তকুমাৰ বৰুৱা প্ৰভৃতি সাহিত্যিকসকল আৰু অতিথিপৰায়ণ তেজপুৰীয়া ৰাইজ।

পণ্ডিত গোস্বামীদেৱৰ বুৰঞ্জীগন্ধী ভাষণত সাহিত্য আৰু সাহিত্য সভাৰ কৰ্ত্তব্য সম্পৰ্কেও আলোচনা দাঙি ধৰা হৈছে। তেখেতে অসমৰ দহোটা সাহিত্য সম্পদৰ লেখ দিছে।

শৰৎ গোস্বামী দ্বিতীয়বাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল আৰু তেওঁৰ লগতে সম্পাদকৰ কাৰ্য্যালয়ো গুৱাহাটীৰপৰা যোৰহাট পালেগৈ। তেতিয়ালৈকে অস্থৰী হৈ থকা কাৰ্য্যালয় সম্পাদকৰ পাছে পাছে ফুৰা নিয়ম আছিল অৰ্থাৎ প্ৰধান সম্পাদক যি ঠাইত থাকে, তেওঁৰ কাৰ্য্যালয়ো হব লাগিছিল সেই ঠাইতেই।

* * *

যোৰহাটত সাহিত্য সভাই তিনি বছৰ গেঠেলা মাৰি থাকিবলগীয়া হ'ল। আগৰ চাৰিবাৰৰ দৰে বছৰৰ অন্তত ১৯২১, '২২ চনত সভাৰ বছেৰেকীয়া অধিবেশন বহুৱাব পৰা নগ'ল। সেই সময়ত দেশৰ আকাশ-বতাহ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনে মুখৰিত কৰি তুলিছিল। তাৰ ঢৌৱে সাহিত্য সভাৰ চাল-বেৰো উৰাই নিওঁ নিওঁ কৰিছিল। মানুহৰ মনত দেশৰ চিন্তাৰ বাহিৰে তেতিয়া আন চিন্তা নাছিল। সাহিত্যসংস্কৃতিৰ চিন্তাও তল পৰিছিল। যোৰহাটৰ ৰাজভক্ত ডাডাঙৰীয়াবিলাকৰ মনো উগুলথুগুল, ইংৰাজৰ সিংহাসনো থৰকবৰক। দেশৰ এটা অশান্ত সময়ত সাহিত্য সভাৰ টুলুংভুটুং নাওখনৰ জীৱনধাৰণ গুৰিয়ালৰ ওপৰতে নিৰ্ভৰ। সম্পাদক শৰৎ গোসাঁই আছিল সুদক্ষ গুৰিয়াল। বছেৰেকীয়া অধিবেশন নবহিলেও তেওঁ সম্পাদক হৈ এই কালছোৱাক বজা বুলি ধৰিলে ভুল কৰা হব।

অসহযোগৰ হেন্দোলনি

সেই সময়তে চতুৰ্থ অধিবেশনৰ সভাপতি হেমচন্দ্ৰ গোস্বামী হাকিমি কামত বদলি হৈ যোৰহটীয়া হ'লগৈ। দুজন গোসাঁই লগ লাগি সাহিত্য সভাৰ উন্নতিৰ হকে মনপুতি লাগিল। তেতিয়ালৈকে সভাৰ কাম-কাজ চলাবলৈ নিজা ঘৰ-মাটি নাছিল। সম্পাদকৰ

ঘৰেই আছিল সাহিত্য সভাৰো ঘৰ। পৰত আশ, বনত বাস। এনেদৰে সাহিত্যসভাই আৰু কিমান দিন সম্পাদকৰ ঘৰতে থৰলি খাই থাকিব ?

এই বিষয়ে কিবা এটা দিহা লগাবলৈ শৰৎ গোসাঁই আৰু হেম গোসাঁই সষ্টম হ'ল। সাহিত্য সভাৰ বাবে ঘৰ-মাটি কৰিবলৈ ক'ত সুবিধা ওলায় তাকে তেওঁলোকে চান্দি ফুৰিবলৈ ধৰিলে। শৰৎ গোস্বামীয়ে লেখি গৈছে : "ইং ১৯২২ চন আৰম্ভ হ'ল। সাহিত্য সভাৰ শোচনীয় অৱস্থা। মই মাজে মাজে দুই এখন সভা পাতোঁ। টকাখিনিৰ হিচাপ দাখিল কৰোঁ। কাৰ্য্যনিৰ্বাহক সভ্যসকলৰ ভিতৰত কোনো আছে, কোনো নাহে। সেই সময়ত মানুহৰ অসহযোগ আন্দোলনৰ বাহিৰে আন একোৰে প্ৰতি মন নোহোৱা হৈছিল।

ইং ১৯২২ চনত বোধকৰোঁ বাৰিষা কালত হেম গোসাঁই যোৰহাটলৈ বদলি হ'ল। দুটা গুণে তেওঁৰ প্ৰতি মোৰ মন আকৃষ্ট কৰিলে। তেওঁ বৰ ধেমেলীয়া, ৰসিক কথা পাতিব পৰা মানুহ আছিল। সেইদেখি সামাজিক লোক আছিল। তাতকৈ ডাঙৰ গুণ আছিল তেওঁ বৰ আশাবাদী। তেওঁ সদায় কৈছিল—অসমীয়া মানুহৰ বহুত উন্নতি হৈছে। আৰু যিমানে যি নহওক, আমাৰ ভাল নহৈ নোৱাৰে। অসমীয়া সাহিত্যৰো ভাল দিন আহিছে। এওঁৰ এই গুণটোৱে মোৰ মনত বৰ বিশ্বাস জন্মালে। সাহিত্য সভাৰ কথা পাতিলে গোসাঁয়ে কয়—'ৰবা, দিন আহক, চাবা তেতিয়া।' এইদৰে গোসাঁইৰ লগত কথা-বতৰা পাতি আমি ঠিক কৰিলোঁ যে মানুহ যেতিয়া সভালৈ নাহে, চাহ খাবলৈ কিজানি আহিব। ইয়াকে ভাবি আমি নাম আৰু চাহ-মেল মিহলাই এটা নতুন অনুষ্ঠান পাতিলোঁ। দুয়ো গৈ ৰায়বাহাদুৰ দেৱীচৰণ বৰুৱাক কলোঁ। তেৱেঁই প্ৰথম নিমন্ত্ৰণটো কৰক। তেওঁ এই কথাত মান্তি হ'ল, আৰু তেওঁৰ ঘৰতে আমি ১৫/২০ জনমান মানুহ গোট খালোঁ।

নাম বুলিছোঁ এই কাৰণে যে আমি চাহপানীৰ লগত আন আন বস্তুৰ উপৰি গাজি-মাহ, কুঁহিয়াৰ, নাৰিকল ইত্যাদিও দিছিলোঁ। অনুষ্ঠানটোৰ কোনো প্ৰোগ্ৰাম নাছিল। সকলোৱে নানা প্ৰকাৰ কথা পাতিলোঁ। হেম গোসাঁয়ে নানাবিধ গল্প কৈ মানুহক হঁহুৱালে। সাহিত্যৰো আলোচনা হ'ল। দুই-তিনি ঘণ্টা এইদৰে থাকি আমি উঠিলোঁ। এই সামাজিক মিলনটো সকলোৰে পক্ষে নতুন আৰু তৃপ্তিকৰ হ'ল। গতিকে ইয়াৰ পিছতো যাতে তেনে মিলন হয় তাৰ বাবে সকলোৰে আগ্ৰহ হ'ল। ৰায়বাহাদুৰৰ পিছত মোৰ ঘৰত, ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱাৰ ঘৰত আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰত এইদৰে টি-পাৰ্টি হ'ল। বন্ধু-বান্ধৱ গোটখাই কথাবাৰ্তা পাতি সকলোকে মন প্ৰস্তুত হ'ল যে আমি যোৰহটীয়া ইমানখিনি শিক্ষিত লোকে কিবা এটা ভাল কাম কৰিব লাগে।

এবাৰ শ্ৰীযুত ৰাধা গোসাঁই আহি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে আছে। দেৱেশ্বৰ গোসাঁই হেমচন্দ্ৰ গোসাঁইৰ বিয়ৈ। চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে উত্তৰ বঙ্গ বানপানীৰ কাৰণে বহুতো টকা উঠিল। ৰাধা গোসাঁয়েও কিছু টকা দান দিলে। কথাই

কমলা দেৱী সাহিত্য-মন্দিৰ

কথাই ৰাধা গোসাঁয়ে কলে যে তেওঁ তেওঁৰ মাকৰ নামত কোনো সৎকামত কিছু টকা দিবৰ মন কৰে। হেম গোসাঁই; চন্দ্ৰধৰ বৰুৱা আৰু ময়ো তালৈ আহিলোঁ। আমি পোনতে সাহিত্য সভাৰ কথা তুলি ধৰিলোঁ। কথা হ'ল যে গোসাঁয়ে ঘৰলৈ গৈ সকলো কথা বাৰ্তা হব। মাককো সুধিব! আমি প্ৰস্তাৱ কৰিলোঁ যে দুহেজাৰ টকা দিলে গোসাঁইৰ মাক কমলা দেৱীৰ নামত এটা সাহিত্য সভাৰ ঘৰ সজা হব আৰু নাম হব 'কমলা দেৱী সাহিত্য-মন্দিৰ।'

গোসাঁই ঘৰলৈ গ'ল। এই সময়তে শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজ-বৰুৱাই এখন নতুন মটৰগাড়ী কিনিছে। তেতিয়া মটৰগাড়ী যোৰ-হাটত আৰু অসমত বৰ কম। এদিন বেজবৰুৱাৰ গাড়ীত হেম

গোসাঁই, ৰামেশ্বৰ বৰুৱা আৰু মই শ্ৰীযুত ৰাধানাথ গোস্বামীৰ ঘৰ ওলালোঁগৈ। শ্ৰীযুত পূৰ্ণানন্দ শৰ্মাপাঠকে ৰাধা গোসাঁইৰ মাজুজন দাদাকৰ ছোৱালী বিয়া কৰাইছিল। তেওঁ সেই দিনা মটৰত গৈছিল নে নাই মনত নাই। কিন্তু টকা পোৱা কামত তেওঁ যথেষ্ট সহায় কৰিছিল। আমি গোসাঁইৰ ঘৰত খাই-বৈ তৃপ্ত হৈ আহিলোঁ। কমলা দেৱীকো চাইচিন্তি আহিলোঁ। তেওঁ তেতিয়া বুঢ়ী। কিন্তু আমাৰ লগত অতি সুন্দৰভাৱে কথা-বাৰ্তা পাতিলে।

সাহিত্য সভাৰ ঘৰ কৰিব লাগে। টকা হ'ল এতিয়া ঠাই নাই। এতিয়া য'ত চন্দ্ৰকান্ত সন্দিকৈ-হ'ল আছে তাত পূৰ্বে গৱৰ্ণমেণ্ট হাইস্কুলৰ হোষ্টেল আছিল। এই সময়ত ( ১৯২৩-২৪ ) সেই ঠাইডোখৰ খালী হৈ আছিল, আৰু যোৰহাট পোষ্টাফিচ আৰু ঠাইডোখৰৰ মাজত হাইস্কুলৰ হেডমাষ্টৰৰ ঘৰ আছিল। হেডমাষ্টৰ আছিল ৰামেশ্বৰ বৰুৱা। খালী ঠাইডোখৰ হাইস্কুলৰ জিম্মাত। স্কুলৰ ইন্সপেক্টৰ আছিল ৰায়চাহাব দুৰ্গাধৰ বৰকটকী। বৰকটকী চাহাব সেই সময়ত ৰামেশ্বৰ বৰুৱাৰ ঘৰটোত থাকে। এই খালী ঠাইডোখৰত প্ৰথমতে মোৰ চকু পৰিল। ৰামেশ্বৰ বৰুৱা আৰু বৰকটকীৰ লগত কথা-বাৰ্তা হৈ ঠিক কৰিলোঁ যে এই ঠাইডোখৰো শিক্ষা-বিভাগক নালাগে বুলি পি-ডব্লিউ-ডিক ধৰিবলগীয়া হ'ল। তেতিয়া মিঃ ভিছেনী চিফ ইঞ্জিনিয়াৰ। এওঁ তাৰ পূৰ্বে যোৰহাটত ছুপাৰভাইজিং ইঞ্জিনিয়াৰ আছিল। তাত থাকোঁতে মোৰ লগত অলপ জনাশুনা আছিল আৰু নৰ্মাল স্কুলৰ কিবা ঘৰ বন্ধা কথাত মই কামিলা মানুহ বুলি তেওঁৰ অলপ ধাৰণা আছিল বুলিও বিশ্বাস।"

সভাৰ বাবে মাটি

মুঠতে মাটি পোৱা গ'ল। কাৰ্য্যালয়-ভৱনৰ নিৰ্মাণ-কাৰ্য্য তেতিয়াও নৌ এখোন।

# প্ৰথম যোৰহাট অধিবেশন (৫)

: ৩১ মাৰ্চ, ১ এপ্ৰিল, ১৯২০ চন :

তিনিবছৰ গেৰৌগেথৌকে থকাৰ অন্তত যোৰহাটত অসম সাহিত্য সভাৰ পঞ্চম অধিবেশন অনুষ্ঠিত হৈছিল, গোৱালপাৰাৰ দলগোমা সত্ৰৰ অধিকাৰ, 'শ্ৰীমন্নাম ঘোষা'ৰ ৰচক অমৃতভূষণ দেৱ অধিকাৰীৰ সভাপতিত্বত। অভ্যৰ্থনা সমিতিৰ সভাপতি ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই তেওঁৰ ভাষণত কৈছিল: "পৃথিৱীত মানুহে হৰেক ৰকমৰ আমোদ উৎসৱ কৰে। সেই নিচিনাকৈ আমিও আজি অসম সাহিত্য সভাৰ পঞ্চম সন্মিলন উৎসৱ পাতিবলৈ এই যোৰহাট নগৰত গোট খাইছোঁ। এই মহোৎসৱ যোৱা বছৰৰ এনে সময়তে পাতিবলৈ দিহা কৰা হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়ত অমঙ্গল-অশান্তি আৰু শোক-সন্তাপৰ ডাৱৰে দেশ জুৰি ধৰাত সকলোৰে উৎসাহ ভঙ্গ হোৱাৰ গতিকে সেই প্ৰস্তাৱ এৰি দিয়া হৈছিল। আজিও যে সেই বিষাদৰ কুঁৱলী সম্পূৰ্ণৰূপে মুকলি হৈ দেশত শান্তি আৰু মানুহৰ মনত সন্তোষৰ পোহৰে ভালকৈ দেখা দিছে, তাক কব নোৱাৰোঁ। সি যিনহওক বিপদৰে গয়না লৈ কষ্টেকৰ নিমিত্তে বেজাৰলৈ পিঠি দি আমাৰ কৰ্তব্য কামফেৰা সমাধা কৰিবলৈ আজি আগবাঢ়িছোঁ। সেই বাবে আপোনাসকলক নানা ঠাইৰপৰা নিমন্ত্ৰণ কৰি অনা হৈছে। অসুখ-আহুকাল নামানি, আপোনাসকলে এই যোৰহাট নগৰত যে ভৰিধূলি দিছেহি তাৰ বাবে আমি নথৈ শলাগ লৈছোঁ আৰু মোৰ নিজৰ হৈ, আদৰণী মেলৰ সমজুৱাসকলৰ হৈ আৰু সমস্ত যোৰহাটবাসীৰ হৈ আপোনাসকলক অতি সদাৰ-সম্মানেৰে মই আদৰণি জনাইছোঁ।"

যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ হলত দুদিনীয়াকৈ এই সভা বহিছিল। প্ৰায় এহেজাৰ দৰ্শক উপস্থিত আছিল। তেতিয়াৰ দিনত ই এটা ডাঙৰ ঘটনা বুলি বিবেচিত হৈছিল।

এই যোৰহাট অধিবেশনত সভাখন চৰকাৰী আইনমতে ৰেজেষ্ট্ৰী কৰিবলৈ আৰু সভাৰ কাৰ্য্যালয় ৰাধানাথ সাহিত্য-মন্দিৰ সাজিবলৈ দুটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

এই সভা উপলক্ষে ৰাতি যোৰহাট নাট্যমন্দিৰত বঙলাৰ পৰা অনূদিত 'দেৱলাদেৱী' নাটৰ অভিনয় হৈছিল। দেৱলাৰ মাক কমলাদেৱীৰ ভূমিকাত নামিছিল শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ।

× × ×

সাহিত্য সভাত গৃহীত প্ৰস্তাৱমতে ১৮৬০চনৰ XXI আইন অনুসৰি ১৯২৪ চনৰ ১৭ মাৰ্চত অসম সাহিত্য সভা বিধিসঙ্গতভাৱে ৰেজিষ্ট্ৰী কৰা হয়। দলিলত সেই সময়ৰ কাৰ্য্যপালিকাৰ যোৰহাটত থকা কুৰিজন সদস্যই চহী কৰে। এই দলিলত সন্নিবিষ্ট ঘাই কথা কেইটাত অসম সাহিত্য সভাৰ উদ্দেশ্যৰ বিষয়ে কোৱা হৈছে :

(ক) অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাঙ্গীন উন্নতি সাধন।

(খ) আধুনিক (Uptodate) অভিধান আৰু ব্যাকৰণৰ সংকলন আৰু প্ৰকাশ।

(গ প্ৰাচীন সাহিত্যৰ ( পুৰণি পুথি, বুৰঞ্জী, বৰগীত, লোকগীত, ফকৰা আদি ) অনুসন্ধান, সংগ্ৰহ গৱেষণা আৰু প্ৰকাশ।

(ঘ) অসমীয়া সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ, সেই অভাৱ দূৰীকৰণৰ প্ৰচেষ্টাত উদগনি আৰু তেনে গ্ৰন্থ প্ৰকাশ।

(ঙ) উপযুক্ত গ্ৰন্থ-প্ৰকাশ আৰু অভাৱগ্ৰস্ত সাহিত্যিকক সাহায্য দান।

(চ) নিৰ্ভাজ অসমীয়া সুৰৰ গ্ৰামোফ'ন ৰেকৰ্ড-মুদ্ৰণকৰণ।

এইবোৰৰ উপৰিও পিছত সভাৰ নিয়মাৱলীত সামৰি লোৱা হৈছিল—সঙ্গীত আৰু চিত্ৰবিদ্যাৰ উন্নতিসূচক কাৰ্য্যৰ বিধান, সভাৰ এখন মুখপত্ৰ প্ৰকাশ, জনসাধাৰণৰ মাজত সাহিত্য প্ৰচাৰ, সাহিত্যৰ উন্নতিকল্পে আন আন কাৰ্য্য আদি।

ইতিমধ্যে ঘটনাই অন্যৰূপ ললে। আচম্বিতভাৱে ৰাধাকান্ত সন্দিকৈৰ ৰাম-লক্ষ্মণৰ দৰে তালযুৰীয়া দুইপুত্ৰ অগাপিছাকৈ অকাল মৃত্যুৰ গৰাহত পৰিল। সন্দিকৈ-দম্পতীৰ মূৰত বিনামেঘে বজ্ৰপাত হয়, দুৰ্বহ পুত্ৰশোকত তেওঁলোকৰ হিয়াৰ আমঠু ক'লা পৰি যায়। হেন সময়তে এদিন ছেগ চাই কঠীয়া পাৰিব জনা শৰৎ গোসাঁইৰ লগত সন্দিকৈ ডাঙৰীয়াৰ ভেটাভেটি হ'ল। পুত্ৰৰ উপযুক্ত স্মৃতি-তৰ্পণৰ বাবে গোস্বামীদেৱৰ পৰামৰ্শৰ অনুকূলে সন্দিকৈ ডাঙৰীয়াই অসম সাহিত্য সভাৰ কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন, চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত বুৰঞ্জীৰ বাবে ত্ৰিছহেজাৰ টকা আগবঢ়ায়। পুত্ৰৰ স্মৃতিত মহান্ দান তেতিয়াৰ ত্ৰিছ হেজাৰ এতিয়াৰ তিনি লাখ টকাৰ সমান হ'ব। এনে চৰ্তত টকাখিনি আগবঢ়োৱা হৈছিল :

পুত্ৰৰ স্মৃতিত মহান দান

(১) অসমীয়া ভাষাৰ চৰ্চা, উদগনি আৰু উন্নতিৰ অৰ্থে এই ধন খৰচ কৰিব লাগিব।

(২) ইয়াৰ পোন্ধৰ হেজাৰ টকাৰে 'চন্দ্ৰকান্ত ভৱন নাম দি এটা সভাঘৰ সাজিব লাগিব ;

(৩) বাকী টকা সুতলৈ লগাই তাৰ সুতেৰে 'চন্দ্ৰকান্ত অভিধান' নাম দি অসমীয়া ভাষাৰ এখন অভিধান সংকলন কৰি ছপাব লাগিব।

(৪) অভিধানৰ পিছত সেই টকাৰ সুতেৰেই 'ইন্দ্ৰকান্ত বুৰঞ্জী' উলিয়াব লাগিব।

(৫) তাৰ পিছত এই দুখন গ্ৰন্থৰপৰা পোৱা টকা আৰু দানৰ টকাৰ সুত বিশ্বস্ত সভাৰ আদেশমতে দান-পত্ৰৰ উদ্দেশ্যলৈ লক্ষ্য ৰাখি অসম সাহিত্য সভাই অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ অৰ্থে খৰচ কৰি থাকিব।

সন্দিকৈৰ এই সাত্বিক দানে অসম সাহিত্য সভাৰ ভেটি গজ-গজীয়া কৰিলে, তেওঁৰ দুই পুত্ৰৰ স্মৃতি যুগমীয়া কৰিলে। দেশবাসীৰ

মাজত দাতা সন্দিকৈ ডাঙৰীয়াও স্বতঃপ্ৰণোদিতভাৱে দানবীৰ বিশেষণেৰে বিভূষিত হ'ল। এটা সুকীয়া অধ্যায়ত এই প্ৰসঙ্গৰ আঁতিগুৰি মাৰি লিখা হৈছে।

সন্দিকৈ ডাঙৰীয়াৰপৰা শকত দান পোৱাত কমলা দেৱী সাহিত্য-মন্দিৰৰ পৰিকল্পনা পৰিহাৰ কৰা হয়। কিন্তু ৰাধানাথ গোস্বামীৰ দান অথলে নগ'ল। কথাটো বিবৰি জনোৱাত তেওঁ সেই ধনেৰে অসমীয়া শিশু-সাহিত্যৰ উন্নতিকল্পে 'কমলা দেৱী ন্যাসপুঁজি' গঠন কৰিবলৈ হৃষ্টচিত্তে সম্মতি দিলে। মিতিৰো বল, চাউলো সিজিল। দুইজন ৰাধাই সাহিত্য সভাৰ দাতাৰ তালিকাৰ শীৰ্ষস্থানত জিলিকি থাকিল।

টোপোলা দেখিলে টুপলি যাচে, ব ৰ টুপলি তোলৈকো আছে,—এই কথাষাৰ মিছা নহয়। ওপৰত উল্লেখ কৰা দান দুটাৰ উপৰিও সাহিত্য সভাৰ ভঁৰাললৈ দক্ষিণপাট আৰু আউনীআটী সত্ৰৰপৰাও শৰৎ গোসাঁই আৰু হেম গোসাঁইৰ ধুটীয়া প্ৰচেষ্টাত দানৰ প্ৰতিশ্ৰুতি আহিছিল। দক্ষিণ-পাটৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামীৰ দানেৰে প্ৰথমতে 'নৰদেৱ সাহিত্য মন্দিৰ' সাজিবলৈ স্থিৰ কৰা হৈছিল। পিছত তেনে ঘৰ অনাৱশ্যক হোৱাত সেই ধনৰ বাহিৰে ধৰ্মগ্ৰন্থ আৰু পুৰণি পুথি প্ৰকাশ কৰিবলৈ 'ন্যাসপুঁজি' গঠন কৰা হয়; আউনীআটী সত্ৰাধিকাৰ শ্ৰীশ্ৰীলীলাকান্ত গোস্বামীৰ চাৰেপাঁচ হেজাৰ টকা দানৰ প্ৰতিশ্ৰুতি কিন্তু কামত নাহিল। প্ৰতিশ্ৰুতিৰ ধন আদায় হবলৈ নৌপাওঁতেই অধিকাৰজনা বৈকুণ্ঠী হোৱাত এই দানৰ মুদা মৰিল। সময়ৰ শৰ জুৰি কাৰ্য্যকাৰকসকলে খৰটকীয়া ব্যৱস্থা ল'ব পৰা হলে এই দানো নিশ্চয় কাৰ্য্যকৰী হ'লহেঁতেন।

নৰদেৱ ন্যাসপুঁজি

# প্ৰথম ডিব্ৰুগড় অধিবেশন (৬)

## ঃ ১৯, ২০ এপ্ৰিল, ১৯২৪ চন ঃ

১৯২৪ চনৰ ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়াকৈ ডিবুৰুৰ জৰ্জ স্কুলত অসম সাহিত্য সভাৰ অনুষ্ঠিত অভ্যৰ্থনা সভাৰ সভাপতি আছিল শিৱনাথ শৰ্মা। সভাপতিৰ আসনত বহিছিল জোনাকী যুগৰ আন এটি তৰা বুৰঞ্জীবিদ্ কনকলাল বৰুৱা। এই অধিবেশনত জাতীয়তাবাদী গড়মূৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীয়ে যোগ দি সভাখনৰ জেউতি চৰাইছিল। চাৰিসত্ৰৰ অধিকাৰ এজনাই এনেদৰে ৰাইজৰ মাজলৈ ওলাই অহাটো তেতিয়াৰ দিনত এক নতুন পৰম্পৰাৰ দৰে হৈছিল। এই অধিবেশনত সাহিত্য সভাৰ প্ৰথম সঙ্গীত সম্মিলনী সম্পন্ন হৈছিল, নাট্যাচাৰ্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ পৌৰোহিত্যত। এই সঙ্গীত-সম্মিলনীক অৱশ্যে অসম সঙ্গীত-সংঘৰ প্ৰথম অধিবেশন আখ্যা দিয়া হৈছিল। পৰিতাপৰ কথা, এই মূল্যৱান ভাষণখনি সংৰক্ষিত নহ'ল।

সভাপতি বৰুৱা ডাঙৰীয়াই তেখেতৰ বুৰঞ্জীগন্ধী জ্ঞানগৰ্ভ ভাষণত লিখিছে—"আমাৰ এই সভা সাহিত্য সভা। এই সভাই অসমৰ অকল অসমীয়া পুথি নহয়, সংস্কৃত পুথিবিলাকো সংগ্ৰহ আৰু উদ্ধাৰ কৰিবলৈ যত্ন কৰা বোধকৰোঁ উচিত। আমাৰ দেশত আজি কেইবা শ বছৰৰ আগেয়ে আহি বসতি কৰা ছৈয়দ, খন্দকাৰ আদি উচ্চ বংশৰ মুছলমান কিছুমানো আছে। তেওঁলোকৰ হাতত পুৰণি হাতেলিখা আৰবী বা ফাৰ্চী কোৰাণ কি আন পুথিও থকা সম্ভৱ। তেনে পুথিও পালে সংগ্ৰহ কৰা আৰু যত্ন কৰি ৰখা নিতান্ত আৱশ্যক।"

"আমাৰ দেশৰ সাহিত্যৰ আৰু এটি পুঁজি আছে যাৰ কথা বন্ধুবৰ গোসাঁইদেৱে উল্লেখ কৰা নাই। সেইটি হৈছে বংশাৱলী বা পুৰুষনামাবিলাক। এইবিলাক জাতীয় বুৰঞ্জীৰ বৰ লাগতিয়াল উপাদান।"

শৰৎচন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এই বছৰৰপৰা 'চন্দ্ৰকান্ত অভিধান যুগুতোৱা কাম আৰম্ভ হয়।

# প্ৰথম গুৱাহাটী অধিবেশন (৭)

**: ২৭, ২৮, ২৯ ডিচেম্বৰ, ১৯২৪ চন :**

মাহ লেখেৰে এবছৰ পূৰ নৌহওঁতেই ১৯২৪ চনৰ বৰদিনৰ বন্ধত গুৱাহাটীত অসম সাহিত্য সভাৰ সপ্তম অধিবেশন বিশেষ উলহমালহেৰে সম্পন্ন হয়। অসমীয়া সাহিত্যৰ অন্যতম যুগনায়ক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বই এই অধিবেশনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। বেজবৰুৱাৰ আকৰ্ষণী শক্তিত অসমৰ সকলো ঠাইৰে নবীন প্ৰবীণ সাহিত্যিকসকল এই সভাত উপস্থিত হৈছিল। সেইসকলৰ ভিতৰত সত্যনাথ বৰা, কমলাকান্ত ভট্টাচাৰ্য্য, পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা, দণ্ডিনাথ কলিতা, নবীনচন্দ্ৰ বৰদলৈ, সূৰ্য্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, চৈয়দ মহিবুল্লা, জ্ঞানদাভিৰাম বৰুৱা, মহম্মদ চালেহ, ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰভৃতি বহুতৰ নাম ল'ব পাৰি। ইতিপূৰ্বে সাহিত্য সভাৰ অধিবেশনত একেখন সভাথলীতে ইমানবিলাক সাহিত্যিক গোট খোৱা নাছিল। উজান বজাৰ-লতাশিল খেলমাটিত ধুনীয়াকৈ সজোৱা সভামণ্ডপত এই অধিবেশন বহিছিল। সত্যনাথ বৰা আছিল আদৰণী সভাৰ সভাপতি, লক্ষ্মীনাথ শৰ্মা ( খ্যাতিমান হেডমাষ্টৰ ) সম্পাদক, সৰ্বেশ্বৰ শৰ্মাকটকী সহঃ সম্পাদক।

বেজবৰুৱাই তেওঁৰ ছপা অভিভাষণ বৈ বৈ পঢ়িছিল আৰু সেই বিৰতিত জীয়েক শ্ৰীমতী ৰত্নাৱলীয়ে বৰগীত আৰু ৰবীন্দ্ৰ-সঙ্গীত গাই শুনাইছিল। সভাপতিয়ে ছপা অধিবেশনৰ মাজে মাজে দুই এটা মন্তব্যও দিছিল। সেই মন্তব্য লিখি নৰখাত সংৰক্ষিত নহ'ল।

সাহিত্যৰথী বেজবৰুৱাৰ এই ভাষণ অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ ভাষণ। এই ভাষণত তেখেতে সাহিত্যৰ আকৃতি-প্ৰকৃতি, লক্ষণ আদি বহু কথা আলোচনা কৰাৰ উপৰিও চমুকৈ হলেও অসমীয়া

সাহিত্যৰ বুৰঞ্জী আৰু বৰ্তমান, ভূত, ভবিষ্যতৰ কথাও সন্নিবিষ্ট কৰিছে। উদাত্ত কণ্ঠেৰে ভাষণৰ মোখনি মাৰি তেখেতে কৈছিল— "আপোনাসকলে সাৰোগত কৰি জানিব—অসমীয়া ভাষাৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম ঢাপ। হব পাৰে আমাৰ মানুহৰ লেখ তাকৰ, হব পাৰে আমাৰ মানুহৰ অৱস্থা টনকিয়াল নহয়; কিন্তু সেই বুলিয়েই ভাৰতৰ আন প্ৰদেশৰ মানুহৰ সৈতে সমানে আগবাঢ়িব নোৱাৰাত মনক মিছা প্ৰবোধ দি ঘৰত দুৱাৰ মাৰি বহি থাকিম নে?"

গোপালকৃষ্ণ দেই ডাঙি ধৰা আভিধানিক হেমচন্দ্ৰ বৰুৱাৰ টোলত স্মৃতিফলক প্ৰতিষ্ঠা কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

সেই সভাত সুগায়ক শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাই (প্ৰাক্তন এম-পি) গোৱা জ্যোতিপ্ৰসাদৰ বিয়ানামসুৰীয়া 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতটি গাই সভাঘৰত আলোড়নৰ সৃষ্টি কৰিছিল। পৰীক্ষা-মূলকভাবে ৰচনা কৰা নিভাঁজ অসমীয়া সুৰৰ গীতে স্বীকৃতি লাভ কৰি কুমলীয়া ৰূপকোঁৱৰৰ লাজ ভাঙি দিলে। অসমীয়া সঙ্গীতৰ নতুন যুগৰ সূচনা হ'ল।

জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী বিশেষ লেঠাত সভাত উপস্থিত থাকিব নোৱাৰাত দ্বিতীয় দিনা তেখেতে লিখি পঠিওৱা অভিভাষণ পাঠ কৰি শুনোৱা হয়। সভাপতিৰ আসনত বহিছিল ৰজনীকান্ত বৰদলৈ ডাঙৰীয়া।

পিছৰ বছৰৰ বাবে নগাৱৰ ৰজনীকান্ত বৰাই (প্ৰাক্তন এম-এল-চি) নিমন্ত্ৰণৰ শৰাই আগবঢ়ায়।

ৰাতি এই সভা উপলক্ষে কামৰূপ নাট্যসমিতিয়ে কুমাৰ ভাস্কৰ নাট্যমন্দিৰত ঘনকান্ত বৰুৱা ৰচিত হাতেলেখা সামাজিক 'উমা' নাট অভিনয় কৰে। নামভূমিকাত নামিছিল সুখ্যাত অভিনেতা জগৎচন্দ্ৰ বেজবৰুৱা (দেৱকান্তৰ ভাৰত)। ধুলিৰাম ওস্তাদ হৈছিল মীনকান্ত বৰদলৈ। সভাপতি বেজবৰুৱা প্ৰমুখ্যে বিশিষ্ট দৰ্শক-সকলে সেই অভিনয় উপভোগ কৰিছিল।

এই অধিবেশনত কুৰিজন সদস্যেৰে কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়। শৰৎ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

## পাৰ্শ্বজ্যোতি

স্থান কুমাৰ ভাস্কৰ নাট্যমন্দিৰ। সময় গধূলি। বেজবৰুৱাৰ সভাপতিত্বত বিষয়-বাছনী সভা চলি আছে। তেজপুৰীয়া প্ৰতিনিধি-সকল তেতিয়াও আহি পোৱা নাই জাহাজ 'লেট'। এঘণ্টা সময় অতিবাহিত হোৱাৰ পিছত এজন প্ৰতিনিধি চাহাবী সাজত গপগপকৈ সভাঘৰত সোমালহি। সভাৰ কাৰ্য্যৰ আপোনা আপুনি বিৰতি ঘটিল। চাহাব প্ৰতিনিধিজনে পোনে পোনে মঞ্চলৈ গৈ টুপীটো খুলি সভাপতিলৈ হাতখন আগবঢ়াই দি কলে Hallow Bezbarua, after so many years we meet. সভাপতিয়েও হাতখন আগবঢ়াই দিলে। চাহাবী প্ৰথাৰে দুয়ো কৰমৰ্দন কৰিলে। তাৰ পিছত ইজনে সিজনক গৰা মাৰি ধৰি দেশীয় প্ৰথাৰে আলিঙ্গন কৰিলে। বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ এই মধুৰ মিলনৰ দৃশ্য দেখি সকলো সভাসদ পুলকিত হ'ল। তেতিয়াৰ Times of Assam কাকতে মন্তব্য কৰিছিল—A sight God's to see

এই দুজন সাহিত্যৰথীয়েই সেই সময়ত 'বাঁহী' আৰু 'উষা'ৰ মাজত যুদ্ধ লগাই দি পাঠক-পাঠিকাক আমোদ আৰু চিন্তাৰ খোৰাক যোগোৱা নাছিল নে বাৰু? দৰাচলতে আলোচনীৰ পাতত এই সকলৰ বাদ-বিসম্বাদ আছিল আদালতত আছামী-ফৰিয়াদীৰ উকিলৰ তৰ্ক-যুদ্ধৰ চামিল।

× × ×

ইয়াৰ পিছত ১৯২৫ চনৰ ১৮ জানুৱাৰীৰ দিনা চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাসপুঁজিৰ দলিল ৰেজিষ্ট্ৰী কৰা হয়। সেই দলিলত ত্ৰিছ হেজাৰ টকাৰ ন্যাস-সমিতি গঠন কৰি চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ যাবতীয় দায়িত্ব অৰ্পণ কৰা হয়। দানপত্ৰৰ চৰ্তসমূহ আগতে উল্লেখ কৰি অহা হৈছে।

এই বছৰতে ‘নবদেৱ গ্ৰন্থাৱলী’ৰ প্ৰথম গ্ৰন্থ ‘শ্ৰীদেৱদামোদৰ চৰিত’ ছপাবলৈ হাতত লোৱা হয়।

বছৰটোৰ কাম-কাজৰ বিষয়ে প্ৰধান সম্পাদক শৰৎ গোস্বামীৰ প্ৰতিবেদনৰপৰা জনা যায় যে এই বছৰত শ্ৰীবেণুধৰ শৰ্মাক মাহে ডেৰকুৰি টকা বেতনত ছমাহলৈ অসম সাহিত্য সভাৰ প্ৰচাৰকৰ পদত নিযুক্তি দিয়া হৈছিল। ওপৰঞ্চি ফুৰা-খৰচ ১৩১৯/। শৰ্মাৰ উপৰিও অসমৰ বাহিৰে-ভিতৰে সভাৰ প্ৰচাৰ-কাৰ্য্য চলাবৰ বাবে নিযুক্ত কৰা ১৮ জন লোকৰ ভিতৰত আছিল : (১) পীতাম্বৰ চক্ৰৱৰ্ত্তী, ধুবুৰী (২) পদ্মধৰ চলিহা, ডিব্ৰুগড় (৩) মহম্মদ চাদ্দিৰ হুছেন, উত্তৰ লক্ষীমপুৰ (৪) কৃষ্ণকান্ত মহন্ত, মঙলদৈ (৫) হংসনাথ স্মৃতিতীৰ্থ শ্ৰীহট্ট আৰু (৬) যতীন্দ্ৰনাথ দুৱৰা, কলিকতা। পদ্মধৰ চলিহাৰ বাহিৰে কাৰোপৰা সন্তোষজনক ফল পোৱা নগ’ল বুলি প্ৰতিবেদনত প্ৰকাশ।

তলত নাম দিয়া সকলেৰে কমলা দেৱী ন্যাসপুঁজি যথাবিধি গঠন কৰা হয় : (১) দাতা, (২) প্ৰধান সম্পাদক, (৩) ৰাধাকান্ত সন্দিকৈ, (৪) দেৱেন্দ্ৰনাথ বেজবৰুৱা, (৫) পূৰ্ণানন্দ শৰ্মাপাঠক।

কমলা দেৱী শিশু-সাহিত্যৰ বাবে (১) মহাৰাজ নৰনাৰায়ণ (২) মণিৰাম দেৱান আৰু (৩) মোমাইতামুলী বৰবৰুৱা—এই তিনি-খন চমু সহজ জীৱনী বিচাৰি আঠৈকুৰি টকাকৈ বঁটা ঘোষণা কৰি জাননী দিয়া হয়। আগৰ বছৰ দাখিল কৰা ৰোমেশ্বৰ শৰ্মাৰ ‘কথা মহাভাৰত’ নামৰ পুথিখনে প্ৰথমবাৰ ‘কমলা দেৱী বঁটা’ ইতিমধ্যে লাভ কৰে।

মফিজুদ্দিন আহমেদক সাহিত্য পেন্সন দিবলৈ চৰ্কাৰৰ লগত লিখালিখি চলি থাকে।

নানা বিষয়ৰ পুথি মুগুত কৰাব প্ৰচেষ্টা চলোৱা হয়।

লক্ষীধৰ শৰ্মাই কলিকতাৰ পৰা মাৰ্বলৰ ‘হেমচন্দ্ৰ বৰুৱা স্মৃতি-ফলক’ তৈয়াৰ কৰি পঠায়। সেই ফলক আভিধানিক বৰুৱা

ডাণ্ডৰীয়াই বাস কৰা প্ৰাক্তন ৰাজহমন্ত্ৰী সিদ্ধিনাথ শৰ্মাৰ চৌহদৰ ফটিকচন্দ্ৰ বোড আৰু হেমচন্দ্ৰ বোডৰ সংযোগ-স্থলত স্থাপন কৰা হয়। নিৰ্মাণ-খৰচ কেৱল এশ টকা, আজিকালিৰ এহেজাৰ। এই কাৰ্য্যৰ বাবে সাহিত্য সভাই এটা প্ৰস্তাৱ যোগে গোপালকৃষ্ণ দে, লক্ষ্মীধৰ শৰ্মা, সৰ্বেশ্বৰ শৰ্মাকটকী, হৰমোহন দাস আৰু সিদ্ধিনাথ শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

১৯২৫ চনৰ ২৮ ফেব্ৰুৱাৰীৰ দিনা চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় স্থাপন কৰি তাত নিয়মিতভাৱে দিনৌ সভাৰ কাম-কাজ চলোৱা হয়। বিতং বিৱৰণ আন এঠাইত দিয়া হৈছে।

সেই সময়ত বৰ্তি থকা অসম সাহিত্য সভাৰ ২৫ খন স্বীকৃত সভাৰ নাম জনা যায়।

# প্ৰথম নগাওঁ অধিবেশন (৮)

## ঃ ২৭, ২৮, ২৯ ডিচেম্বৰ, ১৯২৫ চন ঃ

তেতিয়াৰ নগাওঁ আজিৰ উন্নত নগাওঁ নহয়। পৰিবহনৰ অসুবিধা প্ৰকট। ঘাই ৰেলপথ আসাম-বেঙ্গলৰ কামপুৰ বা চাপৰ-মুখত নামি সদৰলৈ যাব লাগে। আগেয়ে চাপৰমুখৰপৰা নগাৱলৈ ঘটলং ঘটলং কৰি গৰুগাড়ীৰে যাব লাগিছিল। পিছত যেনিবা চাপৰমুখ-শিলঘাট আলি হোৱাত নগাৱেও ৰেলৰ মুখ দেখিছিল।

কাছাৰী ঘৰৰ উত্তৰত থকা খেলমাটিত সাহিত্য সভাৰ সভামণ্ডপ সজা হৈছিল। আদৰণী সভাৰ সভাপতিৰ ভাৰ দিয়া হৈছিল জ্ঞানদাভিৰাম বৰুৱা বা ভলভলীয়া জে-বৰুৱা চাহাবক। যুটীয়া সম্পাদক হৈছিল ধামেশ্বৰ বৰুৱা হেডমাষ্টৰ আৰু বিষ্ণুচৰণ বৰা এম-এল-চি। দুজন সুদক্ষ সহকাৰী হলধৰ ভূঞা (জননেতা) আৰু মতিৰাম বৰা (প্ৰাক্তন বিত্তমন্ত্ৰী)।

অসমীয়া উপন্যাস-সাহিত্যৰ পিতৃপুৰুষ ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ সভাপতিত্বত তিনিদিনীয়াকৈ এই সম্মিলন অনুষ্ঠিত হৈছিল ২৭, ২৮, ২৯ ডিচেম্বৰত। এই সভাৰ বিশেষত্ব আছিল যে নগাৱৰ হাতেকটা সূতাৰ তাঁতশালত বোৱা কাপোৰেৰে সভামণ্ডপ সজা হৈছিল। তিনিওদিনে প্ৰায় ডেৰহেজাৰ দৰ্শকৰ সমাবেশ হৈছিল। বুজন সংখ্যক আইসকলেও সভাত যোগ দিছিল।

২৭ ডিচেম্বৰ দেওবাৰে দিনৰ দুই বজাত সভাপতি বৰদলৈ ডাঙৰীয়াক ঢোলে-ডগৰে আদৰি আনি সুসজ্জিত মঞ্চত বহুওৱা হয়। আদৰণী সভাৰ সভাপতি জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই তেওঁৰ শুৱলা ভাষণত নগাৱৰ পুৰণি কথা পঢ়ি শুনায়।

চন্দ্ৰধৰ বৰুৱাৰ প্ৰস্তাৱ আৰু নুৰুদ্দিন আহমেদৰ সমৰ্থনত দৰ্শকৰ বিপুল হৰ্ষধ্বনিৰ মাজত সভাপতিয়ে নিৰ্দিষ্ট আসন গ্ৰহণ কৰে।

সভাপতিয়ে সাৰগৰ্ভ ভাষণত নগাঁৱৰ পুৰণি স্মৃতিৰ লগতে অসম বুৰঞ্জীৰ হিয়াৰ আমঠু ক'লা পেলোৱা মান-মৰাণৰ আক্ৰমণৰ করুণ স্মৃতি ৰোমন্থন কৰি ধৰ্মৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

তেখেতে কটন কলেজত অসমীয়া সাহিত্যৰ অধ্যাপক নিয়োগ আৰু ধুবুৰী আদালতত অসমীয়া ভাষা প্ৰয়োগৰ কথা ছপা অভিভাষণত যোগ দিয়ে।

সম্পাদকৰ প্ৰতিবেদনত সভাৰ স্থায়ী কাৰ্য্যালয়ৰ কথা উল্লেখ কৰা হয় আৰু আয়-ব্যয়ৰ হিচাপ থাকে।

গধূলি নগাঁও 'হেৰিছে হল'ত বিষয়-বাছনী সভা বহে।

দ্বিতীয় দিনা ২৮ ডিচেম্বৰ সোমবাৰে আবেলি সভামণ্ডপতে সঙ্গীত-শাখাৰ (সঙ্গীত-সংঘ) তৃতীয় অধিবেশন বহে। এই সভা পৰিচালনা কৰাৰ ভাৰ পৰিছিল 'শেৱালি'-কবি ৰত্নকান্ত বৰকাকতী আৰু 'বাউলী'-কবি কমলানন্দ ভট্টাচাৰ্য্যৰ ওপৰত। আদৰণী-সভাপতি ৰত্নকান্ত বৰকাকতী আৰু মূল সভাপতি চন্দ্ৰধৰ বৰুৱাই গধুৰ-মধুৰ ভাষণ পাঠ কৰে। পদ্মধৰ চলিহাই সঙ্গীত সম্পৰ্কে এখন দীঘল ৰচনা পাঠ কৰি শুনায়। ডাক্তৰ হৰেকৃষ্ণ দাসৰ দুই জীয়াৰী শ্ৰীমতী তিলোত্তমা দাস (ৰায়চৌধুৰী), শ্ৰীমতী অমলপ্ৰভা দাস, শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু ৰমানন্দ চৌধুৰীয়ে গীত-বাদ্য পৰিবেশন কৰি সমজুৱাসকলক আনন্দ দিয়ে। বেলশৰৰ শ্ৰীদণ্ডীৰাম দত্তই দুটা 'কৌতুক' দেখুৱায় আৰু মোছলেহউদ্দিন আহমেদে এটি হাস্যৰসৰ গীত গাই সমাজত হাঁহিৰ খলকনি তোলে।

তৃতীয় দিনা পুৱা বিষয়-বাছনী সভাই বাছি পঠোৱা প্ৰস্তাৱবোৰ আৰু নিয়মাৱলী সংশোধনৰ পৰামৰ্শ পৰ্য্যালোচনা কৰি গ্ৰহণ কৰা হয়। নতুন কাৰ্য্যনিৰ্বাহক সভাত যোৰহাটৰ বাহিৰৰ কাকো নোলোৱাত আপত্তি উঠে। সম্পাদকে পিছৰ বছৰত আগজাননী দি এই বিষয়ে সিদ্ধান্ত লবলৈ পৰামৰ্শ দিয়ে। নতুন বছৰৰ বাবে শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক, চন্দ্ৰধৰ বৰুৱা পত্ৰিকা-সম্পাদক,

বিষ্ণুচন্দ্ৰ বৰুৱা আৰু হৰিনাৰায়ণ দত্তবৰুৱা যুটীয়া সহঃ সম্পাদক, দেৱেশ্বৰ শৰ্মা ধনভঁৰালী নিৰ্বাচিত হয়।

সেইদিনা আবেলি কবি-বুৰঞ্জীবিদ্ হিতেশ্বৰ বৰবৰুৱাদেৱৰ সভাপতিত্বত পোনপ্ৰথম বাৰৰ বাবে বুৰঞ্জী শাখাৰ অধিবেশন বহে। এই সভাৰ আদৰণী সভাপতি আছিল সূৰ্য্যকুমাৰ ভূঞা কাব্য-বিনোদ। আহোম বুৰঞ্জীবিদ্ বৰবৰুৱা ডাঙৰীয়াই সভাপতিৰ ভাষণত আহোমসকলৰ কথাকে বেছিকৈ লিখিছে। নগাৰৰ চমু বুৰঞ্জীৰো আভাস দিছে। অসমীয়া জাতি সম্পৰ্কে তেখেতে লিখিছে—"সৌমাৰ খণ্ডত তেতিয়া •বৰাহী, মৰাণ, কছাৰী, চুটিয়া আৰু বাৰভূঞাৰ বসতি আছিল। আৰু সিবিলাকৰ লোকসংখ্যা টাইবিলাকতকৈ অনেক পৰিমাণে বেছি থকা সত্ত্বেও নৰ্মাণ্ডিৰ ডিউক বিজয়ী উইলিয়ামৰ লগৰ নৰ্মান মানুহখিনিয়ে ছেক্সনবিলাকৰ লগত মিহলি হৈ যেনেকৈ বৰ্তমানৰ প্ৰবল প্ৰতাপান্বিত ইংৰাজ জাতিৰ সৃজন কৰিলে,—এই ডাকৰীয়া টাই মানুহখিনিয়েও ঠিক সেইদৰেই সৌমাৰ আদিবাসীবিলাকক তলতীয়া কৰি লৈ, সিবিলাকে সৈতে মিলি আজিৰ এই অসমীয়া জাতিটো সৃজন কৰিলে। অসমীয়া জাতিৰ এয়েই আদি-মূল। ইয়াৰ পূৰ্বে অসমীয়া বুলি জাতি এটা পৃথিৱীত নাছিল ইংৰাজ জাতিয়ে উইলিয়ামৰ আৰু ফৰাচীবাসীয়ে নেপোলিয়নৰ অতিকৈ গৌৰৱ কৰে। ইংলণ্ড আৰু ইংৰাজ জাতিৰ নিমিত্তে আজি বিজয়ী উই-লিয়াম গৌৰৱান্বিত আৰু সেইদৰেই ফ্ৰান্স আৰু ফৰাচী জাতিৰ নিমিত্তেও নেপোলিয়ন আজি জগতত চিৰপৰিচিত আৰু বিশেষৰূপে গৌৰৱান্বিত। সেইদৰে বিজয়ী চুকাফাক লৈও অসমীয়া জাতি গৌৰৱান্বিত হব লাগে"

'অসম আৰু অসমীয়া জাতি' নামৰ এখন বুৰঞ্জী যুগুত কৰিবলৈ সূৰ্য্য কুমাৰ ভূঞাই দাঙি ধৰা এটা প্ৰস্তাৱ এই সভাত গৃহীত হয়।

সভাৰ অন্তত যোৰহাটৰ শ্ৰীশশীচন্দ্ৰ বৰবৰুৱাই নাইডু ব্যায়াম-কৌশল আৰু বলীনাৰায়ণ বৰুৱাই মটৰ ৰখোৱা আদি পালোৱানী-ক্ৰিয়া প্ৰদৰ্শন কৰি দৰ্শকসকলক আমোদ দিয়ে। তিনিওদিন নিশা নাট্যাভিনয় হৈছিল।

সভাপতিৰ আসনৰপৰা দাঙি ধৰা শোক প্ৰস্তাৱত সত্যনাথ বৰা, সিংহদত্ত দেৱ অধিকাৰী, গোপালকৃষ্ণ দে আৰু গোপালচন্দ্ৰ ভূঞাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হৈছিল। প্ৰস্তাৱটোত কোৱা হৈছিল যে বৰা ডাঙৰীয়াক অলপতে সাহিত্য সভাৰ সভাপতি হিচাপে পাবলৈ আশা কৰা হৈছিল। তেওঁৰ মৃত্যুত সেই আশা পূৰণ হবলৈ নেপালে বুলি সমজুৱাসকলে আক্ষেপ কৰে।

* * *

সভাৰ মুখপত্ৰ 'অসম সাহিত্য সভা পত্ৰিকা' প্ৰকাশৰ প্ৰস্তাৱটো এই বছৰতে কাৰ্য্যকৰী কৰা হয়। চন্দ্ৰধৰ বৰুৱাৰ সম্পাদনাত প্ৰথম বছৰ, প্ৰথম সংখ্যা পত্ৰিকা তিনি-মহীয়া হৈ প্ৰকাশ পায় ১৮৪৯ শকৰ আহিন-আঘোণ সংখ্যা হিচাপে।

আন এটা প্ৰস্তাৱত সাহিত্য সন্মিলনৰ লগতে বুৰঞ্জী-সভা পাতিবলৈ সিদ্ধান্ত লোৱা হৈছিল। কটক কলেজত অসমীয়া সাহিত্যৰ অধ্যাপক লবলৈ চৰ্কাৰক আৰু আনন্দৰাম ঢেকিয়ালফুকন আৰু গুণাভিৰাম বৰুৱাৰ স্মৃতিৰক্ষাৰ ব্যৱস্থা কৰিবলৈ নগাঁৱা ৰাইজক অনুৰোধ জনোৱা হয়।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাক 'মহাৰাজ নৰনাৰায়ণ' পুথিৰ বাবে কমলা দেৱী বঁটাৰে পুৰস্কৃত কৰা হয়।

# প্ৰথম ধুবুৰী অধিবেশন (৯)

**: ২৯, ৩০ ডিচেম্বৰ, ১৯২৬ চন :**

১৯২৬ চনৰ বৰদিনৰ বন্ধত প্ৰথম বাৰলৈ ধুবুৰীত অসম সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ নবম অধিবেশন অনুষ্ঠিত হয়। সীমামূৰীয়া ধুবুৰীত এই সভা বহাৰ বাবে গোটেই অসমতে উথপথপ লাগি পৰিছিল। অসমৰ নেতৃস্থানীয় প্ৰায় সকলো নেতা-সাহিত্যিক আৰু শিল্পীৰ ধুবুৰীত অভূতপূৰ্ব সমাগম হৈছিল।

সভাপতি 'খণ্ডবাক্যকোষ' ৰচোঁতা বেণুধৰ ৰাজখোৱা। আদৰণী সভাৰ সভাপতি জমিদাৰ ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী।

মুকলি সভাৰ প্ৰথম দিনা সভাপতিৰ ভাষণৰ এটি অংশই নগৰত জগৰ লগালে। এচাম বঙালী দৰ্শক পেটে পেটে অসন্তুষ্ট হৈ ঘৰলৈ গ'ল। কথাটো গম পাই দ্বিতীয় দিনাৰ বাবে কৰ্মকৰ্তাসকল সষ্টম হৈ আছিল। এই অধিবেশনৰ কৃতকাৰ্য্যতাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল কবি আনন্দচন্দ্ৰ আগৰৱালাদেৱে সেই সময়ত তেওঁ ধুবুৰীত গোৱালপাৰা জিলাৰ পুলিচচাহাব হৈ আছিল। দ্বিতীয় দিনা কিবা অঘটন ঘটে বুলি আশংকা কৰি তেওঁ পুলিচী বেশত সাজিপাৰি আহিল। পিছে আশংকা কৰামতে বিশেষ কোনো অঘটন নঘটিল। কেৱল মাথোন সভাপতিৰ কথাত ছিদ্ৰ উলিয়াই জনচেৰেক বঙালী দৰ্শক ঠেহ পাতি বাহিৰ ওলাই গ'ল ইমানেই।

এই অধিবেশনৰ লগতে পতা বুৰঞ্জী-সভাত সভাপতিত্ব কৰিছিল অধ্যাপক (ডক্টৰ) সূৰ্য্যকুমাৰ ভূঞাদেৱে আৰু সেই সভাত বঙলা ভাষাত 'কোচবিহাৰৰ ইতিহাস' লেখক কোচবিহাৰৰ অধ্যাপক খান আমানুল্লা আহমেদ চৌধুৰীয়ে এখনি তথ্যগধুৰ ৰচনা পঢ়িছিল। এই অধিবেশনতে পোনপ্ৰথমবাৰৰ বাবে ষড়ানন তৰ্কতীৰ্থৰ সভাপতিত্বত দৰ্শন শাখাৰ সভা বহিছিল। এইখনেই এনে বিষয়ৰ প্ৰথম সভা।

অসম সাহিত্য সভা পত্রিকাত প্রত্যক্ষদৰ্শী সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাই এই সম্পৰ্কত লিখি থৈ গৈছে : "ধুবুৰী সন্মিলনত কাজিয়া লাগি মহাহুলস্থূল হ'ল বুলি কোনো কোনো মানুহে ঢৌটোকে ৰৌটো কৰি বাতৰিকাকতত দীঘল দীঘল প্ৰবন্ধ প্ৰকাশ কৰিছিল। সেই কাৰণে প্ৰকৃত ঘটনাটো কি হৈছিল, আমাৰ পাঠকসকলক একেষাৰ কৈ থওঁ। সন্মিলনৰ দ্বিতীয় দিনাৰ সভাত, এজন বঙালী ভদ্রলোকে, সভাপতিয়ে আগদিনা পাঠ কৰা অভিভাষণৰ কোনো অংশ সমালোচনা কৰি এটা বক্তৃতা দিবলৈ থিয় হৈছিল। কিন্তু সভাপতিৰ বক্তৃতাৰ সেই সভাতে সমালোচনা কৰা ৰীতিটো কোনো দেশত কোনোকালে আজিলৈকে চলা নাই। সভাপতি ডাঙৰীয়াই তেওঁক সেই বক্তৃতা দিবলৈ অনুমতি নিদিলে। সেই কথাতে ওফোন্দ পাতি 'গোৱালপাৰাৰ সকলো বঙালী উঠি আহঁা' বুলি তেওঁ দুকুৰিমান বঙালী বন্ধুৰে সৈতে সভাৰপৰা ওলাই গ'ল। এই বাবে সভাৰ সভ্যসকল বৰ দুঃখিত হ'ল। কিন্তু ইয়াৰ বাবে সভাৰ কোনো কাৰ্য্যৰ অকণো ব্যাঘাত হোৱা নাছিল। লেশমাত্ৰও হুলস্থূল নোহোৱাকৈ সভাৰ কাৰ্য্য শান্তভাৱে আৰু সুন্দৰৰূপে সমাধা হৈ গ'ল।"

এই ঘটনাৰ পিছত দেশভক্ত ফুকনে থিয় হৈ এটা ৰসাল ওজস্বিনী বক্তৃতাৰে বিৰুদ্ধবাদী জোকৰ মুখত চূণ দি সমজুৱাসকলক মুগ্ধ কৰিলে। সভাৰ অন্তত ফুকন ডাঙৰীয়াই হেনো শৰৎ গোস্বামীৰ আগত কৈছিল : "গোসঁাই, যি হ'ল ভালকে বুলিবা। কাৰণ আমি সদায় ধুবুৰীক আমাৰ আমাৰ বুলি সাৱটি ধৰোঁ। তেওঁলোক আঁতৰি যায়। এদিন নহয় এদিনতো কথাবোৰ খোলাখুলি হবই। আজিয়েই হ'ল। আকৌ যদি কাজিয়া হয়, ধুবুৰীয়ে নিজক বঙালী বুলি কবলৈ নেযায়। আজিকালি খাক কামৰূপৰ কোনোবা মানুহে বঙলা ভাষা ভাল বুলি কব খোজে নে? গতিকে এই কালেওনো কি হয় চোৱাই যাওকচোন।"

লক্ষ্মীনাথ বেজবৰুৱাই আগবাতি টোপনি খতি কৰি গোৱালপাৰাৰ

অতীত-কীৰ্তি বৰ্ণনা কৰি এখন সুদীৰ্ঘ ৰচনা লিখি লৈ গৈছিল। সেই ৰচনা পাঠ কৰি শুনোৱা হ'ল। ফুকনৰ মুখ, বেজবৰুৱাৰ কাপ, বলে পাৰে কোনে? শুনি উপস্থিত সমজুৱাৰ মনত উক দিয়া দুখৰ ভাব পানীকৃত্য হৈ গ'ল বেজবৰুৱাই তেওঁৰ ভাষণৰ মোখনি মাৰি কৈছিল :

"বন্ধুসকল! কল্পনা কৰক, আৰু সেই কল্পনা বাস্তৱত পৰিণত কৰক যে আমাৰ অসমৰূপী কৃষ্ণৰ আকুঞ্চিত কেশদামশোভিত মস্তক পাটকাই পৰ্বত; লক্ষ্মীৰ নয়নৰ পানপাত্ৰ কৃষ্ণৰ ঈষৎ-হসিত মুখপদ্ম ডিব্ৰুগড়-লক্ষীমপুৰ-শিৱসাগৰ-যোৰহাট-গোলাঘাট; লক্ষ্মীৰ নিবাস স্থল শ্ৰীকৃষ্ণৰ উন্নত হৃদয় তেজপুৰ-বিশ্বনাথ-নগাঁও-গুৱাহাটী-দৰং-বৰপেটা আৰু ভকতৰ ধন কৃষ্ণৰ পাদপদ্মযুৰি গোৱালপাৰা-ধুবুৰী। আজি এনে ধুবুৰীত আমি ঈশ্বৰভক্ত কৃষ্ণভক্ত মাতৃভক্তসকলে আমাৰ একমাত্ৰ সেৱাৰ বস্তু মাতৃৰ পাদপদ্মযুগল গোৱালপাৰা-ধুবুৰীৰ বিদেশী ভাইসকলে কাটি নি বঙ্গৰ গাত জোৰা লগাব খুজিছে বুলি শুনিছো। ভাইসকল! আমাৰ মাতৃক খোৰা কৰি কষ্ট দি কোনে আমাক নিঃকিন কৰিব খুজিছে. কাক সুধিম, কোনে কব? সন্তানৰ শৰীৰত এটোপা তেজ, সন্তানৰ দেহত পঞ্চপ্ৰাণৰ এক প্ৰাণো থাকে মানে এনে কৰিবলৈ সন্তানে দিব পাৰিব নে? ভাইসকল! উত্তিষ্ঠত জাগ্ৰত! সকলো মিলি আহাঁ, আমি মাতৃভূমিৰ সেৱা, মাতৃৰ অপায়-অমঙ্গল দূৰ কৰিবলৈ প্ৰাণটাকি চেষ্টা কৰোঁহক। আজিয়েই এই মুহূৰ্ত্ততে এই জাতীয় মহাযজ্ঞত ভাইসকল! তোমালোকে ঈশ্বৰক সাক্ষী কৰি প্ৰতিজ্ঞা কৰাহঁক যে শয়নে-সপোনে-সচিতে তোমালোকৰ এক চিন্তা হওক—মাতৃক অমঙ্গল অজগৰৰ হাতৰপৰা মুক্ত কৰি সুখী কৰিম।"

উল্লেখযোগ্য যে এই বছৰত প্ৰতিযোগিতাত দণ্ডিনাথ কলিতাই সিদ্ধি লাভ কৰি তেওঁৰ 'সাধনা' উপন্যাসৰ বাবে তিনিশটকীয়া বঁটা লাভ কৰে।

সভাৰ ছুয়োদিনে ছুখন অভিনয় হৈছিল। প্ৰথম নিশা বৰপেটাৰ শিল্পীসকলে দেখুৱাইছিল অম্বিকাগিৰী ৰায়চৌধুৰী ৰচিত 'জয়দ্ৰথ বধ' আৰু দ্বিতীয় নিশা অভিনীত হৈছিল সদৌ অসমৰ শিল্পীসকলৰ দ্বাৰা বেজবৰুৱাৰ 'জয়মতীকুঁৱৰী'। এই অভিনয়ত গদাধৰৰ ভূমিকাত নামিছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জয়মতীৰ ভূমিকাত শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, ডালিমীৰ ভূমিকাত গোৱালপাৰাৰ প্ৰবোধচন্দ্ৰ দাস। ইয়াৰ উপৰিও ব্যায়ামবীৰ বলীনাৰায়ণ বৰুৱাই ব্যায়াম-কৌশল প্ৰদৰ্শন কৰিছিল।

× × ×

এই অধিবেশনৰ অন্তত যি চুচুৰীয়া প্ৰতিক্ৰিয়া হৈছিল সিও বিশেষ ক্ষতিকৰ নহৈ শুভঙ্কৰ হোৱা বুলিহে ক'ব লাগিব। বঙালী ভাবাপন্ন জমিদাৰৰ পৃষ্ঠপোষকতাত হাকামাব নৰেশ্বৰ চক্ৰৱৰ্তীয়ে বঙলা ভাষাত 'প্ৰান্তবাসী' নামৰ কাকত উলিয়াই গোৱালপাৰাবাসীৰ মনত যি ভ্ৰান্ত ধাৰণা সুমুৱাই দিবলৈ যত্ন কৰিছিল সি নিষ্ফল হৈ পানীত বুৰ্বুৰণি উঠি পনী তেই মাৰ গ'ল। ইফালে আকৌ ধুবুৰী অধিবেশনৰ পৰোক্ষ সুফল স্বৰূপে জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ আৰ্থিক পৃষ্ঠপোষকতাত আৰু ডাঃ শ্ৰীদীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰপৰা প্ৰকাশ হোৱা উচ্চমানসম্পন্ন সচিত্ৰ 'আৱাহন' কাকতে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আলোচনী-জগতত এক উজ্জ্বল অভিলেখ সৃষ্টি কৰিলে।

এই বছৰতে সাহিত্য সভাই ইতিপূৰ্বে লোৱা প্ৰস্তাৱত সহঁাৰি জনাই ৰাজ্যিক চৰ্কাৰে কটন কলেজত অসমীয়া সাহিত্যৰ লেকচাৰাৰৰ পদ এটা মঞ্জুৰ কৰে। সাহিত্য সভাই কিন্তু অধ্যাপক (প্ৰফেছৰ) বিচাৰিছিল। চৰ্কাৰে কণা হঁাহক প্ৰস্তান দি আতুৰা ভবাৰ দৰে হ'ল।

# দ্বিতীয় গোৱালপাৰা অধিবেশন (১০)

ঃ ৮, ৯ অক্টোবৰ, ১৯২৭ চন ঃ

অসম সাহিত্য সভাৰ দশম অধিবেশন বহিছিল গোৱালপাৰাত, ১৯২৭ চনত পূজাৰ বন্ধত। আজিকালি গোৱালপাৰা অসমৰ সকলো ঠাইৰপৰা ওচৰ। তেতিয়াৰ দিনত কিন্তু পৰিবহনৰ সা-সুবিধা বৰ নিঃকিন ধৰণৰ আছিল। সেই কাৰণে সন্মিলনৰ আগে আগে পত্রিকাৰ সম্পাদকে এনেদৰে সকীয়াই দিছিল ঃ "গুৱালপাৰৰ অধিবাসীসকলে বৰ আগ্রহেৰে তালৈ সন্মিলন আহ্বান কৰিছে; আৰু অভ্যর্থনা সমিতিয়ে অতিথিসকলৰ থকা-মেলাৰ বৰ সুন্দৰ দিহা কৰিছে বুলি আমি শুনিছো। গুৱালপাৰলৈ সন্মিলনৰ বাবে যোৱা আলহীসকলে থকা-মেলা বিষয়ে তাত কোনো আহুকাল নেপায় বুলি আমাৰ বিশ্বাস। আজি বহু দিনৰ আগতে দ্বিতীয় সাহিত্য সন্মিলন গুৱালপাৰত বহিছিল। তেতিয়া গুৱালপৰীয়া ৰাইজৰ যি অতিথি-সৎকাৰ দেখিছিলো, তাৰেপৰা আমি এই কথা ডাঠি কব পাৰোঁ। আমাৰ কেউখন জিলাৰে সাহিত্যত ৰতি থকা সকলো লোককে দহবন কাতি কৰি থৈ এই সন্মিলনত উপস্থিত হবলৈ আমি খাটিছোঁ। সন্মিলনলৈ যোৱাৰপৰা আন একো উপকাৰ নহলেও ফুৰিচাকি বহুত বন্ধু-বান্ধৱক দেখা পাই আহি বহু দিনলৈ গা আৰু মন সতেজ লাগি থাকিব। গুৱালপাৰত অসম সাহিত্য সন্মিলন এটা বৰ ডাঙৰ আৰু অনেক কাৰণৰ বাবে বৰ লাগতিয়াল অনুষ্ঠান। ইয়াত আমাৰ সকলো সাহিত্যিকৰ উপস্থিতিৰ প্রয়োজন। সন্মিলনত কেতিয়াবা এনেবিলাক ডাঙৰ কথা ওলায় যে তাক আমাৰ সকলো সাহিত্যিকে গোটখাই স্থিৰ ভাবেৰে মীমাংসা কৰিবলৈ নথৈ প্রয়োজন হৈ পৰে। এই সন্মিলনৰ কাৰ্য্য সুচাৰুৰূপে সমাধা কৰিবৰ কাৰণে সকলো অসমীয়াই দেহেকেহে যত্ন কৰা উচিত।

আমিনগাও ৰেল-ষ্টেছনৰপৰা ধুবুৰীলৈ ৰেলেৰে গৈ ধুবুৰীৰপৰা জাহাজেৰে গুৱালপাৰলৈ যাব লাগে। এই বাটেদিয়েই আজিকালি গুৱালপাৰলৈ যাবলৈ চল। ধুবুৰীৰপৰা দিনৌ পুৱা গুৱালপাৰলৈ জাহাজ যায়। পূজাৰ বন্ধতে সন্মিলন বহিব যেতিয়া যাত্ৰীসকলে যত্ন কৰিলে বোধকৰোঁ কনচেছন্ টিকট লৈ কম খৰচতে ৰেলত অহা-যোৱা কৰিব পাৰিব।”

এই অধিবেশন বহিছিল গোৱালপাৰা নাট্যমন্দিৰত, দেশভক্ত তৰুণৰাম ফুকনৰ সভাপতিত্বত। ধুবুৰী অধিবেশনত ফুকন ডাঙৰীয়াই বিৰুদ্ধবাদীসকলক থকাসৰকা কৰি যিটো বক্তৃতাই অসমীয়া ভাষা-সাহিত্যৰ কালিকা প্ৰকাশ কৰি সদৌ অসমৰ সাহিত্যিকসকলক বিস্ময়াভূত আৰু আনন্দাপ্লুত কৰিছিল, সেই বক্তৃতাই ফুকন ডাঙৰীয়াক সভাপতিৰ ৰৰপীৰাৰ বাবে যোগ্য প্ৰতিপন্ন কৰিছিল নিশ্চয়। ফুকন ডাঙৰীয়াই সাৰুৱা ভাষণৰ মোখনি মাৰি কৈছিলঃ “আইৰ সাদৰী মাত, কাতৰ আহ্বান, ছন্দবদ্ধ গ্ৰন্থ-গীত আদি শতমুখী সাহিত্য সাধনাৰ দ্বাৰাই দেশ-বিদেশ প্লাৱিত কৰিব লাগিব। অসম মাতৃৰ স্নেহে ব্ৰহ্মপুত্ৰৰ হিয়া ওপচাই গঙ্গা-যমুনাক হিয়াত সাৱটি লৈ সমুদ্ৰৰ বিশাল বক্ষ উত্তাৰল কৰি তুলিব লাগিব। তেহে আই-মাতৃৰ মুখ উজ্জ্বল হব, তেহে সাহিত্য সভাৰ সাৰ্থকতা হব। এই অসমতেই ‘দেৱাঃ মৰণমিচ্ছন্তি’—এই ঋষিবাক্যৰ সাৰ্থকতা প্ৰতিপন্ন হব।”

## : পাৰ্শ্বজ্যোতি :

ফুকন ডাঙৰীয়াই তেওঁৰ চমু ৰসাল ভাষণ আৰম্ভ কৰিছিল এটা ধেমেলীয়া সাধুৰে— “মোক সভাপতি পতা প্ৰসঙ্গত এজন বন্ধুৰপৰা শুনা সৰু সাধু এটি মনত পৰিল। সেই কথা মোতেই বিশেষকৈ খাটে ভাবি উল্লেখ কৰিলোঁ—বাহুল্য দোষ ক্ষমা কৰিব সাধু-কথাটিৰ নাম Doctor inspite of himself ‘কিলাই বেজ কৰা’ বুলিয়েই আমি অনুবাদ কৰিলোঁ। বিখ্যাত ফৰাচী নাট-লেখক

মলিয়ৰৰ পুথিত বোলে আছে—এজন খৰিকটীয়া আছিল। সি ঘৈণীয়েকক বৰ ভাল পায়। কিন্তু তাৰ ধ্ৰুপ বিশ্বাস যে ঘৈণীয়েকক নিকিলালে তাইৰ আচল গুণ প্ৰকাশ নাপায়। গুণগ্ৰাহী গিৰিয়েকে সেই বিশ্বাসমতেই ঘৈণীয়েকক নিতৌ কিলায়। গিৰিয়েকৰ এই অন্যায় বিচাৰৰ হোৰ তুলিবৰ সুযোগ ঈশ্বৰে এদিন মিলালে। কানসমনীয়া একেটি মাথোন ল'ৰাৰ হঠাৎ মৰা-মূৰ্চ্ছা নৰিয়া হোৱাত বাপেকে ভাল ডাক্তৰ বিচাৰি নাপাই খৰিকটীয়াৰ ঘৰ ওলালগৈ। ঘৈণীয়েকক লগ পাই, ভাল ডাক্তৰৰ কথা সোধাত তাই গিৰিয়েকেই উত্তম ডাক্তৰ বুলি ডাঠি কলে আৰু তাৰ পৰিচয় দি, ক'ত লগ পাব তাকো কলে। আৰু ইয়াকো কলে—'কিন্তু বোপা! তেওঁ সুচক বেজ হলেও নিজে বেজ বুলি স্বীকাৰ নকৰে। তুমি যদি বলেৰে নি ভালকৈ কিলোৱা, তেন্তে স্বীকাৰো কৰিব আৰু দৰব দি তোমাৰ ল'ৰাকো নিশ্চয় ভাল কৰিব। সেইমতে খৰিকটীয়াক ধৰি ভালকৈ কিল সোধালত মৰণৰ আশঙ্কাত সি বেজ হওঁ বুলি গাত ললে। সজ খৰিকটীয়াই ৰোগীৰ অপকাৰ নকৰাকৈ কি উপায়ে চিকিৎসা কৰিলে মৰণৰ হাত সাৰিব তাকে ভাবি-চিন্তি জৰা-ফুকা কৰাকে স্থিৰ কৰিলে আৰু

উৰি গ'ল শগুণী পৰি গ'ল পাখি
কোন কোন বিষক থৈছ ৰাখি ;
হৰ বিষ্টু হৰ, সব দুখ পানী হৈ পৰ।

এই দৰব-মন্ত্ৰ তিনিবাৰ মাতি 'লৰা নিশ্চয় ভাল হব' বুলি কৈ বিদায় ললে। মন্ত্ৰৰ বলত নহলেও, ঈশ্বৰৰ ইচ্ছামতে ল'ৰা ভাল হ'ল আৰু খৰিকটীয়া ককাই প্ৰসিদ্ধ বেজ বুলি জনাজাত হ'ল। কিন্তু কিলালেহে যে গুণ ওলায় সেই বিশ্বাস মনত থাকিলেও ঘৈণীয়েকক কিলাবলৈ এৰিলে—আৰু সোধা মাত্ৰেই বেজ বুলি স্বীকাৰ কৰে। সেইদৰে নিৰ্য্যাতন কৰি মোকো প্ৰসিদ্ধ সাহিত্যিক কৰি তোলাৰ বাঞ্ছা আপোনাসকলৰ সিদ্ধি হব বুলি আশা কৰি ময়ো কিললৈ

পিঠি পাতি দিলোঁ। কিন্তু কিলত প্ৰাণান্ত যাতে নহয় তালৈ অকণ চকু ৰাখিব।”

ওপৰৰ বিদেশী সাধুটো হজম কৰি লৈ সম্পূৰ্ণ অসমীয়া সাঁচত ঢালি বাৰিষ্টাৰ দেশভক্ত ফুকনে হাস্যৰসিক ফুকন হিচাপে সমজুৱা-সকলক আমোদ দিছিল আৰু লগতে ইয়াকো প্ৰমাণ কৰিছিল যে তেখেত কিলাই কৰা বেজ নহয়, ভাষা-সাহিত্যৰো এজন নিপুণ বেজ আছিল।

আগৰ বছৰত নিৰ্বাচিত সম্পাদক শৰৎচন্দ্ৰ গোস্বামীয়ে সহকাৰী পৰিদৰ্শকৰ পদত মকৰল হোৱাত কাৰ্য্যকালৰ মাজভাগতে তেওঁ সম্পাদকৰ পদ এৰাত তেওঁৰ ঠাইত পূৰ্ণানন্দ শৰ্মাপাঠক আবতৰীয়া ভাৱে নিৰ্বাচিত হৈছিল। গোৱালপাৰাৰ সভাৰ পূৰ্ণ অধিবেশনত শৰ্মাপাঠক সৰ্বসম্মতিক্ৰমে প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

× × ×

এই বছৰতে অসম সাহিত্য সভাই প্ৰথমবাৰৰ বাবে ৰাজ্য চৰ্কাৰৰ পৰা এহেজাৰটকীয়া বাৰ্ষিক অনুদান লাভ কৰে। ইমান দিনে সভাই চৰ্কাৰী সাহায্য নোহোৱাকৈ ব্যক্তিগত দান-বৰঙণি আৰু লোকেলবোৰ্ড-মিউনিচিপেলিটীৰপৰা লাভ কৰা অনুদানেৰে টোটক-নাটককৈ চলি আহিছিল। এই সম্পৰ্কত শৰৎ গোসাঁইৰ টোকাৰপৰা জনা যায় যে নানা প্ৰকাৰ লিখালিখি কৰি অসম উপত্যকাৰ লোকেলবোৰ্ডবিলাকৰ পৰা আৰু দুখনমান মিউনিচিপালিটীৰ পৰা সাহিত্য সভালৈ বাৰ্ষিক বৰঙণি অনা হৈছিল। প্ৰথমে বৰঙনি দিছিল শিৱসাগৰ লোকেলবোৰ্ডৰ চেয়াৰমেন তাৰাপ্ৰসাদ চলিহাই আৰু শেষত দিছিল গুৱাহাটী লোকেলৰ্ডোৰ চেয়াৰমেন তৰুণৰাম ফুকনে। তৰুণ ফুকনে টকা দিয়া কথাটোও উপভোগ্য গল্প।

# দ্বিতীয় যোৰহাট অধিবেশন (১১)

ঃ ৩০, ৩১ মাৰ্চ, ১৯২৯ চন :

অসম সাহিত্য সভাৰ একাদশ অধিবেশনৰ আদৰণী সভাপতি আছিল ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা। যোৰহাট চহৰ ৰায়বাহাদুৰ খানবাহাদুৰ, চাহখেতিয়ক প্ৰভৃতিৰে প্ৰভাবান্বিত আভিযাত্যপূৰ্ণ ঠাই। এই শ্ৰেণীৰ এচাম লোকে হাতীচিকাৰে জুকলা কৰা, গাত চৰকাৰী বিষয়-বাব নথকা কমলাকান্ত ভট্টাচাৰ্য্যক সভাপতিৰ আসনত বহুৱাবলৈ পেটে-সমন্বিতে ভাল পোৱা নাছিল। সেয়ে হলেও 'চিন্তানল'ৰ দাৰ্শনিক কবি অসমহিতৈষী ভট্টাচাৰ্য্যদেৱক এই উচ্চ সন্মান যাচিবলৈ সুযোগ পাই সদৌ যোৰহাটবাসীয়ে গৌৰৱ অনুভব কৰিলে আজিকালি জগন্নাথ বৰুৱা কলেজ-ভৱনতে তেতিয়া দুৰ্গেশ্বৰ শৰ্মা ডাঙৰীয়া আছিল। তেখেতেই সেই বঙলাত সভাপতিক আলহী হিচাপে ৰাখিছিল।

'গুটিদিয়েক চিন্তাৰ ঢৌ', 'অষ্টাবক্ৰৰ আত্মজীৱনী' ৰচয়িতা দাৰ্শনিক কবি ভট্টাচাৰ্য্য ডাঙৰীয়াৰ ভাষণখনি চুটি হলেও দাৰ্শনিক ভাবেৰে আছিল ভৰপূৰ। সাহিত্য সম্পৰ্কে তেখেতে লিখিছে—"জ্ঞান সকলো বস্তুৰে মূল নিধান। জ্ঞানৰপৰাই সকলো পদাৰ্থৰ সৃষ্টি। ভূতত্ত্ব, জীৱনতত্ত্ব আদি সকলো তত্ত্বই জ্ঞান। ভাষাত সকলো তত্ত্বৰ ঠাল-ঠেঙুলি নেথাকিলে তাক সাহিত্যৰ শ্ৰেণীত তুলিব নোৱাৰি। সাহিত্যিকসকল তত্ত্বজ্ঞ হব লাগে। সাহিত্য জাতীয় সম্পত্তি কিন্তু শেষত বিশ্বসম্পত্তি। কোনটো জাতি কিমান উন্নত তাৰ একমাত্ৰ সাক্ষী সেই জাতিৰ সাহিত্য।"

এই অধিবেশনৰ বুৰঞ্জী-সভাৰ পৌৰোহিত্য কৰিছিল ধুবুৰীৰ সীমান্ত-নেতা প্ৰমথনাথ চক্ৰৱৰ্তীদেৱে।

দ্বিতীয় দিনা আলিগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডক্টৰ জিয়াউদ্দিন আহমেদে বিশিষ্ট অতিথিৰ আসনৰ পৰা সাৰুৱা ভাষণ দিছিল।

এই সভাই মৈমনসিঙৰ পমুৱাসকলক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ সময়োচিত পৰামৰ্শ দিয়াৰ বাবে অসম-লাট ল'ৰী হেমণ্ড চাহাবক ধন্যবাদ জ্ঞাপন কৰে।

এই সন্মিলন উপলক্ষে ৰাতি যোৰহাট নাট্যমন্দিৰত শ্ৰীমিত্ৰদেৱ মহন্ত ৰচিত হাতেলিখা নাট 'বৈদেহী-বিয়োগ' ( বিচ্ছেদ ? ) অভিনীত হৈছিল।

পূৰ্ণানন্দ শৰ্মাপাঠক নতুন বছৰৰ বাবে প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এওঁৰ কাৰ্যাকালত ১৫০০·০০ টকাৰ কিতাপ কিনি অসম সাহিত্য সভাৰ পুথি-ভঁৰালটো সমৃদ্ধ কৰা হয়।

# প্ৰথম গোলাঘাট অধিবেশন (১২)

**: ৩০, ৩১ মাৰ্চ, ১৯৩০ চন :**

১৯৩০ চনৰ মাৰ্চ মাহটো গোলাঘাটৰ বুৰঞ্জীত বিশেষ উল্লেখ-যোগ্য। এই মাহত একেলগে অগাপিছাকৈ তিনিখন ৰাজ্যিক সভাত পিতৃ-মাতৃ-পুত্ৰৰ ত্ৰিবেণী-সঙ্গম হৈছিল। অসম সাহিত্য সভাৰ অধিবেশন বহিছিল 'জ্ঞানমালিনী'ৰ কবি মফিজুদ্দিন আহমেদ হাজৰিকাৰ সভাপতিত্বত। অসম ছাত্ৰ সম্মিলনৰ বছেৰেকীয়া অধিবেশন বহিছিল জ্ঞানাচাৰ্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত আৰু অসম মহিলা সমিতিৰ বছেৰেকীয়া অধিবেশন অনুষ্ঠিত হৈছিল সন্দিকৈ-মাতৃ নাৰায়ণী সন্দিকৈৰ সভানেত্ৰিত্বত। এই উপলক্ষে উছবৰ উলহমালহত গোটেই গোলাঘাট নগৰ তল-ওপৰ হৈছিল। হবৰ কথাই। এনে ত্ৰিবেণী-সঙ্গম সততকাই নিমিলে। আদৰণী সভাপতি হৈছিল বিশিষ্ট নাগৰিক ব্ৰহ্মানন্দ দত্ত ডাঙৰীয়া। সাহিত্য সভাৰ সভাপতি হাজৰিকা চাহেবে তেখেতৰ ভাষণত হিন্দু-মুছলমানৰ মিলনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেখেতে ভাষণত কৈছিল: "নানান ফুলৰ মৌ আনি মৌমাখিবোৰে যেনেকৈ মৌচাক সাজে, ঠিক তেনেদৰেই হিন্দু-মুছলমান দুয়ো জাতৰ ৰসজ্ঞ সাহিত্যিকসকলেও যেন সংস্কৃত, বঙলা, আৰবী, ফাৰ্চী, উৰ্দু আৰু ইংৰাজী ভাষাৰ নানান কিতাপৰপৰা নানান ৰস আহৰণ কৰি আমাৰ অসমীয়া সাহিত্যৰূপী ৰহঘৰাটি সাজি, ৰহেৰে পূৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰে।"

সাহিত্য সভাৰ ৰভাতলতে অনুষ্ঠিত বুৰঞ্জী-সভাৰ সভাপতি তেজপুৰৰ ৰজনীকান্ত পদ্মপতিদেৱৰ অভিভাষণখনিও তথ্যসমৃদ্ধ আৰু পৰ্য্যালোচনা কৰি চাবলগীয়া। তেখেতে পৰত আশ বনত বাস বুলি

ভাষণৰ মোখনি মাৰি লিখিছে—"লোকে উদ্ধাৰ নকৰে, যিমান পাৰে তললৈহে নিব। নিজে নিজে কামত লাগি যাওক। এই নিঃকিনৰ জীৱনৰ আজৰীয়া সময়ৰ বেছি ভাগেই এই কামতেই গৈছে আৰু ঈশ্বৰৰ কৃপাত বুৰঞ্জী উদ্ধাৰৰ বাটত যিবিলাক দুৰ্ভেদ্য গড় আছিল, সেইবিলাক ভঙা হৈছে। আৰু এই বিষয়ে 'পুৰণি অসমত ভূমুকি', 'পুৰণি অসম ভূমুকিৰ যোৰা', 'A treatise ascertaining the correct sites of places as mentioned in the Ramayan' আৰু 'A strange mistake of geographers' নামৰ প্ৰবন্ধ আৰু ক্ষুদ্ৰ কিতাপত দেখুৱা হৈছে। দেউতাসকল, যি সোমাৰীয়াই বেবিলনত সুমেৰীয়া ৰাজ্য আৰু সভ্যতা, যি অসুৰে গোটেই দক্ষিণ ইউৰোপত অসুৰীয়া ৰাজ্য আৰু সভ্যতা থাপিছিলগৈ, সেই সুৰাসুৰৰ সন্ততি হৈ কূটবুদ্ধীয়া মানুহবিলাকে গোটেই জগতকেই মিছা কথাৰে আমাক খেচৰো খেচ বুলি বুজোৱাত, আপোনাসকলৰ হিয়া বিদৰি নাযায় নে? মই কাতৰ কৰিছোঁ, আৰু বেলি নকৰিব, কামত লাগি যাওক, ঈশ্বৰে অতি সহজেই মনৰ কামনা পূৰ্ণ কৰিব।"

ৰাতি এই উপলক্ষে গোলাঘাট নাট্যমন্দিৰত দৈৱচন্দ্ৰ তালুকদাৰৰ 'ৰাধাৰুক্মিণী' নাট (তেতিয়া অপ্ৰকাশিত) অভিনীত হৈছিল। সেই অভিনয়ত নগাৱৰ জগৎচন্দ্ৰ বেজবৰুৱা আৰু গুৱাহাটীৰ বৰদাকান্ত শৰ্মায়ো ভাও লৈছিল।

× × ×

দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাই দাঙি ধৰা এটা প্ৰস্তাৱত কাছাৰ জিলালৈ প্ৰচাৰক পঠোৱাৰ দিহা দিয়া হৈছিল। সেইমতে সুন্দৰীদিয়াৰ লোকসাহিত্যানুৰাগী শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসক কাছাৰলৈ পঠোৱা হয়। শ্ৰীদাসে অসম সাহিত্য সভাৰ শুভেচ্ছা-সন্দেশ লৈ সেই জিলাৰ গাঁৱে-ভূঞে বিলাই আহেগৈ।

# দ্বিতীয় শিৱসাগৰ অধিবেশন (১৩)

ঃ ডিচেম্বৰ, ১৯৩১ চন ঃ

১৯৩১ চনৰ বৰদিনৰ বন্ধত শিৱসাগৰত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন দ্বিতীয়বাৰ অনুষ্ঠিত হয়। আহোম স্বৰ্গদেউ-সকলৰ কীৰ্তিকেন্দ্ৰ এই শিৱসাগৰতে অসম সাহিত্য সভাই জন্মলাভ কৰি পোনপ্ৰথমে দিনৰ পোহৰ দেখিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক অভিনন্দন জনোৱাৰ বাবে এই অধিবেশনৰ গুৰুত্ব বাঢ়িছিল। পৌৰোহিত্য কৰিছিল 'আৱাহন'ৰ প্ৰতিষ্ঠাতা জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীদেৱে। তেখেতে নিজৰ ঘৰলৈ আলহী হৈ যোৱা বেজবৰুৱাক সাহিত্য সভাৰ পক্ষৰপৰা অভিনন্দিত কৰাৰ উপৰিও সভাপতিৰ আসনৰ পৰা তেখেতক 'ৰসৰাস' উপাধিৰে সম্মানিত কৰিছিল। তেতিয়াৰপৰা সাহিত্যৰথী বেজবৰুৱাৰ নামত ৰসৰাজ বিশেষণো যোগ হ'ল।

জমিদাৰ চৌধুৰী ডাঙৰীয়াই ভাষণখনিত দেশৰ বুৰঞ্জী, প্ৰত্নতত্ত্ব, সাহিত্য আদি বিবিধ বিষয়ৰ ভাবগধুৰ আলোচনা আছে।

মুকলি সভাৰ লগতে অনুষ্ঠিত বুৰঞ্জী-সভাখনো আছিল বিশেষ গুৰুত্বপূৰ্ণ—সভাপতি সোণাৰাম চৌধুৰীদেৱৰ (জোনাকী যুগৰ হেমদাশৰথী চৌধুৰী) অভিভাষণখনৰ বাবে। এই ভাষণ মুকলি অধিবেশনৰ ভাষণৰ সমতুল্য হৈছিল বুলি নিঃসন্দেহে কব পাৰি। বেজবৰুৱাই 'বাঁহীত' ইয়াক নিতৌ জপ কৰিবলগীয়া এধাৰ ৰুদ্ৰাক্ষৰ মালা আখ্যা দিছিল।

প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছিল ছাৰ চৈয়দ মহম্মদ চাদুল্লাই (অসমৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী)।

এই সভাত গৃহীত এটা প্ৰস্তাৱযোগে কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পাঠ্যক্ৰমত বাধ্যতামুলক বিষয় হিচাপে সংস্কৃত ভাষাক

বাদ দিয়াত ক্ষোভ প্ৰকাশ কৰা হয় আৰু পুনৰ এই দেৱভাষাক পাঠ্যক্ৰমৰ তালিকাত বাধ্যতামূলক বিষয়ৰ অন্তৰ্ভুক্ত কৰি লবলৈ কলিকতা বিশ্ববিদ্যালয়ক দাবী জনোৱা হয়।

নিশা আনন্দচন্দ্ৰ বেজবৰুৱাৰ ঘৰত প্ৰীতি-ভোজ হৈছিল। তালৈ সমজুৱাসকলক নিমন্ত্ৰণ জনাই ৰসৰাজে কৈছিল: 'ৰাইজসকল, আজি মোৰ ভতিজাই সবাকৰে মোক চাউল সিজোৱা লবলৈ মাতিছে। যিসকল বন্ধুৱে আজি মোৰ লগত ভাত খাবলৈ যাব, তেওঁলোকে ৰঙা কাপোৰ পিন্ধিহে যাব পাৰিব আৰু খাই-বৈ উঠি দাঁত খৰকিয়াই মুখ ধুব লাগিব। ইয়াৰ অন্যথা হব নোৱাৰে।"

সন্ধিয়া সাহিত্য সভা উপলক্ষে ৰংপুৰীয়া শিল্পীসকলে এখন মৌমেলৰ আয়োজন কৰিছিল। তাত সোণাৰিৰ গীতি-কবি পাৰ্বতি-প্ৰসাদ বৰুৱাৰ গীতি-নাট 'কমলাকুঁৱৰী' অভিনীত হৈছিল আৰু কবিয়ে 'ছতাই পৰ্বতৰ নাগিনী ছোৱালী' নামৰ গীতটি অসমীয়া জতুৱা ঠাঁচৰ নাচৰ ভঙ্গীৰে ফুটাই তুলিছিল। সেই গীত-নাচ চাই সমজুৱাসকল মুগ্ধ হৈছিল। বেজবৰুৱাই "এইজন পাৰ্বতিপ্ৰসাদক লৈ আমি জগৎ জয় কৰিব পাৰিম" বুলি মন্তব্যত কৈছিল।

দেৱেশ্বৰ চলিহা প্ৰধান সম্পাদক আৰু দেৱানন্দ ভঁৰালী পত্ৰিকা-সম্পাদক নিৰ্বাচিত হয়।

উল্লেখযোগ্য যে সম্পাদক চলিহাৰ কাৰ্য্যকালতে সুপ্ৰসিদ্ধ চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণ প্ৰকাশ হৈ ওলায় ১৯৩৩ চনৰ ২৮ ফেব্ৰুৱাৰীত। এই দিনটো অসম সাহিত্য সভাৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখি থবলগীয়া। প্ৰথম তাঙৰণৰ একোখন অভিধানৰ মূল্য আছিল সাতটকা। অসম সাহিত্য সভাৰ প্ৰথম পৰ্য্যায়ৰ কালছোৱাৰ ভিতৰত এই অভিধানেই সৰ্বশ্ৰেষ্ঠ প্ৰকাশন। এই অভিধান প্ৰণয়নৰ লগত সংশ্লিষ্ট ব্যক্তিসকল: শৰৎচন্দ্ৰ গোস্বামী দুৰ্গাধৰ বৰকটকী, কোহিৰাম দাস, নকুলচন্দ্ৰ ভূঞা, কদ্ৰকান্ত গোস্বামী আৰু ৰাধাকান্ত সন্দিকৈ।

# প্ৰথম উত্তৰ লক্ষীমপুৰ অধিবেশন (১৪)

**: ২৭, ২৮ ডিচেম্বৰ, ১৯৩৩ চন :**

উত্তৰ লক্ষীমপুৰ সেই সময়ত আজিকালিৰ দৰে লক্ষীমপুৰ জিলাৰ সদৰ নাছিল, আছিল এখন সৰু মহকুমা-নগৰ। এই নগৰখন তেতিয়া ভোগে ভোগালী, ৰঙে ৰঙালী হলেও পৰিবহনৰ ফালৰপৰা আছিল অসমৰ কলীয়াপানী। এনে এখন আওহতীয়া ঠাইত সাহিত্য সভাৰ যোজা কৰাত সকলোৱে নথৈ ভাল পাইছিল। 'মিথিঞ্জীয়ৰী'ৰ ৰাজ্য সোৱনশিৰীপৰীয়া লখিমীৰ আহ্বানত অসমীয়া সাহিত্যিকসকলে বাককৈয়ে সহঁাৰি জনাইছিল। তাত আদৰণী মেলৰ গুৰি ধৰিছিল কবি, বুৰঞ্জীপ্ৰেমী, জননেতা সৰ্বেশ্বৰ বৰুৱাদেৱে (প্ৰাক্তন এম-এল-এ)

এই অধিবেশনত সভাপতিত্ব কৰিছিল গুণাভিৰাম বৰুৱাৰ সুপুত্ৰ ভোলানাথ পুৰুষ জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই। বুৰঞ্জীৰ বৰপীৰাত বহিছিল প্ৰত্নতত্ত্ববিদ সৰ্বেশ্বৰ শৰ্মাকটকীদেৱ।

এই অধিবেশনতে সাহিত্তগুৰু পদ্মনাথ গোহাঞিবৰুৱাক ষোড়-শোপচাৰে অভিনন্দন জনোৱা হৈছিল।

এটা প্ৰস্তাৱযোগে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক সাহি-ত্যিক পেন্সন দিবলৈ অসম চৰ্কাৰক খাটনি ধৰা হৈছিল। দুখৰ আৰু লাজৰ কথা, অসমীয়া সাহিত্যৰ নামত হাতৰ আঙুলিৰে পানী নসৰকা অসম চৰ্কাৰে ধনৰ নাটনি দেখুৱাই সেই প্ৰস্তাৱ নামঞ্জুৰ কৰিলে। বেজবৰুৱাৰ দৰে বৰেণ্য সাহিত্যিক এগৰাকী উপেক্ষিত হোৱাটো পুতৌৰ কথা।*

---

অসম শিক্ষা বিভাগে জনাইছিল : "While recognising Bezbarua's literary merit deserves recognition Government in view of present financial condition of the province regret inability to grant him a pensiot.

সভাপতি জ্ঞানদাভিৰাম বৰুৱা বা ভলভলীয়া জে-বৰুৱা চাহাব মানুহজন তেওঁৰ শুৱলা অভিভাষণতে ওলাই পৰিছিল।

বুৰঞ্জী শাখাৰ সভাপতিত্ব কৰিছিল প্ৰত্নতত্ত্ববিদ সৰ্বেশ্বৰ শৰ্মা কটকীদেৱে। দুখৰ বিষয় তেখেতৰ হাতেলিখা অভিভাষণখনে সংৰক্ষিত নোহোৱাত প্ৰকাশৰ মুখ নেদেখিলে।

এই অধিবেশনত দেবেশ্বৰ চলিহা পুনৰ প্ৰধান সম্পাদক আৰু পূৰ্ণানন্দ শৰ্মাপাঠকৰ লগত ডিম্বেশ্বৰ নেওগ 'অসম সাহিত্য সভা পত্ৰিকাৰ যুটীয়া সম্পাদক নিৰ্বাচিত হয়

## পাৰ্শ্বজ্যোতি

এই অধিবেশনৰ সচাঁ আমোদী কাহিনী এটা বেণুধৰ শৰ্মাদেৱে ৰস লগাই কোৱা শুনিছিলো। প্ৰতিনিধি-সভাত শ্ৰীনীলমণি ফুকনে হেনো বক্তৃতা-প্ৰসঙ্গত কৈছিল : 'বস্তি'ও এখন কাকত নে? আখৰ-বোৰ আধা উঠে,আধা নুঠে' বুলি ক'বহে পালে, গোহাঞিবৰুৱা খঙত টিঙিৰি তুলা হৈ উঠিল। তেওঁ 'কি মোৰ বস্তিক বেয়া বোলে? চাওঁ টপাৰ মূৰটো দুফাল কৰি থওঁ' বুলি হাতত থকা লাঠীডাল লৈ ফুকনৰ ফালে চোঁচা ললে। চাৰিওফালৰপৰা 'কি কৰে, কি কৰে' বুলি বাধা দিয়াত যেনিবা অঘটন ঘটিবলৈ নেপালে।

এইখিনিতে ক'ব পাৰি যে অৰ্জুনে যেনেকৈ গাণ্ডীবৰ নিন্দা সহ্য নকৰিছিল, গোহাঞিবৰুৱায়ো তেনেকৈ তেখেতৰ 'বুকুৰ তেজেৰে টিমিকঢামাককৈ জ্বলা' 'অসম-বস্তি'ৰ বিষয়ে কোনোবাই বিৰূপ মন্তব্য কৰিলে খঙত অগ্নিশৰ্মা হৈ উঠিছিত।

# প্ৰথম মঙলদৈ অধিৱেশন (১৫)

**: ২৬, ২৭, ডিচেম্বৰ, ১৯৩৪ চন :**

উত্তৰ লক্ষীমপুৰৰ দৰে সৰু মহকুমা চহৰ মঙলদৈত ১৯৩৪ চনৰ বৰদিনৰ বন্ধত অনুষ্ঠিত অধিৱেশনতো সাহিত্যিক আৰু ৰাইজৰ মাজত উৎসাহ-উদ্দীপনাৰ নাটনি হোৱা নাছিল। এই অধিৱেশনৰ অভ্যৰ্থনাৰ ভাৰ লৈছিল মঙলদৈৰ বিশিষ্ট্য নাগৰিক, সাহিত্যিক ৰামেশ্বৰ শৰ্মা, বিশিষ্ট্য সাহিত্যিক শ্ৰীতপেশ্বৰ শৰ্মাদেৱে। অভ্যৰ্থনা সমিতিক দিহা-পৰামৰ্শ দি লাগিভাগি সহায় কৰিছিল মহকুমাধিপতি কালিৰাম মেধি (প্ৰাক্তন সভাপতি) ভাঙৰীয়াই। অভ্যৰ্থনা সমিতিৰ তিনিজন সম্পাদক আছিল শ্ৰীৰামেশ্বৰ শৰ্মা, শ্ৰীবদৰুদ্দিন আহমেদ আৰু শ্ৰীগুণাৰাম ডেকা। আন আন উদ্যোগী সদস্য আছিল—পূৰ্ণানন্দ ৰাজখোৱা (লোকেলবোৰ্ডৰ চেয়াৰমেন) ৰায়চাহেব ৰত্নেশ্বৰ দাসগুপ্ত, কুমুদৰাম বৰা, শুকলাল ঘোষ, (পৌৰপতি) হীৰালাল পাটোৱাৰী, শৰৎচন্দ্ৰ বৰুৱা মৌজাদাৰ প্ৰভৃতি। অধিৱেশন দুদিনীয়াকৈ বহিছিল তেতিয়াৰ 'কৰনেছন' খেলমাটিত। বিষয়বাছনী সভা বহিছিল তেতিয়াৰ চৰকাৰী হাইস্কুলত। উল্লেখযোগ্য যে অধিৱেশন মঙলদৈলৈ নিমন্ত্ৰিত হোৱা নাছিল। সম্পাদক চন্দ্ৰধৰ বৰুৱাৰ আহ্বানত সঁহাৰি জনাই মঙলদৈয়া ৰাইজে এই সন্মিলনৰ আয়োজন কৰিছিল।

এই সন্মিলনত যোগ দিয়া জনচেৰেক বিশিষ্ট অতিথি আছিল সভাপতি আনন্দচন্দ্ৰ আগৰৱালা (সপৰিয়ালে) পদ্মনাথ গোহাঞিবৰুৱা (সপৰিয়ালে) নবীনচন্দ্ৰ বৰদলৈ (সপৰিয়ালে) ৰঘুনাথ চৌধাৰী, শ্ৰীনীলমণি ফুকন, দণ্ডিনাথ কলিতা, সৰ্বেশ্বৰ শৰ্মাকটকী, হৰমোহন দাস, পদ্মধৰ চলিহা, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, হৰিনাৰায়ণ দত্তবৰুৱা, মহম্মদ চালেহ, দৈবচন্দ্ৰ তালুকদাৰ, মহিম সিংহ, মহাদেৱ শৰ্মা,

বিৰিঞ্চিকুমাৰ বৰুৱা, মাধৱচন্দ্ৰ বেজবৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, শ্ৰীমতী নলিনীবালা দেৱী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীমান প্ৰফুল্ল গোস্বামী প্ৰভৃতি ।

ভাওনি-কোঁৱৰ আখ্যাৰে বিভূষিত একেধাৰে কবি, প্ৰত্নতাত্ত্বিক সুলেখক আনন্দচন্দ্ৰ আগৰৱালাৰদেৱৰ ভাষণে তেখেতৰ পাণ্ডিত্য আৰু দেশপ্ৰেমৰ চানেকী বহন কৰিছিল । প্ৰধান সম্পাদক চন্দ্ৰধৰ বৰুৱা উপস্থিত থাকিব নোৱাৰাত তেওঁৰ হৈ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিছিল সহকাৰী সম্পাদক দেৱেন্দ্ৰনাথ বেজবৰুৱাই । এই প্ৰসঙ্গত উচ্চাৰণৰ শুদ্ধাশুদ্ধ লৈ বেজবৰুৱা আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৃদু বাক-বিতণ্ডা শুনি সমজুৱাসকলে ভালপোৱা নাছিল । এই মুকলি সভাত শিৱসাগৰৰ মহিবুল্লাচাহেবে 'ভাষ'-সাহিত্য আৰু সমাজ' নামৰ উচ্চমানৰ প্ৰবন্ধ পাঠ কৰে ।

এই অধিবেশনত সঙ্গীত শাখাৰ সভাপতিত্ব কৰিছিল 'ফুলনি'ৰ মালী পদ্মধৰ চলিহাদেৱে । চলিহাৰ ভাষণ দীঘল হলেও ভাল হোৱা বুলি নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই তেখেতৰ বক্তৃতাত উল্লেখ কৰিছিল । নিৰ্বাচিত সভাপতি ৰাজমোহন নাথ উপস্থিত হব নোৱাৰাত বুৰঞ্জী-সভা অনুষ্ঠিত নহ'ল ।

মুকলি সভাৰ অন্তত ৰায়চাহেব ৰত্নেশ্বৰ দাসগুপ্তই সভাপতি প্ৰমুখ্যে বিশিষ্ট অতিথিসকলক তেওঁৰ ঘৰলৈ আদৰি নি চাহমেলেৰে আপ্যায়িত কৰে । সেই সভাত ৰায়চাহেবে আবেগ-বিগলিত কণ্ঠেৰে কৈছিল—"আমাৰ কত পুৰুষ অসমতে মৰি গ'ল ; মই যদি অসমীয়া নহওঁ, তেন্তে অসমীয়া কোন ?"

ৰাতি শ্ৰীতপেশ্বৰ শৰ্মাৰ ৰচিত হতেলিখা নাট 'শিৱাজী' অভিনীত হৈছিল । নাটখন বৰ দীঘলীয়া হোৱাৰ বাবে চতুৰ্থ অঙ্কৰ পিছতে যৱনিকাপাত কৰিবলগীয়া হৈছিল ।

## পাৰ্শ্বজ্যোতি

( ১ )

সেই কালত মঙলদৈৰ উপকণ্ঠত থকা দলগাঁও আছিল চিকাৰীৰ স্বৰ্গ, পহুৰ ৰাজ্য। এতিয়া অৰণ্যে সেই ৰামো নাই, সেই অযোধ্যাও নাই। দলগাঁও আছে কিন্তু তাত হাবি নাই, পহুও নাই। আছে গুৰিপকৰাৰ দৰে মানুহ। তেতিয়া সাহিত্য সভাৰ প্ৰতিনিধি আৰু শিবিৰত থকা দৰ্শকসকলে দুইসাজে পহুৰ মঙহ দকচি খাবলৈ পাইছিল। এই পহুৰ মঙহৰ জুতি পাই শলাগৰ শৰাই *আগবঢ়াওঁতে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে কৈছিল বোলে খোৱাপাত্তত মঙলদৈৰ পহুৰ মঙহ আৰু দৈৰ প্ৰাচুৰ্য্য দেখি তেওঁ ঠাৱৰ কৰিব পাৰিছে যে 'মঙহ আৰু দৈ' শব্দ দুটা জোৰা লাগিহে মঙলদৈ নামটো হৈছে অৰ্থাৎ মঙলদৈ মানে হৈছে, মঙহ আৰু দৈ। খাদ্যবিভাগৰ দায়িত্বত থকা পূৰ্ণানন্দ ৰাজখোৱাৰ্লৈ উদ্দেশ্য কৰি ধুবুৰীৰ প্ৰমথনাথ চক্ৰৱৰ্ত্তীয়েও কৈছিল বোলে ৰন্ধনশালাত প্ৰতিনিধিসকলে 'পূৰ্ণ আনন্দ'কে ভোগ কৰিছিল।

চৰকাৰী হাইস্কুলৰ, প্ৰতিনিধি-শিবিৰত থকা আলহীসকলৰ মাজত হাস্যৰসৰ যোগান ধৰিছিল যোৰহটীয়া হৰিনাৰায়ণ বৰুৱা (প্ৰাক্তন এম-এল-এ) আৰু তেজপুৰীয়া মহাদেৱ শৰ্মাই। শিবিৰত প্ৰতিনিধিসকলে বৰুৱাক লগ পাইছিল কলিৰ কুম্ভকৰ্ণ হিচাপে। দিনত সভা চলি থকাৰ সময়ত তেওঁৰ ওৰঘোৰ টোপনি। সন্ধিয়া সভা ভগাত প্ৰতিনিধিসকল শিবিৰ চাপিলে, তেওঁৰ ঘুমটিৰ আধ্যা পৰে। সাৰ পাই উঠি তেওঁ চিঞৰ-বাখৰ, বক্তৃতাৰ ঘমঘণ্ট লগাই দিয়ে। তেওঁৰ বক্তৃতাই চূড়ান্ত ৰূপ ধাৰণ কৰিলে। মহাদেৱ শৰ্মাই জঁপ মাৰি এখন মেজত উঠি লৈ তেওঁৰ বক্তৃতাত ৰসৰ গাগৰিটোৰ মুখ খুলি দিয়ে। বৰুৱা আৰু শৰ্মা দুয়োৰোপৰা প্ৰতিনিধিসকলে ৰসৰ বিমল আনন্দ উপভোগ কৰে। আন সকলেও চোলৰ লগত টেমেকা হৈ হাত চাপৰি বজায়, চিঞৰত টেটু ফালে। সদৌ শেষত হৰি-হৰৰ যুদ্ধত 'হৰি' তল পৰে, 'হৰ' ( মহাদেৱ ) ওপৰ হয়।

( ২ )

সেই সময়ত সুচল পৰিবহনৰ ব্যৱস্থা নাছিল। ডিব্ৰুগড়ৰ-পৰা মঙলদৈলৈ আহিব পৰা গৈছিল জাহাজেৰে নাইবা ৰেলেৰে ডিব্ৰুগড়ৰপৰা গুৱাহাটীলৈ, গুৱাহাটীৰ পৰা জাহাজেৰে খাৰুপতীয়ালৈ আৰু খাৰুপতীয়াৰপৰা ইৰিণা-বিৰিণাৰ মাজে মাজে এছোৱা বাট ঘটলংঘটলং গৰুৰ গাড়ীৰে। সাহিত্য সভাৰ দুজন প্ৰাক্তন সভাপতি ৰজনীকান্ত বৰদলৈ আৰু বেণুধৰ ৰাজখোৱা—দুয়ো সপৰিয়ালে জল-পথকে সুগম পথ বুলি ভাবি মঙলদৈ সাহিত্য সভাত যোগ দিবলৈ জাহাজেৰে যাত্ৰা আৰম্ভ কৰিছিল। সেই দিনা তেখেতসকলৰ যাত্ৰা-পথত যোগিনী আছিল হবপায়, সেই কাৰণে আদবাটতে অথন্তৰ মিলিছিল। বজাঘৰৰ কলী গাই, ঘাটে ঘাটে পানী খায়। জাহাজেও মন্থৰ গতিত ঘাটে ঘাটে চাপি আহি থাকে। চাৰেঙৰ ইচ্ছাই খুচিকা বাট, হাতীকা দাঁত যত যিমান সময় বৰ লাগে তাতকৈও বেছি সময় ৰয়। বৰদলৈ-ৰাজখোৱা জাহাজত আহি আছিল, লুইতৰ দুয়োপাৰৰ অপূৰ্ব প্ৰাকৃতিক শোভা দৰ্শন কৰি, মঙলদৈ সাহিত্য সভা দৰ্শনৰ আশা বুকুত বান্ধি লৈ। যাত্ৰাপথৰ কোনোবা এঠাইত জাহাজ লুইতৰ বালিচাপৰিত লাগি ধৰিলে। চাৰেঙে নঙৰ পেলালে। জাহাজে থমথম মদনগোপাল মূৰ্তি ধাৰণ কৰি পানীৰ মাজত ৰৈ থাকিল। এইদৰে বহু সময় অতিবাহিত হোৱাত কাল চাচোঁতে মাহৰ বতৰ উকলি গ'ল। বৰদলৈ-ৰাজখোৱাই সপৰিয়ালে জাহাজত বোন্দাপৰ দি থাকোঁতেই মঙলদৈ সাহিত্য-পৰ্বৰ সামৰণি পৰিল। ইয়াকে বোলে আইৰ ঘৰলৈ যাম দুই হাতে খাম, বিধতাই বোলে মৰো পাছে পাছে যাম। প্ৰাক্তন সভাপতি দুগৰাকীৰ পাছে পাছে আহি বিধতায়ো নিশ্চয় হেঙাৰ ধৰিছিল।

× × ×

পিছৰ বছৰ সভাপতি-নিৰ্বাচন সম্পৰ্কত বাতৰি-কাকতৰ পিঠিত

চুচুৰীয়া বাদানুবাদৰ সৃষ্টি হৈছিল। ১৯৩৫ চনৰ ২০ নৱেম্বৰৰ দিনা কাৰ্য্যনিৰ্বাহকে লক্ষ্মীনাথ বেজবৰুৱাক সভাপতি নিৰ্বাচিত বুলি ঘোষণা কৰে আৰু লগতে সিদ্ধান্ত লয় যে বেজবৰুৱা অসন্মত হলে পুনৰ ভোট লোৱা হব। দ্বিতীয় অংশৰ বিৰোধিতা কৰি শ্ৰীনীলমণি ফুকনে বিবৃতি দিছিল যদিও বাগ্মীবৰৰ আপত্তি নৰজিল। পুনৰ ভোট লোৱাত বেজবৰুৱাই দ্বিতীয়বাৰো নিৰ্বাচনত জিকিল। কিন্তু তেখেতে সেই পদ লবলৈ অসম্মতি জনালে আৰু লগতে ডক্টৰ বাণীকান্ত কাকতিক এই সন্মান দিব লাগে বুলি পৰামৰ্শ দিলে। শেহান্তৰত কাৰ্য্যনিৰ্বাহকৰদ্বাৰা মনোনীত হৈ বিহগী কবি সভাপতিৰ আসনত উঠিল। এই সিদ্ধান্তত সকলো পক্ষই সন্তোষ লভিলে।

# দ্বিতীয় তেজপুৰ অধিবেশন (১৬)

**: এপ্ৰিল ১৯৩৬ চন :**

অসম সাহিত্য সভাক দ্বিতীয়বাৰ আদৰিবলৈ তেজপুৰে কঁকালত টঙালি বান্ধি লাগিছিল, মঙলদৈ অধিবেশনৰ প্ৰাক্তন সভাপতি আনন্দচন্দ্ৰ আগৰৱালাদেৱৰ নেতৃত্বত (আদৰণী সভাপতি)। সঙ্গীত-সভাৰ আদৰণী সভাপতি হৈছিল জ্যোতিপ্ৰসাদ আগৰৱালা। অকালতে কালে হৰি নিয়াত সাহিত্য সভাই এইৰূপ সম্মানৰ বাহিৰে ৰূপকোঁৱৰক আন কোনো সম্মান দিবলৈ সুযোগ নেপালে। এই সঙ্গীত সভাৰ পৌৰোহিত্য কৰিছিল সঙ্গীতজ্ঞ জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী ডাঙৰীয়াই।

বিগহী কবি ৰঘুনাথ চৌধাৰী কেৱল কবিয়েই আছিল এনে নহয়, এজন সুনিপুণ চিন্তাশীল গদ্য-লেখকো যে আছিল সেই কথা তেখেতৰ চিন্তাশীল অভিভাষণখনিতে স্পষ্ট হৈ পৰিছিল।

এই অধিবেশনত অসম সাহিত্য সভাই প্ৰকাশ কৰা দুখন পুথিত বিতৰ্কমূলক কথা থকাৰ বাবে প্ৰচাৰ বন্ধ কৰিবলৈ এটা প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হৈছিল। শিক্ষাবিদ দেৱানন্দ শৰ্মা সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁৰ কাৰ্য্যকালত বন্ধ হৈ থকা হাজাৰ-টকীয়া চৰকাৰী অনুদান পুনৰ পোৱা গৈছিল। আন কাম-কাজ চলিছিল গতানুগতিক ভাবে।

## পাৰ্শ্বজ্যোতি

এযুগৰ আগৰ কথা। আনন্দচন্দ্ৰ আগৰৱালা সেই সময়ত কামৰূপৰ পুলিচ-চাহাব। ৰঘুনাথ চৌধাৰী অসহযোগ আন্দোলনৰ মুক্তিযুঁজাৰু। দুইজন কবি বন্ধু। ইজনে সিজনক ভাল পায়, শ্ৰদ্ধা কৰে। কিন্তু ঘটনাচক্ৰত এজন হ'ল কৌৰৱ-শিবিৰত, আনজন হ'ল পাণ্ডৱশিবিৰৰ।

আগৰৱালাই চৌধাৰীক আন্দোলনৰপৰা বিৰত কৰিবলৈ আৰ-ভাৰ হতুৱাই চেষ্টা চলাইছিল, নোৱাৰিলে। অৱশেষত নিজে তেওঁৰ গ্ৰেপ্তাৰৰ কাকতত চহী কৰি বন্দুক কাৰাগাৰলৈ পঠিয়াবলগীয়া হৈছিল ; অৱশ্যে কৰ্তব্য কঠোৰ প্ৰভুৰ নিৰ্দ্দেশত, অনিচ্ছাৰে।

সেই কবি দুজনেই ১৯৩৬ চনত তেজপুৰত খিলি খাই মিলি গৈছিল অৰ্থাৎ এজনে আনজনক নোপোৱাই পোৱাদি পাইছিল। ভাওনি-কবি আৰু বিহগী কবিৰ এই মিলন সোণ-সুৰগাৰ মিলনৰ দৰে হৈছিল। সাহিত্য সভাৰ আদৰণী-সভাপতি আগৰৱালাৰ বাসভৱন আছিল লুইতৰ দাঁতিত মনোৰম প্ৰাকৃতিক পৰিবেশৰ মাজত পৰ্বতৰ টিঙৰ বঙলাত। সেই শোণিতপুৰৰ পৰ্বতপুৰত মূল সভাৰ সভাপতি চৌধাৰীদেৱক আগৰৱালাই তেখেতৰ ব্যক্তিগত বিশিষ্ট আলহী হিচাপে পৰম যত্নেৰে ৰাখিছিল। উল্লেখযোগ্য যে ভাওনি-কবি ৰজা হলেও ৰজাৰ তুল্য, বৰলা বিহগী কবিৰ হাতত 'দাৰিদ্ৰ্যৰ লাওলোটা'। সেয়ে হলেও কবি দুজনাৰ মাজত অকণো ভেদাভেদ নাছিল। শ্ৰীকৃষ্ণ গোসাঁয়ে দামোদৰদেউক আলপৈচান ধৰি ৰখাৰ নিচিনাকৈ আগৰৱালা-দম্পতীয়েও চৌধাৰীক আতোলতোলকৈ ৰাখিছিল। আগৰৱালানীয়ে হেনো তেখেতক বানকাঁহীত অসমীয়া খাদ্য তৰহে তৰহে ৰান্ধিবাঢ়ি জুতি লগাই খুৱাইছিল। কাহুদী-খাৰলি, পচলা, মাটিমাহৰ আঞ্জা, পকা খৰিচা আদি বহু বিধ অসমীয়া আহাৰৰ সোৱাদ বহু দিনলৈ বিহগী কবিৰ জিভাত লাগি আছিল। মাজে মাজে আনৰ আগত সেইবোৰৰ লেখ দি কবিয়ে আনন্দ উপভোগ কৰিছিল।

# দ্বিতীয় গুৱাহাটী অধিবেশন (১৭)

**: ডিচেম্বৰ ১৯৩৭ চন :**

ইতিপূৰ্বে ৰসৰাজ বেজবৰুৱাৰ সভাপতিত্বত বহেৰেকীয়া অধি-বেশন পাতিবলৈ পাই গা উঠাৰ দৰে দ্বিতীয়বাৰ সভাৰ পুৰোহিত স্বৰূপে পণ্ডিতপ্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱক পাই গুৱাহাটীত বিশেষ আলোড়নৰ সৃষ্টি হৈছিল। জজ-খেলমাটিত সজোৱা বিৰাট সভামণ্ডপৰ বাহিৰে-ভিতৰে লোকে-লোকাৰণ্য হৈছিল।

আদৰণী-সভাৰ বৰপীৰাত বহি গুৰি ধৰিছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে ( পিছত মুখ্যমন্ত্ৰী )। তেওঁৰ সহায়ক সম্পাদক ত্ৰিমূৰ্তি আছিল—সৰ্বেশ্বৰ শৰ্মাকটকী, উমেশচন্দ্ৰ চৌধাৰী আৰু হৰমোহন দাস। সভাপতিজনা বিদগ্ধ পণ্ডিৎ হোৱাৰ বাবে এই সভাখনো যেন এখন পণ্ডিতৰ মেলহে হৈছিল। দৰ্শকৰ মাজত আনৰ উপৰিও ব্ৰহ্মপুত্ৰ উপত্যকাৰ কমিছনাৰ হিজিন্স চাহাবো আছিল।

এই অধিবেশনত পাঁচখন শাখা-সভাও বিশেষত্বপূৰ্ণ আছিল। সেয়া হৈছে :

(১) বুৰঞ্জী-শাখা : সভাপতি প্ৰত্নতত্ত্ববিদ্ কনকলাল বৰুৱা।

(২) সঙ্গীত-সভা : সভাপতি সঙ্গীত-ওজা কীৰ্তিনাথ শৰ্মা-বৰদলৈ।

(৩) অৰ্থনীতি-সভা : সভাপতি উমাকান্ত গোস্বামী ( প্ৰাক্তন শিক্ষাধিকাৰ )

(৪) দৰ্শন-সভা : সভাপতি ৰাধিকানন্দ চৌধুৰী (প্ৰশান্তমূৰ্তি)

(৫) পুথিভঁৰাল-সভা : সভাপতি ৰামেশ্বৰ বৰুৱা

এই অধিবেশনৰ লগতে ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱাৰদ্বাৰা সংকলিত 'প্ৰবন্ধ-সংগ্ৰহ' প্ৰকাশ হৈছিল। এইখনেই হ'ল সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ প্ৰথম স্মৃতি-গ্ৰন্থ।

বৰ দীঘল নহলেও সন্দিকৈ ডাঙৰীয়াৰ ভাষণখনি আমাৰ ভাষা-সাহিত্যৰ দিক-নিৰ্ণয়কাৰী অন্যতম শ্ৰেষ্ঠ ভাষণ। এই ভাষণত তেখেতে উল্লেখ কৰা মন্তব্যবোৰো আছিল প্ৰণিধানযোগ্য।

× × ×

গুৱাহাটী অধিবেশনৰ পিছত সভাখন কেইবছৰমান যোৰহাটতে গেঠেলা মাৰি থাকিবলগীয়া হৈছিল। ইয়াৰ ঘাই কাৰণ হৈছে আৰ্থিক সঙ্কট, প্ৰশাসনীয় দুৰ্বলতা আৰু জঠৰতা। ইয়াৰ পিছত অষ্টাদশ সম্মিলন গোৱালপাৰালৈ নিমন্ত্ৰিত হৈছিল কিন্তু সময়ৰ মূৰত গোৱালপাৰাই মূৰ পোলোকা দিয়াত কৰ্মকৰ্তাসকল বিপাঙত পৰিল। লহপহকৈ বাঢ়ি অহা সভাখন নিৰ্দিষ্ট সময়ত পাতিব পৰা নহ'ল। হিতাকাঙ্ক্ষীসকলে মূৰে-কপালে হাত দিলে।

অৱশেষত ১৯৩৭ চনৰ চাৰিজানুৱাৰীত কাৰ্য্যনিৰ্বাহক সভাই 'সভাৰ বৰ্তমান অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যে আৰু সভাৰ স্বাস্থ্য-ৰক্ষাৰ নিমিত্তে' এখন বিশেষ অধিবেশন বহুৱালে সভাপতিৰ আসনত বহিছিল ৰায়বাহাদুৰ হেৰেম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়া। সেই সভাই নিয়মাৱলীৰ আমূল পৰিবৰ্তন কৰে আৰু বিহগী-কবিৰ সভাপতিত্বত অনুষ্ঠিত তেজপুৰ অধিবেশনে অসম সাহিত্য সভাই প্ৰকাশ কৰা নবদেৱ গ্ৰন্থাৱলীৰ কিতাপ দুখন নিষিদ্ধ কৰা প্ৰস্তাৱটো বাতিল কৰে। অধিবেশনত উপস্থিত আছিল কেৱল ষোলজন সদস্য। নিয়মতন্ত্ৰৰ গাঁথনি সলোৱাৰ বাবে দুজন সদস্যই সমৰ্থন দিয়া নাছিল। এই অধিবেশনত কাৰ্য্যনিৰ্বাহক সভা নকৈ গঠন কৰি ৰামেশ্বৰ বৰুৱাক পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়।

**বিশেষ অধিবেশন**

× × ×

বিশেষ অধিবেশনৰ পিছতো সাহিত্য সভাৰ একো উন্নতি সাধিত নহ'ল। তেতিয়াও গোৱালপাৰাৰ গা নলৰা দেখি কাৰ্য্য-নিৰ্বাহকে যোৰহাটত অধিবেশন পাতিবলৈ এখন অভ্যৰ্থনা সমিতি

গঠন কৰি দিলে। ১৯৪০ চনৰ ১৬ জুলাইত বহা জৰুৰী সভাত ডক্টৰ ময়িত্বল ইছলাম বৰাক আগন্তুক অধিবেশনৰ বাবে সভাপতি নিৰ্বাচিত কৰা হয়।

পুনৰ ১৯৪০ চনৰ ২৭, ২৮ জুলাই তাৰিখে যোৰহাটৰ চন্দ্ৰকান্ত ভৱনত জেহেৰুদ্দিন আহমেদৰ ( খ্যাতনামা হেডমাষ্টৰ ) সভাপতিত্বত এখন বছেৰেকীয়া সভা বহে। এই সভাই বিশেষ অধিবেশন পতাৰ আহুকালবোৰ দূৰ কৰে। এই সভাই পূৰ্ণানন্দ শৰ্মাপাঠকক প্ৰধান সম্পাদক নিৰ্বাচিত কৰে।

# তৃতীয় যোৰহাট অধিবেশন (১৮)

**: ডিচেম্বৰ, ১৯৪ চন :**

কাৰ্য্যনিৰ্বাহকে গঠন কৰা অভ্যৰ্থনা সমিতিয়ে এই অধিবেশনৰ আয়োজন কৰিছিল, ১৯৪০ চনৰ বৰদিনৰ বন্ধত। একপ্ৰকাৰে এইখন আছিল যোৰহাটৰ নিজৰ ঘৰুৱা অধিবেশন।

পৌৰোহিত্য কৰিছিল ঢাকা-বিশ্ববিদ্যালয়ৰ সুখ্যাৎ অধ্যাপক ড° মহিদুল ইছলাম বৰাচাহেবে।

এই অধিবেশনৰ ঘাই আকৰ্ষণ আছিল মণিপুৰৰ মহাৰাজ চূড়চন্দ্ৰসিংহৰ যোগদান। ই আছিল অসম আৰু মণিপুৰৰ মিলা-প্ৰীতিৰ এক সুন্দৰ নিদৰ্শন।

ডক্টৰ বৰাচাহেবে তেখেতৰ সভাপতিৰ ভাষণত যথাৰ্থভাৱেই কৈছিল—"আমাৰ সম্পূৰ্ণ স্বদেশপ্ৰেম কোনো বিশেষ সম্প্ৰদায়, শ্ৰেণী বা ব্যক্তিৰ একচেটীয়া সম্পত্তি নহয়। ই কোনো সীমাৰ ভিতৰত আৱদ্ধ নেথাকে। প্ৰত্যেক ব্যক্তি আৰু প্ৰত্যেক সম্প্ৰদায়ে নিজ নিজ শক্তি অনুসাৰে দেশৰ উন্নতিৰ কাৰণে কাৰ্য্য কৰিব পাৰে। ইয়াত মতভেদ বা বিভিন্ন কাৰ্য্য-প্ৰণালী থাকিব পাৰে, কিন্তু কাম্য উদ্দেশ্য সকলোৰে এক।"

এই অধিবেশনত কোনো বিষয়ৰে এখনো শাখা সভা পতা হোৱা নাছিল আৰু নতুন বছৰৰ বাবে বিষয়ববীয়াও নিৰ্বাচিত হোৱা নাছিল।

ইতিপূৰ্বে অনুষ্ঠিত হোৱা বিশেষ অধিবেশন আৰু বাৰ্ষিক অধিবেশনৰ

**তদন্ত সমিতি**

কাৰ্য্যাৱলী লৈ যি বাদ-বিসম্বাদৰ ধুমুহা বলিছিল, তাক তল পেলাবলৈ এই অধিবেশনত এখন তদন্ত সমিতি গঠন কৰি দিয়া হয়। এই সমিতিত আছিল দুজন অৱসৰ-প্ৰাপ্ত ন্যায়াধীশ, দুজন অৱসৰপ্ৰাপ্ত বিচাৰক আৰু এজন অধিবক্তা।

ৰাতি এই সভা উপলক্ষে যোৰহাট নাট্যমন্দিৰত গণেশ গগৈ ৰচিত 'শকুনিৰ প্ৰতিশোধ' নাটকৰ অভিনয় হৈছিল। নাম-ভূমিকাত নামিছিল শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ।

× × ×

বাৰ্ষিক অধিবেশনে গঠন কৰি দিয়া তদন্ত সমিতিয়ে দাখিল কৰা প্ৰতিবেদনত (১৮।১১।৪১) যোৰহাট বিশেষ অধিবেশনত গৃহীত প্ৰস্তাববোৰ অবৈধ বুলি বাতিল কৰিবলৈ পৰামৰ্শ দিয় হয়।

১৯৪২ চনৰ ৪ এপ্ৰিলত অনুষ্ঠিত হোৱা এক বিশেষ জৰুৰী অধিবেশনত কুৰিজন সদস্য উপস্থিত আছিল। সেই সকলৰ মাজৰ-পৰা বাগ্মীবৰ শ্ৰীনীলমণি ফুকনক সভাপতিৰ আসনত বহুৱাই তদন্ত সমিতিৰ প্ৰতিবেদন সৰ্বসম্মতিক্ৰমে গৃহীত কৰা হয়। সেইমতে এই সভাই যোৰহাট বিশেষ অধিশেনৰ কাৰ্য্যাৱলী নাকচ কৰে আৰু অসম সাহিত্য সভাৰ বিচাৰক-সমিতিৰ ৰায়অনুসৰি সেই অধিবেশনত নিৰ্বাচিত প্ৰধান সম্পাদক বা সহকাৰী সম্পাদকক ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্য্যভাৰ লবলৈ আৰু সেই অধিবেশনত নিৰ্বাচিত কাৰ্য্যনিৰ্বাহক সভাৰ বৈঠক বহুৱাবলৈ নিৰ্দেশ দিয়ে। সেইমতে ৰামেশ্বৰ বৰুৱাই পুনৰ প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে।

জৰুৰী অধিবেশন

ইয়াৰ ফলত নিয়মতান্ত্ৰিক জেওাজোটবোৰ নাইকিয়া হোৱাত সাম্প্ৰতিকভাৱে অচল অৱস্থাও দূৰ হল, কিন্তু আকাশত তেতিয়াও ডাৱৰ থাকিল। বিভেদৰ শকুনিয়ে আলেঙে আলেঙে থাকি কপটীয়া হাঁহি এটা মাৰিলে।

ভূতৰ ওপৰত দানহৰ দৰে সেই সময়ত দ্বিতীয় মহাসমৰৰ খদমদমে গোটেই দেশতে সন্ত্ৰাসৰ বাতাবৰণ সৃষ্টি কৰিলে। অসম সাহিত্য সভাৰো বিস্তৰ ক্ষতি হ'ল। সভাৰ কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ-ভৱন সামৰিক-দপ্তৰৰ দখলাধীন হোৱাত সভাখন চৰম দুৰ্গতিৰ সন্মুখীন হ'ল। কাৰ্য্যালয়ৰ লাগতিয়াল কাকত-পত্ৰ,

পুথিভঁৰালৰ দুষ্প্ৰাপ্য পুথিপাজিও ধ্বংসপ্ৰাপ্ত হ'ল। মনোৰমকৈ সজোৱা সভাঘৰ বাহিৰে-ভিতৰে লণ্ডভণ্ড হৈ পৰিল। এয়া শনিৰ দশাৰ চৰম বিপৰ্য্যয়ৰ কাল। আৰ-তাৰ ঘৰত অঘৰী হৈ কাম-কাজ কোনোমতে চলাই ৰখা হৈছিল, ইমানেই।

ইয়াৰ আগলৈকে সভাপতিজন সমিল-মিলভাৱে নিৰ্বাচিত হৈছিল। এইবাৰ কিন্তু শেনৰ এজাত। সাহিত্য সভাৰ বুৰঞ্জীত পোনপ্ৰথমবাৰৰ বাবে সভাপতি-নিৰ্বাচনৰ অভিযানৰ সূত্ৰপাত হ'ল। শ্ৰীনীলমণি ফুকনৰ অনুকূলে 'দৈনিক বাতৰি'ত আৰু কীৰ্তিনাথ শৰ্মা বৰদলৈ সম্পাদিত 'অসম ৰাইজ'ত (?) শৰৎচন্দ্ৰ গোস্বামীৰ অনুকূলে নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য্য জোৰেৰে চলোৱা হৈছিল। অৱশেষত যেনিবা শৰৎ গোসাঁয়ে নিজেই নিৰ্বাচনৰপৰা আঁতৰি যোৱাত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনেই বিনা বাধাই সভাপতি নিৰ্বাচিত হ'ল।

# তৃতীয় শিৱসাগৰ অধিবেশন (১৯)

ঃ অক্টোবৰ, ১৯৪৪ চন ঃ

১৯৪৪ চনৰ পূজাৰ বন্ধত বাগ্মীবৰ শ্রীনীলমণিফুকনদেৱৰ সভাপতিত্বত এই অধিবেশন বহে। শিৱসাগৰতে জন্ম লাভ কৰা এই সভা এই নগৰত তৃতীয়বাৰ অনুষ্ঠিত হয়। দ্বিতীয় মহাসমৰত চামথুমীয়াৰ মাজতে আদৰণী সভাৰ যাই সম্পাদক হৈ ইয়াৰ কৃতকাৰ্যতাৰ বাবে দেহেকেহে খাটিছিল 'ফুলনি'ৰ মালী পদ্মধৰ চলিহাই। আদৰণী সভাৰ যুটীয়া সম্পাদকৰ দায়িত্ব বহন কৰিছিল টুনীৰাম কাকতী আৰু লগতে ৰিয়াজুল হুছেইনে। অভ্যৰ্থনা সমিতিৰ সভাপতি বাব লৈছিল মঃ মহিবুল্লা-চাহেবে।

সভাপতি বাগ্মীবৰ ফুকন ডাঙৰীয়াই তেখেতৰ ভাষণত সাহিত্যিক-সকলৰ মনত সাহসৰ সঞ্চাৰ কৰিছিল।

এই অধিবেশনত কবি ডিম্বেশ্বৰ নেওগ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

মুঠতে ফুকন নেওগৰ দিনত সাহিত্য সভাৰ পঁয়ালগা গালৈ কিছু পৰিমাণে হলেও তেজ-পানী আহিছিল।

সভাপতি-সম্পাদক দুয়োজনে আন্তৰিকতাৰে খাটিছিল কিন্তু নিৰ্দিষ্ট দিনত বছৰেকীয়া অধিবেশন পাতিব নোৱাৰাৰ বাবে শাখা-সভা আৰু সাহিত্যপ্ৰেমীসকলৰ মাজত অসন্তোষৰ ভাবে দেখা দিছিল। ছিলং মুকুল সংঘই বাতৰি-কাকতৰ যোগে প্ৰত্যাহ্বান জনাই সভাখনৰ নিদ্ৰাভঙ্গ কৰিবলৈ চেষ্টা কৰিছিল।

× × ×

এই শিৱসাগৰ অধিবেশনত নিয়মতন্ত্ৰ সলনি কৰি অসম সাহিত্য সভাৰ নতুন সতেজ ৰূপ দিবলৈ যত্ন কৰা হয়। সভাৰ নামটো 'অসম সাহিত্য সভা' কৰা হয় আৰু ইংৰাজীতে

Assam Sahitya Sabha ৰ পৰিবৰ্তে Asam Sahitya Sabha লিখিবলৈ সিদ্ধান্ত লোৱা হয়। প্ৰতিমাক পূজাৰ কেইদিন বেদীত ৰাখি বিসৰ্জন দিয়াৰ দৰে তেতিয়ালৈকে সাহিত্য সভাৰ সভাপতিজনক সভা চলি থকা কেইদিনহে পোৱা গৈছিল। সভা শেষ হোৱাৰ লগে লগে তেওঁৰো কাৰ্য্যকাল শেষ হৈছিল। তাৰ পিছৰছোৱা কালৰ সকলো লেঠাপিঠা জা-জঞ্জাল ঘাইকৈ প্ৰধান সম্পাদকৰ ওপৰতে ন্যস্ত হৈছিল। শিৱসাগৰৰ এই অধিবেশনৰ-পৰা সভাপতি-বিসৰ্জনৰ নিয়মটো গুচিল। পিছৰ বছৰটোৰ কাৰণেও সভাপতিৰ কাৰ্য্যকাল অব্যাহত ৰখা হ'ল। এই দিশৰ পৰা চালে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনেই হ'ল অসম সাহিত্য সভাৰ নামে-কামে প্ৰথম বাৰমহীয়া সভাপতি তেতিয়াৰ পৰা সভাপতিয়েই হ'ল প্ৰধান সম্পাদকৰ সলনি মুখ্য প্ৰশাসক বিষয়া।

কাৰ্য্যপালিকাত সভাপতিৰ উপৰিও পোন্ধৰজন সদস্য থকাৰ নিয়ম কৰা হয়। তাৰ মাজত ছজন সভাৰ কেন্দ্ৰস্থান যোৰহাটৰপৰা হব লাগিব। ইতিপূৰ্বে কাৰ্য্যপালিকাত এঘাৰজন সদস্য আছিল আৰু সেইসকলক প্ৰায়েই যোৰহাটৰপৰা লোৱা হৈছিল। কোনো কোনো সময়ত বাহিৰৰ সদস্যও অন্তৰ্ভুক্ত নোহোৱাকৈ থকা নাছিল; কিন্তু তেনে সদস্যই গাঁথিৰ ধন ভাঙি নাইবা আন অসুবিধাৰ কাৰণে কাৰ্য্য-পালিকাত যোগ দিবলৈ যোৱা নাছিল। উদাহৰণ স্বৰূপে প্ৰথম বছৰৰ কাৰ্য্যপালিকাৰ সদস্যৰ তালিকাত লক্ষ্মীনাথ বেজবৰুৱা প্ৰভৃতি দূৰণিবটীয়া বহুতৰ নাম আছে। এনেবোৰ নাম সম্ভৱতঃ সভাৰ অলঙ্কাৰ হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। এবাৰ হেনো বিহগী কবি ৰঘুনাথ চৌধাৰী যোৰহাটৰ বাহিৰৰ পৰা কাৰ্য্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হৈছিল। তেওঁ সম্পাদকৰপৰা জাননী পাই এখন সভাত যোগ দিবলৈ বেলেগে যোৰহাটত উপস্থিত হ'লগৈ। তেওঁক দেখি আচৰিত হৈ শৰৎ গোসাঁয়ে সুধিলে—"চৌধাৰী আপুনি কিয়বা আহিল?"

চৌধাৰীয়ে কলে—"কিয়, আজি জানো কাৰ্য্যনিৰ্বাহকৰ সভা নাছিল ? মই তাত যোগ দিবলৈ আহিছোঁ।"

গোসাঁয়ে কলে—"এটা শোক প্ৰস্তাৱ মাথোন লৈ আমি সভা শেষ কৰিলোঁৱেই। আপুনি মিছাতে ইমান কষ্ট কৰি আহিল।"

নতুন নিয়মতন্ত্ৰমতে কাৰ্য্যনিৰ্বাহকক উপদেশ দিবলৈ 'অসম সাহিত্য সভা সমিতি' গঠন কৰা হয়। ইয়াৰ পিছৰ ডিব্ৰুগড় অধিবেশনত 'অসম সাহিত্য সভা সমিতি'ৰ নাম 'অসম সাহিত্য সভা পৰিষদ' কৰা হয়। এই পৰিষদে অৱশ্যে কোনোদিনে কাৰ্য্যকৰী ৰূপ লব পৰা নাছিল। দুখৰ বিষয় নিয়মতন্ত্ৰৰ এই সালসলনিবোৰ এচাম পুৰণি সদস্যই সহজভাৱে স্বীকাৰ কৰি লোৱা নাছিল। তেতিয়াও বিবাদৰ জুইন নমৰিল, বিভেদৰ শাম নাকাটিল। সভাৰ প্ৰাক্তন সম্পাদক ৰামেশ্বৰ বৰুৱাই নতুন সম্পাদকৰ হাতত সভাৰ পুঁজি, কাকতপত্ৰ আদি যথাবিধি শোধাই দিয়া নাছিল। পুৰণি সদস্যৰ এক অংশই যোৰহাটত সমান্তৰালভাৱে আৰু এখন সভা চলাবলৈ চুচুৰীয়া চেষ্টা চলাই আছিল। এই দলত এগৰাকী প্ৰাক্তন সভাপতি চন্দ্ৰধৰ বৰুৱাৰো নাম পোৱা যায়।

× × ×

নতুন বছৰৰ বাবে নিৰ্বাচিত প্ৰধান সম্পাদক কবি ভিম্বেশ্বৰ নেওগ কামৰ মানুহ। তেতিয়া চন্দ্ৰকান্ত সন্দিকৈভৱন সামৰিক বাহিনীৰ দখলত থকাত তেওঁ আন ঠাইত অস্থায়ী কাৰ্য্যালয় পাতি সভাৰ কাম আৰম্ভ কৰে। এই বছৰটোত সভাপতি আৰু সম্পাদক দুয়ো সভাৰ পৰালি পৰা ধনৰ ভঁৰালটো টনকিয়াল কৰিবলৈ কঁকালত টঙালি বান্ধি লাগি যায়। দুয়োজন চোকা টেকেলা, বাধা-বিঘিনিলৈ কেৰেপ নকৰে। দুয়োজনে অসমৰ ইমূৰৰপৰা সিমূৰলৈ ভ্ৰমণ কৰি প্ৰায় এশজন আজীৱন সভ্য গোটায়, আন ভাল কামো কৰে। কিন্তু জোৰ পুৰি হাত পোৱা সত্ত্বেও বছৰেকীয়া সভা পাতিবলৈ ডিব্ৰুগড়ে কুকংকাবাং নকৰা দেখি

আৰু সভাৰ বিষয়ববীয়াসকলৰো এই সম্পৰ্কত গা নলৰা দেখি একাংশ সাহিত্যানুৰাগী লোক চিন্তিত হৈ পৰে। তাৰ আভাষ তলত তুলি দিয়া চিঠিখনৰ পৰাই জনা যাব।

"ছিলং মুকুল সংঘৰ যোৱা ২৫।৮।৪৬ তাৰিখে আৰ্ল স্বাস্থ্যনিবাসত বহা বৈঠকৰ সিদ্ধান্তমতে অসম সাহিত্য সভা সম্বন্ধে তলৰ গোহাৰিটি ৰাইজৰ আগত দাঙি ধৰা হ'ল :

"অসম সাহিত্য সভা অসমীয়া সাহিত্যিক সমাজৰ একমাত্ৰ উমৈহতীয়া অনুষ্ঠান। কিন্তু কিছুদিনৰপৰা জানিব পৰা গৈছে যে অসম সাহিত্য সভাত কিছুমান বেমেজালি সোমাইছে আৰু তাৰে ফলত একপ্ৰকাৰ এটা অচল অৱস্থাৰ সৃষ্টি হৈছে। ই সঁচাকৈয়ে অত্যন্ত পৰিতাপৰ বিষয়। ইয়াৰপৰা অসমৰ সাহিত্যিক সমাজৰ আৰু লগতে অসমীয়া সাহিত্যৰো প্ৰভূত ক্ষতি হৈছে বুলি মুকুল সংঘই বিবেচনা কৰে। উক্ত বেমেজালিবিলাক গুচাব নোৱাৰিলে অসম সাহিত্য সভা অচিৰে মৃতকল্প হব বুলি সংঘৰ আশঙ্কা। বিশেষতঃ যোৱা বছৰ সম্মিলন বহুৱাব নোৱাৰা হেতুকে সাহিত্য সভাৰ ভিতৰুৱা বেমেজালিবিলাক দকৈ শিপাবৰ সুবিধা হৈছে মাথোন। আগতে নিমন্ত্ৰণ কৰামতে ডিব্ৰুগড় সাহিত্য সভাই অহা পূজাৰ বন্ধত নোৱাৰিলেও বৰদিনৰ বন্ধত সম্মিলন বহুৱাবৰ কাৰণে আৱশ্যকীয় আয়োজন কৰিব বুলি সংঘই আশা আৰু অনুৰোধ কৰে। যদিহে ডিব্ৰুগড় সাহিত্য সভাই তেনে আয়োজন কৰিবলৈ অক্ষম হয় তেনেহলে আন কোনো শাখা বা স্বীকৃত সভাই সেই কাম তুৰন্তে হাতত ললে মহৎ উপকাৰ হব। এই বিষয়ে ডিব্ৰুগড় সাহিত্য সভা আৰু আন আন স্বীকৃত আৰু শাখা-সভাবোৰৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। যদি পূজা বা বৰদিনৰ বন্ধত সম্মিলন নিমন্ত্ৰণ কৰা কোনো শাখা সভাৰ পক্ষে সম্ভৱ নহয় তেতিয়া হলেও সাহিত্য সভাৰ বৰ্তমান অৱস্থা বেছি দিন চলি থাকিবলৈ দিয়াটো কোনো প্ৰকাৰে বাঞ্ছনীয় নহব। তেনেস্থলত ছিলং মুকুল

সংঘই তলত দিয়া ধৰণে কাম হাতত লবলৈ সাহ কৰিব খোজে :

অহা দুৰ্গাপূজা আৰু লক্ষ্মীপূজাৰ মাজভাগতে সাহিত্য সভাৰ ন-পুৰণি স্বীকৃত আৰু শাখা-সভাবিলাকৰ প্ৰত্যেকৰে একোজনকৈ প্ৰতিনিধি লৈ ছিলং চহৰতে অসমীয়া সাহিত্যানুৰাগী আৰু সাহিত্য সভাৰ কল্যাণকামীসকলৰ এখনি আলোচনা সভাৰ পুনৰুদ্ধাৰ হব সেই কল্পে এই সভাত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা হব।

মুকুল সংঘই অসম সাহিত্য সভাৰ সভ্য আৰু কাৰ্য্যকাৰকসকল, শাখা আৰু স্বীকৃত সভাসমূহ আৰু সকলো অসমীয়া সাহিত্যানুৰাগী লোককে সনিৰ্ব্বন্ধ অনুৰোধ জনায় যেন তেখেতসকলে এই সম্পৰ্কে, বিশেষকৈ ওপৰত কোৱামতে ছিলঙত আলোচনা পতা সম্বন্ধে মুকলি অভিমত সোনকালে তেওঁলোকলৈ লিখি পঠায়।

২৫।৮।৪৬
লাইট্ মখ্ৰা, ছিলং।

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
সম্পাদক, মুকুল সংঘ

বাতৰি-কাকতত এই চিঠি প্ৰকাশ হোৱাৰ পিছত সম্পাদক, সভাপতিয়ে বিবৃতি দি নিজৰ বক্তব্য দাঙি ধৰে। আনেও লিখিলে। এইদৰে বাতৰি-কাকতৰ পিঠিত কিছুদিনলৈ বাদ-প্ৰতিবাদ চলি আছিল। সেইবোৰলৈ লক্ষ্য কৰি 'সুৰভি'ৰ সম্পাদক ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই সম্পাদকীয় মন্তব্যত লিখিলে : "অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন সম্বন্ধে ছিলং মুকুল সংঘৰ যুক্তিযুক্ত প্ৰস্তাৱ, সাহিত্য সভাৰ সম্পাদক আৰু সভাপতিৰ উত্তৰ-প্ৰত্যুত্তৰ আদি আমাৰ চকুত পৰিছে। মুঠতে এনে বগিয়াবগি আৰু সদৌ অসমীয়া সমাজৰ নিষ্ক্ৰিয়তাৰ ফলত এই বাৰো পূজাৰ বন্ধত সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন সম্ভৱপৰ হৈ নুঠিল। অদূৰ ভবিষ্যতো হোৱাৰ লক্ষণ দেখা নাই। ই যে অতি পৰিতাপৰ কথা, সন্দেহ নাই। ডিব্ৰুগড় বহস্যজনকভাৱে বাংমুখৰ, ছিলং অপ্ৰত্যাশিতভাৱে হতাশ। এয়েই হৈছে চমুকৈ সাহিত্য সভাৰ বৰ্তমান শোকলগা পৰিস্থিতি।
(সুৰভি, ভাদ ১৮৬৮ শক)

এইদৰে বহু পানী ঘোলা হোৱাৰ পিছত শিলে সাৰ পালে। ডিব্ৰুগড়ত বছেৰেকীয়া সভাৰ দিন-বাৰ খাটাং হ'ল। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন পুনৰ সভাপতি নিৰ্বাচিত হ'ল।

সামৰণিত সভাৰ প্ৰধান সম্পাদক নেওগৰ কৃতিত্বৰ কথাখিনিও কৈ থওঁ। দ্বিতীয় মহাসমৰৰ বিষাক্ত বাতাবৰণৰ মাজতে আগৰ জন সম্পাদকে লাগতিয়াল হিচাপ আদি কাকত-পত্ৰ দি সহায় নকৰা সত্বেও, দেহত জঠৰতা পৰিলক্ষিত হলেও ফুকন-নেওগৰ কাৰ্য্যকাল বজা হোৱা বুলি কব নোৱাৰি। সভাত গৃহীত প্ৰস্তাৱ অনুসৰি (১) অসম সাহিত্যসভাৰ বুৰঞ্জী (২) অসমীয়া সাহিত্যৰ বিৱৰণীমূলক তালিকা (৩) বুদ্ধদেৱ, যিচুখ্ৰীষ্ট, শঙ্কৰদেৱ প্ৰভৃতিৰ বাণী আদিৰ সংগ্ৰহ (৪) অসমীয়া শিশু-বিশ্বকোষৰ আঁচনি সংকলন সম্পূৰ্ণ কৰা হয়। সেইবোৰৰ পাণ্ডুলিপি পাছৰজন সম্পাদকৰ হাতত গতাই দিয়া বুলি প্ৰকাশ। তাৰ পৰবৰ্তী অৱস্থাৰ বিষয়ে জনা নেযায়।

তেতিয়ালৈকে অসম সাহিত্য সভাৰ মুঠ সাতাইছজন আজীৱন সভ্যৰ নাম পোৱা গৈছিল; কিন্তু তাৰ কোনো সুকীয়া হিচাপ নাছিল। সেই বাৰ নতুনকৈ এশজন আজীৱন সভ্য কৰি তাৰে ১০,০০০ দহহেজাৰ ) টকাৰ এক অক্ষয় পুঁজি স্থাপন কৰা হয়। তদুপৰি কাৰ্য্যকালৰ শেষত সকলো খৰচ বাদে সাধাৰণ পুঁজিত ৩০৩২৶, ড্ৰাফট্ ৯৯৶৬ আৰু ১৪৫০৶ আৰু নগদ ৫০ টকা আৰু প্ৰায় ৫০ টা ফাইল পিছৰ সম্পাদকৰ হাতত জমা দিয়ে।

অতি পৰিপাটি হিচাপ আৰু আঁ'ত লগোৱা কাম-কাজত পিছত কেনেকৈ কেনা লাগিছিল আৰু ধুনীয়া সাহিত্য সভাক ঘূণীয়া কৰিলে কোনে, এনেবোৰ কথাৰ উৰহীৰ ওৰ বিচাৰি এতিয়া আৰু একো লাভ নাই। বিৱৰি লিখিবলৈ হলে এই ৰূপলেখা সুৰূপা হৈ নেথাকিব।

# দ্বিতীয় ডিব্ৰুগড় অধিবেশন (২০)

**ঃ ৪, ৫, ৬ এপ্ৰিল, ১৯৪৭ চন ঃ**

সুদীৰ্ঘ বিৰতিৰ অন্তত ৪৭ চনৰ ৪, ৫, ৬ এপ্ৰিলত ডিব্ৰুগড়ত সভাৰ বিংশ অধিবেশন বহিল। সভাপতিৰ আসনত বাগ্মীবৰ নীলমণি ফুকনেই অব্যাহত থাকিল। অভ্যৰ্থনা সমিতিৰ গুৰি ধৰিলে বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই। সৰ্বানন্দ ৰাজকুমাৰৰ সভাপতিত্বত বুৰঞ্জী-সভা অনুষ্ঠিত হ'ল। সঙ্গীত-সভাৰ পৌৰোহিত্য কৰিলে আই-চি-এছ বিষয়া সঙ্গীতজ্ঞ এন-কে ৰুস্তমজীয়ে, প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিলে ৰত্নকুমাৰী ৰাজখোৱানীয়ে।

ৰসতে নাম থৈ প্ৰধান সম্পাদকৰ বাব এৰি কবি নেওগে অব্যাহতি ললে আৰু তেওঁৰ ঠাইত শ্ৰীমুক্তানাথ বৰুৱা নিৰ্বাচিত হ'ল। ছিলং মুকুল সংঘৰ প্ৰতিনিধি কেশৱনাৰায়ণ দত্তও কাৰ্য্যপালিকাত সোমাল।

× × ×

সম্পাদক শ্ৰীমুক্তা বৰুৱাৰ তিনিবছৰীয়া কাৰ্য্যকালত সভাৰ অলপো উন্নতি হোৱা নাছিল বুলি কব পাৰি। শাখা-সভা নামত আছিল, কামত নাছিল। সভাপতি-সম্পাদকৰেই অকণ্টকা ৰাজ-পাট। নিয়মমতে বছেৰেকীয়া অধিবেশন পাতিবলৈ কাৰো আগ্ৰহ দেখা নগৈছিল।

একমাত্ৰ উল্লেখযোগ্য কামৰ ভিতৰত আছিল সৰ্বভাৰতীয় P. E. N. সভাৰ জয়পুৰ অধিবেশনত সভাপতি ফুকনৰ অসম সাহিত্য সভাৰ প্ৰতিনিধি হিচাপে যোগদান।

দ্বিতীয় মহাসমৰৰ মাধমাৰ আৰু প্ৰসাসনীয় দুৰ্বলতাৰপৰা ভালদৰে গা টঙাবলৈ নৌপাওঁতেই সভাখনে আকৌ গেঠেলা মাৰিবলৈ আৰম্ভ কৰিলে।

অৱশেষত ছবছৰীয়া কাৰ্য্যকালৰ অন্তত বাগ্মীবীৰ ফুকন গ'ল, সংৰক্ষিণী-বীৰ ৰায়চৌধুৰী আহিল। তথাপি সাহিত্য সভাৰ বিশেষ কিবা উন্নতি হৈছিল বুলি কবৰ থল নোলাল।

# মাৰ্ঘেৰিটা অধিবেশন (২১)

: ১১, ১২ মাৰ্চ, ১৯৫০ চন :

শুনামতে মাৰ্গেৰেট নামৰ জনৈকা মেমৰ স্মৃতি বহন কৰা এধানমান নাগমাটিৰ চহৰ মাৰ্ঘেৰিটাত অনুষ্ঠিত এই বছেৰেকীয়া সভাত বাহিৰৰ পৰা যোৱা প্ৰতিনিধিৰ সংখ্যা নিচেই তাকৰ আছিল। শাখা-সভাবোৰৰপৰাও সামান্য সহাঁৰিহে পোৱা হৈছিল। ইতিমধ্যে বেছি ভাগ শাখা সভা মৰি ভূত হৈছিল।

এই অধিবেশনত পৌৰোহিত্য কৰিছিল অসমীয়া জাতীয়তাবাদী নেতা অম্বিকাগিৰী ৰায়চৌধুৰী ডাঙৰীয়াই। আদৰণী-সভাৰ সভাপতি আছিল শ্ৰীবিপিনকুমাৰ বৰগোহাঁইদেৱ। নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সভাপতিত্বত সঙ্গীত-সভা অনুষ্ঠিত হৈছিল।

ৰায়চৌধুৰীদেৱে তেখেতৰ জ্ঞানগৰ্ভ সভাপতিৰ অভিভাষণৰ মোখনি মাৰিছিল—আশাবাদী মনোভাবেৰে।

মুকলি সভাৰ সভা-মণ্ডপতে কাৰ্য্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিবেশন বহুৱাই সৰ্বসম্মতিক্ৰমে অধ্যাপক কেশৱনাৰায়ন দত্তক প্ৰধান সম্পাদক, শ্ৰীহেমচন্দ্ৰ দত্তক সহঃ সম্পাদক আৰু ক্ষেত্ৰধৰ বৰগোহাঁইক ধনভঁৰালী নিৰ্বাচন কৰা হয়। যোৰহাটত সভাৰ কেন্দ্ৰ স্থাপন হোৱাৰ পিছৰপৰা এইবাৰেই প্ৰথমবাৰ সভাৰ প্ৰধান সম্পাদকজন যোৰহাটৰ বাহিৰৰপৰা লোৱা হয়।

× × ×

অসমৰ ৰাজ্যভাষা সম্পৰ্কে লোৱা প্ৰস্তাৱটোৱেই মাৰ্ঘেৰিটা অধিবেশনত গ্ৰহণ কৰা বিশেষ উল্লেখযোগ্য প্ৰস্তাৱ আছিল। এই-টোৱেই অসম সাহিত্য সভাই লোৱা এইলানি প্ৰস্তাৱৰ প্ৰথম প্ৰস্তাৱ। দৰাচলতে ৰায়চৌধুৰীদেৱকে এই ৰাজ্যভাষা আন্দোলনৰ জনক আখ্যা দিব পাৰি। এটা সুকীয়া অধ্যায়ত ৰাজ্যভাষা সম্পৰ্কে ৰেহা লগাই কোৱা হৈছে।

আন এটা প্ৰস্তাৱত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সকলো শিক্ষানুষ্ঠানতে সঙ্গীত-শিক্ষাৰ ব্যৱস্থা কৰিবলৈ বিশ্ববিদ্যালয়ক আৰু শিক্ষাবিভাগক অনুৰোধ জনোৱা হয়।

মাৰ্ঘেৰিটা অধিবেশনত সভাৰ নিয়মাৱলী সংশোধন আৰু পৰিবৰ্তন আদিৰ বাবে তলত দিয়া সভ্যসকলেৰে এখন নিয়ম-সলনি কমিটী গঠন কৰা হৈছিল। সভ্যসকল—পদ্মধৰ চলিহা, প্ৰেমধৰ ৰাজখোৱা, শ্ৰীমুক্তানাথ বৰুৱা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, পাৰ্বতিপ্ৰসাদ বৰুৱা, শ্ৰীমতী পদ্মকুমাৰী গোহাঁই, কেশৱনাৰায়ণ দত্ত। এই কমিটীৰ বৈঠক বহুৱাৰ আগতে সভ্যসকলৰপৰা সংশোধন বা পৰিবৰ্তন-সূচক প্ৰস্তাৱ বিচাৰি চিঠি লিখালিখি কৰা হয়, কিন্তু কোনো সভ্যৰপৰা গাইগুটীয়াকৈ তেনে প্ৰস্তাৱ পোৱা নগ'ল পিছত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু আন দুই এক সদস্যৰ পৰামৰ্শ অনুসাৰে কমিটীৰ বৈঠক এখন ২৬-৮-৫১ তাৰিখে গুৱাহাটীত বহুৱা হয়। সেই কমিটীয়ে নিয়মাৱলীৰ নানা অংশৰ সংশোধন আৰু পৰিবৰ্তনৰ পৰামৰ্শ দিয়ে। কমিটীৰ ৰিপোৰ্ট ৩০-৮-৫১ তাৰিখে কাৰ্য্যনিৰ্বাহক সমিতিৰ বৈঠকত দাখিল কৰা হয়। সমিতিয়ে সেইৰিপোৰ্ট সভাৰ পিছৰ বছেৰেকীয়া অধিবেশনত দাখিল কৰিবলৈ স্থিৰ কৰাত অগণতান্ত্ৰিক নিয়মবোৰেই বাহাল থাকিল।

২৮-১-৫১ তাৰিখে লোৱা কাৰ্য্যনিৰ্বাহক সমিতিৰ প্ৰস্তাৱ অনুসাৰে দিল্লীত বহা সৰ্দো ভাৰত সংস্কৃতি সম্মিলন আৰু তাৰ লগতে হোৱা 'ভাষা-মহল' প্ৰদৰ্শনীত ভাগ লবলৈ অসম সাহিত্য সভাৰ পক্ষৰপৰা সকলো লাগতিয়াল আয়োজন কৰা হয়। এই সম্মিলন আৰু ভাষা-মহল প্ৰদৰ্শনী ৫১ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখৰপৰা ১৮ তাৰিখলৈকে দিল্লীৰ লালকিল্লাত পতা হৈছিল। অসম সাহিত্য সভাৰ পক্ষৰপৰা সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰী আৰু সম্পাদক কেশৱনাৰায়ণ দত্তই সম্মিলনত প্ৰতিনিধিত্ব কৰে আৰু সহঃ সম্পাদক শ্ৰীহেমচন্দ্ৰ দত্তই 'ভাষা-মহল' প্ৰদৰ্শনীত অসমীয়া ভাষা-সাহিত্যৰ প্ৰদৰ্শনী-কক্ষৰ ভাৰ লয়।

ইয়াত দেখুৱা অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ চানেকীয়ে সকলো দৰ্শকৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

বছৰ আৰম্ভ হোৱাৰ অলপ পিছতেই সাহিত্য সভাৰ ইতিহাসত আকৌ এটা সংকটৰ সন্ধিক্ষণ উপস্থিত হয়। ১৯৫১ চনৰ এপ্ৰিল মাহৰ শেষ ভাগত সাহিত্য সভাৰ এজন প্ৰাক্তন সম্পাদক 'চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্ত ট্ৰাষ্ট বোৰ্ড' সংক্ৰান্ত বিষয়ৰ বাবে পুলিচৰ দ্বাৰা অভিযুক্ত হয়। এই ঘটনাকে লৈ সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ভিতৰত মতানৈক্যৰ সৃষ্টি হয়। ঘটনাৰ আলোচনা আৰু আৱশ্যকীয় ব্যৱস্থা গ্ৰহণৰ অৰ্থে কাৰ্য্যনিৰ্বাহক সমিতিৰ জৰুৰী অধিবেশন এখন পাতিবলৈ জনচেৰেক সভ্যই সম্পাদকলৈ আৰু সভাপতিলৈ লিখে।

ইয়াৰ অলপ পিছতেই ( ১৮ মে, ১৯৫১ চন ) ২৬ জন আজীৱন সভ্যৰ স্বাক্ষৰে সৈতে ১৫ দিনৰ ভিতৰতে 'অসম সাহিত্য পৰিষদ'ৰ অধিবেশন এখন পাতিবলৈ এখন স্মাৰকপত্ৰ সম্পাদকৰ হাতত পৰেহি। স্মাৰকপত্ৰত বিশেষ কোনো জৰুৰী অৱস্থাৰ উল্লেখ নাছিল বুলি সম্পাদকে সভা আহ্বান নকৰিলে।

সাহিত্য সভাৰ সমুখত দেখা দিয়া সংকটৰ সমাধানৰ অৰ্থে ৩০-৯-৫১ তাৰিখে গুৱাহাটীত কাৰ্য্যনিৰ্বাহক সমিতিৰ এখন বৈঠক বহুওৱা হয় আৰু সেই বৈঠকত বিশদ আলোচনাৰ পিছত ডিব্ৰুগড়ত বহা পৰিষদৰ সকলো সিদ্ধান্ত অবৈধ বুলি ঘোষণা কৰা হয়। কিন্তু দলাদলিৰ কুফলৰপৰা সাহিত্য সভা মুক্ত হব নোৱাৰিলে। সম্পাদকৰ অক্ষমতাৰ বাবেই হওক নাইবা সভাৰ উদ্দেশ্যৰ লগত ব্যক্তিবিশেষৰ স্বাৰ্থৰ সংঘাতৰ ফলতেই হওক সভাৰ বুৰঞ্জীত এটি বছৰ কৰ্মশূন্যভাৱে অতিবাহিত হ'ল।

ইয়াৰ পিছৰ দুবছৰতো সভাৰ দুৰৱস্থাৰ কোনো উন্নতি নহ'ল বৰং অবনতিহে ঘটিল। কাৰ্য্যপালিকাৰ আৰু আন সদস্যসকলৰ দলাদলিৰ ফলত সভাৰ ধাতু যাওঁ যাওঁ অৱস্থা হ'ল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বন্ধ হৈ থকা সভাৰ মুখপত্ৰ 'অসম সাহিত্য সভা পত্ৰিকা' নতুন প্ৰকাশ হিচাপে প্ৰধান সম্পাদক দত্তৰ সম্পাদনাত পুনৰ প্ৰকাশ হৈ ওলাইছিল।

সভা পৰিচালনাৰ ঘাই চাবিকাঠী সম্পাদকৰ হাতত থাকিলেও সভাপতিও দোষ গুণৰ অংশীদাৰ হব লাগে। এনে অৱস্থাত নিজে একো কৰিব নোৱাৰি, সভাপতি ৰায়চৌধুৰীয়ে নিজকে বৰ অসহায় বিবেচনা কৰি পৰিস্থিতি আয়ত্বৰ বাহিৰলৈ যোৱাৰ বাবে আগন্তুক ছিলং অধিবেশনৰ আগে আগে 'ভগৱানলৈ প্ৰাৰ্থনা' জনাই পত্ৰিকাত এটা বিবৃতি প্ৰচাৰ কৰিছিল। ৰায়চৌধুৰীদেৱৰ বিবৃতিটো তলত তুলি দিয়া হ'ল।

"ছিলঙত অসম সাহিত্য সভাৰ ২২ তম অধিবেশন বহিব। মাহ সময় বাৰ-দিন স্থিৰ হোৱা নাই যদিও মুকুল সংঘৰ চেষ্টাত শক্তিশালী অভ্যৰ্থনা সমিতি গঠিত হৈ প্ৰাথমিক কাম উদ্যমেৰে আৰম্ভ কৰা হৈছে। ইং ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা ২১ তম অধিবেশনৰ সভাপতি আছিলোঁ মই। মাজত দুবছৰীয়া ফাঁক এটা পেলাই এই দুবছৰীয়া ফাঁকটো কিয় পৰিল তাৰ কাৰণ সম্প্ৰতি উল্লেখ নকৰি ছিলঙৰ এই ২১ তম অধিবেশনক বিৰাট সাফল্য দিবলৈকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

"ইং ১৯৫০ চনৰ পৰাই মই গাৰোপৰ্বতৰ ওচৰচুবুৰীয়া কোনো ঠাইত, কাছাৰত নাইবা ছিলঙত সাহিত্য সভাৰ এই ২২ তম অধিবেশন পতাৰ চেষ্টাত লাগি আছিলোঁ। গাৰোপৰ্বত বা ধুবুৰীৰ কোনো ভিতৰুৱা ঠাইত ১৯৫১:৫২ ৰ ভিতৰতে এই অধিবেশন পতাৰ বন্দবস্ত কৰিবলৈ ধুবুৰীৰ কংগ্ৰেছ নেতা শ্ৰীশৰৎচন্দ্ৰ সিংহৰ যোগেদি আৰু ছিলঙত পাতিবলৈকে ছিলং মুকুল সংঘৰ যোগেদি যত্ন কৰি আছিলোঁ। শ্ৰীশৰৎচন্দ্ৰ সিংহই কেবাবাৰো চেষ্টা কৰি নোৱাৰিলে বুলি কোৱাত মুকুল সংঘৰ ওপৰতে বেছিকৈ ভৰ দিলোঁ। বহুত দিন মুকুল সংঘই মোৰ অনুৰোধলৈ কাণ দিয়া নাছিল। কিন্তু মোৰ

নেৰানেপেৰা আগ্ৰহ আৰু কাৰ্য্যনিৰ্বাহক সভাৰ পৰাও অনুৰোধ কৰাত ছিলঙত অসম সাহিত্য সভাৰ অধিবেশন এখন বহুৱাৰ আৱশ্যকতা বুজি মুকুল সংঘই এই ২২ তম অধিবেশনৰ আয়োজন কৰিছে। এইবাবে মুকুল সংঘলৈ মোৰ শলাগ জনাই অসমীয়া ভাষা-সাহিত্যৰ সেৱকমাত্ৰকে সনিৰ্বন্ধ অনুৰোধ জনালো যেন পৰ্বত-ভৈয়ামৰ সাহিত্যিকবৃন্দ তালৈ গৈ ছিলঙৰ এই অধিবেশনত উপস্থিত হৈ অসমত অসমীয়া ভাষা-সাহিত্যক বিশ্ববৰেণ্য কৰিবলৈকে অসমীয়াৰ ভিতৰত বজ্ৰগোট বান্ধে।

"ছিলঙৰ এই ২২ তম অধিবেশনত সাহিত্য সভাৰপৰা তাৰ কলিজা খুলি খোৱা এই বিষাক্ত কীটৰ বীজ সমূলি ধ্বংস কৰি তাক নদনবদন জগৎ জিলিকা কৰি তুলিবলৈ সকলোৰে অন্তৰত সৎ সাহসৰ ধাৰা ঢালি দিবলৈকে ভগৱানৰ ওচৰত পুনৰ প্ৰাৰ্থনা জনালো। আশা কৰোঁ নিৰাশাত নপৰিম।"

ভগৱানৰ অনুগ্ৰহত ৰায়চৌধুৰীদেৱৰ মুখত ফুল-চন্দন পৰিল।

# উপসংহাৰ

মূল সভাৰ সভাপতি, অধিবেশনৰ শাখা-সভা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি নাইবা প্ৰধান সম্পাদকৰ বিষয়বাবত নথকা, প্ৰতিষ্ঠা-যুগৰ কেইজনমান ব্যক্তিৰ সাহিত্য সভাৰ কামত সহযোগ কৃতজ্ঞতাৰে স্মৰণ কৰিব লাগিব। তেনে সকলো লোকৰ নাম জনা নেযায় যদিও কেইজনমান স্মৰণীয় ব্যক্তি :

কুলধৰ চলিহা, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেবেশ্বৰ শৰ্মা (তৰাজান, চৰকাৰী উকিল), দেবেন্দ্ৰনাথ বেজবৰুৱা, বিষ্ণুচন্দ্ৰ বৰুৱা, লক্ষেশ্বৰ শৰ্মা বৰুৱা, তুলসীনাৰায়ণ শৰ্মা, নলবাৰীৰ পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী, হৰিনাৰায়ণ দত্তবৰুৱা, শ্ৰীআত্মনাথ শৰ্মা, তেজপুৰৰ দণ্ডীনাথ কলিতা, গুৱাহাটীৰ হৰমোহন দাস, জ্ঞানতিৰাম লহকৰ, হৰিনাথ পাঠক চৌধুৰী, গৌৰীপুৰৰ পীতাম্বৰ চক্ৰবৰ্ত্তী, যোৰহাটৰ চন্দ্ৰনাথ দত্তফুকন শ্ৰীৰাধানাথ হাজৰিকা শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য আৰু শ্ৰীহেমচন্দ্ৰ দত্ত।

প্ৰতাপ গোস্বামীয়ে কোচবিহাৰ ভ্ৰমণ কৰি ৰাজভঁৰালৰ অসমীয়া পুথিৰ সন্ধান লৈছিল। ডাঃ হৰিকৃষ্ণ দাস (প্ৰথম দাতা), প্ৰভৃতি এনে স্মৰণীয় অনামী ব্যক্তি আৰু আছিল।

## ওপৰঞ্চি সংযোজন

মূল গ্ৰন্থত যোগ দিবলগীয়া অংশবিশেষ তলত তুলি দিয়া হ'ল :

(১) ১৬ পৃষ্ঠাৰ ৪ৰ্থ শাৰীত যোগ হব : ১৯১৭ চনৰ ২৮ ছেপ্তেম্বৰৰ দিনা বাৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ডিচেম্বৰ মাহত বহিবলগীয়া অসম এছোছিয়েচনৰ অধিবেশনৰ লগতে সাহিত্য সভাৰ অধিবেশন পাতিবলৈ স্থিৰ সিদ্ধান্ত লোৱা হয়।

(২) ১৮ পৃষ্ঠাত আদৰণী সভাৰ সদস্যসকল যোগ হব : দুৰ্গা-প্ৰসাদ মজিন্দাৰ বৰুৱা, বিষ্ণুপ্ৰসাদ চলিহা, হৰেশচন্দ্ৰ ৰাজখোৱা, তাৰিণীপ্ৰসাদ বৰুৱা, মিন্নুৰ আলি, কুমুদেশ্বৰ বৰঠাকুৰ, দোলেশ্বৰ চাংকাকতী, মফজুল হুছেন ( নাজিৰা ) নিত্যানন্দ কোঁৱৰ ( নিতাই পুখুৰী ) এ উদ্ চাহাব ( দিহিংমুখ )। পৃষ্ঠপোষকতা কৰি সহায়-হাত আগবঢ়াইছিল ফণীধৰ চলিহা, কেশৱানন্দ ভঁৰালী, ভূপেন্দ্ৰনাথ ঘোষ, ৰাধিকাপ্ৰসাদ বৰুৱা, ৰাধিকানাথ শৰ্মা, তাৰাপ্ৰসাদ চলিহা, জামায়ৎউদ্দিন আহমেদ, অন্নদাচৰণ খাটনিয়াৰ, ভুবনচন্দ্ৰ গগৈ গণেশ চন্দ্ৰ ৰাজখোৱা প্ৰভৃতিয়ে। স্বেচ্ছাসেৱকসকলক গীত ৰচনা কৰি গোৱাইছিল পদ্মধৰ চলিহাই।

(৩) ১৮ পৃষ্ঠাৰ ১৩ শাৰীত যোগ হব : এই সভাত ফণীধৰ চলিহা, সত্যনাথ বৰা, ঘনশ্যাম বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, ৰাধানাথ ফুকন, গঙ্গাগোবিন্দ ফুকন, চন্দ্ৰধৰ বৰুৱা, অমৃতভূষণ অধিকাৰী, মফিজুদ্দিন আহমেদ হাজৰিকা, শ্ৰীবিষ্ণুৰাম মেধি, শ্ৰীনীলমণি ফুকন, ৰত্নকান্ত বৰকাকতী প্ৰমুখ্যে আঠশৰ ওপৰ দৰ্শক উপস্থিত আছিল। তেতিয়াৰ দিনত এয়েই বহুত।

(৪) বৰ্তমানে গোহাঞিবৰুৱাৰ আবক্ষ মূৰ্তি স্থাপন কৰা ঠাইখিনিতে সভামণ্ডপ নিৰ্মান কৰা হৈছিল। সভাৰ অন্তত ৰংঘৰৰ চোতালত এখন চাহপানীৰ প্ৰীতি-মেলত সকলোটিয়ে যোগ দিছিল।

(৫) ৬০ পৃষ্ঠাৰ ১৯ শাৰীত যোগ হব : দেশনেতা অম্বিকাগিৰী ৰায়চৌধুৰী সঙ্গীত-নেতা ও আছিল। তেখেতে এই অধিবেশনত সঙ্গীত-সভাৰ পৌৰোহিত্য কৰিছিল।

: প্ৰথম খণ্ড সমাপ্ত :

## দ্বিতীয় খণ্ড ঃ

# সঞ্জীৱনী যুগ

( ছিলঙৰ পৰা নগাৱলৈ )

"চাহাব, তুমি জানা নে—আমি অসমীয়াই মাথোন নকৈৰ বছৰ আগলৈকে স্বায়ত্ব-শাসন ভোগ কৰিছিলো ? আমাৰ নিজৰ ৰজা আছিল আৰু তোমালোকৰ কেবিনেটৰ দৰে আমাৰো এটি ক্ষমতাৱন্ত মন্ত্ৰী-পৰিষদ আছিল। আমাৰ সৈন্যই প্ৰবল পৰাক্ৰান্ত মোগল বাদছাহৰ লগত যুঁজিছিল আৰু সেই যুদ্ধত জয়লাভো কৰিছিল"। আজানুলম্বিতবাহু বাৰ্দ্ধক্য-সতেজ গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰ মুখৰপৰা এনে এষাৰ কথা শুনি মণ্টেগু চাহাব স্তম্ভিত হ'ল আৰু অসমে যে আজি ৰিফৰ্মছ্ বা স্বায়ত্ব-শাসন ভোগ কৰিলে, তাৰ বাবে মিঃ ফুকনৰ সময়োপযোগী কথাষাৰে যে কিছু দূৰ কাম দিছিল, তাক অনুমান কৰিব পাৰি।"

ধুবুৰী
২৯।১২।২৬

—সূৰ্য্যকুমাৰ ভূঞা

ভৌগোলিক, ঐতিহাসিক সকলো বিষয়তে জনজাতীয় ভাই-ভনীসকল আমাৰ অসম দেশ আৰু অসমীয়া জাতিৰ লগত ওতপ্ৰোত-ভাৱে সম্পৰ্কিত আৰু অবিচ্ছেদ্যভাৱে জড়িত। অসমৰ জনজাতীয়-সকলৰ, বিশেষকৈ ভৈয়ামৰ জনজাতি বড়ো-কছাৰীসকলৰ বৰঙণি ভাষাতত্ত্ববিদসকলে বিশেষকৈ জানে।

গোৱালপাৰা
১।১১।৬১

—ৰূপনাথ ব্ৰহ্ম

প্ৰাচীন আৰু মধ্যযুগত বুৰঞ্জীৰ ৰচনাৰ প্ৰেৰণা অসমক তিনিটা অৱস্থাই যোগাইছিল বুলি অনুমান কৰিব পাৰি। প্ৰথম হৈছে প্ৰথিতযশা ভাস্কৰবৰ্মা আৰু তেওঁৰ পৰবৰ্তী ৰজাসকলে অসমীয়াক জাতীয়তাৰ সূত্ৰত সংগঠিত কৰা প্ৰচেষ্টা। দ্বিতীয় প্ৰেৰণা যোগালে গৌৰৱময় আহোমসকলৰ ৰাজত্বকালে। তৃতীয় প্ৰেৰণাৰ সূত্ৰপাত হ'ল মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱত।

গুৱাহাটী
২৬।১২।৫৬

—বিৰিঞ্চিকুমাৰ বৰুৱা

# শনিৰ দশা

একে ধেনু, একে শৰ একে ধনঞ্জয়
তথাপিতো গুৱালৰ গা নিবিন্ধয়।

শৰৎ গোসাঁয়ে সম্পাদকৰ পদ এৰাৰ পিছত অসম সাহিত্য সভাৰো এদিন এনে করুণ পৰিণতি হৈছিল। গোসাঁয়ে এৰা দিয়াৰ কেইবছৰমান পিছতো অৱশ্যে সভাখন গতানুগতিকভাবে চলি আছিল। বাসুকিয়ে গোটেইখন পৃথিৱীৰ ভাৰ মূৰ তুলি লবলগীয়া হোৱাৰ দৰে বাগ্মীবৰ ফুকনৰ আগলৈকে সমগ্ৰ সাহিত্য সভাৰ মহাভাৰ প্ৰধান সম্পাদকজনেই বহন কৰিবলগীয়া হৈছিল। এই কথা স্বীকাৰ কৰিবই লাগিব যে পৰবৰ্ত্তী প্ৰধান সম্পাদকসকলৰ মাজত কোনোজনেই শৰৎ গোসাঁইৰ সমকক্ষ প্ৰশাসক নাছিল। ঘাইকৈ কৃষ্ণকান্ত সন্দিকৈৰ পৌৰোহিত্যত অনুষ্ঠিত দ্বিতীয় গুৱাহাটী অধিৱেশনৰ পিছৰপৰাই সভাখনত শনিৰ দশা পৰিছিল বুলি কলে ভুল কৰা নহব। সেই কাৰণেই অৱস্থাই ক্ৰমাৎ বেয়াৰ ফালে ঢাল খাইছিল। দুৰ্বল প্ৰশাসনৰ লগতে মহাসমৰৰ মাধমাৰ, দলাদলি, অৰিয়াঅৰি, আত্মকলহ আদি কাৰণবোৰো যোগ হৈ সাতে-পাঁচে বাৰ হৈছিল। বিশেষ অধিবেশন, জৰুৰী অধিবেশন, বাৰ্ষিক অধিবেশন আদি কাৰ্য্যকলাপে এই বিপৰ্য্যয়ৰ সাক্ষ্য বহন কৰিছে।

অৱশেষত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু 'ইন্দ্ৰধনু'ৰ কবি ডিম্বেশ্বৰ নেওগ এই দুগৰাকী সভাপতি-সম্পাদকে গণতান্ত্ৰিক পদ্ধতিৰে সভাৰ সংগঠন আৰু মৃতপ্ৰায় শাখা-সভাবিলাকৰ কথা বাদ দি কেৱল আজীৱন সভ্যৰ সংখ্যা বৃদ্ধি আৰু সেইসকলৰ বৰঙণিৰে সাহিত্য সভাৰ পৰালি পৰা ভলি উদং ধনভঁৰালটো টনকিয়াল কৰিবলৈ নথৈ পুৰুষাৰ্থ কৰিছিল আৰু বহু পৰিমাণে কৃতকাৰ্য্যও হৈছিল। তাৰ ফলত কিন্তু সমগ্ৰ-ভাৱে সভাখনৰ শ্ৰীবৃদ্ধি সাধন নহ'ল। অসমীয়া ৰাইজৰ অতি মৰমৰ

অসম সাহিত্য সভা সেই সময়ত দন্দৰ কঠীয়াতলী হৈ পৰিছিল। বিষয়ববীয়াসকলৰ মাজত মিলাপ্ৰীতি নোহোৱা হ'ল। মূল গা-গছৰ নিশকতীয়া ৰূপ দেখি ঠাল-ঠেঙুলি শাখা-সভাবোৰো জহি যাবলৈ ধৰিলে। সভাৰ মুখপত্ৰ পত্ৰিকাখনেও বিষয়ববীয়াৰ ফেৰিয়াফেৰিত এদিন আলিবাটৰ গৰখাৰৈত আশ্ৰয় লবলগীয়া হৈছিল। তথাপি নেওগ-নীলমণিৰ নেতৃত্বত নৱিয়াপাটীত লেলাইধেন্দাই থকা সভাখনে কিছু পৰিমাণে সকাহ পাইছিল আৰু আকৌ আগৰ দৰে লৰিচৰি ফুৰিবলৈ কুৰুংকাৰাং কৰিছিল; কিন্তু পিছৰ ছোৱা কালত আগৰ ধন-বিত, সা-সম্পত্তিৰ আধানাৰ্জি হ'ল, তাৰ সঠিক হিচাপ-পত্ৰও নোহোৱা হ'ল। আংশিকভাৱে দ্বিতীয় মহাসমৰে, আংশিকভাৱে প্ৰশাসনীয় দুৰ্বলতাই আৰু দলাদলিৰ মনোভাৱে সভাখনক খুলি খুলি খাই হাড়ে-ছালে জঁকাটোহে অৱশেষ ৰাখিছিল।

অপ্ৰিয় হলেও কব লাগিব যে অম্বিকাগিৰী ৰায়চৌধুৰী সভাপতি আৰু অধ্যাপক কেশৱনাৰায়ণ দত্ত সম্পাদকৰ পদত থকা তিনিবছৰো দুৰ্যোগৰ কাল বুলি কব পাৰি। ৰায়চৌধুৰীৰ স্বকীয় সংৰক্ষিণী-ৰাজনীতি আছিল। কিন্তু এখন ডাঙৰ সভাৰ নেতৃত্ব কৰিব পৰা যোগ্যতা থাকিলেও, তেওঁৰ সেই পৰিমাণে সভা পৰিচালনা কৰাৰ কাৰ্য্যকৰী দক্ষতা নাছিল। অসম সাহিত্য সভাৰ সভাপতিৰ বাব লৈ তেওঁ অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ বিষয়টোতে মনপুতি লাগিছিল আৰু কাৰ্য্যতৎপৰ হৈছিল। সম্পাদক দত্তক উঠিৰজা হবলৈ দি তেওঁ বহিৰজা হৈছিল। ৰায়চৌধুৰীয়ে যি সময়ত অসম সাহিত্য সভাৰ কাৰ্য্যভাৰ লৈছিল, সেই সময়ত সভাৰ দেহত প্ৰাণশক্তি নাছিল বুলিলেই হয়। এই কথাৰ প্ৰমাণ স্বৰূপে মাৰ্ঘেৰিটা অধিবেশনত যোগ দিয়া সভাৰ প্ৰতিনিধিৰ সংখ্যালৈ চকু দিলেই হয়। বাৰজন নে তেৰজন প্ৰতিনিধিয়েহে সভাত যোগ দিছিলগৈ আৰু তেওঁলোকৰ প্ৰতিজনকে কাৰ্য্যনিৰ্বাহকত ঠাই দিয়াৰ

উপৰিও অনুপস্থিত সদস্যকো টানিআজুৰি কাৰ্য্যপালিকাত অন্তভু´ক্ত কৰিবলগীয়া হৈছিল। অৱস্থাৰ ইমান অৱনতি ঘটিছিল যে পিছৰ বছৰ সভা পাতিবলৈ কোনো ঠাইৰপৰা আহ্বান অহা নাছিল। সেই সুযোগ বা দুৰ্য্যোগ গ্ৰহণ কৰি সম্পাদক দত্তই একেৰাহে তিনিবছৰ একনায়কত্ববাদী সম্পাদকৰ কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ কাৰ্য্যকালত সভাৰ মুখপাত্ৰসকলৰ মাজত দলা-দলি, বাতৰিকাকতত তৰ্ক-বিতৰ্ক, আক্ৰমণ-প্ৰতিআক্ৰমণ আদি জোৰেৰে চলিছিল।

মৰি ভূত হোৱা শাখা-সভাবিলাকৰ সভ্যসকলে আৰু সমূহ সাহিত্যপ্ৰেমী অসমীয়া ৰাইজে অৱশ্যে এনে পৰিস্থিতি দেখি সমূলি ভাল পোৱা নাছিল। তেওঁলোকে হাত সাৰটি বহি আছিল যদিও সোনকালে দুখৰ ৰাতি পুৱাব বুলি আগ্ৰহেৰে আশা পালি আছিল।

# ছিলং অধিবেশন (২৭)

ঃ ৮, ৯ নৱেম্বৰ, ১৯৫২ ঃ

অৱশেষত সুদিনৰ ফেঁহুজালি দিলে—তেতিয়াৰ সমগ্ৰ অসমৰ ৰাজধানী ছিলং নগৰীত। সেই সুদিন আনিছিল কোনে? ঠোৰতে কবলৈ হলে পোনতে দুজনৰ নাম লব লাগিব। এজন ছিলং মুকুল সংঘৰ সভাপতি, 'মইনা'ৰ গ্ৰন্থকাৰ হৰিপ্ৰসাদ বৰুৱাদেৱ (প্ৰাক্তন মুখ্য অভিযন্তা) আৰু আনজন তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়া। সভাপতি বৰুৱা আৰু সম্পাদক শ্ৰীগণেশ-চন্দ্ৰ ফুকনৰ (প্ৰাক্তন বিত্তসচিব) নেতৃত্বত মুকুল সংঘৰ সকলোটি সদস্য আৰু বৰা ডাঙৰীয়াৰ নেতৃত্বত অসম-চৰকাৰৰ সৰু-বৰ কৰ্ম-চাৰীসকল তেনে এটা সংকটৰ সময়ত আগবাঢ়ি নহা হলে অসম সাহিত্য সভাৰ ভেটিত কিজানি ভিতালাও গজিলহেঁতেন আৰু আজিৰ জয়জয় ময়ময় অৱস্থা সম্ভৱ নহলহেঁতেন। নামমাত্ৰ কেইজনমান সমৰ্থকৰ গাত ভেজা লৈ কেশৱনাৰায়ণ দত্তই তেতিয়াও সভাখন নমৰাকৈ জীয়াই ৰাখিছিল ইমানেই।

ছিলঙত সাহিত্য সভাৰ অধিবেশনৰ প্ৰস্তুতিৰ বতৰা পাই অসমৰ বিভিন্ন ঠাইত থকা সাহিত্যিক আৰু সাহিত্য সভাৰ

আশাৰ বেঙুৰি

কেনেকৈ নতুন প্ৰাণ সঞ্চাৰ কৰিব পাৰি সেই বিষয়ে দেশৰ সকলোৱে গুণাগথা কৰি আছিল আৰু ভালেমানে যি কোনো প্ৰকাৰে অপায়-অমঙ্গলবোৰ গুচাই অসমীয়াৰ এই জাতীয় অনুষ্ঠানখনিক তুলসী তলৰপৰা আনি তুনাই মণিকূটত প্ৰতিষ্ঠা কৰিবলৈ মনে-প্ৰাণে দৃঢ়সংকল্প কৰিছিল। সেই কাৰণে ছিলঙৰ বছেৰেকীয়া অধিবেশনত যাতে যথেষ্টসংখ্যক শাখা সভাই প্ৰতিনিধিত্ব কৰিব পাৰে, সেই উদ্দেশ্যে সভাৰ আগে আগে নতুন নতুন শাখা সভা আৰু স্বীকৃত সভাৰ নকৈ

জন্ম হ'ল। একমাত্র তিনিচুকীয়াতে নখন স্বীকৃত সভা সৃষ্টি হৈছিল।

গুৱাহাটীতো তেতিয়া সাহিত্য সভাৰ চিন-চাব নোহোৱা হৈছিল। একালত নামজ্বলা গুৱাহাটী অ-ভা-উ-সা সভাৰ অপমৃত্যু ঘটাত গুৱাহাটীত তেতিয়া কোনো সাহিত্য-অনুষ্ঠান নাছিল। শাখাসভাৰ যোগেদি নগলে মূল সভাত যোগ দিয়াটো সম্ভৱ নহয়। তাকে ভাবি তেতিয়া গুৱাহাটীত থকা ডেকা অধ্যাপক জনচেৰেকে আগভাগ লৈ তত্তাতৈয়াকৈ 'গুৱাহাটী সাহিত্য সভা' নাম দি এখন শাখা-সভা গঠন কৰিলে। এই সভা বৰ্তমানৰ গুৱাহাটী সাহিত্য সভা নহয় আৰু পিছত (১৯৫৩ চনত) এই সভা সবিতা সভালৈ ৰূপান্তৰিত হ'ল। এই সভাৰ যাই সংগঠক-সকলৰ ভিতৰত আছিল শ্ৰীউমাকান্ত শৰ্মা (প্ৰাক্তন শিক্ষা-ধিকাৰ), হেম বৰুৱা (প্ৰাক্তন সভাপতি), ভবানন্দ দত্ত, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীবিনন্দচন্দ্ৰ বৰ্মন প্ৰভৃতি।ময়ো সেই গুৱাহাটী সাহিত্য সভাৰ এজন নিৰ্বাচিত প্ৰতিনিধি হৈ গৈছিলোঁ। যাত্ৰাৰ সময়ত কি দেখি গৈছিলোঁ, মনত নাই। কিন্তু এই কথা ঠিক, অচিৰতে যে ডিঙিত এধাৰ জগন্নথীয়া মালা মিলিব, সেই কথা তেতিয়া মোৰ কল্পনাৰো অগোচৰ আছিল।

গুৱাহাটীৰ দৰে অসমৰ আন আন ঠাইতো লৰালৰিকৈ আগাই ভালে কেইখন শাখা-সভা আৰু স্বীকৃতি সভা গঢ়ি তোলা হৈছিল।

এইখিনিতে ছিলঙত গঠিত হোৱা অভ্যৰ্থনা সমিতিৰ সম্পূৰ্ণ তালিকা দি লৈছোঁ কিয়নো এই সকলোটিয়েই এদিন অসম সাহিত্য সভাৰ ত্ৰাণকৰ্তাৰ ভূমিকাত নামিছিল।

মতিৰাম বৰা (সভাপতি), হৰিপ্ৰসাদ বৰুৱা (কাৰ্য্যকৰী সভাপতি), ছৈয়দ মকিবুৰ ৰহমান (প্ৰধান সম্পাদক), শ্ৰীৰবীন্দ্ৰনাথ বৰুৱা আৰু দেৱীচৰণ দাস (যুটীয়া সম্পাদক), শ্ৰীমতী জ্ঞানদা কাকতী আৰু শ্ৰীমতী আবেকা আহমেদ (মহিলা শাখাৰ যুটীয়া

সম্পাদিকা ), ৰাধিকাপ্ৰসাদ বৰুৱা ( ধনভঁৰালী ), শ্ৰীৰছিতুজ্জামান আহমেদ ( বিত্ত-শাখাৰ সভাপতি ), শ্ৰীঈশ্বৰপ্ৰসাদ চৌধুৰী ( প্ৰচাৰ-বিভাগৰ সভাপতি ), বিজনীৰ ৰাণী সবিতা দেৱী ( কৃষ্টি-শাখাৰ সভানেত্ৰী ), শ্ৰীদিবাকৰ গোস্বামী ( বুৰঞ্জী-শাখাৰ সভাপতি ), মেজৰ সুৰেন্দ্ৰনাথ দত্ত ( বিজ্ঞান-শাখাৰ সভাপতি ) প্ৰভৃতি। এওঁলোকেই মৰা সুঁতিত জীয়া জীৱনৰ ধল নমালে।

বিশেষ উল্লেখযোগ্য কথা যে ছিলঙৰ বিধান-সভাৰ মেম্বৰৈ-সকলৰ বাসভৱন আৰু আন আন চৰকাৰী ভৱনৰ দুৱাৰ অসম সাহিত্য সভাৰ দূৰণিবটীয়া প্ৰতিনিধি আৰু দৰ্শকসকলক থাকিবলৈ মুকলি কৰি দিয়া হৈছিল। মন্ত্ৰী-সচিব প্ৰমুখ্যে চৰকাৰী প্ৰভুসকল সভাৰ কেইদিন ৰূপ সলাই ৰাইজৰ সেৱক হৈ পৰিছিল। ভাগে ভাগে কাম ভগাই লৈ সেইসকলে দিনে-ৰাতি নিজকে অতিথি-সেৱাত ব্যস্ত ৰাখিছিল আৰু সাহিত্য সভাৰ কামত যাতে ক'তো আউল নেলাগে তালৈ চোকা দৃষ্টি ৰাখিছিল। 'বিষ্ণু' তুষ্ট হোৱাত সকলোৰে সজ 'মতি' হৈছিল নিশ্চয়।

পোনপ্ৰথমবাৰৰ বাবে সেই ছিলং-অধিবেশনতে ৰাজ্যপাল, মুখ্যমন্ত্ৰী প্ৰভৃতি ৰাজপুৰুষসকলৰ অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰাত প্ৰবেশ হয়। সীমাৰ ভিতৰত থাকিলে আৰু অতিচাৰ নহলে এই নিচিনা ৰাজঅনুগ্ৰহ নিশ্চয় কাম্য। এনে দৰেই অসমীয়া সাহিত্যৰ সোণালী যুগ মহাৰাজ নৰনাৰায়ণ আৰু ৰাজভ্ৰাতা চিলাৰায় দেৱানৰ পৃষ্ঠপোষকতাতহে সম্ভৱ হৈছিল। এই কথাও স্বীকাৰ্য্য যে ছিলঙত অসম সাহিত্য সভাই যি অপৰ্য্যাপ্ত চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিছিল, সি বিশেষভাৱে স্মৰণযোগ্য। কিন্তু এই কথাও মনত ৰাখিব লাগিব যে আজিকালি চৰকাৰী সহযোগৰ লগত সেই সময়ৰ চৰকাৰী সহযোগ বিজাব নোৱাৰি। মেধি-বৰা চৰকাৰে অসম সাহিত্য সভাক কোনো স্বাৰ্থপ্ৰণোদিত উদ্দেশ্য নোহোৱাকৈ মূৰ্ছিত অৱস্থাৰপৰা জীয়াই

তুলিবলৈ সহায়-হাত আগবঢ়াইছিল,—বৃহত্তৰ জাতীয় স্বাৰ্থৰ খাতিৰত।

## তিমিৰ ফালি বাজ ৰবিৰ কিৰণ

ছিলঙত জাৰৰ জড়তা আৰু মনৰ নীচাত্মিকা কুঁৱলী ভেদ কৰি একেলগে দুটা সূৰ্য্য ওলাল—আকাশৰ সূৰ্য্য আৰু সাহিত্য সভাৰ সূৰ্য্য। ই আছিল অভূতপূৰ্ব সূৰ্য্যোদয়। সাহিত্য সভাৰ নিৰ্বাচিত সভাপতি কবি-বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়া সৰ্বজনমান্য বিজ্ঞ পুৰুষ। তেখেতৰ পৌৰোহিত্যত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে ৰাজধানীত জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৰে মাজত আশা আৰু আনন্দৰ থৌকিবাথৌ লাগিছিল। তাৰ আগতে সভাৰ কোনো অধিবেশন গিৰিৰাণী ছিলঙত অনুষ্ঠিত হোৱা নাছিল আৰু বৰ্তমানে মেঘালয় সৃষ্টি হোৱাৰ পিছত আগলৈকো এনে অনুষ্ঠান হব বুলিও আশা কৰিব নোৱাৰি।

মূল সভাৰ আগদিনা ( ৭ নৱেম্বৰ ) সভাৰ নিয়মাৱলীমতে বিষয় বাছনী সভা পতা হৈছিল যদিও সি নিয়মতন্ত্ৰমতে বিধিবহিৰ্ভূত হোৱাৰ বাবে এখন লতা ফটা ৰণহে হ'ল। সেই সভ্য প্ৰতিনিধি-সকলৰ কেলিকেন্দেলিৰ মাজতে সমাপ্ত হ'ল।

## প্ৰথম দিন

৮ নৱেম্বৰ ৰাতিপুৱা এখনি আকৰ্ষণীয় প্ৰদৰ্শনীৰে সভাৰ কাৰ্য্য-সূচীৰ পাতনি মেলা হয়। প্ৰদৰ্শনী উদ্বোধন কৰিছিল ছিলঙৰ বাবেৰবণীয়া ৰাইজৰ উলহমাহলৰ মাজত ৰাজ্যপাল শ্ৰীজয়ৰামদাস দৌলতৰাম ডাঙৰীয়াই। মন কৰিবলগীয়া কথা এয়ে যে তেতিয়াও পতাকা উন্মোচন প্ৰথাৰে সভাৰ কাৰ্য্য আৰম্ভণি কৰা নিয়ম হোৱা নাছিল; কিয়নো তাৰ কিছুদিন পিছত পলাশবাৰী অধিবেশনৰ আগতহে সাহিত্য সভাৰ নিজা প্ৰতীকেৰে পতাকা উত্তোলন কৰা হৈছিল।

এই প্ৰদৰ্শনীৰ পিছতে আন এখন বিজ্ঞান-প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে এডমাণ্ডছ কলেজৰ ভৱনত মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই। সেই প্ৰদৰ্শনীত আণবিক শক্তি আদি আধুনিক বৈজ্ঞানিক যন্ত্ৰপাতি প্ৰদৰ্শন কৰা হৈছিল।

দুপৰীয়া বাৰ বজাৰপৰা মূল সভাৰ প্ৰথম দিনৰ মুকলি অধিবেশন বিপুল জনসমাবেশ আৰু এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত হয়। সভাপতি সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াৰ তথ্যপূৰ্ণ সুচিন্তিত অভিভাষণৰ উপৰিও এই সভাৰ বৈশিষ্ট্য আছিল মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধিৰ উদ্বোধনী ভাষণ, বিত্তমন্ত্ৰী মতিৰাম বৰাৰ আদৰণী ভাষণ আৰু গান্ধীবাদী নেতা কাকা কালেলকাৰৰ মুখ্যঅতিথিৰ ভাষণ।

সভাপতি ভূঞা ডাঙৰীয়াই তেখেতৰ দীঘলীয়া অৰ্থপূৰ্ণ অভিভাষণত সাহিত্য আৰু বুৰঞ্জীৰ সুসমন্বয় ঘটিছিল।

"সাহিত্য সভাৰ কৰ্তব্য সম্পৰ্কে সকীয়াই দি তেখেতে লিখিছিল: "প্ৰত্যেক অসমীয়াই উপলব্ধি কৰা উচিত যে সাহিত্য সভাৰ উন্নতি সাধন কৰি আমি অসমীয়া একতা ডোলত বান্ধ খাই থাকিম, আমাৰ কৃষ্টি আৰু সভ্যতাৰ সমৃদ্ধি দেশবাসী আৰু পৰদেশবাসী সকলোৱে জানিব পাৰিব আৰু সাহিত্য-সাধনাৰে আমাৰ মনোভাব উচ্চ কৰিব পাৰিম। সেই উচ্চ মনোভাবে গোটেই জাতীয় জীৱনতে বিয়পি পৰিব। যিসকলে স্বাৰ্থসিদ্ধিৰ অভিসন্ধি জীৱনৰ একমাত্ৰ কৰ্মপন্থা বুলি ভাবে তেওঁলোকক সমাজে চিনি পাবলৈ সৰহ পৰ নেলাগে। এই সুপবিত্ৰ সাহিত্য অনুষ্ঠানত তেনে স্বাৰ্থঅন্বেষী মানুহৰ যাতে হাট-বাট নহয়। তাৰ বাবে সকলো সতৰ্ক হৈ থকাটো উচিত।"

এই আটাইকেউখন ভাষণৰ সাৰাংশ ইংৰাজী আৰু খাছি ভাষাতো প্ৰকাশ কৰা হৈছিল। ওৰেজীৱনে ফৌজদাৰী মোকৰ্দমা আৰু কংগ্ৰেছী ৰাজনীতিত লিপ্ত হৈ থকা মেধি ডাঙৰীয়াক সাহিত্য সভাৰ উদ্বোধক হিচাপে পাই সমজুৱাসকল পুলকিত হৈছিল। শঙ্কৰী

সংস্কৃতিপ্ৰেমী মতিৰাম বৰা ডাঙৰীয়া অসমীয়া সাহিত্য-চ'ৰাত আচ-হুৱা ব্যক্তি নহয়। তেওঁ এসময়ত অসম ছাত্ৰ সম্মিলন আৰু ৰজনী কান্ত বৰদলৈৰ সভাপতিত্বত নগাৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনতো সক্ৰিয়ভাৱে সহযোগ কৰিছিল।

এই সভাতে সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাৰ 'শ্ৰীশঙ্কৰ বাক্যামৃত' নামৰ মূল্যবান গ্ৰন্থ এখন উন্মোচন কৰি দত্তবৰুৱাক ৰাজহুৱাভাৱে শলাগনীপত্ৰ দিয়া হয়।

## এটা স্মৰণীয় উজাগৰী ৰাতি

সেই দিনা অসম বিধান সভাৰ আলোচনা-কক্ষ ভৱনত বিষয়-বাছনী সমিতিৰ বৈঠক আৰম্ভ হয় আৰু গোটেই নিশা অৰ্থাৎ পুৱতি নিশা চাৰি বজালৈকে এই সমিতিৰ কাৰ্য্য চলিছিল। এই সভাত সভাপতিত্ব কৰিবলৈ ভূঞাদেৱে চন্দ্ৰনাথ দত্তফুকনদেৱক মনোনীত কৰি গৈছিল। ছিলঙৰ জাৰকালিৰ ঠেটুৰৈয়ে ধৰা জাৰলৈ কেৰেপ নকৰি প্ৰতিনিধি-সকলে গাত ৰাগ-কম্বল আদি লৈ সাহিত্য সভাৰ বাবে এটা উজাগৰী নিশা কটাবলৈ সাজু হৈ গৈছিল। ৮ নৱেম্বৰৰ সেই ৰাতিটো অসম সাহিত্য সভাৰ বুৰঞ্জীত এক অবিস্মৰণীয় ৰাতি আছিল বুলি নিঃসন্দেহে কব পৰা যায়। এই বুৰঞ্জীলেখক আৰু সেই ঠেৰেঙা জাৰত ৰাতি বঞ্চা সাহিত্যিক-প্ৰতিনিধিসকলে সেই সুফলপ্ৰদ ৰাতিটোৰ কথা পাহৰিব নোৱাৰে। সেই ৰাতিৰ বিষয়-বাছনী সভাত নটা প্ৰস্তাৱ গ্ৰহণ কৰাৰ উপৰিও নিয়মাৱলীৰ গণতান্ত্ৰিক ভিত্তিত আমূল পৰিবৰ্তন কৰি নতুন ৰূপ দি এখন সংশোধিত নিয়মাৱলী ৰচনা কৰা হয়। এই নিয়মাৱলীৰ প্ৰতিটো ধাৰা তন্নতন্নকৈ চালিজাৰি সদস্যসকলে নিজৰ নিজৰ মত দাঙি ধৰিছিল আৰু তাৰ পিছতহে সৰ্বসম্মতিক্ৰমে গৃহীত হৈছিল। আলোচনাত আগভাগ লোৱা সদস্যসকল আছিল—ভবানন্দ দত্ত, ব্ৰজেন বৰপূজাৰী প্ৰেমধৰ ৰাজখোৱা, শ্ৰীপৰাগধৰ চলিহা, হৰিপ্ৰসাদ বৰুৱা, ডাক্তৰ শ্ৰীজীৱকান্ত

শইকীয়া, হেম বৰুৱা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীশিৱপ্ৰসাদ বৰুৱা প্ৰভৃতি। প্ৰতিটো বিষয়তে এই লেখকে নিজেও মাত মাতিবলগীয়া হৈছিল আৰু প্ৰায় ক্ষেত্ৰতে সদস্যসকলে তেওঁৰ যুক্তিত হয়ভৰ দিছিল। সেই ৰাতিৰ অভিনয়েই এই লেখকৰ সাহিত্য সভাৰ মুকলি মঞ্চত অৱতীৰ্ণ হোৱাত সহায়ক হৈছিল নিশ্চয়। তৰ্ক-বিতৰ্কৰ উত্তাপ ইমান বেছি হৈছিল যে সেই নিশাৰ হাড় কন্‌কনাই যোৱা ছিলঙৰ জাৰেও মেলুৱৈসকলৰ কাকো ঘাইল কৰিব পৰা নাছিল। আলোচনাৰ দৃষ্টিভঙ্গী আছিল গঠনমূলক, সেই কাৰণে তিক্ততা সৃষ্টি হোৱা নাছিল আৰু বাহিৰত বোন্দাপৰ দি থকা অভ্যৰ্থনা সমিতিৰ সদস্য-সকলে মাজে মাজে যোগান ধৰা চাহপানীটোপাই আলোচনাৰ চোক বঢ়াইছিল। নতুন সংশোধনিমতে শাখা সভাৰ সকলো প্ৰতিনিধিয়ে বিষয়-বাছনী সভাত ভাগ লবলৈ সমান অধিকাৰ পালে। প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীৰ প্ৰতিনিধিৰ ব্যৱধান নোহোৱা হ'ল। সভাপতি-সম্পাদকৰ একনায়কত্বও লোপ পালে।

বিষয়-বাছনী সভাত শাখা সভাৰ প্ৰতিনিধিসকল আছিল: শ্ৰীশৰৎচন্দ্ৰ সিংহ, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, হৰেন্দ্ৰনাথ শৰ্মা, শ্ৰীঅম্বিকাপদ চৌধুৰী, শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা, শ্ৰীউদয়নাথ বৰুৱা, শ্ৰীগোবিন্দৰাম ভট্টাচাৰ্য্য, শ্ৰীৰছিতুজ্জামান আহমেদ, শ্ৰীজীৱনচন্দ্ৰ গোস্বামী, শ্ৰীচন্দ্ৰকুমাৰ মজুমদাৰ, শ্ৰীমেহেমসিং, শ্ৰীকমলকান্ত হাজৰিকা, ৰুদ্ৰকান্ত গোস্বামী, শ্ৰীকৃষ্ণচন্দ্ৰ গোস্বামী, ৰত্নকান্ত বৰকাকতী, শ্ৰীনাৰায়ণচন্দ্ৰ মহন্ত, শ্ৰীমহিমচন্দ্ৰ বৰা, অমূল্যচন্দ্ৰ বৰদলৈ, শ্ৰীনৱীনচন্দ্ৰ গোহাঁই, শ্ৰীপৰাগধৰ চলিহা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ব্ৰজেন্দ্ৰ বৰপূজাৰী, ডক্টৰ প্ৰসন্নচন্দ্ৰ গোস্বামী, শ্ৰীগোপাল মহন্ত, শ্ৰীউপেন্দ্ৰনাথ দত্ত, শ্ৰীজগৎ ৰাজখোৱা, শ্ৰীকমলেশ্বৰ দত্ত, ক্ষেত্ৰধৰ বৰগোহাঞি, শ্ৰীগোলাপচন্দ্ৰ বৰবৰা, বিশ্বনাথ ৰাজবংশী, শ্ৰীশিৱপ্ৰসাদ বৰুৱা, শ্ৰীযতীন শইকীয়া, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা প্ৰভৃতি।

উপস্থিত আজীৱন সভ্যসকল আছিল: শ্ৰীনীলমণি ফুকন,

ডিম্বেশ্বৰ নেওগ, শ্রীমুক্তানাথ বৰুৱা, বিমলাকান্ত ৰবা, ডাক্তৰ শ্রীগ্রীৰকান্ত শইকীয়া, ছৈয়দ মহম্মদ ছাদুল্লা, শ্রীকামালুদ্দিন আহমেদ, ৰাজমোহন নাথ, জেহিৰুল হক, ভুবনেশ্বৰী দেৱী, শ্রীমতী পদ্মা আগৰৱালা প্ৰভৃতি।

এইটো উল্লেখযোগ্য যে তেতিয়াৰ নিয়মাৱলীৰ বিধান অনুসৰি প্ৰতিনিধি হৈ যোৱা সকলো সদস্যৰ বিষয়-বাছনী সভাত যোগ দিবলৈ অধিকাৰ নাছিল আৰু দৰাচলতে সেইসকল নামত প্ৰতিনিধি হলেও কামত বিশিষ্ট দৰ্শকহে আছিল।

সিফালে সেই একে সময়তে সন্ধিয়া সভামণ্ডপত এখনি সঙ্গীত-সমাৰোহ বিধান-সভাৰ তেতিয়াৰ অধ্যক্ষ কুলধৰ চলিহা ডাঙৰীয়াৰ সভাপতিত্বত সুসম্পন্ন হয়। অধ্যক্ষ শ্রীতীৰ্থনাথ শৰ্মাদেৱে মুখ্য অতিথিৰ ভাষণত অঙ্কীয়া নাট সম্পৰ্কে এটা তথ্যগধুৰ বক্তৃতা দিছিল। সভাৰ পুৰণি নিয়মৱলীমতে বিষয়-বাছনী সভাত যোগ দিবৰ অধিকাৰ নথকা সাহিত্য সভাৰ প্ৰতিনিধিসকল আৰু ছিলঙৰ বিশিষ্ট পুৰুষ-মহিলাৰ উপৰিও কেবাহেজাৰ দৰ্শকৰ উপস্থিতিয়ে সাংস্কৃতিক অধিবেশনখনি সাফল্যমণ্ডিত কৰি তুলিছিল। গাৰো, নগা, মিজো, খাছি আদি জনজাতীয় নৃত্য-গীতৰ উপৰিও বনগীত, ৰাৱণ নাথৰ আবৃত্তি, দুৰ্গাপ্ৰসাদ বৈৰাগীৰ টোকাৰী–নাম আৰু বিশেষকৈ দক্ষিণপটীয়া সত্ৰৰ ভকতসকলৰ 'পাৰিজাত হৰণ' নাটৰ ভাওনা সেই সঙ্গীত সন্ধিয়াৰ বিশেষভাৱে উল্লেখযোগ্য বিষয় আছিল।

## দ্বিতীয় দিন

পিছৰ দিনা অৰ্থাৎ ৯ নৱেম্বৰ ৰাতিপুৱা বুৰঞ্জীবিদ শ্রীবেণুধৰ শৰ্মাদেৱৰ পৌৰোহিত্যত বুৰঞ্জী-সভা সম্পন্ন হয়। এই সভাৰ সম্পাদক হৈ পৰিচালনাৰ দায়িত্ব বহন কৰিছিল ডক্টৰ শ্রীহেৰম্বকান্ত বৰপূজাৰীদেৱে। এই সভাৰ অন্তৰ্গত বিজ্ঞান-সভাত সভাপতিত্ব কৰিছিল খাছি-বিজ্ঞানী ৰেভাঃ বি-এম পিউ ডাঙৰীয়াই। সভাৰ গুৰি

ধৰিছিল শ্ৰীগোকুলচন্দ্ৰ গোস্বামীদেৱে (প্ৰাক্তন মুখ্য কেষ্টৰী অভিয়ন্তা)।

ছপৰীয়া দ্বিতীয় দিনৰ মুকলি অধিবেশনৰ পয়োভৰ আৰু দৰ্শকৰ সমাগম আগৰ দিনতকৈয়ো বেছি হৈছিল। এই দিনাৰ সভাত গনতান্ত্ৰিক ভিত্তিত পৰিবৰ্তিত নতুন নিয়মতন্ত্ৰ সৰ্বসম্মতিক্ৰমে গৃহীত হৈছিল। এই সংবিধানেই তেতিয়াৰপৰা আজিকোপতি অ'ত ত'ত সংশোধিত হৈ চলি আছে। সম্পাদক দত্তৰ হিচাপ সহ প্ৰতিবেদনখন সভাই গ্ৰহণ নকৰি ভালদৰে পৰীক্ষা কৰি চাবলৈ এখন উপ-সমিতি গঠন কৰি দিছিল। এই সমিতিৰ সদস্যসকল আছিল: শ্ৰীমান প্ৰফুল্ল গোস্বামী (এম-পি) শ্ৰীপৰাগধৰ চলিহা (অধ্যক্ষ), হৰমোহন দাস, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, ব্ৰজেন বৰপূজাৰী, শ্ৰীশৰৎচন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) আৰু আহ্বায়ক হৰিপ্ৰসাদ বৰুৱা (প্ৰাক্তন অভিযন্তা) দুখৰ বিষয় বহু লিখালিখি কৰা সত্বেও দত্তই এই সমিতিৰ লগত সহযোগ নকৰিলে আৰু তেওঁৰ প্ৰতিবেদনখনো পৰীক্ষাৰ বাবে দাখিল নকৰিলে। তাৰ ফলত কি পৰবৰ্তী ব্যৱস্থা হাতত লোৱা হৈছিল, সেই অপ্ৰিয় কাহিনী এই ইতিবৃত্তত লিপিবদ্ধ কৰা নহ'ল।

ছিলং অধিবেশনত প্ৰধান সম্পাদক বাবে তিনিজন প্ৰাৰ্থীৰ নাম প্ৰস্তাৱ কৰা হৈছিল—শ্ৰীবেণুধৰ শৰ্মা, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু চন্দ্ৰনাথ দত্তফুকন। প্ৰস্তাৱকসকলে নাম তুলি লবলৈ সন্মত নোহোৱাত যাইকৈ শৰ্মা আৰু হাজৰিকাৰ মাজত হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতাত হাজৰিকাই বিপুল ভোটাধিক্যত জয়লাভ কৰে কাৰ্য্যপালিকাৰ বাবে তলত নাম দিয়া সদস্যসকল নিৰ্বাচিত হয়।

## সঞ্জীৱনী যুগৰ প্ৰথম কাৰ্য্যনিৰ্বাহক

ড° সূৰ্য্যকুমাৰ ভূঞা (সভাপতি), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা (প্ৰধান সম্পাদক) 'শান্তিদূত'ৰ সম্পাদক তাৰিণীচৰণ দাস (কোষাধ্যক্ষ) অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মা (পত্ৰিকা-সম্পাদক), শ্ৰীযতীন্দ্ৰনাথ

গোস্বামী ( সহ-সম্পাদক ), ড° শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য ( সহ-সম্পাদক ) শ্ৰীমতী পদ্মকুমাৰী গোহাঁই, অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা, শ্ৰীঅশ্বিনী-কুমাৰ চৌধুৰী, 'বৰদৈচিলা'ৰ সম্পাদক শ্ৰীশিৱপ্ৰসাদ বৰুৱা, শ্ৰীমান প্ৰফুল্ল গোস্বামী ( এম-পি ), হৰেন্দ্ৰনাথ শৰ্মা ৰত্নকান্ত বৰকাকতী, শ্ৰীশৰৎচন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ), হৰিপ্ৰসাদ বৰুৱা, অধ্যাপক কেশৱ-নাৰায়ণ দত্ত, প্ৰফুল্লচন্দ্ৰ বৰুৱা (প্ৰাক্তন এম-পি), আৰু শ্ৰীৰবীন্দ্ৰনাথ বৰুৱা ( প্ৰাক্তন বিধান-সভাৰ সচিব )।

তেতিয়াও পৰ্বত-ভৈয়ামৰ বিভেদে ফাট মেলা নাছিল। ছিলং ৰাজধানী অসমী আইৰ ডিঙিত জোনবিৰি হৈ ওলমি আছিল। বিপুল জন-জনাৰ্দনৰ আশীৰ্বাদ লৈ শৈলবালা ছিলঙৰ ঠেটুৰৈয়ে ধৰা জাবৰ মাজত অসম সাহিত্য সভাৰ এটা গৌৰৱোজ্জ্বল যুগৰ সামৰণি পৰাৰ লগতে আন এটা নতুন দিনৰ ততোধিক গৌৰৱোজ্জ্বল যুগৰ ভাগ্যোদয় হৈছিল। ছিলঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ সেই অধিবেশন আছিল দৰাচলতে সঞ্জীৱনী অধিবেশন।

× × ×

শিৱত সভাপতি ভূঞা ডাঙৰীয়াৰ গুৰুনিৰ্মালি আৰু বিপুল সংখ্যক সমজুৱা ৰাইজৰ শুভেচ্ছাৰ টোপোলা এটা লৈ এই লেখক ঘৰৰ ল'ৰা উলটি ঘৰ পালেহি। সাহিত্য সভাৰ মেটমৰা গুৰু দায়িত্বৰ ভাৰ কান্ধত ভালুকৰ সাঙীৰ দৰে হ'ল—এৰিবও নোৱাৰোঁ, ধৰিবও নোৱাৰোঁ। এষাৰ কথা আছে বোলে, বুঢ়ী আই এ নাহিলি সুখৰ কালত, সাত্তজনী নিগনি খীৰাই খাইছিলো, গেৰেলাক বাইছিলো হালত। বাহিৰৰপৰা দেখিছিল যদিও ভিতৰৰপৰা এই লেখকে সাহিত্য সভাৰ তেনে সুখৰ দিনৰ সোৱাদ লবৰ সুযোগ পোৱা নাছিল, সুযোগ বিচৰাও নাছিল। কিন্তু ঘটনাৰ পাকচক্ৰত পৰি তেওঁ যেতিয়া সাহিত্য সভাৰ ভিতৰচ'ৰাত সোমাই নিজেই তাৰ ৰখীয়া হব লগা হ'ল, তেতিয়া তাত ঘোপমৰা আন্ধাৰহে দেখা পাইছিল। সভাৰ ধন-ভঁৰালৰ তলিউদং, জমাৰ ঘৰত শূন্য, ধাৰ পেন পেন। কেৰাটাও

পুঁজি অলপীয়া ধনেৰে অচল আৰু নিষ্ক্ৰিয় হৈ আছে। যোৰহাটৰ চন্দ্ৰকান্ত, ভৱনত মূল কাৰ্য্যালয়ত তেতিয়া অকাৰ্য্যৰহে কেচুমতা আৰু মকৰাজাল। বিগত দিনৰ ভাল কাৰ্য্যবোৰ আবিষ্কাৰ কৰিবলগীয়া অৱস্থাত আছে। পুৰণি ঠেকেৰাৰ চোক বেছি। সেইবাবেই হবলা সাহিত্য সভা-ভৱনৰ চকীদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাই তেতিয়াও সভাখনৰ মৰমৰ চোক এৰাব নোৱাৰি ভৱনটোক ধ্বংসৰ গৰাহৰপৰা ৰক্ষা কৰি আছিল, খালী পেটে অৰ্থাৎ বহু দিন বিনা দৰ্মহাই। এনে হতাশজনক পৰিবেশৰ মাজতে এই লেখকে গাঁথিৰ ধন ভাঙি আৰু নিজৰ ব্যক্তিগত লাভ-লোকচানলৈ আওকাণ কৰি সাহিত্য সভাৰ হৃত গৌৰৱ উদ্ধাৰ কৰিবলৈ একান্তমনে লাগি গৈছিল।

তেওঁ সম্পাদক হৈ থকা কালত অসম সাহিত্য সভাৰ একোৰে একোটো নাছিল বুলি ক'ব পাৰি। আজিকালিৰ দৰে সেই দিনত সম্পাদকক সহায় কৰিবলৈ আৱশ্যকীয় সংখ্যক সহকাৰী কৰ্মচাৰী নাছিল, টনকিয়াল ধনভঁৰাল নাছিল। মুঠতে আপোন হাত জগন্নাথ। নিজৰ হাত দুখনেই প্ৰধান সহায়। তদুপৰি কেন্দ্ৰীয় কাৰ্য্যালয় আছিল যোৰহাটত, সম্পাদক আছিল গুৱাহাটীত। দুই নাওত দুই ভৰি, ৰক্ষা কৰা শ্ৰীহৰি। দুখন টুলুঙা নাৱৰ গুৱাহাটীৰখনত এই লেখক, যোৰহাটৰখনত সহকাৰী সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী। দুইজনৰ খাটনি যথেষ্ট হৈছিল যদিও কাম-কাজত ৰঙা ফিটাৰ মেৰপাক নাছিল, কাৰো অনাৱশ্যকীয় গহৰিও নাছিল।

এটা ভেৰোণীয়া কোঠাত গুৱাহাটীত সাহিত্য সভাৰ এখুদমান কাৰ্য্যালয় পাতি কাম চলোৱা হৈছিল। প্ৰথমতে লগত কেইদিনমান কাম কৰিছিল কবি শ্ৰীকমলেশ্বৰ চলিহাই। আমনি লগাত হব পায়, এদিন তেওঁ কামবোৰ দলনিত পোনা মেলা দি এৰি থৈ আচম্বিতে অন্তৰ্দ্ধান হ'ল। তেওঁৰ ঠাইত নিত্যানন্দ বৰদলৈক সম্পাদকৰ হাতৰ লাখুটি কৰি লোৱা হ'ল। বেতন মাহে দুকুৰি টকা—নিৰামহীয়া দক্ষিণা। বৰদলৈ একনিষ্ঠ কৰ্মী, কামত ফাঁকি দিব নজনা মানুহ। বাতি

এডোখৰলৈ আমি দুয়ো কাম কৰোঁ। নিয়াৰিকৈ হিচাপ ৰখা, বহুজন সংখ্যক পত্ৰৰ উত্তৰাউত্তৰি আৰু নানাবিধ জগলীয়া কাম কৰিব লাগে। যোৰহাট কাৰ্য্যালয়ত শ্ৰীযতীন গোসাঁয়েও অনুৰূপভাৱে সাহিত্য সভাৰ নামত বিনামূলীয়া শ্ৰমদান কৰে।

সাহিত্য সভাৰ ভাগ্যচক্ৰত তেতিয়াও ৰাহু-কেতু তুঙ্গী হৈ থাকিলেও কেন্দ্ৰত বৃহস্পতি সমসৰ 'সূৰ্য্য'। ধনভঁৰালৰ আচল পুঁজিবোৰ ক্ৰমাৎ সচল কৰা হ'ল। কালৰি কাটি থকাসকলে চাপিকুচি আহি সহযোগ আগবঢ়ালে। তাৰ ফলত অৰ্থাৎ ডক্টৰ ভূঞা প্ৰমুখ্যে কাৰ্য্যকৰী সভাৰ সদৌটি সদস্যই মাৰ বান্ধি থিয় দিয়াত আৰু বিভিন্ন স্থানত থকা সাহিত্যপ্ৰেমীসকলে সহায়-সমৰ্থন দিবলৈ কিৰ্পিণালি নকৰাত অচিৰতে অৱস্থাৰ পৰিবৰ্তন ঘটিল। মুজুৰা পৰি থকা সভাখনৰ পুনৰ জয়যাত্ৰা আৰম্ভ হ'ল। সি আজি পৰ্য্যন্ত অপ্ৰতিহত-ভাৱে চলি আছে। কটকিন মেধি-চৰ্কাৰেও হাতৰ মুঠি কিঞ্চিৎ ঢিলা কৰি সাহিত্য সভাৰ বাৰ্ষিক অনুদান ছহেজাৰ টকা কৰিলে। তেতিয়া সেয়েই বহুত বুলি বিবেচিত হৈছিল। আজি-কালি এই অনুদান লাখ টকাৰ ওপৰলৈ উঠিছে। তাৰ ফলত কামো হৈছে বহুত।

এই লেখকৰ কাৰ্য্যকালৰ প্ৰথম বছৰটোৰ বেছিভাগ সময় পুৰণি ভেটিমাটি চিকুণাই ন সংসাৰ এখন পাতি লওঁতেই অতিবাহিত হৈছিল। এই বছৰটোৰ আটাইতকৈ উল্লেখযোগ্য কথা হৈছে সকলো চাম ৰাইজৰে অসম সাহিত্য সভাৰ প্ৰতি হেৰোৱা আস্থা পুনৰ ঘূৰাই আনিব পৰাটোৱেই। ছিলং অধিবেশনত গৃহীত প্ৰস্তাৱবোৰৰ শোকপ্ৰস্তাৱ, নিয়মাৱলী প্ৰণয়ন আদি দুই এটা প্ৰস্তাৱ অধিবেশনৰ মঞ্জিয়াতে কাৰ্য্যকৰী হৈছিল। বাকীকেইটা প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ যথাসাধ্যে চেষ্টা কৰা হৈছিল, যথাস্থানলৈ লিখালিখি কৰা হৈছিল। কমলা দেৱী ন্যাস-সমিতি আৰু নবদেৱ ন্যাস সমিতি দুখন পুনৰ সক্ৰিয় কৰা হ'ল।

সেই বছৰটোৰ পাতনিতে প্ৰথমবাৰলৈ যোৰহাট চন্দ্ৰকান্ত

সন্দিকৈ ভৱনত ৰাধাকান্ত সন্দিকৈ আৰু শৰৎচন্দ্ৰ গোস্বামীৰ মৃত্যু-তিথি উৎসৱ দীপাৱলী আদিৰে সুশোভিত কৰি ৰাজহুৱাভাৱে পালন কৰা হয়। ইতিপূৰ্বে অসম সাহিত্য সভাৰ কাৰ্য্যালয়ত আৰু সমগ্ৰ অসমত ৰাজহুৱাভাৱে ইয়াক পালন কৰা হোৱা নাছিল। ৰাজ্য চৰ্কাৰে চন্দ্ৰকান্ত ভৱনত দিনৰ এছোৱা কেৰেয়ালৈ লৈ ৰাজ্যিক চৰ্কাৰে জনজাতিসকলৰ অসমীয়া শিক্ষা-কেন্দ্ৰ এটা পাতি দিছিল। সেই ভাষা-শিক্ষা অনুষ্ঠানৰ গুৰি ধৰিছিল নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, হৰিপ্ৰসাদ নেওগ আৰু শ্ৰীযোগেশ্বৰ হাজৰিকাই। দুবছৰমানৰ পিছত লেজুত ধৰি বল নিদিয়া চৰ্কাৰী আওহেলাত সেই লাগতিয়াল অনুষ্ঠানটোৰ অপমৃত্যু ঘটিল।

তৃতীয় শিৱসাগৰ অধিবেশনত 'আসাম সাহিত্য সভা'ক 'অসম সাহিত্য সভা' কৰা হৈছিল কিন্তু তেতিয়ালৈকে মানুহৰ কথা-বতৰাত আৰু লিখাত আসাম আৰু অসম দুইটা শব্দই চলি আছিল। কাৰ্য্য-নিৰ্বাহক সভাৰ নিৰ্দেশমতে সংশ্লিষ্ট সকলোকে কেৱল 'অসম' শব্দটো ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। সকলো পক্ষৰপৰা ভাল সহাঁৰি পোৱা গ'ল। তেতিয়াৰপৰা অসম শব্দটোৰ সৰ্ব্বাঙ্গীনভাৱে প্ৰচলন হৈছে।

আন এটা প্ৰস্তাৱৰ মৰ্ম অনুসৰি পিছৰ বছৰ চিৰৰুগ্না মহিলা কবি ধৰ্মেশ্বৰী দেৱী বৰুৱানীক 'কাব্যভাৰতী' উপাধিৰে বিভূষিত কৰা হয়। সাহিত্য সভাৰ অনুমোদন লাভ কৰি কবিগৰাকীয়ে শেষ-জীৱনত সাহিত্য-পেঞ্চনৰো মুখ দেখা পাইছিল

সেই বছৰটোৰ উল্লেখযোগ্য কামৰ ভিতৰত স্বৰ্গগত সাহিত্যিক-সকলৰ সাহিত্য সভাৰ ফালৰপৰা ৰাজহুৱাভাৱে তিথি পালন কৰাটোও অন্যতম। সেই বছৰত ৰাধাকান্ত সন্দিকৈ, শৰৎচন্দ্ৰ গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালা, সত্যনাথ বৰা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা প্ৰভৃতি সাহিত্যিকসকলৰ তিথি শাখা-সভাবিলাকৰ যোগেদি পালন কৰা হৈছিল। পিছত এই উদ্দেশ্য

সম্বল কৰিবৰ বাবে নগাঁও অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰিশিষ্টত্ব্য স্বৰ্গগত অসমীয়া সাহিত্যিকসকলৰ মৃত্যু-তিথিৰ দিন থকা বহল তালিকা এখন সংযুক্ত কৰি দিয়া হৈছিল।

## অসম প্ৰকাশন-পৰিষদ

১৯৫৪ চনত ১৬।১৭ মেইত যোৰহাটত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা কাৰ্য্যপালিকাই এটা প্ৰস্তাৱৰ যোগে তেতিয়াৰ চৰ্কাৰৰ ওচৰত যি সুচিন্তিত আঁচনি দাখিল কৰিছিল-তাৰেই সুফল স্বৰূপ অসম প্ৰকাশন পৰিষদৰ জন্ম হ'ল। সাহিত্য সভাৰ সেই পুথি-প্ৰকাশ সম্পৰ্কৰ প্ৰস্তাৱটো তলত হুবহু তুলি দিয়া হ'ল :

"১৮২৬ খৃষ্টাব্দত অসমৰ স্বাধীনতা লুপ্ত হোৱাৰ দিন ধৰি ১৯৪৭ চনত স্বাধীনতাৰ পুনৰ প্ৰবৰ্ত্তনৰ দিনলৈকে আৰু বৰ্তমান কালতো, সকলো সাহিত্যিকৰ আজীৱন অভিজ্ঞতাৰ কথা পৰ্য্যালোচনা কৰি অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে স্বীকাৰ কৰিছে যে অসমীয়া সাহিত্যৰ উন্নতিৰ সৰ্বপ্ৰধান অন্তৰায় হৈছে পুথি প্ৰকাশ আৰু প্ৰচাৰৰ কাৰণে যথোচিত সুবিধাৰ অনাটন। প্ৰকাশৰ বিশেষ সম্ভাৱনা নথকাত ভালেমান গ্ৰন্থকাৰে গ্ৰন্থ ৰচনা কাম হাতত লবলৈ সংকোচবোধ কৰে আৰু ৰচনা কৰিলেও বহু ক্ষেত্ৰত গ্ৰন্থ প্ৰকাশৰ সুবিধা নথকাত সি হাতেলিখা অৱস্থাতে পৰি থাকে নাইবা কালক্ৰমে নষ্ট হৈ যায়। গ্ৰন্থকাৰে নিজে ধন ভাঙি বা কোনো উদ্যোগী প্ৰকাশকৰ জৰীয়তে গ্ৰন্থ প্ৰকাশ কৰিলেও তাৰ ভালমতে বিক্ৰি আৰু প্ৰচাৰৰ অভাৱত গ্ৰন্থকাৰ আৰু প্ৰকাশক ক্ষতিগ্ৰস্ত হবলগাত পৰে। সেইদেখি অসমীয়া গ্ৰন্থ প্ৰকাশৰ কাম হাতত লবলৈ গ্ৰন্থকাৰ আৰু প্ৰকাশক দুয়ো আগবাঢ়িবলৈ সাধাৰণতে অনিচ্ছুক হয়।

এইবোৰ অন্তৰায় গুচাবৰ নিমিত্তে সমিতিয়ে অসম গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰে যেন অবিলম্বে চৰ্কাৰে অতি কমেও পঁচিছ হেজাৰ

টকাৰ মঞ্জুৰী দি এটি গ্ৰন্থ-প্ৰকাশনী পুঁজি স্থাপন কৰে। অসম সাহিত্য সভা প্ৰমুখ্যে অসমৰ কৃষ্টি আৰু শিক্ষামূলক অনুষ্ঠাসমূহৰ প্ৰতিনিধিৰে সংগঠিত কমিটীৰ মনোনয়নৰ ওপৰত ভেটি কৰি অসমৰ মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী এই তিনিজনৰ চূড়ান্ত সিদ্ধান্ত অনুসাৰে প্ৰকাশিত গ্ৰন্থ পাঁচশ কপি এই পুঁজিৰ ধনেৰে গৱৰ্ণমেণ্টে কিনি লব আৰু তাক স্কুল-কলেজ আৰু অন্যান্য কৃষ্টিকেন্দ্ৰ আৰু শিক্ষাকেন্দ্ৰৰ লাইবেৰীলৈ বিনামূল্যে দান কৰিব। অসমীয়া ভাষাত লিখা গ্ৰন্থ আৰু অসমৰ ইতিহাস, কৃষ্টি, ভাষা আৰু সাহিত্য সম্পৰ্কীয় ইংৰাজী আৰু অসমত প্ৰচলিত যি কোনো ভাষাতে লিখা গ্ৰন্থ এই প্ৰকাশ পুঁজিৰপৰা সাহায্যৰ কাৰণে বিবেচিত হব। সাধাৰণতে গ্ৰন্থ প্ৰকাশিত অৱস্থাত গৱৰ্ণমেণ্টৰ বিবেচনাৰ কাৰণে দাখিল কৰিব লাগিব। কোনো গ্ৰন্থকাৰে হাতেলিখা অৱস্থাতো দাখিল কৰিব পাৰিব। কিতাপ নিয়মক্ৰমে ছপা হৈ ওলালে অন্ততঃ তাৰ পাঁচশ কপি গৱৰ্ণমেণ্টে কিনি লোৱাৰ প্ৰতিশ্ৰুতি পালে গ্ৰন্থকাৰে নিজৰ উদ্যমেৰে তাক নিৰ্দিষ্ট সময়ত ছপা কৰি উলিয়াব লাগিব, আৰু উক্ত পুঁজিৰ অৰ্থেৰে কিনাৰ কাৰণে প্ৰকাশিত গ্ৰন্থ দাখিল কৰিব লাগিব। এই পুঁজি পৰিচালনাৰ অৰ্থে যাবতীয় নিয়ম-প্ৰণালী গৱৰ্ণমেণ্ট যথাসময়ত নিবন্ধন কৰিব আৰু এই পুঁজিৰ পৰিচালনাৰ ভাৰ থাকিব গৱৰ্ণমেণ্টৰ শিক্ষা-বিভাগৰ নিৰ্দিষ্ট কৰ্মচাৰীৰ ওপৰত।”

সৰ্বসম্মতিক্ৰমে গৃহীত এই প্ৰস্তাৱটোৰ খচৰা তৈয়াৰ কৰিছিল সভাপতি ভূঞা ডাঙৰীয়াই। সাহিত্য সভাৰ এই প্ৰস্তাৱটোত তেতিয়াৰ সকলো বাতৰি-কাকতে জোৰেৰে সমৰ্থন জনাইছিল আৰু তাক শীঘ্ৰে কাৰ্য্যকৰী কৰিব লাগে বুলি মত প্ৰকাশ কৰিছিল। বাজহুৱা অভিমতৰ অংশবিশেষ তলত তুলি দিয়া হ'ল:

**A Laudable Move :** The Executive Committee of the Assam Sahitya Sabha has in its meeting at

Jorhat last month initiated a laudable move, calculated to develop and enrich the literary wealth of Assam by urging upon the State Government for creation of a publication Fund.

We hope that the Government by accepting this proposal will mark the beginning of an enlightened and liberal policy in the cause of arts, culture and letters in Assam. Once the Government take thc lead in the matter, which they should, the necessary co-operation will undoubtedly be forthcoming from the Assam Sahitya Sabha The Governments of Uttar Pradesh, Bihar and West Bengal have already endowed funds for the encouragement and assistance of the literateurs of the respective states. It is time that Assam vied with her sister states in this glorious enterprise.**

( The Assam Tribune : June 13 1954 )

**আকৰ্ষণীয় আঁচনি :** অসম সাহিত্য সভাই আগবঢ়োৱা পুথি-প্ৰকাশ আঁচনি এখনে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। অসমীয়া ভাষাক সমাগত দিনৰ দায়িত্ব বহন কৰিব পৰাকৈ গঢ়ি তুলিবলৈকো আমাক বিভিন্ন বিষয়ৰ বহুতো কিতাপ লাগে। এতিয়া প্ৰকাশৰ পুঁজি গঠন কৰাৰ লগতে চাহিদা পূৰণ কৰিব পৰাকৈ কিতাপ প্ৰস্তুত কৰাৰ প্ৰণালীবদ্ধ ব্যৱস্থা এটা হাতত ললে, দুয়োটা ব্যৱস্থাৰ মাজত সমন্বয় ৰক্ষা কৰি চলিলে আৰু প্ৰকাশৰ বাবে কিতাপ বছা কমিটিখনো নৈপুণ্যযুক্ত অৰ্হতাসম্পন্ন লোকৰদ্বাৰা গঠিত হলে আমি যথেষ্ঠ সুফল কলেজং কৰিব পাৰোঁ।** ( নতুন অসমীয়া : ২৬ জেঠ, ১৮৭৭ )।

**অসমীয়া সাহিত্যৰ বিকাশ**: অলপতে অসম সাহিত্য সভাই এটি সুচিন্তিত প্ৰস্তাৱৰ যোগেদি অসমীয়া পুথি-প্ৰকাশৰ আঁচনি এখন অসম চৰ্কাৰৰ আগত দাখিল কৰিছে। এনে এখন আঁচনি গৱৰ্ণমেণ্টে নিজেই ৰচনা কৰি কেতিয়াবাই কাৰ্য্যত পৰিণত কৰাটো উচিত আছিল। এতিয়াও চৰ্কাৰে সাহিত্য সভাৰ এই সময়োপযোগী প্ৰস্তাৱটোত গুৰুত্ব আৰোপ কৰি পুথি-প্ৰকাশনী পুঁজি এটি স্থাপন কৰিব বুলি আমি আশা কৰিছোঁ। এনে পুঁজি স্থাপিত হলে বছৰি বছৰি অনেক লাগতিয়াল অসমীয়া পুথি প্ৰকাশ হৈ ওলাব। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হব আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰত সহায়ক হব ** ( অসমীয়া ১১ আহাৰ, ১৮৭৬ শক )।

অসম সাহিত্য সভাৰ সৰ্বজন সমৰ্থিত প্ৰস্তাৱটো মেধি-চৰ্কাৰে ফাইলৰ ভিতৰতে উমনি দি থৈছিল। কোনো সিদ্ধান্তলৈ নহাকৈ কাল চাচোঁতে মাহৰ বতৰ গ'ল। ইয়াৰ কিছুদিনৰ পিছত মেধিচৰ্কাৰৰ প্ৰস্থান আৰু চলিহা-চৰ্কাৰৰ প্ৰবেশ হ'ল। সাহিত্য সভাৰ এক অধিবেশনত প্ৰস্তাবটো দোহাৰি চৰ্কাৰৰ মনোযোগ আকৰ্ষণ কৰা হয়। অবশেষত প্ৰকাশন আঁচনিৰ প্ৰস্তাৱটোত সাহিত্য-সংস্কৃতিৰ অনুৰাগী মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱৰ সুদৃষ্টি পৰিল। তেওঁৰ মন্ত্ৰীসভাই সহানুভূতিৰে প্ৰস্তাৱটো সংশোধিত আকাৰত গ্ৰহণ কৰি চৰ্কাৰে নিজৰ ৰবীয়াকৈ 'অসম প্ৰকাশন-পৰিষদ' গঠনৰ সিদ্ধান্ত ললে।

১৯৫৮ চনৰ ১৫ আগষ্টৰ দিনা গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰৰ লোকপ্ৰিয় ৰবদলৈ উদ্যানত অনুষ্ঠিত এখন আকৰ্ষণীয় সভাত অসম কংগ্ৰেছে বিপ্লৱী ধৰ্মগুৰুৰ গড়মুৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীক আৰু তেতিয়া জীৱিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকলক সম্বৰ্দ্ধনা জনোৱা হৈছিল। এই সভাৰ গুৰি ধৰিছিল অসম কংগ্ৰেছৰ সভাপতি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী আৰু মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই। সেই মনোৰম সভাস্থলীতে মুখ্যমন্ত্ৰী চলিহাদেৱে আনুষ্ঠানিকভাবে অসম প্ৰকাশন পৰিষদ চৰ্কাৰৰদ্বাৰা প্ৰতিষ্ঠা কৰা হ'ল বুলি ঘোষণা

ঘোষণা কৰে আৰু তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মাদেৱে সেই জন্মলগ্নতে এই পৰিষদৰ পুঁজিলৈ একলাখ টকা আগবঢ়ায়।

এইদৰেই অসম সাহিত্য সভা আৰু ইয়াৰ অন্যতম জনক ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াৰ কল্পনাই বিমলাপ্ৰসাদ চলিহাৰ অনুগ্ৰহত বাস্তৱত ৰূপ ললে। বৰ্তমানে অসম সাহিত্য সভা আৰু অসম প্ৰকাশন-পৰিষদে সমান্তৰালভাৱে আগবাঢ়ি অসমীয়া ভাষা-সাহিত্যৰ চকুত লগাকৈ শ্ৰীবৃদ্ধি সাধন কৰিছে।

এই অনুষ্ঠানৰ নামটোৰ বাবেও অসম সাহিত্য সভাই মাত মাতিবলগীয়া হৈছিল। প্ৰথমতে সচিব শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে 'অসম প্ৰকাশন পৰ্ষদ' নাম চলাই দিব খুজিছিল। আপত্তি উঠাত বিৰিঞ্চিকুমাৰ বৰুৱাৰ পৰামৰ্শমতে অসম সাহিত্য সভাৰ অনুমোদন বিচৰা হয়। কাৰ্য্যনিৰ্বাহক সভাই 'অসম প্ৰকাশন পৰিষদ' হব লাগে বুলি মত দিলে। সেই মৰ্মে 'পৰ্ষদ' বাতিল হৈ 'পৰিষদ' হাচিল হ'ল।

× × ×

জেঙাজোট ভাঙি আলৈআহুকালবোৰ অন্ত পেলোৱাৰ পিছত সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ সভাপতি-নিৰ্বাচন সম্পৰ্কত অধিবেশনৰ আগে আগে বাতৰি-কাকতৰ পাতত মৃদু বাদানুবাদ পৰিলক্ষিত হৈছিল। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে তলত সম্পাদকলৈ লিখা তিনিখন চিঠি তুলি দিছোঁ:

(১)

নিবেদন,

অসম সাহিত্য সভাৰ অহা অধিবেশনত মোক সভাপতি পদত বৰণ কৰা বাতৰি আপোনাৰ টেলিগ্ৰামৰ যোগেদি কেবাদিনৰ আগেয়ে পাইছিলো আৰু এই সম্বন্ধে চিন্তা কৰিবলৈ মই সময়ো লৈছিলোঁ। আজি ৪।৫ মাহ মানৰপৰা মোৰ গা বৰ ভাল নাই। কলেজৰ কামৰ বাহিৰে আন কোনো কামতে নিজক নিয়োগ কৰিব

পৰা নাই। এনে ভগ্নস্বাস্থ্য লৈ সভাপতি পদৰ গুৰুভাৰ গ্ৰহণ কৰা মোৰ পক্ষে কোনোমতেই সমীচিন নহব, কাৰণ কোনো কামকেই সুচাৰুভাৱে চলাব নোৱাৰিম। তাৰ উপৰি মোৰ কাৰ্য্যকৰী জ্ঞান (practical knowledge) একেবাৰেই নাই বুলিলেই হয়। আশাকৰোঁ আপোনালোকে মোক যেন দয়া কৰি ক্ষমা কৰে—নতশিৰে ইয়াকেই প্ৰাৰ্থনা কৰিলোঁ। আপোনালোকে মোক যে মৰম কৰি এই পদ যাচিছিল, তাৰ বাবে আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি গ্ৰহণ কৰে যেন—এয়ে কামনা।

ডিব্ৰুগড়
১০।১১।৫৪

বিনীত
শ্ৰীযতীন্দ্ৰনাথ দুৱৰা

( ২ )

মৰমৰ অতুল,

তোমাৰ চিঠিখন কালি পালোঁ। জীৱনত সন্মান লবলৈ কোনে ইচ্ছা নকৰে —তুমিয়েই কোৱাচোন। সচাঁকৈয়ে মোৰ আজি কেবা-মাহ মানৰপৰা গা ভালে যোৱা নাই। তাৰ উপৰি মাজে মাজে মূৰ-ঘূৰণিও আছে। কলেজৰ কামৰ বাহিৰে আন কোনো কামতে হাত নিদিওঁ। সাতেসোতৰে এইবোৰ কাৰণতে মই এই গুৰুভাৰ লব নোৱাৰিলো—তুমি যেন বেয়া নেপাবা। জীৱনটো সপোনত উটি যোৱাৰ দৰেই গৈছে, কোনো কাৰ্য্যকৰী ক্ষেত্ৰত নামিব নোৱাৰিলো। আহিল কণা, গ'ল কণা, খাগৰি কাটিলে তিনি কণা - নহয় জানো? বেজাৰ লাগে ইয়াতেই যে জীৱনৰ আগভাগ স্কুল-পলোৱা ল'ৰাৰ দৰে হাবিয়ে-বননিয়ে বাঁহী বাই ফুৰিলোঁ—পিছত উলটি চাওঁ যে সময় পাৰ হৈ গ'ল। বেলি পশ্চিমফালে ঢলি পৰিছে—জগত আন্ধাৰে আবৰি ধৰিবলৈ আগবাঢ়িছে। কামৰ সময় উকলি গ'ল।

আশাকৰোঁ ভালে আছা মোৰ মৰম, সাদৰ, সম্ভাষণ সকলো লবা। আজি কেবাদিনৰপৰা আকৌ চকুৰ অসুখো হৈছে। কাৰণ চছমাৰ power সলনি হৈছে। আজিলৈ আহিলোঁ সেই।

সঁচাকৈয়ে তোমাৰ চিঠিখন পঢ়ি মোৰ বৰ ভাল লাগিল। ঈশ্বৰে যেন তোমাৰ মঙ্গল কৰে—এয়ে কামনা। ইতি

তোমাৰ মৰমৰ
শ্ৰীযতীন্দ্ৰনাথ দুৱৰা

( ৩ )

সসম্ভ্ৰমে নিবেদন,

আপোনাৰ কালিৰ তাৰিখৰ ৭৩৩ নং চিঠিৰ উত্তৰত জনাও যে সাহিত্য সভাৰ সভাপতি পদ পোৱাটো অতি সৌভাগ্যৰ আৰু সন্মানৰ কথা। যোৰহাট অধিবেশনৰ বাবে মোক সভাপতি মনোনীত কৰা বাবে সভাক মই আন্তৰিক ধন্যবাদ জনাও। কিন্তু এই সন্মান গ্ৰহণ কৰিবলৈ মই অক্ষম। যেন ক্ষমা কৰে।

কমল কুটীৰ,
গুৱাহাটী, ১৪।১।৫৪

বিনীত
শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

দুৱৰাদেৱে অসম্মতি জনোৱাত বিহগী কবিৰ লগত মই 'অঞ্জলি'ৰ কবিৰ কাষ চাপিছিলো। দুয়োজনে বিশেষভাবে খাটনি ধৰা সত্বেও তেখেত সাহিত্য সভাৰ প্ৰতি সদয় নহ'ল। নিৰাশমনে বিহগী কবি তেওঁৰ ঘৰলৈ উলটি গ'ল। মই 'পেনেল'ৰ তৃতীয় স্থানত থকা শ্ৰদ্ধেয়া শ্ৰীমতী নলিনীবালা দেৱী থকা কৰ্মবীৰৰ 'শান্তিভৱন' পালোঁগৈ। সাহিত্য সভাৰ অপ্ৰত্যাশিত সংকটজনক পৰিস্থিতিৰ কথা বিবৰি কৈ সভানেত্ৰী হৈ সভাৰ মান ৰাখিবলৈ তেওঁক অনুৰোধ জনালো। কোনো আপত্তি নজনোৱাকৈ তেওঁ সম্মতি জনাই কলে,—"সাহিত্য সভাৰ এনে অৱস্থাত মই বহি থাকিব নোৱাৰোঁ। মোৰ 'হাৰ্ট'ৰ অসুখ, বেজী লৈ আছোঁ। উমেশে ( ভায়েক ডাক্তৰ উমেশচন্দ্ৰ বৰদলৈ ) শুনিলে নিশ্চয় বাধা নিদিয়ে।"

শ্ৰীমতী নলিনীবালা দেৱীৰ সেই দিনাৰ এনে মনোভাব দেখি মই বাৰুকৈয়ে উপলব্ধি কৰিছিলো যে তেওঁৰ গাত দেউতাক কৰ্মবীৰ

বৰদলৈদেৱৰ তেজ নথকা হলে সেই দিনা তেনেভাৱে সাহিত্য সভাক নেতৃত্ব দিবলৈ সাহসৰ অভাৱ হ'লহেঁতেন।

সি যি নহওক দূৰদৰ্শী সভাপতি ভূঞা ডাঙৰীয়াৰ পৰামৰ্শমতে মই বাতৰিকাকতৰ বাক্-বিতণ্ডাৰ মাজত নোসোমাই, মৌনী বাবা হৈ আঁতৰৰ পৰা কৰ পানী কলৈ যায় চাই আছিলোঁ। অৱশেষত স্থকলমে নিৰ্বাচন-যুদ্ধৰ শেষ নিষ্পত্তি হোৱাত দুই-একৰ মনত গেঠেলা মাৰি থকা ক্ষোভ আৰু অসন্তোষৰ ভাববোৰ আপোনাআপুনি জামৰি গ'ল। ধুমুহা গাজি-গুমৰি আহিব খুজিছিল,•আহিবলৈ স্থবিধা নেপালে। বতৰ পুনৰ ফৰকাল হ'ল।

প্ৰধান সম্পাদক হিচাপে ধুমুহাৰ পিছত নিয়াৰিকৈ জঞ্জলীয়া বছৰ এটা সহযোগীসকলৰ লগত সমিলমিলভাৱে পাৰ কৰি দিয়া হ'ল।

আগতে কৈ অহা হৈছে যে এই লেখকৰ কাৰ্য্যকালৰ প্ৰথম বছৰটোতে অসম সাহিত্য সভাৰ প্ৰতি ৰাইজ আৰু চৰ্কাৰৰ আস্থা ঘূৰাই আনিব পৰা হয়। সভাৰ অচল হৈ থকা পুঁজিবোৰ সচল কৰাৰ উপৰিও যোৰহাটৰ চৰ্কাৰী মালখানাত জব্দ কৰি ৰখা চন্দ্ৰকান্ত, অভিধান খনচেৰেক ঘূৰাই পোৱা হয়। শেষ ভালেই সকলো ভাল।

কাৰ্য্যপালিকাৰ প্ৰধান সম্পাদকৰ প্ৰতি মৰমৰ চিন সেই বছৰত যোৰহাটত বহা ( ২৯. ১২. ৫৪ ) শেষৰখন কাৰ্য্যনিৰ্বাহক সভাত গৃহীত এটা প্ৰস্তাৱত লিপিৱদ্ধ হৈ আছে। সেই প্ৰস্তাব নিজে ৰচনা কৰি স্বয়ং সভাপতি ভূঞাদেৱে উত্থাপন কৰিছিল এনেদৰে: "বৰ্তমান বছৰৰ সভাৰ প্ৰধান সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে সভাৰ সকলো জেঙা-জঞ্জাল গুচাই সভা পৰিচালনাৰ কাম স্থগম পথলৈ নিয়াৰ স্থবিধা কৰি দিয়াৰ বাবে আৰু সভাৰ কাৰ্য্যাৱলীৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবে আজিৰ কাৰ্য্যনিৰ্বাহক সভাই তেওঁৰ উদ্যম আৰু কাৰ্য্যক্ষমতাৰ শলাগ লয়।"

# চতুৰ্থ যোৰহাট অধিবেশন (২৩)

## : ৩১ ডিচেম্বৰ ১৯৫৪, ১ জানুৱাৰী ১৯৫৫ :

১৯৫৪ চন আৰু ১৯৫৫ চনৰ দোমোজাত এই অধিবেশন অনুষ্ঠিত হৈছিল যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ-ভৱনৰ চৌহদত। এই সম্মিলনে মৃতপ্ৰায় ভৱনটোক যেন পুনৰ্জীৱিত কৰি মানুহৰ মনৰ হেৰোৱা দিনৰ কথাবোৰ আকৌ মনত পেলাই দিছিল। তেতিয়াও টিমিকঢামাককৈ জ্বলি থকা জোনাকী যুগৰ এগছ উজ্জ্বল বন্তি ৰাধানাথ ফুকন ডাঙৰীয়া হৈছিল অভ্যৰ্থনা সমিতিৰ নামৰ সভাপতি। কামৰ সভাপতিজন আছিল চৰ্কাৰী উকিল বুলি জনাজাত তৰাজানৰ দেৱেশ্বৰ শৰ্মা। শৰ্মাদেৱ চন্দ্ৰকান্ত-ভৱনৰ এজন নিস্পৃহ আলধৰা। গাত কোনো বিষয়-বাব থাকক বা নাথাকক ভৱনৰ লগত নিবিড় সম্পৰ্ক ৰখাটো শৰ্মা আৰু নকুলচন্দ্ৰ ভূঞাৰ আছিল দৈনন্দিন কৰ্মৰ অন্তৰ্গত। সম্মিলনখনি কৃতকাৰ্য্য কৰি তুলিবলৈ যোৰহাটৰ সকলোখিনি সাহিত্যিক আৰু সাহিত্যপ্ৰেমী লোক চাপিকুচি আহিছিল।

আগদিনা অনুষ্ঠিত হোৱা চন্দ্ৰকান্ত-ভৱনৰ ভিতৰত বিষয়-বাছনী সভা নিয়াৰিকৈ সম্পন্ন হয়। মৃতকল্প সভাখন কায়াকল্প প্ৰক্ৰিয়াৰে সঞ্জীৱিত হোৱা দেখি প্ৰতিনিধিসকলক নিঃসন্দেহে প্ৰফুল্লিত হৈছিল। সেই বাবে সম্পাদকৰ কামত উভহা উলিয়াই কোনেও একেষাৰ মাতো মতা নাছিল।

### প্ৰথম দিন

অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰা শ্ৰীমতী নলিনীবালা দেৱী প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ মহিলা। তেখেতক আদৰণী সভাপতি ফুকনদেৱে আগবঢ়াই আনি সভামণ্ডপত

প্ৰৱেশ কৰোঁতাৰ লগে লগে সকলো সমজুৱাই থিয় হৈ আৰু আইসকলে উৰুলি দি স্বাগত-সম্ভাষণ জনায়।

১৯৫৪ চনৰ ৩০ ডিচেম্বৰত দুপৰীয়া মুকলি অধিবেশন উদ্বোধন কৰে বৰপেটাৰ পণ্ডিত প্ৰবৰ নাৰায়ণচন্দ্ৰ মিশ্ৰ ভাগৱতবাগীশদেৱে বেদমন্ত্ৰ পাঠেৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি জ্ঞানঋষি ৰাধানাথ ফুকন ডাঙৰীয়াই এখনি চমু অথচ পুৰণি তথ্যপাতিৰে ভৰপূৰ সাৰগৰ্ভ অভিভাষণ পাঠ কৰে। তেখেতৰ ভাষণখনি আছিল সাহিত্য সভাৰ সভাপতিসকলৰ ভাষণৰ সমতুল্য—বিগত দিনৰ মূল্যবান দলিলস্বৰূপ। এই ভাষণৰ এক অংশ ৰূপলেখাৰ আদিতে উদ্ধৃত কৰা হৈছে।

শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে ডিম্বেশ্বৰ নেওগে লিখা 'ব্ৰজবুলি (মৈথিলী) আৰু অসমীয়া' শীৰ্ষক প্ৰবন্ধ পাঠৰ পিছত প্ৰধান সম্পাদকে পাঠ কৰা প্ৰতিবেদন গৃহীত হয়।

আবেগময় ভাষাত লিখা সভানেত্ৰী, বিদুষী শ্ৰীমতী নলিনীবালা দেৱীৰ অভিভাষণ শুনি সকলো সমজুৱাই আনন্দ লভিছিল।

সেই দিনা সন্ধিয়া ৭ বজাৰ পৰা সেই সভামণ্ডপতে যোৰহটীয়া শিল্পীসকলে এখনি মৌ-মেলৰ আয়োজন কৰি সকলোকে সন্তোষ দিয়ে।

## দ্বিতীয় দিন

পিছদিনা ৰাতিপুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডক্টৰ হিৰণ্যচন্দ্ৰ ভূঞাদেৱৰ সভাপতিত্বত বিজ্ঞান-শাখাৰ অধিবেশন অনুষ্ঠিত হয়। ভূঞাদেৱে তেওঁৰ ভাষণত বিজ্ঞানৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰে আৰু অসমীয়া সাহিত্যত বিজ্ঞানৰ আৱশ্যকতা আৰু অসমীয়া ডেকাসকলৰ এই বিষয়ে কৰ্তব্যৰ বিষয়ে ফঁহিয়াই দেখুৱাই দিয়ে।

দুপৰীয়া পুনৰ মুকলি অধিবেশন মহাসমাৰোহেৰে আৰম্ভ হয়।

এই সভাত সৰ্বমুঠ সোতৰটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বিভিন্ন ঠাইৰ পৰা যোৱা প্ৰতিনিধিসকলক চমু ব্যাখ্যাৰে এই প্ৰস্তাৱবোৰ উত্থাপন আৰু সমৰ্থন কৰিবলৈ দিয়া হৈছিল, যাতে উপস্থিত ৰাইজে নাম থকা প্ৰতিনিধিসকলৰ বক্তব্য শুনিবলৈ সুবিধা পায়। আজিকালি এই নিয়ম ৰহিত কৰি প্ৰতিনিধিসকলৰ কাৰ্য্যকলাপ বিষয়-বাছনী সভাৰ আঁৰবেৰৰ মাজতে ৰখাৰ প্ৰথা হৈছে।

বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু শৈলেন্দ্ৰনাথ ফুকনে ( ডেকা-ফুকনৰ ভ্ৰাতৃ ) দাঙি ধৰা প্ৰস্তাৱ দুটাই আৰু প্ৰস্তাৱক দুই ফুকনৰ গৰম বক্তৃতাই সভা-মণ্ডপত উত্তপ্ত পৰিবেশৰ সৃষ্টি কৰিছিল। সেই প্ৰস্তাৱ দুটা তলত হুবহু তুলি দিয়া হ'ল :

**৪ৰ্থ প্ৰস্তাৱ**—বঙ্গ গৱৰ্ণমেণ্ট আৰু বঙ্গ প্ৰাদেশিক কংগ্ৰেছ কমিটী আদিৰ কিছুমান স্বাৰ্থপৰ লোকে ঘোৰ প্ৰাদেশিকতাৰ মাজেদি কামৰূপ, গাৰোপৰ্বত আৰু গোৱালপাৰা জিলাক পশ্চিমবঙ্গৰ লগত লগ লগোৱাৰ যি অভিসন্ধি পাতিছে আজি অসম সাহিত্য সভাৰ এই সন্মিলনে তাৰ ঘোৰ প্ৰতিবাদ কৰে। গোৱালপাৰা জিলাত আৰু আন আন ঠাইত ভালেমান অনুষ্ঠানৰ যোগেদি এই আন্দোলনৰ বিপক্ষে যি প্ৰতিবাদ কৰা হৈছে, তাক আজিৰ সভাই ন্যায্য বুলি মানি লৈ দৃঢ়তাৰে সমৰ্থন কৰে।

**১৭শ প্ৰস্তাৱ**—পশ্চিমবঙ্গ কংগ্ৰেছ কমিটীয়ে ৰাজ্য-পুনৰ্গঠন আয়োগৰ আগত দাখিল কৰা স্মাৰক-পত্ৰত অসম আৰু অসমীয়া জাতি সম্পৰ্কে হীন আৰু অপমানসূচক মন্তব্য প্ৰকাশ কৰি অসমীয়া জাতিৰ আত্মসন্মানত দাৰুণ আঘাত দিয়াৰ বাবে এই সভাই পশ্চিম-বঙ্গ কংগ্ৰেছক গৰিহনা দিয়ে আৰু এনে অবাঞ্ছনীয় কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনায়। বিশেষকৈ তলত লিখা কথাখিনি সেই প্ৰতিবেদনৰ-পৰা অবিলম্বে প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিবৰ বাবে ভাৰত চৰ্কাৰক আৰু পুনৰ্গঠন আয়োগক আজিৰ সন্মিলনে অনুৰোধ জনায় আৰু এই সম্পৰ্কে কেন্দ্ৰীয় চৰ্কাৰ, ৰাজ্য চৰ্কাৰ আৰু সংশ্লিষ্ট সকলোৰে

দৃষ্টি আকৰ্ষণ কৰে। প্ৰত্যাহাৰ কৰিবলগীয়া বিশেষ আপত্তিজনক কথাখিনি হ'ল এই : Assamese have no real patriotism. They have already betrayed the cause of the Indian unity and integrity by allowing Sylhet, a Bengali speaking area to go easily to Pakistan. The motive behind this is nothing but to increase the percentage of Assamese in Assam. Assam is, therefore, not eager to maintain the present frontiers of India. So she cannot be relied upon so as to prove equal to the task of maintaining strategically important frontiers.

সন্ধিয়া সভামণ্ডপতে প্ৰাচ্য বাণী-সংঘৰ সহযোগত স্থানীয় সত্ৰ-সমূহৰ শিল্পীসকলে এক অঙ্কীয়া নাট 'ৰামবিজয়' ভাওনা প্ৰদৰ্শন কৰে। অসম সাহিত্য সভাৰ এই অধিবেশনৰ লগতে বাণীসম্মিলনৰ পক্ষৰ পৰা বকুলবনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই পহিলা জানুৱাৰী ৰাতিপুৱা এখনি কবি-সম্মিলনৰ আয়োজন কৰিছিল।

× × ×

এই লেখকৰ পিছৰ বছৰটো সম্পাদকৰ বাবে বৰ বেছি আহুকলীয়া হোৱা নাছিল ; কিয়নো প্ৰথম বছৰত বাট ভেটা দিয়া জেওজেঁাটবোৰ ক্ৰমাৎ আপোনাআপুনি নাইকিয়া হৈ পৰিছিল আৰু সাহিত্য সভাৰ কাৰ্য্যপৰিচালনাৰ ভালেখিনি আঁত লাগি আহিছিল।

সেই বছৰটোৰ আটাইতকৈ উল্লেখযোগ্য কামৰ ভিতৰত আছিল চৰ্কাৰী ভাষা আয়োগ আৰু ৰাজ্য পুনৰ্গঠন আয়োগৰ আগত স্মাৰক-পত্ৰ প্ৰদান। হৃদয়নাথ কুঞ্জৰু, ছৰ্দাৰ পানিকৰ আৰু ফজল আলিৰে গঠিত তিনিজনীয়া ৰাজ্য পুনৰ্গঠন আয়োগৰ আগত অসম সাহিত্য সভাৰ পক্ষৰপৰা ১৯৫৫ চনৰ ১০ মেইৰ দিনা গুৱাহাটী চাৰ্কিট হাউছত সাক্ষ্যদান কৰি ইংৰাজীত লিখা পুস্তিকাৰ

আকাৰত এখন স্মাৰক-পত্ৰ সদস্য তিনিগৰাকীৰ হাতে হাতে দাখিল কৰা হৈছিল। সেই স্মাৰকপত্ৰখন পুস্তিকাৰ আকাৰত আৰু অসম সাহিত্য সভা পত্ৰিকাত ওপৰঞ্চি হিচাপে (১৩শ বছৰ, ৩য় সংখ্যা) প্ৰকাশিত হৈছিল। সেই কাৰণে ইয়াত বিতং বিবৰণ দিয়া নহ'ল। এই আয়োগৰ ফলাফল কি হ'ল ৰাইজে দেখিছেই। গোৱালপাৰাক পশ্চিমবঙ্গৰ মৰখকৰপৰা ৰক্ষা কৰিব পৰা গৈছিল কিন্তু অসমৰ গুৰু কেইজনাৰ শেষ লীলাভূমি আৰু অসমীয়া সাহিত্যৰ স্নায়ুকেন্দ্ৰ কোচবিহাৰ অসমৰ বুকুলৈ ঘূনাই ঘূৰি নাহিল। গতস্য শোচনা নাস্তি।

সেই বছৰটোত আৰু দুটা ভাল কামৰ পাতনি তৰা হৈছিল। এটা হৈছে 'অসম সাহিত্য সভা বাৰ্ষিকী' আৰু আনটো হৈছে 'ভাষণাৱলী' প্ৰকাশ।

# তৃতীয় গুৱাহাটী অধিবেশন (২৪)

**ঃ ২৬, ২৭ ডিচেম্বৰ, ১৯৫৫ চন ঃ**

দ্বিতীয়বাৰো বিপুল ভোটত জয়লাভ কৰি 'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰাদেৱ ভয়ে ভয়ে, লাজে লাজে অসম সাহিত্য সভাৰ সিংহপীৰাত বহিবলৈ আহিছিল। নগৰৰ এচুকত থকা হেদায়েৎপুৰৰ কংগ্ৰেছ-চৌহদত এই সন্মিলন হোৱাৰ বাবেই হবলা, আগৰ দুবাৰৰ দৰে এইবাৰৰ সভাত সমগ্ৰ গুৱাহাটীবাসীৰ মাজত আলোড়নৰ সৃষ্টি হোৱা নাছিল। এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাৰ বহন কৰিছিল সুখ্যাৎ গল্পকাৰ হলীৰাম ডেকা (প্ৰাক্তন মুখ্য ন্যায়াধীশ) ডাঙৰীয়াই। গুৰিত থাকি দিহা-পৰামৰ্শ দিছিল বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে আৰু কাৰ্য্যকৰী সহায় হাত আগবঢ়াইছিল ডাক্তৰ ভুবনেশ্বৰ বৰুৱাদেৱে। যুটীয়া সম্পাদক হৈছিল ড° শ্ৰীমহেশ্বৰ নেওগ আৰু নাট্যকাৰ শ্ৰীপ্ৰবীণ ফুকন। সভাৰ আগে আগে নেওগ বাহিৰলৈ যাবলগীয়া হোৱাত গধুৰ ভাৰখন কান্ধত তুলি লৈছিল। সম্পাদক ফুকন আৰু ধনভঁৰালী শান্তিৰাম লহকৰে (প্ৰাক্তন এছ-পি)।

২৫ তাৰিখ পুৱা ৮ বজাৰপৰা আৰু বিয়লি ১ বজাৰপৰা গুৱাহাটী কুমাৰ ভাস্কৰ নাট্যমন্দিৰত পুৱাৰ আগভাগত নিৰ্বাচিত সভাপতি যতীন্দ্ৰনাথ দুৱৰাদেৱ আৰু পাছভাগত সভাপতিৰদ্বাৰা মনোনীত অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ সভাপতিত্বত বিষয়-বাছনী সভা বহে। সুখৰ বিষয় কোনো কথাতে ভোটৰ আৱশ্যক হোৱা নাছিল আৰু সকলো কথা সৰ্বসন্মতিক্ৰমে গৃহীত হৈছিল।

## প্ৰথম দিন

২৬ ডিচেম্বৰৰ দিনা ৰাতিপুৱা সাহিত্য সভাৰ সভামণ্ডপত ডক্টৰ শ্ৰীকালীনাথ শৰ্মাদেৱৰ পৰিচালনাত মাঙ্গলিক নাম-কীৰ্তনেৰে

অনুষ্ঠানৰ পাতনি মেলা হয়। ইয়াৰ পিছত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে এটি উদ্দীপনাময় ভাষণেৰে নৱকংগ্ৰেছ-ভৱনত সাঁচিপতীয়া পুথি, ছপাপুথি, কুটীৰ শিল্পৰ বিভিন্ন বস্তু আদিৰে আয়োজন কৰা প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে।

বিয়লি আৰম্ভ হোৱা মুকলি অধিবেশনত অসমৰ বিভিন্ন দলৰ নেতৃস্থানীয় লোকসকল, প্ৰবীন সাহিত্যিকসকল আৰু সাহিত্যানুৰাগী লোকসকলৰ বৃহৎ অংশ উপস্থিত আছিল।

আনুষ্ঠানিকভাৱে সুকবি দুৱৰাদেৱক সভাপতি বৰণ কৰাৰ পিছত শ্ৰীনাৰায়ণ বেজবৰুৱাদেৱৰ পৰিচালনাত ৰূপকোঁৱৰ জ্যোতি-প্ৰসাদ আগৰৱালা ৰচিত 'আইৰ পূজাৰ বেলি হ'ল' গীতটি পৰ্বত-ভৈয়ামৰ ডেকা-গাভৰু শিল্পীবৃন্দই গায়। অভ্যৰ্থনা সমিতিৰ সভাপতি হলীৰাম ডেকাদেৱে এখনি চুটি অথচ সাৰুৱা ভাষণ পাঠ কৰে। প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনীবালা দেৱীয়ে এটি স্বৰচিত কবিতা পঢ়ি শুনায়। কাব্যভাৰতী ধৰ্মেশ্বৰী দেবীবৰুৱানীয়ে ৰচনা কৰা এটি কবিতা শ্ৰীপৰাগধৰ চলিহাদেৱে পাঠ কৰে। প্ৰধান সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদকীয় প্ৰতিবেদন পঠিত আৰু গৃহীত হয়। সাহিত্য একাডেমীৰ সচিব শ্ৰীপ্ৰভাকৰ মাচুৱে মুখ্য অতিথি হিচাপে ভাৰতীয় ভাষাসমূহৰ বিষয়ে হিন্দীত এটা প্ৰাঞ্জল বক্তৃতা দিয়ে। ইয়াৰ পিছত সভাপতি দুৱৰাদেৱে তেখেতৰ সুদীৰ্ঘ আৰু সুললিত ভাষণ পাঠ কৰে।

সন্ধিয়া ৬ বজাৰপৰা সভামণ্ডপৰ মুকলিমঞ্চত সঙ্গীত-নাটক শাখাৰ কাম আৰম্ভ হয়। শ্ৰীক্ষীৰদা বিষয়াৰ পৰিচালনাত এটি সমদলীয় সঙ্গীত গোৱাৰ পিছত নাট্যকাৰ শ্ৰীলক্ষ্যধৰ চৌধুৰীয়ে এটি চমু বক্তৃতা দি শ্ৰীমিত্ৰদেৱ মহন্তদেৱক সভাত পৌৰোহিত্য কৰিবলৈ অনুৰোধ জনায়। ভাজেন আও আৰু তেওঁৰ সঙ্গীবৃন্দই নগা-নৃত্য দেখুৱায়। বৰপেটাৰ শ্ৰীদয়াল সুত্ৰধাৰ আৰু তেওঁৰ সঙ্গীবৃন্দই এটি বৰগীত গায়। সভামঞ্চতে শ্ৰীপ্ৰবীণ ফুকন ৰচিত 'মণিৰাম

দেৱান' নাটকৰ অভিনয় হয়। নামভূমিকাত নামিছিল সুখ্যাত অভিনেতা সৰ্বেশ্বৰ চক্ৰৱৰ্তী।

## দ্বিতীয় দিন

২৭ তাৰিখে ৰাতিপুৱা এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশৰ মাজত ড° ৰোহিণীকান্ত বৰুৱাদেৱৰ পৌৰোহিত্যত বিজ্ঞান শাখাৰ অধিবেশন অনুষ্ঠিত হয়। এই সভাৰ সম্পাদক আছিল ড° প্ৰসন্নচন্দ্ৰ গোস্বামী। সভাপতিৰ ভাষণখনিত লাগতিয়াল কথাৰ ইঙ্গিত আছিল।

দুপৰীয়া মুকলি সভাৰ কাৰ্য্য সাহিত্যৰথী বেজবৰুৱাদেৱৰ ৰচিত 'আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হম' এই সমদলীয় সঙ্গীতেৰে আৰম্ভ কৰা হয়। ছিলঙৰ শ্ৰীফণীধৰ শৰ্মাদেৱক তেখেতে

মুকলি অধিবেশন

ৰচনা কৰা অসমৰ জনজাতি ( খাছি ) গ্ৰন্থৰ বাবে পাঁচশটকীয়া দানেৰে পুৰস্কৃত কৰা হয়। নলবাৰীৰ সাহিত্যিক হৰিনাৰায়ণ দত্তবৰুৱাদেৱৰ সঙ্কলিত বিৰাট গ্ৰন্থ 'অসমীয়া মহাভাৰত' আৰু অসম সাহিত্য সভাৰ ভাষণাৱলী সভাঘৰত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। শ্ৰীমতী নলিনীবালা দেৱীয়ে তেখেতৰ কাৰ্য্যকাল সম্পৰ্কীয় এটি চুটি প্ৰবন্ধ পাঠ কৰে। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু শ্ৰীমহেন্দ্ৰনাথ বৰাই ( ডক্টৰ ) স্বৰচিত কবিতা পাঠ কৰি শুনায়। তৃতীয় বাৰৰ বাবে শ্ৰীহাজৰিকা প্ৰধান সম্পাদন নিৰ্বাচিত হয় সৰ্বসম্মতিক্ৰমে।

এই দিনাৰ সভাত নিয়মাৱলী সংশোধন আদিকে লৈ মুঠ ষোলটা প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱবোৰৰ এটাত অসমীয়া লিপিৰ পৰিবৰ্তে হিন্দীলিপি প্ৰৱৰ্তনৰ প্ৰচেষ্টাত তীব্ৰভাৱে বিৰোধিতা কৰা হৈছিল। প্ৰস্তাৱটো আগবঢ়াইছিল ৰত্নকান্ত কাকতীদেৱে—এটা তথ্যপূৰ্ণ ভাষণেৰে। আনবোৰ প্ৰস্তাৱত আছিল পণ্ডিত নেহৰুৰ লোকসভাত উত্থাপন কৰা ( ১৯। ১২। ৫৫ ) ভাৰতবৰ্ষক পাঁচোটা বিভাগত ভগোৱা পৰামৰ্শত অসন্তুষ্টি, ৰাজ্যভাষা প্ৰসঙ্গ, অৰুণাচলৰ

ভাষা-প্ৰসঙ্গ, অসমক দ্বিভাষী ৰাজ্য কৰা চক্ৰান্ত প্ৰসঙ্গ, আখৰ জোটনি সংস্কাৰ-প্ৰসঙ্গ, কাছাৰ প্ৰসঙ্গ, হাতেলিখা পুথি সংগ্ৰহ প্ৰসঙ্গ, ৰেলৰ অসমীয়া কিতাপ বিক্ৰি প্ৰসঙ্গ ইত্যাদি।

ওপৰত উল্লেখ কৰা লিপি-পৰিবৰ্তন প্ৰস্তাৱটোৰ সম্পৰ্কত কব পৰা যায় যে ভাৰতবৰ্ষৰ আন কোনো ৰাজ্যিক ভাষাই এই বিষয়ত এখোজো আগ নবঢ়া সত্বেও সমূহীয়া জনমত আৰু জাতিৰ স্বাৰ্থলৈ কেৰেপ নকৰি আগৰ কংগ্ৰেছ নেতাসকলে অসম সাহিত্য সভাৰ মজিয়া গচকিবলৈ সুবিধা পালেই অসমীয়াক নিজৰ সাতাম-পুৰুষীয়া লিপিবৰ্জন আৰু দেৱনাগৰী লিপি গ্ৰহণ কৰি সৰ্বভাৰতীয় হবলৈ বিনামূলীয়া উপদেশ বিতৰণ কৰি আহিছে। এই বিষয়ত সভাৰ দৃঢ় অভিমত এয়ে যে উন্নত বঙলা, তামিল আদি ভাৰতীয় ভাষাৰ সাহিত্যই বাট দেখুৱাই এই বিষয়ত আগবাঢ়ি আহিলেহে অসমীয়া সাহিত্যয়ো থৰকবৰক খোজেৰে তেওঁলোকৰ পাছ লব। নিশকতীয়া অসমীয়াই পোনপ্ৰথমে আগবাঢ়ি গৈ কেতিয়াও বলিশালত মুৰ সুমাই নিদিয়ে, দিয়াটো উচিতো নহয়।*

*১৯৫০ চনৰ ২৭, ২৮ আৰু ২৯ জুলাইত অসম চৰ্কাৰৰ তৰফৰ পৰা গুৱাহাটীত এখনি সভা আহ্বান কৰা হৈছিল আৰু উক্ত সভাত মীমাংসা হল যে লিপি পৰিবৰ্তনৰ নিচিনা গুৰুত্বপূৰ্ণ সমস্যা এটা সমাধান কৰিবলগীয়া হলে আগতে ভালদৰে আলোচনা কৰি লোৱাটো বাঞ্ছনীয় হব। সেই কাৰণেই উক্ত প্ৰস্তাৱ সাম্প্ৰতিকলৈ স্থগিত ৰখাকে স্থিৰ কৰিলে যদিও তাৰ কেইমাহমানৰ পিছতে অসম চৰ্কাৰে সদৌ অসমৰ সাহিত্যিক, সাহিত্যানুষ্ঠান আৰু চৰকাৰী স্কুলসমূহৰ পৰা এই বিষয়ে মতামত আহ্বান কৰিলে। শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া প্ৰমুখ্যে অসমৰ সকলো সাহিত্যানুৰাগীয়ে একবাক্যে একমুখে উক্ত প্ৰস্তাৱৰ বিৰোধিতা কৰাত অসম চৰ্কাৰে জনমত বুজিব পাৰি পুনৰ সভা আহ্বান কৰা নিস্প্ৰোজন বুলি ভাবি এটি বিবৃতিৰ দ্বাৰা লিপি-পৰিবৰ্তনৰ প্ৰস্তাৱটো স্থগিত ৰাখিলে আৰু সেই প্ৰস্তাৱ পুনৰ দাঙি ধৰা নাই। অসম সাহিত্য সভাই মাৰ্ঘেৰিটা, ছিলং আৰু যোৰহাট অধিৱেশনত সভাৰ স্পষ্ট মনোভাৱ প্ৰকাশ কৰি কৈ দিছে যে প্ৰস্তাৱিত লিপি পৰিবৰ্তনে অসমীয়া ভাষা-সাহিত্যৰ ওপৰত ৰাগী-কুঠাৰ মাৰিব আৰু আমাৰ ইমান দিনৰ সাহিত্য-প্ৰচেষ্টা বহু যুগলৈকে পাছ পৰি যাব।

: সম্পাদকীয়, অসম সাহিত্য সভা পত্ৰিকা, ১৪ শ বছৰ, ১ম সংখ্যা।

সভাৰ কাৰ্য্য শেষ হোৱাৰ আগতে সভাপতি ডুৱৰাদেৱে কবিত্বপূৰ্ণ ভাষাৰে সামৰণী মন্তব্যত মাজে মাজে অসমীয়া, বঙলা আদি কবিতাৰ আবৃত্তি কৰি শুনায়। অভ্যৰ্থনা সমিতিৰ ফালৰপৰা সভাপতি হলীৰাম ডেকাদেৱে আৰু প্ৰতিনিধিসকলৰ ফালৰপৰা শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে শলাগৰ শৰাই আগবঢ়ায়।

সন্ধিয়া ৬ বজাত ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ সভাপতিত্বত বুৰঞ্জী-শাখাৰ অধিবেশন বহে। এই শাখাৰ সম্পাদক শ্ৰীফণী তালুকদাৰে এই বিষয়ে তুআষাৰমান কোৱাৰ পিছত সভাপতি ডক্টৰ বৰুৱাই তেখেতৰ পাণ্ডিত্যপূৰ্ণ দীঘলীয়া ভাষণ পাঠ কৰে।

বুৰঞ্জী-সভা ভঙ্গ হোৱাৰ লগে লগে দ্বিতীয় দিনৰ সাংস্কৃতিক অধিবেশন বিপুল দৰ্শকৰ মাজত মহাসমাৰোহেৰে সম্পন্ন হয়।

× × ×

এইখিনিতে উল্লেখ কৰিব পাৰি যে অসম সাহিত্য সভাই নেফা সম্পৰ্কীয় প্ৰস্তাৱটো যথাবিহিতভাবে কাৰ্য্যকৰী কৰাৰ দায়িত্ব শ্ৰীপৰাগধৰ চলিহাক অৰ্পণ কৰিছিল। শ্ৰীচলিহাই এই বিষয়ে লাগিভাগি কাম কৰিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰী গোবিন্দবল্লভ পন্থ অসমলৈ অহাত তেওঁক গুৱাহাটী চাৰ্কিট হাউছত লগ ধৰি নেফাৰ বিষয়ে এখন স্মাৰক-পত্ৰ দাখিল কৰা হৈছিল। প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনীবালা দেৱী, হেম বৰুৱা, ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, ড° মহেশ্বৰ নেওগ, শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীপৰাগধৰ চলিহা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ চহী সম্বলিত স্মাৰক-পত্ৰখন পুস্তিকাৰ আকাৰত আৰু ১৫ শ বছৰ ২য় সংখ্যা অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশ হৈছিল। পন্থই সাহিত্য সভাৰ কথাবোৰ মনোযোগেৰে শুনা যেন লাগিছিল, কথাবতৰা আধৰুৱা হৈ থাকোঁতেই তেওঁক তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধিয়ে কিবা এটা কথা কৈ মাতি লৈ গ'লহি। গৃহমন্ত্ৰীয়ে সাহিত্য সভাৰ সজাতী দলক কোনো সিদ্ধান্তৰ কথা নজনোৱাকৈ

এইদৰে আঁতৰি যোৱাটো পুৰ্বপৰিকল্পিত যেন লাগিছিল। ৰাজনীতিৰ মেৰপাক বুজাতো সকলোৰে পক্ষে সহজ নহয়। দুখৰ বিষয় আজিও অসমৰ বাহিৰৰ মানুহে নেফা নেফানেফ কৰিব লাগিছে, হিন্দী সাম্রাজ্যবাদ তাত পুৰ্ণোদ্যমে চলি আছে। অসমৰ গাৰ মঙহবোৰ চপৰাচপৰে খুহিব লাগিছে। তথাপি জানো আমি সাৰ পাইছোঁ? তথাপি জানো আমি কেটকুট কৰিছোঁ?

বৰ্ত্তমানে অৰুণাচল বা নেফা-প্রসঙ্গটো অসম সাহিত্য সভাৰ ইতিবৃত্তত এটা শেষ নোহোৱা সাধুৰ দৰে হৈছে। আজিও ইয়াৰ জইন মৰা নাই। আন একো কৰিব নোৱাৰিলেও সাহিত্য সভাৰ একোটা সৰু দলে আজিও ঢৌতে খৰ মাৰি ৰুক্মিণী-ৰাজ্যলৈ গৈ পৰ্বতৰ ভাই-ভনীসকলৰ মাজত সম্প্রীতি সন্দেশ বিলাবলৈ কিৰ্পিণালি কৰা নাই। এটা সুকীয়া অধ্যায়ত এনে ‘সম্প্রীতি-সন্দেশ’ৰ আভাস দিয়া হৈছে।

সেই বছৰ নৱেম্বৰ মাহত দিল্লীত য়ুনেস্কৰ অধিবেশন উপলক্ষে ভাৰত চৰ্কাৰে সাহিত্য একাডেমীৰ যোগেদি এখনি প্রদৰ্শনী পাতিছিল। যিমানদূৰ পাৰি অসমীয়া পুথি গোটাই টোপোলা বান্ধি নি আটোম-টোকাৰিকৈ সজাই দিল্লীৰ পুথি-প্রদৰ্শনীত অধ্যক্ষ শ্রীতীৰ্থনাথ শৰ্মাদেৱে বিশিষ্ট দৰ্শকবৃন্দৰ পৰা যশস্যা অৰ্জাৰ উপৰিও বিদেশত অসমীয়া সাহিত্যৰ সন্মান অটুট ৰাখি আহিব পৰাটো সন্তোষৰ কথা।

# ৰূপালী-জয়ন্তী অধিবেশন (২৫)

**: ধুবুৰী, ২৭, ২৮, ডিচেম্বৰ, ১৯৫৬ চন :**

অসম সাহিত্য সভাৰ জীৱন-বুৰঞ্জীত ১৯৫৬ চনৰ ডিচেম্বৰ মাহটো চিৰস্মৰণীয় হৈ থাকিব। বছৰৰ লেখেৰে অসমৰ এই সাহিত্য-অনুষ্ঠানখনিৰ বয়স প্ৰায় ডুকুৰি বছৰ হলেও ধুবুৰীৰ এই অধিবেশন পঞ্চবিংশ অধিবেশন হোৱাত ৰূপালী জয়ন্তী অধিবেশন হিচাপে মহাসমাৰোহেৰে গোৱালপাৰাবাসী আৰু সদৌ অসমৰ ৰাইজৰ সমিলমিল ভাব আৰু উলহমালহৰ মাজেদি সুসম্পন্ন হয়। এইবাৰ ধুবুৰীত অসম সাহিত্য সভাৰ দ্বিতীয়বাৰ অধিবেশন।

ইমান আড়ম্বৰেৰে আৰু আন্তৰিকতাৰে এই উৎসৱ পতাৰ দিহা কৰা হৈছিল যে সেই কথা আন ঠাইৰ প্ৰতিনিধি আৰু দৰ্শকসকলে ধুবুৰী পোৱাৰ আগতে ভাবিবকে পৰা নাছিল। ৰেলগাড়ীয়ে ধুবুৰীৰ ওচৰ চপাৰ লগে লগে তেওঁলোকৰ মন আনন্দমুখৰ ধুবুৰী নগৰে আকৃষ্ট কৰি তুলিছিল। বহু সংখ্যক প্ৰতিনিধি আৰু নিমন্ত্ৰিত দৰ্শকে এই সভাত যোগ দিছিল। ষ্টেছনৰপৰাই সকলোকে দৰা-আদৰাৰ নিচিনাকৈ অভ্যৰ্থনা জনাই প্ৰতিনিধি-বাহৰত ভাগে ভাগে স্থান দিয়া হৈছিল।

প্ৰতিনিধি-বাহৰৰ দায়িত্ব গ্ৰহণ কৰিছিল ধুবুৰী চৰ্কাৰী হাইস্কুলৰ প্ৰধান শিক্ষক দেৱদত্ত গোস্বামীদেৱে। গৌৰীপুৰ ময়দানত বিৰাট সভামণ্ডপ আৰু চৰ্কাৰী হাইস্কুলত বিজ্ঞান-প্ৰদৰ্শনী পতা হৈছিল। তোৰণ কেইখনৰ নাম আছিল—'আনন্দচন্দ্ৰ আগৰৱালা তোৰণ,' 'বাণীকান্ত কাকতি তোৰণ'; 'কৰ্মবীৰ নবীন বৰদলৈ তোৰণ' আৰু 'ৰসৰাজ বেজবৰুৱা তোৰণ'। এইদৰে ধুবুৰীৰ ৰাইজে বীৰপূজা আৰু ভাষা-জননী পূজাৰ বিপুল আয়োজন কৰিছিল। কেৱল ধুবুৰী বুলি ক'লে ভুল কৰা হব, গোটেই ধুবুৰী মহকুমাৰ

জাতি-বৰ্ণ, মুনিহ-তিৰোতা নিৰ্বিশেষে সকলো ৰাইজেই সহযোগ কৰি এই মাতৃপূজাৰ মহোৎসৱ সাফল্যমণ্ডিত কৰি তুলিবলৈ চেষ্টা কৰিছিল।

## স্বাগত স্বাগত ভক্ত সমাগত

২৬ ডিচেম্বৰৰ আবেলি ৩ বজাৰপৰা চৰ্কাৰী উচ্চ ইংৰাজী স্কুলৰ মুকলি চোতালত আৰু সন্ধিয়া ৭ বজাৰপৰা ধুবুৰী অসম সংঘৰ ভৱনত বিষয়বাছনী সভা বহে—নিৰ্বাচিত সভাপতি শ্ৰীবেণুধৰ শৰ্মাদেৱৰ সভাপতিত্বত। এই সভাত প্ৰায় দুশজন প্ৰতিনিধি উপস্থিত আছিল।

সেই একে দিনাই আবেলি ৪ বজাত বিৰাট সভামণ্ডপৰ ওচৰতে পৰিপাটিকৈ সজোৱা প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছিল 'আৱাহন' যুগৰ প্ৰসিদ্ধ গল্পলেখক শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায় ডাঙৰীয়াই।

২৭ ডিচেম্বৰ ৰাতিপুৱা স্বাস্থ্যমন্ত্ৰী ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াৰ সভাপতিত্বত বুৰঞ্জী-শাখাৰ অধিবেশন বহে। সভাপতি ব্ৰহ্মদেৱে তেখেতৰ তথ্যপূৰ্ণ দীঘলীয়া অভিভাষণত গোৱালপাৰা আৰু গোৱালপাৰাবাসীৰ অতীত গৌৰৱৰ বিষয়ে কয়—"বন্ধুসকল!

বুৰঞ্জী সভা

আজি যি ঠাইত আপোনালোক সমবেত হৈছে, এই ঠাই প্ৰাচীন কামৰূপ ৰাজ্যৰ এটা প্ৰধান আৰু অবিচ্ছেদ্য অংশ আৰু অসমগৌৰৱ কোচ-ৰজাসকলৰ আদিপুৰুষ ডাম্বাম্বু মেছ, হাওৰীয়া মেছৰ বংশসম্ভূত মহাৰাজ বিশ্বসিংহৰ আদিম ৰাজ্য—যাৰ সীমা আছিল পুবত মানাহ, সোণকোষ পশ্চিমত। উত্তৰে ধৱলগিৰিৰ দক্ষিণে লৌহিত্য'।" এই ধুবুৰী মহকুমাৰ উত্তৰ অঞ্চলত—হিমালয়ৰ পাদদেশত, চিকনা নামক অতীৱ ৰমণীয় ঠাইত এই কোচৰজাৰ আদিপুৰুষসকলৰ বাসস্থান আছিল।

অসমে অতীজতে যেনেকৈ সকলো বিষয়ত চৰম উৎকৰ্ষ সাধন কৰিছিল, আজিও তেনে উৎকৰ্ষ সাধন কৰি নৱভাৰতত অতুলনীয় স্থান অধিকাৰ কৰিবৰ যথেষ্ট সম্ভাৱনা হৈ আছে। মাত্ৰ আজি

অসমৰ মাজত জাতি, ধৰ্ম, সম্প্ৰদায়, দল আৰু স্থান নিৰ্বিশেষে পৰিবৰ্তিত মনোভাব লৈ সংঘবদ্ধ হৈ সকলো ক্ষেত্ৰতে যুক্তভাৱে কাম কৰিবৰ প্ৰেৰণা জগাই তুলিব লাগিব।"

শিৱসাগৰৰ বুৰঞ্জীবিদ শ্ৰীভুবনচন্দ্ৰ সন্দিকৈদেৱে 'অতীত অসমত কুটীৰ শিল্প আৰু খনিজ পদাৰ্থৰ স্থান' শীৰ্ষক দীঘলীয়া প্ৰবন্ধ এটি পাঠ কৰে। বঙাইগাঁৱৰ কবি শ্ৰীযোগেন্দ্ৰনাথ সৰকাৰে 'অসমৰ জয়গান' শীৰ্ষক কবিতাৰ মাজেদি সুন্দৰভাৱে গোৱালপাৰা তথা অসমৰ ঐতিহাসিক বিশ্লেষণ এটি দাঙি ধৰে গুৱাহাটী যাদুঘৰৰ বিষয়া শ্ৰীপ্ৰেমধৰ চৌধুৰীদেৱে লিখা 'অসমৰ ইতিহাসত খোদিত লিপিৰ স্থান' প্ৰবন্ধটি পাঠ কৰা হয়।

বিয়লি দুই বজাৰপৰা আৰম্ভ হোৱা মুকলি অধিবেশন উদ্বোধন কৰি 'কমলকলি'ৰ কবি শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীদেৱে তেওঁৰ ভাষণত

মুকলি অধিবেশন

কয়—"অতি প্ৰাচীন কালৰপৰাই অসমৰ লগত গোৱালপাৰা জিলাবাসীৰ অন্তৰৰ সম্বন্ধ। আমাৰ এই অন্তৰৰ সম্বন্ধ কোনেও ছেদন কৰিব নোৱাৰে।" প্ৰবীন সাহিতিক শ্ৰীবেণুধৰ শৰ্মাদেৱে আনুষ্ঠানিকভাৱে সভাপতিৰ আসন গ্ৰহণ কৰাত অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰমথনাথ চক্ৰৱৰ্ত্তী ডাঙৰীয়াই তেখেতৰ আদৰণী ভাষণত অসমৰ সোণালী ভবিষ্যত কামনা কৰি সামৰণিত কয়—"আজিৰ ধুবুৰী আৰু আগৰ ধুবুৰী একে নহয়। আজিৰ ধুবুৰী বন্যাবিধ্বস্ত, দুৰ্ভিক্ষপ্ৰপীড়িত আৰু অৰ্থনীতিৰ হেঁচাচেপাত জৰ্জৰিত। আপোনালোক মহীয়ান, অসমীয়া সংস্কৃতি, সাহিত্য, কৃষ্টি, শিল্পকলাৰ পূতপ্ৰবাহক। মই জানো, অসমীয়া সাহিত্য-সংস্কৃতিৰ কল্যাণৰ নিমিত্তে আহুতি দিবলৈ আপোনালোক পশ্চাৎপদ নহয়।"

কাব্যভাৰতী ধৰ্মেশ্বৰী দেৱীবৰুৱানীয়ে লিখা 'পূজা বন্দনা' নামৰ কবিতা আৰু শ্ৰীমতী নলিনীবালা দেৱীৰ 'আইৰ পূজা' নামৰ কবিতা পঢ়ি শুনোৱা হয়। "সভাপতিদেৱে প্ৰায় ডেৰঘণ্টা সময় জুৰি এখনি

ৰসাল সুদীৰ্ঘ ভাষণ পাঠ কৰে। তেখেতে ধুবুৰী সন্মিলনৰ বীজমন্ত্ৰ সম্পৰ্কে কয়—"আজি আমাৰ যুগসন্ধি, ভাষাসন্ধি আৰু মিলন-সন্ধিৰ তিনিমুনি বাটত থমথমকৈ বহি থকা বুঢ়া ডাঙৰীয়াৰ লেখ অপাৰ। সেইবোৰক সসম্মানে সিপাৰ কৰিবলৈ ধুবুৰীঘাটে আমাৰ নিষ্প্ৰাণ সাহিত্যত প্ৰাণশক্তিৰ সঞ্চাৰ কৰক। এয়ে আজি ধুবুৰীৰ-াানৰ বীজ-মন্ত্ৰ।"

সেই দিনাই আবেলি ৫ বজাত স্থানীয় চৰ্কাৰী হাইস্কুলত পতা বজ্ঞান-প্ৰদৰ্শনী মুকলি কৰে এই শাখাৰ নিৰ্বাচিত সভাপতি লক্ষ্মীনাথ দাস ডাঙৰীয়াই।

২৮ ডিচেম্বৰ ৰাতিপুৱা আৰম্ভ হোৱা বিজ্ঞান-সভাত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে সভাপতি স্বভাৱবিজ্ঞানী লক্ষ্মীনাথ দাসদেৱৰ চিনাকি দিয়ে। কায়থেলী অঙ্কৰ গৱেষণা কৰোঁতা বেলশৰৰ শ্ৰীদণ্ডীৰাম দত্তদেৱে উদাহৰণেৰে কায়থেলী অঙ্কৰ চানেকী দেখুৱায়। সভাপতিয়ে প্ৰাঞ্জল আৰু সহজ ভাষাত লিখা তেখেতৰ চিন্তাশীল অভিভাষণখনি পাঠ কৰে।

## নেতাই ধুবুনীঘাটে মাতৃপুজা পাতে

বিয়লি দুই বজাৰপৰা প্ৰায় দহহেজাৰ জনসমাগমত দ্বিতীয় দিনাৰ মুকলি অধিবেশন মহাসমাৰোহেৰে আৰম্ভ হয়। প্ৰধান সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ প্ৰতিবেদনখনত আগৰ বছৰ অসম সাহিত্য সভাৰ যোগেদি হোৱা সকলো কাৰ্য্যৰ আভাস দিয়া হৈছিল। কাৰ্য্যনিৰ্বাহক সভা, আয়-ব্যয়, পত্ৰিকা, নেফা-দিন পালন, ৰাজ্যপালৰ ওচৰত সজাতী দল, শাখা সভাৰ কাৰ্য্যাৱলী, চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্ত ন্যাস-সমিতি, পুৰণি স্মৃতিচিন, দিল্লীত পুথি-প্ৰদৰ্শনী, ৰেলৰ সুবিধা, গ্ৰন্থপ্ৰকাশ আদি বিবিধ শিতানত সাহিত্য সভাৰ অগ্ৰগতিৰ বিষয়ে জনাবলগীয়া আৰু জানিবলগীয়া সকলো কথা এই প্ৰতিবেদনত সন্নিবিষ্ট কৰি সামৰণিত বিদায় মাগি শ্ৰীহাজৰিকাই

কয়—"অসম সাহিত্য সভাই বছৰে বছৰে উন্নতিৰ বাটত আগবাঢ়ি গৈ মোৰ চিৰচেনেহী অসমী আইৰ মলিন মুখত হাঁহিৰ ৰেখা বিৰিঙাই তোলক—এয়ে সদৌ শেহত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা।"

বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে অসমীয়া ভাষা-সাহিত্য সম্পৰ্কে এটি ওজস্বিনী বক্তৃতাত কীৰ্তন-ঘোষাৰ সুৰতে সুৰ মিলাই য'ত আজান ফকিৰে জিকিৰ ৰচিছিল, তেনে ঠাইত হিন্দু-মুছলমান, শিখ-খৃষ্টিয়ান আটায়ে একগোট হৈ অসমক আপোন বুলি সাৰটি লোৱা কথাত বিচিত্ৰতা একো থাকিব নোৱাৰে বুলি কয়। শ্ৰীফণী তালুকদাৰে 'নজনা সিমুঠি' নামৰ জাতীয় কবিতা এটি আবেগময়ী কণ্ঠেৰে আবৃত্তি কৰে। স্থানীয় কবি মকবুল আলিয়েও গোৱালপৰীয়া কথ্য ভাষাৰে 'হুচিয়াৰ' নামৰ কবিতা পাঠ কৰে।

তাৰ পিছত সভাত সৰ্বসন্মতিক্ৰমে আঠটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰস্তাৱ কেইটাৰ ঘাই বিষয় আছিল—উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষাৰ মাধ্যম, এটা প্ৰকাশন-সমিতি গঠন, অসমীয়া তথ্যচিত্ৰ-প্ৰদৰ্শনৰ ব্যৱস্থা, ভৈয়ামত জনজাতীয় ছাত্ৰৰ বাবে ছাত্ৰাবাস স্থাপন, সাহিত্য একাডেমীৰ বঁটাত অসমীয়া পুথি বাদ পৰাত অসন্তুষ্টি ইত্যাদি।

প্ৰস্তাৱ গ্ৰহণৰ পিছত মহাদেৱ শৰ্মা ডাঙৰীয়াই আবেগময় কণ্ঠেৰে এটি চমু বক্তৃতা দি কয় যে গতিহীনতাই মৃত্যু—আনফালে অমৃতেই জ্ঞান। প্ৰধান সম্পাদক শ্ৰীঅতুলচন্দ্ৰ শ্ৰীহাজৰিকাই তিনিবাৰে নিবাৰ কৰি, ঘাইকৈ চকুৰ অসুখৰ বাবে পুনৰ সম্পাদক হবলৈ অপাৰগ হোৱাত প্ৰতিদন্দ্বিতা হয় অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা আৰু অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহাৰ মাজত। চলিহাই ভোটত জয়লাভ কৰে। হাজৰিকা উপসভাপতি নিৰ্বাচিত হয় সৰ্ব-সন্মতিক্ৰমে। উপসভাপতিৰ পদটো এইবাৰেই সৃষ্টি হৈছিল।

সামৰণী ভাষণত সভাপতি শ্ৰীশৰ্মাদেৱে প্ৰমথনাথ চক্ৰবৰ্তী প্ৰমুখ্যে অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া আৰু ধুবুৰী ৰাইজক এই জয়ন্তী

উৎসৱৰ কৃতকাৰ্য্যতাৰ বাবে শলাগ জনায়। অভ্যৰ্থনা সমিতিৰ ফালৰপৰা প্ৰমথনাথ চক্ৰবৰ্ত্তী আৰু শ্ৰীদিনেশৰঞ্জন সৰকাৰ ডাঙৰীয়াই সকলো সম্প্ৰদায়ৰ লোকে ৰূপালী জয়ন্তী অধিবেশন সুসম্পন্ন হোৱাত সহায় কৰাৰ কাৰণে সন্তোষ প্ৰকাশ কৰে।

অসম সাহিত্য সভাৰ মূল অধিবেশনৰ লগতে সঙ্গীত-ওজা লক্ষ্মীৰাম বৰুৱাৰ পুত্ৰ শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা ( এম-পি ) দেৱৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সঙ্গীত-সম্মিলনীত দেখা পোৱা গৈছিল, অসমৰ পূব প্ৰান্তৰপৰা পশ্চিমলৈ বিয়পি থকা সঙ্গীত-নৃত্য সম্ভাৰৰ মোহন মাহনা। পশ্চিম অসমৰ সংস্কৃতিৰ কেন্দ্ৰস্থল ধুবুৰীত বহা অসম সাহিত্য সভাৰ পঞ্চবিংশ অধিবেশনত পঁচিছগছি বন্তিৰ পোহৰত আৰম্ভ হোৱা, ২৭ আৰু ২৮ তাৰিখৰ দুখনি সঙ্গীত সন্ধিয়াত প্ৰাচীন কামৰূপৰ বিভিন্ন শিল্পীদলৰ বিবিধ সঙ্গীত-নৃত্য দেখি আমাৰ দেশৰ অতীতৰ বিৰাট নৃত্য-গীত ঐশ্বৰ্য্যৰ কথাই মনলৈ আহিছিল। অভ্যৰ্থনা সমিতিৰ অন্যতম সহকাৰী সভাপতি মানগোবিন্দ চক্ৰৱৰ্ত্তীদেৱে নিজে বাদ্যযন্ত্ৰ বজাই সক্ৰিয় ভাগ লোৱাত দৰ্শকসকলে বিশেষ আনন্দ লাভ কৰিছিল।

### পাৰ্শ্বজ্যোতি

বাজিল দুবাৰ 'বেণু' ধুবুৰীঘাটত,
জননী জলনিধিজা লৌহিত্যতীৰত।
প্ৰমথ দিনেশ দুয়ো হ'ল গুৰিয়াল,
চলিল ময়ূৰপঙ্খী ৰঙে ৰঙিয়াল।
চিৰচেনেহীৰ পূজা ষোড়শোপচাৰ,
প্ৰান্তবাসী ৰাইজৰ আনন্দ অপাৰ।
মাৰীচ-সুবাহুবোৰ দূৰতে বিদূৰ,
আকাশ মধুৰ হ'ল, বতাহ মধুৰ।

## কাছাৰ জিলাত কাৰ্য্যপালিকা

১৯৫৮ চনৰ ১৪, ১৫ মাৰ্চ। সেই দুদিন কাছাৰ জিলাৰ শিলচৰ চহৰত অসম সাহিত্য সভাৰ কাৰ্য্যপালিকাৰ গুৰুত্বপূৰ্ণ অধিবেশন বহিছিল। সভাৰ নিজা ঘৰ অসম ভৱনত বহা সেই কাৰ্য্যপালিকাৰ সভা অসম সাহিত্য সভাৰ সৰুসুৰা বছেৰেকীয়া অধিবেশনৰ সমতুল্য হৈছিল বুলি কলেও ভুল নহয়। উল্লেখযোগ্য যে যোৰহাট আৰু গুৱাহাটীৰ বাহিৰত অনুষ্ঠিত হোৱা শিলচৰ অধিবেশন আছিল বাটেকটীয়া অধিবেশন।

অধিকাৰ নহলে ডেকা অধিকাৰে পাটত বহাৰ নিচিনাকৈ সভাপতি অনুপস্থিত থকাৰ বাবে শিলচৰ কাৰ্য্যপালিকাৰ সভাত উপসভাপতি হাজৰিকাৰ ওপৰতে সভাপতিৰ ভাৰ পৰিছিল। সভা পৰিচালনাত আছিল সম্পাদক শ্ৰীপৰাগ চলিহা (অধ্যক্ষ)। আনুষ্ঠানিক কামৰ উপৰিও এই সভাতে 'সীমান্তৰ সন্দেশ', 'নীলাচল পাঠ,' 'An Outlook on NEFA,' This i... Assam' আদি গ্ৰন্থ ছপাবলৈ সিদ্ধান্ত লোৱা হৈছিল।

শিলচৰত অসম সাহিত্য সভাৰ এটা নিজা ভৱন আছে আৰু সেই ভৱনৰ চৌহদতে অসমীয়া মাধ্যমৰ পঢ়াশালি এখনো আছে। তাত নামঘৰ এটাও হবৰ কথা আছিল। এই অসম-ভৱন নিৰ্মাণ কাৰ্য্যত শ্ৰীধৰণীধৰ চৌধুৰী (প্ৰাক্তন জিলা-ন্যায়াধীশ), শ্ৰীভোলানাথ শ... (ন্যায়াধীশ), কুসুম ফুকন (প্ৰাক্তন উপায়ুক্ত) প্ৰভৃতি তেতিয়া তাত কাম কৰা চাকৰিয়ালসকলে আগভাগ লৈছিল আৰু বিশ্বনাথ ৰাজবংশীয়ে তেওঁলোকক আগহাত হৈ সহায় কৰিছিল। হৰেশচন্দ্ৰ ভট্টাচাৰ্য্য আৰু বিশ্বনাথ ৰাজবংশী এসময়ত শিলচৰ অঞ্চলত অসম সাহিত্য সভাৰ দুটা লাইখুটাৰ দৰে আছিল। তাত ফলস্বৰূপে নিৰ্মিত হোৱা মনোৰম ভৱনটিত থাকিবলৈ পাই সদস্যসকল প্ৰফুল্লিত হৈছিল। শিলচৰ সাহিত্য সভাৰ সভাপতি কবিৰাজ হৰেশচন্দ্ৰ ভট্টাচাৰ্য্যই অসম ভৱনত দূৰণিবটীয়া অতিথিসকলক থকা-মেলা সকলো সুবিধা কৰি দিছিল

ভট্টাচাৰ্য্যৰ দৰে সৌহাতস্বৰূপ বিশ্বনাথ ৰাজবংশীও সেই কেইদিন সদস্যসকলৰ লগত ছাঁৰ দৰে গাতে লাগি আছিল।

কাৰ্য্যনিৰ্বাহক সভা সুচাৰুৰূপে অনুষ্ঠিত হৈ যোৱাৰ পিছত ১৫ মাৰ্চৰ দিনা সন্ধিয়া ঘৰুৱাভাৱে এখন প্ৰীতি-সম্মিলন পাতি অসমীয়া বঙালী আদি বিভিন্ন গোষ্ঠীৰ লোকৰ লগত সদস্যসকলে মুকলি ভাৱে আলোচনা কৰিছিল। সকলোৱে পাৰস্পৰিক সাংস্কৃতিক আদান-প্ৰদান আৰু সমিলমিল ভাবৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আমাৰ ফালৰ সদস্য কেইগৰাকীমানৰ উপৰিও সেই প্ৰীতি-মেলত শ্ৰীযোগেন্দ্ৰচন্দ্ৰ দত্ত, শ্ৰীআলতাফ হুছেইন মজুমদাৰ ( প্ৰাক্তন মন্ত্ৰী ), শ্ৰীনগেন্দ্ৰনাথ শ্যাম আৰু কবিৰাজ হৰেশচন্দ্ৰ ভট্টাচাৰ্য্যই একোটিকৈ শুভেচ্ছামূলক ভাষণ দিছিল।

শিলচৰৰপৰা সদস্যসকল ঢৌতে খৰ মাৰি তাৰাপুৰৰ ফালেও এপাক ফুৰি আহিছিলগৈ। তাৰাপুৰত সদস্যসকলে নামঘৰ, পঢ়াশালি আৰু দুই এঘৰ মানুহৰ ঘৰত ফুৰি সেই অঞ্চলৰ মানুহৰ জীৱনৰ আওভাও বুজিবলৈ যত্ন কৰিছিল। কাছাৰ জিলাত ভালেকেইখন অসমীয়া গাঁও আছে। বেছিভাগেই মানভগনীয়া চুটিয়া সম্প্ৰদায়ৰ মানুহ বুলি গম গোৱা গৈছিল। তেওঁলোকে তাত অসমীয়া জীৱনৰ মূল সুঁতিটোৰপৰা বিচ্ছিন্ন হৈ নানান আলৈ-আহুকালৰ মাজেদি নিঃসঙ্গ জীৱন কটাবলৈ বাধ্য হৈছে।

## নেফা নেফানেফ্

সেই বছৰটোত নেফা সমস্যাটোৰেই সভাই অধিক গুৰুত্ব আৰোপ কৰিছিল আৰু সম্পাদক চলিহাই এই বিষয়ে নেৰোপানি হৈ লাগিছিল। ১৯৫৮ চনত ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাৰ ৬৩ তম অধিবেশন গুৱাহাটীত ( জালুকবাৰী ) ইউ-এন-ধেবৰজীৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। সেই উপলক্ষে অসমলৈ ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰপৰা নেতৃস্থানীয় লোকসকলক এই সমস্যাটো সম্যকভাৱে অৱগত কৰাবলৈ

সিদ্ধান্ত লোৱা হয়। কম সময়তে সম্পাদক চলিহাই কলিকতাৰপৰা প্ৰেমধৰ ৰাজখোৱাৰ সহায়ত তুখন কিতাপ ছপাই আনি কংগ্ৰেছৰ প্ৰতিনিধি আৰু দৰ্শকসকলৰ হাতে হাতে একোখন দিয়ে। The Outlook on NEFA নামৰ কিতাপৰ জোৰণিত লিখিছে: Assam's case often goes by default becaase of utter lack of publicity outside the frontiers of the State. And the region known as NEFA which forms an integral part of the Eastern Frontier of India presents a case for sober analysis in its relation to Assam. The book is an humble attempt to acquaint and enlighten our guests about the different aspects of NEFA vis-a-vis Assam. কিন্তু গালৌঁ বালৌঁ, খোলাকটিৰ তাল। এই গ্ৰন্থ প্ৰদানৰদ্বাৰা কিবা যে বিশেষ সুফল লাভ হ'ল, তেনে কথা কব পৰা নেযায়।

বৰ্তমানে নেফা স্বতন্ত্ৰীয়া অৰুণাচল প্ৰদেশ হোৱাত আমাৰ পৰম আনন্দ; কিন্তু তাত সাতসাগৰ তেৰনদীৰ সিপাৰৰপৰা অহা ইংৰাজী আৰু ভাটী মুলুকৰপৰা অহা হিন্দী ভাষাই গাতে লাগি থকা সাতামপুৰুষীয়া অসমীয়া ভাষাক এঘৰীয়া কৰি সাতভাঁতীৰ বাহিৰ কৰি দিয়াটোহে পৰিতাপৰ বিষয়। সেয়ে হলেও আমি চিৰদিনে স্বীকাৰ কৰিম যে অৰুণাচলবাসী আমাৰ বুকুৰ কুটুম। তেজ ধুলে উটে, মঙহ ধুলে ফুটে।

# তিনিচুকীয়া অধিবেশন (২৬)

ঃ ২০, ২১ এপ্ৰিল ঃ ১৯৫৮ চনঃ

ডিব্ৰুগড় জিলাৰ তেতিয়া জন্ম নৌ এথোন। তিনিচুকীয়া তেতিয়াও মহকুমা-চহৰ হোৱা নাছিল। কিন্তু সেয়ে হলেও অসমৰ এখন লেখৰ বাৰেচহৰীয়া বাণিজ্য-নগৰ। এই তিনিচুকীয়াতে অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন অনুষ্ঠিত হৈছিল ১৯৫৮ চনত, বিশেষ উলহমালহৰ মাজত। এই অধিবেশনৰ পুৰোহিত হৈছিল 'ফুলনি'ৰ মালী পদ্মধৰ চলিহাদেৱ। অসম সাহিত্য সভাৰ লগত এই চলিহা-বংশৰ তিনিপুৰুষীয়া সম্পৰ্ক।

এই অধিবেশনৰ আদৰণী-সভাপতি হৈছিল তিনিচুকীয়াৰ বয়োবৃদ্ধ নাগৰিক আৰু চাহখেতিয়ক সোমেশ্বৰ বৰুৱা ডাঙৰীয়া। তেখেতে আদৃৰণী ভাষণত লিখিছিল—"এই তিনিচুকীয়া চহৰ, ইয়াৰ আশেপাশে থকা 'অজান্তি মুলুক' নামে অভিহিত অঞ্চলৰ তিনিচুকীয়া পুখুৰী মটক ৰাজ্যৰ ৰজা শ্ৰীশ্ৰীসৰ্বানন্দসিংহই খনাইছিল। খেনোৰ মতে এই পুখুৰী খনাইছিল সৰ্বানন্দসিংহ স্বৰ্গদেউৰ মন্ত্ৰী গোধা বৰবৰুৱাই। ভালেকেইটি পুৰণি পুখুৰীৰ আজি আৰু চিনমোকাম নাই। × × সৰ্বানন্দসিংহ স্বৰ্গদেৱে ন পুৰা মাটি বিস্তৃত কৰি খন্দোৱা ন পুখুৰীয়ে আজিও স্বৰ্গদেৱৰ গৌৰৱ ঘোষণা কৰে।** স্বৰ্গদেৱ সৰ্বানন্দসিংহ গ'ল—ৰাজ্য গ'ল, ঐশ্বৰ্য্য, বিভূতি আৰু প্ৰভাৱ গ'ল—কিন্তু হেজাৰ হেজাৰ বছৰৰ কাৰণে থৈ গ'ল সৌ এচমকা পবিত্ৰ স্থান—যি স্থানেই আজি কবি-সাহিত্যিক, ভাবুক প্ৰেমিকৰ স্বৰ্গ।"

১৯ তাৰিখে পুৱা তেতিয়াৰ বিত্তমন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মাদেৱে কচুজান খেলমাটিত আয়োজন কৰা ( সভামণ্ডপৰ ওচৰত ) প্ৰদৰ্শনী মুকলি কৰে। সেই দিনা পুৱা চেনাইৰাম উচ্চ ইংৰাজী বিদ্যালয়ত

অনুষ্ঠিত বিষয়-বাছনী সভাত উপসভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা-দেৱে সভাপতিৰ হৈ সভাৰ কাম পৰিচালনা কৰে। বিষয়বাছনী সভা পুৱা, আবেলি আৰু সন্ধিয়া বহে।

২০ এপ্ৰিল দেওবাৰ তুপৰীয়া মুকলি অধিবেশন অনুষ্ঠিত হয়। সভাপতিক সমদলত সভামণ্ডপলৈ অনা হয়। অসম কংগ্ৰেছৰ তেতিয়াৰ সভাপতি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৱে (প্ৰাক্তন ৰাজ্যপাল) সভা উদ্বোধন কৰে। অভ্যৰ্থনা সমিতিৰ কাৰ্যাকৰী সভাপতি যদুনাথ ভূঞাদেৱে (প্ৰাক্তন এম-এল-এ) সভাপতি সোমেশ্বৰ বুৰুৰাই লিখা ছপা আদৰণী অভিভাষণ আৰু পদ্মধৰ চলিহাদেৱে সভাপতিৰ আবেগময় ভাষণ পাঠ কৰে।

আবেলি হলীৰাম ডেকাদেৱৰ (প্ৰাক্তন মুখ্যন্যায়াধীশ) সভাপতিত্বত আলোচনা-চক্ৰ সম্পন্ন হয়। এই আলোচনা-চক্ৰত শ্ৰীমিত্ৰদেৱ মহন্ত আৰু শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই 'নাটক'ৰ বিষয়ে, শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া আৰু নকুলচন্দ্ৰ ভূঞাই 'চুটিগল্প'ৰ বিষয়ে, শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকন আৰু শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈয়ে 'কৱিতা'ৰ বিষয়ে আৰু শেহত শ্ৰীদীননাথ শৰ্মা আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে 'উপন্যাস'ৰ বিষয়ে বক্তৃতা দিছিল। সন্ধিয়া শিল্পী শিৰোমণি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এটি সুদীৰ্ঘ বক্ততাৰে সংস্কৃতি সভাৰ পৌৰোহিত্য কৰে।

২১ তাৰিখ পুৱা ৯ বজাত সাহিত্যিক হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত বিজ্ঞান-শাখাৰ অধিবেশন বহে। এই সভাত শ্ৰীদণ্ডীৰাম দত্তই কাইথেলী অঙ্কৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পিছতে প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথদেৱৰ সভাপতিত্বত বুৰঞ্জী-শাখাৰ অধিবেশন বহে। সভাপতি নাথে নতুন তথ্যপাতিৰে সমৃদ্ধ অভিভাষণ কৈ শুনায়। ৰমেশচন্দ্ৰ বৰকাকতী আৰু শ্ৰীলীলা গগৈয়ে একোটাকৈ প্ৰবন্ধ পাঠ কৰি শুনায়।

তুপৰীয়া দ্বিতীয় দিনৰ মূল অধিবেশন বহে। দ্বিতীয় দিনা প্ৰধান সম্পাদকৰ প্ৰতিবেদন আৰু প্ৰস্তাৱ গৃহীত হয়।

সাহিত্য সভাৰ পুঁজি টনকিয়াল কৰিবৰ নিমিত্তে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে আহ্বান জনায়। নতুন বছৰৰ বাবে 'ধ্বনিকৰি' শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই প্ৰধান সম্পাদক নিৰ্বাচিত হৈ হাতত তুলি ললে সাহিত্য সভাৰ বিজয় শঙ্খ।

## পাৰ্শ্বজ্যোতি

ওপৰত কৈ অহা হৈছে যে বিজ্ঞান-সভা আৰু বুৰঞ্জী-সভাত সভাপতিৰ বৰ মলাচৰু লবলৈ আহিছিল, ছিলং মুকুল-সংঘৰ ভুগৰাকী বিশিষ্ট মেলুৱৈ, দুজন অবসৰপ্ৰাপ্ত অভিযন্তা—হৰিপ্ৰসাদ বৰুৱা আৰু ৰাজমোহন নাথ।

পণ্ডিৎ ৰাজমোহন নাথ তত্ত্বভূষণে কৈছিল—তেওঁ হেনো লিখিলে কিবা, কলে কিবা অৰ্থাৎ লিখিত ছপা অভিভাষণখনলৈ লক্ষ্য নেৰাখি তেওঁ যিখন অভিভাষণ মুখে মুখে গাই গৈছিল, সেইখন হেনো লিখি নিয়াখনতকৈ একেবাৰে বেলেগ হৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৰৰ সঙ্গীত-সভাৰ ভাষণেও আৰু এটা নতুন অভিলেখ সৃষ্টি কৰিলে। তেওঁ লিখি নিয়া সঙ্গীত-সভাপতিৰ ভাষণৰ এখিলা এখিলা পাত পঢ়ি অতোৱাৰ পিছতে মাটিত পেলাই গৈ আছিল। এঘণ্টাৰ বেছি সময় পঢ়া হলত ৰাভা ডাঙৰীয়াই তেওঁৰ ভাষণ অসমাপ্তভাৱে সমাপ্ত কৰিলে। পিছত তেওঁ কৈছিল বোলে তেওঁৰ বাকী অংশ ভাষণ পঢ়ি শেষ কৰিবলৈ কমেও আৰু সাতদিন দিনে এঘণ্টাকৈ প্ৰয়োজন হব। সি অৱশ্যে কোনো দিনে হৈ নুঠিল। সাহিত্য সভাৰ মজিয়াত পাত কেইখিলা তেওঁ অযত্নপালিতা কন্যাৰ দৰে মাটিত পেলাই গৈছিল। সেইবোৰ কোনে বুটলি লৈ গ'ল তাৰ খবৰ কোনেও নেৰাখিলে। উল্লেখযোগ্য যে কাছই বালিত কণী পাৰি গুচি যোৱাৰ নিচিনাকৈ ৰাভা ডাঙৰীয়ায়ো তেখেতৰ অমূল্য সৃষ্টিবোৰ এইদৰে দলনিত পোনা মেলি এৰি যায় আৰু পিছত সেইবোৰ ধ্বংসৰ গৰাহত পৰে।

× × ×

এই বছৰটোত সম্পন্ন হোৱা কাম-কাজৰ ভিতৰত অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী-শাখাৰদ্বাৰা প্ৰচাৰিত চাহবাগিছা আদিৰ কাৰ্য্য-সূচীত অসমীয়াৰ সলনি হিন্দী ব্যৱহাৰ কৰাত প্ৰতিবাদ জনাই তিনিচুকীয়া অধিবেশনত যি প্ৰস্তাৱ লোৱা হৈছিল তাৰ সুফল পোৱা যায়।

কেবাখনো লাগতিয়াল পুথি প্ৰকাশৰ বাবে চৰ্কাৰৰপৰা আৰ্থিক সহায় বিচৰা হয়। বিশ্বকোষ প্ৰণয়ন কৰিবলৈ এখনি উপ-সমিতিক ভাৰ দিয়া হৈছিল। সেই ব্যয়বহুল আঁচনিখন কাৰ্য্যকৰী কৰিবলৈ চৰ্কাৰলৈ পঠোৱা হয়। চৰ্কাৰে নিজেই অসম প্ৰকাশন পৰিষদৰ যোগেদি কেইবালাখ টকা খৰচ কৰি বিশ্বকোষ প্ৰণয়ন কৰিবলৈ আগবাঢ়িছে বুলি জনায়।

অসম সাহিত্য সভাৰ পৰিকল্পিত অসম প্ৰকাশন পৰিষদে এই বছৰতে জন্ম লাভ কৰে। নেফা-দিৱস আগৰদৰে আন্তৰিকতাৰে পালন কৰা হয় আৰু নতুনকৈ এই বছৰ 'অসম সাহিত্য সভা' দিৱস'ৰ পাতনি মেলা হয়। এই 'সাহিত্য সভা দিবস'কে আজিকালি 'সাহিত্য সভা সপ্তাহলৈ ৰূপান্তৰিত কৰা হৈছে। ডুমডুমাৰ শীৰ্ষস্থানীয় নাগৰিক হৰিহৰ চৌধুৰী ডাঙৰীয়াই অসম সাহিত্য সভাৰ যোগেদি নেফাৰ ছাত্ৰসমলৰ ভিতৰত পাৰদৰ্শিতা দেখুওতা ছাত্ৰক বছৰি একোটি পুৰস্কাৰ দিয়াৰ কাৰণে আগবোৱা এহেজাৰ টকা সভাই সাদৰেৰে গ্ৰহণ কৰে।

# দ্বিতীয় নগাঁও অধিবেশন (২৭)

**: ১৯, ২০ এপ্রিল, ১৯৫৯ চন :**

তিনিবছৰ অক্লান্তভাৱে শ্ৰমদান কৰি অসম সাহিত্য সভাক সঞ্জীৱিত কৰাৰ বাবেই হওক নাইবা অসমৰ বিভিন্ন স্থানত অভিনীত নাটকবোৰৰ বিপুল জনপ্ৰিয়তাৰ বাবেই হওক, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা বিপুল ভোটাধিক্যত তেওঁৰ পিতৃভূমি নগাঁৱত, দ্বিতীয়বাৰ বহা বছেৰেকীয়া অধিবেশনৰ সভাপতি নিৰ্বাচিত হয়। অভ্যৰ্থনা সমিতিৰ গুৰি ধৰিছিল 'আৱাহন' যুগৰ প্ৰখ্যাত কথাশিল্পী মহীচন্দ্ৰ বৰা ডাঙৰীয়াই। সম্পাদক আছিল অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী' পৃষ্ঠপোষকতা কৰিছিল সুখ্যাত কবি শ্ৰীদেৱকান্ত বৰুৱাদেৱে। এনেবোৰ জাতীয় অনুষ্ঠান পাতিবৰ সময়ত নগাঁৱে জাতি-বৰ্ণ, ৰাজ-নীতিৰ ভেদাভেদ পাহৰি গৈ মাৰ বান্ধি থিয় দিয়ে। আন ঠাইত থকা নগাঁৱা ৰাইজ, সকলো শিল্পী-সাহিত্যিক চাপিকুচি আহে।

সুসজ্জিত কলঙৰ দাঁতিৰ নেহেৰু-বালিত এই উপলক্ষে এখন সাহিত্য-নগৰ গঢ়ি তোলা হয়। এই নৱনিৰ্মিত নগৰতে মুকলি সভা আৰু সাংস্কৃতিক অধিবেশনৰ নিমিত্তে বিৰাট মঞ্চ, তাৰ কাষতে বিভিন্ন অনুষ্ঠান আৰু প্ৰদৰ্শনীৰ বাবে ভাগে ভাগে ঘৰ-দুৱাৰ, অস্থায়ী উদ্যান আদি নিৰ্মাণ কৰা হয়। চৰকাৰী হাইস্কুল আৰু ছোৱালী হাইস্কুলত পতা প্ৰতিনিধি-শিবিৰে এই অধিবেশনৰ জেউতি চৰাইছিল।

১৭ এপ্ৰিলৰ দিনা আবেলি অভ্যৰ্থনা-সমিতিৰ মটৰগাড়ীত সভাপতি হাজৰিকা, প্ৰাক্তন সভাপতি ড° সূৰ্য্যকুমাৰ ভূঞা আৰু শ্ৰীমতী লক্ষেশ্বৰী ভূঞানী নগাঁৱৰ উপকণ্ঠত উপস্থিত হোৱাত শ্ৰীদেৱকান্ত বৰুৱাদেৱ প্ৰমুখ্যে অভ্যৰ্থনা সমিতিৰ মুখিয়াল সদস্য জন-চেৰেকে তাৰেপৰা তেওঁলোকক আদৰি লৈ আহে।

পোনে পোনে সভাপতিক লগত লৈ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই শঙ্খ-ঘণ্টা-উৰুলিধ্বনিৰ মাজত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰেগৈ। নেহেৰু-বালিত বিশেষভাৱে সজা মেৰ এটাৰ মাজৰ সুসজ্জিত তোৰণেৰে প্ৰদৰ্শনীৰ স্থান স্থিৰ কৰা হৈছিল। ভিতৰৰ চালি-বিলাকৰ সৰহ ভাগতে কিতাপ-পত্ৰ ৰখা হৈছিল। কৃষ্ণনগৰৰ পুতলাবিলাক আৰু সোঁমাজত থকা মাটিত সজা অসমৰ 'ৰিলিফ মানচিত্ৰ'খন বিশেষত্বপূৰ্ণ আছিল। প্ৰদৰ্শনীৰ চোতালত ঠায়ে ঠায়ে সাজি থোৱা দেশনেতা আৰু বৰেণ্য সাহিত্যিকসকলৰ প্ৰতিকৃতিয়ে দৰ্শকসকলক আকৃষ্ট কৰিছিল।

সেই দিনা নিশা সাংস্কৃতিক-সন্ধিয়া উন্মোচন কৰে সঙ্গীতজ্ঞ পদ্মধৰ চলিহাদেৱে।

১৮ এপ্ৰিল ৰাতিপুৱা কাৰ্য্যপালিকা সভাৰ অন্তত আলোচনা-চক্ৰ সম্পন্ন হয় ড° শ্ৰীমহেশ্বৰ নেওগদেৱৰ সভাপতিত্বত। মহীচন্দ্ৰ বৰা, চন্দ্ৰ ফুকন, শ্ৰীআব্দুল মালিক, শ্ৰীঅবনীন্দ্ৰচন্দ্ৰ বৰা, শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈয়ে নিজ নিজ বিষয়ত একোটি বক্তৃতা দিয়ে। বক্তৃতাৰ বিষয় আছিল—চুটি গল্প, হিন্দীকাব্য, কবিতা আৰু ৰঙ্গমঞ্চ। প্ৰায় তিনিঘণ্টা সময় সহস্ৰাধিক শ্ৰোতাই বৰ আগ্ৰহেৰে আলোচনাবোৰ শুনে। সভাপতি নেওগদেৱে আটাইকেউটা বিষয় জুকিয়াই এটি সাৰগৰ্ভ ভাষণেৰে চক্ৰৰ সামৰণি মাৰে।

## বাজক দবা, বাজক শঙ্খ

মুগাৰ ৰিহা-মেখেলা পিন্ধা, স্বেচ্ছাসেৱিকা আৰু স্বেচ্ছাসেৱক আৰু গায়ন-বায়নেৰে গঠিত এটা সমদলে সভাপতি-বাহৰৰ পৰা (প্ৰবীণ নাগৰিক শ্ৰীগোপালচন্দ্ৰ বৰাদেৱৰ বাসগৃহ) নগৰ পৰিভ্ৰমণ কৰাই নিৰ্দিষ্ট সময়ত সভাপতিক সভাৰ সিংহ-তোৰণত উপস্থিত কৰায়হি। তাতে বিদায়ী সভাপতি পদ্মধৰ চলিহাদেৱে আৰু আদৰণীসভাৰ সভাপতি মহীচন্দ্ৰ বৰাদেৱে সভাপতিক মাল্যদান

কৰে। লগতে আন আন বিশিষ্ট সদস্যবৃন্দই তেওঁক বিপুলভাবে আদৰণি জনায়।

সভামণ্ডপ আৰু সভাপতিৰ মঞ্চ ধুনীয়াকৈ সজোৱা হৈছিল। মঞ্চৰ ওপৰত বহি প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীবেণুধৰ শৰ্মা, পদ্মধৰ চলিহা, শ্ৰীমতী নলিনীবালা দেৱী, ড° সূৰ্য্যকুমাৰ ভূঞা, ৰত্নকান্ত বৰকাকতী, শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা শ্ৰীদেৱকান্ত বৰুৱা, মহীচন্দ্ৰ বৰা প্ৰভৃতি বৰেণ্যসকলে শোভাবৰ্দ্ধন কৰিছিল। সাহিত্যৰথী বেজবৰুৱাৰ 'বাজক দবা, বাজক শঙ্খ' গীতটিৰে সভা আৰম্ভ কৰা হয়। 'শেৱালি'ক কবি ৰত্নকান্ত বৰকাকতীদেৱে এটি দীঘল অথচ সাৰগৰ্ভ ভাষণেৰে সভা উদ্বোধন কৰে। তেখেতে বৰ্তমান অসমীয়া ভাষা-সাহিত্যৰ নানা বিধ আলৈ-আহুকাল আৰু তাৰ প্ৰতিকাৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰি অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সংস্কৃত ভাষা চৰ্চা কৰিবলৈ দঢ়াই দঢ়াই কয়। তেখেতে লিপি-পৰিবৰ্তনৰ দৃঢ় বিৰোধিতা কৰে। তাৰ পিছত পদ্মধৰ চলিহাৰ প্ৰস্তাৱ, শ্ৰীবেণুধৰ শৰ্মাৰ সমৰ্থন আৰু সৰ্বসম্মতিক্ৰমে শ্ৰীহাজৰিকা দেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি মহীচন্দ্ৰ বৰাদেৱে তেখেতৰ অভিভাষণত পচিছ বছৰৰ আগত নগাৱঁত ৰজনীকান্ত বৰদলৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনৰ কথা স্মৰণ কৰে। তেখেতে অসমীয়া সাহিত্যৰ লেখকসকলক স্থায়ী গঠনমূলক আৰু জনপ্ৰিয় সাহিত্য ৰচনা কৰিবলৈ বিশেষভাৱে অনুৰোধ জনায়।

সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ ১২৮ পিঠীয়া অভিভাষণখন কেইবাটাও দিশৰপৰা বিশেষত্বপূৰ্ণ আছিল। তেখেতে ভাষণখনৰ নাম দিছিল 'ভাষণিকা'। এতিয়ালৈকে এইখনেই সাহিত্য সভাৰ সৰ্ববৃহৎ অভিভাষণ। এৰি এৰি পঢ়োঁতেও এঘণ্টা লাগিছিল। গোটেইখন পঢ়া হলে কমেও আৰু তুঘণ্টা প্ৰয়োজন হ'লহেঁতেন। এই

ভাষণৰ আন এটা বিশেষত্ব আছিল যে ইয়াৰ এটা অংশ নাটকীয় ভঙ্গীৰে উপস্থাপন কৰা হৈছিল। সভাপতিয়ে যিজন সাহিত্যকক স্মৰণ কৰিছিল, সেইজনেই তেওঁৰ আকাশীবাণী অন্তৰীক্ষৰপৰাই কৈ শুনাইছিল—শিল্পী শ্ৰীকমলনাৰায়ণ চৌধুৰীৰ কণ্ঠস্বৰৰ মাধ্যমেৰে। অসম সাহিত্য সভাব বুৰঞ্জীত ই এক অভিনৱ কথা। সভাপতিৰ ভাষণত বহু কথাই ঘাইকৈ অসমীয়া সাহিত্যৰ অভাৱ, অভিযোগবোৰ আৰু সাহিত্য সভাৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰা হৈছিল। অভিভাষণব অন্তত সম্পাদক শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদন গৃহীত হয়।

সেই দিনা গধুলি বুৰঞ্জী-শাখাৰ অধিবেশন সম্পন্ন হয়। এই সভাৰ সম্পাদক অধ্যক্ষ শ্ৰীআব্দুল হায় চাহেৱে এটি চুটি অথচ সাৰুৱা ভাষণ দিয়াৰ পিছত ড° শ্ৰীপদ্মেশ্বৰ গগৈদেৱে তেখেতৰ সুচিন্তিত অভিভাষণ পাঠ কৰে।

## চিৰচেনেহী মোৰ ভাষা-জননী

২০ এপ্ৰিল ৰাতিপুৱা এখনি আকৰ্ষণীয় কবি-সম্মিলন অনুষ্ঠিত হয়, অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱৰ পৌৰোহিত্যত। এই সম্মিলনৰ জন্ম-লগ্নৰপৰা গুৰিয়াল হৈ অহা 'বাণী সম্মিলন'ৰ পুৰোহিত শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাৰ 'শক্তি সঞ্চাৰ' নামৰ কবিতাটোৰ আবৃত্তি কৰি সভাৰ আলোড়ণ আৰম্ভ কৰি দিয়ে। এই সম্মিলন উপলক্ষে লিখি পঠোৱা ধৰ্মেশ্বৰী দেৱী বৰুৱানী, যতীন্দ্ৰনাথ দুৱৰা অম্বিকাগিৰী ৰায়চৌধুৰী, পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু শ্ৰীকমলেশ্বৰ চলিহাৰ কবিতা পাঠ কৰি শুনোৱা হয়। সভাত উপস্থিত থকা শ্ৰীমতী নলিনীবালা দেৱী, পদ্মধৰ চলিহা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, শ্ৰীমতী ললিতা ফুকননী, ড° শ্ৰীমতী লক্ষহীৰা দাস, শ্ৰীভৱানন্দ ৰাজখোৱা, ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ, শ্ৰীভুবনচন্দ্ৰ ফুকন, শ্ৰীআব্দুল মালিক প্ৰভৃতিয়ে স্বৰচিত কবিতা পাঠ

কৰি শ্ৰোতাসকলক আনন্দ দিয়ে। সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে দুটা স্বৰচিত কবিতাপাঠেৰে কবিতা সভাৰ মোখনি মাৰে।

দুপৰীয়া দ্বিতীয় দিনৰ মুকলি অধিবেশনৰ আৰম্ভণিতে শিলচৰ সাহিত্য সভাৰ অন্যতম গুৰিয়াল কবিৰাজ হৰেশ্বৰ ভট্টাচাৰ্য্যদেৱে এটি শুৱলা সংস্কৃত কবিতাপাঠেৰে সেই দিনাৰ সভাৰ শুভাৰম্ভ কৰে। এটা এটাকৈ নটা প্ৰস্তাব বিভিন্ন বক্তাই একোটি চমু বক্তৃতাৰে উত্থাপন কৰে আৰু সৰ্বসম্মতিক্ৰমে গৃহীত হয়। প্ৰথম প্ৰস্তাব আৰু দ্বিতীয় প্ৰস্তাব আছিল, যথাক্ৰমে শোক-প্ৰস্তাব আৰু নিয়মাৱলী সংশোধনৰ প্ৰস্তাব। মেজৰ সুৰেন্দ্ৰনাথ দত্তই উত্থাপন কৰা প্ৰস্তাবটো আছিল, অসমীয়া ভাষা আৰু চৰকাৰী প্ৰশাসনীয় ভাষা হিচাপে স্বীকৃতি আৰু এই সম্পৰ্কে যথাবিহিত ব্যৱস্থা গ্ৰহণ সম্পৰ্কে। 'বৰদৈচিলা'ৰ সম্পাদক শ্ৰীশিৱপ্ৰসাদ বৰুৱাই দাঙি ধৰা প্ৰস্তাৱত কোৱা হৈছিল—'নগাৱঁত স্বনামধন্য আনন্দৰাম ঢেকিয়ালফুকনৰ শেষ-বাসস্থানত এটি স্মৃতিস্তম্ভ নিৰ্মান কৰিবলৈ। লগতে আগত ১৬ জুনৰ (১৬।৬।৫৯) আনন্দৰাম ঢেকিয়ালফুকনৰ শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে উত্থাপন কৰা প্ৰস্তাৱত ব্ৰহ্মপুত্ৰ-সাঁকোখন শৰাইঘাট-সাঁকো নামেৰে আৰু হয়বৰগাঁও-নগাও সাঁকোখন 'ঢেকিয়ালফুকন সাঁকো' নামেৰে নামকৰণ কৰিবলৈ অভিমত প্ৰকাশ কৰা হৈছিল। বিপিনচন্দ্ৰ বৰুৱাই দাঙি ধৰা প্ৰস্তাৱত অসমৰ অনা-অসমীয়া পঢ়াশালিবোৰত অসমীয়া সাহিত্য বাধ্যতামূলক বিষয় কৰিবলৈ দাবী জনোৱা হৈছিল। নৱম প্ৰস্তাৱটো আছিল ৰাজ্যভাষাৰ সুদৃঢ় দাবী। প্ৰস্তাৱক আৰু সমৰ্থক আছিল মহাদেৱ শৰ্মা আৰু ৰিয়াজুল হুছেন।

সেই দিনাৰ বিশিষ্ট বক্তাসকলৰ ভিতৰত আছিল অৰুণাচলৰ (নেফা) প্ৰতিনিধি শ্ৰীটাগং টাকি, শ্ৰীমতী নলিনীবালা দেৱী, শুকদেৱ গোস্বামী, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, শ্ৰীললিতচন্দ্ৰ খাৰঘৰীয়া। শ্ৰীটাকিয়ে

সেই সময়ৰ নেফাৰ ভাষা-সমস্যা আৰু শিক্ষাৰ মাধ্যম অসমীয়া নোহোৱাৰ বাবে নেফাবাসীৰ অসুবিধাৰ কথা মৰ্মস্পৰ্শী ভাষাৰে ৰিবৰি কয়। শুকদেৱ গোস্বামী নগাৰৰ এজন বিলাতফেৰং স্বাধীনমনা থলুৱা উদ্যোগী। তেওঁ কলেজীয়া জীৱনত ডিম্বেশ্বৰ নেওগ আৰু দৈৱ তালুকদাৰৰ লগত সহযোগী হৈ অসম ছাত্ৰ সম্মিলনৰ নেতৃত্ব কৰিছিল। অসমীয়া বাঘ-গৰু খেলখন ৰেজেষ্ট্ৰী কৰি তেওঁ বিলাতত জনপ্ৰিয় কৰিছিল। তেওঁ বক্তৃতাত অসমৰ জ্বলন্ত সমস্যাবোৰ চকুত পেলাই দিয়ে। বিদায়ী সভাপতি পদ্মধৰ চলিহা ডাঙৰীয়াই পদত্যাগ-প্ৰসঙ্গত এটা তেজস্বী ভাষণ দি অসমীয়া জাতিৰ আত্মসংগঠন, সাহিত্য সভাৰ সভ্য সংখ্যা বৃদ্ধি, সাহিত্য আৰু ভাষাৰ বিষয়ে সংগ্ৰামমুখী চেষ্টা, অসমীয়া ভাষা মৰিলে অসমীয়া জাতিৰো মৰণ, পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি আদি বিষয়ে উল্লেখ কৰে। সভাপতি হাজৰিকাদেৱে সাহিত্য সভাৰ সৰ্বতোমুখী উন্নতিৰ বাবে ভগৱানৰ কৃপা আৰু সদৌ অসমবাসীৰ দিহা-পৰামৰ্শ, সহায়-সহযোগ কামনা কৰে। অভ্যৰ্থনা সমিতিৰ ফালৰপৰা সম্পাদক শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীয়ে শলাগ, মহাদেৱ শৰ্মা আৰু শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই প্ৰতিনিধিসকলৰ হৈ প্ৰতিশলাগ জনাই একোটি মৰ্মস্পৰ্শী ভাষণ দিয়ে।

সেই সভামণ্ডপত গধূলি ড° শ্ৰীপবনচন্দ্ৰ মহন্তদেৱৰ সভাপতিত্বত বিজ্ঞান-সভা বহে। সম্পাদক শ্ৰীবুদ্ধেশ্বৰ গোহাঁইদেৱৰ আদৰণী ভাষণৰ পিছত মহন্তদেৱে সৰল সহজ ভাষাত লিখা সভাপতিৰ ভাষণ পাঠ কৰি সমজুৱাসকলক আনন্দ দিয়ে।

ৰাতি জাজৰিৰ ৰাইজে মহাপুৰুষৰ 'ৰুক্মিণীহৰণ' অঙ্কীয়া নাটখনি বিশুদ্ধ সত্ৰীয়া ৰীতিৰে উপস্থাপন কৰি বিপুল দৰ্শকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰে। এই ভাওনাৰ সামৰণি পৰাৰ লগে লগে সাহিত্য সভাৰ এই অধিৱেশনৰ মধুৰেণ সমাপয়ে হয়।

× × ×

এই বছৰটোত সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে (যোৰহাট) অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱবোৰ কাৰ্য্যকৰী কৰিবলৈ বিশেষভাৱে যত্নপৰ হয়। কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলৰ উপৰিও শ্ৰীনীলমণি ফুকন, মহাদেৱ শৰ্মা, শ্ৰীদেবেন হাজৰিকা (প্ৰাক্তন ৰাজ্যিক-মন্ত্ৰী) প্ৰভৃতিয়ে সভাৰ লগত সহযোগ কৰে। এই বছৰৰ ভিতৰত ৰাজ্যভাষা প্ৰসঙ্গই সমগ্ৰ ৰাজ্যজুৰি এটা প্ৰবল আন্দোলনৰ সৃষ্টি কৰে।

এইখিনিতে গৌৰৱেৰে উল্লেখ কৰিব পাৰি যে অসম সাহিত্য সভাৰ শাখাসভা আৰু সভ্যসংখ্যা এক নিৰ্দিষ্ট পৰিসৰৰ মাজতে আবদ্ধ কিন্তু যেতিয়া এই সভাই কোনো এটা ন্যায্য আন্দোলনৰ গুৰি ধৰে, তেতিয়াই সমগ্ৰ ৰাজ্যখনেই অসম সাহিত্য সভাৰ লগত এক হৈ পৰে, বিশেষকৈ ছাত্ৰ আৰু ডেকা-গাভৰুসকলে স্বতঃপ্ৰণোদিতভাৱে সাহিত্য সভাৰ কামত আগভাগ লয়হি। তাৰ ৰক্তাক্ত স্বাক্ষৰ মচিব নোৱাৰাকৈ ৰৈ গৈছে, অসম সাহিত্য সভাৰ ৰাজ্যভাষা আন্দোলনত আৰু মাধ্যম আন্দোলনত। এনেবোৰ কামৰদ্বাৰা একাধিকবাৰ প্ৰমাণ হৈ গৈছে যে অসম সাহিত্য সভা, অসমৰ সকলোৰে উমৈহতীয়া বিৰাট জাতীয় অনুষ্ঠান।

## ৰণজিৎ বধ

ৰাজ্যভাষ সম্পৰ্কে এই গ্ৰন্থত এটা সুকীয়া অধ্যায় সন্নিবিষ্ট কৰা হৈছে। সেই কাৰণে ইয়াত কেৱল ইমানকে কওঁ যে এই বছৰটোত সাহিত্য সভাৰ ৰাজ্যভাষা-প্ৰসঙ্গ চৰম পৰ্য্যায়ত উপনীত হৈছিল। এই সম্পৰ্কত মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে দিয়া এক অদূৰদৰ্শী বিবৃতিত সমগ্ৰ দেশবাসী অসন্তুষ্ট হৈছিল। চৰকাৰী দায়িত্বহীনতা আৰু পুলিচী আতিশয্যত হিতে বিপৰীত হৈছিল। দুখৰ বিষয় উলুৰ লগত বগৰী পোৰাৰ দৰে কোনো কোনো নিৰপৰাধী লোকো হিংসাত্মক কাৰ্য্যত ক্ষতিগ্ৰস্ত হৈছিল। শান্তিপ্ৰিয় অসমৰ ৰাইজে পোনপ্ৰথমবাৰৰ বাবে 'কাফু'ৰ ব্যথা বুকু পাতি লবলৈ বাধ্য

হৈছিল। ৰণজিৎ-বধৰ সেই চনৰ চাৰি জুলাইটো আছিল চলিহা-চৰকাৰৰ আমোলৰ এখিলা কলঙ্কিত পাত। এই কথাও ঠিক যে পৰিকল্পিতভাবে সংঘটিত হোৱা হিংসাত্মক কাৰ্য্যৰ লগত অসম সাহিত্য সভা কোনো প্ৰকাৰে জড়িত নাছিল। যিদিনা গুৱাহাটীত হিংসাৰ দপদপীয়া জুই জ্বলিছিল, সেই দিনা কাৰ্য্যনিৰ্বাহকৰ এক গুৰুত্বপূৰ্ণ অধিবেশন বহিছিল নগাৱত। পথসংযোগৰ বিজুতি ঘটাত তাতে সদস্যসকলে কেইদিনমান খৰলি খাই থাকিবলগীয়া হৈছিল। ছহিদ ৰণজিৎ বৰপূজাৰীৰ মৃতদেহ নগাৱৰ মাজেদি যাওঁতে কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলে শৱাধাৰত মাল্যদান কৰিছিল। ৰাজ্যভাষাৰ শান্তিপূৰ্ণ আন্দোলনত হিংসাত্মক কাৰ্য্যবোৰ আছিল ন্যস্ত স্বাৰ্থই জাপি দিয়া ভূতৰ ওপৰত দানিহ। ৰুগ্ন মুখ্যমন্ত্ৰী শৈল-নিকেতনৰ পৰা নামি নহাত পৰিস্থিতিৰ অবনতিৰ আশঙ্কাই দেখা দিছিল। কিন্তু ভগৱানৰ অনুগ্ৰহত কেন্দ্ৰীয়মন্ত্ৰী ফখৰুদ্দিন আহমেদ ( প্ৰাক্তন ৰাষ্ট্ৰপতি ) দিল্লীৰপৰা আহি পৰিস্থিতি আয়ত্বাধীন কৰিবলৈ সমৰ্থ হয়।

নেফাৰ সমস্যা সম্পৰ্কতো সাহিত্য সভাই পূৰ্ববৎ যথাস্থানত সকীয়াই আছিল। চৰকাৰী অনুদানলৈ হাত মেলি নিৰাশ হ'ব লগা হলেও আৰু ঢেকিয়ালফুকনৰ শতবাৰ্ষিকী উছৱ-পালনত চৰ্কাৰৰপৰা চেঁচাপানী ঢলা সমিধান পালেও সেই চনৰ ষোল জুনত অসমীয়া ভাষাসাহিত্যৰ ত্ৰাণকৰ্তা আনন্দৰাম ঢেকিয়ালফুকনৰ মৃত্যু-শতবাৰ্ষিকী বিভিন্ন শাখাসভাৰ যোগেদি পালন কৰা হয়। সভাই আশা কৰা মতে স্মৃতি-স্তম্ভ স্থাপন কৰিব নোৱাৰিলেও শুকদেৱ গোস্বামীদেৱৰ নেতৃত্বৰ নগাঞা ৰাইজে মহান জাতীয় নেতাজনৰ স্মৃতিত এটা কলেজ স্থাপন কৰি অসমীয়া ৰাইজৰ ধন্যবাদৰ পাত্ৰ হয়।*

---

* অসম সাহিত্য সভাই পঠোৱা আবেদনৰ উত্তৰত অসম চৰ্কাৰৰ ডেপুটিৰ মুখ্যসচিবে জনাইছিল: "I am directed to say that Goverment regret their inability to accede to your prayer

নগাঁও অধিবেশনৰ এটা প্ৰস্তাৱত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ দলংখন 'শৰাইঘাট দলং' আৰু নগাঁও-হয়বৰগাঁও সাঁকোখন ঢেকিয়ালফুকন সাঁকো নামকৰণ কৰিবলৈ বিচৰা হৈছিল। সুখৰ বিষয় পণ্ডিত জৱহৰলাল নেহৰু আহি শৰাইঘাট দলং উন্মোচন কৰি গ'ল; কিন্তু কলঙৰ দলংখনে আজি ইমান বছৰে কন্দাকটা কৰি থাকোঁতে গৈছিল। সম্প্ৰতি ( ১৯৭৭ ) সিংহ চৰকাৰে 'ঢেকিয়ালফুকন দলং নামকৰণত সঁহাৰি জনোৱাত প্ৰায় ওঠৰ বছৰৰ পিছত অসম সাহিত্য সভাত গৃহীত এটা প্ৰস্তাৱ সম্পূৰ্ণভাৱে কৃতকাৰ্য্য হৈছে।

## ৰবীন্দ্ৰ-ভৱন

প্ৰতিখন ৰাজ্যৰ ৰাজধানীতে একোটা ৰবীন্দ্ৰভৱন প্ৰতিষ্ঠা কৰা হ'ব বুলি কেন্দ্ৰীয় চৰ্কাৰৰ সিদ্ধান্ত বাতৰি-কাকতত প্ৰকাশ হৈছিল। সেই বাতৰিৰ পম খেদি এই লেখকে সাহিত্য সভাৰ সভাপতি হিচাপে ভিতৰুৱাভাৱে আবেদন জনাই মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা আৰু সেই সময়ৰ অসম কংগ্ৰেছৰ সভাপতি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীক বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি অসমৰ ভাগত পৰা ৰবীন্দ্ৰভৱনটো চৰ্কাৰী ৰাজধানী ছিলঙৰ উচ্চ শৃঙ্গৰপৰা বেচৰকাৰী ৰাজধানী গুৱাহাটীত প্ৰতিষ্ঠা কৰিবলৈ খাটনি ধৰিছিল।

মুখ্যমন্ত্ৰীলৈ পঠোৱা আবেদন পত্ৰৰ নকল সিপিঠিত দিয়া হ'ল :

---

for the grant of a half-holiday on the 16th June 1959 for celebrating the death centenary of Late Anandaram Dhekial Phukan, in view of the fact that there are already too many holidays and half-holidays on account of national and religious festivals. It is however suggested that functions, may be arranged after office hours, so that people who have got duties or business in Government offices can attend the same withoui any difficulty and incoveniece.

TO

THE CHIEE MINISTER OF ASSAM, SHILLONG

Sir,

Having read in the papers a news reported from New Delhi, dated June 25, I beg to place the following few lines for favour of your kind consideration

The scheme for building one theatre or open-air theatrc in each state envisages construction of a building for the purpose in each state capital. But I beg to state that the purpose in view will bc bctter served if the proposed theatre is located at Gauhati instead of at Shillong. For Gauhati, though not the offlcial capital, is the nerve centre of the cultural and educational life of the state. The seat of as many as 5 colleges and also the University at Jalukbari being already a part of greater Gauhati. Gauhati stands as the premier educational centre of Assam. The All India Radio, around which a set of singers and writers have sprung up and which has thus grown up to be a cultural centre is also situated at Gauhati. Moreover many of the topranking persons playwrights and other literateurs hail from the town of Gauhati. Secondly, one of the proposed theatre is the encouragement of dramatic literaturc in Assamese, which is one of

the fourteen recognised languages of India. This purpose also will be best served if the proposed theatre is located at Gauhati which is a cultural place for the speakers of the hills and plains.

In the circumstances I, on behalf of the Assam Sahitya Sabha and all art lovers of the establishment of the proposed theatre at Gauhati and not at Shillong and to move the Central Goveamnent for the same.

Tapoban, Gauhati
20/8/39

Your faithfully,
Sd/Atulchandra Hazarika
President, Assam Sahitya Sabha.

সুখৰ বিষয় চলিহাদেৱে কেন্দ্ৰৰ লগত যোগাযোগ কৰি অসমৰ ৰবীন্দ্ৰ-ভৱনটো গুৱাহাটীৰ ডিঙিত জোনবিৰি কৰি আঁৰি দিলে। সময়ৰ শৰ জুৰিব নোৱাৰা হলে আৰু কামটো গোপনে নোহোৱা হ'লে ৰবীন্দ্ৰ-ভৱন ছিলঙতে হোৱাটো খাটাং আছিল।

মুঠতে অসম প্ৰকাশন পৰিষদৰ দৰে গুৱাহাটীৰ ৰবীন্দ্ৰ-ভৱনো অসম সাহিত্য সভাৰ চেষ্টাৰ সুফল বুলি স্বীকাৰ কৰিবই লাগিব।

× × ×

সেই সময়ৰ ৰাজ্যিক চৰ্কাৰে আজিকালিৰ সিংহ-চৰ্কাৰৰ দৰে হাত মুকলি কৰি সাহিত্য-সংস্কৃতিৰ বাবে দান-অনুদান দিবলৈ টান পাইছিল। কিন্তু ঘঁহি থাকিলে শিলো ক্ষয় যায়। চাহাবী আমোলত অসম সাহিত্য সভাই চৰ্কাৰী অনুদান এহেজাৰ টকাৰূপ পাইছিল। মেধি-চৰ্কাৰৰ দিনত সেই অনুদান বাঢ়ি ছহাজাৰ হ'ল। সম্পাদক শ্ৰীযতীন গোস্বামীয়ে পেৰি পেৰি লাগি থকাত এই বছৰ

বছৰেকীয়া অনুদান দহহেজাৰলৈ বাঢ়িল। তদুপৰি পোৱা গ'ল গ্ৰন্থ-প্ৰকাশ আঁচনি ৰূপায়নৰ বাবে পঁচিছ হেজাৰ টকা।

এই বছৰতে কাৰ্য্য নিৰ্বাহক সভাত অলপ সালসলনি কৰি ভাস্কৰ শ্ৰীযুগল দাসৰ অঙ্কিত অসম সাহিত্য সভাৰ প্ৰতীকটো গ্ৰহণ কৰা হয়। ভালেমান দিন আগৰপৰা চেষ্টা চলাই অহা হৈছিল যদিও ইমান দিনে এই বিষয়টোত সভা কৃতকাৰ্য্য হব পৰা নাছিল। শিল্পী শ্ৰীযুগল দাসে সভাৰ মনে খোৱাকৈ প্ৰতীকটো আঁকি দি ধন্যবাদৰ পাত্ৰ হয়। এই বছৰ সাহিত্য সভা আৰম্ভণিৰ দিনা (৯ ছেপ্তেম্বৰ, ১৯৫৯) সভাৰ (যোৰহাট) মূল কাৰ্য্যালয়ত পোনপ্ৰথম বাৰৰ বাবে অসম সাহিত্য সভাৰ প্ৰতীক অঙ্কিত পতাকা উত্তোলন কৰা হৈছিল। তেতিয়াৰ পৰা সভাৰ পতাকা পত্ৰিকা, প্ৰকাশিত গ্ৰন্থ আৰু আন কাকত-পত্ৰত ব্যৱহৃত হৈ আহিছে।

## পাৰ্শ্বজোতি

মহাভৈৰবৰ প্ৰতিনিধি হৈ মহাদেৱ শৰ্মাই নগাও অধিবেশনত সাহিত্য সভাৰ পিছৰ অধিবেশনখন বানৰ নগৰলৈ নিমন্ত্ৰণ জনাইছিল। পিছত দেখা গল যে সকীয়াই দিয়া সত্বেও দেখোন তেজপুৰে কাটিকুটা নকৰে। সেই সময়ৰ তেজপুৰৰ গাত পদ্মনাথ, চন্দ্ৰনাথ, দণ্ডিনাথৰ তেজ নাছিল, মহাদেৱৰ গাতো ডেকাতেজ নাছিল। বিষ্ণুপ্ৰসাদ বম্‌ভোলা—থকাই নথকাই একে কথা। জ্যোতিনিৰ্বাণো হৈ গ'ল। হেম-অমিয় প্ৰভৃতি তেজপুৰীয়া নেতাসকল ৰাজনীতিত ব্যস্ত হৈ আছিল তেজপুৰৰ বাহিৰত। গতিকে সাহিত্য সভা পতাৰ গুৰু দায়িত্ব কান্ধ পাতি লবলৈ কোনো নহা দেখি সভাপতি এই লেখকৰ গা চেবাই গ'ল। কিয়নো যাৰ বুঢ়া গৰু খালত পৰে সিহে নেজত ধৰি টানিব লাগে। সভাৰ বছেৰেকীয়া অধিবেশন নিৰ্দিষ্ট সময়ত পতাটো সভাপতি-সম্পাদকৰ এটা এৰাব নোৱাৰা দায়িত্ব। পিতৃ-পুৰুষৰ বছেৰেকীয়া শৰাধ পতিত হলে অৰ্থাৎ

তিথিমতে কৰিব নোৱাৰিলে পিছৰ কৃষ্ণা-একাদশীত জলে-ফুলে হলেও কামফেৰা সমাধা কৰিব লাগে। সেইদৰে অসম সাহিত্য সভাৰ সঞ্জীৱনী যুগৰ পৰা অধিবেশন বছৰে বছৰে পতাটো যি এটা পৰম্পৰাৰ সৃষ্টি হৈছে তাক ভঙ্গ হবলৈ দিব নোৱাৰি। তাকে ভাবি নিৰ্দিষ্ট সময়ত নহলেও যিমান পাৰি সোনকালে বছৰেকীয়া অধিবেশন পতাৰ সংকল্প লৈ সভাপতি হিচাপে এই লেখক তেজপুৰলৈ যাবলগীয়া হৈছিল।

তেজপুৰত এখন ৰাজহুৱা মেল গোটাই বিষয়টোৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল (১৫।১০।৫৯) ৰাইজে সভাপতিৰ প্ৰস্তাৱত সহাৰি জনালে। কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিবলৈ অৰ্থাৎ সভা পতাৰ দায়িত্ব লবলৈ কোনো আগবাঢ়ি নাহিল। অগত্যা এখন তদৰ্থ-সমিতি গঠন কৰি দি গুচি অহা হ'ল। পাছ দিলে পৰ্বতলৈ পিঠি। মই ঘূৰি অহাৰ লগে লগে তেজপুৰ নিমাত-নিতাল হ'ল। তদৰ্থ-সমিতিয়েও মহাভৈৰবৰ ঘুমটি ভাঙিবলৈ সমৰ্থ নহ'ল।

অৱশেষত তেজপুৰৰ আশা এৰি পলাশবাৰীলৈ বাট লোৱা হ'ল। ইতিমধ্যে পলাশবাৰীয়ে সভা পাতিবলৈ ভয়ে ভয়ে গা দাঙি আছিল। সভাপতিয়ে গৈ সেই ভয় ভাঙি দিলে। নৰেন্দ্ৰনাথ বৰুৱা মৌজা-দাৰৰ ঘৰত শ্ৰীঅবলাকান্ত গোস্বামী প্ৰমুখ্যে পলাশবাৰীৰ মুখিয়াল লোকসকলৰ লগত দিহাপৰামৰ্শ কৰা হ'ল। অবলা গোঁসায়ে কলে-"সাহিত্য সভা নগৰীয়া বস্তু। যদি আমাৰ লগত আপোনালোক গাঁৱলীয়া হবলৈ মান্তি হয়, আমি সভা পাতিম।"

মই কলোঁ—"গোসাঁই, সেই বিষয়ে আপোনালোকে চিন্তা নকৰিব। সাহিত্য-সভাত গাঁৱলীয়া-নগৰীয়াৰ প্ৰশ্ন নাই। কম সময়ৰ ভিতৰতে সভা পাতিবলৈ আপোনালোকে অসুবিধা পাব, সেই কথা মই জানো। পলাশবাৰীত নগৰীয়া সা-সুবিধা নাই সেই কথাও জানো। আপোনালোকৰ আলহী হৈ সাহিত্যিকসকলে

ঘিউ-মৌ ভোজ-ভাত বিচাৰি নাহে, হংসতুলীত শুবলৈকো নাহে। শাকে-সোকোতাই ভোবনি আৰু ধানখেৰৰ শেতেলিত শয়নেই যথেষ্ট হ'ব। সাহসে পিন্ধি বুলি ককালত টঙালি বান্ধি লাগি যাওক। গুৰিত আমি আছোঁ।"

সেই মেলতে পলাশবৰীয়া ৰাইজে সভা পাতিবলৈ হৈধ্বনি দি খাটাং সিদ্ধান্ত লোৱাত সাহিত্য সভাৰ মূৰৰ ওপৰেদি যেন এচলু পানী পাৰ হৈ গ'ল। অবলাকান্ত প্ৰবলা শক্তিৰে ধাবমান হ'ল।

ঃ সঞ্জীৱনী যুগ সমাপ্ত ঃ

তৃতীয় খণ্ড ঃ

# বিস্তাৰ যুগ

( পলাশবাৰীৰপৰা অভায়াপুৰীলৈ )

এতিয়া আমি বৰ্তমান অসমীয়া সঙ্গীতৰ ভেটিটো পাইছোঁ। তাৰ উপৰি হিন্দুস্থানী সঙ্গীতৰ দুটা বিভাগো আমাৰ হাতত আছে। তাৰ উপৰি পাশ্চাত্য সঙ্গীতে 'হাৰমনি' লৈ আমাৰ দুৱাৰডলি পাৰ হৈছেহি। মোৰ বোধেৰে আমাৰ বৰ্তমান সত্যতাই যেনে গঢ় লৈছে, তালৈ চাই এই ত্ৰিবেণী-সঙ্গম হোৱাই শ্ৰেয়।

তেজপুৰ
২৮।১২।৭০

—জ্যোতিপ্ৰসাদ আগৰৱালা

অসমৰ ভাষা-সংস্কৃতিক ভাঙনমুখী বিপৰ্য্যয়ৰপৰা ৰক্ষা কৰিবলৈ হ'লে পৰ্বত-ভৈয়ামৰ সংহতি আৰু সমন্বয় ৰক্ষা কৰাটো অতি আৱশ্যক।

পলাশবাৰী
২৭।১০।৬০

—বিষ্ণুপ্ৰসাদ ৰাভা

অসমৰ শিল্প-কলাৰ সোঁত বন্ধ হৈ আজি সি একেবাৰে মৰিদিখো। সকলো ৰকমৰ বাৰেবঙলুৱা আহিলাপাতিয়ে আমাৰ জীৱনৰ প্ৰয়োজন পুৰাইছে। এইবোৰ দেখিশুনি স্পষ্ট বুজা যায় যে এই জাতি মৰণাপন্ন আৰু ঘৰতে থাকিও কলাৰ অধিষ্ঠাত্ৰী দেৱী সিংহাসনচ্যুতা।

গোৱালপাৰা
১।১১।৬১

—পাৰ্বতিপ্ৰসাদ বৰুৱা

# জনতাই জনাৰ্দন

## দুখীয়াৰ ভগা পঁজা একোখনি স্বৰ্গ তাত

ইতিপূৰ্বে সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰ অনুষ্ঠিত হৈছিল নগৰত। পলাশবাৰীয়েই নগৰৰ জীয়াৰীক গাঁৱৰ বোৱাৰী কৰি অসম সাহিত্য সভাৰ ৰূপ সলাই দিলে বুলি কব পাৰি। কেৱল সেয়ে নহয়, পলাশবাৰীতেই অসম সাহিত্য সভাৰ বিস্তাৰ যুগৰ আৰম্ভ হ'ল। এই সময়ৰপৰাই সভাখনৰ কাম-কাজৰ পৰিসৰ বাঢ়িল, জমা খৰচ বাঢ়িল, আড়ম্বৰ-পয়োভৰ বাঢ়িল। গায়ে-গাৰিয়ে সভাখন বাঢ়ি অহাৰ লগে লগে ৰজাঘৰৰ পৃষ্ঠপোষকতা আৰু ৰাইজৰ মৰম-চেনেহো বাঢ়িল। অৱশ্যে বিশালতা যেনেকৈ বাঢ়ি আহিছে, গভীৰতা সেই পৰিমানে বাঢ়িছে নে টুটিছে সেই কথাও বিবেচনাৰ বিষয়। এই বিস্তাৰ যুগৰ কথা বিস্তাৰিতভাবে পোৱা যাব সভাই প্ৰকাশ কৰা 'বাৰ্ষিকী' কেইখনত।

পলাশবাৰীত অসম সাহিত্য সভাই, গাঁও আৰু নগৰৰ মাজত প্ৰথমবাৰ সংযোগ স্থাপন কৰিছিল। সাহিত্য সভাৰ বুৰঞ্জীত ই এক নতুন কথা, নতুন অভিলেখ, নতুন পৰম্পৰাৰ সৃষ্টি কৰিলে। ইমান দিনে গাঁও অঞ্চলৰ মানুহে সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন পাতিবলৈ বলে নোৱাৰা শিলক পৰিনমস্কাৰ কৰাৰ দৰে সংকোচবোধ কৰি আছিল। পলাশবাৰীয়ে সেই ভয় ভাঙি দিলে।

পলাশবাৰী অৱশ্যে গাঁও নাছিল। এখন সৰু গাঁৱলীয়া চহৰহে আছিল। মহাবাহু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই এই পলাশবাৰীক নকৰিবৰ চকৰি কৰি উছন কৰিলে। পুৰণি পলাশবাৰী মৰিল, নতুন পলাশবাৰীৰ জন্ম হ'ল। নতুন পলাশবাৰী মিৰ্জা নামেৰে জনাজাত হৈ পৰিল। এই মিৰ্জাতেই অসম সাহিত্য সভাৰ প্ৰথম

গাঁৱলীয়া অধিবেশন অনুষ্ঠিত হৈছিল। মির্জা পৰ্বতৰ নামনিত পত্তা নতুন পলাশবাৰীয়ে তেতিয়াও নগৰলৈ ৰূপান্তৰিত হোৱা নাছিল। বুনিয়াদী প্রশিক্ষণ বিদ্যালয়ৰ কেইটামান আধাসজা পকীঘৰৰ বাহিৰে নগৰীয়া সা-সুবিধা তাত একোৰে একোটো নাছিল। তথাপি প্রতিকূল পৰিস্থিতিৰ মাজতে, উগ্র সাহসেৰে সাহিত্যৰ প্রজ্ঞাসূয় যজ্ঞ পাতি পলাশবাৰীয়ে অসাধ্য সাধন কৰি দেখুৱালে। গুৰিত প্রচুৰ অৰ্থৰ বল নাছিল তথাপি সমগ্র পলাশবাৰী অঞ্চলটোৱে একগোট হৈ সভাখন জয়যুক্ত কৰিবলৈ দেহেকেহে চেষ্টা কৰিছিল আৰু কৃতকাৰ্য্যও হৈছিল।

পলাশবাৰী অধিবেশনৰ পৰা অসম সাহিত্য সভাখন গাঁওমুখী হ'ল, জনতামুখী হ'ল আৰু কোনো কোনোৱে কোৱাৰ দৰে মেলা-মুখীও হ'ল। এই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু ইয়াৰদ্বাৰা সাহিত্য সভাৰ হিতৰ বাহিৰে বিশেষ অহিত হোৱা বুলিবও নোৱাৰি। জনতামুখী সাহিত্য সভাৰ অধিবেশনত সভাৰ লগত জনতাৰ – ৰাইজৰ সহযোগ স্থাপন হৈছে। জনতাই জনাৰ্দন। এই জনতাক এৰৰীয়া কৰি সাহিত্য সভা হ'ব নোৱাৰে, হোৱাটো উচিতো নহয়।

# পলাশবাৰী ( মিৰ্জা ) অধিবেশন (২৮)

ঃ ২৭, ২৮, ২৯ অক্টোবৰ, ১৯৬০ ঃ

২৭।১০।৬০ তাৰিখে সাহিত্য সভামণ্ডপৰ পূবফালে মুকলি পথাৰত বিদায়ী সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে প্ৰথমবাৰ আনুষ্ঠানিকভাৱে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। এটি চমু ভাষণত তেখেতে 'অসম সাহিত্য সভাৰ এই পতাকা কোনো পৰিস্থিতিতেই অৱনত নহ'ব' বুলি আশা প্ৰকাশ কৰে।

পতাকা উত্তোলনৰ পিছত বিষয়বাছনী সভা নিৰ্বাচিত সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ সভাপতিত্বত তিনিবাৰ বহে। সেই একে দিনাই মুকলি অধিবেশনৰ আগে আগে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই। প্ৰদৰ্শনীৰ এটা বিশেষত্ব আছিল যে সভাঘৰলৈ দূৰ-দূৰণিৰ গাঁও-ভুঁইৰপৰা ভাগি অহা ৰাইজৰ সকলোৱে হাতে হাতে সাহিত্য সভাৰ চিনস্বৰূপে একোখন কিতাপ কিনি লৈ গৈছিল। বুঢ়াআইসকলে বিচাৰিছিল ধৰ্মসম্বন্ধীয় কিতাপ। সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত 'ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ' নামৰ কিতাপখন তেওঁলোকৰ হাতে হাতে দেখা গৈছিল। তেতিয়াৰপৰা সাহিত্য সভাৰ প্ৰদৰ্শনীত প্ৰতি বছৰে গ্ৰন্থ বিক্ৰীৰ উজান উঠা দেখা গৈছে। জনসাধাৰণৰ মাজত এই কিতাপ কিনা অভ্যাসটো সৃষ্টি হোৱাত সাহিত্যৰ আৰু সাহিত্য সভাৰ এটা পৰোক্ষ লাভ হৈছে বুলি ধৰিব পাৰি।

সেই দিনা দুপৰীয়া গায়নে-বায়নে এটা বিৰাট সমদলে নিৰ্বাচিত সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱক সভামণ্ডপলৈ আগবঢ়াই আনে। আৰম্ভণিতে প্ৰাক্তন সভাপতি বিহগী-কৱি ৰঘুনাথ চৌধাৰীদেৱে উদ্বোধনী ভাষণ-প্ৰসঙ্গত অসমীয়া ভাষা-সাহিত্যৰ এক সন্ধিক্ষণত অনুষ্ঠিত এই সভা, অসম সাহিত্য

সভাৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক অধিৱেশন বুলি অভিহিত কৰে।

আদৰণী সভাপতি শ্ৰীঅবলাকান্ত গোস্বামীদেৱে তেখেতৰ ভাষণত 'দক্ষিণ কোল'ৰ চমু ইতিবৃত্ত, পলাশবৰীয়া ৰাইজৰ দুখ-দুৰ্গতি আদিৰ কথা বিবৰি কৈ অসম সাহিত্য সভাৰ সংগঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে শিক্ষাবিদ শ্ৰীঅবলাকান্ত গোস্বামী ( প্ৰাক্তন এম-এল-এ ) অলপ বেলেগ ধৰণৰ আদৰণী-সভাপতি আছিল। তেখেতক সভাপতিৰ মঞ্চত অলপ পৰহে দেখা গৈছিল। তেখেত আছিল প্ৰায়েই ৰন্ধনশালাত এটা হোকা হুপী-অতিথিসেৱাত ব্যস্ত হৈ।

সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ প্ৰতিবেদন পঠিত আৰু গৃহীত হোৱাৰ পিছত সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী-দেৱে তেখেতৰ সুচিন্তিত পাণ্ডিত্যপূৰ্ণ অভিভাষণ পাঠ কৰে। ভাষা-সাহিত্যৰ সাধনাত আত্মনিয়োগ কৰা এদল লেখকৰ আৱশ্যক বুলি তেখেতে কয়।

২৮ তাৰিখে ৰাতিপুৱা অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মাদেৱৰ সভাপতিত্বত আলোচনা-চক্ৰ অনুষ্ঠিত হয়। উদ্বোধন কৰে ৰাজ্যিক-মন্ত্ৰী শ্ৰীৰাধিকাৰাম দাসদেৱে। শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা ডাঙৰীয়াই 'অসমৰ লোকগণনা' শীৰ্ষক এটি তথ্যবহুল প্ৰবন্ধ পাঠ কৰে। শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াই 'অসমৰ প্ৰাচীনতাত কোচবিহাৰৰ স্থান আৰু অসমীয়া ৰাজ্যিক ভাষা প্ৰসঙ্গত' এটি ভাষণ দিয়ে। শ্ৰীঅম্বিকাচৰণ চৰকাৰে কোচজাতিৰ ইতিবৃত্ত সম্পৰ্কে এখন ৰচনা পঢ়ে। ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা আৰু ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া শিশুসাহিত্য সম্পৰ্কে আলোচনা কৰে। অধ্যাপিকা শ্ৰীমতী সৰোজ দত্তই বিজ্ঞান-সাহিত্যৰ ওপৰত লিখা এখন ৰচনা পঢ়ে। সভাপতি শৰ্মা ডাঙৰীয়াই আলোচ্য বিষয়সমূহ জুকিয়াই চমু অথচ সাৰগৰ্ভ ভাষণ দিয়ে।

দুপৰীয়া মুকলি অধিবেশনত আঠোটা প্ৰস্তাৱ আৰু নিয়মাৱলী সংশোধন গৃহীত হয়। এই প্ৰস্তাৱবোৰত ৰাজ্যভাষা প্ৰসঙ্গ, পূৰ্ণাঙ্গ ব্যাকৰণ, বুৰঞ্জী প্ৰণয়ন আদি লাগতিয়াল বিষয়বোৰ সামৰি লোৱা হৈছিল। নিয়মাৱলীত সভাপতি প্ৰমুখ্যে কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলৰ কাৰ্য্যকাল পৰীক্ষামূলকভাৱে দুবছৰীয়া কৰা হয়। সমজুৱাসকলৰ ফালৰপৰা প্ৰাক্তন সভাপতি পদ্মধৰ চলিহা, ধুবুৰীৰ নেতা প্ৰমথনাথ চক্ৰৱৰ্ত্তী, ডেকা সাহিত্যিক শ্ৰীকিষাণ পাটনায়ক, (উৰিষ্যা) শ্ৰীতীৰ্থনাথ শৰ্মা, শ্ৰীবেণুধৰ শৰ্মা, বিদায়ী সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, বহুৱা নেতা ৰঘুৱা তাঁতী, পণ্ডিত কামাখ্যানাথ শাস্ত্ৰী, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, চৈয়দ আব্দুল মালিক আৰু ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যাই একোটি বক্তৃতা দিয়ে। প্ৰমথ চক্ৰৱৰ্ত্তীয়ে বৃহত্তৰ বাংলাৰ গৰাহৰ পৰা গোৱালপাৰা জিলাক ৰক্ষা কৰিবলৈ আহ্বান জনায়। শ্ৰীপাটনায়কে এনে ধৰণৰ অভূতপূৰ্ব জনসমাৱেশ আৰু সাহিত্য-সমাৰোহ আন কোনো ঠাইত দেখা নাই বুলি মন্তব্য কৰে। ৰঘুৱা তাঁতীয়ে কয়, "অসমৰ সকলো বহুৱা লোকে নিজকে অসমীয়া বুলি ভাবিব লাগে।"

নৱনিৰ্বাচিত প্ৰধান সম্পাদক ড° শ্ৰীমহেশ্বৰ নেওগে তেওঁৰ দায়িত্ব পালনত সহযোগ আগবঢ়াবলৈ সমূহ ৰাইজলৈ আহ্বান জনায়। এটি চুটি মন্তব্যৰে সভাপতি শ্ৰীগোস্বামীয়ে সামৰণী ভাষণত অসমীয়া জাতিৰ নিৰাপদতা ব্যৱস্থাত, জাতিৰ স্বাৰ্থৰক্ষাত, অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি-সাধনত সদৌ অসমবাসীৰ সহযোগী মনোভাৱ আৰু সকলো ক্ষেত্ৰতে গঠনমুখী মনোভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

২৯ তাৰিখে ৰাতিপুৱা শ্ৰীমতী নলিনীবালা দেৱীৰ পৌৰোহিত্যত ন-পুৰণি কবিসকলৰ কবিতা-সভা সুসম্পন্ন হয়। উদ্বোধন কৰে ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। স্বৰচিত কবিতা পাঠ কৰে পদ্মধৰ চলিহা, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, ড° শ্ৰীমহেন্দ্ৰ বৰা, শ্ৰীহোমেন বৰগোহাঁঞি, শ্ৰীৰত্ন ওজা, জমিৰুদ্দিন আহমেদ, ইব্ৰাহিম আলি,

শ্ৰীযোগেন্দ্ৰনাথ চৰকাৰ, শ্ৰীৰবীন্দ্ৰনাথ ত্ৰিবেদী, ড° শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈ, ড° শ্ৰীলক্ষহীৰা দাস প্ৰভৃতিয়ে।

২৭, ২৮ আৰু ২৯ অক্টোবৰ অৰ্থাৎ অধিবেশনৰ তিনিও ৰাতি হাজাৰবিজাৰ দৰ্শকৰ সমুখত সাংস্কৃতিক সমাৰোহ সম্পন্ন হয়। ২৭ তাৰিখে সভাপতিত্ব কৰিছিল ধুবুৰীৰ সঙ্গীতজ্ঞ মানগোবিন্দ চক্ৰৱৰ্তীদেৱে। মুখ্য অতিথি আসনৰপৰা শিল্পীশিৰোমণি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এটি সুদীৰ্ঘ ওজস্বিনী ভাষণ দিয়ে।

× × ×

এই বছৰত অসম সাহিত্য সভাই কেবাটাও ডাঙৰ সমাস্যাৰ লগত ভেটাভেটি হবলগীয়া হয় আৰু সেইবোৰৰ সমাধানৰ বাবে কেনেকৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱা হৈছিল, সেই সম্পৰ্কে বিতংভাবে জনা যায় ড° মহেশ্বৰ নেওগৰ সম্পাদকীয় প্ৰতিবেদনৰ পৰা। ইয়াৰ ভিতৰত বিশেষ উল্লেখযোগ্য 'অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬৩ আৰু অসমৰ ভাষা-সমস্যা।' এই সম্পৰ্কে অসম চৰকাৰে কেন্দ্ৰীয় পৰামৰ্শ গ্ৰহণ কৰি অসমীয়া ৰাইজৰ অগ্ৰহণীয় হৈ থকা অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০ৰ পঞ্চম ছেদটো (কাছাৰ সম্পৰ্কীয়) অধিক ক্ষতিকৰভাবে সংশোধন কৰিবলৈ বদ্ধপৰিকৰ হোৱা দেখি অসম সাহিত্য সভাই ভাৰতৰ গৃহমন্ত্ৰী আৰু স্থানীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱামতে সেই সংশোধনত কাছাৰত অসমীয়া ভাষাৰ প্ৰবেশ উন্মুক্ত ৰখাটোৱে নাই মোমাইতকৈ কণা মোমায়ে ভাল বুলি ধৰা হয়।

ইয়াৰ উপৰিও আছিল মানুহ পিয়ল সমস্যা আৰু অৰুণাচলৰ ভাষা সমস্যা। এই বিষয়তো সভাই পৰাখিনি নকৰাকৈ হাতসাৰটি বহি থকা নাছিল।

সভাৰ পৰা অৰুণাচল, নগাভূমি, কাছাৰ, গোৱালপাৰা আদিলৈ সম্প্ৰীতি-সন্দেশ বিলাবলৈ সজাতী দল পঠোৱা হয়।

## ৰাধাকান্ত সংস্থাপিত, ৰঘুনাথ সম্বৰ্দ্ধিত

অসম সাহিত্য সভাৰ লেখত ল'বলগীয়া এই বছৰৰ ভিতৰত দুটি সংকাৰ্য্য সমাপন হয়। প্ৰথমটো, দানবীৰ সাহিত্যানুৰাগী ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আঠধতুৰা মূৰ্তি-প্ৰতিষ্ঠা আৰু দ্বিতীয়টো, বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ তিৰাশীবছৰীয়া জন্মতিথি উপলক্ষে সম্বৰ্দ্ধনা উৎসৱ।

মূৰ্তি-প্ৰতিষ্ঠা উৎসৱৰ সভাপতিত্ব কৰে যোৰহাটত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই। ১৯৬০ চনৰ ৩০ ডিচেম্বৰৰ দিনা দুই বজাত অনুষ্ঠিত হোৱা এই উৎসৱৰ আগবেলা সন্দিকৈদেৱৰ নামত গৱেষণা গ্ৰন্থাগাৰ আৰু বক্তৃতা-মঞ্চৰ আধাৰশিলা স্থাপন কৰা হয়। অসম সাহিত্য সভাৰ এগৰাকী হিতৈষী হেড়ম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰদ্বাৰা এই শুভকাৰ্য্য সম্পন্ন হয়। মূৰ্তি-উন্মোচন সম্পন্ন কৰে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণুসহায়জীয়ে। এই মূৰ্তিটি নিৰ্মাণ কৰিছিল চিত্ৰকৰ ভাস্কৰ শ্ৰীদেৱীপ্ৰসাদ ৰায়চৌধুৰীয়ে। মূৰ্তি নিৰ্মাণ-উন্মোচন সমিতিৰ সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱৰ উদ্যোগ শলাগিবলগীয়া।

বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱক ১৯৬১ চনৰ ২০ জানুৱাৰীৰ সন্ধিয়া পাঁচ বজাত অসম সাহিত্য সভাই গুৱাহাটীৰ ছুডমাৰ্চেন হলত এখনি সভাত সম্বৰ্দ্ধনা জনায়। সভাপতিত্ব কৰে তেতিয়াৰ অসমৰ মুখ্য ন্যায়াধীশ হলিৰাম ডেকাদেৱে। অসমৰ এগৰাকী শ্ৰেষ্ঠ আৰু ঐকান্তিক কাব্যসেৱী-ৰূপেই নহয়, চামে চামে ডেকা কবি, সাহিত্যকৰ অনুপ্ৰেৰণাৰ কেন্দ্ৰ-স্বৰূপেও চৌধাৰীদেৱৰ ব্যক্তিত্ব অসমীয়া সাহিত্যৰ বুৰঞ্জীত সঞ্জীৱিত হৈ থাকিব

# তৃতীয় গোৱালপাৰা অধিবেশন

**ঃ ৩১ অক্টোবৰ, ১ নৱেম্বৰ ১৯৬১ চন ঃ**

হৰিণাৰ গাৰ মঙহেই বৈৰী হোৱাৰ নিচিনাকৈ গোৱালপাৰা জিলাৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদ আৰু সীমান্তৰ সহজলভ্য অৱস্থিতি হোৱাৰ বাবে বঙ্গদেশে এই ভূ-খণ্ডলৈ সদায় লুভীয়া দৃষ্টিৰে চাই আহিছে। ছলে-বলে-কৌশলে গোৱালপাৰাক হাত কৰিবলৈ বৃহত্তৰবাদীসকলৰ যেন চকুত টোপনি নাই, পেটত ভাত নাই সেয়ে হলেও সুখে-দুখে, সম্পদে-বিপদে সকলো সময়তে গোৱালপাৰা জিলা অসমৰ অবিচ্ছেদ্য অঙ্গ হৈ আছে। গোৱালপাৰাবাসীয়ে অসমবাসীৰ লগতে নিজৰ ভাগ্য মিলাই আহিছে। সেয়েহে এইখন জিলাই এতিয়ালৈকে সাতবাৰ অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন পাতি মাতৃভক্তিৰ অকৃত্ৰিম নিদৰ্শন দেখুৱাবলৈ সমর্থ হৈছে। কোনো মহকুমা-চহৰে এতিয়ালৈকে তিনিবাৰ বছেৰেকীয়া অধিবেশন পাতি গোৱালপাৰাৰ দৰে ত্ৰিমুকুট পিন্ধিব পৰা নাই।

১৯৬১ চনত তৃতীয়বাৰ গোৱালপাৰাত চিৰচেনেহী ভাষা-জননীৰ পূজাৰ বোধন শঙ্খ বাজি উঠিল। গোৱালপাৰাত গোপালে নাচিলে লগে লগে গোৱালপাৰাৰ ৰাইজেও নাচিলে। এই অধিবেশনৰ কাম কাজ নিয়াৰিকৈ চলাবলৈ তেতিয়াৰ বিধান সভাৰ মেম্বৰ খগেন্দ্ৰনাথ দাস ( সভাপতি ), ভবেন্দ্ৰনাৰায়ণ সিংহ আৰু নজমুল হক ( উপসভাপতি ), শ্ৰীহৰিপ্ৰসাদ গোস্বামী ( প্ৰধান সম্পাদক ) প্ৰভৃতিক লৈ এখন শক্তিশালী আদৰণী সভা গঠিত হৈছিল। চাওঁতে চাওঁতে চৰকাৰী হাইস্কুল চৌহদত বিৰাট সভামণ্ডপ, প্ৰতিনিধি-শিবিৰ প্ৰদৰ্শনী টোল আদি ভাগে ভাগে নিৰ্মিত হৈ উঠিল। লগতে গোৱাল পাৰাৰ তিনিগৰাকী সুসন্তানৰ নামেৰে 'অমৃতভূষণ অধিকাৰী তোৰণ' প্ৰসন্নকুমাৰ ঘোষ তোৰণ' আৰু 'নগেন্দ্ৰনাৰায়ণ চৌধুৰী তোৰণে' সাহিত্য নগৰৰ জেউতি চৰালে।

এইখিনিতে উল্লেখ কৰিব পাৰি এইবাৰ নতুনকৈ সভাপতি নিৰ্বাচিত কৰিবলগীয়া হোৱা নাছিল। সংশোধিত নিয়মাৱলীত সভাৰ কাৰ্য্যকাল দুবছৰীয়া কৰাত সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়েই একেখন আসনত আছিল।

৩১ অক্টোবৰৰ পুৱা আঠ বজাত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অসম সঙ্গীতেৰে গগন-পৱন মুখৰিত কৰা গম্ভীৰ পৰিৱেশত ৰাইজৰ মাজত সন্মিলনৰ মণ্ডপৰ সন্মুখৰ পথাৰত সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি এটি সাৰগৰ্ভ চমু বক্তৃতা দিয়ে।

১৯৬১ চনৰ ৩১ অক্টোবৰৰ ৰাতিপুৱা দহবজাত মঙ্গলবাদ্য আৰু উৰুলিধ্বনিৰ মাজত বুৰঞ্জী অধিবেশনৰ সভাপতি ৰূপনাথ ব্ৰহ্মদেৱে কয়;—"অসমৰ বন-উপবন, পৰ্বত-ভৈয়ামবদ্ধাৰা বেষ্টিত অতীত কীৰ্তিৰাজিত অসমৰ জাতীয় ঐক্য আৰু সংহতিৰ ভাব এতিয়াও নিহিত হৈ আছে। অসম সাহিত্য সভাই আশাশুধীয়া যত্ন আৰু গৱেষণাৰে অতীতৰ এই বিচ্ছিন্ন যোগসূত্ৰ পুনঃস্থাপন কৰিব লাগিব। মোৰ একান্ত কামনা, অসম সাহিত্য সভাই অসমৰ জাতি-জনজাতিৰ মাজৰ ঐক্য জগাই তোলক।"

বিয়লি দুই বজাৰ লগে লগে মুকলি অধিৱেশনৰ সভাপতি অধ্যক্ষ গোস্বামীদেৱক এটি সমদলত বড়ো নৃত্য-গীতৰ শিল্পীসকলে ঐতিহ্যপূৰ্ণ এটি অনুষ্ঠানিক নৃত্যেৰে মঞ্চলৈকে আদৰি আনে। বড়োসকলৰ এই উচ্চমানবিশিষ্ট নৃত্যই ধৰ্মীয় পৰিবেশ সৃষ্টি কৰি সভামণ্ডপত এক পবিত্ৰ বাতাবৰণৰ সৃষ্টি কৰি সমূহ সমজুৱাকে আপ্লুত কৰিছিল।

সন্মিলন উদ্বোধন কৰি তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী (প্ৰাক্তন ৰাজ্যপাল) ডাঙৰীয়াই সুদীৰ্ঘ সময়োপযোগী অভিভাষণ পাঠ কৰে। সেই সভাতে প্ৰধান সম্পাদক ড° শ্ৰীমহেশ্বৰ নেওগৰ প্ৰতিবেদন পঠিত আৰু গৃহীত হয়।

অভ্যৰ্থনা-সভাপতি খগেন্দ্ৰনাথ নাথ ডাঙৰীয়াই তেখেতৰ 'আদৰণী সম্ভাষণ' পাঠ কৰে। সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে তেখেতৰ সুদীৰ্ঘ পাণ্ডিত্যপূৰ্ণ আৰু দিগ্‌দৰ্শক অভিভাষণ (ভাষণাৱলীত সন্নিৱিষ্ট) পাঠ কৰে। প্ৰধান সম্পাদকে বাৰ্ষিক প্ৰতিবেদন পাঠ কৰাৰ আৰু সৰ্বসম্মতিক্ৰমে সেই প্ৰতিৱেদন গৃহীত হোৱাৰ পিছত প্ৰথম মুকলি অধিবেশন সমাপ্ত হয়।

সন্ধিয়া ছয় বজাৰপৰা সঙ্গীত অধিবেশন বহে। অভ্যৰ্থনা সমিতিৰ সাংস্কৃতিক বিভাগৰ উপ-সভাপতি ডাক্তৰ শ্ৰীঅন্নদাচৰণ দাসে এখনি আদৰণী অভিভাষণ পাঠ কৰাৰ অন্তত এটি গীতৰ পিছত সভাপতি পাৰ্ৱতি প্ৰসাদ বৰুৱাদেৱে নিজে তেখেতৰ সুচিন্তিত আৰু সুমধুৰ অভিভাষণখনি পঢ়িব নোৱাৰাত শ্ৰীনৰেন্দ্ৰনাথ শৰ্মাই পাঠ কৰি দিয়ে।

১ নৱেম্বৰৰ পুৱা আঠ বজাত বুৰঞ্জী অধিবেশনৰ পাতনি মেলা হয় কীৰ্ত্তিনাথ বৰদলৈ ৰচিত 'আই সোণৰ অসম হে' গীতটিৰে। অসম সংগ্ৰহালয়ৰ অধ্যক্ষ শ্ৰীপ্ৰেমধৰ চৌধুৰীদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তেখেতে সভাপতিৰ অভিভাষণত অসমৰ প্ৰত্নতত্ত্বৰ বিভিন্ন দিশৰ চৰ্চ্চামূলক এটি আলোচনা দাঙি ধৰে।

বিয়লি দুই বজাত দ্বিতীয় মুকলি অধিবেশন আৰম্ভ হয়। বিষয়-বাছনী সভাৰদ্বাৰা গৃহীত চাৰিটি প্ৰস্তাৱ আৰু নাজিৰা সাহিত্য সভাৰ প্ৰতিনিধিসকলৰদ্বাৰা উত্থাপিত ত্ৰিংশ সন্মিলনৰ নিমন্ত্ৰণৰ প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে গৃহীত হয়। বিশিষ্ট বক্তা হিচাপে ভাষণ দিয়ে, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, ভবেন্দ্ৰনাৰায়ণ সিংহ, শ্ৰীকুমগিটাং দোৱনীয়া, শ্ৰীৰূপচান্দ সিংহ, চন্দ্ৰপ্ৰভা শইকীয়ানী, শ্ৰীৰমণসিংহ মণিপুৰী, শ্ৰীঅম্বিকাচৰণ চৰকাৰ, শ্ৰীভবেন্দ্ৰচন্দ্ৰ নাথ, শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা, শ্ৰীইন্দ্ৰেশ্বৰ পেগু, শ্ৰীঅমৃত-ভূষণ অধিকাৰী, শ্ৰীআব্দুল কাহেৰ লস্কৰ আৰু তেজুৰ শ্ৰীঅদাং পেগুৱে প্ৰভৃতিয়ে। সামৰণী ভাষণত সভাপতি শ্ৰীগোস্বামীদেৱে

গোৱালপৰীয়া ৰাইজক উৎসাহ, প্ৰযত্ন আৰু সহযোগিতাৰ যোগে সন্মিলনখনি স্মৰণীয় কৰি তোলাৰ বাবে অভিবাদন জনায়। খগেন্দ্ৰনাথ নাথদেৱে অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি আৰু প্ৰতি-নিধিকে মুখ্য কৰি সৰ্বজনলৈ ধন্যবাদ জনোৱাৰ অন্তত আৰু অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীয়ে প্ৰতিধন্যবাদ জ্ঞাপন কৰাৰ পিছত সভাৰ সামৰণি পৰে।

সন্ধিয়া সাত বজাৰপৰা সঙ্গীত-সমাৰোহ আৰম্ভ হয়। দুই দিনৰ সঙ্গীত-সন্ধিয়াতে কছিমা আৰু কাছাৰৰপৰা অহা দল দুটিৰ নৃত্য-গীত আদি বিশিষ্ট সম্পদ-স্বৰূপ আছিল।

## পাৰ্শ্বজ্যোতি

গোৱালপাৰাত দৰ্শক আৰু প্ৰতিনিধিসকলে খোৱাপাতত মাছৰ প্ৰাচুৰ্য্য দেখি তবধ মানিছিল তেওঁলোকে ভাতৰ লগত মাছ নেখাই মাছৰ লগত ভাত খাবলগীয়া হৈছিল বুলি বহু দিনলৈ কোৱাকুই কৰা শুনা গৈছিল। সভাপতি গোসাঁই, সম্পাদক নেওগ, ঈশ্বৰ বৰুৱা আৰু এই বুৰঞ্জী-লেখকক আদৰণী-সভাপতি খগেন নাথৰ ঘৰত ৰখা হৈছিল। তাতো এইসকলক পুৱা-গধূলি চাহপানীৰ লগত একোথাল চিতল মাছৰ কোলঠি আৰু ৰৌমাছ-ভজা খাবলৈ দিয়া হৈছিল। আজি অৱশ্যে সেই ৰামো নাই, সেই অযোধ্যাও নাই।

শস্য হৰিল মৎস্য হৰিল
হৰিল গছৰ গুটি,
সন্ত-মহন্তৰ বচন লৰিল
লৰিল ধৰ্মৰ খুটি।

× × ×

গোৱালপাৰা সন্মিলনৰপৰা নাজিৰা সন্মিলনলৈকে বছৰটোত (১) অৰুণাচলৰ প্ৰশাসনৰ শিক্ষানীতি আৰু সাংস্কৃতিৰ নীতিৰ বিৰুদ্ধে পূৰ্ববৎ যুঁজি থকা হয়। এই অঞ্চললৈ সংস্কৃতি-সন্দেশ

বিলাবলৈ সজাতী দল পঠোৱা হয়। চীনা-আক্ৰমণজনিত সঙ্কট-কালৰ পৰিস্থিতিত অসম সাহিত্য সভাই কবি-সাহিত্যিকসকলৈ জাতীয় সাহিত্য সৃষ্টিৰ বাবে আহ্বান জনায়। তিনিখন পুথি প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় সাহায্য পুজিলৈ কেৰ্কেটুৱাৰ বাঁহপাতৰ ভেটীস্বৰূপে এহেজাৰ ৰূপ দান আগবঢ়োৱা হয় আৰু বিভিন্ন ৰাষ্ট্ৰৰ কলাকাৰ সকলৈকো চীনা আক্ৰমণৰ বিৰুদ্ধে জনমত গঢ়ি তুলিবলৈ আহ্বান জনায়। ৩) কাছাৰ আৰু উত্তৰ কাছাৰ কাৰ্বি আংলং জিলাৰ বিভিন্ন স্থানলৈ সংগঠন আৰু সম্প্ৰীতিৰ বাবে সজাতী দল পঠোৱা হয়।

# নাজিৰা অধিবেশন (৩০)

**: ২০, ২১ এপ্ৰিল ১৯৬২ :**

বুৰঞ্জীয়ে গচকা নহলেও ৰজাদিনীয়া গৌৰৱবঞ্জিত স্থানেৰে পৰিবেষ্টিত নাজিৰা অসম চাহকোম্পানীৰ এখন পৰিপাটি সৰু নগৰ। চৰণেহে জানে মৰণৰ ঠাই, যৰে মৰণ তালৈকে যায়। সেয়েহে এই নাজিৰাই কলংপৰীয়া 'শেৱালি-কবি'ক দিখৌপাৰত শেষ নিশ্বাস পেলাবলৈ অজানিতভাবে টানি আনিছিল।

নাজিৰাত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন ১৯৬১ চনতে বহিব লাগিছিল কিন্তু চীনৰ অতৰ্কিত ভাৰত আক্ৰমণে বাটত হেঙাৰ ধৰিলে। দিন হোঁহকাই পিছৰ বছৰৰ এপ্ৰিল মাহত এই সভা পাতিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছিল। সভাৰ আগে আগে নগা-বিদ্ৰোহীৰ হিংসাত্মক কাৰ্যাই নামনি অসমৰপৰা যোৱা প্ৰতিনিধি ৰেলযাত্ৰীসকলৰ মনত ভূতৰ ওপৰত দানহৰ দৰে আশঙ্কা-ভাবৰ সৃষ্টি কৰিছিল।

সি যি নহওক ১৯ এপ্ৰিলৰ দিনা বৰষণীয়া বতৰৰ মাজতে তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে সাহিত্য সভা-মণ্ডপত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি উছবৰ পাতনি মেলিছিল। সেই দিনাই সন্ধিয়া অনুষ্ঠিত হৈছিল বিচিত্ৰ সঙ্গীতানুষ্ঠান।

১০ এপ্ৰিল ৰাতিপুৱাহে সাহিত্য সভাৰ প্ৰকৃত আৰম্ভণ হৈছিল পতাকা-উত্তোলনেৰে—প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী-দেৱৰদ্বাৰা।

পতাকা-উত্তোলনৰ পিছত যোৰহাটৰ স্নাতকোত্তৰ প্ৰশিক্ষণ কলেজৰ অধ্যক্ষা শ্ৰীমতী ইন্দিৰা মিৰিৰ সভানেত্ৰিত্বত আলোচনা-চক্ৰ বহে। আলোচনা-চক্ৰৰ বিষয় আছিল: 'জাতীয় একীকৰণ: অসমীয়া ভাষা-সাহিত্যৰ পটভূমিত।' শ্ৰীলীলা গগৈ, শ্ৰীবীৰেন্দ্ৰকুমাৰ

ভট্টাচাৰ্য্য, শ্ৰীযোগেশ দাস, শ্ৰীহেমচন্দ্ৰ শৰ্মা, আৰু শ্ৰীমতী ডি, কে, মেক্‌ফাৰ্লেনে আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰে। সভানেত্ৰী শ্ৰীমতী মিৰিয়ে জাতীয় প্ৰাণৰ সংজ্ঞাৰ বহল ব্যাখ্যা দি কয় যে সপ্তসুৰৰ সমন্বয়ত সুৰৰ ঐক্যসাধন হোৱাৰ দৰে ভাব, ভাষা, ছন্দেৰে সমন্বয় সাধিব লাগিব আমাৰ সাহিত্যত। বিভিন্ন ভাষা, বিভিন্ন সাহিত্য, বিভিন্ন বিৰোধৰ মাজতো যি ঐক্য-সাধনৰ পটভূমি আছে, সেয়েই ভাৰতৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি।

## মোৰ জীৱনৰ লগ সাদৰী মাতৃভাষা•

ৰাতিপুৱাৰেপৰা বতৰ মুকলি হৈ পৰাত বিপুল উৎসাহ-উদ্দীপনাৰ মাজত দিনৰ দুই বজাৰপৰা মুকলি অধিৱেশন আৰম্ভ হয়। হেজাৰ হেজাৰ লোকৰ সমাগমত গায়ন-বায়নেৰে ঢোল-খোল বজাই অধিবেশন-মণ্ডপলৈ মটৰত তুলি সভাপতি শেৱালি-কৰি ৰত্নকান্ত বৰকাকতী ডাঙৰীয়াক অনা হয়। সভাপতি মঞ্চত উঠাৰ লগে লগে সকলোৱে থিয় হৈ তেওঁক স্বাগত-সম্ভাষণ জনায় আৰু আইসকলে উৰুলি দিয়ে। 'কুঙ্কুম চন্দন গন্ধে' গীতেৰে সভা আৰম্ভ কৰা হয়।

সভাপতি বৰকাকতীদেৱে শাৰীৰিক অসুস্থতাৰ কাৰণে থোকা-থুকি মাতেৰে কেইআষাৰমান কথা কৈ সমৱেত সুধীবৃন্দক প্ৰণতি জনায়। তেওঁৰ ৮৫-পিঠীয়া অভিভাষণখনি পাঠ কৰি দিয়ে শ্ৰীমহেশ-চন্দ্ৰ দেৱগোস্বামীদেৱে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শিক্ষাবিদ শ্ৰীবেদনাথ বৰঠাকুৰৰ প্ৰতিনিধি, অতিথি আৰু উপস্থিতসকলক স্বাগত-সম্ভাষণ জনাই বুৰঞ্জীপ্ৰসিদ্ধ নাজিৰাৰ ঐতিহ্য চমুকৈ বৰ্ণনা কৰি নিচেই ওচৰতে থকা ধ্বংসপ্ৰাপ্ত গড়গাঁও নগৰলৈ আঙুলিয়াই সেয়ে অতীত অসমৰ শৌৰ্য্য-বীৰ্য্যৰ কথা সোঁৱৰাই দিয়ে বুলি কয়।

সম্পাদকীয় প্ৰতিবেদন দাঙি ধৰে প্ৰধান সম্পাদক ডক্টৰ শ্ৰীমহেশ্বৰ নেওগে। অন্যান্য প্ৰসঙ্গৰ মাজত তেওঁ কয় যে সাহিত্য সভাই শিক্ষা

আৰু সংস্কৃতিৰ ক্ষেত্ৰত সীমান্ত প্ৰশাসনে অনুসৰণ কৰা নীতিৰ বিৰুদ্ধে অবিৰাম সংগ্ৰাম চলাই অহা হৈছে আৰু তাৰ ফলত কৰ্তৃপক্ষৰ মনোভাৱ অলপ কোমল হোৱা যেন অনুমান হৈছে।

২০ এপ্ৰিল সন্ধিয়া ছাৰে ছয় বজাৰপৰা সঙ্গীত সন্মিলন আৰম্ভ হয়। সন্মিলনত সভাপতিত্ব কৰি ডক্টৰ শ্ৰীভূপেন হাজৰিকাদেৱে কয়, "অসমৰ সংস্কৃতিৰ মাণিক-সুৱৰ্ণ-পোৱাল মণিৰে ভৰপূৰ হৈ আছিল আৰু আছেও, মাথোন ইয়াৰ প্ৰচাৰৰ আৱশ্যক।"

বিষয়-বাছনী সভা চলি থকা অৱস্থাতে সাহিত্য সভা মণ্ডপত বুৰঞ্জী-সন্মিলন আৰম্ভ হয় ৰাতিপুৱা ৮-৩০ বজাৰপৰা। বুৰঞ্জী সন্মিলনত সভাপতিত্ব কৰে ডক্টৰ শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰীদেৱে। তেখেতে কয় যে বুৰঞ্জী লিখাৰ প্ৰণালীৰ পৰিবৰ্তন হোৱাৰ লগে লগে ঘটনাবিশ্লেষণৰ দৃষ্টিভঙ্গীও সলনি হৈছে। সেই বাবে আমি নতুন ধৰণৰ অসম বুৰঞ্জী প্ৰণয়ন কৰাৰ প্ৰয়োজন হৈ পৰিছে। এই সভাত শ্ৰীভুবনচন্দ্ৰ সন্দিকৈদেৱে এটি প্ৰবন্ধ পাঠ কৰে।

সেই দিনা দিনৰ আঢ়ৈবজাৰপৰা দ্বিতীয় দিনৰ মুকলি অধিবেশন আৰম্ভ হয়। সভাপতি বৰকাকতীদেৱৰ অসুস্থতাৰ কাৰণে প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে তেখেতৰ হৈ সভা পৰিচালনা কৰে। সভাৰ আৰম্ভণিতে নটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰস্তাৱসমূহ ব্ৰহ্মপুত্ৰৰ দলঙৰ নাম শৰাইঘাট দলং ৰখা, উচ্চ মাধ্যমিক বিদ্যালয়বিলাকত অসমীয়া ভাষাৰ শিক্ষকসকলৰ অন্য বিষয়ৰ শিক্ষকৰে সৈতে সমান মৰ্য্যাদা দিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা, পুৰণি অসমীয়া সাহিত্য বাহিৰত প্ৰচাৰ কৰিবৰ কাৰণে 'কথা-ভাগৱত' আৰু 'কথা-গীতা' দেৱনাগৰী লিপিত প্ৰকাশ কৰা আদি।

সভাৰ কাৰ্য্যকাল আগবঢ়াবে এবছৰীয়া হোৱাত সভা পুনৰ্মুখিক হয়। বিশিষ্ট অতিথিৰ আসনৰপৰা বক্তৃতা দি মহাদেৱ শৰ্মাদেৱে কয় যে চীনা-আক্ৰমণে ভাৰতীয় মানুহক জগাই তুলিছে।

তেওঁ এই মুহূৰ্ত্তত সাহিতি্যকসকলক সাহসী হৈ 'বহুজনহিতায় বহুজনসুখায়' সৎ সাহিত্য সৃষ্টি কৰিবলৈ আহ্বান জনায় নতুন সাহিত্য ৰচনা কৰিব লাগে। পদ্মধৰ চলিহাদেৱে ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে অবিৰাম কাম কৰি যাবলৈ আহ্বান জনায়। নাজিৰাৰ অৰ্থই কয় যে জিৰাব নালাগে সেইদিনাৰ আন বিশিষ্ট বক্তাসকল আছিল—বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা প্ৰভৃতি। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ গোপালজী মেহৰোট্ৰাজীয়েও অসমীয়া ভাষা-সাহিত্যৰ ঐতিহ্য সুঁৱৰি উত্তৰোত্তৰ উন্নতি কামনা কৰি তুআষাৰ কয়। সাহিত্যই জনতাক অনুপ্ৰেৰণা যোগাব পাৰিব লাগিব, অসম সাহিত্য সভাই যাতে তাৰ প্ৰতি লক্ষ্য ৰাখে সেই কথাৰ ওপৰত তেখেতে জোৰ দিয়ে।

শ্ৰীগোস্বামীদেৱে সভাপতিৰ সামৰণী মন্তব্যত চাহ বনুৱাৰ নিচিনা জনসাধাৰণৰ মাজত অসমীয়া ভাষা-সাহিত্য প্ৰচাৰৰ কাৰণে তেওঁলোকৰ উপযোগী কিতাপ ৰচনা কৰিবলৈ আহ্বান জনায়। সাহিত্য-ক্ষেত্ৰত এটা বলিষ্ঠ আশাবাদ নাথাকিলে সৃষ্টিধৰ্মী সাহিত্য সৃষ্টি হ'ব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সৃষ্টি কৰিবলৈ তেখেতে সকীয়াই দিয়ে।

'ইন্দ্ৰধনু'ৰ কবি ডিম্বেশ্বৰ নেওগদেৱে পৌৰোহিত্যত কবিতা-সভাত পৌৰোহিত্য কৰি কবিতাগন্ধী তথ্যপূৰ্ণ ভাষণ দিয়ে। এই সভাত স্বৰচিত কবিতা পাঠ কৰে—পদ্মধৰ চলিহা, বাগ্মীবৰ শ্ৰীনীলমনি ফুকন, শ্ৰীভবানন্দ ৰাজখোৱা প্ৰভৃতি ন-পুৰণি কবিসকলে।

নিশা পুনৰ সাংস্কৃতিক সমাৰোহ আৰম্ভ হয়। অনুষ্ঠান চলি থাকোঁতেই মাজনিশা বিনামেঘে বজ্ৰপাত হ'ল। সভাপতি বৰকাকতী-দেৱৰ স্বৰ্গাৰোহণৰ বাতৰিয়ে সকলোকে স্তম্ভিত আৰু মৰ্মাহত কৰি তুলিলে। সিমানতে অনুষ্ঠানৰ কাৰ্য্যসূচী বন্ধ কৰা হ'ল আৰু সিমানতে সভাৰ অধিবেশনৰো যবনিকপাত হ'ল।

কান্দে নাজিৰাই 'ৰত্ন' হেৰুৱাই
'শেৱালি' লেৰেলি যায়,
কলংপাৰত, "ৰূপহী" বুকত
প্ৰতিধ্বনি হায় হায়।

× × ×

এদিন মাথোন সাহিত্য সভাৰ পাটত বহি অপ্ৰত্যাশিভাবে বৰকাকতীদেৱে টুপাই বুৰ মাৰিলে। তেখেতৰ ভাৰখন আপোনা-আপুনি উপসভাপতি শ্ৰীপৰাগধৰ চলিহাৰ কান্ধত উঠিল। সভাপতি হৈ চলিহাই আৰু প্ৰধান সম্পাদক ড° নেওগে বছৰটোৰ কাম-কাজ পৰিচালনা কৰে।

এই বছৰটোত আৰ্থিক অনাটনৰ বাবে সভাই খৰটকীয়া ভাবে অগ্ৰগতি লাভ কৰিব পৰা নাছিল, তথাপি পৰাখিনি কৰা গৈছিল। পলাশবাৰীৰ প্ৰস্তাৱবোৰ কাৰ্য্যকৰী কৰিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছিল।

সভাৰ বিগত নগাও অধিবেশনত নৱনিৰ্মিত ব্ৰহ্মপুত্ৰৰ সাঁকোখন শৰাইঘাট সাঁকো নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক খাটনি ধৰা হৈছিল যদিও দিল্লীয়ে কাণসাৰ কৰা নাছিল। পিছৰ আৰু এক অধিবেশনত একে প্ৰস্তাৱকে দোহৰা হৈছিল। সদৌ অসমৰ ৰাইজে এই প্ৰস্তাৱত হয়ভৰ দিছিল। প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৱে ১৯৬৩ চনত ৭ জুনত বিপুল হৰ্ষধ্বনিৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত 'শৰাইঘাট সাঁকো' উন্মোচন কৰিলে। অসম চৰকাৰে বিচৰামতে 'বিশ্বকোষ'ৰ আঁচনি দাখিল কৰা হয়। সম্প্ৰতি অসম প্ৰকাশন পৰিষদৰ যোগেদি বিশ্বকোষ প্ৰণয়নৰ কাম চলি আছে। ফলাফল ফলদাতা বিভুৰ হাতত।

# ডিগবৈ অধিবেশন (৩১)

ঃ ১৮, ১৯ এপ্রিল ; ১৯৬৪ ঃ

**পাৰ্থজ্যোতি**

'ডিগ্‌বয়' অৰ্থাৎ 'মাটি খান্দ্‌ ল'ৰা' কি চাই আছে ?' এইদৰে এজন চাহাবে কোৱা কথাৰ বাবেই হেনো ডিগবয় নামটো হৈছিল। হবও পাৰে, নহবও পাৰে। কিন্তু এই কথা ঠিক যে ভাৰতবৰ্ষৰ বাৰচহৰীয়া তেল-নগৰৰ আৰাধ্যাদেৱী পনীয়া সোণ। বৃটিছ আমোলত এই চহৰত চাহাবৰ প্ৰাধান্য আছিল। বৃটিছ গ'ল, ব'গা চাহাবো গ'ল। ক'লা চাহাব থাকিল, চাহাবিয়ানা বহু পৰিমানে থাকি গ'ল। সেই চাহাবিয়ানাৰ মাজতে সোমালহি এজন নিভাজ অসমীয়া সত্ৰাধিকাৰ। তেওঁৰ মূৰত সত্ৰীয়া বগলীপখীয়া পাগ, মুখত এমোকোৰা গুৱা, কপালত চন্দনৰ ফোঁট, গাত গুনাৰ বনকৰা খনীয়া। সত্ৰাধিকাৰজনাই ডিগবয় নামঘৰত টৌখুটি মাৰি নাম-প্ৰসঙ্গও কৰিলে—গোসাঁই-নাম। তেওঁ সভাপতিৰ মঞ্চত বহি সাহিত্যৰ নাম-প্ৰসঙ্গও কৰিলে—আই-নাম 'চিৰচেনেহী ভাষা-জননী'ৰ তেওঁ বৰওজা। এয়া আছিল লেটুগ্ৰাম সত্ৰাধিকাৰ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱৰ পৌৰোহিত্যত ডিগবৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ একত্ৰিংশ অধিবেশন-য'ত চাহাবিয়ানা আৰু সত্ৰিয়ানাৰ অপূৰ্ব মধুৰ সমন্বয় ঘটিছিল।

## খাটোলাত উঠিলন্ত মিত্ৰ-অধিকাৰ

এই ডিগবৈ অধিবেশনে গতানুগতিকতা এৰি অৰ্থাৎ পতাকা উত্তোলন বুৰঞ্জী সভা, বিজ্ঞান সভা আদি বাদ দি কেৱল আলোচনা-চক্ৰ আৰু সঙ্গীত সন্ধিয়াতে গুৰুত্ব আৰোপ কৰিছিল। এই উপলক্ষে বাহিৰৰপৰা দুগৰাকী বৰেণ্য ব্যক্তি ডক্টৰ মুলকৰাজ আনন্দ আৰু শান্তিনিকেতনৰ শ্ৰীশান্তিদেৱ ঘোষকো আদৰি আনিছিল।

১৯৬৪ চনৰ ১৭ এপ্ৰিলৰ সন্ধিয়া ডিগবৈত স্পোৰ্টছ ক্লাবত অনুষ্ঠিত হৈছিল বিষয়-বাছনী সভা মহন্তদেৱৰ পৌৰোহিত্যত। সভাপতি প্ৰমুখ্যে ২২৪ জন প্ৰতিনিধি এই সভাত উপস্থিত আছিল। তিনি-ঘণ্টাতে সমাপ্ত হোৱা এই নিজঙ্গলীয়া বিষয়-বাছনী সভাই এক নতুন অভিলেখ সৃষ্টি কৰে।

মুকলি অধিবেশনৰ আগদিনা ১৮ এপ্ৰিল তাৰিখে দুপৰীয়া বাৰ বজাত 'আৱাহন' যুগৰ বিখ্যাত গল্পকাৰ, নগাভূমি বিধান সভাৰ প্ৰাক্তন সদস্য শ্ৰীগোবিন্দচন্দ্ৰ পৈৰাদেৱে অসমীয়া সাহিত্যৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি পতাকা উত্তোলন কৰে।

১৮ এপ্ৰিল, শনিবাৰে দিনৰ এক বজাত সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱক ডিগবৈ কেন্দ্ৰীয় নামঘৰৰ তেৰাৰ বাহৰৰপৰা সভাস্থলীলৈ গায়ন-বায়নেৰে আগবঢ়াই অনা হয়। ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে মুকলি সভা উদ্বোধন আৰু ডিগবৈ সাহিত্যসেৱী চ'ৰাৰ প্ৰকাশন 'ৰদালি' উন্মোচন কৰে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে আদৰণী ভাষণত সাদৰ-সম্ভাষণ জনাই কয়: "আমি আজি আহোম স্বৰ্গদেউ-সকলৰ সাহস, উদ্দীপনা, উদাৰতা আৰু বুটিছসকলৰ কৰ্মদক্ষতাৰ আদৰ্শ লৈ তেওঁলোককো চেৰাই আগবাঢ়ি যাব লাগিব।"

সভাপতি শ্ৰীশ্ৰীমহন্তদেৱে তেখেতৰ এঘণ্টা পোন্ধৰ মিনিট জোৰা সুদীৰ্ঘ ভাষণটি পাঠ কৰে। তাৰ পিছত ডক্টৰ শ্ৰীবীৰেন্দ্ৰনাথ দত্তই এটি বৰগীত গায়, লগত খোল সঙ্গত কৰে শ্ৰীগিৰিকান্ত মহন্তদেৱে।

মুকলি অধিবেশনৰ অন্ত পৰাত একে সভামণ্ডপৰে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাদেৱৰ সভাপতিত্বত আলোচনা-চক্ৰৰ প্ৰথম দিনৰ বৈঠক অনুষ্ঠিত হয়। মুখ্য-অতিথিস্বৰূপে যোগ দিছিল আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন লেখক মুলকৰাজ আনন্দই। তেখেতে ভাষণত কয় যে আজিৰ পৃথিবীয়ে একালে মৃত্যু আৰু আনকালে জীৱনৰ

কঠোৰ পৰীক্ষাৰ সমুখীন হৈছে। এফালে মানুহে জীৱনধাৰণৰ বাবে তুমুল সংগ্ৰাম কৰিবলগীয়া হৈছে, আনফালে আকৌ বিজ্ঞানৰ উৎকৰ্ষ কৰা জাতিবিলাকে আণবিক বোমাৰ দৰে মাৰণাস্ত্ৰৰ সহায়ত কেইটা-মান মুহূৰ্ততে পৃথিৱী ছাৰখাৰ কৰিব পৰা শক্তিৰ অধিকাৰী হৈ স্বাধীন চিন্তাত বাধা জন্মাব খুজিছে।

সভাপতি শ্ৰীবৰুৱাদেৱে সভাৰ হৈ ডক্টৰ আনন্দক ধন্যবাদ জনায় আৰু কয় যে আজিৰ লেখকসকলে আধুনিক জীৱনটোক গ্ৰহণ কৰি উপন্যাসত ৰূপ দিব লাগে। সাহিত্যৰ মূল কথা হৈছে সহানুভূতি। ঔপন্যাসিকৰ যদি সমাজ বা সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ প্ৰতি সহানুভূতি নাথাকে, তেন্তে তেওঁ সিসকলৰ জীৱনৰ চিত্ৰ উপন্যাসত ভালকৈ ফুটাই তুলিব নোৱাৰে ; ফলত তেওঁৰ উপন্যাসেও সাৰ্থকতা লাভ কৰা টান।”

ৰাতি আসাম চাহ-কোম্পানীৰ মেনেজাৰ মিঃ এ-চি গোৱানে সভাপতি প্ৰমুখ্যে বিশিষ্ট অতিথিসকলক চাহ-মেলত আপ্যায়িত কৰে।

১৯ এপ্ৰিল তাৰিখে ৰাতিপুৱা পুনৰ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনাৰ বিষয় আছিল উপন্যাস সাহিত্য। এই বিষয়টো বিভিন্ন দিশৰ পৰা চালিজাৰি ভাষণ দিছিল শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী ( প্ৰাক্তন এম-পি ), ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ড° শ্ৰীলক্ষ্মীনন্দন বৰা আৰু শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াই।

মুখ্য অতিথি ডক্টৰ মুলকৰাজ আনন্দই কয় যে সকলো প্ৰকাৰ সাহিত্য-ৰচনাৰে একোটি পদ্ধতি আছে আৰু সেই পদ্ধতি আমি মানিব লাগিব। ৰামায়ণ-মহাভাৰতৰ যুগ আজি নাই। সেয়েহে ৰামায়ণ-মহাভাৰতৰ ৰচনাপদ্ধতি আৰু আজিৰ উপন্যাস ৰচনাৰ পদ্ধতিৰো উদ্দেশ্যৰ সলনি ঘটিছে। ৰামায়ণ-মহাভাৰতত ধৰ্মোপদেশৰ বাণী আছে, উপন্যাসত সমাজ আৰু মানৱ জীৱনৰ বিভিন্ন দিশৰ কথা চিত্ৰিত হৈছে।

সভাপতিৰ ভাষণত শ্ৰীদেৱকান্ত বৰুৱাদেৱে কয় যে বৰ্তমানে যান্ত্ৰিক সভ্যতা আৰু সমাজৰ নানা পৰিস্থিতি লৈ য়ুৰোপত উপন্যাস ৰচিত হৈছে। উপন্যাসত মানৱীয় সত্যতা আছে। ই মানুহৰ অন্তৰ্দ্বন্দ্ব, আশা-নিৰাশা, ভাবৰ আদান-প্ৰদান আদিৰ ওপৰত প্ৰতিষ্ঠিত।

উপৰীয়া অনুষ্ঠিত মুকলি অধিবেশনত প্ৰধান সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন আৰু ১৯৬৩-৬৪ চনৰ বছৰেকীয়া হিচাপ পঠিত আৰু গৃহীত হয়। এই অধিবেশনত গৃহীত হোৱা সাতটা প্ৰস্তাৱবোৰ আছিল চন্দ্ৰকান্ত বৰকাকতী প্ৰমূখ্যে বছৰটোত স্বৰ্গী হোৱা বৰেণ্যসকলৰ উদ্দেশ্যে শোক-তৰ্পণ, শাসকীয় আইনৰ সংশোধনি সাহিত্যৰথী বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী পালনৰ সিদ্ধান্ত গ্ৰহণ, আখৰজোটনিৰ খেলিমেলি দূৰ কৰাৰ বাবে বিশেষজ্ঞ সমিতি গঠন, ভাৰত-চৰকাৰৰ পৰা ছপা হোৱা কিতাপ গ্ৰন্থাগাৰক বিতৰণ, কোচবেহাৰ ৰাজভঁৰালত থকা অসমীয়া পুৰণি পুথিৰ পাণ্ডুলিপি আদি সম্পৰ্কীয়। উল্লেখযোগ্য যে আগতেও এনে প্ৰস্তাৱ লোৱা হৈছিল কিন্তু কোনোটো প্ৰস্তাৱে গুটি ধৰা দেখা নগ'ল। এটা প্ৰস্তাৱত পাটনা সন্মিলনৰ কুপৰামৰ্শত উদ্বেগ প্ৰকাশ কৰা হৈছিল। সুখৰ বিষয় এইবোৰ দুষ্টবুদ্ধি অথলে গ'ল।

সমজুৱাৰ ফালৰপৰা শ্ৰীমতী নলিনীবালা দেৱী আৰু বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াৰ বক্তৃতাৰ অন্তত সামৰণি ভাষণ প্ৰদান কৰি সভাপতি শ্ৰীশ্ৰীমহন্তদেৱে অসমীয়া ভাষা-সাহিত্যৰ একমাত্ৰ মহান অনুষ্ঠান অসম সাহিত্য সভাই ভাষা-জননীৰ সেৱাৰ বাবে সৰ্বতোপ্ৰকাৰে নেতৃত্ব দিবলৈ সক্ষম হব বুলি আশা কৰে।

১৮ আৰু ১৯ এপ্ৰিল দুয়ো ৰাতি বাৰচহৰীয়া হাজাৰবিজাৰ দৰ্শকৰ সমুখত ডিগবৈ সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে প্ৰাচীন, বৰ্তমান আৰু ভৱিষ্যতৰ ইঙ্গিত থকা তিনিওটা দিশকে বিকশাই তুলিছিল সঙ্গীত-সন্ধিয়াত। ৰাষ্ট্ৰীয় সঙ্গীত-নাটক একাডেমীৰ বঁটা-বিজয়ী শিল্পী পুৰণি কমলাবাৰী সত্ৰৰ ওজা অষ্টাশী বছৰীয়া মণিৰাম

দত্ত মুক্তিয়াৰ ওজাদেৱে কৈছিল “আমি যিখিনি জানো, আনে লব লাগে।” শ্ৰৰণী-সত্ৰৰ শ্ৰীগিৰিকান্ত মহন্তৰ ‘গাতিণিকা’ত আছিল শঙ্কৰী শিলিকাৰ ‘ভিটামিন্’।

এই সঙ্গীত-সমাৰোহৰ সভাপতিৰ আসনত বহিছিল, ৰবীন্দ্ৰ-সঙ্গীতৰ ওজা শ্ৰীশান্তিদেৱ ঘোষ। তেখেতে ভাষণত ভাৰতীয় সঙ্গীতৰ বিভিন্ন ৰূপ সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছিল। তেখেতে কৈছিল—“অসমৰ নৃত্যগীত এটা ধাৰাৰ বাহক আছিল ৰজাসকলৰ পৃষ্ঠপোষকতাত পুষ্ট ব্যৱসায়ী নৃত্য-গীতত পুষ্ট শিল্পীসকল আৰু এক ধাৰাৰ বিকাশ হ’ল সম্পূৰ্ণৰূপে ধৰ্মক কেন্দ্ৰ কৰি। বৌদ্ধযুগ, তান্ত্ৰিক যুগ আৰু ব্ৰাহ্মণ্য যুগৰ পিছত মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ আৰম্ভৰপৰা আজি পৰ্য্যন্ত বৈষ্ণৱ সত্ৰবিলাকক কেন্দ্ৰ কৰি যি নৃত্য, নাট্য আৰু সঙ্গীতৰ পৰিচয় পাওঁ, সি হ’ল সেয়ে কিন্তু এই প্ৰদেশৰ সম্পূৰ্ণ নিজৰ আৰু এটি নৃত্য-গীতধাৰাৰ যুগে যুগে নানা স্তৰৰ মানুহৰ মাজত বিকাশ লাভ কৰিছে দলবদ্ধভাৱে। তাকে আমি বুলিম, লোকনৃত্য আৰু লোকসঙ্গীত। ইয়াৰ বৈচিত্ৰ্যত অসমে ভাৰততে এক বিশেষ স্থান লাভ কৰিছে।

মুখ্য অতিথিৰ আসনৰপৰা সুকণ্ঠ গায়ক ড° শ্ৰীভূপেন হাজৰিকাই ড° শ্ৰীআনন্দ আৰু শ্ৰীঘোষৰ নাম লৈ সমূহ শ্ৰোতাক সম্বোধন কৰি কৈছিল: “দুনিয়াত অসমৰ সংস্কৃতিৰ সকলোখিনি প্ৰতিনিধিক গোট খুৱাব নোৱাৰি। গতিকে ইয়াত যদি ভাল কিবা দেখে বা শুনে পৃথিবীক কবগৈ। বেয়া যদি কিবা দেখে আমাক কৈ শুধৰাই দিব। পুৰণিৰ ভাল যিখিনি আছে সন্মান কৰিব। ভবিষ্যতকো অৱজ্ঞা নকৰে যেন। অসমৰ পৰীক্ষামূলক সৃষ্টি হব ধৰিছে।”

ভাষণৰ উপৰিও ড° হাজৰিকা আৰু ঘোষ দুয়ো জনে সঙ্গীতৰ সুধা-কণ্ঠ উজাৰি দি শ্ৰোতাক বিমুগ্ধ কৰিছিল। একেষাৰ কথাত ডিগবৈৰ সাহিত্য সভা আৰু সঙ্গীত-সমাৰোহ আছিল অপূৰ্ব ‘মৌ-মহাভাৰত’।

× × ×

ড° নেওগৰ প্ৰতিবেদনত কোৱা হৈছিল যে নিতান্ত আৰ্থিক সঙ্কটৰ বাবে সভাই কোনো বিশেষ কামত আশানুৰূপভাবে আগবাঢ়িব পৰা নাছিল।

চৰ্কাৰী হেমাহিত উদ্বেগ প্ৰকাশ কৰি অসমীয়া ভাষাক শাসকীয় ভাষাৰূপে অবিলম্বে প্ৰয়োগ কৰিবলৈ দাবী জনোৱা হৈছিল।

অসমীয়া টাইপ ৰাইটাৰ যন্ত্ৰৰ ছবি প্ৰায় স্থিৰ হোৱাত এই সম্পৰ্কে অধিনিয়ম সোণকালে ঘোষণা কৰা হব বুলি আশা কৰা হয়।

এই বছৰতে গুৱাহাটী ভগৱতীপ্ৰসাদ বৰুৱাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাত ভৱনটিৰ দুৱাৰ মুকলি কৰোৱা হয়, সদৌ ভাৰত প্ৰাচ্য বিদ্যা-সন্মিলনীৰ গুৱাহাটী অধিবেশনৰ সভাপতি ড° বাসুদেৱশৰণ আগৰ-ৱালাৰ হতুৱাই। সেই দিনা আছিল ১৯৬৫ চনৰ দুই জানুৱাৰী। এই ভৱন সম্পৰ্কত সম্পাদক ড° শ্ৰীমহেশ্বৰ নেওগৰ কাৰ্য্যতৎপৰতা বিশেষভাবে প্ৰশংসনীয়।

এই প্ৰসঙ্গতে স্মৰণ কৰিব পাৰি যে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ চোতালত ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই তেওঁৰ নামত এটা গবেষণাগাৰ সাজিবলৈ লিখিতভাবে কুৰিহেজাৰ টকা দানৰ প্ৰতিশ্ৰুতি আগ-বঢ়াইছিল। কিন্তু পিছত কোনোবা শকুনিৰ লগনীয়া কুবুদ্ধিত ভোল গৈ কবিজনাই বোলা বচন এৰিলে অৰ্থাৎ প্ৰতিশ্ৰুতি দিলে কিন্তু দান নিদিলে। ফলত 'ৰঘুনাথ চৌধাৰী গৱেষণাগাৰ' ফুতুকাৰ ফেনহে হ'ল।

# নলবাৰী অধিবেশন (৩২)

: ১৭, ১৮, ১৯ জানুৱাৰী। ১৯৬৫ চন :

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতা-প্ৰধানসম্পাদক শৰৎচন্দ্ৰ গোস্বামী আৰু পলাশবাৰী-গোৱালপাৰা অধিবেশনৰ সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী নলবাৰীৰ গৌৰৱ। এতিয়া নলবাৰীয়ে জিলালৈ খোজ দিছে. তেতিয়া কিন্তু মহকুমা-চহৰেই হোৱা নাছিল। এই নলবাৰী কামৰূপ জিলাৰ এটা বৰ্দ্ধমান অঞ্চল অতীজৰপৰা আজি পৰ্য্যন্ত এই ভূখণ্ডই সংস্কৃত-চৰ্চাত বিশেষ প্ৰসিদ্ধি লাভ কৰি আহিছে। ইয়াক 'অসমৰ নবদ্বীপ' আখ্যা দিয়া হয় ওজাপালি, পুতলা–নাচ আদিৰে সাংস্কৃতিক দিশতো নলবাৰী বিশেষভাৱে চহকী।

এই ঠাইতে অসম সাহিত্য সভাৰ বছেৰেকীয়া পূজাভাগ পাতিবলৈ নলবৰীয়া ৰাইজে অধ্যক্ষ শ্ৰীত্ৰৈলোকনাথ গোস্বামীক সভাপতি আৰু ডাঃ শ্ৰীহৰেকৃষ্ণ গোস্বামী আৰু ডাঃ শ্ৰীনৃপেমল্ল বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰিছিল। নলবাৰী কলেজৰ সমুখত নিৰ্মিত হৈছিল এখন সুবিস্তৃত সাহিত্য-নগৰ। ইয়াৰ মাজতে আছিল প্ৰায় একুৰি পোন্ধৰটা বিভিন্ন ষ্টলেৰে পৰিপূৰ্ণ প্ৰদৰ্শনী-মণ্ডপ। ইয়াৰ ভিতৰত 'এইখন নলবাৰী'ত নলবাৰীৰ সাহিত্য-সংস্কৃতিৰ ভিন্নমুখী ৰূপ সামগ্ৰিকভাৱে থাউকতে ফুটাই তুলিবলৈ যত্ন কৰা হৈছিল।

৬৫ চনৰ সোতৰ জানুৱাৰী আবেলি 'শৰৎচন্দ্ৰ গোস্বামী তোৰণে'ৰে সুশোভিত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে, ধুবুৰীৰ প্ৰান্তবাসী নেতা প্ৰমথনাথ চক্ৰবৰ্তী ডাঙৰীয়াই। অলপ পিছতে 'ৰমাকান্ত চৌধুৰী তোৰণে'ৰে নামাঙ্কিত প্ৰতিনিধি-শিবিৰ নলবাৰী বুনিয়াদী প্ৰশিক্ষণ

ভৱনত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ সভাপতিত্বত সম্পন্ন হয় বিষয়-বাছনী সভা।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সোঁৱৰণী-দিৱস উপলক্ষে অভ্যৰ্থনা সমিতিয়ে সেই দিনাই সন্ধিয়া 'জ্যোতি-তৰ্পণ' অনুষ্ঠানৰ আয়োজন কৰে। জ্যোতি-তৰ্পণ'ৰ সামৰণি পৰাৰ লগে লগে পুতলানাচৰ পাতনি মেলা হয়। তাৰ পিছত আৰম্ভ হয়, 'সুৰদেৱী থিয়েটাৰৰদ্বাৰা নিবেদিত 'হৰিশ্চন্দ্ৰ' নাটকৰ অভিনয়। দুয়োটা অনুষ্ঠানে হাজাৰবিজাৰ দৰ্শকৰ মনোৰঞ্জন কৰিছিল।

## অসমা সুষমা কামৰূপা কামদা

ওঠৰ জানুৱাৰী ৰাতিপুৱা নলবৰীয়া বাইজৰ বিপুল সমাবেশ আৰু হৰ্ষধ্বনিৰ মাজত বিদায়ী সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে।

পতাকা উত্তোলনৰ লগে লগে 'সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱা তোৰণে'ৰে সুসজ্জিত আহলবহল সভামণ্ডপত আৰম্ভ হয় দেশপ্ৰেমী সাহিত্যিক হেমবৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত আলোচনা-চক্ৰ। আলোচনাৰ বিষয় 'অসমীয়া চুটিগল্প'ৰ পৰ্য্যালোচনা কৰে। শ্ৰীঅতুলানন্দ গোস্বামী শ্ৰীৰোহিণী কাকতী আৰু অধ্যাপক শ্ৰীযোগেশ দাসে অধ্যাপক চৈয়দ আব্দুল মালিকে। আলোচনাত সক্ৰিয় ভাগ লয়। আলোচনা চক্ৰৰ অন্ত হব নৌপাওঁতেই সভাপতি নেওগদেৱক লৈ সদলবলে সমদল-যাত্ৰা আৰম্ভ হয়।

সমদলৰ অন্তত সভা উদ্বোধন কৰে বয়োবৃদ্ধ সাহিত্যিক মহাদেৱ শৰ্মা ডাঙৰীয়াই এটা আবেগময় মধুৰ ভাষণেৰে। অসম সাহিত্য সভাক নিত্য নতুন ৰূপত শক্তিশালী কৰি গঢ়ি তোলাটো প্ৰতিজন অসমবাসীৰে অৱশ্যকৰ্তব্য বুলি তেখেতে কয়। আদৰণী ভাষণ পাঠ কৰে অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে।

আদৰণী ভাষণৰ পিছত প্ৰধান সম্পাদক ড° শ্ৰীমহেশ্বৰ নেওগৰ

প্ৰতিবেদন পঠিত আৰু গৃহীত হয়। সভাপতি নেওগদেৱে তেখেতৰ সুদীৰ্ঘ প্ৰতিবেদনত অসমীয়াক ৰাজ্যিক ভাষাৰূপে প্ৰয়োগ নকৰাৰ কাৰণে আক্ষেপ কৰে।

সন্ধিয়াৰ লগে লগে নলবাৰীৰ স্থানীয় শিল্পীৰদ্বাৰা নিৰ্মিত বিভিন্ন কলা-কৌশলযুক্ত আতচবাজীৰ প্ৰদৰ্শনেৰে সমবেত অগণন ৰাইজক মুগ্ধ কৰা হয়।

সেই দিনা নিশা যশস্বী গীতি-নাট্যকাৰ মুক্তিনাথ শৰ্মাবৰদলৈদেৱৰ পৌৰোহিত্যত সঙ্গীত-সভা অনুষ্ঠিত হয়। অসম আৰু নগাভূমিৰ উচ্চন্যায়ালয়ৰ মুখ্যন্যায়াধীশ সঙ্গীতজ্ঞ গোপালজী মেহোত্ৰাজীয়ে সন্মিলন উদ্বোধন কৰি ভাৰতীয় সঙ্গীতৰ বিভিন্ন ধৰণত অসমীয়া বৰগীত সৰ্বভাৰতীয় ধ্ৰুপদ সঙ্গীতৰ সমধৰ্মী আৰু অসমৰ ওজাপালি বা সত্ৰীয়া নৃত্য যি কোনো সৰ্বভাৰতীয় শাস্ত্ৰীয় সঙ্গীত বা নৃত্যৰ সমপৰ্য্যায়ৰ আৰু মৰ্য্যাদাসম্পন্ন বুলি তেখেতৰ দীঘলীয়া তথ্যপূৰ্ণ ভাষণত কয়।

১৯ তাৰিখে ৰাতিপুৱা বুৰঞ্জী-সভা সুসম্পন্ন হয় উত্তৰ লক্ষীমপুৰৰ বয়োবৃদ্ধ বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱা ( প্ৰাক্তৰ এম-এল-এ ) ডাঙৰীয়াৰ সভাপতিত্বত।

দুপৰীয়া অনুষ্ঠিত হোৱা দ্বিতীয় মুকলি অধিবেশনত অৰুণাচলৰ শ্ৰীলুম্বেৰ দাই, শ্ৰীপ্ৰেম থাঙ্গু, শ্ৰীইয়াং টাকি প্ৰভৃতিয়ে বক্তৃতা দিয়ে। গুৱাহাটীৰ খৃষ্টযাজক জৰ্জ জিলাপ্‌সিৰ প্ৰাঞ্জল অসমীয়া ভাষণো উল্লেখযোগ্য। দিনৰ মুকলি অধিবেশনত মুখ্য অতিথি উৰিষ্যাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সুসাহিত্যিক ড° শ্ৰীহৰেকৃষ্ণ মহতাৱদেৱে সুদীৰ্ঘ ৯০ মিনিট জোৰা পাণ্ডিত্যপূৰ্ণ ভাষণত প্ৰাচীন আৰু আধুনিক ভাৰতীয় সাহিত্যধাৰাৰ বিষয়ে আলোচনা কৰাৰ উপৰিও বৰ্তমানৰ পটভূমিত সাহিত্যিকসকলৰ কৰ্তব্যৰ বিষয়েও নিজৰ অভিমত দিয়ে।

এই অধিবেশনত প্ৰথম দিনা গৃহীত হোৱা শোক-প্ৰস্তাৱৰ উপৰিও আঠটা প্ৰস্তাৱ গৃহীত হয়। প্ৰথম প্ৰস্তাৱ আছিল ৰাজ্যিক শাসকীয়

ভাষা সম্পৰ্কে। দ্বিতীয় প্ৰস্তাৱত মাধ্যমিক স্তৰত অসম বুৰঞ্জী বাধ্যতামূলক হিচাপে বিচৰা হৈছিল। তৃতীয় প্ৰস্তাৱত বিচৰা হৈছিল স্নাতকোত্তৰ মহলালৈকে ইংৰাজীৰ বিকল্প অসমীয়াৰ প্ৰশ্ন-কাকত। চতুৰ্থ প্ৰস্তাৱত বিচৰা হৈছিল গবেষণাৰ বিকল্প মাধ্যম হিচাপে অসমীয়া ভাষা। পঞ্চম প্ৰস্তাৱত বিচৰা হৈছিল পাঠ্য-পুথিত আধ্যাত্মিক ভাবসমৃদ্ধ পাঠ। ষষ্ঠ প্ৰস্তাৱত জাতীয় সংহতি ৰখাৰ বাবে অনাঅসমীয়া বিদ্যালয়বোৰত অসমীয়া শিকাবলৈ কোৱা হৈছিল। সপ্তম প্ৰস্তাৱত বিচৰা হৈছিল নগাভূমিত অসমীয়া শিক্ষাৰ সুবিধা। অষ্টম প্ৰস্তাৱ আছিল অৰুণাচলত অসমীয়া শিক্ষাব্যৱস্থা সম্পৰ্কে।

ডাঃ শ্ৰীহৰেকৃষ্ণ গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত মুকলি অধিবেশনৰ অন্ত পৰে।

সেই দিনা সন্ধিয়া কবি-নাট্যকাৰ দৈবচন্দ্ৰ তালুকদাৰ ডাঙৰীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হয় কবিতা-সভা। এই সভা উদ্বোধন কৰে বকুল বনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে তেখেতৰ আনন্দময় ভাষণেৰে। ন-পুৰণি প্ৰায় আঢৈকুৰি কবিয়ে স্বৰচিত কবিতা পাঠ কৰি শুনায়।

## পাৰ্শ্বজ্যোতি

'ইন্দ্ৰধনু'ৰ কবি ডিম্বেশ্বৰ নেওগ আৰু 'প্ৰেমপট'ৰ কবি দৈবচন্দ্ৰ তালুকদাৰ সাহিত্যৰ একেটা বৰনামঘৰৰ হৰিভকত। দুয়ো একেজন গুৰুৰ (বেজবৰুৱা ?) শৰণীয়া, কলেজীয়া জীৱনৰ পৰা নলে-গলে লগা বন্ধু। দুয়ো একেলগে চিৰচেনেহীৰ বৰনামৰ বৰমলাচৰু লবলৈ নলবাৰীত লগ লাগিছিল। এজন বহিছিল সাহিত্যৰ বৰ-পীৰাত, আনজন বহিছিল কবিতা-সভাৰ চাকলি পীৰাত। ডিম্বেশ্বৰৰ ডম্বৰু-ধ্বনিৰ কথা বাদ দি দৈবচন্দ্ৰৰ দৈব লেখনৰ কথাহে ইয়াত স্মৰণ কৰিবলৈ লৈছোঁ।

তেওঁ কবিতা-সভাত গাই শুনাবলৈ যিখন সভাপতিৰ অভিভাষণ লগত লৈ গৈছিল, সি আছিল অগতানুগতিক। তাত তেওঁ সৰু-বৰ প্ৰায় সকলো অসমীয়া কবিৰ প্ৰতি কটাক্ষপাত কৰি নিজৰ অভিমত দিছিল—কাকো বন্দিছিল, কাকো নিন্দিছিল, কাকো আকৌ অভংভতৰা বুলি বাক্যবাণ হানিছিল। অসম সাহিত্য সভাই তালুকদাৰৰ ভাষণৰ সকলোখিনি হজম কৰিব নোৱাৰি 'বাষিকী'ত অংশবিশেষহে প্ৰকাশ কৰিছিল।

তালুকদাৰক তেওঁৰ ভাষণখন অভ্যৰ্থনা সমিতিয়ে ছপাই দিবলৈ ভাৰ দিছিল। তেওঁ কিন্তু বেছি খৰচ পৰিহাৰ কৰিবলৈ হবলা ছপোৱাৰ পৰিবৰ্তে 'লিথো' কৰি নিছিল—কেই দিস্তামান ফুলস্কেপ কাগজত, জবাসংখ্যাৰ (দপ্তৰী) সহায় নোলোৱাকৈ অৰ্থাৎ বগা আকাৰত 'নবন্ধাকৈ'। তাৰ ফলত ভাষণ সভাত বিলাকৰ সময়ত ৰভাৰ তলত এক খেলিমেলি ৰহস্যৰ সৃষ্টি হৈছিল। লাগবান্ধ নোহোৱাকৈ নিয়া কাগজবোৰৰ কাৰ ভাগত কোনখিলা পাত পৰিছিল, তাৰ হিচাপ নাছিল।

কেইবছৰমান সাহিত্য সভাৰ সভাপতিৰ নামৰ 'পেনেল'তে তালুকদাৰৰ নামটোৱেও উঠা-নমা কৰি আছিল। ক্ৰমাৎ ওপৰলৈ উঠি তেওঁ 'ছেমি ফাইনেল'ত উত্তীৰ্ণ হৈছিল। কিন্তু পৰিতাপৰ কথা 'ফাইনেল' খেলিবলৈ নৌ পাওঁতেই এদিন যম ৰজাৰ চোকা টেকেল ফৰ্মান হাতত লৈ তেওঁৰ সমুখত হাজিৰ হ'লহি। সিমানতে খেল খতম।

> কালি যাম ৰজা হব কত মনে আশ,
> কিন্তু কোনে জানিছিল হব বনবাস ?'

# দ্বিতীয় উঃ লক্ষীমপুৰ অধিবেশন (৩৩)

ঃ ৪, ৫, ৬ মাৰ্চ; ১৯৬৬ চন ঃ

সে' সিদিনালৈকে লক্ষীমপুৰ আই লখিমীৰ থান অথবা অন্নাপূৰ্ণাৰ ভঁৰাল হৈ আছিল। সুকীয়া লক্ষীমপুৰ জিলাৰ তেতিয়াও জন্ম হোৱা নাছিল। ডাঙৰ লক্ষীমপুৰ জিলাৰ উত্তৰলক্ষীমপুৰ তেতিয়াও এখন মহকুমা-নগৰ হৈয়েই আছিল। পৰিবহনৰ অসুচলৰ বাবে ঠাইখন এচুকীয়া আৰু আওহতীয়া হৈ থাকিলেও 'শস্যে-মৎস্যে অনুপম' ভোগালী ঠাই হৈয়েই আছিল সিদিনালৈকে। ক্ৰমাৎ সময়ে মোট সলালে। নানা তৰহৰ প্ৰাকৃতিক দুৰ্যোগ, আধিব্যাধি, বহিৰাগতৰ হেঁচা আদি দেখা পাই লক্ষীমপুৰৰ লখিমী অন্তৰ্দ্ধান হ'ল। তথাপি দ্বিতীয়বাৰ ভাষা-জননীৰ পূজা এভাগ আগবঢ়াবলৈ লক্ষীমপুৰে ককালত টঙালি বান্ধি লাগিছিল। মাধৱগুৰুৰ জন্মস্থান লক্ষীমপুৰ, পদ্ম-পানীন্দ্ৰৰ জন্মস্থান লক্ষীমপুৰ—ধনৰ দুখীয়া হলেও মনৰ দুখীয়া হ'ব নোৱাৰে।

উত্তৰলক্ষীমপুৰীয়া ৰাইজে অধ্যক্ষ শ্ৰীযোগানন্দ বৰগোহাঁই ডাঙৰীয়াক সভাপতি আৰু অধ্যাপক শ্ৰীহৰেন্দ্ৰনাথ দেৱগোস্বামীক প্ৰধান সম্পাদক স্বৰূপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছিল।

এই উদ্দেশ্যে নিৰ্মিত সভামণ্ডপে ওঠৰ হেজাৰ বিঘা মাটি সামৰি লৈছিল। সভামণ্ডপৰ সন্মুখত থকা প্ৰধান তোৰণখন আছিল 'পানীন্দ্ৰনাথ গগৈ তোৰণ' আৰু মূল সভাঘৰৰ পশ্চিমে থকা তোৰণখন আছিল অসম সাহিত্য সভাৰ প্ৰথম সভাপতিৰ নামেৰে 'পদ্মনাথ গোহাঞিবৰুৱা তোৰণ'।

৪ মাৰ্চ সন্ধিয়া স্থানীয় মহাবিদ্যালয়ৰ এটা আহলবহল কোঠাত বিষয়বাছনী সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰিছিল নিৰ্বাচিত

সভাপতি 'ধ্বনিকবি' শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। শাখা সভাৰ ৩৭৬ জন প্ৰতিনিধিয়ে এই সভাত যোগ দিছিল।

এই অনুষ্ঠানৰ পিছতে গান্ধীবাদী নেতা অমিয়কুমাৰ দাস ডাঙৰীয়াই প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। প্ৰদৰ্শনী লোকশিক্ষাৰ মাধ্যম বুলি তেখেতে ভাষণত উল্লেখ কৰে। তাৰ পিছত মূল সভামণ্ডপতে অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ সভাপতিত্বত আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনাৰ বিষয়—'ৰাষ্ট্ৰীয় সংহতি স্থাপনত সাহিত্য'। আলোচনাত ভাগ লৈ বক্তৃতা দিয়ে অধ্যাপক শ্ৰীমহিমচন্দ্ৰ বৰা, চৈয়দ আব্দুল মালিক আৰু ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা প্ৰভৃতিয়ে। আত্মসন্তুষ্টিৰ ভাব নলবলৈ, সংহতিৰ বাবে দেশপ্ৰেমত গুৰুত্ব দিবলৈ বক্তাসকলে কয়। ড° হেমন্ত শৰ্মাই এই সম্পৰ্কত হিন্দী গানৰ আৰু মহাপুৰুষৰ বৰগীতৰ কাৰ্য্যকৰী প্ৰভাৱৰ কথা উল্লেখ কৰে।

## ধুমুহাৰ দৰে বিঘিনি উৰাই বাঢ়া আগ

সেই দিনাই তুপৰীয়া ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱক এটা আকৰ্ষণীয় সমদলত অনা হয়—সভাপতিৰ বাহৰৰপৰা সভামণ্ডপলৈ। যথাবিহিতভাবে সভা আৰম্ভ হোৱাত আন এগৰাকী গান্ধীবাদী নেতা শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱে সভা উদ্বোধন কৰি কয় যে মাতৃভূমিৰ অপমান কোনো জীয়া জাতিয়ে সহ্য কৰিব নোৱাৰে। অসমীয়া ভাষা-সাহিত্যত মূল্যবান্ সম্পদ নাই বুলি ভবাসকলে নিজৰ অজ্ঞতাৰহে পৰিচয় দিয়ে। যিসকলে কয়, অসমীয়া ভাষা পৰ্বতীয়া অঞ্চলত বলেৰে জাপি দিয়াৰ ফলতহে তাত অশান্তি ঘটিবলৈ পাইছে, তেনে ভাবো নিঃসন্দেহে মূৰ্খালিৰ পৰিচায়ক।

শ্ৰীযোগানন্দ বৰগোহাঁই ডাঙৰীয়াই অভ্যৰ্থনা সভাৰ সভাপতিৰ ভাষণত কয় যে উত্তৰ লক্ষীমপুৰৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ অতীত বুৰঞ্জী সমগ্ৰ দেশৰ বাবে গুৰুত্বপূৰ্ণ। এই উত্তৰ লক্ষীমপুৰ

অঞ্চলটো দেশৰ উত্তৰ-পূবৰ সীমান্ত প্ৰহৰী। ই কেৱল এখন প্ৰবেশ-দুৱাৰেই নহয়, অৰুণাচলৰ ৰাইজৰ হৃদয়-সঁফুৰাৰ সঁচাৰকাঠীও ইয়াতে আছে। তাৰ পিছত সম্পাদক হৰিপ্ৰসাদ নেওগে উত্থাপন কৰা সম্পাদকৰ প্ৰতিবেদন গৃহীত হয়।

সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱৰ ভাষণত 'শঙ্খধ্বনি'ৰ প্ৰতিধ্বনি শুনা গৈছিল। ইয়াত আছিল কোমল-কঠোৰ আশাবাদী সুৰ। সাহিত্য সভাৰ বিভিন্ন বটা-বিতৰণৰ পিছত সিমানতে প্ৰথম মুকলি অধিবেশনৰ অন্ত পৰে।

সন্ধিয়া অনুষ্ঠিত কবি-সন্মিলন পৰিচালনা কৰে শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে। ডিম্বেশ্বৰ নেওগ, বাগ্মীবৰ শ্ৰীনীলমনি ফুকন, পদ্মধৰ চলিহা শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাৰ উপৰিও জনচেৰেক ন-পুৰণি কবিয়ে স্বৰচিত কবিতা পাঠ কৰি সমজুৱাসকলক আনন্দ দিয়ে।

কবিতাৰ পিছতে সংস্কৃতি-সমাৰোহ। সভাপতিৰ আসনত বহিছিল অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা। তেখেতৰ ভাষণত আছিল অসমীয়া সঙ্গীত-সংস্কৃতিৰ আত্মবিশ্লেষণ আৰু সতৰ্কতাৰ বাণী।

৬ মাৰ্চ ৰাতিপুৱা বুৰঞ্জী সভা অনুষ্ঠিত হয় অধ্যক্ষ শ্ৰীকৰুণানন্দ দত্তদেৱৰ (প্ৰাক্তন উপশিক্ষাধিকাৰ) পৌৰোহিত্যত। তেখেতে ভাষণত অতীতৰ ইতিবৃত্ত বুৰঞ্জীপ্ৰেমীসকলৰ বাবে স্বৰ্গ বুলি কয়।

সেই দিনা দুপৰীয়া দ্বিতীয় মুকলি অধিবেশন আৰম্ভ হয় বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াৰ উদ্দীপ্ত ভাষণেৰে। সেই দিনাৰ সভাত গৃহীত হোৱা আঠটা প্ৰস্তাৱ আছিল—ৰাজ্য-ভাষা, শিক্ষাৰ মাধ্যম, সমবায় ভিত্তিত সভাৰ ছপাশাল, সাহিত্যিকৰ গ্ৰন্থৰাজি, সাহিত্য সভাৰ প্ৰচাৰ বিভাগ আদি সম্পৰ্কীয়। সেই দিনাৰ বক্তাসকল আছিল—টিৰাপৰ ডেকাৰজা শ্ৰীৰাংমাই ৰাজকুমাৰ, ঘাড়মৰা সত্ৰৰ ডফলা শিষ্য শ্ৰীটেখিগেলি বৰমেধি, চাহ-বনুৱা সমাজৰ শ্ৰীচেনিৰাম কুৰ্মি, শ্ৰীনাৰায়ন ঘাটোৱাৰ প্ৰভৃতি। শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়ায়ো উত্তৰ লক্ষীমপুৰৰ ইতিবৃত্ত চমুকৈ কয়।

সভাপতি বৰুৱাদেৱে সামৰণী ভাষণ দিয়াৰ অন্তত প্ৰতিনিধি-সকলৰ হৈ শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই আৰু অভ্যৰ্থনা সমিতিৰ পক্ষৰ পৰা শ্ৰীহৰেন্দ্ৰ দেৱগোস্বামীয়ে শলাগৰ শৰাই যাচে।

সেই দিনা শেষৰাতি এই অধিবেশনৰ মধুৰেণ সমাপয়েৎ হয় দ্বিতীয় দিনৰ সাংস্কৃতিক সমাৰোহেৰে। এই ৰাতি ঘাডমৰা সত্ৰৰ ডফলা ৰাইজে পৰিবেশন কৰা ভাওনা, বেলগুৰি সত্ৰৰ সূত্ৰধাৰী নাচ আৰু অৰুণাচলৰ শিল্পীদলৰ নৃত্যগীত বিশেষভাবে উপভোগ্য হৈছিল।

× × ×

এই বছৰত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰজনীকান্ত বৰদলৈৰ শতবাৰ্ষিকীৰ প্ৰস্তুতি চলোৱা হয়।

গুৱাহাটী ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠানত ১২ নৱেম্বৰত 'ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ' আৰু ১ জানুৱাৰীত 'বায়চৌধুৰী স্মৃতিগ্ৰন্থ' উন্মোচন কৰা হয়। উন্মোচনী সভাত সভাপতিত্ব কৰে যথাক্ৰমে ডুগবাকা প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীবেণুধৰ শৰ্মাদেৱে।

প্ৰবীণ সাহিত্যিক নহদেৱ শৰ্মাদেৱক তেজপুৰত (১০।৭।৬৫) আৰু 'নিজৰা'ৰ কবি শৈলধৰ ৰাজখোৱাদেৱক ডিব্ৰুগড়ৰ সাহিত্য সভা মণ্ডপত (৩০।১১।৬৬) সম্বৰ্দ্ধনা জনোৱা হয়।

# তৃতীয় ডিব্রুগড় অধিবেশন (৩৪)

ঃ ৩১ ডিচেম্বৰ '৬৬ চন, ১ জানুৱাৰী ১৯৬৭ চন ঃ

## জ্ঞানমালিনীয়ে সজালে ফুলনি

চৌকিডিঙিৰ 'জীৱন ফুকন নগৰ' খেল পথাৰত নালন্দাৰ তোৰণৰ আকৃতিত নিৰ্মিত তোৰণে বিশাল সভামণ্ডপলৈ বাট উলিয়াই দিয়ে। সভাৰ মণ্ডপৰ গাতে লগাকৈ দক্ষিণত আছিল প্ৰদৰ্শনীমণ্ডপ। এই মণ্ডপ উছৰ্গা কৰা হৈছিল "জ্ঞানমালিনীৰ" কবি মফিজুদ্দিন আহমেদ হাজৰিকাৰ পৱিত্ৰ স্মৃতিত। তদুপৰি ডিব্ৰুপৰীয়া প্ৰাতঃস্মৰণীয় সাহিত্যিক বেণুধৰ ৰাজখোৱা, ৰজনীকান্ত বৰদলৈ আৰু ডাঃ নহানন্দ বৰুৱাৰ পবিত্ৰ স্মৃতিত অভ্যৰ্থনা সমিতিয়ে একোখন আটকধুনীয়া তোৰণ নিৰ্মাণ কৰে।

ডিব্ৰুত অনুষ্ঠিত হবলগীয়া অসম সাহিত্য সভাৰ তৃতীয়বাৰৰ অধিবেশনৰ বাবে ৰেক্তৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তক সভাপতি, শ্ৰীঅশ্বিনীকুমাৰ চৌধুৰী আৰু শ্ৰীবিমলেশ্বৰ ফুকনক যুটীয়া সম্পাদক স্বৰূপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠিত হৈছিল।

মূল অধিবেশনৰ আগদিনা অসম সাহিত্য সভাৰদ্বাৰা এটি আকৰ্ষণীয় অনুষ্ঠানত 'নিজৰাৰ কবি শৈলধৰ ৰাজখোৱাদেৱক সম্বৰ্দ্ধনা জনোৱা হয়। এই সভাৰ পৌৰোহিত্য কৰিছিল বিদায়ী সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। সম্পাদক হৰিপ্ৰসাদ নেওগে কবিগৰাকীক যথাবিহিত মাননি আগবঢ়ায়। 'নিজৰা'ৰ কবি, 'শঙ্খধ্বনিৰ কবি 'সন্ধিয়াৰ সুৰ'ৰ কবি আৰু 'জ্যোতিকণাৰ কবি এই সভাত একত্ৰিত হৈছিল।

৩০ ডিচেম্বৰ সন্ধিয়া 'চহৰীয়া হল'ত বিষৰবাছনী সভা অনুষ্ঠিত হয় নিৰ্বাচিত সভাপতি নকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াৰ সভাপতিত্বত। ২১৮ খন শাখাসভাৰ ৫৬০ জন প্ৰতিনিধিয়ে যোগ দিছিল।

৩১ ডিচেম্বৰ ৰাতিপুৱা অধিবেশনৰ শুভাৰম্ভ হয় বিদায়ী সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱৰদ্বাৰা পতাকা উত্তলোনেৰে।

ইয়াৰ পিছতে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে শ্ৰীবিষ্ণুৰাম মেধি (প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যপাল) ডাঙৰীয়াই এটা লিখিত ভাষণ পাঠেৰে। প্ৰদৰ্শনী লোকশিক্ষাৰ মাধ্যম আৰু সাহিত্যৰ প্ৰচাৰৰ সহায়ক বুলি তেখেতে ভাষণত উল্লেখ কৰি অসম সাহিত্য সভাৰ উন্নতি কামনা কৰে।

সেই দিনা পুৱাই ড° শ্ৰীমহেশ্বৰ নেওগদেৱৰ পৌৰোহিত্যত আলোচনা-চক্ৰও সুসম্পন্ন হয়। চক্ৰৰ বিষয় আছিল 'ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম'।

দুপৰীয়া চাৰ্কিট-হাউছৰ সভাপতি-বাহৰৰপৰা নকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াক গায়নে-বায়নে সভাসগুপৰে আদৰি অনা হয়। গাম্ভীৰ্য্য-পূৰ্ণ পৰিবেশত আৰম্ভ হোৱা মুকলি অধিবেশন উদ্বোধন কৰি মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে তেখেতৰ লিখিত ভাষণত কয়—অসমীয়া সাহিত্যিক আৰু চহকী কৰি তুলিব লাগিব যাতে এই ভাষাৰ প্ৰতি দাঁতি-কাষৰীয়াসকলৰো আকৰ্ষণ বাঢ়ে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও এনে সংহতি বিচাৰিছিল।

নকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াই যথাবিধি সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিছতে এটা শোক-প্ৰস্তাৱ গৃহীত হয়। লক্ষ্মীপ্ৰসাদ দত্ত ডাঙৰীয়াই সকলোকে সাদৰ-সম্ভাষণ জনাই অভিভাষণত আদৰণি জনোৱাৰ পিছত সম্পাদক হৰিপ্ৰসাদ নেওগে দাঙি ধৰা প্ৰতিবেদন গ্ৰহণ কৰা হয়।

সভাপতি ভূঞা ডাঙৰীয়াই তেখেতৰ সুচিন্তিত অভিভাষণ পাঠ কৰি কয়—'ভাষা-সাহিত্যৰ বৰলুইতক ভেটিব কোনে? সংস্কৃতিৰ

বৰনৈক ৰোধিব কোনে ?' সভাপতিৰ ভাষণৰ অন্তত প্ৰথম দিনৰ মুকলি সভাৰ সামৰণি পৰে।

সন্ধিয়া মূল সভা-মণ্ডপতে বিজ্ঞান-সভা অনুষ্ঠিত হয়। এই শাখাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ডঃ শ্ৰীমথুৰানাথ ভট্টাচাৰ্য্যদেৱে ( অসম মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষ ) আদৰণী ভাষণত কয় যে বিজ্ঞান আৰু সাহিত্য দুয়োৱে অসীম শক্তিক অৰ্থলিপ্সু, মানৱতাবিৰোধী স্বৰ্থোন্বেষী দলে সমাজৰ অহিতাৰ্থে প্ৰয়োগ কৰাৰ চেষ্টা কৰি আহিছে। সত্য সুন্দৰৰ সাহিত্যিকসকলে তাৰ বিৰুদ্ধে যুঁজ দিব লাগিব।

গধূলি সাংস্কৃতিক নৃত্য-গীত সম্পন্ন হয়—কলাপ্ৰেমী শ্ৰীজ্ঞীৰেশ্বৰ গোস্বামীদেৱৰ পৌৰোহিত্যত। তেখেতে ভাষণ কাকুতি-ঘোষাৰে আৰম্ভ কৰে আৰু শেষো কৰে সৰস কথনভঙ্গী, দৃষ্টান্তমূলক গীতসমূহ ভাষণ মাজে মাজে পৰিবেশন কৰাত শ্ৰোতাসকল মুগ্ধ হৈছিল।

সাংস্কৃতিক অনুষ্ঠানৰ পিছতে আৰম্ভ হৈছিল অভিনৱ পদ্ধতিৰে চৈয়দ আব্দুল মালিকে পৰিবেশন কৰা গল্পপাঠেৰে আকৰ্ষণীয় সাংস্কৃতিক সমাৰোহ।

১ জানুৱাৰী দেওবাৰে ৰাতিপুৱা অনুষ্ঠিত হৈছিল বুৰঞ্জীসভা। সভাপতি অধ্যাপক কেশবনাৰায়ণ দত্ত, অসম সাহিত্য সভাৰ অন্যতম প্ৰাক্তন সম্পাদক আৰু বুৰঞ্জীবিদ। তেখেতৰ ভাষণত অসমৰ সভ্যতা, সংস্কৃতি আৰু বুৰঞ্জীমূলক গবেষণাৰ উপৰিও নতুন বুৰঞ্জী প্ৰণয়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অধ্যাপিকা শ্ৰীমতী স্বৰ্ণলতা বৰুৱা আৰু অধ্যক্ষ শ্ৰীনিৰ্মলকুমাৰ বসুৱেও আলোচনাত ভাগ লয়।

সেই দিনা দুপৰীয়া বিপুল জনসমাবেশত দ্বিতীয় মুকলি অধিবেশন অনুষ্ঠিত হয়. এই সভাত দুষ্প্ৰাপ্য পুথি কাকত-পত্ৰ সংৰক্ষণ, মাধ্যমিক বিদ্যালয়ত অসমীয়া শিক্ষকৰ সমান মৰ্য্যাদা, সাহিত্যিক আৰু শিল্পীসকলৰ প্ৰতিকৃতি, ৰচনাৰ পাণ্ডুলিপি আদিৰ সংগ্ৰহালয় আদি সম্পৰ্কীয় পাঁচটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

বিশিষ্ট বক্তাসকলৰ ভিতৰত যোগীৰাজ বসুদেৱে এটা গভীৰ পাণ্ডিত্যপূৰ্ণ ভাষণ দিয়ে। তেখেতে প্ৰাচ্য আৰু পাশ্চাত্য দৰ্শনৰ উপৰিও অসমীয়া সাহিত্য সম্পৰ্কে তুলনামূলক ব্যাখ্যা কৰি শ্ৰোতা-সকলক অভিভূত কৰে। বসুৰ উপৰিও বিশিষ্ট বক্তাসকল আছিল বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীমতী নলিনীবালা দেৱী আৰু শ্ৰীলুম্বেৰ দাই প্ৰভৃতি।

সভাপতি ভূঞাদেৱে সামৰণি ভাষণত ডিব্ৰুগড়ৰ বাইজ, বিশিষ্ট অতিথিসকল আৰু সমবেত সমজুৱাৰ শলাগ লয়।

অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীঅশ্বিনীচৰণ চৌধুৰীয়ে সভাপতি প্ৰমুখ্যে সকলোলৈকে আৰু প্ৰতিনিধিসকলৰ হৈ শ্ৰীদেৱপ্ৰসাদ বৰুৱাই অভ্যৰ্থনা সমিতিলৈ শলাগৰ শৰাই আগবঢ়ায়।

ডিব্ৰুগড় সন্মিলনত 'সংবাদ-সাহিত্য সন্মিলন' নাম দি আন এখনি নতুন শাখা সভাও অনুষ্ঠিতভাৱে কৰা হয়—সন্ধ্যা ৫ বজাত প্ৰাক্তন সভাপতি প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াৰ সভাপতিত্বত।

সেই দিনা গধূলি নিৰ্বাচিত সভাপতি অগ্নিকবি শ্ৰীপ্ৰসন্নলাল চৌধুৰীদেৱৰ পৌৰোহিত্যত কবিতা-সভা অনুষ্ঠিত হয়। চৌধুৰীদেৱে ছন্দোময় গদ্যত লিখা অভিভাষণ পাঠ কৰে। ভাষণান্তত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শৈলধৰ ৰাজখোৱা, পদ্মধৰ চলিহা, শ্ৰীমতী নলিনীবালা দেৱী প্ৰভৃতি বিশিষ্ট কবিসকলৰ উপৰিও সভাপতি শ্ৰীচৌধুৰীদেৱেও স্বৰচিত কবিতা পাঠ কৰি শ্ৰোতাক মুগ্ধ কৰে।

নিশা ৮ বজাৰপৰা শেষনিশালৈ থলুৱা আৰু বাহিৰৰ শিল্পীৰ সহযোগত সাংস্কৃতিক সমাৰোহ সুসম্পন্ন হয়।

## পাৰ্শ্বজ্যোতি

প্ৰথম দিনৰ সন্ধিয়া সঙ্গীত-সমাৰোহ আৰম্ভ হওঁ হওঁ। লোকে লোকাৰণ্য। দুৱাৰত বিৰ দি বাট পাবলৈ নাই। হেন সময়তে

এজন অচিনাকি পুৰুষ প্ৰবেশ-পথত উপস্থিত হ'লহি। মূৰত থিয় ঠৰঙা চুলি, মুখত ছাগলীশিঙীয়া গোঁফ, গাত ডগধা খাদৰ, চকুত তীক্ষ্ণদৃষ্টি, লেখনীত অগ্নিবৃষ্টি। এওঁ বা কোন বীৰ? দুৱৰী হৈ থকা ভলন্টিয়াৰবিলাকে মানুহজনক ভিতৰলৈ সোমাবলৈ নিদি হেঙাৰ ধৰিলে। বেজ পিন্ধি নগলে ভিতৰত সোমাব নোৱাৰে। আগন্তুকে ক'লে মোৰ 'বেজ' নাই, তথাপি ভিতৰলৈ যামেই।

ভলন্টিয়াৰ—আপুনি দেখোন কেনে কথা কয়? 'বেজ' দেখুৱাওক, তেতিয়াহে যাবলৈ দিয়া হব।

আগন্তুকে সুধিলে—মই কোন জানা নে নেজানা?

ভলন্টিয়াৰ—কলেহে জানিম। কওক, আপুনি কোন?

আগন্তুক—মই তোমালোকৰ সাহিত্য সভাৰ বাপেক। এতিয়া বুজি পালা নে?

ভলন্টিয়াৰ—ভালকৈ কওক। একো বুজা নাই

আগন্তুক—মই অসম সাহিত্য সভাৰ কবি-সম্মিলনৰ সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰী।

চিনাকি পাই ভলন্টিয়াৰ-বপুৰাহঁতৰ শেহাবেঙা লাগিল। সিহঁতে আগে নিচিনিলোঁ, এবেসে জানিলো বুলি সুৰসুৰীয়া হৈ দুৱাৰৰ দাং দাঙি দিলে।

বজাক ককাই নোবোলা এই একাচেকা পুৰুষজনেই আছিল বিদ্ৰোহী কবি প্ৰসন্নলাল। তেওঁ ইমান দিন মূৰপোলকা দি থাকি এইবাৰ হীৰকজয়ন্তী-বৰ্ষত অসম সাহিত্য সভাৰ প্ৰতি সুপ্ৰসন্ন হৈছে বৰ্তমান তেওঁ 'আশীবছৰীয়া আপ, মগজত নাই তাপ।' তাপ থাকিলেও তালৈ তেওঁ কেৰেপ নকৰে।

× × ×

১৯৬৮ চনৰ আৰম্ভণিতে কেন্দ্ৰীয় মন্ত্ৰীদপ্তৰৰ ১৩ জানুৱাৰীৰ ঘোষণাৰ পিছৰে পৰা হোৱা ৰাজ্যপুৰ্ণগঠন প্ৰস্তাবৰ আগে আগে কোনো উদ্ভৱ হোৱা উত্তপ্ত পৰিস্থিতি, ১৯৭৭ চনৰ নিৰ্বাচনৰ খদমদমত

খাদ্যসঙ্কটৰ পটভূমিত হোৱা আন্দোলন আদি নানা ধৰণৰ সমস্যাৰ মাজতো অসম সাহিত্য সভাৰ অগ্ৰগতি অব্যাহত থাকে।

এই বছৰতে দুগৰাকী বৰেণ্য সাহিত্যিক ৰজনীকান্ত বৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম-শতবাৰ্ষিকী উৎসব অসম সাহিত্য সভাৰ-দ্বাৰা কেন্দ্ৰীয়ভাবে যথাক্ৰমে ডিব্ৰুগড় আৰু গুৱাহাটীত পালন কৰা হয়। সোৱনশিৰিপৰীয়া পানেই-জক্কিৰ অশৰীৰী আত্মাই যেন কৈছিল—

লুইতৰ পানী যাবি ঐ বৈ,
ঘাটে ঘাটে 'ৰজনী'ৰ কথা কৈ।

চন্দ্ৰকুমাৰৰ 'বীণবৰাগী'ৰ 'মানৰবন্দনা'ৰ লগত সুৰ মিলাই অসমৰ ৰাইজে গাইছিল—

অসমা সুষমা কামৰূপা কামদা
জয়তু জননী ধৰিত্ৰী দুহিতা।

# তৃতীয় তেজপুৰ অধিবেশন (৩৫)

ঃ ২৭, ২৮ জানুৱাৰী, ১৯৬৮ চন ঃ

## পাৰ্শ্বজ্যোতি (১)

এইবাৰ তৃতীয় তেজপুৰ অধিবেশনৰ উদ্যোগপৰ্ব অৰ্থাৎ প্ৰস্তুতিৰ বছৰটোত অসম সাহিত্য সভাৰ মূৰৰপৰা তিনিটি মস্তকমণি খঁহি পৰাত তেজপুৰীয়া ৰাইজ মণিহীন ফণীৰ দৰে হৈছিল। একেটা বছৰতে তিনিজন প্ৰাক্তন সভাপতি লোকান্তৰ হোৱাত এটাৰ পিছত আনটো শোকৰ ঢৌ বুকৰ ওপৰেদি বাগৰি যোৱাত তেজপুৰ শোকপুৰ হৈছিল। বছৰটোৰ আদিতে অম্বিকাগিৰী অস্তগিৰিত ঢলি পৰিছিল। দিঠকে-সপোনে ৰাজ্য-ভাষা যাৰ ধ্যানৰ বীজমন্ত্ৰ আছিল সেই 'অসমকেশৰী'ৰ সিংহগৰ্জন মাৰ গ'ল।

তাৰ পিছতে বছৰটোৰ মাজভাগত অসমৰ কবিতা-কুঞ্জৰ মোহ সামৰি 'বিহগী কবি'য়ে ভুটুংকৈ উৰা মাৰি অজান দেশলৈ উৰি গুচি গ'ল। তেজপুৰে বিশেষ বিয়োগ ব্যথা অনুভৱ কৰিলে, কিয়নো এওঁ আছিল তেজপুৰৰ আপোন মানুহ। আগৰ বাৰৰ আনন্দমেলাত এই বানৰ নগৰতে চৌধাৰীদেৱ সভাপতিৰ খাটোলাত বহিছিল। এওঁ যোৱাত তেজপুৰে 'পাৰ কৰা ৰঘুনাথ সংসাৰ-সাগৰে' বুলি ইনাই-বিনাই কান্দিলে। ডুডোখৰ শোকৰ ঘা শুকাবলৈ নৌ পাওঁতেই পুনৰ গেলাত টেঙা পৰিল। সভাপতিৰ কাৰ্য্যকাল উকলিবলৈ নৌ পাওঁতেই তেজপুৰত ৰভাৰ খুটা পুতি থকাৰ সময়তে সভাপতি নকুলচন্দ্ৰও অকূল সাগৰত লীন হ'ল।

সি যি নহওক তিনিবাৰেই নিবাৰ হ'ল। সভাপতিৰ আসনত এজন জাতীয়তবাদী অসমপ্ৰেমীক লাভ কৰি তেজপুৰে 'জ্ঞান' পালে। শেষ ভালেই সকলো ভাল। এই অধিবেশনৰ লেখৰে নহলেও এইবাৰ সোণালী-বৰ্ষ অধিবেশন।

## কোন কোন আহিছা আইক পূজিবলৈ

এই অধিবেশনৰ গুৰি ধৰিছিল জ্যোতিভ্ৰাতা শ্ৰীকমলাপ্ৰসাদ আগৰৱালাদেৱে। আদৰণী সভাৰ সভাপতি হৈ আদৰণী সম্পাদক হৈছিল তেজপুৰ-শাখা সাহিত্য সভাৰ তজবজীয়া সম্পাদক শ্ৰীনবীনচন্দ্ৰ কাথহাজৰিকা আৰু যুটীয়া সম্পাদক শ্ৰীহিতেশ্বৰ মহন্তই। এইসকলৰ লগত হৈছ মৈছ দি ৰথ টানিছিল মহাদেৱ শৰ্মা, শ্ৰীহৰেন্দ্ৰ দাস শ্ৰীভাবতচন্দ্ৰ গোস্বামী আৰু শ্ৰীচন্দ্ৰধৰ গোস্বামী প্ৰভৃতি ভালেমান তেজপুৰীয়া জনতাৰ বীৰে।

তাহানিৰ গিৰ্জা-পথাৰ আৰু এতিয়াৰ নেহেৰু খেলমাটিত নিৰ্মাণ কৰা হৈছিল বৃহৎ সভামণ্ডপ আৰু সুসজ্জিত প্ৰদৰ্শনী-টোল।

এই সন্মিলনৰ আগে আগে ১৬ জানুৱাৰীত গুৱাহাটীত সংঘটিত হোৱা অজ্ঞাত দুৰ্বৃত্তৰ অপকৰ্মই সকলোৰে মনবোৰ বিমৰ্ষ কৰি তুলিছিল আৰু শীতল উত্তেজনাৰ সৃষ্টি হৈছিল। সুখৰ বিষয় এই সমাজবিৰোধী দুৰ্ঘটনা— কতো তাৰ বিশেষ অশুভ প্ৰতিক্ৰিয়া নহ'ল। উল্লেখযোগ্য যে কালিকা লগা কলিৰ নগৰ কলিকতাত হোৱাৰ দৰে গুৱাহাটীত এদিনীয়াকৈ দক্ষযজ্ঞৰ লণ্ডভণ্ড ভাওনাই সাহিত্য সভাৰ কতো কাহীবনৰ পাতেও গা কটা নাছিল।

২৭ জানুৱাৰী ৰাতিপুৱা বিপুল জনসমাবেশত বিদায়ী উপ-সভাপতি ড° শ্ৰীমহেশ্বৰ নেওগদেৱে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি মাতৃপূজাৰ শুভাৰম্ভ কৰিলে। পতাকা উত্তোলনৰ পিছত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে লব্ধপ্ৰতিষ্ঠ সাহিত্যিক প্ৰাক্তন এম-পি হেম বৰুৱাদেৱে। জাতিৰ সংহতিৰ লগত সঙ্গতি ৰাখি সংহত জাতীয় জীৱন গঢ়াত প্ৰদৰ্শনীৰ প্ৰয়োজনিয়তাৰ কথা তেখেতে ভাষণত উল্লেখ কৰে আৰু সমাজবিৰোধী লোকৰ হিংসাত্মক কাৰ্য্যতো গৰিহণা দিয়ে।

মণ্ডপত সভাপতিৰ মঞ্চত বহিছিল শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, মহাদেৱ শৰ্মা, বিষ্ণুপ্ৰসাদ ৰাভা,

হেম বৰুৱা, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, শ্ৰীজীৱেশ্বৰ গোস্বামী, শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী, অমিয়কুমাৰ দাস, ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীকমলা প্ৰসাদ আগৰৱালা প্ৰভৃতি বৰেণ্য ব্যক্তিসকল।

প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে সভা উদ্বোধন কৰি অসমীয়া ভাষা-সাহিত্যৰ সৰ্বতোমুখী বিকাশৰ বাবে অনুকূল পৰিবেশ গঢ়ি তুলিবলৈ আহ্বান জনাই কয় যে জাতীয় সাহিত্যৰ প্ৰতি, সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা অবিহনে জাতিৰ মানসিক বিকাশ সম্ভৱপৰ হব নোৱাৰে। তেখেতে সাম্প্ৰতিক অসমীয়া জাতিৰ সন্মুখত দেখা দিয়া সমস্যাৰ কথা উল্লেখ কৰি সুচিন্তিত শান্তিকামী পথ লবলৈ আবেগময় আহ্বান জনায় আৰু বিভেদকামী হিংসাত্মক কাৰ্যাই কোনো অসমীয়াকে যাতে পথভ্ৰষ্ট নকৰে, সেই বিষয়ে সকীয়াই দিয়ে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীকমলাপ্ৰসাদ আগৰৱালাদেৱে আদৰণী ভাষণত তেজপুৰৰ পুৰণি ঐতিহ্যৰ কথা স্মৰণ কৰে।

সম্পাদক হৰিপ্ৰসাদ নেওগৰ প্ৰতিবেদন গৃহীত হোৱাৰ পিছত সভাপতি বৰা ডাঙৰীয়াই পাঠ কৰা চিন্তাশীল ভাষণত দেশৰ সমস্যা, ভাষাৰ সমস্যা আদিৰ বিষয়ে পৰ্য্যালোচনা কৰে আৰু অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অসমীয়া সাহিত্য-বিস্তাৰত গুৰুত্ব আৰোপ কৰে।

সন্ধিয়া নিকামুল সত্ৰাধিকাৰ শ্ৰীশ্ৰীগহনচন্দ্ৰ গোস্বামীদেৱৰ পৰিচালনাত 'পাৰিজাত হৰণ' অঙ্কীয়া নাটৰ ভাওনা হয়।

১৮ জানুৱাৰীৰ দিনা পুৱা বুৰঞ্জী শাখাৰ সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ বুৰঞ্জীলেখক শ্ৰীগুণগোবিন্দ দত্তদেৱে।

এই দিনাৰ মুকলি অধিবেশনলৈ বিশিষ্ট অতিথি ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ক মঞ্চলৈ সসন্মানে আগবঢ়াই আনি মাল্যপ্ৰদান কৰা হয়। বিশিষ্ট অতিথি হিচাপে এটি চমু সবল ভাষণত শ্ৰীসহায়ে অসমৰ লগত তেখেতৰ নিবিড় সম্পৰ্কৰ কথা উল্লেখ কৰি, অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু বিস্তাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজ্যপালে অৰুণাচলত অসমীয়া প্ৰচলনৰ ওপৰতো অধিক গুৰুত্ব

দিয়ে। ক্ষন্তেক বিৰতিৰ পিছতে সভাত অনুমোদিত প্ৰস্তাৱ সমূহ গৃহীত হয়। প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে ২৬ জানুৱাৰীৰ ঘটনা স্মৰণ কৰি অসমীয়া ডেকাশক্তিক সমাজদ্ৰোহী কাৰ্য্যত লিপ্ত হৈ শক্তিৰ অপচয় নকৰিবলৈ আবেগময় ভাষণত সকীয়াই দিয়ে। অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ সৰ্বতোমুখী বিকাশৰ বাবে আহ্বান জনাই প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীবেণুধৰ শৰ্মা আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই দিয়া ভাষণো আছিল স্মৰণযোগ্য।

সেই দিনাৰ সভাত উপস্থিত বিশিষ্ট অতিথি মহাৰাষ্ট্ৰ সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীপদ যোশীয়ে সাহিত্য সংস্কৃতিৰ যোগে ভাৰতৰ কেনেভাবে সংযোগ স্থাপন কৰি আহিছে, সেই কথা উল্লেখ কৰি কয় যে প্ৰান্তীয় ভাষাসমূহৰ যথাযোগ্য মৰ্য্যদা আৰু বিকাশেহে ভাৰতৰ সত্তাক অধিক শক্তিশালী আৰু ঐশ্বৰ্য্যশালী কৰি তুলিব। প্ৰবীণ সাহিত্যিক মহাদেব শৰ্মাই বিশুদ্ধ সাহিত্যই মানসিক উৎকৰ্ষ সাধনৰ যোগে কেনেকৈ চিত্তশুদ্ধি কৰে আৰু আনন্দ দান কৰে সেই বিষয়ে বিবৰি কয়। আন এগৰাকী বিশিষ্ট অতিথি প্ৰাক্তন ৰাজ্যিক উপমন্ত্ৰী সাহিত্য সভাৰ অন্যতম সংগঠক শ্ৰীছত্ৰগোপাল কৰ্মকাৰে তেওঁৰ ভাষণত অসমৰ চাহবাগিছাৰ বনুৱাসকলৰ মাজত অসমীয়া ভাষাৰ বহুল প্ৰচাৰৰ যোগে তেওঁলোকক অসমীয়া সংস্কৃতিৰ বুকুত সুমুৱাই লবলৈ পৰামৰ্শ দিয়ে।

এই অধিবেশনত শোক-প্ৰস্তাৱৰ উপৰিও ৰাজ্য-পুনৰ্গঠন প্ৰসঙ্গ, অসম-নগাভূমি উচ্চ ন্যায়ালয়ৰ অধ্যাদেশ প্ৰসঙ্গ, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম প্ৰসঙ্গ সম্পৰ্কে প্ৰস্তাৱ লোৱা হয়।

আদৰণী সভাপতি শ্ৰীকমলাপ্ৰসাদ আগৰৱালাদেৱে সভাপতি প্ৰমুখ্যে সকলোলৈকে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত মুকলি অধিবেশনৰ অন্ত পৰে।

দ্বিতীয় দিনৰ সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে লক্ষ্মীৰাম বৰুৱাৰ

সুপুত্ৰ, সুগায়ক শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে। এই অনুষ্ঠানত সুখ্যাত শিল্পী গজেন বৰুৱাক ৰাজহুৱাভাবে মান ধৰা হয়।

## পাৰ্শ্বজ্যোতি (২)

সাহিত্যৰথীজনাৰ মৃত্যুতিথিত ডেকাফুকনে গাইছিল 'বেজবৰুৱাৰ গীত'। এইটো বছৰত এশবছৰীয়া জন্মতিথিত হৰিপ্ৰসাদে লক্ষ্মীপ্ৰসাদ হৈ কি কৰিছিল? বাইজ, তাকেই শুনক:

(ক) কটকিনা ভাৰত-চৰ্কাৰে প্ৰকাশ কৰিলে 'বেজবৰুৱা ডাক-টিকট'। ভেকুলীৰ পিঠিত লোম গজিল। অসমৰ পক্ষে নোহোৱা নোপোজা কথা।

(খ) ৰূপালী পৰ্দাত জিলিকি উঠিল তথ্যচিত্ৰ 'অসমৰ লক্ষ্মীনাথ'। অসম সাহিত্য সভাৰ লগতে শিল্পী কমলনাৰায়ণে পঢ়িলে 'লক্ষ্মী-পাচালী'।

(গ) দুখন শকত 'বেজবৰুৱা গ্ৰন্থাৱলী' উলিয়াই বেজবৰুৱা-বংশীয় ৰাধাগোবিন্দৰ 'সাহিত্য প্ৰকাশে' অসম সাহিত্য সভাৰ লগত হাত মিলালে।

(ঘ) অসমৰ বাহিৰত কহিমা, কলিকতা, দিল্লী সম্বলপুৰতো বাজি উঠিল বেজবৰুৱাৰ সুৰ।

(ঙ) লুইতৰ পাৰৰ জ্ঞানপীঠ দুখনে সুকীয়াকৈ পাতিলে লক্ষ্মীপূজা। অসম সাহিত্য সভাৰ জীৱিত প্ৰাক্তন সভাপতিসকলেও পালে তাত মান আৰু দান-ভোজনি। ডিবুৰুত প্ৰতিষ্ঠা হ'ল এখন 'লখিমী-পীৰা'। প্ৰথমে বহিল তাত পৰাগধৰ, এতিয়া মহেন্দ্ৰ বৰা।

(চ) এইটো বছৰৰ শেষত 'জ্ঞানে'ও পালেগৈ 'লখিমী'ৰ বান, 'যদু' কবিৰ 'সোনোৱালী দেশ'।

# দ্বিতীয় বৰপেটা অধিবেশন (৩৬)

## ঃ ৭, ৮, ৯ ফেব্ৰুৱাৰী ১৯৬৯ চন ঃ

### পাৰ্শ্বজ্যোতি

হৰিনাম ৰসেৰে আপ্লুত সত্বশুদ্ধ বিমলাকান্তিৰ আধাৰ স্বৰূপ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ আৰু শ্ৰীশ্ৰীমথুৰাদাস বুঢ়া আতাৰ পৱিত্ৰ স্মৃতিৰেণুৰে ৰঞ্জিত আৰু অসমৰ প্ৰাচীন গৌৰৱ ঐতিহ্যমণ্ডিত বৰপেটাত কেবাটাও যুগৰ ব্যৱধানত ১৯৬৯ চনৰ ফেব্ৰুৱাৰী মাহত দ্বিতীয়বাৰ সাহিত্য মহাসভা অনুষ্ঠিত হয়। বকুল বনৰ কবিৰ পৌৰোহিত্যত মথুৰাপুৰ হৈছিল 'আনন্দ-তীৰ্থ'।

তাহানিৰ ভোগালী দিনত নহলেও এক ভোগালী বিহুৰ পিছতে বৰপেটাত অসম সাহিত্য সভাৰ এই অধিবেশন উপলক্ষে সমবেত হোৱা প্ৰতিনিধি আৰু দূৰণিবটীয়া ৰাইজে বৰপেটাত আই অন্নপূৰ্ণাৰ ভাণ্ডাৰ দেখা পাইছিল। তাহানিৰ ৰাম নেথাকিব পাৰে, অযোধ্যা নেথাকিব পাৰে, কিন্তু মথুৰা দাস বুঢ়া আতাৰ মথুৰাপুৰ বৰপেটাধামত ৰঙিয়াল ফুলৰ সঁচ আছে আৰু আছে বৰপেটীয়া ৰাইজৰ বিপুল উৎসাহ, উদ্দীপনা, ভীম বাহুবল। তদুপৰি সেই অনুপাতে আছিল অকপট আতিথ্য। আমাৰ এজন ৰসিক বন্ধুৱে ধেমালি ছলেৰে কৈছিল বোলে বৰপেটাত সাহিত্য-সভাৰ উথলমাথলৰ কথা অহুকাণে পহুকাণে শুনিয়েই মঠনগুৰি অভয়াৰণ্যত নিৰ্ভয়ে চৰি থকা পহুবোৰে পলাই পত্ৰং দিছিল। কথাটো মিছা নহয়। আদৰণী সভাৰ গুৰি ধৰিছিল তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই (প্ৰাক্তন ৰাজ্যপাল)। চৌধুৰীয়ে খাব জানে যেনেকৈ, খুৱাবও জানে তেনেকৈ। সেয়েহে ৰন্ধনশালাত মাছ-পহু-কণী আদি তৰহে তৰহে খাদ্যই মোক খা মোক খা কৰি আছিল।

তদুপৰি এইবাৰৰ আটাইতকৈ গুৰুত্বপূর্ণ বিষয় আছিল বিপুল জনজাগৰণ। সাহিত্যসভাৰ দলদোপ হেন্দোলদোপত 'বৰপেটাৰ নৰ-নাৰীৰ এবিলম্ভ ঘৰ-বাৰী' অৱস্থা হৈছিল। একুবিড়ুখন হাটীত সজা তোৰণে নির্মাণ-কৌশল আৰু সাজসজ্জাত ইখনে সিখনত চেৰ পেলাই যেন কৈছিল বোলোঁ তোতকৈ মইহে বৰ। তাৰে এখন আছিল কেৱল বাঁহেৰে সজা বিয়াগোম বৰশৰাই, এখন কৰা হৈছিল কুমাৰমাটিৰ কলহেৰে কুম্ভতোৰণ ' এখন আছিল ঢোল-খোল মৃদঙ্গেৰে সজা শঙ্কৰী-কলাৰ তোৰণ। আৰু যে কত আহি !

তোৰণৰ পিছতে উল্লেখযোগ্য আছিল সভাপতিৰ নৌকাবিহাৰ-সমদল। এই সমদল আৰম্ভ হৈছিল কীর্তনঘৰৰপৰা, শেষ হৈছিল 'শঙ্কৰক্ষেত্ৰ'ৰ সভামণ্ডপত। ধুনীয়াকৈ সজোৱা এখন ট্ৰাকৰ ওপৰত হেঙুল হাইতালেতে সজোৱা এখন খেলনাৰৰ ওপৰত বৰজাপি দি সভাপতিগৰাকীক বহুৱাই অনা হৈছিল। সমদলৰ আগত আছিল ৩৬ টা জয়ঢোলৰ এটা ঢুলীয়া দল, তাৰ পাছত গায়ন-বায়ন আৰু লাচিত ৰাধাৰুক্মিণী-জয়া-কনকলতা-বেজবৰুৱা বাহিনীৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা দল আৰু থিয়নামৰ দল আদি কমেও ত্ৰিছখন ঠাইত সমদল বৈ বৈ যাবলগীয়া হৈছিল। চহৰ ফুৰা অধিকাৰ আভাসকলৰ দৰে প্ৰতিটো হাটীৰ তোৰণৰ তলত বাপুসকলে আৰু আইসকলে সভাপতিক দৰা আদৰাৰ দৰে ধূপ-দীপ জ্বলাই উৰুলি-মঙ্গল-বাদ্যেৰে ভক্তি-অর্ঘ্য নিবেদিছিল। এইদৰে পূজা-পাতল খাই আনন্দ-গোঁসাই চুঘণ্টাৰ ওপৰ নৌকাস্থ হৈ আছিল।

## বন্দো কি ছন্দেৰে নৰনাৰায়ণ বিৰাট ৰূপ

এই অধিবেশনৰ অভ্যর্থনাৰ সুদক্ষ গুৰিয়াল হৈছিল তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী। প্ৰধান সম্পাদক শাস্ত্ৰীয় সঙ্গীতজ্ঞ শ্ৰীখগেন্দ্ৰনাথ দাস। মহেন্দ্ৰ-খগেন্দ্ৰৰ নেতৃত্বত গোটেই বৰপেটা মহকুমাখনে মাৰ বান্ধি থিয় হৈছিল। মাধৱ চৌধুৰী কলেজৰ কাষত

থকা আহলবহল পথাৰত নিৰ্মাণ হৈছিল এখন নতুন সাহিত্য-নগৰ 'শ্ৰীশঙ্কৰক্ষেত্ৰ'। সাহিত্য-মণ্ডপত লাগিছিল এহেজাৰ তামোলৰ খুটা। মণ্ডপৰ চালত আছিল চকুৰা ৰাইজৰ গাঁওবোৰৰ ৰাঙ্গছুৰা চন্দ্ৰাতপ। বৰপেটাৰ দুগৰাকী সাহিত্যিক ভোতাতৰা বাণীকান্ত কাকতি আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ নামত অৰ্পণ কৰা দুখন অপূৰ্ব কাৰুকাৰ্য্যখচিত তোৰণে সুশুনা কণ্ঠেৰে যেন গাইছিল 'আজি বন্দো কি ছন্দেৰে নৰনাৰায়ণ বিৰাট ৰূপ।

৮ ফেব্ৰুৱাৰী ৰাতিপুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে উপসভাপতি ড° শ্ৰীমহেশ্বৰ নেওগদেৱে। তাৰ পিছতে অনুষ্ঠিত কবি-সম্মিলনীৰ পৌৰোহিত্য কৰে বৰপেটাতে ওপজা যশস্বিনী কবি শ্ৰীমতী নলিনীবালা দেৱীয়ে। ভাষণত তেখেতে কবিতাৰ মহত্ব আৰু ঐতিহ্যৰ কথা কয়। এই সভাত শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকন, ড° শ্ৰীমহেন্দ্ৰ বৰা, শ্ৰীনাৰায়ণ চন্দ্ৰ বেজবৰুৱা, শ্ৰীফণী তালুকদাৰ, ডাঃ শ্ৰীসত্য কাকতী প্ৰভৃতি প্ৰায় ডেৰকুৰি কবিয়ে স্বৰচিত কবিতা পাঠ কৰে।

সেই দিনাই পুৱা ৮ বজাৰপৰা অনুষ্ঠিত আলোচনা-চক্ৰ পৰিচালনা কৰে ড° শ্ৰীমহেন্দ্ৰ বৰাদেৱে। আলোচনাৰ বিষয় আছিল 'আধুনিক অসমীয়া কবিতা'।

তাৰ পিছতে অনুষ্ঠিত হয় বুৰঞ্জী-সভা। সভাপতিত্ব কৰে ডিবুৰু বিশ্ববিদ্যালয়ৰ ৰেক্তৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত ডাঙৰীয়াই।

দুপৰীয়া এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত মুকলি অধিবেশন আৰম্ভ হয়। এটি অতি আকৰ্ষণীয় সমদলৰ অন্তত সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে সভামণ্ডপত প্ৰৱেশ কৰাৰ লগে লগে ৩৬ বাৰ টোপধ্বনি কৰা হয়। সভা উদ্বোধন কৰে ৰাজ্যপাল শ্ৰীব্ৰজকুমাৰ নেহৰু ডাঙৰীয়াই। আদৰণী সভাৰ সভাপতিৰ ভাষণত শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই বৰপেটাৰ সাংস্কৃতিক জীৱনৰ এটা থূলমূল বিবৰণ দাঙি ধৰে। সভাপতি বৰুৱাদেৱে তেখেতৰ কবিত্বপূৰ্ণ অভিভাষণত

অসমৰ তথা অসমীয়া সাহিত্যৰ বিভিন্ন সমস্যাত আলোকপাত কৰে।

৯ ফেব্রুৱাৰী আবেলি মুখ্য-অতিথিৰ আসনৰপৰা উৎকল সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক শ্ৰীশ্ৰদ্ধানন্দ সূপকাৰ এম পিয়ে কয় যে অসম সাহিত্য সভাৰ ঐতিহ্য সদৌ ভাৰতবৰ্ষৰ বাবেই গৌৰবৰ বিষয়। অসমীয়া ভাষা আৰু উৰিয়া ভাষাৰ সাদৃশ্য তেখেতে গৌৰবেৰে উল্লেখ কৰে।

এই অধিবেশনত তিনিটা মাথোন প্ৰস্তাব গ্ৰহণ কৰা হয়। প্ৰথমটোত অসমৰ আবেগিক ঐক্য আৰু সংহতি ৰক্ষাৰ বাবে আহ্বান জনোৱা হয়। দ্বিতীয়টোত ত্ৰিভাষী সূত্ৰমতে লিখা গ্ৰন্থসমূহ পৰীক্ষা কৰি চাবলৈ আৰু তৃতীয়টোত নিয়মাৱলী সংশোধন পৰ্য্যালোচনা কৰিবলৈ উপসমিতি গঠন কৰি দিয়া হয়। নতুন বছৰৰ বাবে চৈয়দ আব্দুল মালিক প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

সেই দিনা ৰাতি সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয় শঙ্কৰী-সংস্কৃতি-প্ৰেমী শ্ৰীনিকামুল সত্ৰাধিকাৰদেৱৰ পৌৰোহিত্যত।

হৰিনাম ৰসে বৰপেটা প্ৰকাশে
সাহিত্য-অমৃত নদী,
মহেন্দ্ৰমোহনে পাৰ ভাঙি দিলে
বহে অসমক ভেদি।

× × ×

কেইলাতকৈ গুটি দীঘল হোৱাৰ দৰে বেজবৰুৱা-শতবাৰ্ষিকীত ব্যয়ৰ মাত্ৰাধিক্য হোৱাৰ বাবে, অতিৰিক্ত চৰকাৰী অনুদান চল্লিশ হাজাৰ আৰু 'সাহিত্য প্ৰকাশে' নিজা খৰচত 'বেজবৰুৱা-গ্ৰন্থাৱলী' ছপাই সহায় কৰা সত্ত্বেও মূল পুঁজিৰ তলি উদং অৱস্থা হৈ ধাৰে পেন পেন হ'ল। পুৰণি সম্পাদক 'হৰি' গ'ল। নতুন সম্পাদকজন ধাৰহে 'মালিক' হ'ল।

# ধিং অধিবেশন (৩৭)

ঃ ১৩, ১৪, ১৫ ফেব্রুৱাৰী ১৯৭০ চন ঃ

এসময়ত উত্তৰপাৰৰ কোনোবা এজন ৰাজকোঁৱৰে হেনো লগত ছকুৰি প্ৰজা লৈ দক্ষিণপৰীয়া হৈছিল। এই প্ৰজাবিলাকেই ধিং নামেৰে জনাজাত হ'ল আৰু তেওঁলোকে বাস কৰিবলৈ লোৱা গোটেই অঞ্চলটোৱে ধিং নাম পালে। পূৰ্বতে এই ঠাইখনক আঠগাঁওহে বোলা হৈছিল। 'শেৱালি-কবি' ৰত্নকান্ত বৰকাকতীদেৱৰ জন্মস্থান আৰু কৰ্মস্থান হোৱাৰ বাবে এই ধিঙতেই পতা হৈছিল সাহিত্য সভাৰ 'ৰত্ন-নগৰ'।

শ্ৰীচন্দ্ৰকান্ত বৰকাকতীদেৱে লিখিছে—"ধিং এটা বিৰাট অঞ্চল। উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে সোণাই নৈ, পূবে সাতভেলেউ, পশ্চিমে মায়ং, এই বিৰাট অঞ্চলটোৱেই এসময়ত ধিং অঞ্চল বুলি জনাজাত আছিল। অতীজতে এই অঞ্চলটোৱেই বাৰভূঞাৰ বাসভূমি আছিল। আজিও ভূঞাবাৰী পাম, ভূঞাবাৰী পথাৰে তাৰ সাক্ষ্য দিব লাগিছে এই ভূঞাৰাজ্যখনৰ ভিতৰতে বৰদোৱা, শান্তিজান, আলিপুখুৰী, ধিং, লাহৰীঘাট, মৈৰাবাৰী প্ৰভৃতি ঠাই পৰিছে। চৰিত্ৰ-পুথিমতে মহাপুৰুষৰ জন্মস্থান আলিপুখুৰী বৰদোৱাৰপৰা পোনাই ৬।৭ মাইলৰ আলিপুখুৰীৰ নিচেই কাষতে থকা মৈৰাবাৰী গাঁওৰ উত্তৰে। তিনি মাইল দূৰতে ব্ৰহ্মপুত্ৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে শিঙৰী পৰ্বতৰ নামনিত মহেন্দ্ৰকন্দলিৰ পাঠশালা আছিল। গুৰুজনাই আলিপুখুৰীৰপৰা মৈৰাবাৰীৰ মাজেৰে মহেন্দ্ৰকন্দলিৰ পাঠশালাত পঢ়িবলৈ যাওঁতে ব্ৰহ্মপুত্ৰৰ পাৰৰ হাবিত দুৰ্দান্ত বনৰীয়া ষাড়ে আক্ৰমণ কৰাত তেৰাই সেই ষাড়ৰ শিঙত ধৰি ওফৰাই পঠাই ব্ৰহ্মপুত্ৰৰ পাৰ পাইছিলগৈ। পিছত ঘাটত নাৱ-ডুনি একো নেপাই

ভাদমহীয়া ভৰা ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হৈ মহেন্দ্ৰকন্দলিৰ আশ্ৰম পাইছিলগৈ।

ধিঙৰ সাহিত্য সভা অনুষ্ঠিত হোৱা ঠাইডোখৰ কেবাশ বছৰ পূৰ্বে ব্ৰহ্মপুত্ৰৰ বুকুতহে আছিল। লাহে লাহে ব্ৰহ্মপুত্ৰ আঁতৰি গৈ উত্তৰ-পাৰে থকা শিঙৰী পৰ্বতৰ কাষ পোৱাত এই অঞ্চলটো বিৰাট চাপৰিত, পৰিণত হয়। কালক্ৰমত চাপৰিয়েই হ'ল বৰ্দ্ধমান গাঁও। আঠ ঠাইৰ মানুহ আহি বসতি কৰাৰ কাৰণে ইয়াৰ ডাঙৰ গাঁওখনে আঠগাঁও বুলি প্ৰসিদ্ধি লাভ কৰিলে। মহাপুৰুষ বৰদোৱাৰ থকা কালৰপৰা এই অঞ্চলত বৈষ্ণৱ ধৰ্মৰ সোঁত বৈছিল।”

## ৰত্ন নাই, চন্দ্ৰ আছে, আছে আঠগাঁও

সি যি নহওক অসম সাহিত্য সভাই এই ধিঙৰ নিমন্ত্ৰণ গ্ৰহণ কৰাত সমগ্ৰ ধিংবাসী আনন্দত উৎফুল্ল হৈ উঠিছিল। অসম মাতৃৰ জাতীয়-যজ্ঞ এভাগ নিয়াৰিকৈ পাতিবলৈ অঞ্চলটোৰ ৰাইজে একমুঠ হৈ ‘শোৱালি-কবি’ ৰত্নকান্ত বৰকাকতীদেৱৰ নামেৰে অলঙ্কৃত ‘ৰত্ন-নগৰ’ত ভাষা-জননীৰ হৈ বছেৰেকীয়া পূজাভাগৰ দিহা কৰা হৈছিল। এই উদ্দেশ্যে শ্ৰীচন্দ্ৰকান্ত বৰকাকতী—সভাপতি, মোঃইদ্ৰিছ—কাৰ্য্যকৰী সভাপতি আৰু শ্ৰীৰাজেন্দ্ৰনাৰায়ণ মজুমদাৰক প্ৰধান সম্পাদকস্বৰূপে লৈ এখন কাৰ্য্যক্ষম অভ্যৰ্থনা সমিতি গঠন কৰা হৈছিল।

অধিবেশনৰ আগে আগে, ২৩ ফেব্ৰুৱাৰীৰ দিনা ‘আৱাহন'ৰ সম্পাদক ডাঃ শ্ৰীদীননাথ শৰ্মা আৰু শিল্পী-কলাকাৰ মহেন্দ্ৰনাথ ডেকাফুকনৰ সম্বৰ্দ্ধনা জনোৱা হয়।

১৪ ফেব্ৰুৱাৰী ৰাতিপুৱা বিদায়ী সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে বিপুল উৎসাহ-উদ্দীপনাৰ মাজত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি উছৱৰ পাতনি মেলে। ৮ বজাত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে কৃষি-বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° শ্ৰীসত্যৰঞ্জন বৰুৱাদেৱে।

তাৰ পিছত প্ৰদৰ্শনী-মণ্ডপৰ কাষতে গান্ধী জন্মশতবাৰ্ষিকীৰ লগত ৰজিতা খুৱাই 'গান্ধী-তৰ্পণ' অনুষ্ঠান সম্পন্ন কৰা হয়।

নবজাৰ লগে লগে মূল সভামণ্ডপতে অনুষ্ঠিত হয় আলোচনা-চক্ৰ। সভাপতি চিন্তাশীল লেখক শ্ৰীবিপিনকুমাৰ বৰগোহাঁই ডাঙৰীয়া। আলোচনাৰ বিষয়বস্তু আছিল 'অসমৰ সংস্কৃতিৰ সমন্বয়।' সভাপতিয়ে সংস্কৃতিৰ স্বৰূপ, তাৰ বিভিন্ন দিশ।' এই সম্পৰ্কে পৰ্য্যালোচনা কৰে। চক্ৰৰ বিশিষ্ট অতিথি আছিল শ্ৰীতীৰ্থনাথ শৰ্মাদেৱ।

সভাপতি শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুদেৱক বৰদোৱা সত্ৰৰ সভাপতিৰ বাহৰৰপৰা সভামণ্ডপলৈ সাতমাইল বাট গায়নে-বায়নে সমদলত অনা হয়। নগাওঁ জিলাৰ উপায়ুক্তই নেতৃত্ব লোৱা এই সমদলত আছিল ১৭০ খন মটৰ। বাটৰ বিভিন্ন ঠাইত বাইজে তোৰণ সাজি থৈ আছিল। যথা সময়ত তামোল-পাণৰ শৰাই গামোচা আদিৰে তেওঁক মান ধৰিছিল।

সভাপতি লেখাৰুদেৱে মাল্যবিভূষিত হৈ মঞ্চত আসন গ্ৰহণ কৰাৰ পিছত শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে এটা স্তোত্ৰ আবৃত্তি কৰি মৰ্মস্পৰ্শী ভাষণৰে সভা উদ্বোধন কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীচন্দ্ৰকান্ত বৰকাকতীদেৱে তেওঁৰ আদৰণী ভাষণত ধিং অঞ্চলত তথ্যপূৰ্ণ ইতিবৃত্ত ব্যক্ত কৰি সভাপতি প্ৰমুখ্যে সকলো সমজুৱাকে সাদৰ-সম্ভাষণ জনায়। মূল সভাৰ সম্পাদক চৈয়দ আব্দুল মালিকে তেওঁৰ প্ৰতিবেদনত সভাৰ কাম-কাজৰ লেখ দি এই বছৰটোৰ দাৰুণ অৰ্থ-সঙ্কটৰ কথা বিবৰি কয়।

অধ্যাপক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু ডাঙৰীয়াই সুচিন্তিত চমু সভাপতিৰ অভিভাষণ পাঠ কৰে। সেই দিনাৰ সভাত বিশিষ্ট অতিথিৰ আসনৰপৰা ভাষণ দিয়ে শ্ৰীমিত্ৰদেৱ মহন্তদেৱে।

গধূলি প্ৰখ্যাত শিল্পী ফণী শৰ্মাদেৱৰ পৌৰোহিত্যত সঙ্গীত-সন্ধিয়া অনুষ্ঠিত হয়। শৰ্মাদেৱে তেখেতৰ ভাষণত অসমৰ সঙ্গীত-নাটকত বৰঙণি যোগোৱা শিল্পীসকলক ত্যাগৰ মুকলি স্বীকৃতি দিবলৈ আহ্বান জনায়।

১৫ তাৰিখে ৰাতিপুৱা শিৱসাগৰৰ বুৰঞ্জীবিদ শ্ৰীভুবনচন্দ্ৰ সন্দিকৈ ডাঙৰীয়াৰ সভাপতিত্বত বুৰঞ্জী-সভা অনুষ্ঠিত হয়। ভাষণত এখন আহলবহল অসম বুৰঞ্জী প্ৰণয়নত গুৰুত্ব দিয়া হৈছিল।

বুৰঞ্জী-সভাব পিছত সম্পন্ন হয় কবি-সন্মিলন। সভাপতি সুখ্যাত, আধুনিক কবি শ্ৰীনৱকান্ত বৰুৱাদেৱ। কেবাজনে ন-পুৰণি কবিয়ে স্বৰচিত কবিতা পাঠ কৰি শ্ৰোতাসকলক আনন্দ দিয়ে।

উল্লেখযোগ্য যে সম্বৰ্দ্ধনা-অনুষ্ঠানত ডেকাফুকনে পাঠ কৰা স্বৰচিত কবিতাটিৰ ( মই কোন ? ) আবৃত্তি খিং অধিবেশনৰ এক আকৰ্ষণীয় সম্পদ আছিল।

দুপৰীয়া এক বজাৰপৰা দ্বিতীয় দিনৰ মুকলি অধিবেশন আৰম্ভ হৈছিল এটা বৰগীতেৰে। মুখ্য অতিথিৰ ভাষণ দিছিল বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে। আন আন বক্তাসকল আছিল অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী, শ্ৰীছামচুল হুদা ( এম-এল-এ ), শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, এম-ইব্ৰাহিম আলি, শ্ৰীপূৰ্ণ কৰা প্ৰভৃতি।

এই অধিবেশনত চাৰিটা প্ৰস্তাব গৃহীত হয়। এই প্ৰস্তাববোৰৰ যোগে অসমীয়া শিক্ষাৰ মাধ্যম হিচাপে লোৱাত বিশ্ববিদ্যালয় দুখনক ধন্যবাদ জনোৱা হয়। ১৯৭১ চনত পদ্মনাথ গোহাঞিবৰুৱা শতবাৰ্ষিকী পালন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। অনাতাৰ-কেন্দ্ৰ দুটাক অনাঅসমীয়াৰ বাবে অসমীয়া শিক্ষাপ্ৰচাৰৰ অনুষ্ঠান লাগে বুলি দাবী জনোৱা হয়। ৰাজ্যভাষা প্ৰচলনত চৰকাৰী হেমাহিৰ বাবে উদ্বেগ প্ৰকাশ কৰা হয়।

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা আৰু সভাপতিয়ে সামৰণী ভাষণ দিয়াৰ পিছত অভ্যৰ্থনা সমিতিৰ ফালৰপৰা শ্ৰীচন্দ্ৰকান্ত বৰকাকতী, শ্ৰীৰাজেন্দ্ৰনাৰায়ণ মজুমদাৰ আৰু শ্ৰীচামচুল হুদাই শলাগৰ শৰাই আগবঢ়ায়।

## পাৰ্শ্বজোতি

ধিঙত সাহিত্য সভাৰ বিং শুনি বৃন্দাবনবিহাৰী শ্ৰীউপেন্দ্ৰনাথ আহিছিল শঙ্কৰ-শিলিখা থাই সাহিত্য সভাৰ খাটোলাত উঠিবলৈ। ভাবৰ ভাই, যিহকে ভাবে তাকে পায়। সেয়েহে গুৰু-ভকতৰ নামত পৰি মৰা লেখাৰু ডাঙৰীয়াই গুৰুজনাৰ বৰদোৱা থানত সভাপতি-বাহৰ পাতি সাহিত্যৰ তুলসীৰ মালাগুটি জপিবলৈ সৌভাগ্য লাভ কৰিছিল।

ইফালে আকৌ ধিঙৰ প্ৰতিনিধি-বাহৰত একেটা খোঁটালিতে সেই ৰাতি থপিছিল বুঢ়াফুকন ককা নীলমণি আৰু ডেকাফুকন মহেন্দ্ৰনাথে। লগত ডেকাফুকননী জ্যোতিৰ্ময়ী দেৱীও আছিল। একেটা চোঙত দুটা বাঘ নেথাকে কিন্তু সেই ৰাতি সেই নীতিৰ ব্যতিক্ৰম হৈছিল। খোঁটালিত সম্ভ্ৰান্ত অতিথিৰ বাবে সুকীয়া পালেঙৰ ব্যৱস্থা কৰা আছিল। পিছে ডেকাফুকনে কৰিলে কি? তেওঁ বাহৰৰখীয়া ভলণ্টিয়াৰ-ভলণ্টিয়াৰণীবিলাকক নিকাল দি নিজেই ককাৰ তদাৰকৰ ভাৰ ললে। যথা সময়ত ককাই খাই-বৈ আহি শয়নে-পদ্মনাভ কৰিলে। ডেকাফুকনে তেওঁৰ ভাগৰ খাটীয়াখন বাহিৰলৈ উলিয়াই থৈ ককাৰ ভৰিপথানৰ মাটিত নিজৰ বাবে শেতেলি পাৰি ললে। ফুকননীক মূৰশিতানত এখন মাচিয়াত বহিবলৈ দি গোটেই ৰাতি ককাক বিচি থাকিবলৈ দিলে। বুঢ়াফুকনেও নেলাগে বুলি কৈ কোদোৰ বাহত হাত দিবলৈ ইচ্ছা নকৰিলে। ডেকাফুকননীতো ডেকাফুকনৰ আঠুৰাৰ তলৰ মহ। হুকুম তামিল কৰিবই লাগিব।

সেই ৰাতি বাগ্মীবৰ বুঢ়াফুকনৰ সম্ভবতঃ ভালদৰেই টোপনি আহিছিল। ওৰঘোৰ টোপনিত ডেকাফুকনৰ নাক দুটায়ো বাহিৰৰ সঙ্গীত-সমাৰোহৰ বাজনাৰ লগত সমানে তাল দিছিল। বেছেৰী ডেকাফুকননী! হাতত বিচনী লৈ জপং জপং টোপনিত কেইবাৰ মাছ ধৰিছিল কোনে জানে?

পিছদিনা ৰাতিপুৱা প্ৰদৰ্শনী-টোলৰ সমুখত ডেকাফুকনে আৰু এটা আমোদী দৃশ্য সৃষ্টি কৰিছিল। তেওঁক হেনো প্ৰদৰ্শনীৰ ভিতৰত সোমাবলৈ দুৱৰীহঁতে অনুমতি দিয়া নাছিল। সিহঁতে জনা নাছিল যে সেইজন কলিৰ দুৰ্বাসা। খঙত তিঙিৰী তুলা হৈ তেওঁ প্ৰদৰ্শনী-মণ্ডপৰ কাষলৈ এখন মেজ আনি তাৰ ওপৰত উঠি বক্তৃতা আৰম্ভ কৰি দিলে।

বক্তৃতাৰ শব্দবোৰ আছিল জুইৰ 'বুলেট', কথাবোৰ আছিল ৰৌদ্ৰৰস আৰু হাস্যৰস মিহলি 'কঁাহুদী-খাৰলি'। তদুপৰি বিচিত্ৰ কথনভঙ্গী আৰু অনুকৰণ কৰিব নোৱৰা আবৃত্তি-উদ্ধৃতি। সেই বক্তৃতা শুনি ৰত্ন নগৰ নিজম হ'ল। প্ৰদৰ্শনীৰ উন্মোচন অনুষ্ঠান বিফল কৰি জাউৰিয়ে জাউৰিয়ে হাতচাপৰিয়ে ডেকাফুকনৰ জয়ধ্বনি দিলে।

× × ×

এই বছৰতো অৰ্থসঙ্কট অব্যাহতভাবে চলি থকা সত্ত্বেও বিভিন্ন দিশত সভাৰ অগ্ৰগতি পৰিলক্ষিত হয়। ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে সভাক বছৰি এহেজাৰ টকা অনুদান দিবলৈ সিদ্ধান্ত কৰে।

ডিব্ৰুড়গত কেন্দ্ৰীয়ভাবে প্ৰাক্তন সভাপতি মফিজুদ্দিন আহমেদ হাজৰিকাৰ শতবাৰ্ষিক পালন কৰা হয়।

সাহিত্য সভাই দাবী জনোৱাৰ ফলত 'আকাছবাণী' নামটো 'আকাশবাণী কৰা হয়। ১৯৭০ চনত চাৰি চেপ্তেম্বৰৰ পৰা সচিবালয় পৰ্য্যায়ত অসমীয়া ভাষা প্ৰয়োগ কৰা হব বুলি এটি ঘোষণা ১০।২।৭১ ৰাজপত্ৰত প্ৰকাশিত হয়।

# মাকুম অধিবেশন (৩৮)

ঃ ২৩, ২৪, ২৫ এপ্ৰিল ঃ ১৯৭১ চন ঃ

**চেনেহী জননী বন্দে মাকুমে মহানন্দে**

মাকুম শব্দৰ ব্যুৎপত্তিগত অৰ্থ মিলনভূমি বুলি ভবা হয়। দৰা চলতে পুৰণি কালৰপৰা বৰ্তমান কাললৈকে মাকুম নানা জাতি-উপজাতি আৰু সম্প্ৰদায়ৰ মিলনভূমি হৈ আহিছে। চাহবাগিচাৰে পৰিবেষ্টিও, এটি কলি দুটি পাতেৰে হৃষ্টপুষ্ট, বুৰঞ্জীয়ে গৰকা মাকুম উজনি অসমৰ এখন নামী চহৰ। এই মাকুমে ১৯৭১ চনত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন পাতি তীৰ্থফল লাভ কৰিছিল অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মাদেৱৰ পৌৰোহিত্যত।

২৩ এপ্ৰিল শুকুৰবাৰে এজাক কিনকিনীয়া বৰষুণৰ মাজতে প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰি অসম সাহিত্য সভাৰ পতাকা তুলিলে। তাৰ পিছতেই বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি উৎসৱৰ সজীৱ পৰিবেশ সৃষ্টি কৰি দিলে। ৰাতিপুৱা শ্ৰীতীৰ্থনাথ শৰ্মা আৰু আবেলি শ্ৰীপদ্মাগধৰ চলিহাৰ সভাপতিত্বত বিষয়বাছনী সভা অনুষ্ঠিত হয়।

পুৱাবেলা প্ৰবীণ কবি শ্ৰীকমলেশ্বৰ চলিহাদেৱৰ পৌৰোহিত্যত কবি-সন্মিলন অনুষ্ঠিত হয়। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই 'সোহহম' নামৰ স্বৰচিত কবিতা পাঠ কৰি অনুষ্ঠান মুকলি কৰে।

'ধ্বনি-কবি' শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা প্ৰমুখ্যে জনচেৰেক কবিয়ে স্বৰচিত কবিতা পাঠ কৰি শুনোৱাৰ পিছত আলোচনাত আগভাগ লৈ ড° শ্ৰীমহেশ্বৰ নেওগে 'ৰাতিপুৱাৰ ডায়েৰী নামৰ স্বৰচিত কবিতা এটা আবৃত্তি কৰে। তেখেতে কয় যে ৰেলগাড়ী চলাৰ দৰে কবিতা আগলৈকো চলে, পাছলৈকো চলে, অৰ্থাৎ কবিতাই ৰদু অতীতৰপৰা অনাগত ভবিষ্যতলৈ আমাক প্ৰাণৰ সন্দে

দিয়ে। কবিতাত মেজিক আৰু মিউজিক অৰ্থাৎ যাদু আৰু সঙ্গীত এই দুয়োটা বস্তু থাকিব লাগে। ড° শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে শ্ৰীৰাজেন্দ্ৰপ্ৰতাপ কৰণৰ অসমীয়া ভাষাপ্ৰীতি আৰু ৰোমান্তিকধাৰাক প্ৰশংসা কৰে। তেখেতে কয় যে অসমীয়া সাহিত্যত ৰোমান্তিক ভাৱধাৰা চলি থকা উচিত। সভাপতি শ্ৰীচলিহাদেৱে তত্ত্বগধূৰ সুদীৰ্ঘ ছপা ভাষণৰ লগতে স্বৰচিত কবিতা পাঠ কৰি শুনায়।

সেই দিনা দুপৰীয়াৰপৰা সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱক সভাপতিৰ বাসভৱনৰপৰা সভামণ্ডপ অভিমুখে গাম্ভীৰ্য্যপুৰ্ণ সমদলত অনা হয়। সভা উদ্বোধন কৰি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৱে অসমৰ ঐক্য আৰু সংহতিৰ বাবে আহ্বান জনায়। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীৰমেশচন্দ্ৰ বৰুৱা (বিধান সভাৰ অধ্যক্ষ) আৰু কাৰ্য্যকৰী সভাপতি শ্ৰীত্ৰিবেণীপ্ৰসাদ সিংহই দুটি আদৰণী ভাষণ পাঠ কৰি চাহবাগিচাৰ মাজত থকা উজনিৰ এই সৰু ঐতিহ্যপুৰ্ণ চহৰ মাকুমত বহা সাহিত্য অধিবেশন তাৎপৰ্য্যপূৰ্ণ বুলি উল্লেখ কৰে।

দ্বিতীয় দিনৰ মুকলি সভাৰ ছটা প্ৰস্তাৱ গৃহীত হয়। প্ৰস্তাৱবোৰ আছিল ৰাজ্যভাষা, পূব পাকিস্তানৰ ধ্বংসলীলা, গবেষণাৰ হিচাপে মাধ্যম অসমীয়া ভাষা, ডাকবিভাগে গোহাঞিবৰুৱা ডাকটিকট উলিওৱাৰ বাবে ক্ষোভপ্ৰকাশ, উদ্যোগ, চাকৰি-বাকৰিত থলুৱা লোক বঞ্চিত হোৱা সম্পৰ্কে।

সামৰণী ভাষণত সভাপতি শ্ৰীশৰ্মাদেৱে ঐক্য আৰু সংহতিৰ বাবে আহ্বান জনায়। অনাঅসমীয়া সকলোকে তেখেতে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি বিৰাট অসমীয়া জাতি গঢ়ি তুলিবলৈ অনুৰোধ কৰে। অভ্যৰ্থনা সমিতিৰ হৈ পৰমানন্দ গগৈয়ে (প্ৰাক্তন মন্ত্ৰী) আৰু প্ৰতিনিধিসকলৰ হৈ শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্তই শলাগৰ শৰাই আগবঢ়ায়।

সন্ধিয়া বিৰাট জন-সমবেশত শিল্পী-সাহিত্যিক শ্ৰীকমলনাৰায়ণ

চৌধুৰীদেৱৰ পৌৰোহিত্যত সাংস্কৃতিক-সমাৰোহ সুসম্পন্ন হয়। তুয়ো ৰাতি সংখ্যাতীত দৰ্শকে বিভিন্ন কাৰ্য্য সূচীৰ সাংস্কৃতিক অনুষ্ঠান মন্ত্ৰমুগ্ধ হৈ উপভোগ কৰিছিল।

× × ×

এই বছৰতো আৰ্থিক অনাটন চলি আছিল যদিও সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে হাত ধৰি খৰচ কৰি আগৰ ধাৰৰ ১৫৯৭৫·৩৫ পৰিশোধ কৰে আৰু সভাৰ আৱশ্যকীয় কামবোৰ নিয়াৰিকৈ চলায়।

এই বছৰত পদ্মনাথ গোহাঞিবৰুৱা শতবাৰ্ষিকী আৰু হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিক পালন কৰা হয়।

সংগঠন সাংস্কৃতিক ভ্ৰমণ আদি কামবোৰ অব্যাহতভাৱে চলাই থকা হয়।

# তৃতীয় ধুবুৰী অধিবেশন (৩৯)

**ঃ ৭, ৮, ৯ এপ্ৰিল ঃ ১৯৭২ চন ঃ**

**মৰাও জীৱন পায় এয়ে মোৰ দেশ**

ইতিপূৰ্বে দুবাৰ ধুবুৰীঘাট-ধুবুৰীত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন বহিছিল। দুয়োখন সভাই আছিল গুৰুত্বপূৰ্ণ। ৰঙ্গশালাত নিশাচৰে বিঘিনি ঘটাবলৈ উপক্ৰম কৰাৰ দৰে প্ৰথমবাৰত প্ৰান্তবাসীৰদ্বাৰা সৃষ্ট চুচুৰ্ৰীয়া অশান্তি পানীকৃত্য হৈ গৈছিল। দ্বিতীয় বাৰ আছিল ৰূপালী জয়ন্তী অধিবেশন।

এইবাৰ ধুবুৰীৰ তৃতীয় অধিবেশনত সীমান্তনেতা প্ৰমথনাথ চক্ৰৱৰ্তীৰ সুযোগ্য উত্তৰাধীকাৰী শ্ৰীদীনেশৰঞ্জন চৰকাৰৰ (আদৰণী সভা সভাপতি) নেতৃত্বত গঠিত হোৱা শক্তিশালী অভ্যৰ্থনা সমিতিয়ে এই সন্মিলন সকলো ফালৰ পৰা কৃতকাৰ্য্য কৰি তুলিছিল। এই সভা আগৰ দুবাৰতকৈ কোনোগুণে হীনপ্ৰভ হোৱা নাছিল।

প্ৰাতঃস্মৰণীয় ধুবুৰীৰ জাতীয় নেতা প্ৰমথনাথ চক্ৰবৰ্তীদেৱৰ পবিত্ৰ স্মৃতিত এইবাৰৰ সাহিত্য-নগৰখনিৰ নামকৰণ কৰা হৈছিল 'প্ৰমথ নগৰ' বুলি। তদুপৰি এই নগৰতে আৰু তিনিখন স্মৃতিৰঞ্জিত তোৰণ সজা হৈছিল—'ৰূপনাথ ব্ৰহ্ম তোৰণ', 'অমৃতভূষণ অধিকাৰী তোৰণ' আৰু 'প্ৰমথেশ বৰুৱা তোৰণ'। ছত্ৰশাল সত্ৰৰ আহিৰে সজা মূল সভামণ্ডপৰ তোৰণখনিয়ে সকলো দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

বিপুল জনসমাৰোহৰ মাজত ৭ এপ্ৰিল ৰাতিপুৱা অসম সাহিত্য সাহিত্য সভাৰ পতাকা উত্তোলন কৰে অসমৰ যশস্বিনী জীয়াৰী প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনীবালা দেৱীয়ে। আটোমটোকাৰিকৈ

সজোৱা, বৃহৎ প্ৰদৰ্শনীৰ দুৱাৰ আনুষ্ঠানিকভাবে মুকলি কৰে ড° শ্ৰীমহেশ্বৰ নেওগদেৱে।

আবেলিৰপৰা ৰাতি বাৰ বজালৈকে বিষয়-বাছনী সভা অনুষ্ঠিত হয় নবনিৰ্বাচিত সভাপতি অধ্যক্ষ হেম বৰুৱাদেৱৰ সভাপতিত্বত। প্ৰায় চাৰিশ প্ৰতিনিধি এই সভাত উপস্থিত আছিল।

৮ এপ্ৰিল পুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী-বিভাগৰ মুখ্য অধ্যাপক ড° শ্ৰীহেড়ম্বকান্ত বৰপুজাৰীদেৱৰ সভাপতিত্বত 'বুৰঞ্জী সন্মিলন' অনুষ্ঠিত হয়। আহ্বায়ক শ্ৰীবঙ্কিমচন্দ্ৰ চক্ৰবৰ্তীয়ে আলোচ্য বিষয় 'অসমৰ পশ্চিম অঞ্চলৰ বুৰঞ্জী" সভাত উত্থাপন কৰে। শ্ৰীশিৱানন্দ শৰ্মা, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী (প্ৰাক্তন এম-পি), শ্ৰীঅম্বিকাচৰণ চৰ্কাৰ, শ্ৰীহেড়ম্ব বৰদলৈ আৰু শ্ৰীপ্ৰফুল্ল দত্তই আলোচনাত ভাগ লয়। সভাপতি বৰপুজাৰীদেৱে তেখেতৰ ভাষণত অসম বুৰঞ্জীৰ এখনি তথ্যবহুল চিত্ৰ দাঙি ধৰি গবেষণা আৰু বুৰঞ্জী চৰ্চ্চাৰ বাবে বিজ্ঞজনলৈ আহ্বান জনায়।

বুৰঞ্জীৰ পিছতে আছিল কবিতা-সভা। এই কবি-সন্মিলনীৰ পুৰোহিত হৈছিল পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ। সভা উদ্বোধন কৰিছিল শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। স্বৰচিত কবিতাপাঠক আছিল শ্ৰীতাৰকচন্দ্ৰ দাস, শ্ৰীঅবনীন্দ্ৰচন্দ্ৰ বৰা, শ্ৰীপৰেশমল্ল বৰুৱা প্ৰমুখ্যে প্ৰায় একুৰি পাঁচজন কবি। বিশিষ্ট অতিথি হৈ কবিতাৰ ধৰ্ম সম্পৰ্কে চমু ভাষণ দিছিল অধ্যাপক শ্ৰীদুৰ্গেশ্বৰ শৰ্মাই। সভাপতি তৰ্কতীৰ্থদেৱে তেখেতৰ ভাষণত কবিতাৰ পৰম্পৰা সম্পৰ্কে আলোচনা কৰিছিল।

সেই দিনাই দুপৰীয়া এটি আকৰ্ষণীয় সমদল-যাত্ৰাৰে সভাপতি হেম বৰুৱাদেৱক সভামণ্ডপলৈ আদৰি অনা হয়। মুকলি অধিবেশনত উদ্বোধনী ভাষণ দিয়ে প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে। শ্ৰীদীনেশৰঞ্জন চৰ্কাৰে তেখেতৰ আদৰণী ভাষণ পাঠ কৰি বিৰাট বিপুল জনতাক উৎসাহিত আৰু উৎফুল্লিত কৰে।

প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ পিছত হেম বৰুৱাদেৱে সভাপতিৰ ভাষণত সাহিত্যৰ মৌলিক তথ্যসমূহৰ চমু ব্যাখ্যা দিয়ে আৰু বৰ্তমান অসমীয়া সাহিত্যৰ স্বৰূপ দাঙি ধৰে। তেখেতে ভাষণত এষাৰ তাৎপৰ্য্যপূৰ্ণ কথা কৈছিল বোলে 'মই ৰাজনীতি কৰিছোঁ ইহকালৰ বাবে, সাহিত্য-চৰ্চা কৰিছোঁ পৰকালৰ বাবে।'

৯ এপ্ৰিল দেওবাৰে পুৱা সাহিত্য-প্ৰেমী নেতা শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱাদেৱৰ সভাপতিত্বত আৰম্ভ হোৱা আলোচনাচক্ৰৰ আহ্বায়ক শ্ৰীদেবেন্দ্ৰনাথ শৰ্মাই আলোচ্য বিষয় পশ্চিম অসমৰ ভাষা আৰু সাহিত্য" আৰু নিমন্ত্ৰিত বক্তাসকলৰ পৰিচয় সমবেত ৰাইজৰ আগত দাঙি ধৰে। সভাপতি শ্ৰীবৰুৱাদেৱে তেখেতৰ ভাষণত ব্যক্তিগত অভিজ্ঞতাৰ পটভূমিত আৰু পণ্ডিতসকলৰ মন্তব্যৰ আধাৰত পশ্চিম অসমৰ ভাষা আৰু সাহিত্যৰ চমুকৈ বিশ্লেষণ কৰে।

এই আলোচনাত ভাগ লৈছিল ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীঅম্বিকা চৰ্কাৰ আৰু মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই। শ্ৰীসিংহই পশ্চিম অসমৰ ভাষাৰ সম্যক অধ্যয়নৰ বাবে এই আলোচনা-চক্ৰৰ পোষকতা কৰে।

দুপৰীয়া অনুষ্ঠিত দ্বিতীয় দিনৰ মুকলি সভাত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু শ্ৰীশৰৎচন্দ্ৰ সিংহই বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে।

এই সভাতে প্ৰবীণ গান্ধীবাদী সাহিত্যিক অমিয়কুমাৰ দাসদেৱক যথাবিধি সম্বৰ্দ্ধনা জনোৱা হয় আৰু এই বছৰৰ সাহিত্যসভাৰ বঁটা বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

সমজুৱাসকলৰ ফালৰ পৰা প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনীবালা দেৱী আৰু প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই বক্তৃতা দিয়ে।

সেই দিনাই আবেলি দ্বিতীয় দিনৰ মুকলি অধিবেশন উদ্বোধন কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে আৰু মুখ্য অতিথিৰ ভাষণ দিয়ে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই।

এই অধিবেশনে গ্ৰহণ কৰা প্ৰস্তাৱ চাৰিটা আছিল অসমীয়া ভাষা শিক্ষাৰ মাধ্যম, কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত থলুৱা লোক নিয়োগ, উপযুক্ত লোকক সাহিত্য পেঞ্চন, প্ৰশ্নকাকতত ইংৰাজীৰ লগতে অসমীয়া ভাষা ব্যৱহাৰ আৰু নিয়মাৱলী সংশোধন সম্পৰ্কে।

সামৰণিত শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্তই প্ৰতিনিধিসকলৰপৰা আৰু অভ্যৰ্থনা সমিতিৰ হৈ শ্ৰীগৌৰীনাথ ব্ৰহ্মই শলাগৰ শৰাই আগবঢ়ায়।

প্ৰথম ৰাতি আৰু তৃতীয় ৰাতি অনুষ্ঠিত সাংস্কৃতিক সমাবেশ মুকলি কৰি গোৱালপাৰাৰ প্ৰবীণ নাট্যশিল্পী শ্ৰীঅন্নদাচৰণ দাস ডাঙৰীয়াই। তেখেতে থলুৱা গীত-মাতৰ উৎকৰ্ষ সাধনত গুৰুত্ব আৰোপ কৰে।

× × ×

এই বছৰটোত শিক্ষাৰ মাধ্যম সম্পৰ্কত দেশ তল-ওপৰ হয়। অসম সাহিত্য সভাৰ লগতে অসমৰ ছাত্ৰ সমাজেও যোগ দি আগভাগ লয়। এই মাধ্যম আন্দোলনৰ বিষয়ে এটা সুকীয়া অধ্যায়ত বিবৰি কোৱা হৈছে।

অসম সাহিত্য সভাই দুজন প্ৰাক্তন সভাপতি বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ জন্মশতবাৰ্ষিকী কেন্দ্ৰীয়ভাবে ডিব্ৰুগড় আৰু গুৱাহাটীত পালন কৰে।

# ৰঙিয়া অধিবেশন (৪০)

## ঃ ১০, ১১, ১২ ফেব্ৰুৱাৰী, ১৯৭৩ চন ঃ

নানা বং-ৰহইচৰ ঠাই বা নানা যুদ্ধ-বিগ্ৰহৰ ঠাই হোৱাৰ বাবে ৰং দিয়া বা ৰণ দিয়াৰপৰা ৰঙিয়া নামটো হব পাৰে। এই বুৰঞ্জী, প্ৰসিদ্ধ ৰঙিয়া নগৰৰ হৰদত্ত-বীৰদত্ত নগৰত অসম সাহিত্য সভাৰ তুকুৰিবছৰীয়া বাৰ্ষিক অধিবেশন অতি উলহমালহ আৰু বিপুল জনসমাবেশৰ মাজত সুসম্পন্ন হয়।

এই উপলক্ষে গঠন কৰা শক্তিশালী অভ্যৰ্থনা সমিতিৰ গুৰি ধৰিছিল শিক্ষাবিদ শ্ৰীৰমণীকান্ত শৰ্মা ( সভাপতি ) আৰু অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ প্ৰভৃতিয়ে। কৃতকাৰ্য্যতাৰ বাবে দেহেকেহে লাগিছিল সমগ্ৰ ৰঙিয়া অঞ্চলৰ ৰাইজ। 'হৰদত্ত-বীৰদত্ত নগৰ'ত মূল সভামণ্ডপৰ তোৰণখন সজা হৈছিল শিৱসাগৰৰ ৰংঘৰৰ আহিত।

### জননী-পূজাত লাগে ৰক্তজবা

মূল তোৰণৰ কাষতে থকা 'ছহিদ-স্তম্ভ'টো আছিল এই অধিবেশনৰ সৰ্বাধিক আকৰ্ষণৰ বস্তু। এই স্তম্ভ নিৰ্মাণৰ পচিছ হেজাৰ টকা বহন কৰিছিল ৰঙিয়া আঞ্চলিক পঞ্চায়তে। স্তম্ভৰ পৰিকল্পনা আছিল উদীয়মান শিল্পী শ্ৰীঅমূল্য বৰুৱাৰ। স্মৰণীয় ছহিদসকলৰ তেল-ছবিৰ তলত একোষাৰি কবিতা লিখা আছিল ঃ

মোজাম্মিল হক—

আই অ' কিহেৰে পূজিম তোক ?
আই অ' জীৱন দি পূজিম তোক।

অনিল বৰা—

লুইতৰ পাৰৰে আমি ডেকা ল'ৰা,
মৰিবলৈ ভয় নাই।

প্ৰমোদ বৰা—

মৰে অসম জীয়ে কোন ?
জীয়ে অসম মৰে কোন ?

বলেন ৰাজখোৱা—

আমি আগেবাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলাই ।

নৰেন্দ্ৰনাথ মহন্ত—

চিৰচেনেহী মোৰ ভাষা-জননী ।

স্মৃতিফলকখনিত লিখা আছিল ঃ

"কলিজাৰ কেঁচা তেজ ঢালি
ভাষা-জননীৰ ধুৱালোঁ চৰণ,
সাৰ্থক হওক জাতিৰ আশা
সাৰ্থক হওক আমাৰ মৰণ ॥"

এই স্মৃতিস্তম্ভৰ উপৰিও নগৰখনিৰ বিভিন্ন চাৰিআলিত ৰূপ-কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰমুখ্যে কেবাগৰাকীও অসমীয়া কলা-সাধকৰ নামত তোৰণ নিৰ্মাণ কৰা হৈছিল ।

১০ এপ্ৰিল শনিবাৰে ৰাতিপুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বিদায়ী সভাপতি হেম বৰুৱাদেৱে আৰু তাৰ পিছতে স্মৃতিগ্ৰন্থ উন্মোচন কৰে অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে । তাৰ পিছতে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে ভাস্কৰ শ্ৰীযুগল দাসে—এটা কলাসুলভ ভাষণেৰে ।

সেই দিনা গোটেই দিনটো প্ৰতিনিধিসকল ব্যস্ত হৈ থাকে বিষয়-বাছনী সভাত ।

সন্ধিয়া অনুষ্ঠিত হয় কবি-সন্মিলন শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকনৰ পৌৰোহিত্যত । চেতিয়াফুকনক কবিতা-কোঁৱৰ আখ্যা দিয়া হয় এই বাবেই যে তেওঁ সুৰলা কবিতা ৰচিব পাৰে আৰু সেই কবিতা মুখে মুখে গাই শুনাব পাৰে। এই সকলক স্বভাৱকবি আখ্যা

দিব পাৰি। এনে এজন স্বভাৱকবি আছিল দেশভক্ত ফুকনৰ মোমায়েক কামৰূপৰ বামুন্দী সত্ৰৰ ধৰ্মকিঙ্কৰ গোস্বামী। বৰ্তমানৰ তেজপুৰীয়া মন্ত্ৰী শ্ৰীবিজয় শৰ্মায়ো স্বৰচিত দীঘল কবিতা স্মৰণ শক্তিৰ সহায়ত আবৃত্তি কৰি শুনাব পাৰে। সি যি নহওক কবিসন্মিলনৰ সভাপতিৰ কবিতা-ভাষণৰ অন্তত স্বৰচিত কবিতা পাঠ কৰি শুনাইছিল—শ্ৰীমতী নলিনীবালা দেৱী, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীপৰেশমল্ল বৰুৱা, এম ইব্ৰাহিম আলি, শ্ৰীহীৰেন ভট্টাচাৰ্য্য, ডাঃ শ্ৰীসত্যনাথ কাকতী, শ্ৰীনাৰায়ণচন্দ্ৰ বেজবৰুৱা, শ্ৰীৰোহিণীকুমাৰ শৰ্মা, শ্ৰীমতী চিত্ৰলেখা ফুকন প্ৰভৃতি প্ৰায় দুকুৰি ন-পুৰণি কবিয়ে।

১১ ফেব্ৰুৱাৰী দেওবাৰে অনুষ্ঠিত আলোচনা-চক্ৰৰ বিষয় আছিল 'বৰ্তমান সমাজ ব্যৱস্থাত সাহিত্যিকসকলৰ কেনে ভূমিকা হোৱা উচিত।' চক্ৰ উদ্বোধন কৰে প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীদিবাকৰ গোস্বামী ডাঙৰীয়াই। আলোচনাত ভাগ লৈ অধ্যক্ষ শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্মা আৰু অধ্যাপক শ্ৰীশশী শৰ্মাই নিজ নিজ সুচিন্তিত অভিমত ব্যক্ত কৰিছিল। সভাপতিৰ ভাষণত শ্ৰীছগনলাল জৈনে সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিবৰি আলোচনা কৰে।

সেই দিনা দুপৰীয়া মুকলি সভাৰ আগে আগে সভাপতি শ্ৰীগিৰিধৰ শৰ্মাদেৱক লৈ এটি আকৰ্ষণীয় সমদলে নগৰ পৰিভ্ৰমণ কৰে। দুপৰীয়া এক বজাৰপৰা অনুষ্ঠিত হোৱা মুকলি অধিবেশনত উদ্বোধনী ভাষণ দিয়ে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহদেৱে। শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদনত মাধ্যম আন্দোলনত জঁপিয়াই পৰা ছাত্ৰশক্তিলৈ বিশেষ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়।

সভাত ভাষাৰ বেদীত জীৱন আহুতি দিয়া ছহিদসকললৈ শ্ৰদ্ধা-তৰ্পণ আগবঢ়োৱা হয়। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই 'বন্তিয়াই

কথা কয়' নামৰ এটা স্বৰচিত কবিতা পাঠ কৰি সমজুৰাসকলক আনন্দ দিয়ে। শিক্ষাবিদ্ শ্ৰীৰমণীকান্ত শৰ্মাই অভ্যৰ্থনা সমিতিৰ আদৰণী ভাষণত ৰঙিয়াৰ ইতিবৃত্ত ব্যক্ত কৰি অসমীয়া ভাষা-সাহিত্যৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ আহ্বান জনায়। অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাদেৱে পাঠ কৰা সভাপতিৰ ভাষণত অসমীয়া ভাষা-সাহিত্যৰ বিবিধ সমস্যা আৰু অসমীয়া ৰাইজৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। তেখেতে সভাৰ ভৱিষ্যৎ কাৰ্য্যপন্থা সম্পৰ্কে এখন বাৰ দফীয়া আঁচনি ভাষণত দাঙি ধৰে।

বাৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত দ্বিতীয় দিনৰ মুকলি অধিবেশনত ভাষণ দি অসমীয়া জাতিৰ সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই। শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰকুমাৰ তালুকদাৰে বিশিষ্ট অতিথিৰ ভাষণ দিয়ে। শ্ৰীকামাখ্যাপ্ৰসাদ গঙ্গোপাধ্যায়, শ্ৰীনাৰায়ণ ঘাটোৱাল, শ্ৰীমেৱা সিং প্ৰভৃতিৰ সমজুৰা-সকলৰ বক্তৃতাৰ অন্তত অসম সাহিত্য সভাৰ বঁটা-প্ৰদান কৰা হয়।

সেই দিনাৰ মুকলি অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱবোৰ আছিল—অনা অসমীয়া বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰণ, থলুৱা অসমীয়া ডেকাৰ চাকৰি, সাহিত্য পেঞ্চন, প্ৰশ্নকাকতত ইংৰাজীৰ লগতে অসমীয়া ভাষা, নিয়মাৱলী সংশোধন আদি সম্পৰ্কীয়। প্ৰস্তাব গ্ৰহণৰ অন্তত প্ৰতিনিধিসকলৰ হৈ ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যাই আৰু অভ্যৰ্থনা সমিতিৰ হৈ শ্ৰীদুৰ্গা দত্ত আগৰৱালাই শলাগৰ শৰাই আগবঢ়ায়।

তিনিও দিন ৰাতি স্থানীয় আৰু বাহিৰৰ শিল্পীদলৰদ্বাৰা পৰিবেশিত বিভিন্ন কাৰ্য্যসূচীৰে সাংস্কৃতিক অনুষ্ঠান হয়। প্ৰথম ৰাতি স্থানীয় শিল্পীসকলৰদ্বাৰা জ্যোতিপ্ৰসাদৰ 'ৰূপালিম' নাট অভিনীত হৈছিল। দ্বিতীয় দিনৰ সাংস্কৃতিক সভাৰোহ উদ্বোধন কৰিছিল জামুগুৰিৰ বাৰচহৰীয়া ভাওনাৰ প্ৰচাৰব্ৰতী, সুশিল্পী গজেন বৰুৱাদেৱে।

১৯৭৪-৪৪ চনৰ বছৰটোৰ অসম সাহিত্য সভাই কেইবাটিও নতুন কাম কৰিবলৈ হাতত লয়। ইতিপূৰ্বে শেষাঙ্কত ৰাজ্যজুৰি হোৱা মাধ্যম আন্দোলনৰ ঢউ ৭৩ৰ প্ৰথমাৰ্দ্ধ পৰ্য্যন্ত চলি আছিল। সভাৰ ৰঙিয়া সন্মিলনে মাধ্যম আৰু ৰাজ্যভাষা সম্পৰ্কে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ৭৩ ছনৰ ৫ এপ্ৰিল আৰু ২৪ এপ্ৰিল তাৰিখে অসমৰ মুখ্যমন্ত্ৰীলৈ দিয়া প্ৰথম আৰু দ্বিতীয় মুকলি চিঠিত সভাৰ দৃঢ়মত প্ৰকাশ কৰি কোৱা হৈছিল "অসমীয়া ভাষাৰ ন্যায্য অধিকাৰ খৰ্ব কৰিবলৈ আৰু অসমৰ শান্তি আৰু সম্প্ৰীতি ব্যাহত কৰিবলৈ চেষ্টা কৰা যি কোনো শক্তিৰ বিৰুদ্ধে অসম সাহিত্য সভা থিয় দিব।"

সভাৰ পক্ষৰপৰা এই বছৰত সম্পন্ন কৰা অন্যতম উল্লেখযোগ্য কাৰ্য্য হ'ল—অসমত প্ৰথমবাৰৰ বাবে তিনিকুৰি জন লেখক-লেখিকাক লৈ আয়োজন কৰা লেখক-শিবিৰৰ প্ৰবৰ্তন।

এই বছৰৰ কাৰ্য্য-নিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা আন তিনিখন আঁচনি আছিল—থলুৱা ভাষাৰ উদ্ধাৰ আৰু উন্নয়ন-আঁচনি, অসম সাহিত্য সভা সেৱাকেন্দ্ৰ আৰু অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ পূৰ্বৰ দুটা স্তৰৰ ঠাইত চাৰিটা স্তৰ কৰা। তাৰে প্ৰথম সিদ্ধান্তৰ সম্পৰ্কত কাৰবি ভাষাৰ আঁচনি এখন লোৱা হৈছিল আৰু পিছৰ বছৰত কাৰবি জনগোষ্ঠী নামৰ গ্ৰন্থ আৰু ১৯৭৬ চনত কাৰবি সাধু নামৰ পুথি প্ৰকাশ হয়। সেৱাকেন্দ্ৰৰ আঁচনি বাস্তৱত ৰূপায়িত নহ'ল।

এই বছৰত সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ ব্যক্তিগত বহুমুখী প্ৰচেষ্টাও উল্লেখযোগ্য। তেখেতে সমগ্ৰ অসমত ব্যাপকভাৱে ভ্ৰমণ কৰি শাখা-সভা আৰু আজীৱন সভ্যৰ সংখ্যা বৃদ্ধিৰ বাবে প্ৰচাৰ অভিযান চলায়। নিজে দাতা সংগ্ৰহ কৰি এবছৰীয়া কাৰ্য্যকালৰ ভিতৰতে ৭টা বিভাগৰ ৩১ খন পুথি ৩৮ জন লেখকৰ হতুৱাই লিখায়। তাৰে খনচেৰেক তেখেতৰ কাৰ্য্যকালতে প্ৰকাশ হয়।

সভাপতি শৰ্মা ডাঙৰীয়াৰ আন এটা দুঃসাহসিক প্ৰচেষ্টা আছিল তিনিমহীয়া অসম সাহিত্য সভা পত্ৰিকাৰ মাহেকীয়াকৰণ। কাৰ্য্য-নিৰ্বাহক সভাৰপৰা অনুমোদন লৈ তেখেতে এই কামত হাত দিছিল যদিও ঘাইকৈ উপযুক্ত আগতীয়া প্ৰস্তুতিৰ অভাব আৰু বিতৰণৰ সুব্যৱস্থা নোহোৱাত আশানুৰূপ ফললাভ কৰিব পৰা নহল। ড° শ্ৰীহেমন্ত কুমাৰ শৰ্মাৰদ্বাৰা সুসম্পাদিন হৈ বছৰদিন শেষ নকৰাকৈয়ে ভীষণ আথিক ক্ষতি হোৱাত সিমানতে মাহেকীয়া পত্ৰিকাই তুলসীতলত নাম লবলগীয়া হ'ল।

যোৰহাট আৰু গুৱাহাটী দুঠাইত কাৰ্য্যালয়ৰ হিচাপ-পত্ৰ ৰখাৰ বাবে কিছু খেলিমে'লৰ সৃষ্টি হয়। এই সকলোবোৰ কথাৰ তলানলা মাৰি বুজ লবলৈ মণ্ডলদৈৰ বিষয়-বাছনী সভাই শ্ৰীখনীন্দ্ৰনাথ বৰুৱা, শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য্য আৰু শ্ৰীবুদ্ধীন্দ্ৰ ৰাজখনিকৰক লৈ এখন তিনিজনীয়া তদন্ত সমিতি গঠন কৰি দিয়ে।

# দ্বিতীয় মঙলদৈ অধিবেশন (৪১)

## ঃ ৮, ৯, ১০ ফেব্ৰুৱাৰী ১৯৭৪ চন ঃ

'দৰং-ৰাজবংশাৱলী'ৰে গৌৰৱান্বিত, বিয়াহ-শুকনাণি ওজা-দেওধনীৰ সংস্কৃতি-তীৰ্থ, বিশুদ্ধ সাৰঙ্গ-ৰাগৰ গায়ক ধাতুৰাম শৰ্মা ওজাৰ জন্মস্থান সমগ্ৰ মঙলদৈ অঞ্চলটো উলাহত মতলীয়া হৈ জাকি মাৰি উঠিছিল অসম সাহিত্য সভাৰ বছেৰেকীয়া উৎসৱৰ বাতৰি পাই। আৰু এবাৰ মঙলদৈত সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল, সৰু মঙলদৈ চহৰখনকে কোলাত তুলি লৈ। এইবাৰ সমগ্ৰ অঞ্চলটোৱে এই মহাসভাখনক বুকত সামৰি লবলৈ সিদ্ধান্ত লৈছিল।

দুজন এম-এল-এ শ্ৰীবাহাদুৰ বসুমাতাৰী আৰু শ্ৰীৰমেশচন্দ্ৰ চহৰীয়াক যথাক্ৰমে সভাপতি আৰু প্ৰধান সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছিল সভাৰ সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰিবলৈ।

বেগা নৈৰ পাৰত মঙলদৈ ছাত্ৰ-সংস্থাৰ খেলমাটিক কেন্দ্ৰ কৰি লৈ মঙলদৈয়া ৰাইজে গঢ়ি তুলিলে সুবিশাল 'সাহিত্য নগৰ'।

মূল সাহিত্য-মণ্ডপৰ ঘাই তোৰণখন চালে চকু বোৱাকৈ সাজি অৰ্পণ কৰা হৈছিল মঙলদৈৰ কবি ধনাই বৰাৰ নামত। তদুপৰি নবনিৰ্মিত সাহিত্য নগৰৰ বাহিৰে-ভিতৰে বৰেণ্যসকলৰ স্মৃতিৰঞ্জিত কেবাখনো তোৰণ আৰু গুৱাহাটী-তেজপুৰৰপৰা মঙলদৈলৈ যোৱা ৰবআলিৰ ঠায়ে ঠায়ে স্থানীয় ৰাইজে নিজা উদ্যমেৰে তোৰণ সাজি সাহিত্য সভাৰ অতিথিসকলক স্বাগত-সম্ভাষণ জনাইছিল।

সাত ফেব্ৰুৱাৰী সন্ধিয়া মঙলদৈ কলেজত প্ৰতিনিধি-শিবিৰ মুকলি কৰে অধ্যক্ষ শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামীদেৱে। তাৰ পিছত

স্থানীয় নাট্যমন্দিৰত বিষয়-বাছনী সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হয় নবনিৰ্বাচিত সভাপতি ড° শ্ৰীমহেশ্বৰ নেওগৰ সভাপতিত্বত।

৮ ফেব্ৰুৱাৰী ৰাতিপুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বিদায়ী সভাপতি অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাদেৱে। একে ঠাইতে অগাপিছাকৈ প্ৰাক্তন মন্ত্ৰী কাছাৰৰ আলতাফ হুছেন মজুমদাৰ চাহেবে 'প্ৰবন্ধ-সংকলন' আৰু 'বিংশশতাব্দীৰ অসমীয়া সাহিত্য' নামৰ দুখন গ্ৰন্থ আৰু কাৰ্বি আংলং জিলাৰ কাৰ্য্যবাহী বিষয়া শ্ৰীজয়সিং দলৈদেৱে 'দৰংস্মৃতি' নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে।

৮ ফেব্ৰুৱাৰী গধূলি সাংস্কৃতিক সমাৰোহৰ শুভ উদ্বোধন কৰি সাহিত্য-সংস্কৃতিসাধক শ্ৰীনাৰায়ণচন্দ্ৰ বেজবৰুৱাদেৱে এখনি তথ্যবহুল ভাষণ পাঠ কৰে।

সেই দিনা পুৱাই এক আকৰ্ষণীয় কৰুণ-মধুৰ ছহিদ-তৰ্পণ অনুষ্ঠান হয় বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱৰ পৌৰোহিত্যত। হাজাৰবিজাৰ ৰাইজৰ মাজত এক শোকাকুল পৰিবেশত মোজাম্মিলৰ মাতৃ শ্ৰীমতী হামিদা বেগমে ছহিদস্তম্ভত স্মৃতিতৰ্পণ কৰোঁতে শোকাকুল জনতাৰ মাজত উচুপনি শুনিবলৈ পোৱা গৈছিল। হাজাৰ হাজাৰ লোকে ছহিদস্তম্ভত পুষ্পাঞ্জলি প্ৰদান কৰি নিজৰ মাতৃভাষাৰ বাবে ৰাইজে কৰা আন্দোলনত সঁহাৰি জনায়।

দুপৰীয়া এটা অতি আকৰ্ষণীয় সভাপতিৰ সমদলৰ অন্তত গাম্ভীৰ্যপূৰ্ণ মাঙ্গলিক পৰিবেশত মুকলি সভা আৰম্ভ হয়। মুখ্য-অতিথি অসমৰ ৰাজ্যপাল শ্ৰীলালনপ্ৰসাদ সিঙে অসম সাহিত্য সভাত সমবেত হোৱা জনসমুদ্ৰ দেখি বিস্ময় প্ৰকাশ কৰে। অসমৰ ৰাইজে নিজৰ মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাভক্তি জনোৱা দেখি বিপুলভাৱে তেখেতে অভিমত প্ৰকাশ কৰি কয় যে "অসম সাহিত্য সভা অকল অসমৰেই নহয়, সৰ্বভাৰতীয় ক্ষেত্ৰতো অদ্বিতীয় বৃহত্তম অ-ৰাজনৈতিক অনুষ্ঠান"। শ্ৰীসিঙে অসমত বাস কৰা অনা-অসমীয়ালোকসকলকো অসমীয়া ভাষা শিকিবলৈ আহ্বান জনায়।

সভাত প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে "মঙলদৈৰ উৰুলি" নামৰ এটি স্বৰচিত কবিতা পাঠ কৰি অসম সাহিত্য সভাৰ নৱপ্ৰকাশিত কেইখনমান পুথি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ড° শ্ৰীমহেশ্বৰ নেওগদেৱে তেখেতৰ সুদীৰ্ঘ অভিভাষণ পাঠ কৰে। ওঠৰটা শিতানত বিভক্ত এই ভাষণখনিত সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশ, সমস্যা সমাধান আদি বিতংভাৱে পৰ্য্যালোচনা কৰা হয়।

৯ তাৰিখে গধূলি নাট্যমন্দিৰত অনুষ্ঠিত দ্বিতীয় বৈঠকত আগৰ বছৰটোত প্ৰকাশিত বিভিন্ন বিভাগৰ অসমীয়া সাহিত্য সম্পৰ্কে আলোচনা কৰা হয়। শ্ৰীনন্দ তালুকদাৰে সেই বছৰটোত প্ৰকাশিত কিতাপ, শ্ৰীমতী অনিমা দত্ত আৰু ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈয়ে চুটিগল্প, ড° শ্ৰীচন্দ্ৰ কটকীয়ে কবিতা আৰু শ্ৰীঅৰুণ শৰ্মাই নাটকৰ বিষয়ে কয়। এই আলোচনা-চক্ৰৰ পাতনি মেলি ড° শ্ৰীউপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া ব্যাকৰণৰ সমস্যা সম্পৰ্কে বিবৰি কৈছিল।

৮ তাৰিখে গধূলি শ্ৰীনাৰায়ন চন্দ্ৰ বেজবৰুৱাদেৱে সঙ্গীত-সমাৰোহ উদ্বোধন কৰে। পিছদিনা তেখেতেই সঙ্গীত-অধিবেশনৰ সভাপতিৰ আসনতো বহে। বেজবৰুৱাই পাঠ কৰা চিন্তাশীল ভাষণ তুখনো বিশেষ উল্লেখযোগ্য। একে সময়তে আলোচনা চক্ৰও অনুষ্ঠিত হৈছিল সুসমালোচক শ্ৰীমুনীন বৰকটকী ডাঙৰীয়াৰ পৰিচালনাত।

প্ৰথম দিনৰ মুকলি অধিবেশন উৰিষ্যাৰ যশস্বী সাহিত্যিক শ্ৰীপানিগ্ৰাহীয়ে উদ্বোধন কৰে।

১০ তাৰিখে পুৱা কবিতা-অধিৱেশন অনুষ্ঠিত হয় কবি শ্ৰীভৱানন্দ ৰাজখোৱাদেৱৰ পৌৰোহিত্যত। স্বৰচিত কবিতা পাঠ কৰিছিল ড° শ্ৰীমহেন্দ্ৰ বৰা, অধ্যাপক শ্ৰীনৱকান্ত বৰুৱা, ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ, প্ৰভৃতিয়ে। সভাপতি ৰাজখোৱাই কবিতা কবিতা লগা এখন ভাষণ পাঠ কৰি সমজুৱাসকলক আনন্দ দিছিল। এই সভাত কবিতা আৰু তাৰ শেষ ফল' সম্পৰ্কে সজীব আলোচনা কৰা হয়।

এই দিনা তুপৰীয়া অনুষ্ঠিত হোৱা শেষ মুকলি অধিবেশনত

মুখ্যমন্ত্রী শ্রীশৰৎচন্দ্ৰ সিংহই বিশিষ্ট অতিথিৰ ভাষণ দিয়ে। এই সভাতে কবি সাংবাদিক লক্ষ্মীনাথ ফুকন, লোক-সাহিত্যসেৱক শ্রীশ্রীৰামচন্দ্ৰ দাস, প্ৰবীণ বয়োবৃদ্ধ সাহিত্যিক মঙলদৈ অধিবেশনৰ প্ৰাক্তন আদৰণী সভাপতি শ্রীতপেশ্বৰ শৰ্মা আৰু মঙলদৈৰ বুৰঞ্জীলেখক দীনেশ্বৰ শৰ্মাক যথাবিধি সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্দ্ধনা-পৰ্বৰ অন্তত সাহিত্য সভাৰ বিভিন্ন বিভিন্ন বঁটা প্ৰদান কৰা হয়।

অসম কংগ্ৰেছৰ সভাপতি শ্রীললিতকুমাৰ দলে প্ৰমুখ্যে কেবাগৰাকীয়েও সভাৰ ভূমিকা সম্পৰ্কে ভাষণ দিয়ে।

সভাত গৃহীত হোৱা তিনিটা প্ৰস্তাবৰ এটাত বিভেদকামীসকলৰ অপচেষ্টাৰ প্ৰতিৰোধ, এটাত প্ৰাচীন সম্পদ সংৰক্ষণ আৰু আনটোত সংস্কৃত, আৰবী, ফাৰ্চি আদি বিষয়বোৰ উচ্চমাধ্যমিক বিদ্যালয়ত বাধ্যতামূলক কৰিবলৈ কোৱা হৈছিল।

সাহিত্য সভাৰ পক্ষৰ পৰা সম্পাদক শ্রীনগেন শইকীয়াই আৰু অভ্যৰ্থনা সমিতিৰ পক্ষৰ পৰা শ্রীৰমেশচন্দ্ৰ চহৰীয়াই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত সন্মিলনৰ মধুৰেণ সমাপয়েৎ হয়।

## পাৰ্শ্বজ্যোতি

মঙলদৈৰ মঙলময় অধিবেশনৰ আটাইতকৈ দৰ্শনীয় আৰু উপভোগ্য দৃশ্য আছিল সভামণ্ডপলৈ সভাপতিৰ সমদলযাত্ৰা। 'মহেশ্বৰৰ কৈলাশপুৰী' নাইবা সভাপতিৰ বাহৰ আছিল মঙলদৈ কলেজৰ ওচৰত উপহুপাৰাত। তাৰপৰা বেগাৰ পাৰত নিৰ্মাণ কৰা মূল সভামণ্ডপলৈ প্ৰায় দুমাইল বাট। সভাপতিৰ সমদল-যাত্ৰাত এই ছোৱা বাটত তলৰ মাটি ওপৰ হৈছিল। আলিৰ দুয়োকাষে অগণন ৰাইজে সভাপতিক আদৰণি আৰু শলাগনি জনাবলৈ বোন্দ পৰা দি বাট চাই আছিল। সভাপতি নহয় জানিবা ৰথযাত্ৰাৰ ৰথত জগন্নাথ মহাপ্ৰভুহে এই সমদলত আছিল—দুটা পোৱালী সহ ৪১ টা হাতী, দুখন ট্ৰাক ( তাৰে এখন ট্ৰাকত সভাপতি, পাণিগ্ৰাহী, অভ্যৰ্থনা সমিতিৰ

সভাপতিকে আৰম্ভ কৰি কেইগৰাকীমান বিশিষ্ট লোক ) আছিল, দহজনীয়া এটি বাদক দল, আঠজন বৰঢুলীয়া দল, চৈধ্যগৰাকী সৰু ঢুলীয়া, সাতগৰাকী খঞ্জৰীৰ দল, দুযোৰা খুলীয়া, পোন্ধৰজন কালীয়া জয়ঢোল, খেৰাই নৃত্য আৰু ওজাপালিৰ দল, সংকীৰ্তনৰ এটি দল, ওঠৰটা অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ দল, একচল্লিছগৰাকী অসমীয়া সাজপাৰেৰে মূৰত জাপি, কাষত আমপাতেৰে মাঙ্গলিক কলহ লৈ গাভৰু, একচল্লিছ গৰাকী একে সাজেৰে শৰাই লৈ মহিলা, মইনা-পাৰিজাতৰ দলে সভাপতিক সমদলযাত্ৰা কৰি আদৰি আনে।

এই অভূতপূৰ্ব সমদল দেখি অসমৰ ৰাজ্যপাল শ্ৰীলালনপ্ৰসাদ সিঙে মন্তব্য কৰিছিল বোলে এনে সন্মান প্ৰকৃততে বিৰল।

উৎকলৰপৰা অহা প্ৰখ্যাৎ উৰিয়া সাহিত্যিক শ্ৰীপানিগ্ৰাহীয়ে কৈছিল বোলে জাতিৰ ভাষা-সাহিত্যৰ সভাপতিগৰাকীক এনে ধৰণৰ সন্মান জনোৱা দৃশ্য তেওঁ আগৰ কোনো সাহিত্য সন্মিলনত দেখা নাছিল।

মণ্ডলদৈৰ মঙ্গল-যজ্ঞ দেখি কবিৰ বীণত আপোনাআপুনি বাজি উঠিছিল—দীপলিপ কন্যাখানি

"ওলাই আহাঁ 'বেগৱতী' কইনা সজাই লৈ,
ভিক্ষাপাত্ৰ হাতত লৈ 'মহেশ্বৰ' আছে বৈ।
মৰমী অসমী আই মনোৰমা বেশে সাজে,
নন্দী নাচে, ভৃঙ্গী নাচে, ডুম ডুম ডম্বৰু বাজে।
'গিৰিধৰে' দিব দান দীপলিপ কন্যাখানি,
'চিৰচেনেহীৰ জয়' বোলা সবে ঐক্যবাণী।

× × ×

এই বছৰত যোৰহাটত সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা আৰু তেজপুৰত ভাওনিকোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালাৰ জন্মশতবাৰ্ষিকী উৎসৱ কেন্দ্ৰীয় ভাবে পালন কৰা হয়।

আৰ্থিকভাবে ভীষণ ক্ষতিগ্ৰস্ত হোৱাৰ বাবে মাহেকীয়া অসম সাহিত্য-সভা-পত্ৰিকা বছৰটোৰ শেষ নৌ হওতেই ৯ম সংখ্যা ওলোৱাৰ পিছত পুনৰ তিনিমহীয়া কৰা হয়।

সভাৰ কাৰ্য্য আৰু হিচাপ পত্ৰত আউল লগাত শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা তদন্ত সমিতিয়ে দাখিল কৰা প্ৰতিবেদন বিবেচনাৰ বাবে পিছৰ বছৰলৈ থোৱা হৈছিল ; তিতাবৰ অধিবেশনৰ আগে আগে এই সম্পৰ্কে তলত লিখাৰ দৰে সিদ্ধান্ত লোৱা হয় :

প্ৰধান সম্পাদকে স্পষ্টীকৰণ দিয়াৰ পিছতে ১৯৭৩-৭৪ চনৰ হিচাপ-পৰীক্ষকে প্ৰস্তুত কৰা মন্তব্যসহ আয়-ব্যয় আৰু উদ্বৃত্তপত্ৰ উত্থাপন কৰে।

(ক) খনীন্দ্ৰনাথ তদন্ত সমিতিৰ প্ৰতিবেদন, হিচাপ-পৰীক্ষকৰ মন্তব্যসহ আয়-ব্যয়ৰ আৰু উদ্বৃত্তপত্ৰ আৰু প্ৰধান সম্পাদকৰ স্পষ্টী কৰণ শুনাৰ অন্তত, বিষয়-বাছনী সভাই মত প্ৰকাশ কৰে যে —

(১) অসম সাহিত্য সভাৰ হিচাপ-পৰীক্ষকে প্ৰস্তুত কৰা ১৯৭৩-৭৪ বিত্তীয় বছৰৰ বছৰেকীয়া উদ্বৃত্তপত্ৰ, ১৯৭৩-৭৪ বিত্তীয় বছৰৰ সাধাৰণ পুঁজিৰ আয়-ব্যয়ৰ হিচাপ, ১৯৭৩-৭৪ বিত্তীয় বছৰৰ বিশেষ পুঁজিসমূহৰ আয়-ব্যয়ৰ হিচাপ বিবেচনা কৰা হ'ল। (২) হিচাপ-পৰীক্ষকৰ সংশ্লিষ্ট প্ৰতিবেদন বিবেচনা কৰা হ'ল। (৩) একচত্বাবিংশ সন্মিলনৰ বিষয়-বাছনী সভাবদ্বাৰা নিযুক্ত সভাৰ হিচাপৰ তদন্ত-সমিতিৰ [ ১৯৭৩-৭৪ ] কাৰ্য্য-বিৰবণি আৰু প্ৰতিবেদন অৱগত হোৱা হ'ল। (৪) উক্ত তদন্ত সমিতিয়ে প্ৰতিবেদনত প্ৰধান সম্পাদকৰ সম্পৰ্কে তোলা তদন্ত সমিতিৰ অভিযোগৰ উত্তৰত প্ৰধান সম্পাদকে দিয়া বিস্তৃত আৰু তথ্যপূৰ্ণ উত্তৰত সন্তুষ্টি প্ৰকাশ কৰা হ'ল।

(খ) এই মতৰ ভিত্তিত বিষয়-বাছনী সভাই সিদ্ধান্ত কৰে যে—

(১) অসমত সাহিত্য সভাৰ ১৯৭৩-৭৪ চনৰ পৰীক্ষিত হিচাপ গ্ৰহণ কৰা হওক। (২) হিচাপ-পৰীক্ষক, তদন্ত-সমিতি আৰু প্ৰধান সম্পাদকে দাঙি ধৰা বিৱৰণি আৱশ্যকবোধে কাৰ্য্যনিৰ্বাহক সমিতিয়ে পৰীক্ষা কৰি যথোচিত কাৰ্য্যপন্থা ল'বলৈ কাৰ্য্যনিৰ্বাহক সমিতিক পৰামৰ্শ দিয়া হওক।

# তিতাবৰৰ অধিবেশন (৪২)

ঃ ২১, ২২, ২৩ ফেব্ৰুৱাৰী—১৯৭৫ চন ঃ

## তিতাবৰে মিঠা কথা কয়

অসমীয়া ভাষাৰ ভালেমান স্থানবাচক শব্দৰ গাত মাছ আৰু গছৰ নাম লিপিট খাই থকা দেখা যায়। বৃক্ষৰাজ 'বড়গছ'ৰ নামেৰে সিদ্ধ হৈছে—বটদ্ৰবা বা বৰদোৱা, কলিয়াবৰ, হাটবৰ, পুলিবৰ, নামবৰ, বিহুবৰ আৰু তিতাবৰ। কোনোবা এদিন তিতাৰাম বাজখোৱা নামৰ এগৰাকী প্ৰতিপত্তিশালী লোকে হেনো এটা বৰগছৰ (বটগছৰ) পুলি ৰুইছিল—বাটৰুৱা, হাটৰুৱাক আশ্ৰয়-ছায়া দিবৰ বাবে। কালক্ৰমত সেই পুলিটোৱে এজোপা প্ৰকাণ্ড বৰগছ হ'ল। ধোদৰ আলিৰ কাষত থকা এইগজোপাৰ তলৰ মুকলি ঠাইত গঞা-বাইজে জিৰণি লৈছিল, ৰাজহুৱা মেল পাতিছি আৰু ৰাজহুৱা উৎসৱ পাতি সময়ে সময়ে একেলগ হৈছিল। 'তিতাৰামৰ বৰতল' বুলিয়ে ঠাইখন চাৰিওফালে জনাজাত হৈ পৰিছিল আৰু কালক্ৰমত 'তিতা-ৰামৰ বৰতলেই চমুকৈ তিতাবৰ নাম লৈ প্ৰসিদ্ধি লভিছিল। গছৰ জনক তিতাৰামৰ হাড়ত বন গজিল ; কিন্তু তিতাবৰ নামটো গজগজীয়া হৈ থাকি গ'ল। অৱশ্যে কোনো কোনোৰ মতে তিতাবৰৰ পূৰ্বৰ নাম হামদৈ।

১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহত এই তিতাবৰক মিঠানগৰত পৰিণত কৰিছিল অসম সাহিত্য সভাই বছৰেকীয়া জাতীয়সভা পাতি। "বন্দো কি ছন্দেৰে, নৰনাৰায়ণ বিৰাট ৰূপ" গীতৰ হেন্দোলনিত মুখৰিত হৈছিল—তিতাবৰৰ আকাশ বতাহ।

তিতাবৰ মিহিনাথ শইকীয়া কলেজপথাৰে দিনদিয়েকৰ কাৰণে হলেও স্বকীয় বৈশিষ্ট্য হেৰুৱাই ৰূপান্তৰিত হ'ল অসম সাহিত্য সভাৰ

বছেৰেকীয়া অধিবেশন উপলক্ষে সাহিত্য-ক্ষেত্ৰলৈ। অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনৰ সভাপতি আৰু অভ্যাগতসকলক স্বাগত সম্ভাষণ জনাবলৈ তিতাবৰবাসী ৰাইজৰদ্বাৰা চকুত লগাকৈ নিৰ্মাণ কৰা 'তীৰ্থনাথ গোস্বামী', 'বাহাদুৰ গাঁওবুঢ়া' 'ৰোহিণীকান্ত হাতীবৰুৱা', 'পদ্মনাথ গোহাঞিবৰুৱা তোৰণ' নামেৰে কেইবাখনো তোৰণ নিৰ্মাণ কৰা হৈছিল।

সাহিত্য-সংস্কৃতিৰ পূজাৰী আৰু সেৱকসকলৰ দলদোপ-হেন্দোল-দোপৰ মাজত ২০ ফেব্ৰুৱাৰীৰ দিনা গধূলি ৬বজাত মিহিৰাম শইকীয়া উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিষয়বাছনী সভাৰে সম্মিলনৰ পাতনি মেলা হয়।। সৰু চহৰ তিতাবৰ জনসমুদ্ৰত পৰিণত হ'ল। আনন্দমধুৰ এক পৰিবেশৰ মাজত নবনিৰ্বাচিত সভাপতি ড° শ্ৰীসত্যেন্দ্ৰ-নাথ শৰ্মাদেৱক অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীচক্ৰেশ্বৰ শইকীয়া আৰু সম্পাদক শ্ৰীখগেশ্বৰ গগৈয়ে সভাস্থলীলৈ আগবঢ়াই আনে। প্ৰধান সম্পাদকে দাঙি ধৰা নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুসৰি বিষয়-বাছনী সভা সম্পন্ন হয়।

২১ ফেব্ৰুৱাৰী ৰাতিপুৱা অসম সাহিত্য সভাৰ বিদায়ী সভাপতি ড° শ্ৰীমহেশ্বৰ নেওগদেৱে "পতাকা অভিবাদন" শীৰ্ষক এটি চমু লিখিত ভাষণেৰে পতাকা উত্তোলন কৰে।

পতাকা উত্তোলনৰ পিছত 'তিতাবৰৰ ল'ৰা', শিক্ষাবিদ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে অভ্যৰ্থনা সমিতিৰদ্বাৰা সংকলিত "তিতাবৰ স্মৃতি" নামৰ স্মৃতিগ্ৰন্থখনি উন্মোচন কৰে। অভ্যৰ্থনা সমিতিৰ পক্ষৰ হৈ শ্ৰীআব্দুছ ছাত্তাৰ সম্পাদিত প্ৰবন্ধৰ সংকলন 'সপ্তম দশকৰ অসমীয়া ভাষা ইতিবৃত্ত' নামৰ পুথিখন উন্মোচন কৰে শ্ৰীভবেন নাৰ্জীদেৱে।

সেই দিনাই দিনৰ ৯ বজাত অসমৰ শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰে তিনিকুৰি দহটা ষ্টলেৰে আটকধুনীয়াকৈ সজোৱা শিক্ষা আৰু সংস্কৃতিমূলক প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে।

সেই দিনা বিয়লি সাহিত্য-ক্ষেত্ৰৰ মুকলি মঞ্চত শ্ৰীহৰিপ্ৰসাদ

গোৰ্খবায়ৰ পৌৰোহিত্যত অনুষ্ঠিত এক আকৰ্ষণীয় অনুষ্ঠানত শ্ৰীনৰকান্ত বৰুৱা, শ্ৰীসীতানথ ব্ৰহ্মচৌধুৰী, শ্ৰীদণ্ডিধৰ ফাটোৱালী শ্ৰীদীননাথ শৰ্মা, শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা, শ্ৰীসুৰেন্দ্ৰনাথ শইকীয়া, শ্ৰীতৰুণচন্দ্ৰ পামেগাম, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীৰাজেন ৰাভা, শ্ৰীলংকাম তেৰণ শ্ৰীৰিপুনাথ বুঢ়াগোহাঁই আৰু শ্ৰীমণি ৰাভা আৰু শ্ৰীহৰিপ্ৰসাদ গোৰ্খাবায়ক সম্বৰ্দ্ধনা জনোৱা হয়।

নিশা ৭-৩০ বজাত নাট্যশিল্পী শ্ৰীসত্যপ্ৰসাদ বৰুৱাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সঙ্গীত-অধিবেশন মুকলি কৰে সাংস্কৃতি আৰু গৃহমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াদেৱে। শ্ৰীশইকীয়াৰ "সংস্কৃতিৰ পথাৰত নতুন খোজ" শীৰ্ষক অভিভাষণখনিত অসমীয়া সংস্কৃতিৰ উন্নয়নৰ হকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ আভাস পোৱা যায়।

এই সভাত নবীনচন্দ্ৰ গোস্বামী, শ্ৰীধনেশ্বৰ দত্ত, শ্ৰীবজ্ৰো শইকীয়া ৰায়ণ, শ্ৰীনৱাম ওজা আৰু শ্ৰীযুগল দাস সম্বৰ্দ্ধিত হয়।

তিনিদিন ধৰি সাহিত্যক্ষেত্ৰত অনুষ্ঠিত হোৱা মোহনীয় আৰু অতিথি-শিল্পীসকলৰ সাংস্কৃতিক অনুষ্ঠানে তিতাবৰ অঞ্চল আনন্দমুখৰ কৰি তুলিলে।

২২ ফেব্ৰুৱাৰী ৰাতিপুৱা ৮ বজাত ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয় "অসমীয়া সংবাদ সাহিত্য" শীৰ্ষক আলোচনা-চক্ৰ। তিতাবৰ অধিবেশনত দ্বিতীয়বাৰ অনুষ্ঠিত এই সভাত সভাপতিৰ ভাষণত শ্ৰীভট্টাচাৰ্য্যদেৱে ভাৰতীয় তথা আন্তৰ্জাতিক সংবাদ-সাহিত্যৰ পটভূমিত অসমীয়া সংবাদ-সাহিত্যৰ চমু ইতিবৃত্ত আৰু শ্ৰীহেড়ম্ব বৰদলৈয়ে ডিব্ৰুগড় জিলাৰ অসমৰ সংবাদ-সাহিত্যলৈ বৰঙনি শীৰ্ষক এটি চমু প্ৰবন্ধ পাঠ কৰে।

সেই দিনা দুপৰীয়া সভাপতি ড° শ্ৰীশৰ্মাদেৱক ডাকবঙলাৰপৰা বিৰাট সমদল কৰি মুকলি সভামণ্ডপলৈ আগবঢ়াই অনা হয়। মুকলি অধিবেশনত উদ্বোধনী আৰু মুখ্য অতিথিৰ ভাষণ দিয়ে পাঞ্জাবৰ মুখ্যমন্ত্ৰী ড° শ্ৰীকৃপালসিঙে নাৰাঙে। তেখেতে অসম আৰু

পাঞ্জাবৰ মাজৰ সাংস্কৃতিক বিনিময়ৰ যথেষ্ট থল থকা বুলি কয় শ্ৰীশঙ্কৰদেৱ আৰু গুৰু নানকৰ বিষয়ে অধ্যয়ন আৰু গবেষণাৰ উদ্দেশ্যে পাঞ্জাব বিশ্ববিদ্যালয়ে 'ফেলছিপ্' ( সদস্য মহীয়ান ) প্ৰবৰ্তন কৰা হৈছে বুলি তেখেতে ভাষণত কয়।

সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে গঠনমূলক দৃষ্টিভঙ্গীৰে লিখা সাৰগৰ্ভ অভিভাষণ পাঠ কৰে।

শ্ৰীনগেন শইকীয়াই পাঠ কৰা সম্পাদকীয় প্ৰতিবেদনত আগৰ বছৰটোৰ কাম-কাজৰ বিশদ বিবৰণ আছিল।

সন্ধিয়া অনুষ্ঠিত হৈছিল কবি-সন্মিলন সৰবৰহী গীতিকাৰ শ্ৰীকেশব মহন্তৰ পৌৰোহিত্যত। অধ্যক্ষ শ্ৰীবীৰেন বৰকটকীয়ে কবিতা সম্পৰ্কে আলোচনামূলক প্ৰবন্ধ এটা পাঠ কৰে।

২৩ ফেব্ৰুৱাৰী ৰাতিপুৱা অনুষ্ঠিত আলোচনা-চক্ৰ পৰিচালনা কৰে ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে। চক্ৰ আলোচনাৰ বিষয় আছিল 'অসমীয়া ভাষা-সংস্কৃতিত জনজাতীয় অৱিহনা'। চক্ৰ উদ্বোধন কৰি শ্ৰীমেদিনী মোহন চৌধুৰীয়ে কয় বোলে জনসংযোগে সাংস্কৃতিক চিন্তা-চৰ্চাৰ প্ৰাক চৰ্ত।

দুপৰীয়া অনুষ্ঠিত দ্বিতীয় দিনৰ মুকলি অধিবেশনত মুখ্য অতিথিৰ ভাষণ দিয়ে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই। আন আন বিশিষ্ট বক্তা আছিল শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীনিৰঞ্জন মহন্ত প্ৰভৃতি।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ কবিতা এটা পঢ়ি শুনায় শ্ৰীঅৰুণ গোস্বামীয়ে।

শ্ৰীনগেন শইকীয়াই সাহিত্য সভাৰ হৈ, শ্ৰীভোলা দত্তই প্ৰতিনিধিসকলৰ হৈ আৰু শ্ৰীচক্ৰেশ্বৰ শইকীয়াই আদৰণী সভাৰ হৈ শলাগৰ শৰাই আগবঢ়ায়।

× × ×

এই বছৰটোত ৰাধানাথ ফুকন, নবীনচন্দ্ৰ বৰদলৈ আৰু হিতেশ্বৰ

বৰবৰুৱা শতবাৰ্ষিকী পালন কৰাৰ উপৰিও যোৰহাটত আনন্দৰাম বৰুৱা স্মাৰক-বক্তৃতাৰ দিহা কৰা হয়। যোৰহাটৰ তৃতীয় লেখক শিবিৰ অনুষ্ঠিত হয়। এই সকলোবোৰৰ বিতং বিবৰণ চতুৰ্থ খণ্ডত পোৱা যাব।

আয়-ব্যয় সম্পৰ্কত সম্পাদকৰ প্ৰতিবেদনৰ পৰা জনা যায় যে ৭৪ চনৰ বিত্তীয় বছৰৰ সভাৰ হিচাপ-পৰীক্ষকে প্ৰস্তুত কৰা বছৰেক উদ্বৃত্তপত্ৰ, আৰু সাধাৰণ পুঁজিৰ আয়-ব্যয় বিষয়-বাছনী সভাত গৃহীত হ'ল যদিও, তেতিয়াৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ হাতেৰে হোৱা বিশেষ প্ৰকাশ পত্ৰিকা, আজীৱন সভ্যৰ বৰঙনি আৰু সভাপতিৰ ভ্ৰমণ বানচ আৰু হোৱা আয়-ব্যয়ৰ সম্পৰ্কে চূড়ান্ত নিষ্পত্তি কৰিবৰ বাবে কাৰ্য্য-নিৰ্বাহক সমিতিক বিষয়-বাছনী সভাই পৰামৰ্শ দিয়ে। সেই পৰামৰ্শৰ মতে '৭৫—'৭৬ চনৰ কাৰ্য্য-নিৰ্বাহক সমিতিয়ে সমগ্ৰ বিষয়টো পুংখানুপুংখ ভাবে চাই গ্ৰহণ কৰিব পৰা কাৰ্য্যপন্থা সম্পৰ্কে পৰামৰ্শ দিবলৈ অসম সাহিত্য সভাৰ হিচাপ-পৰীক্ষক, কাৰ্য্য-নিৰ্বাহকৰ সদস্য শ্ৰীদেৱেশ্বৰ গোস্বামী, প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু কোষাধ্যক্ষ দেৱপ্ৰসাদ বৰুৱাক লৈ এখন উপসমিতি গঠন কৰি দিয়ে। এই সমিতিয়ে সংশ্লিষ্ট সকলো কাকত-পত্ৰ মুঠ দহদিন বহি পৰীক্ষা কৰি সকলো খুঁতি-নাতি আঙুলিয়াই অনিয়মিতভাৱে কৰা ব্যয় নিয়মিতভাৱে সভাৰ হিচাপ বহীলৈ আনি হিচাপ নিষ্পত্তি কৰিবৰ বাবে পৰামৰ্শ দিয়ে। কাৰ্য্য-নিৰ্বাহক সমিতিয়ে সেই পৰামৰ্শ গ্ৰহণ কৰাৰ পিছত উক্ত হিচাপ সভাৰ হিচাপৰ বহীত অন্তৰ্ভুক্ত কৰা হয় আৰু '৭৫—'৭৬ চনৰ আয়-ব্যয়ৰ হিচাপৰ সিমানতে সামৰণি মৰা হ'ল।

# টিহু অধিবেশন (৪৩)

ঃ ২, ৩ঃ ফেব্ৰুৱাৰী ১৯৭৬ চন ঃ

### টিহুৱে পাতিলে বিহু ভাষা-সাহিত্যৰ

কামৰূপ জিলাৰ উত্তৰপাৰৰ এটা ষ্টেছন হিচাপে টিহুক মানুহে জানিছিল। ওচৰেপাজৰে ভালেমান প্ৰাচীন কীৰ্তিমণ্ডিত স্থান থাকিলেও ক্ষুদ্ৰ টিহু চহৰৰ বুৰঞ্জীপ্ৰসিদ্ধি বা আন লেখৰ সমৃদ্ধি নাই বুলিয়েই কব পাৰি। টিহু-নামটোৰ উৎপত্তিৰ বিষয়েও খাটাংকৈ কোৱাটো টান। এই অখ্যাত টিহুক প্ৰখ্যাত কৰিলে অসম সাহিত্য সভাই—বিশেষকৈ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ সাহিত্য সভাত পদাৰ্পণে।

টিহুত অসম সাহিত্য সভাৰ ত্ৰয়শ্চত্বাবিংশ অধিবেশনখন পৰিপাতিকৈ পাতিবৰ বাবে ৰাজ্যচৰকাৰৰ ৰাজহমন্ত্ৰী ডাঃ শ্ৰীভূমিধৰ বৰ্মনক সভাপতি, শ্ৰীধনেশ্বৰ গোস্বামীক কাৰ্য্যকৰী সভাপতি, অধ্যক্ষ শ্ৰীশৈলেন্দ্ৰপ্ৰসাদ মেধিক প্ৰধান সম্পাদক আৰু শ্ৰীসাধিৰাম কলিতা আৰু লোহিত তালুকদাৰক সহযোগী সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। টিহু নৈৰ দক্ষিণপাৰৰ বিৰাট অঞ্চলত প্ৰতিষ্ঠিত হৈছিল সাহিত্য-নগৰ 'লখিমী পথাৰ'। মূল সভা-মণ্ডপৰ গাতে লগা প্ৰদৰ্শনীক্ষেত্ৰ আৰু অলপ দূৰৈত অস্থায়ী বিমানকোঠ নিৰ্মিত হোৱাত গোটেই 'লখিমীপথাৰ' যেন কাৰোবাৰ যাদুৰ সোণৰ কাঠীৰ পৰশত প্ৰাণ পাই উঠিল। টিহুৱে নতুন ৰূপ পালে। থলুৱা ৰাইজে বিচিত্ৰ কেইবাখনো তোৰণ সাজি সাহিত্য-প্ৰেমী ৰাইজক স্বাগতম্ জনাইছিল। অভ্যৰ্থনা সমিতিয়ে নিৰ্মাণ কৰা মূল তোৰণখনৰ নামকৰণ কৰা হৈছিল 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ তোৰণ'। আন এখন তোৰণৰ নাম আছিল কথাশিল্পী 'হলিৰাম ডেকা তোৰণ'। প্ৰদৰ্শনী-মণ্ডপৰ দুই মূৰত তোৰণ দুখন

আছিল 'অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী তোৰণ' আৰু 'বিপ্লবী শিল্পী ব্ৰজনাথ শৰ্মা তোৰণ'। নাথকুছিৰ মূৰত আছিল ত্যাগী পুৰুষ 'সদানন্দ ব্ৰহ্মচাৰী তোৰণ'। উঁচুপৰি কলেজ পথত থকা তামোলপুৰ ৰাইজৰ অসম সাহিত্য সভাৰ প্ৰতীকৰ আহিত সজা আৰু বৰপেটা ৰাইজে মাটিৰ বাচনেৰে সজা শ্ৰীশ্ৰীশঙ্কৰদেৱ তোৰণখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

২ ফেব্ৰুৱাৰী। আগদিনা আকস্মিকভাৱে হোৱা বৰষুণে টিহু নগৰ আৰু সমবেত সাহিত্যপ্ৰেমীৰ মন সেমেকাই পেলালেও পুৱাৰ লগে লগে বতৰ ফৰকাল হয় আৰু মনো মুকলি হয়। পুৱা ৮ বজাত মূলমণ্ডপৰ সমুখত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বিদায়ী সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে।

পতাকা উত্তোলনৰ পিছতে মূলমণ্ডপত গ্ৰন্থ-উন্মোচন অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ বছৰটোৰ প্ৰকাশিত এঘাৰখন পুথি উন্মোচন কৰে ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে। অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখন উন্মোচন কৰে প্ৰবীণ গল্পকাৰ শ্ৰীৰমা দাসে। এই উছৰতে চামদাং সাহিত্যসভাই প্ৰকাশ কৰা "চাহ-বাগিচাৰ লোকগীত", টিহু কলেজৰ অধ্যাপকসকলৰদ্বাৰা প্ৰকাশিত "প্ৰবন্ধ বিচিত্ৰা", ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰপৰা প্ৰকাশিত এখন কবিতা" আৰু আন এখন গল্পপুথি উন্মোচন কৰে অধ্যাপক শ্ৰীনৰকান্ত বৰুৱাই।

গ্ৰন্থ উন্মোচনৰ পিছতেই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই সুবৃহৎ প্ৰদৰ্শনী টোলৰ দুৱাৰ মুকলি কৰে।

সেই দিনা সন্ধিয়া জনাকীৰ্ণ মণ্ডপত অসমৰ প্ৰবীণ নাট্যকাৰ শ্ৰীসাৰদাকান্ত বৰদলৈদেৱে সঙ্গীত-অধিবেশন আৰু সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে। তেখেতৰ ভাষণে সূক্ষ্ম অনুভূতিৰ স্পন্দন নমায়।

২ ফেব্ৰুৱাৰী সুন্দৰ সন্ধ্যা। মাঘ মাহৰ চঞ্চল অথচ মৃদুৰতাহে

লখিমী-পথাৰত দোলা দি যোৱা পৰিবেশত গীতিকাৰ, কবি ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈৰ সভানেত্ৰিত্বত কবিতা অধিবেশন বহে। কবি ঔপন্যাসিক শ্ৰীনৱকান্ত বৰুৱাই কবিতা সভাৰ শুভ উদ্বোধন কৰি কয় 'জাতিৰ প্ৰতিভা আৰু আত্মা কবিতাত সোমাই আছে।' এই অধিবেশনত কুৰি গৰাকীমান কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। সভানেত্ৰীয়ে তেখেতৰ ভাষণত কবিতা কি, কবিতা আৰু জীৱন, কবিতাৰ বিশেষ ভূমিকা আৰু আধুনিকতাৰ বিষয়ে বহল ব্যাখ্যা আগবঢ়ায়।

৩ ফেব্ৰুৱাৰীৰ গধূলি আৰম্ভ হয় "সাহিত্য-আলোচনা-চক্ৰ"। আলোচনা-চক্ৰৰ বিষয় আছিল অসমীয়া সাহিত্যত ( কবিতা, গল্প, উপন্যাস ) (১) সমাজচেতনা, (২) মনঃসমীক্ষণ। আলোচনা-চক্ৰৰ বিষয় দুটিৰ বিস্তৃত আলোচনা কৰে শ্ৰীযোগেশ দাস, শ্ৰীবীৰেন্দ্ৰকুমাৰ দাস আৰু শ্ৰীৰামদাস বড়োৱে। শ্ৰীমহিম বৰা আৰু ড° নীলিমা শৰ্মাৰ দুটা প্ৰবন্ধ পাঠ কৰা হয়। প্ৰথিতযশা কথাশিল্পী চৈয়দ আব্দুল মালিকে সভাপতিৰ ভাষণত বৰ্তমান সাহিত্যৰ গতিপথৰ এটি স্পষ্ট ইঙ্গিত দাঙি ধৰে।

এই টিহু অধিবেশনৰ আন এটি আকৰ্ষণীয় দৃশ্য আছিল মূল অধিবেশনৰ সভাপতিক লৈ কৰা সমদলযাত্ৰা নাথকুছিৰ চুকৰপৰা। সভাপতিক এখন সুসজ্জিত 'ময়ুৰপংখী' যানত বহুৱাই এই সমদলত দলে-বলে অনা হৈছিল।

## জয় হে ভাৰত ভাগ্যবিধাতা

২ ফেব্ৰুৱাৰী পুৱাৰেপৰা জনসমাগমে টিহু সাহিত্যক্ষেত্ৰক তীৰ্থ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছিল। প্ৰথম মুকলি অধিবেশন দুটা পৰ্য্যায়ত অনুষ্ঠিত হৈছিল—উদ্বোধনী অনুষ্ঠান আৰু প্ৰথম মুকলি অধিবেশন। উদ্বোধনী অনুষ্ঠান মূল অধিবেশন বহাৰ আগতে সম্পন্ন হৈছিল। ঠিক ১২.৩০ বজাৰ লগে লগে মূলমণ্ডপৰ অলপ আঁতৰত

সজা অস্থায়ী বিমানকোঠত ৰাষ্ট্ৰপতিৰ হেলিকপ্টাৰখন নমাৰ লগে লগে বিদায়ী সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাই সাহিত্য সভাৰ হৈ ৰাষ্ট্ৰপতিগৰাকীক স্বাগত সম্ভাষণ জনায় আৰু মূলমণ্ডপলৈ আগবঢ়াই আনে। ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদ চাহেবৰ লগত তেখেতৰ পত্নী শ্ৰীমতী বেগম আবিদা আহমেদ, ৰাজ্যপাল শ্ৰীলালনপ্ৰসাদ সিং, শ্ৰীমতী মনোৰমা সিং, মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ আৰু গৃহমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া আহিছিল। ৰাষ্ট্ৰপতি মূলমণ্ডপ পোৱাৰ লগে লগে জয়ধ্বনিৰে লখিমীপথাৰ মুখৰিত হয়। ৰাষ্ট্ৰপতিৰ বাবে সুকীয়াকৈ সজা বিতোপন মঞ্চত ৰাষ্ট্ৰীয় সঙ্গীত 'জন-গন-মন' সেনাবাহিনীৰ বেণ্ডত বাজি উঠে। তাৰ পিছতেই সাহিত্য সভাৰ আৰম্ভণী গীত 'চিৰচেনেহী মোৰ ভাষা-জননী' সমস্বৰত গোৱা হয়। লগে লগে আৰম্ভ হয় উদ্বোধনী অনুষ্ঠান। সন্মানিত অতিথিগৰাকীলৈ অসম সাহিত্য সভাৰ পক্ষৰপৰা মানপত্ৰ আৰু বঁটা-বাহন যথাবিধি আগবঢ়োৱা হয়। বিদায়ী সভাপতি ড° শৰ্মাই ৰাষ্ট্ৰপতিক ভাষণ দিবলৈ যথাবিধি অনুৰোধ জনোৱাত আলি আহমেদ চাহেবে এখনি চমু লিখিত ভাষণ পাঠ কৰি শুনায়। গ্ৰন্থৰ আদিতে এই ভাষণত অংশবিশেষ তুলি দিয়া হৈছে।

দুপৰীয়া অনুষ্ঠিত মুকলি অধিবেশনত অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শ্ৰীভূমিধৰ বৰ্মনে তেখেতৰ আদৰণী ভাষণত কয় যে অকল সাহিত্যৰ ক্ষেত্ৰতেই নহয়, অসমীয়া জাতিৰ আধ্যাত্মিক আৰু সাংস্কৃতিক বিকাশত অসম সাহিত্য সভাই যি অৰিহণা আগবঢ়াইছে সি অন্যান্য ৰাজ্যত বিৰল। সেয়েহে আজি অসম সাহিত্য সভা এটি বিৰাট জনগোষ্ঠীৰ জাতীয় অনুষ্ঠানত পৰিণত হৈছে। সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে ৪৩ পৃষ্ঠাৰ সুচিন্তিত পাণ্ডিত্যপূৰ্ণ আৰু সময়োপযোগী সভাপতিৰ ভাষণখন চমুৱাই পাঠ কৰে।

৩ ফেব্ৰুৱাৰীৰ একবজাৰ পৰা পুনঃ আৰম্ভ হোৱা দ্বিতীয় মুকলি অধিবেশন উদ্বোধন কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই শ্ৰদ্ধাভাজন

সাহিত্যিকবৰ্গক সামাজিক দায়িবদ্ধতাৰ কথা এক মুহূৰ্ত্তৰ বাবেও পাহৰি নাযাবলৈ কাতৰ অনুৰোধ জনায়। সন্মিলন উপলক্ষে লিখি পঠোৱা প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই কবিতা পাঠ কৰি শুনায় শ্ৰীঅৰুণ গোস্বামীয়ে। এই সন্মিলনৰ মুখ্য অতিথি বঙ্গদেশৰ তথা ভাৰতৰ প্ৰথিতযশা প্ৰগতিবাদী কবিসাহিত্যিক শ্ৰীসুভাষ মুখোপাধ্যায়ে অসম সাহিত্য সভাত জন-জাগৰণ দেখি অভিভূত হয়। তেখেতৰ মতে সাহিত্য সন্মিলনত এনে জনসমাগম কতো নহয় বা দেখা নাই। এই চমু অথচ সুচিন্তিত ভাষণত শ্ৰীমুখোপাধ্যায়ে কয় যে মানুহক মহিমামণ্ডিত কৰাই হ'ল সাহিত্যৰ শেষ কথা। তেখেতৰ মতে "যোগ্য লেখাই হ'ল সাহিত্য। পাঠকৰ লগত মিলি যোৱা লেখাইহে প্ৰকৃত সাহিত্য। সৰ্বসাধাৰণৰ লগত একান্ত হোৱাই সাহিত্যৰ সাধনা।" এই সভাতে স্বভাবকবি কালিদাস খাটনিয়াৰ আৰু কবি শ্ৰীনৰকান্ত বৰুৱাকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অসম সাহিত্য সভাৰ চলিত বছৰৰ বিভিন্ন বঁটা প্ৰদান কৰা হয়।

সভাত সংস্কৃতি-মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া আৰু অসম কংগ্ৰেছ সভাপতি শ্ৰীললিতচন্দ্ৰ দলেই একোটি ভাষণ দিয়ে। বিষয়বাছনী সভাত গৃহীত নিয়মাবলী সম্বন্ধীয় এটি আৰু চাৰিটা সাধাৰণ প্ৰস্তাৱৰ বিষয় আছিল (১) দেশৰ সাহিত্য-সংস্কৃতিৰ লগত জন-সাধাৰণৰ জীৱনৰ সম্পৰ্কৰক্ষা, (২) উত্তৰপূব ভাৰতৰ সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু ব্যৱহাৰ, (৩) প্ৰস্তাবিত ৰাধাকান্ত সন্দিকৈ ভৱনক (যোৰহাটত) কেন্দ্ৰীয় বিদ্যালয়ত সংগ্ৰহালয় হিচাপে গঢ়ি তোলা আৰু (৪) মাজুলীত সংস্কৃতিৰ অধ্যয়ন কেন্দ্ৰ স্থাপন, চতুৰ্থ প্ৰস্তাৱটি তৃতীয় প্ৰস্তাৱৰে ২য় খণ্ড হিচাপে গ্ৰহণ কৰে।

পৰবৰ্ত্তী সন্মিলন গোৱালপাৰা জিলাৰ অভয়াপুৰীলৈ নিমন্ত্ৰণ কৰাৰ কথা ঘোষণা কৰা হয়।

প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই সভাৰ হৈ, প্ৰতিনিধিৰ হৈ

শ্ৰীপ্ৰফুল্ল দত্ত আৰু অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি শ্ৰীধনেশ্বৰ গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়। সভাপতিয়ে এটি চমু মন্তব্যেৰে সাহিত্য সভাৰ সমাপ্তি ঘোষণা কৰে।

## পাৰ্শ্বজ্যোতি

নকলেও নোৱাৰোঁ ফটা মুখ কলেও লাগিব ভকতৰ দোষ। তথাপি নিৰপেক্ষ বুৰঞ্জীলেখক হিচাপে কবই লাগিব।

সাহিত্য সভাই পাতি দিছিল টিহুত অকাল বিহু। লখিমী পথাৰত অনুষ্ঠিত হৈছিল সৰস্বতী-পূজা। সেয়ে হলেও দুই সতিনীৰ মাজত হোৱা নাছিল কুকুৰ-যুঁজ। বজাই ভালপায় যাক, দোলা-ঘোঁৰাও নেলাগে তাক। চুচিলে-মাজিলে বান্দৰীও সুন্দৰী হয়। টিহু-সুন্দৰীক চুচিমাজি চালে চকু বোৱা কৰিছিল—ভূমিহীনক ভূমিদাতা ভূমিধৰ চৰ্কাৰে। লখিমী পথাৰেদি বৈ গৈছিল 'শৰত'ৰ সুমন্দ-মলয়া। অদূৰৰ হিমগিৰিত 'হেমন্ত'ই আহোঁ আহোঁ কৰি ঠেং দাঙি আছিল। মহামহিম অতিথিজনাৰ আগমন উপলক্ষে টিহুত লাখ-বিলাখ নৰ-নাৰীৰ সমাবেশ হৈছিল। গুৰিপৰুৱাৰ দৰে গোট খাইছিল অগণন চৰুৱা ৰাইজ, টোপাপৰুৱাৰ দৰে বন্দুক-বেয়নেটধাৰী চিপাহী-চন্তৰী, আমৰলি পৰুৱাৰ দৰে জনতাৰ মাজে মাজে জেপলুৰুকাৰ দল গান্ধীটুপী পিন্ধা ভলন্টিয়াৰ-ভকত আৰু সাধু-সজ্জন, ভণ্ড তপস্বী, সকলোকে টিহুৱে বিহুৰ পিঠা খুৱাইছিল। ৰাষ্ট্ৰপতিৰ শাস্ত্ৰপাঠ শুনি আৰু সোশঁৰাৰে সিজনাৰ শ্ৰীমুখ দৰ্শন লাভ কৰিবলৈ সাহিত্য সভাত দলদোপ হেন্দোলদোপ লাগিছিল যদিও তাৰ মাজত বহুতে আকৌ অস্থায়ী বিমানকোঠত হেলিকপ্তাৰ উৰাজাহাজ চাবলৈ গৈছিল। আইৰো বাৰ্তা গঙ্গাৰো যাত্ৰা।

সি যি নহওক শিৰহীন দক্ষ-যজ্ঞৰ দৰে অনুষ্ঠিত ৰাষ্ট্ৰ-যজ্ঞৰ উদ্বোধনী ৰাজমঞ্চত উপস্থিত আছিল 'সত্য'নাৰায়ণ কিন্তু উপেক্ষিত, অবহেলিত হৈছিল 'যজ্ঞেশ্বৰ' শিৰ। ৰাষ্ট্ৰৰ মানত যেনেকৈ ৰাষ্ট্ৰপতিজনা

সৰ্বোচ্চ ব্যক্তি, তেনেকৈ সাহিত্য সভাৰ মানতো সভাপতিজনেই সৰ্বোচ্ছ ব্যক্তি। তথাপি সাহিত্য সভাৰ তেতিয়াৰ 'হাইকমাণ্ডে' যাৰ যহত শাক-সেন্দূৰ তাকে ভোকোহা এন্দুৰ কৰা দেখি কোনেও ভাল দেখা নাছিল। ভাগ্য ভাল, সহনশীল ভোলানাথে ৰুদ্ৰৰূপ ধাৰণ কৰি লক্ষ্মণৰ আঁক কেইটাৰ মাজত থম থম মদনগোপাল হৈ বহি আছিল। তাকে নকৰা হলে অৰ্থাৎ চক্ৰ আৰু ত্ৰিশূলৰ সংঘৰ্ষ হলে নিজৰ নাক কাটি সতিনীৰ যাত্ৰাভঙ্গ কৰা হ'লহেঁতেন।

× × ×

এই বছৰত প্ৰধান সম্পাদক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মাৰ বিশেষ কৃতিত্ব পৰিলক্ষিত হয় ৰাজ্য-চৰকাৰৰপৰা সৰ্বাধিক অনুদান লাভ কৰিব পৰাত। ইয়াৰ বাবে দিছপুৰলৈ কিমানবাৰ তাত বাতি কাঢ়ি বান্দৰৰ মুখৰ কল বাহিৰ কৰিবলগীয়া হৈছিল সেই কথা ভুক্তভোগীয়েহে জানে। এই অনুদান আছিল বিভিন্ন শিতানত তিনি লাখৰো ওপৰ। ইয়াৰ ভিতৰত ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবে লাভ কৰা দুলাখ টকা বিশেষভাবে উল্লেখযোগ্য। সভাৰ সঞ্জীৱনী যুগতে লাইখুটাৰ থাপনা পতা এই ভৱনটো আজি সাত বছৰে কাকতৰ পাততে আছিল। এতিয়া তাৰ নিশ্চিত সুফললাভ সম্ভৱ হৈছে।

এই বছৰত তৃতীয় লেখক-শিবিৰ অনুষ্ঠিত হয় তেজপুৰত।

প্ৰথম বাৰলৈ অসমৰ বাহিৰত ( ডিমাপুৰ ) অসম সাহিত্য সভাৰ কাৰ্য্যপালিকাৰ অধিবেশন বহে। সাংস্কৃতিক যোগাযোগ আৰু পৰস্পৰৰ ভাৱ-বিনিময়ত নিশ্চিতভাবে ই সহায়ক হৈছে।

সভাৰ সংগঠনৰ কাৰণে অসমৰ উপৰিও অৰুণাচল, নগাভূমি আৰু মেঘালয়লৈ কেবাটিও সংস্কৃতি-সজাতী দল যায়।

বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ সমগ্ৰ গ্ৰন্থৰ স্বত্ব সাহিত্য সভালৈ হস্তান্তৰিত হয়। তদুপৰি সংৰক্ষিণী কবি অম্বিকাগিৰী ৰায়চৌধুৰী আৰু সঙ্গীত-কবি উমেশচন্দ্ৰ চৌধাৰীৰ গ্ৰন্থাগাৰৰ কিতাপ আলোচনীসভাৰ পুথিভঁৰালৰ বাবে পোৱা হয়।

গ্ৰন্থপ্ৰকাশ, আজীৱন সভ্য সংগ্ৰহতো বিশেষ সাফল্য লাভ কৰা হয়।

# অভয়াপুৰী অধিবেশন (৪৪)

ঃ ৫, ৬ ফেব্রুৱাৰী, ১৯৭৭ চন ঃ

## অভয়াপুৰীত হ'ল অসমা অভয়া

অঞ্চলটোৰ উপাস্য দেৱী গোসাঁনী অভয়াৰ কৰুণাধাৰেৰে বিধৌত, বিজনী-ৰাণী অভয়েশ্বৰীৰ পৱিত্ৰ স্মৃতিবিজড়িত, একালত ওচৰৰে যোগীঘোপাত থকা যোগী-মুনিসকলৰ তপস্যাবলেৰে উদ্ভাসিত চহৰ অভয়াপুৰী গোৱালপাৰা জিলাৰ এখন ঐতিহ্যমণ্ডিত পুৰণি ঠাই। এই চহৰতে অসম সাহিত্য সভা চতুশ্চত্বাবিংশ সম্মিলনখন পাতিবৰ বাবে সেই অঞ্চলৰ বাইজে অভয়াপুৰীৰ উপৰিও গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিত্ব কৰিব পৰা লোকৰ সহযোগত এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে। এই সমিতিৰ সভাপতি আছিল অসম ৰাজ্য-চৰকাৰৰ সমাজ-কল্যাণ দপ্তৰৰ মন্ত্ৰী শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্ম, কাৰ্য্যকৰী সভাপতি শ্ৰীঅযোধ্যাৰাম দাস আৰু প্ৰধান সম্পাদক আছিল শ্ৰীজ্যোতিষ বৰুৱা। অভয়াপুৰী কলেজৰ অলপ দূৰত ছন পৰি থকা পথাৰখনতে সাহিত্য সভাৰ ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছিল। সেই পথাৰখনৰ উত্তৰফালে সভাৰ মুকলি অধিবেশনৰ কাৰণে বিৰাট ৰভা আৰু তাৰ দক্ষিণফালে প্ৰদৰ্শনীৰ মণ্ডপ নিৰ্মাণ কৰা হৈছিল। মূল সভামণ্ডপ আৰু প্ৰদৰ্শনী দুৱাৰৰ উপৰিও আলিৰ ঠায়ে ঠায়ে নিৰ্মাণ কৰা কাৰুকলাখচিত অনামী তোৰণসমূহে অধিবেশনৰ গাম্ভীৰ্য্য বঢ়াই তুলিছিল।

ফেব্ৰুৱাৰীৰ ৪ তাৰিখে পুৱা ৯ বজাত প্ৰতিনিধি-শিবিৰ মুকলি কৰে ৰজা শ্ৰীভৈৰৱেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰে। দিনৰ ডেৰবজাত স্থানীয় কলেজ হলত বিদায়ী সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ সভাপতিত্বত বিষয়-বাছনী সভা সম্পন্ন হয়।

গধূলি ছয়বজাত মূল সভামণ্ডপত সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। মুখ্যঅতিথি হিচাপে যোগদান কৰে ডিব্রুগড় আকাশবাণীৰ সঞ্চালক সঙ্গীতজ্ঞ শ্রীবীৰেন্দ্রকুমাৰ ফুকনে। তেখেতে সঙ্গীতৰ ধাৰা সম্পৰ্কে সুন্দৰভাবে আলোচনা কৰে।

৫ ফেব্রুৱাৰী শনিবাৰে পুৱা ৫.৩০ বজাত প্ৰভাতী গীতত গোটেই অভয়াপুৰী চহৰখন মুখৰিত হৈ উঠিছিল। ৮ বজাত মূল সভামণ্ডপৰ সমুখত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বিদায়ী সভাপতি শ্রীযজ্ঞেশ্বৰ শৰ্মাদেৱে। ৮.৩০ গ্ৰন্থ-উন্মোচনী সভা আৰম্ভ হয়। এই আকৰ্ষণীয় অনুষ্ঠানতে শ্রীসীতানাথ ব্ৰহ্মচৌধুৰী, ড° শ্রীহৰিচন্দ্র ভট্টাচাৰ্য্য আৰু শ্রীযজ্ঞেশ্বৰ শৰ্মাই অভ্যৰ্থনা সমিতিৰ স্মৃতিগ্ৰন্থ, সাহিত্য-সংকলন আৰু সাহিত্য সভাৰ নতুন প্ৰকাশনসমূহ ( ১০ খন গ্ৰন্থ ) উন্মোচন কৰে।

গ্ৰন্থ উন্মোচনৰ পিছতেই ৯.৩০ বজাত অসম চৰকাৰৰ গৃহ, তথ্য আৰু সাংস্কৃতি-মন্ত্রী শ্রীহিতেশ্বৰ শইকীয়াদেৱে সুবৃহৎ প্ৰদৰ্শনী টোলৰ দুৱাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে।

নবনিৰ্বাচিত সভাপতি প্ৰথিতযশা কথা-সাহিত্যিক চৈয়দ আব্দুল মালিক ডাঙৰীয়াক অভয়াপুৰীৰপৰা তিনিমাইলমান দূৰত অৱস্থিত দক্ষিণশালমাৰা ডাকবঙলাৰপৰা দিনৰ ১১ বজাত কাৰুকাৰ্য্যখচিত এখন গাড়ীত বহুৱাই এক বিৰাট সমদলৰ মাজেৰে আৰু মঙ্গল-গীত বাদ্যেৰে দশোদিশ মুখৰিত কৰি সভামণ্ডপলৈ আদৰি অনা হৈছিল।

দিনৰ দুই বজাত প্ৰথম মুকলি অধিবেশন অনুষ্ঠিত হয়। মুখ্যমন্ত্রী শ্রীশৰৎচন্দ্র সিংহই অধিবেশন উদ্বোধন কৰে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্রীউত্তমচন্দ্র ব্ৰহ্ম ডাঙৰীয়াই আদৰণী ভাষণত অভয়াপুৰীৰ ঐতিহ্য বৰ্ণনা কৰাৰ লগতে সমূহ ৰাইজলৈ সাদৰ-সম্ভাষণ জনায়। মালিক চাহেবে সভাপতিৰ ভাষণত সাহিত্যিকৰ গুণ আৰু কৰ্তব্য, আধুনিক কবিতাৰ ধাৰা,

গৱেষণা-গ্ৰন্থ অসমীয়া ভাষাত লিখাৰ প্ৰয়োজনিয়তা, উত্তৰপূৰ্ব ভাৰতৰ বিভিন্ন ৰাজ্যৰ মানুহৰ মাজত সংহতি-সম্প্ৰীতি স্থাপন আদি বিষয়ত গুৰুত্ব আৰোপ কৰে।

৬ শ্ৰীহেমন্তকুমাৰ শৰ্মাই সম্পাদকীয় প্ৰতিবেদনত পাৰ হৈ যোৱা গুৰুত্বপূৰ্ণ বছৰটোৰ কাম-কাজৰ বিতং বিৱৰণ দাঙি ধৰে।

সভাত বিশিষ্ট অতিথি আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে অভয়াপুৰীৰ ঐতিহ্য সম্পৰ্কে এটি স্বৰচিত সুৰলা কবিতা পাঠ কৰে। আন এগৰাকী প্ৰাক্তন সভাপতি অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মায়ো ভাষণ দিয়ে।

সন্ধিয়া ৬ বজাত অধ্যক্ষ শ্ৰীবীৰেন বৰকটকীৰ পৌৰোহিত্যত অনুষ্ঠিত কবি সন্মিলন উদ্বোধন কৰে অধ্যক্ষ শ্ৰীফণী ব্ৰহ্ম ডাঙৰীয়াই। সভাপতিয়ে তেখেতৰ ভাষণত কবিতাৰ গুণ, লক্ষণ আদি সম্পৰ্কে নিজৰ অভিমত দাঙি ধৰে। ন-পুৰণি একুৰিতকৈও অধিক কবিয়ে স্বৰচিত কবিতা পাঠ কৰে।

ৰাতি ৮.৩০ বজাত বহা সাংস্কৃতিক সমাৰোহত সভাপতি শ্ৰীচন্দ্ৰধৰ গোস্বামীদেৱে কয় যে "এটা জাতিৰ ৰাজনৈতিক পৰাধীনতাতকৈ সংস্কৃতিৰ দৈন্য বেছি ভয়াবহ।" এই সভাতেই শ্ৰীৰাজেন পামক সম্বৰ্ধনা জনোৱা হয়।

৬ ফেব্ৰুৱাৰী দেওবাৰে পুৱা ৮-৩০ বজাত অধ্যাপক শ্ৰীযোগেশ দাসৰ পৌৰোহিত্যত আলোচনা-চক্ৰ বহে। আলোচনা-চক্ৰৰ বিষয় আছিল "যুদ্ধোত্তৰ যুগৰ অসমীয়া সমাজ আৰু সৃষ্টিশীল সাহিত্যত ঘটা পৰিবৰ্তন।" এই সভা উদ্বোধন কৰে অধ্যাপক শ্ৰীৰায়হান ছাহে। বিষয় উপস্থাপক আছিল অধ্যাপক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য আৰু নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ দিছিল শ্ৰীমতী নীলিমা দত্তই। শ্ৰীদাসে সভাপতিৰ ভাষণত অসমৰ বিভিন্ন স্তৰৰ লোক বিশেষকৈ জনজাতি আৰু চাহ-বনুৱাৰ জীৱনলৈ গল্প, উপন্যাস কবিতা, নাটক আদি লিখাৰ প্ৰয়োজনিয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

আবেলি ২ বজাত মালিক চাহেবৰ সভাপতিত্বতে দ্বিতীয় মুকলি অধিবেশন অনুষ্ঠিত হয়। এই সভা উদ্বোধন কৰি অৰুণাচলৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰেমনান্দু থুঙ্গনে। তেখেতে সুন্দৰ অসমীয়া ভাষাৰে উদ্বোধনী ভাষণ দি অসম আৰু অৰুণাচলৰ সম্প্ৰীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বঙ্গৰ বিখ্যাত কথা-সাহিতিক শ্ৰীসুনীল গঙ্গোপাধ্যায়ে মুখ্যঅতিথিৰ ভাষণত বিৰাট জনতাৰে পৰিপূৰ্ণ অসম সাহিত্য সভাৰ অধিবেশনখনক দ্বিতীয় কুম্ভমেলাৰ লগত তুলনা কৰে আৰু এনে জনসমাবেশৰো প্ৰয়োজন আছে বুলি কয়। এই সভাত বিশিষ্ট সাহিত্যিক ড° শ্ৰীভবেন্দ্ৰনাথ শইকীয়া, শ্ৰীহোমেন বৰ গোহাঞি আৰু শ্ৰীভৃগুমণি কাগুৃক সম্বৰ্ধনা জনোৱা হয়। সভাত বিদায়ী সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ উপৰিও অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, ড° শ্ৰীমহেশ্বৰ নেওগ ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাই বিশিষ্ট অতিথি হিচাপে আৰু সমজুৱাৰ ফালৰপৰা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰীললিতকুমাৰ দলে ডাঙৰীয়াই ভাষণ দিয়ে। অধিবেশনত বিভিন্ন জনক সাহিত্য সভাৰ প্ৰদান কৰা হয়।

শোক-প্ৰস্তাবৰ উপৰি সভাত এটি মাত্ৰ প্ৰস্তাৱ লোৱা হয়, সেই প্ৰস্তাৱত অসমলৈ অহা বাহিৰৰ লোকসকলে যাতে থলুৱা অসমীয়া "সুখ-দুখৰ লগত একাত্মীয়তা স্থাপন কৰি অসমৰ সৰ্বাঙ্গীন উন্নয়নত বৰঙণি যোগাব" পাৰে তাকেই আশা কৰা হয়।

প্ৰধান সম্পাদক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা আৰু অভ্যৰ্থনা সমিতিৰ কাৰ্য্যকৰী সভাপতি শ্ৰীঅযোধ্যাৰাম দাসে শলাগৰ শৰাই আগ বঢ়োৱাৰ পিছত সভাৰ অন্ত পৰে।

গধূলি ৭ বজাত অনুষ্ঠিত সঙ্গীত-সমাৰোহত ড° শ্ৰীভূপেন হাজৰিকা আৰু শ্ৰীমতী প্ৰতিমা পাণ্ডেক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে অভয়াপুৰীত সঙ্গীত-সমাৰোহত স্থানীয় শিল্পীসকলে যোগদান কৰি সমাৰোহৰ সৌষ্ঠৱ আৰু গুৰুত্ব বৰ্দ্ধন কৰিছিল। 'সবিতা দেৱী' নগেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু 'প্ৰমথেশ বৰুৱাৰ নামেৰে অনুষ্ঠিত

তিনি ৰাতিৰ সঙ্গীত-সন্ধিয়াৰ সমাৰোহত এই বছৰটোৰ কাৰ্য্যকালৰ সমাপ্ত নৌ এখোন।

× × ×

এতিয়ালৈকে প্ৰধান সম্পাদক শ্ৰীআব্দুছ ছাত্তাৰ শিবসাগৰত পঞ্চম লেখক শিবিৰ সম্পন্ন কৰি যোৰহাটত অসম সাহিত্য সভাৰ হীৰক-জয়ন্তী প্ৰতিষ্ঠা দিবস কেন্দ্ৰীয়ভাবে পাতিবলৈ ককালত টঙালি বান্ধি লাগিছে। গোলাঘাট অধিবেশনলৈ অগ্নি কবি শ্ৰীপ্ৰসন্নলাল চৌধুৰী ইতিমধ্যে সভাপতি নিৰ্বাচিত হৈছে। ইয়াৰ পিছত কি হয় পিছত দেখিলেহে লেখিব পৰা হব।

# উপসংহাৰ

'ৰূপলেখা'ত বহুত বিষয়ে লিখা হ'ল, বহুত বিষয় আকৌ বাদ পৰিল। বাদ পৰা কথাবোৰ বাদ দিয়া হৈছে কিতাপৰ কলেবৰ কমাবলৈ আৰু সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত আন গ্ৰন্থত সেইবোৰ থকাৰ কাৰণে।

বাদ দিয়া কথাবোৰৰ ভিতৰত বিষয় বাছনী সভাৰ নাম উল্লেখযোগ্য। এই সভাবোৰ সাহিত্য সভাৰ ভিতৰুৱা মেল, তাত সৰ্বসাধাৰণৰ প্ৰবেশনিষেধ। সেই সভাত বক্তাসকলৰ কণ্ঠস্বৰ পৰীক্ষা কৰা হয়। যাৰ 'গলাৰ আৱাজ' যিমান বেছি সি সিমান বেছি কথা কবলৈ সুবিধা পায়। বহু সময়ত অলপধতুৱা সভাপতি পেপুৱা লাগি যায়। নানা কথাৰ ফেদেলিপুৰণে তাত মেলা হয় আৰু বুধিয়ক-সকলে শেষত ছেগ চাই কঠীয়া পাৰে। কৌতুহলীসকলে বাৰ্ষিকীত প্ৰকাশিত প্ৰধান সম্পাদকক প্ৰতিবেদনত জ্ঞাতব্য কথাখিনি পাব।

এটা কথা এইখিনিতে উল্লেখ কৰিব পাৰি যে লৰাবপৰা বুঢ়ালৈকে স্বৰচিত কবিতা পাঠ কৰি শুনোৱাৰ প্ৰবল আগ্ৰহ এতিয়াও অব্যাহত-ভাবে চলি আছে। সৌ সিদিনা যোৰহাটত অনুষ্ঠিত লেখিকা-সমাৰোহত চাৰিকুৰিৰ ঢপনা পাৰ হোৱা আইতা এগৰাকীয়ে কবিতা ৰচি পাঠ কৰি শুনাইছিল। পুৰুষসকলৰ মাজতো এনে কবিতাৰ নামত ভোক-পিয়াহ পাহৰা বহুত আছে। এনে এজন কবিয়ে অসম সাহিত্য সভাৰ কবিতা-সভাৰ বাবে সাজু হৈ ওলোৱাৰ সময়ত হেনো জীয়েকৰ বিয়াৰ প্ৰস্তাৱ আহিল। তেওঁ ছোৱালী ধৰা মানুহক ঘূৰাই পঠাই কলে বোলে আগেয়ে সাহিত্য-সভাত তেওঁৰ কবিতা পাঠ কৰা হওক, তাৰ পিছতহে ছোৱালীৰ বিয়াৰ প্ৰশ্ন উঠিব। ই এটা সঁচা সাধু। এই পুথিত সকলোবিলাক কবিৰ নাম উল্লেখ কৰিব পৰা হলে ভাল পালোঁহেতেন। পিছে একোখন সভাৰ ঢুকুৰি আঢ়ৈকুৰি

বা ততোধিক নাম প্ৰকাশ কৰিব লাগিলে ডায়ৰেক্তৰী পঞ্জিকাৰ অন্তৰ্ভুক্ত পৃষ্ঠপোষকৰ অনুমোদন কৰা নামৰ তালিকাৰ এই পুথি ভাৰাক্ৰান্ত হব। কবিসকলে সেই বাবে আমাক ক্ষমা নাম বাদ পৰা কৰে যেন।

শাখাভাবিলাক কথা আৰু অসম সাহিত্যসভাৰদ্বাৰা প্ৰকাশিত গ্ৰন্থও ওপৰোক্ত কাৰণত বাদ দিয়া হৈছে, সেয়ে নহ'লে 'ৰূপলেখা' আৰু বেছি ধাদহী হলহেঁতেন।

এই সম্পৰ্কে অতি চমুকৈ ইমানকে লৈ কৈ থওঁ যে ৰাংঢালী ৰংপুৰ ১৯১৭ চনত জন্মৰ কালত অসম সাহিত্য সভাৰ শাখা সংখ্যা আঙুলিৰ পাৰতে লেখি শেষ কৰিব পৰা গৈছিল। বাঢ়ি বাঢ়ি সেই সংখ্যা ১৯৭৭ চনত হীৰক-জয়ন্তী বৰ্ষত হৈছেগৈ :

শাখাসভা—৪৯২
স্বীকৃতি সভা— ১৮
মুঠ—৫১০

সদৌ শেষত স্বৰ্গগত জনচেৰেকৰ নাম স্মৰণ কৰিবৰ মন গৈছে। সেইসকলৰ ভিতৰত প্ৰতিষ্ঠা যুগৰ ডুগধাকী আৰু বিস্তাৰ যুগৰ এগৰাকী কৃতী প্ৰধান সম্পাদক যথাক্ৰমে শৰৎচন্দ্ৰ গোস্বামী, ডিম্বেশ্বৰ নেওগ আৰু হৰিপ্ৰসাদ নেওগ—তদুপৰি সঞ্জীবনী যুগৰ পাতৰ আঁৰত লুকাই থকা তিনিটা ধানপুৰীয়া কঠাল—তিনিচুকীয়াৰ প্ৰেমধৰ ৰাজখোৱা যোৰহাতৰ ব্ৰজেন বৰপূজাৰী আৰু শিলচৰৰ বিশ্বনাথ ৰাজবংশীৰ নাম পাহৰিবৰ মন নেযায়।

ইমানতে মূল গ্ৰন্থৰ সামৰণি মাৰি বিস্তাৰ যুগৰ ইতি কৰা হ'ল।

—বিস্তাৰ যুগ সমাপ্ত—

চতুর্থ খণ্ড :

# বিবিধ প্রসঙ্গ

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ হলেও ইয়াৰ ৰাষ্ট্ৰীয় ধৰ্ম আছে। দেশৰ সাহিত্যৰ মাজেদি এই ৰাষ্ট্ৰীয় ধৰ্ম ৰূপায়িত হোৱাটো বাঞ্ছনীয়। সাহিত্যৰ লক্ষ্য 'শান্তঃ সুখায়' আৰু 'লোকমঙ্গলময়' হোৱাটো উচিত।

নলবাৰী
১৯।১।৬৫ — **ড° হৰেকৃষ্ণ মহতাব**

সৰু সৰু উপভাষাবোৰক বিকাশলাভৰ সুযোগ দিও অসমীয়া ভাষা সমগ্ৰ অঞ্চলটোৰ একমাত্ৰ সংযোগকাৰী ভাষা হোৱাটো বাঞ্ছনীয়।

তেজপুৰ
২৮।৯।৬৮ **শ্ৰীবিষ্ণু সহায়**
প্ৰাক্তন ৰাজ্যপাল

ভাষা-জননীৰ সাধকসকলে তেখেতসকলৰ সাধনাৰ মাজেদি আমাৰ দেশত যিবিলাক ভাঙোনমুখী শক্তিৰ আক্ৰমণে আমাক জৰ্জৰিত কৰি তুলিছে তাৰ বিশিষ্ট সমাধান দাঙি ধৰক।

বৰপেটা
৮।২।৬৯ —**শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী**
প্ৰাক্তন ৰাজ্যপাল

# দুটা ভৱন

## চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাটত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় থকা 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন'ৰ ৰাধাকান্ত সন্দিকৈ দাতা। শৰৎচন্দ্ৰ গোস্বামী নিৰ্মাতা। নিৰ্মাতাই লিখি থৈ যোৱা কথাৰেই এই ভৱনৰ বিষয়ে জ্ঞাতব্য বিষয় লিপিবদ্ধ কৰা হ'ল :

"এদিন আবেলি মই ফুৰি আছিলোঁ। ইন্সপেক্টৰৰ অফিচৰ আগত এজোপা বৰ ডাঙৰ আঁহত গছ আছে—তাৰে ওচৰত, চন্দ্ৰকান্তৰ মৃত্যুৰ এমাহ-ডেৰমাহমানৰ পিছত। সিফালৰপৰা সন্দিকৈ ডাঙৰীয়াও আহিল।

তেতিয়া সন্দিকৈ ডাঙৰীয়াৰ লগত মোৰ বিশেষ বন্ধুত্ব বা স্নেহৰ সম্পৰ্ক নাছিল। তেখেত সেই সময়ত বাগিচাত থাকে যোৰহাটত থাকোঁতে কাৰো ঘৰলৈ অহা-যোৱা নকৰে। ইত্যাদি কাৰণত আমাৰ সম্পৰ্ক একে নগৰত থকা দুজন মানুহৰ চা-চিনাকিৰ দৰে। কথাই কথাই 'আসাম বিলাসিনী'ৰ প্ৰবন্ধৰ কথা ওলাল। তেতিয়া মই কলোঁ। যে বৃত্তি দুটা দিয়াৰপৰা তেওঁৰ মৰমৰ পুত্ৰ দুজনৰ যথেষ্ট স্মৃতি ৰক্ষা নহ'ব। কাৰণ তেনেকুৱা বিশেষ বৃত্তি অনেক আছে। কোনে দিছে, কোনে পায়, কোনেও নাজানে। এই প্ৰকাৰ কোৱাত সন্দিকৈ ডাঙৰীয়াৰ ইচ্ছা হ'ল, পাৰিলে আন প্ৰকাৰে কিবা কৰিলে বেয়া নহব। তেখেতে মোক পৰামৰ্শ সুধিলে। মই কলোঁ, সাহিত্য সভাৰ কাৰণে এটা লাইব্ৰেৰী কৰি দিলে ভাল হয়। কিমান টকা লাগে বুলি সোধাত মই কলোঁ। যে বৃত্তি দুটাৰ কাৰণেও পাঁচহাজাৰ-মান টকা দিব লাগিব, সেইখিনি টকাৰেই লাইব্ৰেৰীও কৰা যাব পাৰে। তেতিয়া 'কমলা দেৱী সাহিত্য-মন্দিৰ'ৰ কথাও কলোঁ।।

দুহাজাৰ টকাৰে অফিচ হব, পাঁচহাজাৰেৰে লাইব্ৰেৰী হব, নাম হব 'চন্দ্ৰকান্ত সন্দিকৈ লাইব্ৰেৰী'। লাগিলে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত দুইটা নামকে দিব পৰা যাব। তেওঁ মান্তি বা অমান্তি নহৈ মোক পিছলৈ মাতি পঠালে। বোধকৰোঁ তেওঁৰ ঘৈণীৰ লগত ইতিমধ্যে পৰামৰ্শ কৰিব।

পিছত কথা-বাৰ্তা হোৱাত এইটো ঠিক হ'ল যে সন্দিকৈ ডাঙৰীয়াই দহহাজাৰ টকা তেওঁৰ দুই পুত্ৰৰ স্মৃতিৰক্ষাৰ্থে দিব। সেই টকাৰে কি কাজ কৰা যুগুত তাৰে পৰামৰ্শ দিবৰ কাৰণে যোৰহাটৰ গণ্যমান্য লোকসকলক মাতি মই এখন সৰু মিটিং পাতিব লাগে। তাত সন্দিকৈ নিজে উপস্থিত নাথাকে।

সেই সভাত স্থিৰ হ'ল যে চন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ডৰ মূল্য পিছলৈ হ'ব ত্ৰিছহাজাৰ টকা। চন্দ্ৰকান্ত সন্দিকৈ হলত খৰচ হ'ল পোন্ধৰ হাজাৰ টকা আৰু বাকী পোন্ধৰ হাজাৰ টকাৰ কোম্পানীৰ কাকত সদায় চলি থাকিবৰ ব্যৱস্থা কৰা হ'ল।

পাঁচহাজাৰৰপৰা দহহাজাৰ আৰু দহহাজাৰৰপৰা ত্ৰিছহাজাৰ কেনেকৈ পালেগৈ সি বহুত কথা। মুঠতে ইয়াকে লেখি থওঁ যে সন্দিকৈ আৰু সন্দিকৈয়নীৰ উভয়ৰে প্ৰবল ইচ্ছা যে কামটো যুগমীয়া আৰু ভাল হ'ব লাগে। সেই অৰ্থে মই যেনেকৈ পৰামৰ্শ দিলোঁ তাকে গ্ৰহণ কৰিলে।

'চন্দ্ৰকান্ত সন্দিকৈ হল' মোৰ নিজৰ হাতে সজা। সেই সময়ত পুৰা-গধূলি, বন্ধ, হাফ আদিত যি সময় পাইছিলো, সকলোখিনি সময় মই এই কামতে হাত দিছিলোঁ। ইয়াৰ খৰচ, হিচাপ-পত্ৰ, লো-ইটা-চিমেণ্ট ইত্যাদি সকলো মোৰ নিজ হাতেৰে অনা-নিয়া হৈছিল। এই কামৰ তদাৰক কৰিবৰ কাৰণে বৰপেটাৰ যজ্ঞৰাম তালুকদাৰ নামেৰে ওভাৰছিয়াৰ এজনক মোৰ তলত ৰাখিছিলো। বোধকৰো তেওঁক এই কামৰ কাৰণে মাহিলী দৰ্মহা নিদি মুঠতে পোন্ধৰশ টকা দিয়া হৈছিল।

ঘৰটো বান্ধোতে প্ৰায় এবছৰ লাগিল। ঘৰ বন্ধা হলত আগেয়ে যিখিনি ঠাইত হেডমাষ্টৰৰ ঘৰ আছিল, সেইখিনি ঠাই সাহিত্য সভাৰ চৌহদৰ অন্তৰ্ভুক্ত কৰি লোৱা হ'ল। এই কামত তেতিয়াৰ পোষ্টমাষ্টৰ জেদহুছেইনৰপৰা সহায় পোৱা হৈছিল। কাৰণ পি-ডব্লিউ-ডিয়ে সুধিছিল, এইখিনি ঠাই সাহিত্য সভাক দিলে ডাক-বিভাগৰ কিবা অসুবিধা হব নে, অথবা সেই বিভাগক লাগে নে? পোষ্টমাষ্টৰ মিঃ হুছেইনে ভাল কৰি লেখি দিলে যে সাহিত্য সভাক মাটি দিলে ভাল হব। ডাক-বিভাগক সেই মাটি নালাগে।

ইয়াৰ পিছত আন মানুহৰ হতুৱাই ট্ৰাষ্ট ফাণ্ডৰ বাৰ্ষিক আয়ৰ-পৰা চৌহদত ইটাৰ বেৰা দিয়া হ'ল। এই কাম মই কৰোৱা নাছিলোঁ।

চন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ডৰপৰা সাহিত্য সভাৰ ঘৰ তৈয়াৰ হব পাৰিব —এই কথা যেতিয়া স্থিৰ হ'ল, তেতিয়া শ্ৰীযুত ৰাধানাথ গোস্বামীক 'কমলা দেৱী সাহিত্য-মন্দিৰ'ৰ সলনি 'কমলা দেৱী শিশুসাহিত্য' নামেৰে শিশু সাহিত্যৰ ছিৰিজ এটা উলিয়াবলৈ দিহা দিয়া হ'ল। তেখেতে উদাৰ চিত্তেৰে কলে যে সাহিত্য সভাৰ কৰ্ণধাৰসকলে যেনে ভাল হয় কৰক, তেখেতৰ মাতৃৰ নাম স্মৰণীয় হৈ থাকিলেই হ'ল। গতিকে এই ট্ৰাষ্ট ফাণ্ড শিশুসাহিত্যৰ কাৰণে সুকীয়াকৈ থাকিল।"

যোৰহাট নগৰৰ মাজঠাইত সাহিত্য সভাৰ নিজা মাটিত 'চন্দ্ৰকান্ত ইন্‌ষ্টিটিউট' নামেৰে সাহিত্য চৰ্চাৰ অৰ্থে থিতাপিকৈ এটি সভাঘৰ সজা হ'ল। ৰায়বাহাদুৰে সুকীয়াকৈ ধন ভাঙি সেই ঘৰকে চকী, মেজ আৰু বিজুলীবন্তিৰে আটোমটোকাৰিকৈ সজাইপৰাই দিলে। তদুপৰি তেখেতে তাত ইন্দ্ৰকান্তৰ এখনি সৰু পট আৰু চন্দ্ৰকান্তৰ জীৱন্ত আকাৰৰ ডাঙৰ তৈলচিত্ৰ এখনো আঁৰাই দিছে। ১৯২৬ চনৰ ২ ডিচেম্বৰ তাৰিখে বাইজৰ বিপুল হৈধ্বনিৰ মাজত এই সাহিত্য মন্দিৰৰ দুৱাৰ মেলা উৎসৱত অসমৰ গৱৰ্ণৰ ছাৰ জন কাৰ বাহাদুৰে

কৈছিল—"No more suitable method could have been found by any Assamese father for honouring the memory of his beloved sons; and I have no doubt, willing and able workers will always be forthcoming to assist in carrying out the benefactor's wish, and that the Institute should become a great centre of Assamese culture."

সম্প্ৰতি নিৰ্মাণৰ দিন ধৰি এই ঘৰেই সাহিত্য সভাৰ নিজা ঘৰ। এয়ে যোৰহাটৰ সাহিত্য আৰু তাৰ আন কলাৰ ওথ আলোচনাৰ ঘাই ঠাই।

১৯২৫ চনৰ ১৮ জানুৱাৰীত ন্যাস সমিতিৰ দলীল স্বাক্ষৰিত হয়। সমিতিৰ সদস্য পাঁচজন। ইয়াৰ ভিতৰত দুজন অসম সাহিত্য সভাৰ প্ৰতিনিধি থাকিব। দলীল চহী কৰা সময়ত সমিতিৰ সদস্য তলত দিয়া দৰে আছিল:

(১) দাতা নিজে

(২) চি. এচ. গানিং, সভাপতি

(৩) হিতেশ্বৰ বৰবৰুৱা, দাতাৰ মনোনীত সদস্য

(৪) শৰৎচন্দ্ৰ গোস্বামী } অসম সাহিত্য সভাৰ

(৫) কুলধৰ চলিহা } মনোনীত সদস্য

দাতাৰ প্ৰতিনিধি আৰু অসম সাহিত্য সভাৰ প্ৰতিনিধি ৫ বছৰৰ কাৰণে নিৰ্বাচিত হ'ব।

(১) দেৱেশ্বৰ শৰ্মা দাতাৰ মনোনীত প্ৰতিনিধি আৰু সমিতিৰ ধন-ভঁৰালী

(২) দেৱেশ্বৰ শৰ্মাৰ (তৰাজান) পিছত নকুলচন্দ্ৰ ভূঞা দাতাৰ মনোনীত প্ৰতিনিধি আৰু ধন-ভঁৰালী হয়।

(৩) ভূঞাৰ মৃত্যুৰ পিছৰপৰা দাতাৰ মনোনীত প্ৰতিনিধি আৰু ধনভঁৰালীৰূপে আছে শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

# ভগৱতীপ্ৰসাদ বৰুৱা ভৱন

এইটো মন কৰিবলগীয়া কথা যে শোকত শ্লোকৰ জন্ম হোৱাৰ দৰে অসম সাহিত্য সভাৰ দুইটা ভৱন শোকস্মৃতি বিজড়িত। চন্দ্ৰকান্ত ভৱনত পুত্ৰশোক, ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত ভ্ৰাতৃশোক। ১৪।১০৩৩ তাৰিখে ৰাতি শিৱসাগৰ দিছাং-দুৰ্ঘটনাত ভগৱতীপ্ৰসাদ বৰুৱাৰ সপৰিয়ালে সলিল-সমাধি ঘটিছিল। পানীৰ তললৈ যোৱা দুৰ্ভগীয়া মটৰখনৰ চালক আছিল পাৰ্বতিপ্ৰসাদ বৰুৱা। তেওঁ নমৰাকৈ সাৰিল যদিও জ্যেষ্ঠৰ শোকত জ্বলিপুৰি আছিল। সেই দুৰ্বহ শোক পাতলাবলৈ বৰুৱাদেৱে গুৱাহাটী সাহিত্য সভাৰ কাৰ্য্যালয় ভৱন সাজিবৰ বাবে শকত দান আগবঢ়ালে। সেই দানৰ আলমতে ভগৱতী-পাৰ্বতি দুয়োজনেই অমৰ হ'ল।

একে সময়তে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ চোতালত 'ৰঘুনাথ চৌধাৰী গৱেষণাগাৰ' প্ৰতিষ্ঠা কৰিবলৈ ৰঘুনাথ চৌধাৰী ডাঙৰীয়ায়ো কুৰিহেজাৰ টকাৰ দানৰ প্ৰতিশ্ৰুতি দিছিল। সভাৰ কাকতে-পত্ৰই দানৰ কথা উল্লেখ থাকিলেও, গৱেষণাগাৰ হলে হৈ নুঠিল।

সি যিনহওক ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ মুখ্যদাতা পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মাতা ড° শ্ৰীমহেশ্বৰ নেওগ। নিৰ্মাতাৰ কথাৰেই কৈছোঁ:

"১৯১৭ চনৰ ২৭ ডিচেম্বৰ অসম সাহিত্য সভাৰ জন্মদিন বুলি গণিতা হৈ আহিছে। ১৮৬০ চনৰ ২১ নং আইনমতে চৰ্কাৰৰ এই ঘৰত এই সভাৰ নাম ৰেজিষ্টাৰ কৰা হয় ১৯২৪ চনৰ ১৭ মাৰ্চ তাৰিখে। সভাৰ সংগঠনী স্মাৰক-পত্ৰত এই কথা স্পষ্টকৈ লিখা আছে: সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় অসমৰ ভিতৰত যোৰহাট নগৰতে হব। বৰ্তমানলৈকে সভাৰ সকলো কাৰ্য্য যোৰহাটত থকা কেন্দ্ৰীয় কাৰ্য্যালয়ক কেন্দ্ৰ কৰি চলি আছে। এই কেন্দ্ৰীয় কাৰ্য্যালয়টি হ'ল দানবীৰ ৰাধাকান্ত

সন্দিকৈৰ স্বৰ্গগত পুত্ৰ চন্দ্ৰকান্তৰ স্মৃতি উপলক্ষে নিৰ্মিত চন্দ্ৰকান্ত সন্দিকৈ ভৱন।

বহুত দিন আগৰপৰাই গুৱাহাটী নগৰত অসম সাহিত্য সভাৰ দ্বিতীয় এটি বাসভৱন নিৰ্মাণ কৰাৰ ধাৰণাই বহুতৰ মনত ঠাই পাই আহিছিল। সভাৰ বাৰ্ষিক সন্মিলনত গৃহীত প্ৰস্তাৱত গুৱাহাটীক 'অসমৰ মাজমজিয়া' বুলি অভিহিত কৰা হৈছিল। অসমে জাতীয় অনুষ্ঠানৰূপে বহুত দিনৰ পৰাই দাবী কৰি অহা বিশ্ববিদ্যালয় আৰু উচ্চ ন্যায়ালয় গুৱাহাটীত প্ৰতিষ্ঠিত হোৱাৰ পিছৰপৰা এই নগৰত সাহিত্য সভাৰ এখন ঘৰ সজাটো এটা স্পষ্ট অভিলাষত পৰিণত হয়। চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ১৯৫৪ চনৰ ১৬ আৰু ১৭ মেই তাৰিখে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে 'গুৱাহাটীত অসম সাহিত্য সভাৰ অনুষ্ঠানৰ কাৰণে স্বকীয়া ঘৰ নিৰ্মাণ কৰিবলৈ এডোখৰ সুবিধাজনক মাটি দিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰে আৰু এই বিষয়ে যথাবিহিত কাম কৰিবলৈ সভাপতি আৰু প্ৰধান সম্পাদকক ভাৰ দিয়ে। ইয়াৰ পিছত ১৯৫৯ চনৰ ১৯ আৰু ২০ জুলাই তাৰিখে বহা কাৰ্য্যনিৰ্বাহক সমিতিৰ অধিবেশনে সিদ্ধান্ত গ্ৰহণ কৰে 'গুৱাহাটীত অসম সাহিত্য সভাৰ এটি কাৰ্য্যালয় স্থাপন কৰিবৰ কাৰণে যাবতীয় ব্যৱস্থা কৰিবলৈ এটি উপসমিতিৰ ওপৰত ভাৰ ন্যস্ত কৰা হয়।' ৰঘুনাথ চৌধাৰী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ এই সমিতিৰ সভ্য আছিল। নানা কাৰণত সভাৰ কাৰণে গুৱাহাটীত মাটি লোৱা আৰু নিৰ্মাণ আঁচনি তৈয়াৰ কৰা কাম হৈ উঠাটো সম্ভৱপৰ নহল।

আমাৰ প্ৰধান সম্পাদকৰ কাৰ্য্যকাল আৰম্ভ হোৱাত ১৯৬১ চনৰ এপ্ৰিলৰপৰা মাটি বিচৰা আদি কামত পুনৰ লগা হয়। ডক্টৰ ভূঞা, শ্ৰীযুতা নলিনী দেৱী, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদিৰ সমৰ্থনেৰে ১৯৬১ চনৰ ১৮ মেই তাৰিখে কেইটুকুৰামান মাটিলৈ আঙুলিয়াই চৰ্কাৰৰ স্থানীয় কৰ্তৃপক্ষৰ ওচৰত এখন দৰখাস্ত দাখিল

কৰা হয়। এই বিষয়ত কামৰূপৰ উপায়ুক্ত শ্ৰীগণেশচন্দ্ৰ ফুকনৰ সাহায্য আমাৰ স্মৰণত থাকিব। ১৯৬২ চনৰ ৮ জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে, আজি য'ত ভগৱতীপ্ৰসাদ বৰুৱা ভৱন আছে, সেই দাগ (৩১৭৬) মাটিৰ, আগতে দিয়া অংশ বাদ দি বাকী সকলো ভাগ অসম সাহিত্য সভাৰ নামে দিবলৈ হুকুম দিয়ে। মাটিটুকুৰা গুৱাহাটী নগৰৰ একেবাৰেই কেন্দ্ৰস্থলীত অৱস্থিত। ৰেলৱে ষ্টেছন, কটন কলেজ, ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ ইয়াৰ ওচৰতে। কামৰূপ অনুসন্ধান সমিতি, অসম ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী জিলা-গ্ৰন্থাগাৰ আৰু ৰবীন্দ্ৰ-ভৱন আদি ন-পুৰণি অনুষ্ঠানবোৰ ইয়াৰ গাতে লাগি থাকিব।

ভাৰত চৰ্কাৰৰ সাংস্কৃতিক অনুষ্ঠানবোৰক গৃহনিৰ্মাণত সহায় কৰিবলৈ আঁচনি আছে। তালৈ লক্ষ্য ৰাখি আমি গুৱাহাটীত সাহিত্য সভাৰ গৃহনিৰ্মাণৰ এখন প্ৰাথমিক আঁচনি তৈয়াৰ কৰি ১৯৬১ চনৰ ২২ আগষ্ট তাৰিখে অসম চৰ্কাৰৰ শিক্ষা-বিভাগৰ যোগে ভাৰত-চৰ্কাৰলৈ পঠিওৱাওঁ। আঁচনি প্ৰস্তুত কৰা কামত তিনিজন সুদক্ষ ইঞ্জিনিয়াৰে আমাক সহায় কৰে—স্বৰ্গীয় ঘনকান্ত শৰ্মা, শ্ৰীহেমকান্ত বৰা আৰু শ্ৰীঅমূল্যনাথ ভট্টাচাৰ্য্য। প্ৰথমতে কেহো-ঘেহো কৰিলেও কেন্দ্ৰীয় চৰ্কাৰৰ বৈজ্ঞানিক গবেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ে যোৱা বছৰৰ ২৩ মাৰ্চ তাৰিখে ২৬,৮০০ টকাৰ এটি অনুদান মঞ্জুৰ কৰে। ইতিমধ্যে আমি ৯ ফেব্ৰুৱাৰী তাৰিখে আমাৰ শ্ৰদ্ধেয় গীতি-কবি আৰু সঙ্গীত-নেতা পাৰ্ৱতিপ্ৰসাদ বৰুৱা-দেৱক তেখেতৰ সোণাৰিৰ সোণালী-পামত লগ পাই পঞ্চাছহেজাৰ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি লাভ কৰোঁ। বৰুৱাদেৱৰ দানৰ উদ্দেশ্য তেখেতৰ স্বৰ্গীয় ককাইদেৱেক ভগৱতীপ্ৰসাদ বৰুৱাৰ স্মৃতিৰক্ষা।"

১৯৬৩ চনৰ ৭ এপ্ৰিল দেওবাৰে গুৱাহাটী নগৰত দীঘলীপুখুৰীৰ দক্ষিণলৈ অসম চৰ্কাৰে অসম সাহিত্য সভাক দান কৰা ভূমিত ৰাজ্যপাল শ্ৰীবিষ্ণুসহায়ে অসম সাহিত্য সভাৰ ভগৱতীপ্ৰসাদ বৰুৱা

ভৱনত লাইখুটা এক গাম্ভীৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয় অনুষ্ঠানৰ মাজেৰে থাপনা কৰে। সেই উপলক্ষে সেই দিনা দিনৰ এঘাৰ বাজি পঞ্চল্লিছ মিনিট যোৱাত গুৱাহাটী জিলা গ্ৰন্থাগাৰত এখনি সভা বহে। সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ তেতিয়াৰ সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে।

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্মাণ সমিতিৰ সম্পাদক ডক্টৰ নেওগে চমু সম্পাদকীয় প্ৰতিবেদনত স্বৰ্গীয় ভগৱতীপ্ৰসাদ ব্যক্তিত্বৰ এটি চমু আভাস দাঙি ধৰে ; গুৱাহাটীত অসম সাহিত্য সভাৰ দ্বিতীয় ভৱন এটি নিৰ্মাণৰ বাবে সাহিত্য সভাই চলোৱা বিভিন্ন প্ৰচেষ্টাৰ আৰু সাফল্যৰ কথা উল্লেখ কৰে।

সভাপতি শ্ৰীগোস্বামীয়ে উৎসৱৰ গুৰুত্বৰ কথা উপলব্ধি কৰি গুৱাহাটীত সাহিত্য সভাৰ ভৱনৰ প্ৰয়োজনীয়তাৰ বিষয়ে চমুকৈ দু-আষাৰ কৈ ৰাজ্যপাল শ্ৰীবিষ্ণুসহায়ক তেওঁৰ ভাষণ দিবলৈ আহ্বান জনায়।

ৰাজ্যপাল শ্ৰীসহায়ে তেওঁৰ ভাষণত প্ৰায় দুবছৰ আগতে যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ৰাধাকান্ত সন্দিকৈৰ প্ৰতিকৃতি উন্মোচন কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয় ১৯১৭ চনতে জন্মলাভ কৰাৰ পৰা সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ ক্ৰম-বিকাশত বিশিষ্ট অৰিহণা যোগাই আহিছে।

ৰাজ্যপালৰ ভাষণৰ পিছত সভাপতি আৰু ৰাজ্যপাল প্ৰমুখ্যে উপস্থিত সকলোৱে প্ৰস্তাৱিত ভৱনৰ লাইখুটা থাপনা কৰা ঠাইলৈ যায়। লগে লগে মধুচয়নিকাৰ শিল্পীবৃন্দাই অম্বিকাগিৰী ৰায়চৌধুৰী ৰচিত 'আজি বন্দো কি ছন্দেৰে, গীতেৰে স্বাগত-সম্ভাষণ জনায়। ৰাজ্যপাল শ্ৰীসহায়ে ৰূপৰ কেৰাহি আৰু কৰণিৰে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুটা থাপনা কৰে। ইয়াৰ পিছত ৰাজ্যপাল শ্ৰীসহায়ে উৎসৱৰ সফলতা কামনা কৰি তিনিজোপা অশোক গছৰ পুলি ৰোৱে আৰু ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্মাণাৰ্থে পঞ্চাছ হেজাৰ

টকা দান আগবঢ়োৱা গীত-কবি পাৰ্বতিপ্ৰসাদ বৰুৱাক সম্ভাষণ জনায়। শাৰীৰিক অসুস্থতাৰ বাবে বৰুৱাই জিলা-গ্ৰন্থাগাৰৰ ওপৰ মহলাত অনুষ্ঠিত হোৱা সভালৈ উঠিব নোৱাৰি লাইখুটা থাপনা কৰা ঠাইতে বৈ থাকিবলগা হৈছিল।

ভৱন প্ৰতিষ্ঠা উপলক্ষে সম্পাদক ডক্টৰ নেওগৰ আহ্বানত ভাষাচাৰ্য্য সুনীতিকুমাৰ চট্টোপাধ্যায়দেৱে দ্বাদশ শতিকাৰ কৰ্ণাটকৰ বৈয়াকৰণ নাগৱৰ্মাৰ এটি শ্লোকৰ লগতে নিজে ৰচনা কৰি তলৰ শাৰীকেইটি পোহ দিলে আৰু সেয়ে এক মৰ্মৰ-ফলকৰ ৰূপত আজি-ভৱনৰ দুৱাৰমুখ শোভা কৰিছে :

আৰ্যৱাণীতুহিতেয়ং ভাষা প্ৰাগ্‌জ্যোতিষোত্তৰা।
মাতা নঃ কামৰূপিণী সদা স্যাচ্ছ্ৰেয়সে নৃণাম্॥
সভৈষাসম-সাহিত্য-সংস্কৃতি–সংৱিৱৰ্ধনী।
নৱীনং সদনমস্যা ৰক্ষতু তাং সদা মুদা॥

এইটি ভবিষ্যতলৈও সুনীতিকুমাৰৰ 'অসম-সাহিত্য-সংস্কৃতিলৈ শুভেচ্ছাৰ নিদৰ্শন হৈ ৰব।"

× × ×

১৯৬৫ চনৰ ২ জানুৱাৰী তাৰিখে গুৱাহাটীত অনুষ্ঠিত সদৌ ভাৰত প্ৰাচ্যবিদ্যা-সন্মিলনৰ সভাপতি অধ্যাপক ডক্টৰ বাসুদেৱশৰণ অগ্ৰৱালে সমস্ত ভাৰতৰ পণ্ডিত আৰু অসমৰ সাহিত্য-ৰসিকসকলৰ পবিত্ৰ সমাবেশত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ দুৱাৰ মুকলি কৰে।

As I envisage the duty of both the people and Government lies to such an organisation as the Sahitya Sabha, I hope and believe that will fufil their obligations especially towards programmes of publication and research. I hope Assam shall stand up with a lofty stature and move shoulder with other similar organisations of the country.

সাহিত্যং শ্ৰুতিমধুৰং ৰিশ্বৰাৰা চ সংস্কৃতিঃ।
কামৰূপস্য দেশস্য সায়তিঃ প্ৰথতাং সদা ॥
ভগৱতীপ্ৰসাদস্য ৰেশ্মেদং কীৰ্তিকাৰকম্।
শাৰদায়াঃ কৱীনাং চ সততং সন্নিধিং ৱ্ৰজেৎ ॥

× × ×

গুৱাহাটী ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ কাম-কাজ অসম সাহিত্য সভাই গঠন কৰি দিয়া স্বায়ত্বশাসিত অবৰক্ষণ সমিতিৰদ্বাৰা পৰিচালনা কৰা হয়। এই অবৰক্ষণ সমিতিত আছে অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ( সভাপতি ), ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ ( কোষাধ্যক্ষ ), অধ্যাপক শ্ৰীযোগেশ দাস ( সদস্য ), অসম সাহিত্য সভাৰ গুৱাহাটীৰ সহ-সম্পাদক নাইবা গুৱাহাটীস্থ প্ৰধান সম্পাদক ( সচিব ) আৰু দাতাৰ পৰিয়ালৰ এজন।

এই ভৱনৰ দুৱাৰদলি পাৰ হৈ দেখা পোৱা বেজবৰুৱাৰ আবক্ষ মৰ্মৰ মূৰ্তিটোৰো ইতিবৃত্ত আছে, চমুকৈ কৈছোঁ :

সাহিত্যৰথী বেজবৰুৱাৰ তিৰোভাৱৰ পিছতেই গুৱাহাটীত এখন স্মৃতিৰক্ষা সমিতি গঠিত হৈছিল। সেই সমিতিৰ আগভাগ লৈছিল কালিৰাম মেধি ডাঙৰীয়াই আৰু তেখেতেই সভাপতিৰো ৰাব লৈছিল। সম্পাদক আছিল সম্ভৱতঃ হৰমোহন দাস। মেধি ডাঙৰীয়াই দাসৰ লগত এখন ঘোঁৰাগাড়ীত উঠি চহৰত দান-বৰঙণি সংগ্ৰহ কৰি ফুৰা দেখা গৈছিল। বিহগী কবি ৰঘুনাথ চৌধাৰীয়েও মেধি আৰু দাসৰ লগত থাকি সততে বেজবৰুৱাৰ নামত শ্ৰমদান কৰিছিল। তেতিয়াৰ দিনত আজিকালিৰ দৰে এনেবোৰ নিৰামহীয়া কামৰ বাবে ধন পোৱাটো বৰ সহজ কথা নাছিল। তথাপি বাইজে নথ জোকাৰিলে নৈ বয়। ত্ৰিমূৰ্তিয়ে দেহেকেহে খাটি আৱশ্যকীয় ধন আদায় কৰি কলিকতাৰপৰা সাহিত্যৰথীৰ মৰ্মৰ মূৰ্তি নিৰ্মাণ কৰাই আনিলে।

নিৰ্দিষ্ট দিনত ( চন-তাৰিখ মনত নপৰে ) কাৰ্জন হলত ( নবীন

ৰৰদলৈ হল) বেজবৰুৱা মূৰ্তিৰ উন্মোচনী সভা সম্পন্ন হ'ল। সেই সভাত বেজবৰুৱাৰ ৰৰজী-জোঁৱাই (শ্ৰীমতী অৰুণা দেৱী আৰু ৰাজ্যৰত্ন সত্যব্ৰত মুখাৰ্জী) আৰু গুৱাহাটীৰ বাহিৰৰ ভালেমান বিশিষ্ট অতিথিও উপস্থিত আছিল। দবাপিটা বৰষুণ দি থকা সত্ত্বেও যথেষ্ট দৰ্শকৰ সমাগমে মেধি ডাঙৰীয়াৰ ঐকান্তিক শ্ৰম সাৰ্থক কৰি তুলিছিল। অনুষ্ঠানত পৌৰোহিত্য কৰিছিল জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই।

বছৰদিয়েক সাহিত্যৰথীৰ মূৰ্তিটো কাৰ্জন হলত এঢুকীয়া আৰু অবহেলিত হৈ আছিল। ইতিমধ্যে সাহিত্য সভাৰ নিজা গৃহ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্মিত হৈ উঠাত সাহিত্যৰথীৰ মূৰ্তিটোও তালৈ কাৰ্জন হলৰপৰা স্থানান্তৰিত কৰি, নকৈ উপস্থাপন কৰা হ'ল সম্পাদক হৰিপ্ৰসাদ নেওগৰ কাৰ্য্যকালত। সাহিত্য-মন্দিৰত সাহিত্য-ৰথীৰ বিগ্ৰহ প্ৰতিষ্ঠা হোৱাত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ সৌষ্ঠৱ বাঢ়িল। জেউতি চৰিল।

উল্লেখযোগ্য যে সচিব হিচাপে ভৱনৰ দায়িত্বত থকা কালত শ্ৰীনন্দ তালুকদাৰৰ (সাহিত্য সভাৰ সহ-সম্পাদক) তৎপৰতাত অসম সাহিত্য সভাৰ প্ৰায়বিলাক স্বৰ্গত্তম প্ৰাক্তন সভাপতিৰ চিত্ৰ উত্তৰাধিকাৰীসকলৰ দানেৰে সংগ্ৰহ কৰি ভৱনৰ জেউতি চৰোৱা হয়।

## দুখন গ্ৰন্থ

অসম সাহিত্য সভাই এতিয়ালৈকে অলেখ গ্ৰন্থ যুগুত কৰি প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত সৰু-বৰ, বিখ্যাত-অখ্যাত নানা তৰহৰ পুথি আছে। এই খণ্ডত পটভূমিৰে চিনাকি দিয়া গ্ৰন্থ দুখনৰ বাহিৰেও ভাষণাৱলী ( চাৰিখণ্ড ), পৱিত্ৰ অসম, খণ্ডবাক্যকোষ আদি অসমীয়া সাহিত্যই গৌৰৱ কৰিব পৰা বহুত কিতাপ আছে। এই সকলোবোৰ গ্ৰন্থৰ পৰিচয়মূলক তালিকাৰ সুকীয়া গ্ৰন্থ এখন শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰদ্বাৰা সংকলিত আৰু সম্পাদিত হৈ ওলোৱাত আমাৰ কাম লাঘৱ হৈছে। সেই কাৰণে ইয়াত কেৱল দুখন যুগজয়ী গ্ৰন্থৰ কথাহে কৈছোঁ।

## চন্দ্ৰকান্ত অভিধান

চন্দ্ৰকান্ত অভিধান অসম সাহিত্য সভাৰ এক জয়স্তম্ভ। এই অভিধানৰ লগত একাধিক করুণ-মধুৰ স্মৃতি মিহলি হৈ আছে। গ্ৰন্থখন প্ৰণয়নৰ কাম আৰম্ভ হৈছিল সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ কাৰ্য্যকালত আৰু শেষ হৈছিল দেৱেশ্বৰ চলিহাৰ কাৰ্য্যকালত। দুইজন সম্পাদকৰ বক্তব্যেৰে গ্ৰন্থখনিৰ পটভূমিৰ চিনাকি দিয়া হ'ল।

শৰৎ গোসাঁয়ে লিখিছে : "চন্দ্ৰকান্ত সন্দিকৈ ভৱন হোৱাৰ লগে লগে চন্দ্ৰকান্ত অভিধান লিখোৱাৰ দিহা কৰা হ'ল। পোনতে ৰায়-চাহাব দুৰ্গাধৰ বৰকটকীক এই কাম দিয়া হৈছিল। তেখেতে অলপ দিন চেষ্টা কৰি এই কাম এৰি দিলে, আৰু নিজে প্ৰকাশৰ ব্যৱসায় কৰিব বুলি কলিকতালৈ গ'ল। তেতিয়া মানুহ বিচাৰি স্থিৰ হ'ল, শ্ৰীযুত কৌঁহিৰাম দাস বি-এদেৱক এই কামৰ কাৰণে আনিব লাগে। শ্ৰীযুত কৌঁহিৰাম দাসে ১৯০৫।০৬ চনত ভাল কৰি বি-এ পাছ কৰে।

এওঁ বৰ মেধাবী মানুহ। দৈৱদুৰ্বিপাকত তেওঁ কোনো ভাল চাকৰি নাপালে। তেতিয়া তেওঁ ঘৰতে বহি আছিল। মই তেওঁক ভাল কৰি চিনি নাপাওঁ। তেওঁৰ গুণ আৰু বিদ্যাহে জানো। শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত কুলধৰ চলিহা আদিয়ে তেওঁক ভাল কৰি জানে। গতিকে তেওঁক অনা হ'ল।

তেওঁক আনি এটা ডাঙৰ কাম কৰা হ'ল। অভিধান লেখাৰ যিমান কাম, আৰু তাৰ মাজত যিমান বেমেজালি, আৰু শব্দ এটাৰ অৰ্থ ব্যাখ্যা লেখিবলৈ যিমান ধৈৰ্য্য আৰু শ্ৰমৰ আৱশ্যক হ'ল, তাকে দেখি আৰু ভালদৰে জানি মোৰ দৃঢ় বিশ্বাস হ'ল যে কৌঁহিৰাম বাবু ব্যতিৰেকে তেতিয়া আন কোনো এজন অসমীয়া মানুহ নাছিল, যি এনে বৃহৎ কামটো ইমান ভাল কৰি কৰিব পাৰিলেহেঁতেন। মই মাজে মাজে ভাবোঁ যে কৌঁহিৰাম বাবুৰ দৰে তেতিয়াৰ দিনৰ কৃতবিদ্য মানুহ এজনে এটা গৱৰ্ণমেণ্ট চাকৰি নোপোৱাটোতেই যেন বিধিৰ বিধান লুকাই আছিল যে এদিন অসমীয়া ভাষাত চন্দ্ৰকান্ত অভিধান এখন ওলাব লাগিব। সি যি নহওক, যি চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলাল, সি কৌঁহিৰাম বাবুৱে লিখা সম্পূৰ্ণ অভিধান নহয়। নানান প্ৰকাৰ উদাহৰণ আৰু প্ৰয়োগ দেখুৱাই শব্দাৰ্থ আদি লেখিছিল, আৰু শব্দও আছিল অনেক। পিছৰ কালত অভিধান ছপাবৰ সময়ত বিশেষ বিবেচনা নকৰা কৰি কৌঁহিৰাম বাবুৱে লেখা বহুত প্ৰয়োগ ব্যাখ্যা শব্দ আদি কাটি দিয়া হ'ল।

দুখৰ বিষয় যে চন্দ্ৰকান্ত অভিধানৰ পাতনিত বা আন ক'তো মোৰ নামৰ কথাই নাই, আনকি কৌঁহিৰাম বাবুৰ নাম পৰ্য্যন্তও উল্লেখ নহ'ল।

চন্দ্ৰকান্ত অভিধান তৈয়াৰ কৰাত এই কেইজন মানুহে খাটিছিল:

শ্ৰীযুত কৌঁহিৰাম দাস ( সৰ্থেবাৰী ), ৺ৰুদ্ৰকান্ত গোস্বামী ( নগাঁও ), শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা ( যোৰহাট )।"

আনজন প্ৰধান সম্পাদক দেৱেশ্বৰ চলিহাই তেখেতৰ বক্তব্যত

লিখিছে : "চন্দ্ৰকান্ত অভিধান হৰ্ষ-বিষাদৰ বস্তু। দেশৰ এগৰাকী সুসন্তানৰ দানৰ গুণত মাতৃভাষাই ন-কৈ এখন অভিধান পালে, ই অৱশ্যে হৰ্ষৰ কথা। কিন্তু, এই অভিধান আকুল হিয়াৰ ব্যাকুল বিননি। ই শোকাকুল পিতাই চকুলোৰ আঁজলিৰে কৰা পুত্ৰৰ তৰ্পণ—বাপেকে মৃত পুতেকৰ হৈ ৰখা সোঁৱৰণী-চিন। কিন্তু এই চিনেই অসমত চিৰদিনলৈ পিতা-পুত্ৰৰ উভয়ৰে চিনাকি-চিন হৈ জিলিকি থাকিব। ই চন্দ্ৰকান্ত, ৰাধাকান্ত, দুয়োকো অসমীয়া সাহিত্যত অমৰ কৰিলে।**

এই অভিধানৰ অৰ্থে সন্দিকৈ ডাঙৰীয়াৰ বিষম খাটনিলৈ চালে বাস্তবিকতে বিস্ময় মানিব লাগে। তেখেতে ইয়াৰ বাবে যতখিনি ডাঙৰ ডাঙৰ কিতাপ লুটিয়ালে, জাপে জাপে যতবোৰ কাগজ লিখিলে লোকে লিখা যতবোৰ বহী ঘূৰাই ঘূৰাই পঢ়িলে, ছপাখানাৰ আহি কাকত শুধৰালে—মুঠতে ১৯২৩ চনৰেপৰা আজি এই ন-দহ বছৰ জুৰি বয়সিয়াল অসুস্থ দেহাৰে যি অগাধ পৰিশ্ৰম কৰিলে, অৰ্থদানৰ কথাকে নকওঁ, তেখেতৰ অকল এই পৰিশ্ৰমৰে ধাৰ পৰিশোধ কৰাটো টান কাম। তেখেতৰ নেৰানেপেৰা পৰিশ্ৰমৰ গুণতহে এই অভিধান ইমান দিনতে ওলাব পাৰিছে।"

মুঠতে নানা আলৈ-আহুকাল, ধুমুহা-ঢেৰেকনি অতিক্ৰম কৰি চন্দ্ৰকান্ত অভিধানে পোহৰৰ মুখ দেখা পালে। অসম সাহিত্য সভাৰ পক্ষে গৌৰৱৰ কথা যে হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ নিচিনাকৈ অসম সাহিত্য সভাৰ এই চন্দ্ৰকান্ত অভিধানেও চৰ্কাৰ, বিশ্ববিদ্যালয় আৰু ৰাইজ সকলো পক্ষৰ স্বীকৃতি লাভ কৰিলে।

এইখিনিতে এষাৰ কথা কব পাৰি যে দাতা আৰু সাহিত্য সভাৰ দলিল-পত্ৰত 'চন্দ্ৰকান্ত অভিধান'ৰ লগতে 'ইন্দ্ৰকান্ত বুৰঞ্জী'ৰ কথাহে উল্লেখ কৰা হৈছে। বেজবৰুৱা ডাঙৰীয়াই তেখেতৰ সভাপতিৰ ভাষণত অভিধান আৰু ব্যাকৰণৰ কথাহে কৈছে। ইয়াৰদ্বাৰা এনে কথা ভাবি লব পাৰি যে প্ৰথমতে হয়তো ব্যাকৰণৰ কথাহে ভৰা হৈছিল; কিন্তু পিছত বিতৰ্কমূলক ব্যাকৰণ বাদ দি সেই ঠাইত

বুৰঞ্জীৰ পৰিকল্পনা লোৱা হ'ল। পিছে চন্দ্ৰকান্ত অভিধান মুগুত কৰোঁতেই সাহিত্য সভাৰ সমগ্ৰ শক্তি নিঃশেষ হৈ যোৱাত ইন্দ্ৰকান্ত বুৰঞ্জীৰ কথা একেবাৰে তল পৰিল। আজি ইমান বছৰে সাহিত্য সভাই সেই বিষয়ে চিন্তাও মনলৈ অনা নাই।

× × ×

প্ৰথম তাঙৰণৰ ছপা কিতাপ শেষ হোৱাত দাতা-পুত্ৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ ইচ্ছা অনুসৰি ইয়াৰ প্ৰকাশৰ ভাৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ হস্তান্তৰিত হ'ল। ৎ সম্পাদনা সমিতিৰ আটাইকেইজন সদস্যই আছিল বিশ্ববিদ্যালয়ৰ লগত জড়িত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। এই সম্পৰ্কে গ্ৰন্থৰ তদাৰককাৰী ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই লিখিছে: "দানবীৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ সাহায্যৰ বলত চন্দ্ৰকান্ত ন্যাস সমিতিৰ উদ্যোগত চন্দ্ৰকান্ত অভিধান ১ম সংস্কৰণ ১৯৩৩ চনত প্ৰকাশ কৰি উলিয়ায়। ১৯৫২ চনৰ ২৬ জানুৱাৰী তাৰিখে ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ মৃত্যু ঘটে। তেখেতৰ জ্যেষ্ঠপুত্ৰ আৰু তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱে অভিধানখনিৰ ২য় সংস্কৰণৰ প্ৰস্তুতি আৰু প্ৰকাশনৰ বাবে দান দিবলৈ আগবাঢ়ি আহে। অসম সাহিত্য সভা আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস-সমিতিয়ে ২য় সংস্কৰণৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ক অৰ্পণ কৰে।

বিশ্ববিদ্যালয়ৰ কাৰ্য্যপালিকাই ১৯৫৪ চনৰ মেই মাহত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা ( আহ্বায়ক ), অধ্যাপক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, অধ্যাপক ( পিছত ডক্টৰ ) মহেশ্বৰ নেওগ, অধ্যাপক ( পিছত ডক্টৰ ) সত্যেন্দ্ৰনাথ শৰ্মাক লৈ চন্দ্ৰকান্ত অভিধান সংশোধন সমিতি নামে এখন সমিতি গঠন কৰি দিয়ে।

দ্বিতীয় তাঙৰণৰ কিতাপবো হাড়ত বন গজিল। আজি বহু বছৰেও বিশ্ববিদ্যালয়দ্বাৰা তৃতীয় তাঙৰণ মুগুতোৱাৰ কাম শামুকীয়া গতিৰে হেনেকৈনেচা হেনেকৈনেচাকৈ চলিব লাগিছে।

## বেজবৰুৱা গ্ৰন্থাৱলী

বেজবৰুৱা গ্ৰন্থাৱলী দুইখণ্ড চন্দ্ৰকান্ত অভিধানৰ পিছতে অসম সাহিত্য সভাৰ ডাঙৰ জিলিকা গ্ৰন্থ।

সাহিত্যৰথী বেজবৰুৱাৰ তিৰোধানৰ পিছত নতুন সাহিত্যৰ ধল আহিল, যান্ত্ৰিক ডিঙাত পশ্চিমৰপৰা মুকুতা-সাউদ আহিল কিন্তু শক্তিশালী নেতা নোহোৱা হ'ল, সুবাহু গুৰিয়াল নোহোৱা হ'ল, ব্যাকৰণ-অভিধানৰ অনুশাসন নোহোৱা হল, কাকো কোনেও নমনা হ'ল, পোতা পুখুৰীত বাকেই ৰজা হ'ল। শিক্ষিতৰ সংখ্যা বাঢ়িল, কিন্তু শিক্ষাৰ মান কমিল। পণ্ডিতৰ সংখ্যা বাঢ়িল কিন্তু পাণ্ডিত্যৰ গভীৰতা টুটিল। সংস্কৃতিৰ 'পদুমকলি' নাচ দুষ্কৃতিৰ দেওপাৰণিত তল পৰিল। বহলকৈ দুখৰ বকলা নেমেলি আচল কথালৈ আহোঁ বাৰু।

লক্ষ্মীনাথ বেজবৰুৱাই তেওঁ লিখা বিভিন্নধৰ্মী প্ৰবন্ধ-আলচবোৰ গোটাই ভাগ ভাগকৈ বেলেগ বেলেগ পুথি প্ৰকাশ কৰাৰ আঁচনি মনত ভৰি লোৱা নাছিল। সেই সময়ৰ তাকৰীয়া অসমীয়া পঢ়ুৱৈ সমাজ, প্ৰকাশ-প্ৰতিষ্ঠানৰ অভাৱ, চৰ্কাৰৰ উদাসীনতা আৰু ছপা কিতাপৰ প্ৰতি অসমীয়া মানুহৰ অনাদৰ অৱহেলালৈ লক্ষ্য কৰি তেওঁ ১৯১৫ চনৰ পিছৰপৰা কোনো কিতাপেই প্ৰকাশ কৰা নাছিল ; কিন্তু সেইবুলি যে তেওঁ সাহিত্য-চৰ্চাৰপৰা অৱসৰ লৈছিল, সেইটো নহয়। তেওঁ জীৱনৰ শেষ দিনলৈকে অমৃতবৰষা কাপক জিৰণি দিয়া নাছিল আৰু দৰাচলতে এইছোৱা কালতে সাহিত্যৰথীৰ সাহিত্য-জীৱনৰ পৰিপক্ক ফল, ঘাইকৈ 'বাঁহী'ৰ পাততে সিচঁৰতি হৈ মোক তোল মোক তোলকৈ পৰি আছিল। তেওঁৰ বিভিন্ন গ্ৰন্থত সন্নিবিষ্ট কৰি যোৱা সাহিত্য-সম্ভাৰতকৈ 'বাঁহী'ত ডাল ডাল হৈ থকা ৰচনাৰাজি কলেবৰত ডাঙৰ নহলেও সৰু নহব নিশ্চয়। দিন গৈ অহাৰ লগে লগে বেজবৰুৱা-সাহিত্য চকুৰ আঁৰ হবলৈ ধৰিছিল। ছপা কিতাপবোৰো নাইকিয়া হোৱাৰ দৰে হ'ল।

পুৰণি 'বাঁহী'ও দুষ্প্ৰাপ্য হ'ল। একুৰি বছৰ পাৰ হৈ যোৱা সত্বেও মাধবচন্দ্ৰ বেজবৰুৱা সংকলিত-প্ৰকাশিত 'মোৰ জীৱন সোঁৱৰণ' আৰু বিৰিঞ্চি বৰুৱা আৰু সত্যেন শৰ্মা সংকলিত সম্পাদিত 'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি' এই দুখন পুথিৰ বাহিৰে লক্ষ্মীনাথৰ কোনো মৰণোত্তৰ গ্ৰন্থ প্ৰকাশ হোৱা নাছিল অথচ চকুৰ আগতে গন্ধমাদন সদৃশ ৰচনা-ৰাজি প্ৰকাশৰ অপেক্ষাত বৈ আছিল।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে সাংস্কৃতিৰ ফালেদি গীত আৰু বোল-ছবিৰ যোগেদি বেজবৰুৱা-প্ৰতিভা বিকশাই তুলিবলৈ যত্ন কৰিছিল, কৃতকাৰ্য্যও হৈছিল। সেইদৰে সাহিত্যৰ ফালটোলৈ এই লেখকৰ চকু আছিল কিন্তু ১৯৬০ চনমানলৈ বিশেষ একো কৰিব পৰা নহৈছিল।

সাহিত্য সভাৰ সভাপতিৰ ভাৰখন এৰাৰ পিছত মোৰ মনত ধাৰণা হ'ল, এইদৰে হাত সাৱটি বহি থাকিলে নহব। যিখিনি সম্ভৱ তাকে নকৰিলে পাপে ছুব। ইয়াকে ভাবি প্ৰথমতে পুৰণি 'বাঁহী'ৰ প্ৰবন্ধৰাজিৰপৰা 'তত্ত্বকথা' নামেৰে এখন পুথি যুগুত কৰিলোঁ। এই পুথিখন পুৰণি 'বাঁহী'ৰ পাতৰপৰা জুকিয়াই লিপিবদ্ধ কৰি মই নিজৰ মনতে আনন্দ লভিলোঁ। বুজিব পাৰিলোঁ সঁচাকৈয়ে 'তত্ত্বকথা' এখন তত্ত্বগধুৰ ভাল গ্ৰন্থ হৈছে। হলে কি হব ? দেখা দিলে প্ৰকাশৰ সমস্যাই। বেজবৰুৱাৰ সকলো পুথিৰ স্বত্ব তেওঁৰ মাজুজীয়াৰী শ্ৰীমতী ৰত্নাৱলী দেৱীৰ হাতত ন্যস্ত। গতিকে তেওঁৰ সম্মতি বিচাৰি লিখালিখি কৰা হ'ল। কিন্তু তেওঁৰপৰা কোনো সন্তোষজনক সহাঁৰি নেপালোঁ। মনত বেজাৰ পাইছিলোঁ যদিও হতাশ হোৱা নাছিলোঁ। তাৰ পিছত অসম প্ৰকাশন পৰিষদৰ দুৱাৰত সহায়ৰ বাবে হাত মেলিলোঁ। দুখৰ বিষয় হাত কোচাই আনিবলগীয়া হ'ল। বেজবৰুৱাৰ 'তত্ত্বকথা' আৰু মোৰ পৰামৰ্শমতে শ্ৰীহেমন্তকুমাৰ শৰ্মাই যুগুত কৰা 'জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পত্ৰ' দুয়োখন কিতাপেই নামঞ্জুৰ হল। নিন্দিলে এদিন বন্দিবও লাগে। এতিয়া সেয়েহে পৰিষদে বেজবৰুৱা আৰু চৌধুৰী দুয়োজনকে বন্দিছে।

'তত্ত্বকথা'ৰ পিছতে বেজবৰুৱাৰ 'বৰবৰুৱাৰ বুলনি' সজাই উলিওৱা হৈছিল সাহিত্য-প্ৰকাশৰ সৌজন্যত ১৯৬৪ চনত। এইখন আছিল লক্ষ্মীনাথৰ চতুৰ্থখন কৃপাবৰী গ্ৰন্থ।

১৯৬৭ চনত বেজবৰুৱা শতবাৰ্ষিকী কাষ চাপি অহাৰ লগে লগে অসম সাহিত্য সভাই আৰু অসমৰ বাইজে বেজবৰুৱাৰ সাহিত্য 'পুৰণি চকুত নতুন দীপিতি' সানি চাবলৈ উত্ৰাৱল হৈ উঠে। এই মাহেন্দ্ৰ ক্ষণতে এই লেখকেও আৰু তিনিখন বেজবৰুৱা-গ্ৰন্থ স্বকীয়া পুথিৰ আকাৰত সংকলন-সম্পাদন কৰি উলিয়াবলৈ সুবিধা পাইছিল। সেই পুথিবোৰ হৈছে—(ক) কৃষ্ণকথা (খ) কেহোঁকলি (গ) অসমীয়া ভাষা আৰু সাহিত্য।

এনেদৰে স্বকীয়া পুথিৰ আকাৰত ছপা নোহোৱা আৰু কেবাখনো নতুন নতুন গ্ৰন্থও সংকলন আৰু সম্পাদন কৰি বেজবৰুৱা গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেইবোৰ হৈছে—(১) চৈতন্যদেৱ (২) পাতুমকলি (৩) বৰবৰুৱাৰ চিন্তাৰ শিলগুটি। এই পুথিকেইখনৰ বিষয়ে গ্ৰন্থাৱলীৰ 'জোৰণি'ত মোৰ বক্তব্য দিয়া হৈছে।

এতিয়া সুবৃহৎ 'বেজবৰুৱা গ্ৰন্থাৱলী' দুই খণ্ডৰ বিষয়ে আষাৰ-চেৰেক লিখি এই প্ৰসঙ্গৰ সামৰণি মাৰিম। বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই তৰি লোৱা বহুমুখী আঁচনিৰ ভিতৰত এই গ্ৰন্থাৱলী প্ৰকাশো ধৰা হৈছিল। ৰাজ্যিক চৰ্কাৰৰ পৰা পোৱা ছকুৰি হেজাৰ টকাৰ অনুদান বেজবৰুৱা উছৱৰ জাকজমকীয়া বাহ্যিক দিশটোৰ অৰ্থাৎ বেজবৰুৱা ডাকটিকট, বেজবৰুৱা ডাকঘৰ আৰু উৎসৱৰ লোকদেখনিয়াৰ কামবোৰ কৰোঁতেই সাহিত্য সভাৰ মোনাৰ তলি উদং হ'ল, ধাৰত টেটুৰ গুৰিলৈকে পোত গ'ল। অৱশেষত কাৰ্য্য-নিৰ্বাহক সমিতিয়ে প্ৰধান সম্পাদকক গ্ৰন্থাৱলী প্ৰকাশ সম্পৰ্কে যথাস্থানত যোগাযোগ কৰি আৱশ্যকীয় ব্যৱস্থা লবৰ বাবে কৰ্তৃত্ব দিয়ে। এই মৰ্মে শ্ৰীমতী ৰত্না বৰুৱা আৰু সাহিত্য প্ৰকাশৰ কৰ্তৃপক্ষৰ লগত হোৱা আলোচনা অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰা হয়

যে বেজবৰুৱাৰ সকলোখিনি গ্ৰন্থ বা অপ্ৰকাশিত পুথি আৰু প্ৰবন্ধসমূহো একেলগ কৰি অসম সাহিত্য সভাই সম্পাদন কৰিব আৰু এই গ্ৰন্থ সাহিত্য-প্ৰকাশে প্ৰকাশ কৰিব। ৩।৯।৬৬ তাৰিখে ভগৱতীপ্ৰসাদ বৰুৱা ভৰনত শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱৰ সভাপতিত্বত বহা শতবাৰ্ষিকী সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাৰ্য্যনিৰ্বাহক সমিতিয়েও এই সিদ্ধান্ত অনুমোদন কৰে। সিদ্ধান্ত অনুসৰি গ্ৰন্থাৱলী সম্পাদনাৰ বাবে এই লেখকক মুখ্য সম্পাদক হিচাপে লৈ এটি সম্পাদনা সমিতি গঠন কৰা হয়। সাহিত্য সভাৰ লগত সাহিত্য-প্ৰকাশে হাত মিলাই দিয়াতহে প্ৰকৃত অৰ্থত বেজবৰুৱা শতবাৰ্ষিকী সাৰ্থক হ'ল বুলি কব পাৰি।

সাহিত্য প্ৰকাশকৰ গুৰিয়াল স্বৰ্গগত ৰাধাগোবিন্দ বৰুৱা বেজবৰুৱা পৰিয়ালৰে এটি ৰত্ন। সাহিত্যৰথীৰ প্ৰতি তেখেতে বিশেষভাবে শ্ৰদ্ধাশীল নোহোৱা হলে হয়তো সাহিত্য-প্ৰকাশেও মুৰপোলোকা দিলেহেঁতেন।

বেজবৰুৱা গ্ৰন্থাৱলী কিমান ডাঙৰ গ্ৰন্থ হব পাৰে সেই কথা সাহিত্য-সভাই ভবা নাছিল আৰু সাহিত্য-প্ৰকাশেও বোধকৰোঁ চুক্তিবদ্ধ হওঁতে অনুমান কৰিব পৰা নাছিল। প্ৰথম খণ্ড বেজবৰুৱা গ্ৰন্থাৱলীৰ কাম শেষ হোৱাৰ আগলৈকে একেখন গ্ৰন্থতে বেজবৰুৱাৰ সকলোবিলাক গ্ৰন্থ সামৰি লবলৈ সাহিত্য-প্ৰকাশৰপৰা চেষ্টা চলোৱা হৈছিল। সাহিত্য-প্ৰকাশে খৰখেদা লগাই শতবাৰ্ষিকী উছৱৰ লগে লগে বেজবৰুৱা গ্ৰন্থাৱলী ছপাই উলিয়াবলৈ কিছু পৰিমাণে যত্ন কৰিছিল আৰু নিৰ্দিষ্ট দিনত প্ৰথম খণ্ডটোহে উলিয়াবলৈ সমৰ্থ হৈছিল; দ্বিতীয় খণ্ড উলিয়াইছিল দুবছৰ পিছত (১৪ ফেব্ৰুৱাৰী ১৯৭০ চন)। এই বৃহৎ গ্ৰন্থ দুখন জগন্নাথৰ ৰথৰ দৰে সহজে লৰচৰ কৰিব নোৱাৰা আৰু সৰ্বসাধাৰণে চুকি নোপোৱা বিধৰ হোৱা বাবে কোনো কোনোৱে অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰাৰ কথা আমি জানো৷ চাৰিখণ্ডমানত উলিয়াব পৰা হলে সকলোৰে

বাবেই গ্ৰহণযোগ্যও হ'লহেতেন নিশ্চয় ; তথাপি অসম সাহিত্য সভাৰ হৈ এই গ্ৰন্থ প্ৰকাশ কৰি সাহিত্য প্ৰকাশে যে দুঃসাহসিক প্ৰচেষ্টাৰে এটা যাউতীযুগীয়া ভাল কাম কৰিলে সেই কথা আমি স্বীকাৰ কৰিবই লাগিব।

সাহিত্য সভা আৰু সাহিত্য-প্ৰকাশৰ মাজত কি লাভালাভৰ চুক্তি হৈছিল মই জানিবৰ ইচ্ছা কৰা নাছিলোঁ। এই সম্পৰ্কত মোৰ আৰু অধ্যাপক শ্ৰীযোগেশ দাসৰ বিনামূলীয়া শ্ৰমদান বেজবৰুৱাৰ নামত অৰ্পণ কৰা হৈছিল।

দুখৰ বিষয় দুইখণ্ড গ্ৰন্থাৱলীত নিৰ্দিষ্ট কৰি লোৱা পৰিসৰৰ বেজবৰুৱা-সাহিত্যৰ বৃহৎ গন্ধমাদন পৰ্বতটোৰ থকা সম্পূৰ্ণ ৰচনাৱলী সামৰি লব পৰা নহ'ল। ধৰ্ম-কথা, বিবিধ প্ৰবন্ধ, কাহুদি-খাৰলি, সম্পাদকৰ কথা আদি সামৰি খনচেৰেক পুথি আধৰুৱাকৈ মুগুতাই থোৱাতেই বৈ গ'ল ; তদুপৰি পত্ৰলেখা, চিত্ৰলেখা, দিনলেখা আদি সাহিত্য সভাই ডক্টৰ মহেশ্বৰ নেওগৰ সম্পাদনাত সুকীয়াকৈ ছপাই উলিয়াইছে।

আমাৰ হাতত গোট খোৱা অব্যৱহৃত প্ৰবন্ধ পাতি সাহিত্য-প্ৰকাশৰ হাতত শোধাই দিয়া হৈছে। ভবিষ্যতে এই সকলোখিনি গোটাই গ্ৰন্থাৱলীৰ তৃতীয় খণ্ড উলিয়াব পাৰি। কিন্তু সেয়া কেতিয়াবা হৈ উঠিব জানো ? ছেগ চাই কঠীয়া পাৰি যিখিনি কৰিব পৰা হ'ল, তাকেই শোলাৰ মুখত মাখি বুলি সান্ত্বনা লভিব লাগিব।

# অসম সাহিত্যসভা পত্ৰিকা

অসম সাহিত্য সভাৰ প্ৰথম নগাও অধিবেশনত গৃহীত হোৱা প্ৰস্তাবৰ মৰ্ম অনুসৰি পিছৰ বছৰৰপৰা ( ১৯২৬ চন ) 'অসম সাহিত্য সভা পত্ৰিকা'ৰ প্ৰকাশ আৰম্ভ হয়। প্ৰথম সম্পাদক চন্দ্ৰধৰ বৰুৱা সাহিত্য-ৰত্ন। প্ৰথম সংখ্যা ১৮৪৮-৪৯ সালৰ আহিন-আঘোণ সংখ্যা হৈ ওলাইছিল। প্ৰথমতে তিনিমহীয়াকৈ বছৰত চাৰিবাৰ প্ৰকাশ হৈছিল। বছেৰেকীয়া বৰঙণি আছিল চাৰিটকা। চাৰি টকীয়া বৰঙণি দিয়া সাহিত্য সভাৰ সভ্যসকলক বিনামূলীয়াকৈ কাকতখন দিয়া হৈছিল।

প্ৰথম বছৰৰ প্ৰথম সম্পাদকীয়ত বৰুৱা ডাঙৰীয়াই লিখি গৈছে : "অসম সাহিত্য সভাৰ সিদ্ধান্তৰ ফলস্বৰূপে 'অসম সাহিত্য সভা পত্ৰিকা'ই আজি ভগৱানৰ করুণা আৰু ৰাইজৰ আশীৰ্বাদ ভিক্ষা কৰি জন্ম গ্ৰহণ কৰিছে।

এই পত্ৰিকাৰ সাহিত্যসেৱাই একমাত্ৰ উদ্দেশ্য। আৰু সমগ্ৰ অসম দেশৰ আধুনিক সাহিত্যৰ সৰ্ববাদীসন্মত আদৰ্শ অনুসৰণ কৰাই প্ৰধান লক্ষ্য। দৰ্শন, বিজ্ঞান, ইতিহাস, অৰ্থনীতি প্ৰভৃতি সাহিত্যৰ সকলো শাখাৰে নীৰৱভাবে চৰ্চা কৰিবলৈ ই সদায় যত্ন কৰিব। এই পত্ৰিকা অসম সাহিত্য সভাত ৰতি থকা, অসম সাহিত্য সভাৰ মঙ্গল কামনা কৰা সকলো মানুহৰে উমৈহতীয়া সম্পত্তি। ইয়াক মৰমৰ চকুৰে চাবলৈ, ইয়াক সজ বাট লগাই দিবলৈ, ইয়াক মহৎ উদ্দেশ্যৰ জোখাৰে গঢ় লগাই লবলৈ, তেখেত-সকলৰ ওচৰত আমি অতি সৰলভাবেৰে মিনতি কৰিছোঁ, আৰু আমাৰ এই চেষ্টাত তেখেতসকলৰ সম্পূৰ্ণ সহানুভূতি ভিক্ষা কৰিছোঁ।"

প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ লেখকসকল আছিল : অম্বিকাগিৰি ৰায়চৌধুৰী ( অনিত্যতা—কবিতা ), জ্ঞানদাভিৰাম বৰুৱা ( নগাও অধিবেশনৰ আদৰণী অভিভাষণ ), শৰৎচন্দ্ৰ গোস্বামী, প্ৰধান সম্পাদক ( সন্মিলনৰ কাৰ্য্যবিবৰণি, প্ৰতিশ্ৰুত মেডেল ), পত্ৰিকা সম্পাদক 'অসম' আৰু 'অসমীয়া'ৰ উচ্চাৰণ, 'অসম নে 'আসাম' )

'শৰৎচন্দ্ৰ গোস্বামী' ( অসম সাহিত্য সভাৰ কাৰ্য্যবিবৰণি ), ৰোমেশ্বৰ শৰ্মা ( অসম সাহিত্য সভাৰ লাইব্ৰেৰীৰ কিতাপৰ তালিকা ), শৰৎ-চন্দ্ৰ গোস্বামী ( অসম সাহিত্য সভা সংবাদ, ৯ম বছৰৰ কাৰ্য্যবিবৰণি ) ষড়ানন কাব্যতীৰ্থ ( দৰ্শন শাখাৰ অভিভাষণ ), পত্ৰিকা সম্পাদক ( আকৌ গুৱালপাৰ বিচ্ছেদৰ আন্দোলন ), Dr. S. K. Mitra ( আমাৰ খেতি আৰু খেতিয়ক ), নীলনাথ শৰ্মা ( ১৮শ শতিকাৰ শেষ ভাগত অসমৰ অৱস্থা ), হিতেশ্বৰ বৰবৰুৱা ( কলিতাফুকনৰ বিদ্ৰোহ ), সুৰেন্দ্ৰমোহন দাস ( গুৱালপাৰ জিলাৰ পুৰণি তথ্য ), সম্পাদক ( গুৱালপাৰত অসম সাহিত্য সম্মিলন )

এই অসম সাহিত্য সভাৰ হীৰক-জয়ন্তী বৰ্ষত পত্ৰিকাখনে চৌত্ৰিছ বছৰ বয়সত ভৰি দিছে। ইয়াৰ প্ৰথম সম্পাদক চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়া আৰু এতিয়ালৈকে শেষৰ জন সম্পাদক শ্ৰীযোগেন্দ্ৰ-নাৰায়ণ ভূঞা। ইয়াৰ মাজতে আৰু ভালেমান কৃতবিদ্য লোকে কাকতখনৰ সম্পাদনা কৰি বিনামূলীয়া শ্ৰমদান আগবঢ়াই গৈছে। সেই সকলৰ নাম ধাৰাবাহিকভাৱে পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে।

চৌত্ৰিছবছৰীয়া জীৱনত পত্ৰিকাৰ মূৰৰ ওপৰেদি বহুত ৰিষ্ট পাৰ হৈ গৈছে। সুখৰ দুখৰ বহু কথাও সাঁচতীয়া হৈ ৰৈ গৈছে। তিনিমহীয়া কাকতখনে এমহীয়া হৈ এবছৰ ওলাই নতুন অভিলেখ এটা সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাইছিল। কিন্তু জাতো গল, পেটো নভৰিল। আৰ্থিক দিশৰ পৰা এই পত্ৰিকা অসম সাহিত্য সভাৰ এটা ব'গা হাতী। সেয়ে হলেও ই অসম সাহিত্য সভাৰ এক অবিচ্ছেদ্য অঙ্গ। সেই কাৰণে পোহপাল দি আৰু যথোপযুক্তভাৱে আগডাল কৰি ইয়াক জীয়াই ৰাখিবই লাগিব। ইমান বছৰে পত্ৰিকাৰ পাততে সিঁচৰতি হৈ বিভিন্নধৰ্মী বহুমূলীয়া প্ৰবন্ধবোৰ গোটাইপিটাই সংকলিত কৰি ভাগে ভাগে উলিয়াব পাৰিলে সাহিত্য-ভঁৰাল চহকী হব, সভাৰ মৰ্য্যাদাও বাঢ়িব।

# অসম সাহিত্য সভাৰ
# বিভিন্ন বঁটাৰ বাবে পুৰস্কৃত গ্ৰন্থ

## শিশু-সাহিত্য

১। কথা-মহাভাৰত—যোগেশ্বৰ শৰ্মা
২। মহাৰাজ নৰনাৰায়ণ—বিনন্দচন্দ্ৰ বৰুৱা
৩। ৰাজস্থানৰ গল্প—বিনন্দচন্দ্ৰ বৰুৱা
৪। সৰল ৰসায়ণ—চিন্তাহৰণ পাটগিৰি
৫। বিজ্ঞানৰ সাধু—ড° ৰোহিণীকান্ত বৰুৱা
৬। লম্বোদৰ বৰাৰ জীৱনী—জীৱন বৰুৱা
৭। আনন্দৰাম বৰুৱাৰ জীৱনী—সোণাৰাম শইকীয়া
৮। হেমচন্দ্ৰ বৰুৱাৰ জীৱনী—প্ৰেমধৰ ৰাজখোৱা
৯। পানীন্দ্ৰনাথ গগৈৰ জীৱনী—ভ্ৰমৰ শইকীয়া
১০। গুণাভিৰাম বৰুৱাৰ জীৱনী—আজলীতৰা নেওগ
১১। বৈজ্ঞানিক আৱিষ্কাৰৰ কাহিনী—দিনেশচন্দ্ৰ গোস্বামী
১২। সাগৰৰ কথা—ৰমেশচন্দ্ৰ গোস্বামী
১৩। ৰামধেনু-কামধেনু—দেৱেন আচাৰ্য্য
১৪। অসমৰ চৰাই চিৰিকতি—মামণি গোস্বামী
১৫। জীৱ-জগতৰ সাধু—ফাইজনুৰ আলি
১৬। জুনুমণিৰ বিজ্ঞান—অমৃত ফুকন
১৭। মূলাগাভৰু আৰু জয়মতী—লীলা গগৈ
১৮। ভূগোলৰ চাৰিজন আৱিষ্কাৰক—মোহন চৌধুৰী

## কবিতা

১। ফুলি থকা সূৰ্য্যমুখী ফুলৰ ফালে—নীলমণি ফুকন (২)

২। বিভিন্ন দিনৰ কবিতা—হীৰেন ভট্টাচাৰ্য্য

## নাটক

১। জুমলীকুঁৱৰী—নকুলচন্দ্ৰ ভূঞা

২। চোৰ—আব্দুল মজিদ

৩। নিবাৰণ ভট্টাচাৰ্য্য—অৰুণ শৰ্মা

৪। বাঘ—হিমেন্দ্ৰ বৰঠাকুৰ

৫। জন্ম—মহেন্দ্ৰ বৰঠাকুৰ

## উপন্যাস

১। সাধনা—দণ্ডিনাথ কলিতা

## বিবিধ

১। অসমৰ জনজাতি (খাছি)—ফণী শৰ্মা (ছিলং)

২। অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ—ড° সত্যেন্দ্ৰনাথ শৰ্মা

৩। অসমীয়া গল্প-সাহিত্য—ত্ৰৈলোক্যনাথ গোস্বামী

৪। জিজ্ঞাসাবাদ—বিজয়চন্দ্ৰ ভাগৱতী

## অলঙ্কৰণ

১। প্ৰাচ্য শাসনাৱলী—অসম প্ৰকাশন পৰিষদ

২। সত্ৰীয়া নৃত্য আৰু নৃত্যৰ ভাস্কৰ্য্য—ঐ

৩। অসমীয়া গল্প সাহিত্য—ত্ৰৈলোক্য নাথ গোস্বামী

৪। আউনীআটী সত্ৰৰ বুৰঞ্জী—আউনীআটী সত্ৰ

# উপাধি, অভিনন্দন, সম্বৰ্দ্ধনা

১৯২০ চনৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ তৃতীয় অধিবেশনত ১৮।৩।২৪ অসমীয়া ভাষাৰ বিভিন্ন দিশত পাৰদৰ্শীসকলক 'ৰত্ন', 'ভট্টি' আদিৰ দৰে উপাধিৰে সন্মানিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু সেই সিদ্ধান্ত পিছত কাৰ্য্যকৰী কৰা নহ'ল। বহু বছৰৰ ব্যৱধানত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ পৌৰোহিত্যত ছিলঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশত ৯।১১।৫২ গুণী সাহিত্যিকসকলক সাহিত্য সভাৰ ফালৰপৰা উপাধি প্ৰদান কৰিব লাগে বুলি পুনৰ এটা প্ৰস্তাৱ গৃহীত হৈছিল। সেই প্ৰস্তাৱৰ মৰ্ম অনুসৰি তপতে তপতে তাৰ পিছৰ বছৰত 'ফুলৰ শৰাই' ৰচয়িত্ৰী চিৰৰুগ্না কবি ধৰ্মেশ্বৰী দেৱীবৰুৱানীক 'কাব্যভাৰতী' উপাধিৰে বিভূষিতা কৰা হৈছিল। এই প্ৰস্তাৱ বহু বছৰ আগতে গ্ৰহণ কৰা হৈছিল যদিও এতিয়ালৈকে দেৱী বৰুৱানীৰ বাহিৰে আন কাকো উপাধি দিয়া হোৱা নাছিল। সন্তোষৰ কথা, এইবাৰ হীৰক-জয়ন্তী বৰ্ষত সকলোৰে শ্ৰদ্ধাভাজন ভাষাচাৰ্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱক 'সদস্য-মহীয়ান' ( Fellow ) উপাধিৰে সন্মানিত কৰি এই বছৰৰ কাৰ্য্যনিৰ্বাহকে সভাৰ অচল হৈ থকা পুৰণি প্ৰস্তাৱ এটা সচল কৰি তুলিছে। পিছলৈ নথৈ হীৰক-জয়ন্তী সভা সমাৰোহতে এই বঁটা প্ৰদান কৰা হলে সোণত সুৱগা চলিলহেঁতেন।

× × ×

অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনত গৃহীত প্ৰস্তাৱ অনুসৰি দুগৰাকী মাথোন বৰেণ্য সাহিত্যিকক অভিনন্দিত কৰা হৈছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক তেখেতৰ জন্মস্থান শিৱসাগৰত, জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত বছেৰেকীয়া অধিবেশনত ( ১৯৩১ চন ) অভিনন্দন আৰু সভাপতিৰ

আসনৰপৰা 'ৰসৰাজ' উপাধি দিয়া হয়। সাহিত্যগুৰু পদ্মনাথ গোহাঞিবৰুৱাক তেখেতৰ জন্মস্থান উত্তৰ লক্ষ্মীমপুৰত জ্ঞানদাভিৰাম বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত বছেৰেকীয়া অধিবেশনত (১৯৩৩ চন) অভিনন্দন দিয়া হয়।

ইয়াৰ পিছত কাকো অভিনন্দন দিয়া হোৱা নাই কিন্তু কাৰ্য্য-নিৰ্বাহকে ভালেকেইজনক মানপত্ৰ দি সম্বৰ্দ্ধনা জনাই আহিছে। এনে সম্বৰ্দ্ধনাৰ পাতনি মেলে সম্পাদক ড° শ্ৰীমহেশ্বৰ নেওগে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সম্বৰ্দ্ধনাৰে। ১৯৬১ চনৰ ২০ জানুৱাৰীৰ সন্ধিয়া এই অনুষ্ঠান পতা হৈছিল কটন কলেজ ছুদমাছন ভৰনত। সভাপতিত্ব কৰিছিল কথাশিল্পী হলীৰাম ডেকা (প্ৰাক্তন মুখ্যন্যায়াধীশ) ডাঙৰীয়াই। তলত সম্পূৰ্ণ তালিকা দিয়া হ'ল।

## সম্বৰ্দ্ধিতসকল

১। ৰঘুনাথ চৌধাৰী (গুৱাহাটী—২০।১।৬১)
২। প্ৰমথনাথ চক্ৰবৰ্তী (ধুবুৰী—১০।৮।৬৬)
৩। দেৱানন্দ ভ'ৰালী (যোৰহাট—৩১।৯।৬৬)
৪। মহাদেৱ শৰ্মা (তেজপুৰ—১০।৮।৬৬)
৫। শৈলধৰ ৰাজখোৱা (ডিব্ৰুগড়ত—ডিচেম্বৰ ১৯৬৬)
৬। ডাঃ শ্ৰীদীননাথ শৰ্মা আৰু মহেন্দ্ৰনাথ ডেকাফুকন (ধিং—১৯৭০)
৭। অমিয়কুমাৰ দাস (ধুবুৰী—১৯৭২)
৮। চৈয়দ আব্দুল মালিক (ৰঙিয়া—১৯-১৯৭৩)
৯। লক্ষ্মীনাথ ফুকন, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীতপেশ্বৰ শৰ্মা আৰু দিনেশ্বৰ শৰ্মা (মঙলদৈ—১৯৭৪)
১০। শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়, শ্ৰীতৰুণচন্দ্ৰ পামেগাম, শ্ৰীনবকান্ত বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীগোবিন্দ পৈৰা, শ্ৰীমণি ৰাভা শ্ৰীসীতানাথ ব্ৰজচৌধুৰী, শ্ৰীদণ্ডীধৰ কাটোৱাকী,

শ্ৰীদীননাথ শৰ্মা, শ্ৰীসুৰেন্দ্ৰনাথ শইকীয়া, শ্ৰীৰাজেন ৰাভা, শ্ৰীলংকাম টেৰণ আৰু শ্ৰীবিপুনাথ বুঢ়াগোহাঁই। ( তিতাবৰত—১৯৭৫ )

১১। কালিদাস খাটনিযাৰ আৰু শ্ৰীনবকান্ত বৰুৱা। (টিহু-১৯৭৬)

১২। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ( যোৰহাট—১৯৭৬ )

১৩। ড° শ্ৰীভবেন শইকীয়া, শ্ৰীহোমেন বৰগোহাঞি, ড° শ্ৰীভূপেন হাজৰিকা। ভৃগুমণি কাগ্যু আৰু শ্ৰীমতী প্ৰতিমা পাণ্ডে।

উল্লেখযোগ্য যে এই সম্বৰ্দ্ধনাৰ নীতি-নিয়ম সম্পৰ্কে সাহিত্য সভাৰ নিয়মাৱলীত কোনো বিধি-উপবিধি নাইবা উচ্চমান সম্পন্ন বাছনী সমিতি নাই। সেই কাৰণে 'খুচিকা বাত, হাঁতীকা-দাঁত'। বছৰে সলনি হৈ থকা কাৰ্য্যনিৰ্বাহকৰ বিচাৰৰ মানদণ্ড বেলেগ হোৱাটো স্বাভাৱিক। তাৰ ফলত এজন বিশেষ ব্যক্তিক ওপৰা-উপৰিকৈ দুবছৰ সম্বৰ্দ্ধনা জনোৱা আৰু এবাৰ একেলগে তেৰজনক সম্বৰ্দ্ধিত সোপায়ং নমঃ কৰা হৈছিল। এবাৰ আকৌ এজন সম্বৰ্দ্ধিত ব্যক্তিৰ বিৰুদ্ধে পিছত নিন্দাসূচক প্ৰস্তাৱো লবলগীয়া হৈছিল। মুঠতে এই সম্বৰ্দ্ধনা-পৰ্ব এনে ভেকোভাওনা হ'ব নেলাগে।

# ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম

"মোৰ বাবে এইটো পৰিষ্কাৰ কথা যে নেপালী ভাষা বা এনে এটা আঞ্চলিক ভাষাক পূৰ্ণ সমৰ্থন দিলেও, ৰাজ্যিক ভাষাৰ প্ৰচলন কোনো অঞ্চলতে বন্ধ হৈ নাযায়। আন যি হওক নহওক, ৰাজ্য ভাষাটো সমগ্ৰ অঞ্চলৰে ভাষা। সংখ্যালঘু মানুহৰ ৰক্ষণাবেক্ষণ দিবলৈ যাওঁতে আমি এনে কাম কৰিব নালাগিব, যাৰদ্বাৰা, সেই অঞ্চলত যেই সেই এটা গোষ্ঠীৰ অপকাৰ ঘটে।

—পণ্ডিত জৱাহৰলাল নেহৰু

ৰাজ্যভাষা ওৰফে শাসকীয় ভাষা, নেফা (অৰুণাচল) আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম এই তিনিটা অসম সাহিত্য সভাৰ গাত চেলাপেটী জোকৰ দৰে লাগি থকা জ্বলন্ত সমস্যা। এই তিনিটা সমস্যাৰ এটাৰো সুসমাধান হ'ল বুলি কব নোৱাৰি। এই সম্পৰ্কে অসম সাহিত্য সভাই প্ৰায় প্ৰতিখন অধিবেশনতে প্ৰস্তাৱ গ্ৰহণ কৰিছে, দাবী-দিৱস পালন কৰিছে, পুস্তিকা আৰু পুস্তক প্ৰকাশ কৰাৰ উপৰিও ভাৰতৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী, শিক্ষা-মন্ত্ৰীৰ ওচৰত কিমানবাৰ স্মাৰকপত্ৰ দিছে, সজাতী দল গৈছে তাৰ লেখ পাবলৈকে টান হৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অসমপ্ৰাণ। অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে মৰাৰ দিনলৈকে ওৰে জীৱন অতিবাহিত কৰি ৰাজ্যভাষা ৰাজ্যভাষা বুলি চিঞৰিলে। আন এজন প্ৰাক্তন সভাপতি বিহগী কৰিয়ে 'ৰাজ্যভাষা পৰিষদ' নামৰ এটা সুকীয়া অনুষ্ঠান গঠন কৰি অসম সাহিত্য সভাৰ লগত সুৰ মিলাই পাৰেমানে যুঁজিলে। এই অনুষ্ঠানৰ সভাপতি ৰঘুনাথ চৌধাৰী ডাঙৰীয়া আৰু সম্পাদক আছিল শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা

অসমৰ সমূহ শিক্ষক আৰু ছাত্ৰসমাজেও অসম সাহিত্য সভাৰ ৰাজ্যভাষা আৰু মাধ্যম আন্দোলনত জঁপিয়াই পৰিছিল। অৱশেষত এই দুয়োটা আন্দোলনে ৰক্তক্ষৰা ৰূপ ধাৰণ কৰাত, স্বস্ত স্বাৰ্থৰ বাহিৰে সমগ্ৰ অসমৰ ৰাইজৰ সমৰ্থন জনোৱাতহে ৰাজ্য-চৰ্কাৰ আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আধাডুখৰীয়াভাৱে হলেও মানি লবলৈ বাধ্য হৈছিল। এই ৰাজ্যভাষা প্ৰসঙ্গটো থাপথুপ কৰি থোৱা হৈছে যদিও আজি পৰিমিত ইয়াৰ সুসমাধান নোহোৱাটো দুখৰ কথা। এই সম্পৰ্কে ৰাজ্যিক চৰ্কাৰৰ এনে মনোভাৱ বুলি ধাৰণা হয়—নেখাওঁ ভাত খুৱালি, নিগিলোঁ। কি কৰ কৰ।' মাধ্যম সম্পৰ্কতো দহবছৰলৈ ইংৰাজীৰ ভোগদখল বাহাল ৰাখি সমস্যাটোৰ জোৰাটাপলি মাৰি সমাধান কৰা হৈছে মাথোন। অসম সাহিত্য সভাৰ ছিলং অধিবেশনৰপৰা আজিলৈকে অসম সাহিত্য সভাৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ থকা অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱে 'ৰূপলেখাৰ' বাবে তলত সমস্যা দুটাৰ চমু বিৱৰণ যুগুতাই দিছে।

× × ×

অসম সাহিত্য সভাৰ মাৰ্ঘেৰিটাত অসমপ্ৰাণ অম্বিকাগিৰী ৰায়-চৌধাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা একবিংশ অধিবেশনত (১৯৫০) অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা ঘোষণা কৰা সন্দৰ্ভত তলৰ প্ৰস্তাৱটি গৃহীত হয়: মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাৰ এই ২১ শ অধিবেশনে অসম চৰ্কাৰক জোৰেৰে দাবী জনায় যে তেৰমাৰ্চত আৰম্ভ হোৱা অসম ব্যৱস্থাপক সভাৰ অধিবেশনতেই অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা বুলি আৰু সম্প্ৰতি ( খাছি, লুচাই, মিজো ) আৰু গাৰোপাহাৰৰ স্কুলকেইটা বাদ দি অসমৰ সকলো হাইস্কুলতে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হব বুলি চৰ্কাৰীভাৱে ঘোষণা কৰক, আৰু আগতে দিয়া তেনে স্কুলবিলাকৰপৰা আৰ্থিক সাহায্য আৰু স্বীকৃতি উঠাই লব লাগে।

এই প্ৰস্তাৱৰ মৰ্ম অনুসৰি অসম সাহিত্য সভাই 'দাবী দিৱস' পালন

কৰে। পিছৰ কেইবছৰমানো অসম সাহিত্য সভাই অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা কৰা প্ৰসঙ্গত চৰ্কাৰৰ আগত বহু বাৰ জোৰেৰে দাবী কৰে।

১৯৫৯ চনত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত নগাৱত অনুষ্ঠিত হোৱা অষ্টবিংশ অধিবেশনত অসমীয়া ভাষাক ৰাজ্যিক ভাষা স্বৰূপে ঘোষণা কৰা সন্দৰ্ভত তলৰ প্ৰস্তাৱটি গৃহীত হৈছিল ঃ

'অসম সাহিত্য সভা আৰু অসমৰ জনমতে সংবিধানৰ মৌলিক অধিকাৰ অনুযায়ী অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিবলৈ কেইবা বছৰ ধৰি দাবী কৰি অহা সত্বেও জনমত উপেক্ষা কৰি অসম চৰ্কাৰে ঘোষণা নকৰাত এই সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অনতিপলমে অসমীয়া ভাষা ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিবলৈ আজিৰ সভাই পুনৰ চৰ্কাৰক দাবী কৰে।'

অসমীয়া ভাষাক ৰাজ্যিক ভাষা বুলি ১৯৬০ চনৰ ভিতৰতে ঘোষণা কৰিবৰ বাবে বিধান সভাত প্ৰস্তাৱাদি উথাপন কৰি কাৰ্য্যকৰী কৰিবলৈ বিধান সভাত সদস্যসকলক টানি অনুৰোধ জনায়।

১৯৫৯ চনত 'ৰাজ্যিক ভাষা-দিৱস' ( ১২ ছেপ্টেম্বৰ ১৯৫৯ ) উপলক্ষে অসম সাহিত্য সভাই 'ৰাজ্যিক ভাষা ঃ অসমীয়া' শীৰ্ষক এখন পুস্তিকা প্ৰকাশ কৰি বিধান সভাৰ সদস্য আৰু মন্ত্ৰীসকললৈ প্ৰেৰণ কৰে। ১৯৬০ চনৰ বাজেট অধিবেশনত বিধান সভাৰ কেইবাজনো সদস্যই ৰাজ্যিক ভাষা প্ৰস্তাৱৰ জাননী দিয়ে। বিৰোধী দলৰ দলপতিৰ প্ৰশ্নৰ উত্তৰত সেই সময়ৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই সদনত কয় যে সংখ্যালঘিষ্ঠ সম্প্ৰদায়ে দাবী জনালেহে অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ কথা বিবেচনা কৰিব পৰা হব। মুখ্যমন্ত্ৰীৰ অদূৰদৰ্শী উক্তিৰ প্ৰতিবাদত অসম সাহিত্য সভাই ১১ মাৰ্চ ( ১৯৬০ ) শুকুৰবাৰে অসমত 'ৰাজ্যিক ভাষা দাবী দিবস' পালনৰ কাৰণে সকলোবোৰ শাখাসভাৰ উপৰি ৰাজ্যৰ বিভিন্ন অনুষ্ঠান, সংস্থা

আদিক এই দিবস পালন কৰিবলৈ অনুৰোধ কৰে। অসম সাহিত্য সভাৰ আহ্বানত ৰাজ্য জুৰি অভূতপূৰ্ব আলোড়নৰ সৃষ্টি হয়। এই সভা সমিতিবোৰৰ বিৱৰণ সন্নিবেশ কৰি সাহিত্য সভাই 'ৰাজ্যিক ভাষাৰ সমৰ্থনত' শীৰ্ষক এখন তথ্যবহুল পুস্তিকা প্ৰকাশ কৰে। ইফালে ২১।৫।৬০ তাৰিখে ছিলঙৰ মুষ্টিমেয় বঙালী আৰু জনজাতীয় লোকে অসমীয়া বিৰোধী বিদ্বেষমূলক ধ্বনি দিয়ে; আৰু পিছত মৰিয়নী, লামডিং আদি ঠাইতো তেনে ধৰণৰ বিদ্বেষমূলক ধ্বনিৰে সমদল উলিয়ায়। ফলত সমগ্ৰ ৰাজ্যত উত্তেজনা আৰু অশান্তিৰ সৃষ্টি হয়। পুলিচৰ গুলীত কটন ছাত্ৰাবাসত ৰঞ্জিত বৰপূজাৰী আৰু দুৰ্বৃত্তৰ হাতত শিলিগুৰিত শিল্পী সূৰ্য্য বৰা অমানুষিকভাবে নিহত হয়। ৰাজ্যভাষাৰ পবিত্ৰ প্ৰসঙ্গত জীৱন আহুতি দিওঁতা অন্যান্যসকল আছিল— ধীৰেশ্বৰ দেউৰী, মিনেশ্বৰ দাধৰা, মফিজুদ্দিন আহমেদ প্ৰভৃতি। অসম বিধান সভাৰ তেতিয়াৰ বিৰোধী দলপতি হৰেশ্বৰ গোস্বামী আৰু তেওঁৰ পত্নী, ধুবুৰীৰ চাহাবুদ্দিন আহমেদ আৰু শ্ৰীকালীচন্দ্ৰ নাথো আক্ৰান্ত হয়।

জুলাই মাহৰ ৫ আৰু ৬ তাৰিখে নগাৱত বহা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে চৰ্কাৰী বিল প্ৰণয়ন প্ৰসঙ্গত তলৰ মূল নীতিসমূহ মানি লবলৈ চলিহা চৰ্কাৰক দাবী জনায়:

(১) অসমীয়া ভাষা সমগ্ৰ অসমৰে একমাত্ৰ ৰাজ্যিক চৰ্কাৰী ভাষা হিচাপে ঘোষণা।

(২) ৰাজ্যৰ কোনো কোনো অঞ্চলত অগত্যা স্থিতাৱস্থা বাহাল ৰাখিবলগীয়া হলে, সেই অঞ্চলতো ১৯৬৫ চনৰ ভিতৰত ৰাজ্যিক চৰ্কাৰী ভাষা আইন সম্পূৰ্ণভাৱে বলবৎ।

(৩) ৰাজ্যৰ যাৱতীয় চৰ্কাৰী কামত অসমীয়া ভাষা প্ৰচলন।

(৪) ৰাজ্যিক চৰ্কাৰে চূড়ান্ত ব্যৱস্থা লোৱাত পলম কৰাত ৰাজ্যজুৰি যি বিৰোধ আৰু অশান্তিৰ সৃষ্টি হৈছে তাক প্ৰশমিত কৰিবৰ কাৰণে বিধানসভাৰ জৰুৰী অধিৱেশন

পাতি হলেও ১৯৬০ চনৰ ২ অক্টোবৰৰপৰা ৰাজ্যিক চৰ্কাৰী ভাষা আইন বলবৎ কৰাৰ ব্যৱস্থা।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মুখ্যমন্ত্ৰী চলিহাই আওকণীয়া মনোভাব লৈ ছিলঙত নিশ্চিন্ত হৈ নথকা হলে সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিব নোৱাৰিলেহেঁতেন আৰু তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী ফখৰুদ্দিন আলি আহমেদ অসমলৈ আহি খবটকীয়া যথোচিত ব্যৱস্থা নোলোৱা হলে ভীষণতৰ পৰিণতি হ'লহেঁতেন। উলুৰ লগত বগৰী পোৰা যোৱাৰ দৰে এই আন্দোলনত নিৰীহ লোকো উৎপীড়িত হবলগীয়া হোৱাটো নিশ্চয় দুখৰ কথা। কেবাখনো কলিকতীয়া কাকতে ন্যস্ত স্বাৰ্থপ্ৰণোদিত হৈ অতিৰঞ্জিত আৰু মিছা বাতৰি পৰিবেশন কৰি অশান্তিৰ ইন্ধন যোগাইছিল। চলিহা-প্ৰশাসনৰ নিষ্ক্ৰিয়তায়ো দুৰ্ঘটনাৰ বাবে সুৰুঙা উলিয়াই দিছিল বুলি ধাৰণা কৰিব পাৰি।

অসমৰ হৈ যোৱা অশান্তিৰ যথাযথ বিৱৰণ দি Assam's State Language শীৰ্ষক এখন ইংৰাজী পুস্তিকা সভাই প্ৰকাশ কৰে। অসম চৰ্কাৰে সেই বছৰ ৪ আৰু ৫ অক্টোবৰ তাৰিখে আয়োজন কৰা সৰ্বদলীয় সন্মিলনত অসম সাহিত্য সভাৰ পক্ষৰপৰা তলৰ আলোচনা সূত্ৰটি আবঢ়োৱা হয়:

"সংখ্যালঘিষ্ঠসকলৰ ভাষাক যথাযথ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰি অসমীয়া ভাষাক অসমৰ একমাত্ৰ চৰ্কাৰী ভাষা কৰিব লাগে।"

ইংৰাজী তথা হিন্দীক চৰ্কাৰী ভাষা কৰি অসমীয়া ভাষাক জিলা পৰ্য্যায়ৰ ভাষা কৰি মুখ্যমন্ত্ৰী চলিহাই ১০।১০।৬০ তাৰিখে অসম বিধান সভাত যি দ্বিভাষী বিল উত্থাপন কৰিছিল, তাৰ বিৰুদ্ধে প্ৰবল জনমত গঢ় লৈ উঠে।

২৪।১০।৬০ তাৰিখে অসম বিধান সভাত অসমীয়াক চৰ্কাৰী ভাষা কৰি লগতে ইংৰাজীক সচিবালয় আৰু বিভাগীয় পদাধিকাৰীসকলৰ কাৰ্যালয়ৰ ভাষা কৰি সংশোধিত আকাৰত অসমৰ চৰ্কাৰী ভাষা বিলখন গৃহীত হয় আৰু ডিচেম্বৰত ই আইনত পৰিণত হয়।

কাছাৰৰ মুষ্টিমেয় বঙলাভাষীৰ ভ্ৰান্ত আন্দোলনৰ ভিত্তিত ভাৰত চৰ্কাৰৰ তেতিয়াৰ স্বৰাষ্ট্ৰমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ দ্বিভাষী শাস্ত্ৰী-সূত্ৰৰ প্ৰতি সমৰ্থন জনাই অসম চৰ্কাৰে অসম চৰ্কাৰী ভাষা আইন ১৯৬০ৰ পঞ্চম ছেদটো (কাছাৰ সম্পৰ্কীয়) ক্ষতিকৰভাৱে 'সংশোধন' কৰিবলৈ বদ্ধপৰিকৰ হোৱা দেখি অসম সাহিত্য সভাই ভাৰতৰ স্বৰাষ্ট্ৰমন্ত্ৰী আৰু স্থানীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱামতে উক্ত সংশোধনত কাছাৰত অসমীয়া ভাষাৰ প্ৰৱেশ উন্মুক্ত ৰখাটোকে সিদ্ধান্ত কৰিলে। ১৯৬১ চনৰ অসম বিধান সভাৰ ছেপ্টেম্বৰ-অক্টোবৰৰ অধিবেশনত কাছাৰত ৰাজ্যিক ভাষা অসমীয়াৰ প্ৰৱেশ ৰোধ নকৰাকৈ অসম চৰ্কাৰী ভাষা আইনৰ পঞ্চম ছেদটি সংশোধন কৰি কাছাৰৰ জিলা পৰ্য্যায়ত বঙলা ভাষা চৰ্কাৰী ভাষাৰূপে স্বীকৃতি দিয়া হয়। এইখনেই হ'ল অসম চৰ্কাৰী ভাষা (সংশোধন) আইন, ১৯৬১। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে অসম সাহিত্য সভাই স্বৰাষ্ট্ৰমন্ত্ৰী শাস্ত্ৰীৰ সূত্ৰ অগ্ৰাহ্য কৰি ২৯ জুলাই (১৯৬১) তাৰিখে তেওঁলৈ এখন নিবেদন-পত্ৰ প্ৰেৰণ কৰে আৰু সভাৰ সঁজাতী দলে ১৩ ছেপ্টেম্বৰত তেওঁক এখন পৰিপূৰক স্মাৰক-পত্ৰ দাখিল কৰে। ইয়াৰ উপৰি সভাই ইংৰাজীতে Assam's Language Question নামে এখন পুথি প্ৰকাশ কৰে।

এইদৰে নানা সংঘাত আৰু প্ৰতিকূল পৰিস্থিৰ মাজেদি অসম চৰ্কাৰী ভাষা আইন, ১৯৬০ গৃহীত হৈ পৰৱৰ্তী বছৰত ইয়াৰ সংশোধনি হ'ল, তথাপি এই আইন কাৰ্য্যকৰী হবলৈ কিছু বছৰ লাগিল। যোৱা জৰুৰীকাল অৱস্থা (১৯৭৫-৭৭) পৰা এই আইন প্ৰয়োগত কিছু শিথিলতাই দেখা দিছে। অসমীয়া ভাষা ৰাজ্যিক ভাষা কৰাৰ সমৰ্থনত সদৌ অসমীয়া ৰাইজৰ লগতে ৰাজ্যৰ বিভিন্ন ভাষাভাষী লোকে এই দাবীৰ প্ৰতি সহাঁৰি জনালে, তথাপি অসম চৰ্কাৰী ভাষা আইনৰ সাৰ্থক আৰু সফল ৰূপায়ণ হবলৈ এতিয়াও বাকী।

১৯৬৫ চনৰপৰা অসম সাহিত্য সভাই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হব লাগে বুলি ধাৰাবাহিকভাবে চেষ্টা চলাই থাকে। গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অন্তর্গত কলেজসমূহৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি সম্মিলনত গৃহীত প্রস্তাৱৰ প্রতিলিপি সময়ে সময়ে যথাস্থানলৈ প্রেৰণ কৰা হয়। ডিব্রুগড় বিশ্ববিদ্যালয়ে ১৯৭১ চনৰ ডিচেম্বৰ মাহতে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্রহণ কৰাৰ সিদ্ধান্ত লোৱা বুলি সেই বিশ্ববিদ্যালয়ৰ কুলসচিবে জনায়। শিক্ষাৰ মাধ্যম সম্পর্কে গুৱাহাটী বিশ্ববিদ্যালয়ে ৬ জুনত যি সিদ্ধান্ত গ্রহণ কৰিলে, সেই সিদ্ধান্তই ৰাইজক সন্তোষ দিব নোৱাৰিলে। অসম সাহিত্য সভাৰ প্রস্তাবত সঁহাৰি জনাই অসমৰ ছাত্রশক্তি জাগি উঠিল। সদৌ অসম ছাত্র সংস্থাই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সন্দর্ভত যি ভূমিকা গ্রহণ কৰিলে, সি আছিল অভূতপূর্ব আৰু চমকপ্রদ। সদৌ অসম ছাত্রসংস্থাৰ আৰু অসমৰ ৰাইজৰ হেঁচাত গুৱাহাটী বিশ্ববিদ্যালয়ে ৭২ চনৰ ১২ জুন তাৰিখে পূর্বসিদ্ধান্ত সলনি কৰি প্রাক-বিশ্ববিদ্যালয় শ্রেণীত অসমীয়াক একমাত্র শিক্ষাৰ মাধ্যম কৰাৰ সিদ্ধান্ত লয় আৰু লগতে ইংৰাজীকো দহ বছৰৰ কাৰণে বিকল্প মাধ্যম হিচাপে ৰাখে।

প্রকাশ থাকে যে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰা প্রসঙ্গত অসম সাহিত্য সভাৰ সঁজাতী দলে ৫ জুন তাৰিখে উক্ত বিশ্ববিদ্যালয়ৰ উপাচার্য্যক আৰু ১৭ জুন তাৰিখে অসমৰ মুখ্যমন্ত্রীক লগ ধৰি বিশেষভাৱে আলোচনা কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ সিদ্ধান্তৰ বিৰুদ্ধে অধীনস্থ কেইখনমান কলেজে উচ্চতম ন্যায়ালয়ত গোচৰ তৰে। ইতিমধ্যে অসম বিধান সভাই ১৯৭২ চনৰ ২৩ ছেপ্তেম্বৰত কাছাৰত বিশ্ববিদ্যালয় নির্মাণ কৰাৰ উদ্দেশ্যে যি প্রস্তাৱ গ্রহণ কৰিলে, সেই প্রস্তাৱৰ সন্দর্ভত দেশজুৰি প্রবল জনমত গঢ়ি উঠে। অসম সাহিত্য সভাৰ কার্য্য-নির্বাহকৰ ২৫ ছেপ্তেম্বৰৰ অধিৱেশনে বিধান সভাৰ প্রস্তাৱ গ্রহণ-যোগ্য নহয় বুলি সুস্পষ্ট মত প্রকাশ কৰে আৰু আন এটা

প্রস্তাৱযোগে ১৯৭৩ চনৰ শিক্ষা-বছৰৰপৰা মাধ্যমিক স্তৰত অনা-অসমীয়া বিদ্যালয়সমূহত অসমীয়া ভাষা বাধ্যতামূলকভাৱে শিক্ষণীয় বিষয় কৰিবলৈ চৰ্কাৰৰ ওচৰত দাবী জনোৱা হয়।

সদৌ অসম ছাত্ৰসংস্থাৰ আহ্বানক্ৰমে বিধান সভাৰ প্ৰস্তাৱৰ বিৰুদ্ধে ২৯ ছেপ্তেম্বৰত প্ৰতিবাদ দিৱস' আৰু ৫ অক্টোবৰত 'অসম বন্ধ' উৎযাপিত হৈছিল। ছাত্ৰসংস্থাই সংঘবদ্ধভাৱে শিক্ষাৰ মাধ্যম আন্দোলনত আগভাগ ললে। ন্যস্ত স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল চক্ৰই ৰাজ্যত অশান্তিৰ সৃষ্টি কৰিলে।

শিক্ষাৰ মাধ্যম আন্দোলনৰ প্ৰথম চহিদ হ'ল মোজাম্মিল হক (খাৰুপতীয়া।) তাৰ পিছত ক্ৰমে ছাত্ৰনেতা অনিল বৰা, মাধ ম আন্দোলনৰ লগত সক্ৰিয়ভাৱে জড়িত প্ৰমোদ বৰা আৰু বলিন ৰাজখোৱা আৰু শেষত শিক্ষক, আৰু কলিয়াবৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নৰেন মহন্তও নিহত হ'ল। এই মাধ্যম আন্দোলন আছিল শান্তিপূৰ্ণ আৰু অহিংস। ২৫ অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত হোৱা সদৌ অসম ৰাজ্যিক অভিবৰ্তনে প্ৰণালীবদ্ধভাৱে আন্দোলন কৰিবৰ কাৰণে কৰ্ম-পৰিষদ গঠনৰ সিদ্ধান্ত ললে। ক্ৰমে সাহিত্য সভা আৰু ছাত্ৰৰ মাধ্যম আন্দোলনে গণ-আন্দোলনৰ ৰূপ ললে। ইতিমধ্যে আভ্যন্তৰীণ নিৰাপদতা আইনৰ আশ্ৰয় লৈ অ'ত ত'ত মাধ্যম আন্দোলনৰ কৰ্মীসকলক গ্ৰেপ্তাৰ কৰি পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলা হ'ল। আনফালে আন্দোলন ব্যৰ্থ কৰিবৰ কাৰণে দুই এঠাইত বিস্ফোৰক অৱস্থাৰ সৃষ্টি হৈছিল। সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকে ছাত্ৰসংস্থাৰ নেতৃত্বত হোৱা আন্দোলনক অভিনন্দন জনায়। শাখাসভাসমূহক শান্তিপূৰ্ণভাৱে আন্দোলনত যোগ দিবলৈ আহ্বান জনায়। সেই আন্দোলনত শাখা আৰু স্বীকৃত সভাই যোগ দিয়ে আৰু অনেক সভাই কাৰবৰণ কৰে।

মাধ্যম আন্দোলন চলি থকা কালত On University Medium নামৰ যিখন চৰ্কাৰী পুস্তিকা প্ৰকাশ কৰা হৈছিল সেইখনে ৰাইজৰ

বিস্ময় সৃষ্টি কৰিলে। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকেও ২৪।১০।৭২ তাৰিখৰ অধিবেশনত চৰ্কাৰৰ পুস্তিকা সন্দৰ্ভত সভাৰ প্ৰস্তাৱৰ প্ৰকৃত উদ্দেশ্য আৰু এই বিষয়ে সভাৰ কাৰ্য্যাৱলীৰ কথা ৰাইজক অৱগত কৰিবৰ কাৰণে এখন পুস্তিকা যুগুত কৰাৰ সিদ্ধান্ত কৰে। সেই মৰ্মে 'বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে অসম সাহিত্য সভাৰ অভিমত' নামৰ পুস্তিকা প্ৰকাশ কৰি বিতৰণ কৰা হয়।

অসমৰ সকলো অনা-অসমীয়া মাধ্যমিক বিদ্যালয়ত ১৯৭৩ চনৰ-পৰা অসমীয়া ভাষা বাধ্যতামূলকভাৱে শিকাব লাগে বুলি কাৰ্য্য-নিৰ্বাহকৰ তৃতীয় অধিবেশনে ( ২৫।৯।৭২ ) দাবী কৰে। ৰাজ্যৰ সকলো অনা-অসমীয়া মাধ্যমৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয়টো বাধ্যতামূলকভাবে শিকোৱা হব বুলি মুখ্যমন্ত্ৰীয়ে ১১ নৱেম্বৰত ঘোষণা কৰিলে। অনা-অসমীয়া মাধ্যমিক বিদ্যালয়সমূহত অসমীয়া ভাষা শিক্ষা সম্পৰ্কে যোৱা ৫ ডিচেম্বৰত শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰে অসম সাহিত্য সভা, মাধ্যমিক শিক্ষাবোৰ্ড, বেচৰ্কাৰী হাইস্কুল সংস্থা আদিৰ সৈতে আলোচনা চলায়। এই আলোচনাৰপৰা আশা কৰা হৈছিল যে ৰাজ্যিক চৰ্কাৰে চলিত বছৰৰপৰাই অসমীয়া ভাষা অনাঅসমীয়া বিদ্যালয়ত বাধ্যতামূলক বিষয়ৰূপে প্ৰৱৰ্তন কৰিব ; কিন্তু মুখ্যমন্ত্ৰীয়ে যোৱা ১৮ জানুৱাৰী তাৰিখে কলিকতাৰ সাংবাদিকৰ আগত যি উক্তি কৰিছে বুলি প্ৰকাশ পাইছে, সেই উক্তিয়ে মুখ্যমন্ত্ৰীৰ পূৰ্বৰ ঘোষণাৰ অনুকূলে নহয়। গতিকে চৰ্কাৰক ১১ নৱেম্বৰৰ ঘোষণা অনুসৰি কাম কৰিবৰ কাৰণে প্ৰধান সম্পাদকে অনুৰোধ জনায়। অৱশ্যে চৰ্কাৰৰ ফালৰপৰা অস্পষ্টভাৱে এটা বিবৃতি দিয়া হৈছে।

শিক্ষাৰ মাধ্যম আন্দোলন সন্দৰ্ভত সংঘটিত হোৱা ঘটনাৱলী সম্পৰ্কে কলিকতা আৰু দিল্লীৰ বাতৰি-কাকত কেইখনমানে অপপ্ৰচাৰ কৰে। ন্যস্ত স্বাৰ্থই ৰাজ্যৰ ভিতৰৰপৰা কলিকতা আৰু দিল্লীলৈ মিছা আৰু অতিৰঞ্জিত বাতৰি পঠিয়াই অসম আৰু অসমীয়া মানুহক হেয় কৰিবৰ বাবে ভ্ৰান্ত ধাৰণা জন্মালে। অসম চৰ্কাৰৰ প্ৰচাৰ

বিভাগৰ দুৰ্বলতাৰ কাৰণে ৰাজ্য চৰ্কাৰে নিজৰ ফালৰপৰা সেই সম্পৰ্কত যথোপযুক্তভাৱে বিজ্ঞপ্তি প্ৰচাৰ কৰিব নোৱাৰাটো দুঃখৰ কথা। অসমৰ আন্দোলন সম্পৰ্কে লোকসভা আৰু ৰাজ্যসভাত হোৱা বিতৰ্কত কেইবাগৰাকী অসমীয়া আৰু আন সদস্যই প্ৰতিপক্ষৰ যুক্তি খণ্ডন কৰি শিক্ষাৰ মাধ্যম আন্দোলনৰ প্ৰকৃত তথ্যপাতি দাঙি ধৰি ৰাইজৰ ধন্যবাদৰ পাত্ৰ হৈছিল। অসম মন্ত্ৰীসভাৰ এজন সদস্যই চৰ্কাৰৰ ঘোষিত নীতি আৰু সিদ্ধান্তৰ বিৰুদ্ধে গৈ প্ৰতিক্ৰিয়াশীল শক্তিক সহায় কৰা, অপপ্ৰচাৰ কৰা আদি কাৰ্য্যত সমগ্ৰ ৰাজ্য বিতুষ্ট হৈ পৰিছিল।

কাছাৰৰ ৰামকৃষ্ণ নগৰত অসমৰ মুখ্যমন্ত্ৰীয়ে ২৮ মেই তাৰিখৰ কংগ্ৰেছৰ অভিৱৰ্তনত কি ভাষণ দিছিল, সেই বিষয়ে সঠিকভাৱে জনা নাযায়; কিন্তু সেই সভাৰ সিদ্ধান্তকে গইনা লৈ কাছাৰ মহাবিদ্যালয়-সমূহত বঙলা ভাষাক শিক্ষাৰ মাধ্যম কৰা সম্পৰ্কে কাছাৰৰ এচাম লোকে আন্দোলন কৰি তাৰ থলুৱা লোকৰ কণ্ঠৰোধ কৰিবৰ কাৰণে চেষ্টা কৰে। কাছাৰৰ অসমীয়াভাষী লোকৰ উপৰি নিগাজীকৈ বাস কৰা মণিপুৰী, মুছলমান, চাহবনুৱা আদিয়ে অসম চৰ্কাৰৰ ১১ নৱেম্বৰৰ ঘোষণাক স্বাগত জনালে আৰু কাছাৰৰ অসমীয়া ভাষা শিক্ষাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক অনুৰোধ কৰে। কাছাৰ জিলাৰ নগৰৰ এমুঠি বঙালী লোকে আন্দোলন কৰি অচল অৱস্থাৰ সৃষ্টি কৰি থলুৱা লোকৰ দাবী তল পেলাবৰ চেষ্টা কৰিলেও গাঁৱে-গাঁৱে সভা-সমিতি পাতি থলুৱা লোকে অসমীয়া ভাষা বিচাৰি আছে। কিন্তু দুখৰ কথা অসম চৰ্কাৰে এই আন্দোলনৰ সুবিধা লব পৰা নাই। এই বিষয়ে অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক বাৰম্বাৰ জনোৱা সত্বেও কাছাৰত অসমীয়া বিচৰা লোকৰ আশা-আকাঙ্ক্ষা পূৰণৰ কাৰণে চৰ্কাৰে সন্তোষজনক কোনো ব্যৱস্থা লোৱা নাই। আনকি কাছাৰ জিলাৰ খিলঞ্জীয়াৰ নিৰাপত্তাৰ বিষয়েও চৰ্কাৰে ব্যৱস্থা লোৱা নাই।

এই খিনিতে দুখেৰে জনাব পাৰি যে এই সম্পৰ্কে কাছাৰ জিলাৰ সোণাৰি হাইস্কুল আৰু সোণাৰি এম-ই-স্কুলত অগ্নি-সংযোগ কৰি অসমীয়া ভাষা বিচৰা লোকৰ উৎসাহ আৰু উদ্যমত চেঁচা পানী ঢালিবৰ কাৰণে এক শ্ৰেণীৰ লোকে চেষ্টা কৰিছিল। ঘৰ অগ্নিদগ্ধ হ'ল যদিও সেই ঠাইৰ মণিপুৰীসকল নিৰুৎসাহ হোৱা নাছিল। তেওঁলোকৰ লগতে আমিও অসম চৰ্কাৰক অনুৰোধ কৰিছোঁ, কাছাৰৰ থলুৱা লোকৰ দাবীৰ অনুকূলে চৰ্কাৰে আৰু অপেক্ষা নকৰি অসমীয়া ভাষা শিক্ষাৰ কাৰণে শীঘ্ৰে আৱশ্যকীয় ব্যৱস্থা লব লাগে।

এই কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব যে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহৰ শেহতীয়া ঘোষণাই অশান্ত পৰিস্থিতি উপশম কৰাৰ ভালেখিনি সহায় কৰিছিল।

—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

# ভাষা-জ্ঞান পৰীক্ষা

অনা-অসমীয়া ছাত্র-ছাত্রীৰ বাবে অসমীয়া ভাষা শিক্ষাৰ উদ্দেশ্যে অসম সাহিত্য সভাৰদ্বাৰা ১৯৬২ চনত এটি ভাষা-জ্ঞান পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰা হয়। ১৯৬১ চনৰ ২৯ অক্টোবৰত গোৱালপাৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ বিংশ বছৰৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ চতুৰ্থ বৈঠকত, অসমত অসমীয়া ভাষা ৰাজ্যভাষা হোৱাৰ পটভূমিত, অনা-অসমীয়া লোকসকলক অসমীয়া শিক্ষা সহজে আয়ত্ব কৰিব পৰাকৈ এটি পৰীক্ষা ব্যৱস্থা প্ৰবৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই কাৰ্য্যনিৰ্বাহক সভাতে ভাষাজ্ঞান পৰীক্ষাৰ নিয়মাৱলী আৰু পৰীক্ষা পৰিচালনাৰ বাবে এখনি পৰীক্ষা-সংসদ গঠনৰ নিয়মাৱলী প্ৰস্তুত কৰা হয়। পাঠ্যক্ৰম প্ৰস্তুত আৰু পৰীক্ষা পৰিচালনাৰ বাবে কাৰ্য্যনিৰ্বাহক সভাই তলত দিয়া সভ্যসকলেৰে এখনি পৰীক্ষা-সংসদ গঠন কৰি দিয়ে: শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী ( পদেন সভাপতি ); ড° শ্ৰীমহেশ্বৰ নেওগ ( পদেন উপসভাপতি ), চৈয়দ আব্দুল মালিক (সচিব), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ( কোষাধ্যক্ষ ) আৰু আন সদস্যসকল হ'ল শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী আৰু শ্ৰীমতীইন্দিৰা মিৰি। পৰীক্ষা-সংসদে প্ৰথমে যোৰহাট, গুৱাহাটী আৰু শিলচৰত একোটি পৰীক্ষাকেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰে। প্ৰথম বছৰৰ পৰীক্ষাত যোৰহাটত এজনো পৰীক্ষাত নবহিল। গুৱাহাটীত এজন আৰু শিলচৰত আঠত্ৰিছজন পৰীক্ষাৰ্থীৰে অসম সাহিত্য সভাৰদ্বাৰা পৰিচালিত প্ৰথমটো পৰীক্ষা অনুষ্ঠিত হ'ল। উনচল্লিছজন পৰীক্ষাৰ্থীৰ ভিতৰত ছজনেহে পৰীক্ষাত উত্তীৰ্ণ হ'ল। ১৯৬২ চনত কেৱল প্ৰাথমিক স্তৰতহে পৰীক্ষা গ্ৰহণ কৰা হৈছিল। ১৯৬৩ চনৰপৰা প্ৰাথমিক আৰু মাধ্যমিক—এই দুটা স্তৰত পৰীক্ষা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। ১৯৬২ চনৰপৰা ১৯৬৬ চনলৈ এই

দুয়োটা পৰীক্ষাত মুঠ উনষাঠিজন পৰীক্ষাৰ্থীৰ চব্বিছজন উত্তীৰ্ণ হয়।

১৯৬৬ চনত পৰীক্ষাত নতুন পাঠ্যক্ৰম যুগুত কৰা হয় আৰু ১৯৭০ চন পৰ্য্যন্ত একেটা পাঠ্যক্ৰমেই অনুসৃত হয়। এই তিনিবছৰত বিভিন্ন কেন্দ্ৰত প্ৰাথমিকত দহজন আৰু মাধ্যমিকত তিনিজন পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ১৯৭১ চনত ভাষা-জ্ঞান পৰীক্ষাৰ পাঠ্যক্ৰমৰ পুনৰ সংস্কাৰ সাধন কৰা হয়। এই বছৰতে পৰীক্ষাৰ্থীৰ সংখ্যা পূৰ্বৰ কেইবছৰৰ তুলনাত কিছু বৃদ্ধি হয় প্ৰাথমিকৰ ৭৪ জন পৰীক্ষাৰ্থীৰ ভিতৰত ৬৫ জন আৰু মাধ্যমিকত ২১ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১০ জন এই বছৰত উত্তীৰ্ণ হয়। ১৯৭২ চনৰপৰা মাধ্যমিক স্তৰত পঞ্চাচ নম্বৰৰ এখনি মৌখিক কাকত অন্তৰ্ভুক্ত কৰা হয়। ১৯৭২ ৭৩ চনত পৰীক্ষাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি হয়। প্ৰথম বছৰৰ তিনিটা কেন্দ্ৰৰ-পৰা এই দুবছৰত পৰীক্ষাৰ কেন্দ্ৰ হয়গৈ সাতাইছটা। ১৬৩০ জন প্ৰাথমিকত আৰু ৪৮৭ জন মাধ্যমিক পৰীক্ষাৰ্থীৰ ৯২৮ জনে প্ৰাথমিক আৰু ২৮৯ জনে মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৭৪ চনত অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ গাঁথনি, পাঠ্যক্ৰম আৰু নিয়মাৱলীৰ বহু সালসলনি হয়। অসমীয়া ভাষা অসমৰ বিশ্ব-বিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হোৱাৰ পটভূমিত অনাঅসমীয়া ভাষা ভাষীৰ মাজত অসমীয়া ভাষা শিক্ষাৰ প্ৰতি যথেষ্ট আগ্ৰহ পৰিলক্ষিত হয়। এই বছৰৰপৰা পূৰ্বৰ দুটা স্তৰৰ পৰিবৰ্তে চাৰিটা স্তৰত (প্ৰাথমিক, মাধ্যমিক, প্ৰাকভাৰতী আৰু ভাৰতী) পৰীক্ষা গ্ৰহণৰ ব্যৱস্থা কৰা হয়। কাৰ্য্যনিৰ্বাহক সভাই সিদ্ধান্ত কৰে যে প্ৰাথমিক, মাধ্যমিক আৰু প্ৰাকভাৰতী পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীক প্ৰমাণ-পত্ৰ আৰু শেষ পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীক ভাৰতী উপাধি-পত্ৰ প্ৰদান কৰা হ'ব। এই বছৰ অৰ্থাৎ ১৯৭৪ চনত প্ৰাথমিক পৰীক্ষাত ১৫৬৫ জনৰ ভিতৰত ৫২৫ জন; মাধ্যমিকত ৮৭৭ জনৰ ভিতৰত ৩৩৮ জন আৰু প্ৰাগভাৰতীত ১০৯ জন পৰীক্ষাৰ্থীৰ ভিতৰত ৪৭ জন পৰীক্ষাৰ্থী

উত্তীৰ্ণ হয়। ১৯৭৫ চনৰপৰা সকলো পৰীক্ষাৰ্থীক মূল্যাংক পত্ৰ দিয়াৰ ব্যৱস্থা কৰা হয় আৰু তাৰ বাবে পৰীক্ষা-মাচুলৰ লগতে পৰীক্ষাৰ্থীৰপৰা দুটকাকৈ মূল্যাংক-পত্ৰ মাচুল গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হয়। ১৯৭৫ আৰু ১৯৭৬ এই দুবছৰত প্ৰাথমিকত ১৮৬২ জনৰ ভিতৰত ৭২২ জন; মাধ্যমিকত ৯৬৭ জনৰ ভিতৰত ২৬২ জন; প্ৰাগভাৰতীত ২৬৫ জনৰ ভিতৰত ৮৭ জন আৰু ভাৰতী পৰীক্ষাত ৪৫ জনৰ ভিতৰত ৯ জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

ভাষাজ্ঞান পৰীক্ষাৰ মূল কাৰ্য্যবাহী বিষয়া পৰীক্ষা-সচিব: ১৯৬২ চনৰপৰা ১৯৭৩ চনলৈকে কাৰ্য্য-নিৰ্বাহক সভাৰদ্বাৰা মনোনীত একোজন ব্যক্তিয়েই পৰীক্ষা-সচিবৰ কাম চলাইছিল। কিন্তু ১৯৭৪ চনত পৰীক্ষা-সচিবৰ বাব কাৰ্য্যনিৰ্বাহক সদস্যৰ অন্তৰ্ভুক্ত হোৱা বাবে পৰীক্ষা-সচিব অন্যান্য কাৰ্য্যনিৰ্বাহক সদস্যৰ দৰে নিৰ্বাচিত হ'ব লগা হ'ল। পৰীক্ষা-সংসদৰ সদস্যসকলক অৱশ্যে কাৰ্য্যনিৰ্বাহক সভায়েই মনোনীত কৰি দিয়ে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়তে ভাষা-জ্ঞান পৰীক্ষাৰ কাৰ্য্যালয়ো থকাৰ বাবে পৰীক্ষা-সচিবজন কেৱল যোৰহাটৰপৰাহে নিৰ্বাচিত হ'ব লাগে। অৱশ্যে এই পৰ্য্যন্ত পৰীক্ষা-সচিব পদৰ বাবে নিৰ্বাচন হোৱা নাই। ১৯৭৪ চনৰেপৰা বিনা-প্ৰতিদ্বন্দ্বিতাৰে পৰীক্ষা-সংসদৰ সচিবসকল নিৰ্বাচিত হৈ আছে।

১৯৬২ চনৰপৰা কাৰ্য-নিৰ্বাহ কৰা ভাষা-জ্ঞান পৰীক্ষা-সংসদৰ সচিবসকল হ'ল: চৈয়দ আব্দুল মালিক (১৯৬১); শ্ৰীযতীন্দ্ৰনাথ গোস্বামী (১৯৬৩ চনৰ পৰা ১৯৬২ লৈকে, পুনৰ ১৯৬৯); শ্ৰীৰমা বৰঠাকুৰ (১৯৬৮); শ্ৰীনগেন শইকীয়া (১৯৭০, ১৯৭১); শ্ৰীঅমল ৰাজখোৱা (১৯৭২); শ্ৰীবসন্তকুমাৰ গোস্বামী (১৯৭৩, ১৯৭৪); শ্ৰীপ্ৰকাশ গোস্বামী (১৯৭৫ চনৰ বৰ্তমানলৈকে)।

অসমীয়া ভাষা ৰাজ্য ভাষাৰূপে স্বীকৃত হোৱাৰ পিছত আৰু কাৰ্য্যালয়সমূহত চৰকাৰী ভাষা আইন প্ৰয়োগ সম্পৰ্কত অনাঅসমীয়া

লোকসকলক অসমীয়া ভাষা শিকোৱা আৰু পাৰ্বত্য ভাষাসমূহো ইয়াৰদ্বাৰা ৰাজ্যখনৰ সংহতিৰ সহায়ক হ'ব বুলি ১৯৬৪ চনত স্বৰ্গীয় হৰিপ্ৰসাদ নেওগৰ কাৰ্যনিৰ্বাহক সভাই এটি ভাষাকেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত কৰে। ১৯৬৬ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অসম সাহিত্য সভাৰ প্ৰথম ভাষাশিক্ষা শ্ৰেণীৰ উদ্বোধনী উৎসৱ সম্পন্ন কৰে। কিন্তু শিক্ষা গ্ৰহণ কৰিব খোজা প্ৰাৰ্থীসকলৰ আশানুৰূপ সঁহাৰিৰ অভাৱত এই ভাষা-শিক্ষা শ্ৰেণী বন্ধ হৈ গ'ল। ১৯৪৭ চনত কাছাৰৰ স্কুলবোৰ থলুৱা অসমীয়া শিক্ষকৰ নাটনি পুৰণৰ কাৰণে কাছাৰত একোটি বিশেষ ভাষা-শিক্ষা শ্ৰেণী খোলাৰ সিদ্ধান্ত লোৱা হয়। ভাষাজ্ঞান পৰীক্ষা-সংসদে অসমীয়া বিষয়ৰ শিক্ষক সৃষ্টিৰ বাবে হ্ৰস্বকালীন একোটি প্ৰশিক্ষণৰ উপযোগীকৈ মাধ্যমিক আৰু ভাৰতী স্তৰৰ নতুন পাৰ্য্যক্ৰম প্ৰস্তুত কৰা হয়। এই উদ্দেশ্যে কাছাৰলৈ অসম সাহিত্য সভাৰ পক্ষৰপৰা দুজন পূৰ্ণকালীন শিক্ষক নিয়োগ কৰি পঠোৱা হয়। শিলচৰ আৰু হাইলাকান্দিত দুটা কেন্দ্ৰত প্ৰশিক্ষক কেইজনে স্থানীয় অসমীয়া শিক্ষকসকলৰ সহযোগত ১৯৭৪ চনৰপৰা তিনিমহীয়া অসমীয়া ভাষা শিক্ষা শ্ৰেণী আৰম্ভ কৰে। ১৯৭৫ চনত প্ৰশিক্ষণৰ কাৰ্যকাল তিনিমাহৰ পৰিবৰ্তে ছমহীয়া কৰা হয় আৰু ইয়াৰ উপযোগীকৈ নতুন এখনি কাৰ্য্যক্ৰম প্ৰস্তুত কৰা হয়। তিনিটা স্তৰত ( মাধ্যমিক, প্ৰাক্-ভাৰতী আৰু ভাৰত ) প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়। কিন্তু প্ৰশিক্ষাৰ্থীৰ আশানুৰূপ সঁহাৰিৰ অভাৱত পুনৰ পাঠ্যক্ৰম সংশোধন কৰি প্ৰশিক্ষণৰ কাৰ্য্যকাল তিনিমহীয়া কৰা হয়।

বৰ্তমানে অনা-অসমীয়া লোকসকলৰ মাজত অসমীয়া ভাষা শিক্ষাৰ আগ্ৰহ যথেষ্ট বেছি। কিন্তু এই ভাষাজ্ঞান পৰীক্ষা চৰকাৰীভাৱে স্বীকৃত নোহোৱাত অধিকাংশ পৰীক্ষাৰ্থীৰে অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ বাবে উৎসাহ কিছু টুটি গৈছে।

—শ্ৰীপ্ৰকাশ গোস্বামী

# সম্প্ৰীতি-সন্দেশ

পৰ্বত-ভৈয়ামৰ মাজত, ওচৰ আৰু দূৰণিবটীয়াসকলৰ মাজত আহযাহ যিমানেই বেছি হয়, সিমানেই দেশৰ পক্ষে মঙ্গল। এই নিচিনা শুভেচ্ছামূলক ভ্ৰমণে পৰস্পৰৰ মাজত ভুল বুজাবুজিবোৰ আঁতৰ কৰে, মিলনৰ এনাজৰীডাল কটকটীয়া কৰে আৰু জাতীয় সংহতিৰ সুগম পথ ৰচনা কৰে।

অসম সাহিত্য সভাই এতিয়ালৈকে এনে শুভেচ্ছাবাহী সজাতী দল নানা ঠাইলৈ পঠিয়াইছে আৰু আগলৈকো পঠাব। সম্প্ৰতি এনে ভ্ৰমণ সভাৰ বছেৰেকীয়া কাৰ্য্যক্ৰমণিকাত অন্তৰ্ভুক্ত হোৱাটো পৰিলক্ষিত হৈছে। কোনো কোনো সময়ত ৰাজ্যিক চৰ্কাৰৰ সাংস্কৃতিক বিভাগেও অসম সাহিত্য সভাৰ লগত সহযোগ কৰাটো ভাল কথা হৈছে বুলি কব পাৰি। সীমান্তৰ দাঁতিকাষৰীয়া অসম সাহিত্য সভাৰ শাখা-সভাবিলাকেও এনেবোৰ বিষয়ত আগভাগ লোৱাটো বাঞ্ছনীয়।

ওপৰৰ শিতানৰ চানেকী স্বৰূপে পাঁচোটা মাথোন ভ্ৰমণটোকা আগবঢ়ালোঁ।

## অৰুণাচল (১)

যোৱা বছৰ মিছিমিসকলৰ ইলু্য বা লোহিত নৈ ফেনেফোটোকাৰে বাঢ়ি আহি অসম সাহিত্য সভাৰ সন্দেশবাহী দলক বিধিপথালি দিলে; গতিকে দলৰ 'ভাই আমি আহিছোঁ' বোলা বিংটো লুইত-ডিগাৰু, কুণ্ডিল কামলাংপানীয়ে ধুৱাই-টোৱাই থোৱা লোহিত সীমান্ত অঞ্চলৰ বুকু পৰশিবগৈ নোৱাৰিলে। সেইহে এইবাৰ বতৰে অগা-ভেটা কৰাৰ সুযোগ নৌপাওঁতেই, বাটে পোৱালি মেলিবলৈ ধৰোঁতেই সময়ৰ আগচুলিত ধৰি অসমীয়া সাহিত্যিকৰ প্ৰতিনিধিসকল

পুহৰ সেঙেতা লগোৰা জাৰকো নগণি লুইতৰ দেশলৈ ওলাল। যোৱা বাৰ আমি এই সজাতী দল গৈছিলোঁ টিৰাপ সীমান্তলৈ। টিৰাপৰ মোহ আছিল সুকীয়া। সেয়া হ'ল অতুল শক্তিশালী ৰজাহঁতৰ দেশ। তাত আছে এতিয়াও সামাজিক, ৰাজনৈতিক, আবেগ-জড়িত আৰু কাঠ-বাঁহ-বেতৰ শিল্পীহঁতৰ কলা-সম্পৰ্কিত প্ৰচেষ্টাৰ কেন্দ্ৰ, কুৰিয়ে কুৰিয়ে চিকাৰৰ মূৰৰ ভঁৰাল মৰংবোৰ। লোহিতৰো তেনে ইতিহাস থাকিলেও তাত ৰজা, মৰঙৰ আড়ম্বৰ হলে নাই। লোহিতৰ মোহ অসমীয়া তথা ভাৰতীয়ৰ কাৰণে আনভাৱে প্ৰবল। সি হ'ল কুণ্ডিলনগৰ, শিশুপালনগৰ, ব্ৰহ্মকুণ্ড বা পৰশুৰামকুণ্ডৰ প্ৰদেশ, পুৰণি 'মিতুৰ' খামটি, চিংফৌ, মিছিমি-সকলৰ, মিছিং-পাদামৰ আৰু সবাৰো উপৰি আমাৰ অৰ্থনৈতিক আৰু জন-সাংস্কৃতিক জীৱনক জীপ দি থকা বৰনৈৰ আদিভূমি।

× × ×

১৯৬১ চনৰ ডিচেম্বৰ মাহত আমাৰ এই জনজাতীয় ভাই-ভনী-সকলৰ চেনেহৰ সপোন লৈ আমি লুইতৰ আগাৰিলৈ যাত্ৰা কৰিলোঁ। আমি মানে মোৰ বাহিৰে অধ্যাপক শ্ৰীপৰাগধৰ চলিহা, হৰিপ্ৰসাদ নেওগ আৰু শ্ৰীলীলা গগৈ। ২১ ডিচেম্বৰৰ পুৱাতে মই তিনিচুকীয়া পাই বাকী কেইজন লগৰীয়া বিচাৰি ডিবুৰুলৈ গলোঁ; কিন্তু আনিবগৈ পাৰিলোঁ গগৈকহে। ৰাতিটো তিনিচুকীয়াৰ ডাকবঙলাত বৈ বাইছৰ পুৱাতে তপত চাহপানী আৰু জলপান খাই চৰকাৰী বাছত ঢলালৈ যাত্ৰা কৰিলোঁ। বাটত দুটা সমস্যা মনত লৈ গৈছোঁ। এটা লগ হেৰুওৱা লগৰীয়াসকলৰ, আনটো হ'ল প্ৰশাসনৰ টেলিগ্ৰাম-মতে আমাক নিবলৈ যোগাৰ কৰা 'ও-বি-এম'ৰ। ইয়াৰ আগতে এই তিনিটা আখৰৰ সংযোগটো লগ পোৱা নাছিলোঁ। ঢলা পাই গগৈ আৰু মোৰ পেৰা আৰু পাটীৰ দুৰাটোহঁত ভাৰীৰ মূৰত দি পাছে পাছে দুমাইল বাট ধপলিয়াই ছৈখোৱাঘাটত অলপ পৰ বৈ

তেজুৰ বেছ্ ছুপাৰিণ্টেণ্ডেণ্ট শ্ৰীবিজয় দত্তই আমাক পাৰ কৰিবলৈ অনা মেচিন লগা নাওখন দেখিহে পানীমিঠৈটো ভাঙিব পাৰিলোঁ— সেইখনেই ও. বি. এম., আউট বোৰ্ড মটৰ। ইটো সাঁথৰো উঠি অহা ৰ'দৰ আগৰ কুঁৱলীৰ দৰে আঁতৰিল, যেতিয়া ডুমডুমাৰ শ্ৰীধৰ্মকান্ত গোহাঁইদেৱে এখন গাড়ীত চলিহা আৰু নেওগক 'গৰম পকৰি' চোবাই থকা আমাৰ সমুখত হাজিৰ কৰিলেহি। ঢলা আৰু ছৈখোৱাৰ মাজৰ বাটডোখৰত এটি মাত্ৰ আনন্দ - লোহিত সীমান্তৰ কাষৰৰ বৰফে ঢকা পৰ্বতবোৰ, ৰ'দৰ জিলিঙনি লৈ যেতিয়া আমাৰ ফালে লৰি আহিছিল ছৈখোৱা পাই দুখ লাগিল, কাৰণ আমি যত ও. বি. এমৰ বাবে থিয় দি ৰৈছোঁ, সেয়ে আগৰ ছৈখোৱা আৰু আজিকালি বাৰিষাৰ জল-থল। দূৰত দেখা বৰফৰ নিহালি লৈ শুই থকা পৰ্বতৰ গাত এতিয়া স্পষ্টকৈয়ে দেখা পালোঁ—অনেক ক্ষত, মাটি-খহনীয়াৰ নিৰ্মম নিগ্ৰহ। ছৈখোৱাত লুইতৰ সেজা বৰ বহল —কিমান মাইল হব কব নোৱাৰিলো—ধাৰবোৰ জাল তৰি এঁকা-বেঁকা হৈ বৈ গৈছে। সিপাৰৰ শদিয়াৰ ঘাট চকুৰে মণিবৰ সাধ্য নাই। এজনে দেখুৱালে, শদিয়াৰ আনুমানিক ঠাইৰ পশ্চিমলৈ আহি দিবাং নৈ পৰিছেহি লুইতৰ বহল বুকত। এইবোৰ চাই থাকোঁতেই বেলি লহিয়ালেই। ইতিমধ্যেই অৱশ্যে আমাৰ দল শকত কৰিলেহি লোহিতৰ ৰিছাৰ্চ অফিচাৰ শ্ৰীতপনকুমাৰ মজিন্দাৰবৰুৱাই আৰু তেওঁৰ মৰম লগা ল'ৰা দুটিয়ে ( লোকপ্ৰিয় ববদলৈৰ নাতি ) টুনটুন্ আৰু কুটকুটে .

আমাক পাৰ কৰিবলৈ অহা ও. বি. এমে এজন সামৰিক বিষয়াক লৈ শদিয়ালৈ এটা খেৱা মাৰিবলগীয়া হোৱাত আমি পলম নকৰোঁ বুলি চৰকাৰী মাৰনাৰত উঠিলোঁগৈ। পোনতে লুইতৰ এমূঁতিৰে এমাইলমান ভটীয়াই উত্তৰপাৰৰ মূঁতিয়ে শদিয়ামুৱা উজাওঁতেই ও. বি. এমে আমাক বুটলি লৈ কোঁকোঁকৈ ঘাটলৈ আগবাঢ়িল—এই খৰালিতো প্ৰবল সোঁত, নতুনকৈ পোৱা বৰ

পাওৰুটিৰ দৰে একোচপৰা ফেন আৰু পাৰৰ বালিগৰা এৰি এৰি মাজে মাজে সোঁতৰ বুকত দেখা দিলে দৈকলা চৰাই—পানীকাউৰীৰ যেন ডাঙৰ সংস্কৰণ আৰু বৰনৈৰ পাৰত যোৰ পাতি থকা শুৱনী শুৱনী চাকৈ-চকোৱা বা 'ব্ৰাহ্‌মনী ডাক্'। শদিয়াঘাটত আমাৰ কাৰণে ৰৈ আছিল তেজু হাইস্কুলৰ প্ৰৱেশিকা পৰীক্ষাৰ্থী শ্ৰীমান অদাং লেগ আৰু শ্ৰীপাংকং লংকাম। আমালৈ অহা জীপত উঠি শদিয়া এৰোঁতে মুনিচুনি বেলিকা হ'ল।

'কোৱাই কা জিলীয়ে জা নকৰা শদিয়া পাৰবে আলি' আজি নাই। বণিজ বেহাবলৈ আহি চীনা, তিব্বতী, মিছিমি, আবৰ, খামটি, চিংফৌ, মিছিং, অসমীয়া, বঙালীৰ 'পৰ্বত-ভৈয়াম সম্প্ৰীতি' পতা শদিয়া-হাটো আজি নাই।

শদিয়াৰ দুৰ্গতিৰ কথা পাতি হুমুনিয়াহ এৰি আহোঁতেই কুণ্ডিলমুখ পালোঁহি। শদিয়া থানবান হোৱাত বহুত মানুহ এই ঠাইৰ কাষ চাপি বহিছেহি। তাতে ৰাজহুৱা পূজাঘৰত আমাৰ দলটিৰ কাৰণে জলপান লৈ ৰৈ আছিল আমাৰ পুৰণি বন্ধু শ্ৰীকুশ গগৈ আৰু এদল ছাত্ৰ। তাৰে ইজনে সিজনে কথা পাতি থাকোঁতে ওলাল, ভেলি নামৰ ঠাইত হোৱা স্কুলত বোলে আজিও অসমীয়া ভাষাৰ প্ৰৱেশ হৈয়ে আছে। অলপ ৰৈ আমি পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ।

শদিয়াৰপৰা লোহিতৰ সদৰ তেজুলৈ যাবলৈ আমাক দুখন গাড়ী দিছিল শ্ৰীচৌখামুন গোহাঁইদেৱে। খামটি ৰজাৰ পৰিয়ালৰ গোহাঁই-দেউৰ হাতী আৰু কাঠৰ ব্যৱসায় বৰ বিস্তৃত। আগৰ দিনত হলে আমি তেখেতক বৰসাউদ বুলিয়ে কলোঁহেতেন। তেখেতৰ লগত কথা পাতোঁতে মনত পৰিল, শদিয়াত লেফ্‌টেনেণ্ট কৰ্ণেল হোৱাইট চাহাবৰ বিৰুদ্ধে মূৰ দঙা খামটি গোহাঁইৰ পুত্ৰ চৌছাম গোহাঁইৰ উদাৰ আৰু সবল চৰিত্ৰৰ কথা।

তেজু পালোঁগৈ। আমালৈ স্কুল-পৰিদৰ্শক শ্ৰীখগেন্দ্ৰনাথ বৰকাকতী, স্বাস্থ্য-বিষয়া ডাক্তৰ ফুকন আৰু শ্ৰীইন্দ্ৰেশ্বৰ শইকীয়া

প্ৰমুখ্যে শিক্ষকসকলে বাট চাই ৰৈ আছিল। বহুত পৰ আহ্লাদ-আলাপৰ পিছত প্ৰশাসনে তৈয়াৰ কৰা আমাৰ কাৰ্য্যসূচী আমাক দেখুওৱা হ'ল। সূচীখনত তেজুৰেই সৰহ ঠাই লৈ আছে। তদুপৰি আমি হতাশ হলোঁ, যেতিয়া জানিলো যে লোহিত-সীমান্তৰে দিবাং উপত্যকাৰ ৰইওলৈ আমি যাব নোৱাৰিম, কাৰণ সেই অঞ্চল এজন সুকীয়া পলিটিকেল অফিচাৰৰ অধীনত।

তেইছ তাৰিখে পুৱাৰ জলপানৰ পিছত পলিটিকেল অফিচাৰ মেজৰ আৰ-কে হুাংগাক লগ পাবলৈ গলোঁ। তেখেতৰ কপালত খোপা বন্ধা দেখা গৈছিল। দহ বজাত ক্ৰাফ্‌ট চেণ্টাৰলৈ গলোঁ। জনজাতীয় সাজপাৰৰ দুই-এপদ, ঘৰৰ মডেল, খামটি দেশৰ পানী-কলেৰে চলোৱা ঢেকীৰ মডেল, ববিহ লগোৱা কাড় আৰু ধেনু, ধপাত খোৱা পাইপ আদিয়ে বিশেষ দৃষ্টি আকৰ্ষণ কৰিলে। চেণ্টাৰৰপৰা তেজু হাইস্কুললৈ গলোঁ। হেড্‌মাষ্টৰ শ্ৰীঅষ্টপ্ৰসাদ শ্ৰীবাস্তৱে আমাক দুফালে দুশাৰী হৈ থকা ভাৰতৰ বিভিন্ন ঠাইৰপৰা যোৱা শিক্ষক-শিক্ষয়িত্ৰীৰে চিনাকি কৰি আগবঢ়াই দিলে। তেখেতক কলোঁ, 'অদাং আৰু পাকঙে আমাৰ সাহিত্য সভাৰ সম্মিলনত সৰ্ সৰ্ কৰে যেনেকৈহে বক্তৃতা দিলে, আপুনি তেওঁলোকক লৈ নিশ্চয় গৌৰৱ পাবে।' স্কুলত সভা পতা হৈছিল, আমাক মানপত্ৰ দি বক্তৃতা শুনিবলৈ। এজন ছাত্ৰে ধেনু-কাঁড়, ধনেশ, জনজাতীয় কাপোৰৰ ফুলৰ চানেকী আদি দি চিত্ৰিত কৰা এটি বাঁহৰ চুঙাত মানপত্ৰখনি ভৰাই দিয়া হৈছিল। বৰ ভাল লাগিল, বাঁহৰ চুঙাৰ গাত জনজাতীয় জীৱনৰ সহজ অভিব্যক্তি দেখি। আৰম্ভণিৰ স্কুল-গীতে ল'ৰাহঁতৰ জীৱনৰ সঙ্কল্পৰ কথা কলে—"জগতৰ জীৱন-সভাত জীয়াই থাকিব লাগিব, মানুহৰ সতে মানুহৰ দৰে।" এটি অসমীয়া সমন্বৰ গীতত চকুত কাণত লগাকৈ যোগ দিয়া ইছু ছাত্ৰী শ্ৰীমতী পদ্মাৱাক শ্ৰীপৰাগ চলিহাই ৰূপৰ শৰাইৰ চানেকী লগোৱা এখনি ঢাল উপহাৰ দিলে। শ্ৰীমতী ৰূপমায়া ৰণোৰ নেপালী গীত, শ্ৰীমান জমাই লুম্বৰ

জিগাৰু গীত আৰু তিনিটি জনজাতীয় নৃত্য প্ৰদৰ্শন কৰা হ'ল।

আমাক আদৰাখন 'শনিবৰীয়া সভা' আছিল বাবে তাত শিক্ষক শ্ৰীইন্দ্ৰেশ্বৰ শইকীয়াই জগতৰ বাতৰি কৈ শুনাইছিল;—বৰ ভাল নিয়মটি। আমাৰ দলৰ সকলোৱে সম্প্ৰীতিমূলক বক্তৃতা কৰিলে, চলিহাই এটি গান গালে আৰু গগৈয়ে দুটা সাধু উলিয়ালে। সভাৰ শেষত লৰাহঁতলৈ বুলি কিতাপ-বহী-পেঞ্চিলৰ কণ কণ উপহাৰবোৰ হেডমাষ্টৰৰ হাতত দিয়া হ'ল।

লোহিত সীমান্তৰ ডাক্তৰচাহাব ফুকনৰ ঘৰত ভূৰিভোজনৰ পিছত জিলাৰ সাংস্কৃতিক গৱেষণা-কেন্দ্ৰ চাবলৈ গলোঁ। গৱেষণাৰ অফিচাৰ শ্ৰীবৰুৱাৰ লগত। সুখৰ বিষয়, শ্ৰীএন্. কে. ৰুস্তমজীৰ উদ্যোগত লোকপ্ৰিয় বৰদলৈৰ নামেৰে কেন্দ্ৰটিৰ নামকৰণ কৰা হৈছে। সঁচাকৈয়ে জনজাতিসকলৰ বাবে বৰদলৈ ডাঙৰীয়াৰ অন্তৰৰ এটি চুক কোমল আৰু উম লগা আছিল। ছাৰে পাঁচ বজাবপৰা কেম্পবেল মেমৰিয়েল ক্লাবৰ সদস্যসকলে জলপানৰ আপ্যায়নেৰে আমাক আদৰিলে। মই আৰু চলিহাই অসম সাহিত্য সভাৰ আত্মকথাকেই কলোঁ। মুঠতে ইমানকে কোৱা হ'ল, সভাখন অসমৰ সাহিত্যিকসকলৰ সাংস্কৃতিক অনুষ্ঠান। অসমৰ তথা ভাৰতৰ সংহতি এই সভাৰ অতি কাম্য সভাৰ নামত কোনোবাই উচপ খালেও তেনেটো উচ'প খোৱাৰ কাৰণ সমূলি নাই। আমি জনজাতিসকলৰ সেৱাৰ আদৰ্শ লৈ অহা ক্লাবৰ সদস্যসকলক সম্বৰ্দ্ধনা জনালো। মুঠতে এই দিনটোৱে সীমান্তৰ প্ৰহৰীস্বৰূপ কৰ্মচাৰী, শিক্ষক আদিক বুজিবৰ আৰু আমাকো বুজাবৰ এটি ভাল সুযোগ ভোগ কৰিবলৈ দিলে।

২৪ তাৰিখৰ দিনটো ছাঁ-জুই খেদাৰ দৰে হ'ল প্ৰায়। পুৱাতে শ্ৰীখগেন্দ্ৰনাথ বৰকাকতীদেৱক সাৰথি কৰি আমি নতুন পৰশুৰাম কুণ্ডৰ (পুৰণি কুণ্ড ১৯৬০ চনত বিলুপ্ত হ'ল) বাটত থকা মিছিমি গাঁও চিনাইলৈ বুলি যাত্ৰা কৰিলোঁ। মিছিমি ৰাইজক লগ পোৱা সহজ

কথা নহয়। তেওঁলোকৰ সমাজ সমষ্টিমুখীহে। আন জনজাতিৰ দৰে মিছিমিসকলৰ জীৱনৰ কেন্দ্ৰ গাঁও-সভা নহয়, ঘৰখনহে। প্ৰশাসনে মিছিমি গাঁৱৰ সিঁচৰতীয়া স্বভাৱৰ কাৰণে আমাক গাঁও বোলা বস্তুটো দেখুওৱাত অসুবিধা পালে। আমি দহমান বজাত টিমাই পালোঁগৈ। বাৰিষা হৰ্‌হৰাই গৰ্‌গৰাই থকা টিমাই নৈ এতিয়া ডেও দি ছাগলীপোৱালী পাৰ হব পৰা। চিন ধৰিব নোৱাৰা যেন হৈ লোহিতত পৰিছেহি। লোহিতৰ শোভা ইয়াত অপূৰ্ব। টিমাইলৈ আমাৰ আগমনৰ বতৰা দিয়া আৰু গঞা গোট-খোৱা হয়মানে আমি লোহিত পাৰ হৈ পৰশুৰামকুণ্ডলৈ গৈ ঘূৰি আহোঁ বুলি লোহিত পাৰ হব খোজোঁতেই পাগুৰি, মিছিমিচোলা আৰু ফাকলগা দাৰে কামলাং উপত্যকাৰ চাৰিজন মিছিমি লগ পালোঁ। কথা হলোঁ, চেলেউ যাচিলোঁ। বালি আৰু শিলে ভৰা পৰশুৰামকুণ্ডৰ বাট পাৰঘাটৰপৰা ছাৰে চাৰি মাইলমান বুলি আমাক কোৱা হৈছিল। কিন্তু খোজ কাঢ়োঁতে কাঢ়োঁতে আমাৰ সেই অঙ্কটো কিবা একাধিক সংখ্যাৰে পূৰণ কৰিবৰ মন গৈছিল। বাটত আমি বহুতো মিছিমি মিতুৰ লগ পালোঁ। দুই এটা কথা পাতিলোঁ, চুৰট দিলোঁ। লোহিতৰ বুকত শিলৰ মাজত নেপুৰা নামৰ কুঁহি-সঙ্গীয়া মাছ হাতেৰে খামুচি ধৰাও দেখা পালোঁ। আমি লোহিতত থকাৰ এই মিঠা মাছকেহে খাইছিলোঁ। ব্ৰহ্মকুণ্ডৰ চাৰিওকাষৰৰ গম্ভীৰ শোভাই মনটোৰ গাত ধৰি অলপ জোকাৰি দিলে। কালিকা-পুৰাণৰ ব্ৰহ্মপুত্ৰৰ জন্মৰ কাহিনী মনত পৰিল।

পৰশুকুণ্ডৰ বাটত শ্ৰীবৰকাকতীদেৱেৰে কথা পাতি জনজাতীয় জীৱনৰ আৰু বিশেষকৈ বৰ্তমান শিক্ষা-ব্যৱস্থাৰ বিষয়ে বহুতোখিনি কথা জানিব পাৰিলোঁ। নতুন প্ৰশাসনৰ অধীনত সীমান্তৰ শিক্ষাৰ গতি আশানুৰূপ হৈছে বুলিয়ে ভাব হ'ল; তদুপৰি অসমীয়া ভাষাৰ প্ৰতিষ্ঠা ইয়াত বাঢ়িবলৈ বাধা বুলিও অনুমান হ'ল। বিশেষকৈ যেতিয়া ইয়াত হঠাতে হিন্দীক শিক্ষাৰ মাধ্যম কৰি অসমৰ লগত

যোগসূত্ৰ ছিণ্ডিবৰ আয়োজন কৰা হৈছিল, স্বতস্ফূৰ্তভাবেই জনজাতীয় ছাত্ৰবিলাকে তাক প্ৰতিৰোধ কৰিলে। তাৰ ফলত সেই উদ্ভট নীতি পৰিহাৰ কৰিবলৈ প্ৰশাসন বাধ্য হ'ল। কিন্তু আজিও সেই পৰিহাৰ সম্পূৰ্ণ হৈ নুঠাটোহে আচৰিত যেন লাগে। ধেবৰ আয়োগেও এনে দুভলীয়া নীতি এৰিব লাগে বুলি পৰামৰ্শ দিছে। আমি আশা কৰিব পাৰোঁ নে এই পৰামৰ্শ লৈ সীমান্তৰ সৰ্বত্ৰ প্ৰশাসনে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰিব ?

শিক্ষাৰ মাধ্যমৰ বিষয়েই নহয়, জনজাতীয় ভাষাৰ নতুন পুথি-বোৰৰ বাবে নাগৰী হৰফ্ লোৱাটোও জনজাতীয় লোকৰ আপত্তিৰ কাৰণ হৈ আছে। বিশেষকৈ চৌখামৰ খামটিসকলৰ কাৰণে খামটি ভাষাৰ প্ৰাথমিক পুথি নাগৰী হৰফত ছপা কৰিও বন্ধ কৰি দিবলগীয়া হ'ল। সেই পুথিয়ে এক হাস্যস্কৰ পৰিস্থিতিৰ উদ্ভৱ কৰিছিল; শিক্ষকে পুথিখন পঢ়িলে ছাত্ৰই বুজিব নোৱাৰে, হাঁহে।

পুনৰ লুইতৰ ঘাট পাই টিমাই পাৰ হলোঁহি। তাতে এদল মিছিমি পুৰুষ-তিৰোতা বৈ আছিল। এজনে কলে, তেওঁলোকে চাগৈ আমাক আদৰি নিবলৈ আহিছে। ঘাটত নামিহে গম পালোঁ, টিমাই গাঁৱত গেনা থকা বাবে আমি গাঁও সোমাব নোৱাৰোঁ। কিন্তু গেনাৰ নিয়ম সামান্য আওহেলা কৰি গঞাসকল গাঁৱৰ বাহিৰতে আমাক লগ পাবলৈ আহিছে। তেওঁলোকৰ লগত কথা-বতৰা পাতি (সৰহ পৰ কথা পতা বাবে মিছিমি কটকী শ্ৰীবাৰুম বই দোভাষীৰূপে সহায় কৰিছিল) তেওঁলোকৰ মাজত প্ৰীতিৰ চিনস্বৰূপ কপাহী সূতা, চাহপাত আৰু চুৰট বিলাই দিলোঁ। পোহৰ-ছবি ললোঁ। আমি বিদায় লোৱাত তেওঁলোকে 'প্ৰা বন' (ভালে-কুশলে যাবগৈ) বুলি আশীৰ্বাদ দিলে। মই সাউত কৰি শিকি লৈ তাৰ উত্তৰ দিলোঁ, 'প্ৰা ইনা' (ভালে-কুশলে থাকিবাহঁক)। তেজুৰপৰা বালিভাত খাবলৈ আহি বিছু মাৰি থকা বন্ধুসকলে সজাই ৰখা কৌ-পাতত টোপোলা মেলি ভোকত শাণ কটা পেটক শাঁত কৰিলোঁ। খাই-বৈ উঠাতহে আমাক

লগ ধৰিলেহি টিমাইৰ গাঁওবুঢ়া শ্ৰীচৌ-চাইএ। তেওঁকো 'প্ৰা ইনা' কৰি সাঁজৰ বেলিকা তেজুৰ বাহৰ পালোঁহি। দিনটোৰ ভাগৰ সামৰি মুঞ্চী মেমোৰিয়েল ক্লাবৰ আমাক আদৰা সঙ্গীত-সন্ধিয়ালৈ কেম্পবেল ক্লাবত বন্ধুসকলৰ আদৰণিৰ উত্তৰত মই আৰু চলিহাই অসমৰ পৰ্বত-ভৈয়ামৰ নৃত্য-গীত-সম্পদৰ ঐতিহ্য বিবৰিলোঁ। সন্ধিয়াটোৰ আয়োজনৰ ভিতৰত আদিসকলৰ পনুংটি বিশেষ উল্লেখযোগ্য।

পঁচিছ তাৰিখে পুৱা আমাৰ টোপোলাটাপলি জুকিয়াই লৈ তেজুৰ আইতা'ৰ (শ্ৰীবিজয় দত্তৰ মাতৃ) ঘৰত জা-জলপান খাই শদিয়াৰ বাট ধৰি শ্ৰীচৌখামুন গোহাঁইদেৱৰ ঘৰত প্ৰাতঃভোজন কৰিবলৈ সোমালোঁ। আমাৰ তেতিয়াই চিনাকি হ'ল নতুন ধৰণৰ চুঙা চাউল খা'লামেৰে। খামটিসকলে কোমল বাঁহৰ চুঙাত সিজোৱা চাউলখিনি উলিয়াওঁতে চুঙাৰ ভিতৰৰ খলপা চোঁচ লগতে বাখি ধুনীয়াকৈ উলিয়ায়। গোহাঁইৰ ঘৰৰপৰা ওলাই আমি চৌখামলৈ বাট ললোঁ। বাটত তিনিখন নৈ পাৰ হব লাগে—কামলাং, লোহিত আৰু বেৰেং। কামলাং পাৰ হোৱাৰ আগতে আমি শ্ৰীচলিহাৰ লগ এৰি ঘৰলৈ বাট ললোঁ। × ×

—ড° শ্ৰীমহেশ্বৰ নেওগ

## অৰুণাচল (২)

অৰুণাচলৰ মানুহৰ কথা—অৰুণাচলৰ মানুহে কোৱা ভাষাৰ কথা নানা জনৰ মুখৰপৰা শুনিছিলো। নিজে গৈ বাস্তব অভিজ্ঞতা লাভ কৰাৰ সুবিধা পোৱা নাছিলোঁ। অৰুণাচললৈ যাবলৈ মোৰ অন্তৰৰ বহুদিনীয়া হেঁপাহ। এইবাৰ সাহিত্য সভাৰ দায়িত্ব লোৱাৰ পিছৰেপৰা এই কথা ভাবি আছিলোঁ; কিন্তু সময় সুবিধা কৰিব পৰা নাছিলোঁ। কেমাহমানৰ আগতে হঠাৎ এদিন অৰুণাচলৰ মুখ্য আয়ুক্ত শ্ৰীকে. এ. এ. ৰাজাৰ লগত ভালেমান সময় তেওঁৰ ছিলঙৰ বাসভৱনত

অৰুণাচলৰ নানা বিষয়ৰ কথা আলোচনা কৰি উৎসাহিত হৈছিলোঁ—বিশেষকৈ শ্ৰীৰাজ্জাইও আমাক যাবলৈ পৰামৰ্শ দি সকলো প্ৰকাৰৰ সহায় কৰিম বুলি কৈছিল। যোৱা নৱেম্বৰ মাহৰ ( ১৯৭৩ চন ) ২৪, ২৫ আৰু ২৬ তাৰিখে অৰুণাচলৰ লোহিত জিলা আৰু ২৭, ২৮ তাৰিখে টিৰাপ জিলা ঘূৰি আহিলোঁ। সেই কেইদিন প্ৰশাসনে দুয়োখন জিলাতে সকলো সা-সুবিধা দি ইমান আদৰ অভ্যৰ্থনা কৰিলে যে তাক মই ওৰেজীৱনত কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব। এই ছেগতে এই সদাশয় লোকসকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

লোহিত জিলাত ডিগাৰু মিছিমি, মিজো মিছিমি, ইডো মিছিমি, আদি, খামটি, চিংফৌ প্ৰভৃতি উপজাতিয়ে বাস কৰে। এইসকলৰ প্ৰত্যেকৰে নিজৰ কথ্য উপভাষা আছে, আনকি বিভিন্ন বস্তিত বাসকৰা একে উপজাতিৰ লোকৰ ভাষাৰো পাৰ্থক্য আছে। কাৰো ভাষা কোনেও নুবুজে। এওঁলোকে পৰস্পৰৰ ভিতৰত অসমীয়াৰে কথা পাতে, ব্যৱসায়-বাণিজ্য কৰে, ব্যৱহাৰিক জীৱনৰ সকলো কাম-কাজ কৰে। লোহিত জিলাৰ উপায়ুক্ত শ্ৰীটাকাপ ৰিঙ্গু ডাঙৰীয়াৰ আগত মই গাঁওলৈ যাবলৈ প্ৰস্তাৱ কৰাত তেওঁ বৰ ভাল পালে আৰু মোৰ লগত দুজন বিষয়া আৰু জীপগাড়ী দিলে। তাত থকা কেইদিন মোৰ কাৰণে সুকীয়া জীপগাড়ী এখন আৰু ২।৩ জন বিষয়া মোৰ লগত দি সহায় কৰিছিল, যাতে মোৰ কোনো প্ৰকাৰৰ অসুবিধা নহয়। তেওঁ নিজেও সদায় মোৰ খা-খবৰ কৰি আছিল। আনকি তেওঁৰ কাৰ্য্যালয়ৰ বিষয়া এজনৰ লগত ডুমডুমালৈ জীপগাড়ী পঠিয়াই মোক তেজুলৈ নিয়াইছিল। যাওঁতে নামচাই চৌখান হৈ গৈছিলোঁ। বৰ সুন্দৰ প্ৰাকৃতিক দৃশ্য—দেখিলে তন্ময় হব লাগে দূৰৈত মেঘ নাইবা বৰফেৰে ঢাক খাই থকা পৰ্বতমালা আৰু তাৰপৰা ওলাই অহা শিলৰ নৈ। নৈৰ বুকুৰে জীপগাড়ী চলি যায়—এফুট ডেৰফুট পানী, তলত শিল। বিস্তীৰ্ণ পথাৰ আৰু জঙ্ঘল। মাজে

মাজে নিপোটল শৰীৰেৰে খামটি আৰু মিছিমি ল'ৰা-ছোৱালী, যুৱক-যুৱতী দেখি ভাল লাগিল। বহু দূৰত চীনা সীমান্তৰ পৰ্বতত থকা শৃঙ্গ আৰু তাৰ উপত্যকাৰ দৃশ্য অতি মনোৰম। সেই দৃশ্যৰ মধুৰ স্মৃতি আজিও মোৰ অন্তৰত সজীৱ হৈ আছে। খামটি গাঁও চৌখামলৈ গলোঁ। প্ৰাক্তন এম. পি. চৌখামুন গোহাঁইৰ ঘৰলৈ গলোঁ। তেওঁ ইমান আদৰ-সাদৰ কৰিলে, খুৱালেবুৱালে অতি আন্তৰিকতাৰে। ঘৈণীয়েকে অতি আনন্দেৰে নানা ব্যঞ্জন তৈয়াৰ কৰি বাঢ়িবাঢ়ি খুৱালে। তাৰপৰা গলোঁ লোইলিয়াং গাঁওলৈ। লোইলিয়াং ভাৰতীয় আদিম জাতি সেৱাশ্ৰমৰ সন্মুখত বিৰাট সভা পাতিলে লৰা-ছোৱালী, যুৱক-যুৱতী, বুঢ়াবুঢ়ীৰ সমাবেশত। শাৰী পাতি থিয় হৈ ঢোল-কাঁহ বজাই সম্বৰ্দ্ধনা জনালে, জয়ধ্বনি দিলে। মিছিমি লৰা-ছোৱালীবোৰে সমস্বৰে সুললিত কণ্ঠেৰে ঢোল বৰকাঁহ বজাই গালে ঃ

অৰুণাচলৰ পাহাৰে পাহাৰে
জঙ্গলে জঙ্গলে ঘূৰি ফুৰোঁ,
এই পাহাৰ মোৰ অতি আপোন
এই জঙ্গল মোৰ মনৰ সপোন
ইয়াতকৈ আৰু কোনো নাই।

বিহুনাচ আৰু মিছিমি নাচো দেখুৱালে। অঞ্চল-কমিটীৰ সদস্য বেচো টেইলোৱে অসমীয়াৰে বক্তৃতা দিলে। আৰু কেবাজন মুখিয়াল লোকৰ লগত কথা পাতিলোঁ। প্ৰত্যেকেই কলে—"আমিতো অসমীয়াই। অসমীয়া কথা কওঁ। অসমীয়া ৰীতি-নীতিৰে চলোঁ"। সাৰালন্দু গাঁওৰ গাঁওবুঢ়া, পকা থেকেৰাটো যেন চেহেৰা—অসমীয়া কবলৈ লাজ কৰি মিছিমি ভাষাৰে অলপ কথা কলে। বেচো টেইলোৱে ভাঙনি কৰিলে "আমি ইমান দিন বনৰ বাঘ-ভালুকৰ লগত আছিলোঁ। আপোনালোকে আমাক মানুহ কৰিবলৈ আহিছে। ঘনাই আহি থাকিলে আমি ভাল মানুহ হম। আমাৰ লৰা-ছোৱালী মানুহ হব।"

তেওঁলোকে আৰু ক'লে—"ভুল বুজাবুজি হ'ল। ভাবৰ অমিল হ'ল। আপোনালোকেও আমাক আদৰি নললে, ঘনিষ্ঠ সম্বন্ধ নাৰাখিলে। সেই কাৰণে বাহিৰৰ প্ৰভাব পৰিল। এতিয়াও শিক্ষাৰ মাধ্যম ইংৰাজী হলেও, হিন্দী শিকিলেও আমি অসমীয়া শিকিবই লাগিব, নহলে আমাৰ ব্যৱহাৰিক জীৱন নচলিব।"

লোইলিয়াং ভাৰতীয় আদিম জাতি সেৱাশ্ৰমত কুৰিজনী মিছিমি ছোৱালী থাকে, প্ৰাথমিক স্কুলত পঢ়ে। তাৰ লৰা-ছোৱালীবোৰ দেখিলে ভৈয়ামৰ লৰা-ছোৱালী যেন লাগে। বহুত বুঢ়ী মানুহো আমাক চাবলৈ আহিছিল। বৰ আগ্ৰহেৰে সকলোৱে আমাৰ কথা শুনিলে। শ্ৰীতুলেন্দ্ৰনাথ গগৈ এই আশ্ৰমৰ পৰিচালক—সপৰিয়ালে আছে। অসমীয়া শিক্ষকো দুজনমান লগ পালোঁ। তেওঁলোকো সপৰিয়ালে আছে।

ৰাতিপুৱা টেঙ্কো গাঁওলৈ গলোঁ। তেজুৰপৰা সমাজ আৰু সাংস্কৃতিক সংগঠক শ্ৰীৰামটিংচো ট্যায়েং আৰু শ্ৰীচন্দ্ৰকান্ত বৰুৱাও আমাৰ লগত গৈছিল। গাঁওৰ প্ৰাথমিক স্কুলৰ ওচৰতে সমাজ-সেৱা কেন্দ্ৰত বহিলোঁ। গাঁওৰ সকলো মানুহ তালৈ আহিল। ধৰ্মীয়, সামাজিক আৰু শিক্ষা বিষয়ক নানা বিষয়ৰ কথা পাতিলোঁ। তেওঁলোকে ফেব্ৰুৱাৰী মাহত খেতি চপাই তামলাডু নামে উৎসৱ পাতে। আমাৰ লক্ষ্মীপূজাৰ নিচিনা। ই ডিগাৰু আৰু মিজো মিছিমিৰ মাজত প্ৰচলিত। ইডো মিছিমিসকলেৰে পূজা ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগতে পাতে। তাত বাঘৰ দাঁত, মহৰ শিং, ময়ূৰৰ পাখি, কড়ি আদি দিয়ে আৰু ঢোল-তাল, কাঁহ আদি বজায়। গাহৰি, মেথোন মাৰি ভোজ খায়। মানুহ মৰিলে দাহন কৰে, দহা-কায কৰে বুলি কলে। লৰা-ছোৱালীবোৰক মাতি আনি ইংৰাজী কিতাপ পঢ়ি ইংৰাজী নাইবা হিন্দীতে অৰ্থ কৰিবলৈ কলোঁ—নোৱাৰিলে। অসমীয়াত অৰ্থ কৰিব পাৰিলে। টেঙ্কো গাঁওলৈ যাওঁতে দুৰাপানী নদীৰ বুকুৰে গলোঁ, এটুপিও পানী নাই—শিলাময়। তেওঁলোকৰপৰা

শুনিলোঁ, তাৰপৰা তিনিমাইল দূৰত বোলে সেই নদীৰ গভীৰ পানী, তাৰপৰা "হাইড্ৰো ইলেক্ট্ৰিক" কৰিবলৈ আৰম্ভ কৰিছে। এই নদীৰ পানী আমি যোৱা আলিৰ ৩।৪ ফুট তলেৰে বৈ গৈছে। মনত পৰিল—গয়াতেই কেৱল ফল্গু-গঙ্গা নাই, তেজুৰ এই সুৰাপানীও ফল্গুৰ নিচিনা। তেজুত থকা কেইদিন চাৰ্কল অফিচাৰ শ্ৰীডি. চি. দাস সদায় আমাৰ লগতে আছিল। আহিবৰ দিনা শদিয়াত ফেৰীত তুলি থৈ গ'ল আহোঁতে চুনপুৰাহৈ আহিলোঁ। তাত শ্ৰীচৌপক গোঁহাইৰ ঘৰত সোমালোঁ। তেখেত অসম সাহিত্য সভাৰ আজীৱন সভ্য। তেখেতৰ দুটি লৰা শ্ৰীসুজিত মেইন গোঁহাই আৰু শ্ৰীচৌটেৰা মেইন গোঁহাই ( জিলা-পৰিষদৰ সদস্য ) দুয়োজনেই মোৰ প্ৰাক্তন ছাত্ৰ। বৰ আদৰ-সাদৰ কৰিলে, চাহ-জলপান খুৱালে। অৰুণাচলৰ ভাষা লৈ 'টেৰা'ৰ লগত বহু কথা পাতিলোঁ, বৰ ভাল লাগিল।

তাৰ ওচৰতে কুণ্ডিল নগৰ, আৰু কিছু দূৰত ভীষ্মক নগৰ। তেজুলৈ গলোঁ, কিন্তু আলি নোহোৱা বাবে পৰশুৰাম-কুণ্ডলৈ যাব নোৱাৰিলোঁ, মনত দুখ থাকিল। পূবফালৰপৰা লোহিত আহি দিবাং ভেলিৰ পাহাৰ ফালি ওলাই অহা দিবাং নদী লোহিতৰ লগত লগ লাগি কিছু দূৰ গৈ বুঢ়ীদিহিঙৰ লগত মিলি ব্ৰহ্মপুত্ৰ নাম লৈ সাগৰলৈ গতি কৰিছে। ফেৰীত আহি থাকোঁতে দূৰৈৰ দিবাংভেলিৰ ওপৰৰ শুকুলা বৰফেৰে ঢাক খাই থকা পৰ্বতমালাৰ অতি মনোৰম দৃশ্য দেখা পাইছিলোঁ।

টিৰাপ জিলাত নক্তে, ওৱাংচু, টাংচা, চিংফৌ প্ৰভৃতি উপজাতিয়ে বাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে কথ্যভাষা বেলেগ বেলেগ, আনকি একে উপজাতিৰে বিভিন্ন বস্তিৰ ভাষা অলপ বেলেগ। নাহৰকটীয়াৰপৰা খুনচালৈ নিজৰ গাড়ীৰেই গলোঁ। ডিব্ৰুগড় জিলা সাহিত্য-পৰিষদৰ সম্পাদক শ্ৰীমেঘ গগৈ আৰু উপ-সভাপতি শ্ৰীনীলকান্ত শৰ্মাও মোৰ লগত গৈছিল। একাবেঁকা পথ—দূৰৈত মনোৰম পৰ্বতমালা। মাজে মাজে পাহাৰৰপৰা বাগৰি অহা সৰু সৰু

২০

নদী—শিলাময় নদী, যেন পাহাৰৰপৰা শিলবোৰ খহাই আনি বুকুত বান্ধি শান্তি পায়। ডাঠ গছনি, দীঘল দীঘল গছবোৰে যেন আকাশ চুবলৈহে প্ৰতিজ্ঞা কৰি ওপৰলৈ পোন হৈ গৈ আছে। ইমান ওখ পোন পোন সেই গছবোৰ। গা-গছজোপা অতি মিহি ভাঁজ-ভুজ একেবাৰে নাই। কোনোবা বিশ্বকৰ্মাই যেন ৰেগুা মাৰি থৈছে। কিছুদূৰ গৈ দেওমালি পালোঁ। তাতেই নামচাঙৰ ৰজা ৱাংমাই ৰাজকুমাৰক লগ পালোঁ। তেওঁৰ লগত বহু সময় কথা পাতিলোঁ। বৰ ভাল লাগিল। তেওঁ স্পষ্টভাবে কলে যে "আমি অসমীয়া, ভুল বুজাবুজিৰ কাৰণে ভাবৰ কৰবাত অমিল হলেও তেজৰ অমিল হব নোৱাৰে।"

তাৰপৰা গৈ খুন্‌চা পালোঁ। তাতো দুজন বিষয়া সদায় আমাৰ লগতে আছিল; যথেষ্ট আদৰ-সাদৰ কৰি ৰাখিছিল। তেওঁলোকে আমাক দুখন গাঁওলৈ লৈ গৈছিল! খুন্‌চা গাঁওলৈ গৈ তাৰ ৰজাৰ ঘৰতে বহি কথা পাতিলোঁ। গাঁওৰ নামঘৰ চালোঁ। টিনৰ সুন্দৰ ঘৰ। তাত থকা কেইদিনৰ ভিতৰতে নাম্‌চাং, লাফ্‌টাং, খুন্‌চা আৰু বৰদুৰীয়া ৰজাক পালোঁ আৰু প্ৰত্যেকৰে লগত বহু সময় কথা পাতিলোঁ। টিৰাপৰ ৰজাসকলৰ ভিতৰত নাম্‌চাং আৰু বৰদুৰীয়াই প্ৰধান। তেওঁলোকৰপৰা জানিলো—'ফৰেষ্টৰ ৰয়েলটি'ৰ বাহিৰে আন একো উপাৰ্জন টিৰাপত নাই। এই ৰয়েলটি নাম্‌চাং আৰু বৰদুৰীয়া ৰজাই (নক্তেসকলৰ মাজৰ) পায়, কিন্তু তেওঁলোকে তাৰ নিচেই তাকৰ অংশ নিজৰ কাৰণে নি বাকীখিনি 'জন-কল্যাণ' (Peoples' Development Fund) পুঁজিত ৰাখে। এই পুঁজি বৰ শকত। ইয়াৰপৰায়ে দেওমালিৰ ওচৰৰ ৰামকৃষ্ণ মিছনৰদ্বাৰা এটি সুন্দৰ আবাসিক প্ৰাথমিক বিদ্যালয় স্থাপন হৈছে। আমি সেই বিদ্যালয় দেখি বিস্ময় মানিলো। ১৫১ জন ছাত্ৰ ছাত্ৰাবাসত থাকে আৰু অলপ দূৰৈৰ ছাত্ৰীবাসত ২৪ জনী ছাত্ৰী থাকে; কিন্তু গোটেই দিনটো বিদ্যালয় চৌহদতে থাকে। দিনৰ আহাৰ, ৰাতিপুৱা-আবেলিৰ

জলপান তাতে খায়। ইমান পৰিপাটি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নভাবে আছে যে লৰা-ছোৱালীবোৰ দেখিলেই মৰম লাগে। তাত শিক্ষাৰ মাধ্যম ইংৰাজী। হিন্দী পঢ়ায়, অসমীয়া পঢ়োৱাৰ ব্যবস্থা আছে, কিতাপ নাই বুলি ক'লে। বঙলাও কব পাৰে। উপাসনা-গৃহ, আহাৰৰ ঘৰ, থকা ঘৰ, শ্ৰেণীৰ কোঠা সকলো চালোঁ। বৰ ভাল লাগিল। টিৰাপতে শুনিলো, তাতেই তেওঁলোকে মাধ্যমিক স্কুল আৰু মহাবিদ্যালয় পতাৰো পৰিকল্পনা কৰিছে। খুনচাতো সাৰদা আশ্ৰমৰ জৰিয়তে প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ কৰি ছোৱালী-স্কুল এটি স্থাপন কৰিছে। এই দুয়োটা অনুষ্ঠানৰ কাৰণে সকলো খৰচ সেই জনকল্যাণ পুঁজিৰ সহায়ত কৰিছে বুলি কলে : আনকি প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কাৰণে মাহে প্ৰায় আঢ়ৈশকৈ টকা সেই জনকল্যাণ পুঁজিৰ পৰায়ে খৰচ কৰে। তদুপৰি আলিবাট, শিপিনী-সংঘ আদিৰ কাৰণেও তাৰপৰা খৰচ কৰে। সৰু সৰু ৰজাবোৰৰ কোনো উপাৰ্জন নাই। কিন্তু গাঁৱৰ লোকসকলে খেতিবাতিৰ বস্তু কিছু দিয়ে। সেই বস্তুও তেওঁলোকে নিজৰ কাৰণে খৰচ নকৰে বোলে। উৎসৱ আদিত খৰচ কৰে, ভোজ-ভাত খুৱায়। তেওঁলোকৰ নিজা খেতি বাতি আছে, তাৰেই চলে। আমাৰ উন্নত ঠাইবোৰত কিন্তু এনে 'জনকল্যাণ পুঁজি' নাই। তেওঁলোকৰ এই কথাৰ কাৰণে সঁচাকৈ মোৰ অন্তৰত তেওঁলোকৰ প্ৰতি অশেষ শ্ৰদ্ধা উপজিছে। অৰুণাচলৰ আটাই কেইখন জিলাৰ প্ৰতিখনতে মাত্ৰ ২৫ জনকৈ চি, আৰ. পি. থকা বুলি ক'লে। তাত দোষী-অপৰাধীৰ সংখ্যা অতি কম। বেছি ভাগ বিচাৰ ৰাইজেই কৰে। আদালতলৈ কম সংখ্যকহে আহে সেই ফালৰপৰা চালে, তাতহে গণতন্ত্ৰ ভালদৰে চলি আছে। পলিটিকেল এছিছ্‌টেণ্ট ৰাংকপৰ লগত বহু সময় কথা পাতিলোঁ। টিৰাপত মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাব বেছ আছে। প্ৰতিখন ডাঙৰ গাঁওতে সুন্দৰ টিনৰ নামঘৰ আছে। ওচৰতে গোঁসাই থকা আৰু খোৱা সৰু ঘৰ বান্ধি থোৱা আছে। নামঘৰীয়া আছে,

চৰকাৰে দৰমহা দিয়ে। দেওমালিৰ ওচৰত নৰোত্তম নগৰ, নৰোত্তম কো-অপাৰেটিভ আছে। নক্তেসকলে শৰণ-ভজনৰ কথা কয়। বুজিব পাৰি যে মহাপুৰুষ শঙ্কৰদেৱৰ নগা ভকত নৰোত্তম ইয়াৰেই আছিল। নাম্‌চাং আৰু লাফ্‌টাং আদি ৰজাৰ ঘৰত সাঁচিপাতৰ পুথি থকা বুলি লাফ্‌টাঙৰ ৰাজকুমাৰে ক'লে। নাজিৰাৰ বাৰেঘৰীয়া মহন্তই তেওঁলোকৰ গোসাঁই। এতিয়াও তেওঁ শৰণ-ভজন দিয়ে। কিন্তু গোসাঁইৰ আচৰণত সন্তুষ্ট নহয় যেন লাগিল। ৱাংকপে ডিগবৈ সাহিত্য সভালৈকো সাংস্কৃতিক দল লৈ যোৱা বুলি ক'লে। কিন্তু তাত ভাল সোধ-পোছ নোপোৱা বাবে দুখ কৰিলে। এতিয়াও আদৰ-সাদৰ সম্ভাষণ পালে, তেওঁলোক সাহিত্য সভালৈও আহিব বুলি ক'লে। ৱাংমাই ৰাজকুমাৰেও একে কথাকে কৈছিল। ৱাংকপে আকৌ ক'লে যে চাচনিৰ ওচৰত মেৰবিলত নৰোত্তম থান আছে। বহু মাটি বাৰেঘৰ সত্ৰৰ নামত আছে। নামচাং বৰদুৰীয়াৰ মানুহে গৈ এতিয়াও সেই নৰোত্তমৰ নামত ফুল দিয়ে, শলিতা দিয়ে। চাকৰিৰপৰা অবসৰ লৈ তেওঁ বোলে সেই থানত থাকি আশ্ৰম পাতি সেৱাকাৰ্য্য চলাব। থানৰ উন্নতি কৰিব বুলিও আমাক কলে। কথাবোৰ শুনি বৰ ভাল লাগিছিল।

তুয়েংখন জিলাৰে শিক্ষা-বিষয়াৰ পৰা তাৰ শিক্ষাপদ্ধতি আৰু ভাষাৰ স্থানৰ বিষয়ে বুজ ললোঁ। খুন্‌চাৰ উচ্চতৰ মাধ্যমিক স্কুললৈ গৈ তাৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী মলিনা গগৈ আৰু কেবাজন শিক্ষকৰ লগতো কথা পাতিলোঁ। বৰ্তমানে অৰুণাচলৰ শিক্ষাৰ মাধ্যম প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ইংৰাজী। ভাষা হিচাপেও ইংৰাজী প্ৰথম ভাষা, হিন্দী দ্বিতীয় ভাষা আৰু অসমীয়া তৃতীয় ভাষা; কিন্তু অসমীয়া ৫ম শ্ৰেণীৰপৰা ৮ম শ্ৰেণীলৈ পঢ়ুৱা হয়। কোনো কোনো ঠাইত নৱম শ্ৰেণীতো পঢ়ুৱাৰ ব্যৱস্থা আছে। আমি তেওঁলোকক মাধ্যমিক স্তৰৰ শেষ শ্ৰেণীলৈ পঢ়াই অসমীয়াকো পৰীক্ষাৰ বিষয় কৰিবলৈ পৰামৰ্শ দিলোঁ।

তেওঁলোকৰ কেবাজনো নেতাই আৰু আমি লগ পোৱা সকলো-লোকেই তেওঁলোকৰ নিজৰ মঙ্গলৰ কাৰণেই অসমীয়া ভাষা শিকিব লাগিব বুলি ক'লে। অৰুণাচলৰ সৰ্বতোভাবে উন্নতি কৰিবলৈ হলে তেওঁলোকে শিক্ষা, উদ্যোগ, কৃষি, বাণিজ্য সকলোতে উন্নতি কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে চিৰদিন সমস্ত ব্যয় বহন কৰি নাথাকিব। প্ৰাকৃতিক ঐশ্বৰ্যেৰে ভৰপূৰ অৰুণাচলৰ লোকে সকলো ক্ষেত্ৰতে উন্নতি সাধন কৰি নিজৰ ভৰিৰ ওপৰত থিয় দিব লাগিব আৰু তাৰ কাৰণে সকলো দিহা কৰিব লাগিব। তেওঁলোক সকলোৱে সেই কথা স্বীকাৰ কৰি তাৰ কাৰণে ওচৰচুবুৰীয়া ৰাজ্য হিচাপে অসমৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখিব লাগিব, অসমীয়া ভাষা শিকিব লাগিব বুলি ক'লে। এইদৰে ভাবৰ আদান-প্ৰদান আৰু বুজাবুজিৰ কাৰণে ঘনাই আমাৰ মানুহ গৈ থাকিলে, সাংস্কৃতিক দল গৈ থাকিলে অৰুণাচলৰ লগত আমাৰ সম্বন্ধ অতি মধুৰ হৈ পৰিব বুলি আমাৰ বিশ্বাস। তেওঁলোকৰপৰাও মাজে-সময়ে সাংস্কৃতিক দল আনিব লাগে। আমাৰ জাতীয় উৎসৱবোৰত তেওঁলোকক যোগদান কৰাৰ সুবিধা দিব লাগে। এইদৰেই আমি পৰ্বত-ভৈয়ামৰ মাজত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিব পাৰিম বুলি ভাবোঁ; অৱশ্যে ই দীৰ্ঘম্যাদী কথা, পৰিকল্পিত সংগঠনৰ কথা; আৰু তাৰ কাৰণে অশেষ কষ্ট আৰু অশেষ অৰ্থ ব্যয় কৰিব পৰা অনুষ্ঠান গঢ়ি তুলিব লাগিব।

— অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা

## নগাভূমি

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকৰ এটি বৈঠক ডিমাপুৰত সাহিত্য সভা আহ্বানক্ৰমে ১৯৭৬ চনৰ ৬ জুনত নগালেণ্ডৰ ডিমাপুৰ নামঘৰত বহিছিল। ই সাহিত্য সভাৰ বুৰঞ্জীত এটি তাৎপৰ্য্যপূৰ্ণ কথা। কাৰণ কাৰ্য্যপালিকাৰ বৈঠক অসমৰ ভৌগোলিক সীমাৰ বাহিৰত

বহা এয়ে প্ৰথম। সেই কাৰণে উলহ-মালহ উভয় পক্ষৰে কম হোৱা নাছিল—আহ্বায়কৰো, আলহীৰো।

জয়জয়তে উল্লেখ কৰা উচিত হব যে এই বৈঠকৰ ভৱিষ্যৎ ফল কেনে হব আৰু জানোচা হিতে বিপৰীত হয় বুলি বহুতেই পোনতে সন্দিগ্ধ হৈ পৰিছিল। পিছে, ভালৰ বাহিৰে বেয়া একো নহ'ল সকলো নিৰ্ভৰ কৰে কাৰ্য্যকাৰকসকলৰ নিষ্ঠা, মুক্ততা দৃষ্টিভঙ্গী আৰু অকপটতাৰ ওপৰত।

বৈঠক বহিছিল ৬ জুনত ডিমাপুৰত। আমি কিন্তু ডিমাপুৰলৈ গৈয়ে সন্তুষ্ট নাথাকিলোঁ। পদ্মনাথ গোহাঞিবৰুৱাৰ কৰ্মস্থল কহিমা চহৰলৈও গৈছিলোঁ, আমি মানে কাৰ্য্যনিৰ্বাহকৰ জনদিয়েকহে ভালেকিজন ডিমাপুৰৰপৰাই উভতিল।

শুভেচ্ছাৰ বিনিময় আৰু মিলাপ্ৰীতিৰ আদান-প্ৰদান এই বৈঠকৰ চৰম লক্ষ্য হৈ পৰিছিল। ৬ জুন দেওবাৰে ৰাতিপুৱা ডিমাপুৰ অসমীয়া নামঘৰৰ সমুখত অসম সাহিত্য সভাৰ পতাকা যথাৰীতি উত্তোলন কৰিলে সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে। তাৰ পিছত কাৰ্য্যনিৰ্বাহকৰ নিৰ্দিষ্ট কাৰ্য্যাৱলী ডুপৰীয়ালৈ চলিল। আবেলি ডিমাপুৰৰ ৰাইজে সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱ আৰু কাৰ্য্যনিৰ্বাহকৰ সদস্যসকললৈ সম্বৰ্দ্ধনা আগবঢ়ালে। সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰিলে আয়ুক্ত শ্ৰীশশীমেনন আয়াৰে। তেওঁ নাগামিজ ভাষাত সকলোৰে বুজাকৈ ভাষণ দি অসম সাহিত্য সভাই নগালেণ্ডত কাৰ্য্যনিৰ্বাহকৰ সভা পাতি উভয় পক্ষৰ মাজত থকা মিলাপ্ৰীতি সুদৃঢ় কৰাৰ কাৰণে নথৈ আনন্দ প্ৰকাশ কৰে আৰু স্পষ্ট ভাষাত কয়— 'অসমীয়াসকল আমাৰ ডাঙৰ ভাই। আমি নিজাকৈ ঘৰখন পাতি লৈ মিলা-প্ৰীতিৰে উন্নতি কৰি আগবাঢ়ি যোৱাৰ উদ্দেশ্যেহে পৃথক হৈছোঁ। সংস্কৃতিৰ একেডাল ডোলে দুয়োকে কিন্তু বান্ধি ৰাখিছে এনে সাংস্কৃতিক বিনিময় সঘনে হৈ থাকিলে, আমি হাতত ধৰাধৰিকৈ আগবাঢ়িম আৰু আমাৰ দুয়োৰে মঙ্গল হব।'

সভাত কেইবাগৰাকী ৰাজনৈতিক নেতা, সাহিত্যিক, আৰু চৰকাৰী কৰ্মচাৰীয়ে সম্প্ৰীতিসূচক বাণীৰে বক্তৃতা দিছিল। উভয়-পক্ষৰ উপহাৰ সলনাসলনি কৰাৰ পিছত সন্ধিয়া সাংস্কৃতিক সমাৰোহ হৈছিল আৰু তাত উভয় ৰাজ্যৰ শিল্পীসকলে সহযোগ কৰিছিল। বিশেষ উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ এই বছৰৰ পত্ৰিকা-সম্পাদক শ্ৰীযতীন গোস্বামীয়ে ততালিকে ৰচনা কৰি সুৰ-সংযোজনা কৰা 'আমি দুয়ো একে গছৰে ডাল' বচনেৰে আৰম্ভ হোৱা গীত এটি নগালেণ্ডৰ কুমাৰী মণিকা কছাৰীয়ে তুপত্নীয়া শিকি লৈ আবেলি প্ৰশংসনীয়ভাৱে সভাত পৰিবেশন কৰি এটা আলোড়নৰ সৃষ্টি কৰিছিল। সম্প্ৰীতিৰ ইও এটা চানেকী। সম্পাদক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মাই বক্তৃতা-প্ৰসঙ্গত প্ৰকাশ কৰিছিল যে অসম সাহিত্য সভাই নগালেণ্ডৰ লোকসাধু প্ৰকাশ কৰিবলৈ আৰু নাগামিজত গ্ৰন্থ প্ৰকাশনৰ আঁচনি গ্ৰহণ কৰিছে।

কাৰ্য্যনিৰ্বাহকৰ এই বৈঠকৰ অনুষ্ঠানে স্থানীয় ৰাইজক ইমান উৎসাহিত কৰিছিল যে বৈঠকৰ আমন্ত্ৰিত সদস্যসকলৰ সম্মানাৰ্থে ( সৰ্বশ্ৰী ) বাবুলাল কছাৰী, গোবিন্দচন্দ্ৰ পৈৰা, ৰামেশ্বৰ কলিতা আৰু নি, হাৰালুৱে মুঠতে চাৰিখন সম্বৰ্দ্ধনা-ভোজৰ আয়োজন কৰিছিল। তাৰে এখন ভোজ-মেলত বক্তৃতা দি উন্নয়ন আযুক্ত আয়াৰে কৈছিল—"অসমীয়া আৰু নাগামিজৰ পাৰ্থক্যনো ক'ত? আমি কওঁ—যাওঁ দেই, অসমীয়াই কয়—আহোঁ দেই। গুচি যাম যেতিয়া—আমি পোনে পোনে যাওঁ বুলিয়ে কওঁ—এয়েহে। নহয়জানো ;—মন্তব্যটো মন কৰিবলগীয়া।

এতিয়া কহিমা অভিযানৰ কথা কওঁ। অভিযান! কাৰণ সাহিত্য সভাৰ ফালৰপৰা তালৈ আমি আনুষ্ঠানিকভাৱে যোৱা নাছিলোঁ। কাৰ্য্য-নিৰ্বাহকৰ আমি চৈধ্যজনীয়া দল এটাই ৭ জুন তাৰিখে কহিমা দৰ্শনৰ কাৰণে যাত্ৰা কৰিলোঁ। আমাৰ পথপ্ৰদৰ্শক আৰু গুৰিত আছিল শ্ৰীপৈৰা আৰু শ্ৰীহৰিপ্ৰসাদ ৰায়।

অকোৱা-পকোৱা বাটেদি গৈ কহিমা পাই ঘাই ৰাজপথৰ দাঁতিতে

থকা পুৰণি টিনৰ ঘৰ এটাৰ ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখি থোৱা দেখিলোঁ।— KAHIMA SAHITYA SABHA
Esd. 1895, Kahima
Nagaland

মটৰ ষ্টেচনৰপৰা কেইখোজমান দূৰতে এই ঘৰ। ঘৰটো দেখি উলাহত মন নাচি উঠিল। এই সাহিত্য সভাৰ মাটিতে কহিমা সাহিত্য সভাৰ ঘৰটোৰ লগত গাতে গা লগাই আৰু এটা ঘৰ আছে—তাত চাহৰ দোকান চলিছে। সেইটোও সাহিত্য সভাৰে ঘৰ, কেৰেয়াত দিয়া হৈছে; বাৰবছৰীয়া বন্দোবস্তত কেৰেয়া চলিছে। কহিমা সাহিত্য সভাৰ উদ্যোগী সদস্যসকলৰ সৌজন্যত আমি সেই ঘৰতে বহি চাহ-জলপান খালোঁ আৰু সাহিত্য সম্বন্ধীয় আলচ পাতিলোঁ। চাহ-জলপা খাই উঠি আমি তাত থকা বয়ন-বিক্রী শিল্পগৃহ আৰু রাব ছেমিটেৰি দৰ্শন কৰিলোঁ। তেতিয়া মূৰৰ ওপৰত কিন্‌কিনীয়া বৰষুণ আৰু সম্মুখৰ পৰ্বত-টিঙত মেঘৰ লুকালুকি-মায়াখেলা চলি আছিল।

সাহিত্য সভাৰ উপৰোক্ত ঘৰটোৰ কথালৈ আহোঁ। এই ঘৰটো দৰ্শন কৰা আৰু তাক এটা পৰম পৱিত্ৰ মন্দিৰৰ দৰে জ্ঞান কৰি তাৰ ঐতিহ্য শ্ৰৱণ কৰাটোও আমাৰ কহিমা-দৰ্শনৰ এটা উদ্দেশ্য আছিল। ঐতিহ্য পিছে কোনেও বিশেষ একো কব নোৱাৰিলে—কেৱল ইয়াকে ক'লে যে ১৮৯৫ চনতে পদ্মনাথ গোহাঞিবৰুৱাদেৱে এই সাহিত্য মন্দিৰ স্থাপন কৰিছিল। ই অসম সাহিত্য সভাৰ জন্মৰ বহু কাল আগৰ কথা।

গোহাঞিবৰুৱাৰ জন্ম ১৮৭১ চনত। তেওঁ কহিমাত এৰবিৰাকৈ তিনিবাৰ আছিল। প্ৰথমবাৰ হাইস্কুলত পঢ়োঁতে। তেওঁ কহিমা হাইস্কুলৰপৰা প্ৰৱেশিকাৰ বাছনী পৰীক্ষাত উত্তীৰ্ণ হৈছিল। দ্বিতীয় আৰু তৃতীয় বাৰত তেওঁ অ. ভা. উ. সা. আৰু তাৰ পিছত কহিমা সাহিত্য সভা স্থাপন কৰে। অ. ভা. উ. সা. স্থায়ী নহ'ল। তেওঁ কোৱামতে, 'আমাৰ সাম্প্ৰদায়িক অনুষ্ঠান কহিমা অ. ভা. উ. সা

সভাখনৰ অস্তিত্ব মই এৰি অহাৰপৰা দহ-বাৰবছৰ পিছত লোপ পালে। ( 'মোৰ সোঁৱৰণী' )।

কহিমা সাহিত্য সভাৰ নামত থকা এই ঘৰটো তাৰপৰা তুলি নি আন ঠাইত কৰা হ'ব আৰু চৰকাৰে তাৰ খৰচ বহন কৰিব বুলি শুনি আমি আগদিনাখনৰ কাৰ্য্যনিৰ্বাহক সভাৰ বৈঠকতে তাক আগৰ ঠাইতেই ৰাখি যত্নেৰে অৱৰক্ষণ কৰিব লাগে বুলি চৰকাৰলৈ অনুৰোধ জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিলোঁ। গতিকে এতিয়া ঘৰটোৰ ভিতৰত সকলোৱে বহি বিষয়টো মুকলিভাৱে আচল কৰা হ'ল।

কহিমাত গোহাঞিবৰুৱাৰ প্ৰিয় ছাত্ৰ কৃষ্ণ আঙ্গামীৰ ঘৰ। তেওঁক সম্বৰ্দ্ধনা জনোৱাটোও ডিমাপুৰ-বৈঠকৰ অন্যতম উদ্দেশ্য আছিল। কিন্তু আগদিনাৰ আবেলিৰ ৰাজহুৱা সভাত তেওঁ ব্যক্তিগত অসুবিধাৰ কাৰণে উপস্থিত থাকিব নোৱাৰাৰ বাবে সম্বৰ্দ্ধনাৰ যাৱতীয় উপহাৰখিনি স্থানীয় সাহিত্য সভাৰ হাততে এৰিবলগীয়া হৈছিল। নকলেও হ'ব যে তেওঁৰ অনুপস্থিতিয়ে আগদিনাৰ সভাত আমাৰ বহুতৰে মন সেমেকাই তুলিছিল। এতিয়া তেওঁৰ ঘৰৰ ওচৰ পাই তেওঁক খন্তেকৰ কাৰণে হলেও এবাৰ লগ ধৰি যাবলৈ মন উত্ৰাৱল হ'ল আমি তেওঁৰ ঘৰৰ ওচৰলৈ যাবলৈ স্থিৰ কৰিলোঁ। সম্বৰ্দ্ধনাৰ মানপত্ৰ, উপহাৰৰ বস্ত্ৰ-গামোচা, কিতাপৰ টোপোলা আদি সমলবোৰ লগত নিনিয়া কাৰণে আমাৰ জনদিয়েকে তেওঁৰ ওচৰলৈ সুদা হাতে যাবলৈ হেহো-নেহো কৰিলে। বিগ্ৰহ দৰ্শন নকৰাকৈ উভতি যোৱাটো পাপ কৰ্ম হব বুলি কৈ আমি যাবলৈ কৃতসঙ্কল্প হলোঁ। দুই-তিনিখন গাড়ীৰে অকোৰা-পকোৰা আলিবাটেদি গৈ চহৰৰপৰা প্ৰায় দুমাইলমান দূৰত থকা শ্ৰীআঙ্গামীৰ ঘৰত উপস্থিত হলোঁগৈ। শ্ৰীগোবিন্দ পৈৰা আছিল আমাৰ সাৰথি। তেওঁ গৈ ভিতৰ সোমাই আমি যোৱাৰ খবৰটো দিবহে পালে — আঙ্গামী ডাঙৰীয়া ঠিক যেনে আছে, তেনেভাৱেই ওলাই আহিল। এটা হলোমলো হাফপেণ্ট আৰু এটা ব'গা হাফ্‌চাৰ্ট পিন্ধা পকা ঠেকেৰা

মুখৰ নিপোটল মাহনুজন—শ্ৰীকুম্ভ আঙ্গামী। মুখত এমোকোৰা হাঁহি। আমাক তেওঁ মুৰতে লব নে মাটিতে থব—মুৰত ললে ওকণিয়ে খায়, মাটিত থলে পৰুৱাই খায়—এনেভাব লগাই দিলে। আমি তেওঁৰ আহল বহল মুকলি চ'ৰাঘৰটোত সকলোৱে আসন ললোঁ। কিমান কথা ওলাল। এইমাত্ৰ ভাত খাই আহিছোঁ, আমাক চাহ-জলপান নালাগে বুলি আমি নিজ নিজ পৰিচয় দি বহিলোঁ। শ্ৰীমতী আঙ্গামীয়েও আদৰ-অভ্যৰ্থনাত সমানে ভাগ ললেহি। দুয়োৰো ময়নাসুৰীয়া অসমীয়া মাত-কথা। শ্ৰীমতী আঙ্গামীয়ে শ্ৰীমতী শুচিব্ৰতা ৰায়চৌধুৰীক ভিতৰলৈ নি তেওঁৰ লগত নাৰীসুলভ আলাপ আলোচনা কৰিলেগৈ।

শ্ৰীআঙ্গামীয়ে স্বপ্ৰণোদিতভাৱেই বহুত কথা ক'লে। পোনেই তেওঁ আৰম্ভ কৰিলে—"আমি অসমীয়া পঢ়িছিলোঁ। আজিকালি আকৌ কিবা নাগামিজ ওলাইছে। মই হলে নামটো ভাল পোৱা নাই দেই। নাগামিজনো কি? নগাই কোৱা আছামিজেই নাগামিজ বা ভঙা ভঙাকৈ নগা মানুহৰ মুখেদি ওলোৱা আধা-শুদ্ধ আধা-ভুল অসমীয়াই দেখোন নাগামিজ। তাক আছামিজ বোলাতনো বাধা কি? মোৰ মতে নাগামিজ নাম দিয়াৰ দৰকাৰেই নাছিল। অসমীয়া ভাষা সকলো ঠাইত একেদৰে কয় জানো? বৰপেটাৰ অসমীয়া, গোৱালপাৰাৰ অসমীয়া একে নহয়। তেন্তে?" কথাখিনি শুনি আমাৰ বৰ ভাল লাগিল।

আমাৰ হাতত সময় তেনেই তাকৰ আছিল কাৰণে আমি তেওঁক একে সময়তে নানা জনে নানা প্ৰশ্ন কৰিবলৈ ধৰিলোঁ। বয়স কিমান বোলাত কলে—৮৮ বছৰ। দেখাত কিন্তু তেওঁক ৫৫।৬০ বছৰৰ বেছি যেন নেদেখি। পদ্মনাথ গোহাঞিবৰুৱাই কেতিয়া তেওঁক পঢ়ুৱাইছিল বুলি সোধাত কলে—১৯০৬ কি ৭ চন মানত হ'ব। মাইনৰ স্কুলৰ তল শ্ৰেণীত পঢ়াইছিল হেনো। তেতিয়াৰ কিবা ঘটনা মনত আছে নে বুলি সোধাত কলে—"আছেতো।

বহুত কথা মনত আছে। এটা কওঁ শুনক। এদিন তেওঁ মোক 'বিচনী' বানান সুধিলে। মই বানানটো কৰিলোঁ। তেওঁ মোৰ পিঠিত চপৰিয়াই দি-বেচ বেচ ভাল হৈছে বুলিলে। তাৰ পিছত কলে—বাৰু অৰ্থ কোৱাচোন 'বিচনী' মানে কি বুজিছা? —মই কলোঁ—সেই যে তলত পাৰি লৈ শোৱে।

"—অ' বিচনা বুলিব খুজিছা? হাত দে বুলি লেখি লেখি তিনিকোব শোধালে আৰু বিচনীৰ অৰ্থ বুজাই দিলে। মোৰ সেই কোবকেইটা আজিও মনত পৰিলে মিঠা মিঠা লাগে। পিছে তেতিয়ালৈকে মই কিন্তু বিচনী দেখাই নাছিলোঁ—কাৰণ ইয়াত বিচনী নাই নহয়। ই ঠাণ্ডা ঠাই।"

আমাৰ এজনে হাঁহি হাঁহি সুধিলে—"কোব কেইটা মিঠা লাগে বুলিলে কিয়?" "শাস্তি দিবৰ কাৰণেই মাৰ মাৰিছিল। সিমান দুখো পোৱা নাছিলোঁ।"

আঙ্গামী ডাঙৰীয়াৰ কথাবোৰ ইমান ভাল লাগিছিল যে সেইবোৰ বাণীবদ্ধকৰণৰ (ৰেকৰ্ডাৰ) যন্ত্ৰ লগত নিনিয়া কাৰণে 'ৰেকৰ্ড' কৰি আনিব নোৱাৰি আজিও আক্ষেপ হয়। নগামিজৰ ব্যাখ্যা দুজন কৃতবিদ্য স্থানীয় লোকৰ মুখেদি যি শুনিছিলোঁ—আজিও সি মনত খুন্দিয়াই থাকে। নগাভূমিত বহা কাৰ্য্যপালিকাৰ এই বৈঠকৰ স্মৃতি তাৰ আনুষঙ্গিক কাৰ্য্যবোৰৰ স্মৃতিসহ মনত চিৰসেউজীয়া হৈ থাকিব। শুভেচ্ছাৰ আদান-প্ৰধানেৰে নগা আৰু অসমীয়া উভয় সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি আৰু সদ্ভাৱ স্থাপনত এই বৈঠকৰ সাৰ্থকতা ইতিহাসে স্বীকাৰ কৰি থাকিব। —শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

## কাছাৰ

ভাষা-অশান্তিৰ পিছত, "১৯৬১ চনত আমি অসম সাহিত্য সভাৰ তিনিজনীয়া সন্ধানী দল এটাই ব্যাপক ভাৱে কাছাৰ জিলাত ভ্ৰমণ কৰিছিলোঁ। মোৰ লগত গৈছিল অসম সাহিত্য সভাৰ

দুজন প্ৰাক্তন সম্পাদক ৺হৰিপ্ৰসাদ নেওগ আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।"

আমি গৈ আনুষ্ঠানিকভাৱে তাত যি কেইখনি অসম সাহিত্য সভাৰ শাখা আছিল তাৰ হিচাপ-পত্ৰ পৰীক্ষা কৰিলোঁ। তাৰ পিছতেই আমি উলটি অহাৰ কথা আছিল, কিন্তু আমাৰ সেই ভ্ৰমণ ভাষা আন্দোলনৰ অলপ পিছতে যেতিয়া মই ভাবিলোঁ, ৰাজহুৱা ভাৱে এখন সভা পাতি আমাৰ ভ্ৰমণৰ ঘাই উদ্দেশ্য প্ৰকাশ কৰি নগ'লে ইয়াৰ বাতৰি কাকত বিলাকে আমাৰ এই ভ্ৰমণৰ উদ্দেশ্য কিবা বিকৃত কৰি বাতৰি কাকতবিলাকত আকৌ মিছা ৰটনা কৰিব পাৰে। গতিকে আমি এখন ৰাজহুৱা সভা পাতি আমাৰ ভ্ৰমণৰ উদ্দেশ্যৰ কথা কৈ যোৱাটো উচিত হ'ব। এই কথাত নেওগ আৰু গোস্বামীয়ে "সময় নহব" বুলি ক'লে। তেওঁলোকে সেই সভা পাতিবলৈ ইচ্ছা কৰা নাছিল। তেতিয়া মই তেওঁলোকক কলোঁ। যে স্থানীয় অনুষ্ঠানবিলাকৰ সাই ঘাই নেতৃস্থানীয়সকলক মাত্ৰ নিমন্ত্ৰণ কৰি এই সভাখন পতা হ'ব। তোমালোকে ভয় নকৰিবা—তাত আকৌ কিবা কন্দল ঘটিব পাৰে বুলি। এই বুলি ১০০ খন কাৰ্ড ছপাই আনুষ্ঠানিকভাৱে মুখিয়ালসকলক নিমন্ত্ৰণ কৰা হ'ল। "মই ৰাতি পুৱাতে মটৰেৰে গৈ হাইলাকান্দি প্ৰভৃতি মহকুমাবিলাক সোমাই সন্ধিয়া ঠিক ৭ বজাত আহি সেই সভাত উপস্থিত হমহি।" তেওঁলোকে মোৰ পৰামৰ্শমতে কাম কৰিলে। মই ঘুৰি আহি ৭ বজাত পোৱা মাত্ৰেই তেওঁলোকে অলপ উদ্বিগ্নহৈ মোক ক'লে— "ককা যাকে নিমন্ত্ৰণ দিছোঁ, তেওঁৰেই কৈছিল—"কি ফুকন এসেছেন? হাঁ—আমৰা নিশ্চয় যাব।" গতিকে তেওঁলোকে কলে "তেওঁবিলাকৰ উত্তৰৰ চেওটো দেখি আমি সন্দেহ কৰিছোঁ। তেওঁলোকে হয়তো সভাত আপোনাৰ লগত বাদানুবাদ চলাই সভাখন ভাঙি দিবলৈ চেষ্টা কৰিব। *আপুনি যেন তেনে অৱস্থা হলে খং নুঠাকৈ* ধীৰে সুস্থিৰে উত্তৰ-প্ৰত্যুত্তৰ দিয়ে।" মই হাঁহি হাঁহি কলোঁ।

"তেওঁলোকে তেনে অৱস্থাৰ সৃষ্টি নকৰে বুলি ধৰি লবা—ৰাজনৈতিক মতলবত নেতৃস্থানীয়সকলে মোক দেখিব নোৱাৰে সঁচা কিন্তু ব্যক্তিগত ভাৱে আৰু এজন অসমৰ সৰ্ববাদী-সম্মত সাহিত্যিক হিচাপে তেওঁ-লোকেও মোক যথেষ্ট শ্ৰদ্ধা কৰে।"

সভা আৰম্ভ হ'ল। এশ জনৰ ভিতৰত বাসত্তৰ জন কি তেসত্তৰ জন উপস্থিত আছিল। সভাত সভাপতিত্ব ক'ৰে শিলছৰৰ প্ৰখ্যাতনামা গান্ধীবাদী উকিল এগৰাকীয়ে। সভা আৰম্ভ হ'লত আমি নিজে আমাৰ উদ্দেশ্য সম্বন্ধে ছুষাৰ কবলৈ ধৰোঁ। তেতিয়া লগতে কওঁ যে তিনিপুৰুষীয়া এই ঠাইৰ নেতৃস্থানীয়সকলৰ লগত মই ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ সহকৰ্মী আছিলোঁ। ছুখৰ বিষয় তেওঁলোক আজি ইহজগতত নাই। গতিকে তেওঁবিলাকৰ ঠাইত তেওঁলোকৰ নাতিপুতি কেইজনকেই মই খবৰ কৰি নগলে নিজেই মনত কষ্ট পাম। সেই কাৰণে সময় তাকৰ বাবে, আপোনালোককে নিমন্ত্ৰণ কৰি আনিছো। অসম সাহিত্য সভা ভৱনত ঘৰুৱা ভাবে এই সভাখনিত আপোনালোকে যে গোটখাইছে তাৰ বাবে মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। জয় জয়তে মই কব খোঁজো আজি ডেৰ ছুমাহৰ আগতে ঘৃণণীয় ভাষা আন্দোলন লৈ আমি উভয়পক্ষই এই ঠাইতেই যি অমানুষিক কাণ্ড কৰিলোঁ, তাৰ বাবে আজি আমি উভয় দলে নিশ্চয় অনুতপ্ত। আজি এই বিষয় পাহৰি আমাৰ প্ৰকৃত মিলন ক্ষেত্ৰ আকৌ তৈয়াৰ কৰা উচিত বুলি এষাৰ কথা খাইকৈ কবলৈ আহিছোঁ। মই আন্তৰিক শ্ৰদ্ধাৰে কব খোঁজো যে আমি উভয়পক্ষই অনুতপ্ত হৈ এই কথা পাহৰি যোৱা উচিত। ইয়াৰ পিচতে সভাপতি ডাঙৰীয়াই তেওঁলোকক আমাৰ চমুকৈ উদাৰ চিত্তেৰে এটি পৰিচয় দিয়ে। সেই পৰিচয়ত তেখেতে আমাক অতি উচ্চস্থান দিয়াত আমি নিজেই ম্ৰিয়মান হৈছিলোঁ। "কাজেই তাৰ পৰিচয় আৰও বিস্তৃতভাৱে দিবাৰ আবশ্যক নাই। এখন তিনি আমাদেৰ সামনে যে ২।৪ কথা ভাষণ দিবেন আপনাৰা যেন অতি শ্ৰদ্ধাসহ শুনবেন আমাৰ এই অনুৰোধ।" তেতিয়া মই

তু-আষাৰ কোৰাৰ পিছত সভাপতি ডাঙৰীয়াই উপস্থিত নেতৃস্থানীয়-সকলৰ দুই এজনে যদি তু-আষাৰ কয় তাৰ বাবে অনুৰোধ কৰে। সেই অনুবোধ মতে তাৰ কলেজৰ অধ্যক্ষ এজনে (নামটো পাহৰিছোঁ) উঠি কলে—"আমি ফুকন মহাশয়কে—প্ৰথমবাৰেৰ জন্য গৌহাটী ইউনিভাৰচিটি কোর্টে দেখা পাই। একটা প্ৰস্তাব নিয়ে সভ্যদেৰ ভেতৰে প্ৰায় ১০ মিনিট বাদানুবাদ চলে। কোনো ৰকম একমত হতে পাৰে নাই। এমন সময় ফুকন মহাশয় দাঁড়িয়ে একটি বক্তৃতা দিলেন—সেই বক্তৃতা শুনে তখনি উভয়পক্ষে একমত হয়ে প্ৰস্তাবটি গ্ৰহণ কৰেন! তখন ফুকন মহাশয়েৰ যুক্তি শুনে আমাৰ মনে হল যেন তিনি আইনজ্ঞ একজন Dr of Law। তাৰপৰ তাৰ ইংৰাজীতে দেওয়া ভাষণ শুনে আমাৰ মনে হল, তিনি যেন একজন Oxford Univesityৰ Dr of Litt. অর্থাৎ Doctorate উপাধিধাৰী। তখন থেকেই ফুকন মহাশয়কে আমি সর্বদাই বিশেষ শ্ৰদ্ধাৰ চোখে দেখে আসছি।" আৰু এজনে উঠি কলে "অলপতে ইয়াত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ সভাতো তেওঁৰ বক্তৃতা শুনি আমি মুগ্ধ হৈছিলোঁ।" মই অলপ ম্ৰিয়মান হৈ কলোঁ "আমাদেৰ এই সভাৰ মূল উদ্দেশ্য হচ্ছে, উভয়পক্ষেৰ ভেতৰে যেন আৰ অপ্ৰীতিকৰ ঘটনা না ঘটে—উভয়পক্ষই যেন ভাই-ভাই সম্বন্ধে বসবাস কৰে থাকে, ইহাই আমাৰ প্ৰাণভৰা শ্ৰদ্ধাৰ নিবেদন। এখন আমি বলতে চাই আপনাদেৰ ভেতৰে কেৱল মাত্ৰ একজনে যদি অসমীয়া ভাষায় ভাষণ দিলে বুজবেন না, তখন আমি ইংৰাজীতেই বলব।" তাৰ পাছত অলপ পৰ বৈয়ে কবলৈ ধৰিলোঁ —"না কেন ইংৰেজীতে বলব, শুদ্ধ-অশুদ্ধ যাই হওক, আমি বাংলাতেই বলব।" নাহলে, এখন বুজতে পাৰছি আমাকে অসম সাহিত্য সভাৰ নেতৃস্থানীয়সকলেই ক্ষমা কৰবে না। তাৰা নিশ্চয় বলবে আপনি আমাদেৰ গায়ে গায়ে লেগে থাকা প্ৰতিবেশী বঙ্গদেশেৰ ভাষা—যে ভাষাৰ সঙ্গে অসমীয়া ভাষাৰ ঘনিষ্ঠ সাদৃশ্য আছে।

ৰবীন্দ্ৰনাথ যে ভাষাই লিখে ন’বেল প্ৰাইজেৰ অধিকাৰী হয়ে বঙ্গ-ভাষাকে একটি আন্তৰ্জাতিক ভাষা কৰে তুললেন, সেই ভাষাই দু কথা বলতে ভয় পেয়ে ইংৰাজীতে বললেন ; এই কথাই আমাদেৰ নাক কাটা গেল।” তেতিয়া তাৰে এজনে উঠি কলে যে, “আপনি অসমীয়া ভাষাই বলুন—আমৰা সকলেই বুজতে পাৰব—বুজতে আমাদেৰ কষ্ট হবে না, কেবল বলতে সাহস কৰি না।” তেতিয়া মই এই কথা প্ৰমাণিত কৰালোঁ যে এই ভাষা আন্দোলনত এই ঠাইতে দুই পক্ষৰ ভিতৰত মৰা-কটা যে হৈ গল সেইটো ৰাজনৈতিক কাৰণত নহৈ আৰু কি হব পাৰে ? তেতিয়া মই অসমীয়াতেই কথাখিনি কলোঁ আৰু যিখিনি সম্প্ৰীতি, সংহতিৰ কথা কলোঁ তাত তেওঁলোক বৰ সন্তুষ্ট হ’ল যেন অনুভৱ কৰিলোঁ।

সভা ভঙ্গ হ’লত, আমি চাৰ্কুট হাউছলৈ (তাতে থকা আমাৰ থিক কৰিছিলোঁ) যাবলৈ ধৰিলোঁ। বাটত ৺নেওগ আৰু শ্ৰীগোস্বামীয়ে হাঁহি হাঁহি কথা পাতিলে। মই সুধিলোঁ “ভাং খালাহক নেকি ইমান কৈযে হাহিছা ?” তেতিয়া তেওঁলোকে হাঁহি হাহি উত্তৰ দিলে “ককা। আপোনাৰ তৎকালীন বুদ্ধি দেখি আমি আচৰিত হলোঁ। আপুনি তেওঁলোকক এইদৰে জব্দ কৰিলে যে ‘চুঙ্গা চাই সোপা দিলে।’ তেওঁলোকৰ আৰু অসমীয়া শুবুজে এই কথা কবলৈ কোনো থল নাথাকিল। আজিহে বুজিলোঁ আপোনাৰ দূৰদৃষ্টি কিমান দূৰলৈকে গৈছে আৰু ৰাজহুৱা জীৱনত তৎকালীক উত্তৰ কটা-কটি কৰিবৰ ক্ষমতা যে কিমান প্ৰয়োজনীয় গুণ আজি আমি সেই কথা মৰ্মে মৰ্মে সিৰে সিৰে অনুভৱ কৰিছোঁ।”

৬।১০।৭৭
যোৰহাট

বাগ্মীবৰ শ্ৰীনীলমণি ফুকন

# কাছাৰ আৰু মানকাচৰ

আমাৰ সম্পাদকীয় কাৰ্য্যকালত ( ১৯৭৬-৭৭ চন ) অসম সাহিত্য সভাৰ বিভিন্ন সজাতী দল অৰুণাচল আৰু কাছাৰলৈ গৈছিল। ইয়াত কাছাৰ ভ্ৰমণৰ কথা লিখিবলৈ লৈছোঁ।

কাছাৰ জিলা অসমৰ ভিতৰতে আছে যদিও ঘাইকৈ ভৌগোলিক কাৰণত অসমৰ বাকী কেইখন জিলাৰ মানুহৰ লগত কাছাৰবাসীৰ যোগাযোগ আশানুৰূপ ভাল বুলি কব নোৱাৰি। অথচ ৰাষ্ট্ৰীয় সংহতিৰ বাবে তথা পৰস্পৰৰ কল্যাণৰ কাৰণে, পৰস্পৰৰ মাজত আদান-প্ৰদান থকাটো নিতান্ত উচিত। ইতিপূৰ্বে সম্প্ৰীতি স্থাপনৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ কেইবাটিও দল কাছাৰলৈ গৈছিল আৰু এবাৰ কাৰ্য্যপালিকাৰ বৈঠকো শিলচৰত বহিছিল।

এইবাৰ কাছাৰত-তিনিখন মহকুমাৰ বিভিন্ন ঠাই ভ্ৰমণৰ কাৰণে সভাই বিশেষভাৱে আঁচনি গ্ৰহণ কৰি এটি সজাতী দল পঠিয়াবলৈ সিদ্ধান্ত কৰে। অসমত এই নজনীয়া দলটোৱে ১৯৭৭ চনৰ ৭ জানুৱাৰীৰপৰা ১১ জানুৱাৰীলৈ কাছাৰত বিভিন্ন অঞ্চলত ঘূৰি আৰু সভা-সমিতিত যোগ দি অসম সাহিত্য সভাৰ শাখা-সভা, শিক্ষানুষ্ঠান আদিৰ বুজ লয়। সভাৰ প্ৰধান সম্পাদক হিচাপে আমি আগ ধৰি সেই শাখা-সভা আনুষ্ঠানবিলাকলৈ ভ্ৰমণৰ কথা জনাইছিলোঁ। বহু দিনৰপৰা কাছাৰবাসীয়েও অসম সাহিত্য সভাৰ আগমনৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছিল। সেয়ে হবলা বদৰপুৰ জংছনতেই কৰিমগঞ্জ, ঈদগাহ, শিলচৰ আদি ঠাইৰ কেইবাজনো সদস্যই আমাক স্বাগতম জনালে।

আমি কাৰ্য্যসূচী অনুসৰি প্ৰথমে শিলচৰলৈ গলোঁ। শিলচৰ ৰেলষ্টেছনত শিলচৰ সাহিত্য সভাৰ সদস্যসকলৰ উপৰিও মহকুমাধিপতি শ্ৰীহৰিনাথ ভট্টাচাৰ্য্য, স্কুলপৰিদৰ্শক শ্ৰীনগেন্দ্ৰনাথ শৰ্মা প্ৰমুখ্যে ভালেমান উচ্চপদস্থ কৰ্মচাৰী, 'হুচিয়াৰ'ৰ সম্পাদক শ্ৰীমুছলিমউদ্দিন বৰভূঞা আৰু স্থানীয় ৰাইজে আমাক আদৰি চাৰ্কিট হাউছলৈ লৈ

যায়। তাত জিলাধিপতি শ্ৰীপ্ৰবীৰকুমাৰ দত্ত ডাঙৰীয়াই সজাতী দলটোক লগ ধৰি সাদৰ-সম্ভাষণ জনায়। চাৰ্কিট হাউছতে দুপৰীয়াৰ আহাৰ খাই আমাৰ দলটোৱে তিনিটা উপদলত বিভক্ত হৈ কাছাৰৰ তিনিওটা মহকুমাৰ নিৰ্দিষ্ট ঠাইবোৰলৈ যাত্ৰা কৰে। কাছাৰবাসী ৰাইজলৈ মৰম-শ্ৰদ্ধাৰ চিনস্বৰূপে নিয়া উপহাৰৰ টোপোলাটো তিনিটা ভাগ কৰি লোৱা হয়।

শিলচৰৰ দলটিত আছিল সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া, শ্ৰীকনকচন্দ্ৰ ডেকা আৰু শ্ৰীমোস্তাফা ছহিদুল ইছলাম। এই দলটোৱে শিলচৰ মহকুমাৰ শিলচৰ, উদাৰবন্দ জাপিৰবন্দ, হৰিনগৰ, সোণাই আদি ঠাই ভ্ৰমণ কৰে। দলটোৱে শিলচৰত বহা বঙলা সাহিত্য সন্মেলনলৈ নিমন্ত্ৰিত হৈ অসম সাহিত্য সভাৰ সম্প্ৰীতিমূলক ভ্ৰমণ আৰু সংহতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিবৰি কৈ বিখ্যাত বঙালী সাহিত্যিক শ্ৰীদক্ষিণাৰঞ্জন বসুক অসম সাহিত্য সভাৰ হৈ প্ৰীতি-সম্বৰ্দ্ধনা জনায়। পৰিষদেও দলটিক সাদৰ-সম্বৰ্ধনা জ্ঞাপন কৰে।

হাইলাকান্দি মহকুমালৈ যোৱা দলটিত আছিল সভাৰ কোষাধ্যক্ষ শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীমান চক্ৰৱৰ্ত্তী আৰু শ্ৰীঅমল ৰাজখোৱা। এই দলটিয়ে হাইলাকান্দি মহকুমাৰ হাইলাকান্দি, আলগা, লালা, মাটিজ্ঞা আদৰকোণা ৰৰখল আদি ঠাই ভ্ৰমণ কৰি সেইবোৰ ঠাইত অনুষ্ঠিত সভাত অসম সাহিত্য সভাৰ সম্প্ৰীতিসূচক ভ্ৰমণৰ তাৎপৰ্য্য ব্যাখ্যা কৰে।

তৃতীয় দলটোত মোৰ লগতে উপসভাপতি শ্ৰীহিতেশ ডেকা আৰু শ্ৰীপ্ৰকাশ গোস্বামীও আছিল। উল্লেখযোগ্য যে শিলচৰ অভ্যৰ্থনা সমিতিৰ সহৃদয়তাত আমি তিনিওটা উপদলে একোখনকৈ মটৰগাড়ী আৰু একোজন পথপ্ৰদৰ্শক পাইছিলো।

আমি আবেলি কৰিমগঞ্জ চহৰমুৱা হৈ যাত্ৰা কৰিলোঁ। বাটটো আহলবহল যদিও আগৰ বছৰৰ বানে কোনো কোনো অংশ ভাঙি

পেলাইছে। আলিৰ দুয়োকাষে খেৰীঘৰবোৰৰ সৈতে তামোল-পাণৰ বাৰীবোৰ দেখিলে কোনে নকব যে এইবোৰ অসমীয়া মানুহৰ ঘৰ-বাৰী নহয়?

কাৰ্য্যসূচী অনুসৰি বদৰপুৰ পাব্লিক এম-ই স্কুল আৰু ভাঙ্গা হাইস্কুলত অনুষ্ঠিত ৰাজহুৱা সভাত আমি যোগ দিলোঁ। পৰস্পৰৰ মাজত শুভেচ্ছা বিনিময় হ'ল। আমি তেওঁলোকক লগত নিয়া কিতাপ-গামোচা জাপি আদি উপহাৰ দিলোঁ।

ৰাতি ন বজাত চাৰ্কিট হাউছত গৈ দেখোঁ, আমাৰ কাৰণে ঈদগাহ শাখাসভাৰ কেইজনমান সদস্য বৈ আছে। অসমীয়া ভাষা আৰু অসম সাহিত্য সভাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ দেখি ভাল লাগিল। ৰাতি এঘাৰমান বজালৈকে অসম সাহিত্য সভা আৰু ঈদগাহ শাখা সভায়ে সম্পাদকৰ মাজত আলোচন চলিছিল।

৯ জানুৱাৰী ৰাতিপুৱা ৮'৩০ বজাত কৰিমগঞ্জৰপৰা আমাৰ অভিযান আৰম্ভ হ'ল। আমাৰ লগত মণিপুৰীভাষী অধ্যাপক শ্ৰীসিংহ আৰু সপ্তাহিক বাংলা সংবাদপত্ৰ 'দৃষ্টিপাত'ৰ সম্পাদক শ্ৰীভূপেন্দ্ৰ-কুমাৰ সিংহও গৈছিল।

দহ বজাত বিদ্যানগৰ পালোঁ। তাত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ নামত এখন এম-ই. স্কুল থকা দেখি বৰ ভাল লাগিল। স্কুলত বঙলা আৰু অসমীয়া শিকোৱা হয়। তাৰ বেছি ভাগ অধিবাসীৰ ভাষা বিষ্ণুপ্ৰিয়া মণিপুৰী বুলি অনুমান হ'ল। তাত অনুষ্ঠিত সভাখনত স্থানীয় শ্ৰীমণিলাল সিংহই অসমীয়া ভাষাত লিখা স্বৰচিত কবিতা এটি পাঠ কৰি আমাক সম্বৰ্দ্ধনা জনাইছিল। অধ্যাপক শ্ৰীসিংহয়ো ধুনীয়া অসমীয়া ভাষাৰে বক্তৃতা দিছিল।

এঘাৰ বজাত আমি দুৰ্লভচৰা হাইস্কুল পালোঁগৈ। তাৰ সভাত কেইজনীমান ছাত্ৰীয়ে 'অ' মোৰ আপোনাৰ দেশ' গীতটো শুদ্ধকৈ উচ্চাৰণ কৰি গাইছিল। সভাত স্থানীয় শিক্ষক শ্ৰীবিজয় সিংহ আৰু শ্ৰীতুষাৰকান্তি সিংহই বক্তৃতা প্ৰসঙ্গত অসমীয়া ভাষা শিকাৰ

প্ৰয়োজনীয়তাৰ কথা আৰু লগতে তেওঁলোকৰ মাতৃভাষা বিষ্ণুপ্ৰিয়া-মণিপুৰী ভাষা স্কুলত শিকোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কৈছিল।

ডেৰবজাত প্ৰতাপগড় হাইস্কুল পালোঁগৈ। তাতো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ আমাৰ প্ৰতি আগ্ৰহ দেখি মুগ্ধ হলোঁ। সভাত কেইবা-জনো স্থানীয় বক্তাই অসমীয়া ভাষাটোৰ শিকা প্ৰয়োজন বুলি মন্তব্য কৰাৰ লগতে বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাটোক চৰকাৰে স্বীকৃতি নিদিয়াত আক্ষেপ প্ৰকাশ কৰিছিল।

আঢ়েবজাত প্ৰতাপগড়ৰপৰা বিদায় লৈ ঈদগাহ মাদ্ৰাছালৈ যাত্ৰা কৰিলোঁ। ঈদগাহত বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল। দূৰ-দূৰণিৰ ভালেমান শিক্ষক আৰু অসমীয়াপ্ৰেমী ৰাইজ আহি গোট খাইছিল। উল্লেখযোগ্য যে ঈদগাহ মাদ্ৰাছাখন ঘাই বৰ আলিৰপৰা এক ফাৰ্লংমান দূৰৈত অৱস্থিত হোৱাৰ বাবে ৰাইজে খেতিপথাৰৰ ধান আৰু আলি কাটি আমাৰ মটৰ যাব পৰাকৈ বাট কৰি দিয়াইছিল আৰু বাটৰ দুয়োকাষে ৰঙা নীলা নিচান পুতি থৈছিল।

আমি গৈ পোৱাত পলম হোৱাৰ কাৰণে অসম সাহিত্য সভাৰ সংগঠক শ্ৰীছিদ্দিক আহমেদচৌধুৰীৰ সভাপতিত্বত সভা আৰম্ভ কৰা হৈছিল। সভাত আমাৰ মানপত্ৰ দিয়া হৈছিল। আব্দুল মালিক চৌধুৰী, মৌলবী আব্দুল হ'ক, আব্দুল মান্নান তালুকদাৰ, শ্ৰীনিখিলকান্ত দাস, শ্ৰীবীৰেন্দ্ৰ সিংহ আদি বক্তাৰ ভাষণৰ মূল কথা স্থানীয় 'দৃষ্টিপাত' কাকতত (১২।১।৭৭ তাৰিখে) যিদৰে প্ৰকাশ হৈছিল, তাৰে অলপ আভাস তুলি দিয়া হ'ল ঃ

"ভাষাৰ ব্যাপাৰে বক্তাৰা বলেন, আসামে অসমীয়া শিখা উচিত কথাটা বলাই বাহুল্য। —ভাৰতবাসী হিচাবে হিন্দী শিখা যেমন, তেমনি আসামে চলাফেৰাৰ সুযোগ-সুবিধাৰ জন্য অসমীয়া শিক্ষা অনিবাৰ্য্যই হয়।"

সম্বৰ্দ্ধনাৰ উত্তৰত আমাৰ ফালৰপৰা কোৱা হৈছিল যে কাছাৰ-বাসী আৰু ব্ৰহ্মপুত্ৰ উপত্যকাবাসীৰ মাজত পুৰণি কালৰেপৰা থকা

সম্বন্ধৰ এনাজৰীডাল যাতে আৰু দৃঢ় হয়, তাকেই অসম সাহিত্য সভাই কামনা কৰে। কাছাৰত থকা বঙলাভাষী লোকেও যদি ৰাজ্যভাষা অসমীয়া শিকে তেন্তে অসমীয়া ভাষাৰ লগত ভাবৰ আদানপ্ৰদান ঘটোৱা আৰু বিশেষকৈ চাকৰিৰ ক্ষেত্ৰত তেওঁলোকেই বেছি লাভৱান হ'ব। ঈদগাহতেই আমাৰ ৰাতি আঠমান বাজিছিল। কেইজমান লোকৰ ব্যক্তিগত নিমন্ত্ৰণ আমি অনিচ্ছাসত্ত্বেও উপেক্ষা কৰি সেই নিশাই শিলচৰলৈ উভতিলোঁ।

দহ জানুৱাৰীত শিলচৰ অসম সাহিত্য সভা ভৱনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। তাত অসম সাহিত্য সভাৰ পক্ষৰপৰা কাছাৰ জিলাৰ বিভিন্ন শাখাসভা আৰু বিশিষ্ট ব্যক্তিক শ্ৰদ্ধা-প্ৰীতিৰ চিনস্বৰূপে উপহাৰ প্ৰদান কৰা হয়। অনুষ্ঠানসমূহেও আমাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

কাছাৰত তিনিদিন ভ্ৰমণ কৰি আমাৰ এই অভিজ্ঞতাই হ'ল যে জিলাখনৰ লগত অসম সাহিত্য সভা তথা অসমীয়াভাষী লোকৰ আদান-প্ৰদান, বুজাবুজি যিমানেই বেছি হয়, সিমানেই সকলোৰে কাৰণে মঙ্গল।

× × ×

কাছাৰ জিলাৰ দৰে মানকাচাৰো অসমৰ এমূৰে অৱস্থিত। গাৰোপাহাৰ আৰু বাংলা দেশৰ মাজেদি গোৱালপাৰা জিলাৰ একেবাৰে দক্ষিণ-পশ্চিম প্ৰান্তৰপৰা ঠেক অঞ্চল দক্ষিণলৈ সোমাই গৈছে। মানচিত্ৰত ইয়াক ঠিক হাতীৰ শুঁৰৰ দৰেই দেখি।

১৯৭৬ চনৰ এক এপ্ৰিল তাৰিখে উচ্চ মাধ্যমিক স্কুলৰ পৰীক্ষা সংক্ৰান্তত মানকাচাৰলৈ এই লেখক যাবলগীয়া হৈছিল। তাৰ ফলত অপ্ৰত্যাশিতভাৱে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হিচাপে সংগঠনৰ সুযোগ এটা পোৱা হৈছিল। কাৰণ, অসমৰ এই সীমামূৰলীয়া অঞ্চলটিত এখন শাখা সভা স্থাপন কৰা আৰু পাৰিলে কেইজনমান আজীৱন সভ্য কৰাটোও মোৰ সেই ভ্ৰমণৰ অন্যতম উদ্দেশ্য আছিল

গুৱাহাটীৰপৰা বাছেৰে গলে মানকাচাৰলৈ প্ৰায় এদিনৰ বাট। দীঘলীয়া বাটটোত যান-বাহনৰ ভিৰ কম। মাজে মাজে আলিৰ দুয়ো কাষে গছ-গছনি আৰু পাহাৰ পোৱা যায়, যেন সেইবোৰক প্ৰকৃতিয়ে সৌন্দৰ্য্যৰ পোহাৰহে মেলি থৈছে।

আবেলি চাৰি বজাত মানকাচাৰ পালোঁগৈ। আমি যোৱা ৰাজ্যিক পৰিবহন নিগমৰ বাছখন ৰখা ঠাইৰ কাষতে মানকাচাৰ উচ্চ মাধ্যমিক স্কুল আৰু ডাকবঙলাটো। সেই কাৰণে স্কুলৰ কৰ্তৃপক্ষক লগ পোৱা আৰু থকামেলাৰ ব্যৱস্থা কৰাত অসুবিধা নহ'ল। ডাকবঙলাতে এসপ্তাহৰ অধিক কাল থাকি মানকাচাৰ আৰু তাৰ ৰাইজৰ লগত চা-চিনাকি হোৱাৰ সুযোগ গ্ৰহণ কৰিছিলো।

'মানকাচৰ' নামটোৰ উৎপত্তি সম্পৰ্কে অনুসন্ধান কৰি জানিলো যে পূৰ্বে এই ঠাইডোখৰ ব্ৰহ্মপুত্ৰৰ চৰ বা চাপৰি আছিল। সেই চৰত মাণিক নামেৰে এজন গুৱালে হেনো গৰু ৰাখিছিল। শেষত সেই মাণিকৰ নামেৰেই ঠাইডোখৰৰ নাম 'মাণিকৰ চৰ' বা 'মাণিকচৰ' আৰু পিছত মুখ বাগৰি 'মানকাচাৰ' হয়গৈ। ঠাইডোখৰ এতিয়াও দ। বাৰিষা ব্ৰহ্মপুত্ৰৰ বানে প্ৰায়ে তল নিয়ায়। অৰণ্যে মাছ, গাখীৰ চৈভেনদী। সেই কাৰণে ই এখন ভোগালী ঠাই।

এই মানকাচাৰ এখন সৰু চহৰ। ইয়াৰ সোঁমাজেদি পকা আলি এটা গৈছে। বাকীবোৰ আলি কেঁচা। চহৰৰ পশ্চিম প্ৰান্তত ভাৰত-বাংলাদেশৰ সীমা। সীমাৰ দুই পাৰে মিলিটাৰী পহৰাদাৰ আছে। স্কুলৰ সহকাৰী প্ৰধান শিক্ষক মোছলেম চাহেবৰ লগত সীমালৈকে গৈছিলোঁ। সীমাৰ চিন স্বৰূপে তাত কোনো খাল বা বেৰ নাই যদিও এককাৰ্লংমান আঁতৰে আঁতৰে ছয়ফুটমান ওখ একোটা প্ৰকাণ্ড কংক্ৰীটৰ স্তম্ভ আছে। স্তম্ভৰ এফালে বঙলা আখৰেৰে লিখা আছে 'বাংলাদেশ' আৰু আনটো ফালে ৰোমান আখৰেৰে লিখা আছে 'ইণ্ডিয়া'। এই দুই দেশৰ সীমাৰেখাডাল মানকাচাৰৰ ভালেমান মানুহৰ ঘৰ-চোতালৰ মাজেদি যোৱাত বহুতৰ পৈত্ৰিক ভূমি-সম্পত্তি

আনৰ হৈ গৈছে; নিজৰ খেতিৰ মাটিত চকুৰ আগতে বিদেশীয়ে হাল বাইছে। দেশবিভাজনৰ এই পৰিণতি দেখি মনত আঘাত লাগিল।

মানকাচাৰৰ দক্ষিণফালে কালোনদী নামে এখন সৰু নৈ বৈ গৈছে। নৈখন হিন্দুসকলৰ মনত বৰ পবিত্ৰ। অশোকাষ্টমী তিথিত তাৰ পাৰত ডাঙৰ মেলা বহে। ধৰ্মপ্ৰাণ হিন্দুসকলে গঙ্গাৰ এধাৰা সেই দিনা তালৈকে বৈ আহে বুলি ভাবি স্নান কৰে। নৈৰ দক্ষিণফালে এশ ফুটমান ওখ দুটা সৰু টিলা আছে। এটাৰ নাম মিৰজুমলা টিলা আৰু আনটোৰ নাম কামাখ্যা টিলা। বঙ্গৰ নবাব মিৰজুমলাক হেনো এই টিলাতেই কবৰ দিয়া হৈছিল। সেই কাৰণে টিলাটোৰ এই নাম। টিলাটোৰ ওপৰত কেবাটাও কবৰ, এটা মছজিদ আৰু এটা ঈদগাহ আছে। অৱশ্যে কোনো কোনোৱে মিৰজুমলাক ঢাকাত আৰু মিৰজুমলাৰ তলতীয়া কেইজনমান বিষয়াকহে ইয়াত কবৰ দিয়া হৈছিল বুলি ভাবে। মুঠতে টিলাটোৰ সম্বন্ধে ভালেমান কিংবদন্তী আছে আৰু ই মুছলমানসকলৰ পবিত্ৰ স্থান।

কামাখ্যা টিলা সম্পৰ্কেও এটা কিংবদন্তী আছে। সেয়া হ'ল সতীৰ নাভিখণ্ড হেনো এই টিলাতেই পৰিছিল। গুৱাহাটীৰ উগ্ৰতাৰা পীঠতো দেৱীৰ নাভি পৰা বুলি বিশ্বাস কৰা হয়। টিলাটোত কামাখ্যা দেৱীৰ মন্দিৰৰ উপৰি শনি ঠাকুৰৰ মন্দিৰ আৰু হনুমান মন্দিৰ আছে। মন্দিৰত নিতৌ পূজা-সেৱা চলে। আগেয়ে কামাখ্যা মন্দিৰত পঠা বলি দিয়া হৈছিল। আজিকালি নিৰামিষ ভোগহে দিয়া হয়। কামাখ্যাদেৱীৰ বৰ মাহাত্ম্য আছে বুলি জনসাধাৰণে বিশ্বাস কৰে।

মানকাচাৰত অসম সাহিত্য সভাৰ শাখাসভা এখন থকাটো যে নিতান্ত প্ৰয়োজন, এই কথাটো থলুৱা কেইবাজনো গণ্যমান্য লোকৰ আগত প্ৰকাশ কৰাত তেওঁলোকে মোৰ আগ্ৰহত সঁহাৰি জনাই ৫ এপ্ৰিল তাৰিখে মানকাচাৰ হাইস্কুলত এখন ৰাজহুৱা সভাৰ আয়োজন কৰে। সেই সভাত সভাপতিত্ব কৰিছিল মানকাচাৰ হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীভবানীচৰণ পাল ডাঙৰীয়াই। সভাত

অসম সাহিত্য সভাৰ উদ্দেশ্য আৰু বৰ্তমান বছৰৰ আৰম্ভণিৰ লগতে মানকাচাৰত শাখাসভা স্থাপনৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিবৰি কোৱা হ'ল। সমজুৱাৰ ফালৰপৰা কেইবাজনো বক্তাই কলে যে অসমৰ এমূৰত থকাৰ কাৰণে তেওঁলোক প্ৰায়ে অৱহেলিত হৈ আছে। সাহিত্য সভাৰ দৰে এখন জাতীয় অনুষ্ঠানৰ লগত সম্বন্ধ ৰখাটো তেওঁলোকৰ কাৰণে অতি প্ৰয়োজন। সেই কাৰণে মানকাচাৰত এখন শাখাসভা গঠন কৰিব লাগে। সভাপতিয়েও শাখাসভা গঠনত গুৰুত্ব দি কলে যে মানকাচাৰ অঞ্চল বাংলাদেশৰ গাতে লগা। সেই কাৰণে তাৰ মানুহৰ বঙলা ভাষাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। সেয়ে হলেও স্থানীয় লোকে অসমীয়া ভাষাহে পঢ়ে। মানকাচাৰ অঞ্চলত কুৰিখন হাইস্কুল আৰু এম-ই. স্কুল আছে। সকলোবোৰতে শিক্ষাৰ মাধ্যম অসমীয়া আৰু অসমীয়া ভাষা শিকাৰ কাৰণে সকলো আগ্ৰহান্বিত।

সভাত শাখাসভা গঠন সম্পৰ্কে এটি প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হ'ল। কেইবাজনো সদস্যই সভালৈ দান-বৰঙণি আগবঢ়ালে। দুজন লোক আজীৱন সভ্যও হ'ল। আনন্দৰ কথা, মানকাচাৰৰ সেই শাখাসভাই বৰ্তমান অসম সাহিত্য সভাৰ স্বীকৃতি লাভ কৰিছে।

মানকাচাৰৰপৰা ১০ এপ্ৰিলৰ দিনা উভতি আহোঁতে লক্ষ্মীপুৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীদেৱৰ ৰাজহুৱা টোলত সোমাইছিলো। চৌধুৰীৰ ভতিজা-ল'ৰা শ্ৰীঅমলেন্দ্ৰ চৌধুৰীৰপৰা জানিব পাৰিলোঁ, নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে গল্প-প্ৰবন্ধৰ উপৰিও 'প্ৰাচীন কামৰূপৰ ক্ষত্ৰিয় জাতি' নামৰ এখন আলোচনামূলক পুথি 'যশবিক্ৰম বা প্ৰমীলাবিজয়' নামে এখন নাটক আৰু কেইবাটাও কবিতা লিখিছিল। নাটক আৰু কবিতাবোৰ এতিয়াও অপ্ৰকাশিত অৱস্থাত আছে। মই চাবলৈ আগ্ৰহ প্ৰকাশ কৰাত শ্ৰীচৌধুৰীয়ে কবিতা কেইটিৰ এটি নকল মোক দিলে। মই অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হিচাপে আগ্ৰহেৰে গ্ৰহণ কৰিলোঁ।

ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা

# শতবাৰ্ষিকী আৰু স্মাৰক বক্তৃতা

বীৰপূজা জীয়া জাতিৰ লক্ষণ। সুখৰ বিষয় সম্প্ৰতি প্ৰাক্তন সভাপতিসকলৰ শতবাৰ্ষিকী উৎসৱ পালন আৰু স্মৃতিগ্ৰন্থ প্ৰকাশ, অসম সাহিত্য সভাৰ বছৰটোৰ কাৰ্য্যক্ৰমণিকাৰ এটা পৰম্পৰাত পৰিণত হৈছে। অসম সাহিত্য সভাই এই আঁচনি তৰি লোৱাৰ আগতে ভালেকেইজন বৰেণ্য সাহিত্যিকে শতবাৰ্ষিকীৰ জপনা পাৰ হৈ যোৱাত শতবাৰ্ষিকী উৎসৱ পালন কৰিব পৰা নহ'ল। অসম সাহিত্য সভাৰ পক্ষে ই নিশ্চয় পৰিতাপৰ কথা। সেই সকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য্য, সত্যনাথ বৰা প্ৰভৃতি বহুত আমাৰ আপোনজন চাওঁতে চাওঁতে অদৃশ্য হৈ গ'ল।

সি যি নহওক পলমকৈ হলেও সাহিত্য সভাই এই লানি উৎসৱৰ দিহা কৰি এটা ভাল কাম কৰিছে। সাহিত্য সভাৰ শাখাসভা-বিলাকেও এই আহিৰে আঞ্চলিকভাৱে হলেও অপেক্ষাকৃত কম বিখ্যাত স্থানীয় সাহিত্যিকসকলৰ স্মৃতিপূজাৰ দিহা কৰাটো পবিত্ৰ কৰ্ম বুলি ধৰি লব লাগে। সাহিত্য সভাৰদ্বাৰা এতিয়ালৈ আয়োজিত শতবাৰ্ষিকীৰ ভিতৰত একমাত্ৰ ঢেকিয়ালফুকনৰহে মৃত্যু-শতবাৰ্ষিকী— আন সকলোবিলাক জন্ম-শতবাৰ্ষিকী।

অসম সাহিত্য সভাৰ দ্বাৰা এতিয়ালৈকে অৰ্থাৎ ১৯৭৭ চনলৈ অনুষ্ঠিত হোৱা শতবাৰ্ষিকী উছৱবোৰ হৈছে :

## ত্ৰাণকৰ্তা ঢেকিয়ালফুকন

১৯৫৯ চনত নগাৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনত সভাপতিৰ ভাষণত অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে 'সংস্কৃতি-তীৰ্থ নগাওঁ সম্পৰ্কত লিখিছিল: "এই

নগাৰতে স্বনামধন্য আনন্দৰাম ঢেকিয়ালফুকনদেৱে জীৱনৰ শেষ অৰ্ঘ্য দান কৰিছিল। ইয়াৰে উপায়ুক্তৰ হাউলিৰ পশ্চিমফালে এজোপা পুৰণিকলীয়া বৰগছ আজিও বৰ্তমান। সেই গছৰ তলতে ঢেকিয়ালফুকনৰ শেষসমাধি ৰচনা কৰা হৈছিল। স্মৃতিবৃক্ষ জোপাৰ সংৰক্ষণৰ যথোচিত দিহা আজি পৰ্য্যন্ত হৈ নুঠাটো পৰিতাপৰ কথা। এনে হেন পূত তীৰ্থ এখনি নিজান ঠাইত সভ্য জগতৰ দৃষ্টিৰ অন্তৰালত চিৰউপেক্ষিত হৈ থকাটো আমাৰ জাতীয় কলঙ্ক বা গ্লানিৰ বাহিৰে একো হব নোৱাৰে। অন্ততঃ এই ঠাই জনসাধাৰণৰ আকৰ্ষণ স্বৰূপ হৈ অসমীয়া ভাষা-সাহিত্যৰ নুমাও নুমাও হোৱা বন্তিগছ তেল-শলিতা দি জ্বলাই দিওঁতা, যুগপ্ৰৱৰ্তক, স্বনামধন্য ঢেকিয়ালফুকনৰ স্মৃতিৰ যুগান্তকাৰী নিদৰ্শন হোৱা উচিত। ইয়াতে ঢেকিয়ালফুকনৰ মৰ্মৰ মূৰ্তি এটি প্ৰতিষ্ঠা কৰি এখনি পুণ্যাশ্ৰম পতাটো নগাঁৱা ৰাইজৰ কৰ্তব্য, সদৌ অসমীয়া ৰাইজৰ কৰ্তব্য। নগাও সাহিত্য সভাই আৰু এইবাৰৰ এই আদৰণী সভাই এই কামৰ আগভাগ লব বুলি আমি আশা কৰিছোঁ। ইতিপূৰ্বে প্ৰস্তাৱিত হোৱাৰ দৰে ইয়াৰ ওচৰতে নকৈ সজোৱা কলঙৰ সাঁকোখন ঢেকিয়ালফুকনৰ নামেৰে নামাঙ্কিত হলে কেনে সুখৰ কথাই হয়! আমি আজি কাকো নতুনকৈ সোঁৱৰাই দিব নালাগে যে অসমৰ এটা সংকটময় পৰিস্থিতিত এই ঢেকিয়ালফুকনেই আছিল আমাৰ ত্ৰাণকৰ্তা।”

সভাপতিৰ আহ্বানত তপতে তপতে সহঁাৰি জনাই নগাও অধিবেশনৰ মুকলি সভাত দুটা প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল। এটা প্ৰস্তাৱত সেই বছৰৰ ৯ জুনত সভাই ঢেকিয়ালফুকনৰ শতবাৰ্ষিকী পালন কৰিবলৈ সিদ্ধান্ত লৈছিল। আনটো প্ৰস্তাৱত কলং সাঁকোখন ঢেকিয়ালফুকনৰ নামেৰে নামাঙ্কিত কৰিবলৈ দাবী জনোৱা হৈছিল। প্ৰথমটো প্ৰস্তাৱ তেতিয়াই আৰু আনটো প্ৰস্তাৱ বহু বছৰৰ পিছত এতিয়া কাৰ্য্যকৰী কৰা হৈছে। তদুপৰি নগাঁৱা

ৰাইজে 'আনন্দৰাম ঢেকিয়ালফুকন কলেজ' প্ৰতিষ্ঠা কৰি বীৰপূজাৰ উজ্জ্বল চানেকী দাঙি ধৰিছে।

অসম সাহিত্য সভাৰ সপ্তৰিংশ নগাঁও অধিবেশনত গৃহীত প্ৰস্তাৱমতে কাৰ্য্যকৰী সমিতিয়ে কেন্দ্ৰীয়ভাৱে যোৰহাটত আৰু স্থানীয়ভাৱে আন আন ঠাইত শাখাসভাবিলাকৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ যুগপ্ৰৱৰ্তক ঢেকিয়ালফুকনৰ শতবাৰ্ষিকী উৎসৱ পালন কৰিছিল। ৰাজ্যিক চৰ্কাৰৰপৰা পোৱা চেঁচাপানী ঢলা উৎসাহ সত্বেও সাহিত্য সভাৰ এই বীৰপূজা সাৰ্থক হৈছিল বুলি কব লাগিব। সেই দিনা আলোচনা সভা, সমদল, দীপান্বিতা আদি কাৰ্য্যসূচীৰে এই বৰেণ্য পুৰুষজনাৰ স্মৃতিত ভক্তি-অৰ্ঘ্য নিবেদন কৰা হৈছিল।

যোৰহাটত সভাৰ থাই কাৰ্য্যালয় চন্দ্ৰকান্ত ভৱনত এই ঢেকিয়ালফুকন দিৱস বিশেষ গাম্ভীৰ্য্যপূৰ্ণভাৱে উদযাপন কৰা হৈছিল। স্মৃতিসভাত পৌৰোহিত্য কৰিছিল ভাষাবিদ দেৱানন্দ ভঁৰালী ডাঙৰীয়াই। এই সভাত প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ উপৰিও নকুলচন্দ্ৰ ভূঞা আৰু বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই শ্ৰদ্ধাঞ্জলি আগবঢ়াইছিল।

দেৰগাঁও সাহিত্য সভাই শ্ৰীলক্ষ্মীচন্দ্ৰ গোস্বামীৰদ্বাৰা ৰচিত '১৬ জুনৰ স্মৃতিত' নামৰ এখনি পুস্তিকা এই উপলক্ষে প্ৰকাশ কৰে। এই উছৰত অসম সাহিত্য সভাৰ ভালেমান শাখাসভাই আগভাগ লৈছিল।

এই উছৱ উপলক্ষে আনন্দৰাম ঢেকিয়ালফুকন ৰচিত A few Remarks in the Assamese Language নামৰ ইংৰাজী গ্ৰন্থ 'অসমীয়া ভাষা' নামেৰে পুথিৰ আকাৰত অসম সাহিত্য সভাই প্ৰকাশ কৰে। তৰ্জমা কৰে ডক্টৰ শ্ৰীমহেশ্বৰ নেওগদেৱে। সদ্যহতে ঢেকিয়ালফুকনৰ ৰচনাৱলী সংকলন আৰু প্ৰকাশ কৰি অধ্যাপক শ্ৰীনন্দ তালুকদাৰ অসম সাহিত্য সভাৰ শলাগৰ ভাগী হৈছে।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

# উপন্যাস-ওজা ৰজনীকান্ত

১৯৬৭ চনৰ ২৪ নৱেম্বৰ তাৰিখে সদৌ অসমত জোনাকী যুগৰ অন্যতম কৰ্ণধাৰ ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়। উপন্যাস-সম্রাট বৰদলৈয়ে জীৱনৰ শেষৰ কাল অতিবাহিত কৰা ডিব্ৰুগড় নগৰত অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে শতবাৰ্ষিকী উদ্‌যাপন কৰাৰ সিদ্ধান্ত কৰে। অসম সাহিত্য সভা আৰু ৰজনীকান্ত বৰদলৈ জন্ম-শতবাৰ্ষিকী আদৰণী সমিতিৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা বৰদলৈ জন্ম-শতবাৰ্ষিকী উৎসৱ দিবস জোৰা কাৰ্য্যসূচীৰে ২৪ নৱেম্বৰ তাৰিখে গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত সুসম্পন্ন হয়।

সেই দিনা জিলা তথ্য আৰু জনসম্পৰ্ক বিভাগৰদ্বাৰা আয়োজন কৰা পুৱা ৬ বজাৰ অনুষ্ঠানত প্ৰবীণ শিক্ষক মোহনচন্দ্ৰ বৰদলৈয়ে গীতা পাঠ, শ্ৰীমতী কৃষ্ণা বৰদলৈয়ে বৰগীত পৰিৱেশন কৰাৰ উপৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগে ৰজনীকান্ত বৰদলৈৰ বহুমুখী প্ৰতিভাৰ বিষয়ে লিখা এটি কথিকা প্ৰচাৰিত হয়।

পুৱা ৭-৩০ বজাত প্ৰধান সম্পাদক নেওগৰ অনুৰোধক্ৰমে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পিছত বৰদলৈৰ পৱিত্ৰ স্মৃতিত বিভিন্ন অনুষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৯ বজাত পতাকা উত্তোলনৰ স্থান আমোলাপট্টি নাট্যমন্দিৰৰপৰা সমদল উত্তৰফালে যায়। সমদল জৰ্জ ইনষ্টিটিউচনৰ ওচৰৰ পুলিচ পইণ্ট পোৱাৰ লগে লগে ডিব্ৰুগড় পৌৰসভাৰ অনুৰোধ অনুসৰি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে পুলিচ পইণ্টৰপৰা খেমকা মাৰ্কেটলৈকে পথছোৱা ৰঙা ফিটা কাটি ৰজনীকান্ত বৰদলৈ-পথৰ ফলক উন্মোচন কৰে। তাৰপৰা সমদল বৰদলৈৰ বাসভৱনলৈ ( চিৰিংচাপৰি ) যায় আৰু ৯-৩০ বজাৰপৰা সেই ঠাইত প্ৰাৰ্থনা সভা হয়। দিনৰ ১-৩০ বজাত আমোলাপট্টি নাট্যমন্দিৰত

অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে সমাজকল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীমতী পদ্মকুমাৰী গোহাঁয়ে আৰু সভাত পৌৰোহিত্য কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে। আদৰণী সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই সকলোকে আদৰণি জনায়। প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগে প্ৰতিবেদন পাঠ কৰে। সভাত চৈয়দ মাব্দুল মালিক, ডঃ শ্ৰীসত্যেন্দ্ৰ নাৰায়ণ গোস্বামী আৰু বাগ্মীৰৰ শ্ৰীনীলমণি ফুকনে ভাষণ দিয়ে। আদৰণী সমিতিৰ প্ৰধান সম্পাদক শ্ৰীতফৰ্জ্জুল আলিয়ে ধন্যবাদ জ্ঞাপন কৰে।

সন্ধিয়া ৰংঘৰ চিনেমাৰ সৌজন্যত বৰদলৈৰ উপন্যাসৰ কাহিনী অৱলম্বনত চিত্ৰৰূপ দিয়া মনোমতী বোলছবি প্ৰদৰ্শন কৰা হয়।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

## প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ

জোনাকী যুগৰ অন্যতম কৰ্ণধাৰ 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ জন্মশতবাৰ্ষিকী গুৱাহাটীত কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ অসম সাহিত্য সভাই এটা শক্তিশালী উৎসৱ সমিতি গঠন কৰি দিয়ে। এই সমিতিৰ সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু সম্পাদক ডক্টৰ শ্ৰীহেমন্তকুমাৰ শৰ্মা। সবিতা সভা, গুৱাহাটী সাহিত্য সভা আদি স্থানীয় শাখাসভাবিলাকে আৰু আগৰৱালাৰ পুত্ৰ শ্ৰীতৰুণকুমাৰ আগৰৱালাই এই উছৱ-সমিতিৰ লগত সক্ৰিয়ভাৱে সহযোগ কৰে।

অসম সাহিত্য সভা আৰু গুৱাহাটী আগৰৱালা জন্মশতবাৰ্ষিকী সমিতিৰ উদ্যোগত ১৯৬৭ চনৰ ২৮ নৱেম্বৰ মঙলবাৰে ৰাতিপুৱা ৮ বজাত ভগৱতীপ্ৰসাদ বৰুৱা ভৱন প্ৰাঙ্গনত কাৰ্য্যসূচী আৰম্ভ কৰি 'অসমা সুষমা কামৰূপা, জয়তু জননী ধৰিত্ৰী দুহিতা' গীতেৰে পতাকা উত্তোলন কৰি উৎসৱৰ পাতনি মেলা হয়। অসম সাহিত্য সভাৰ

উপসভাপতি ডক্টৰ শ্ৰীমহেশ্বৰ নেওগে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। এটি চমু ভাষণেৰে তেওঁ চন্দ্ৰকুমাৰৰ বহুমুখী প্ৰতিভাৰ কথা উল্লেখ কৰি সমজুৱাসকলক উৎসৱ সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনায়।

পতাকা উত্তোলনৰ পিছত অধ্যাপক শ্ৰীযোগেশ দাসে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱক প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিবলৈ আহ্বান কৰে। ধ্বনিকবি শ্ৰীবৰুৱাদেৱে এটি চমু ভাষণেৰে জোনাকী যুগৰ কৰ্ণধাৰসকলৰ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ বহুমুখী প্ৰতিভাৰ কথা উল্লেখ কৰি প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। জোনাকী যুগৰ কবি-সাহিত্যিকসকলৰ আলোকচিত্ৰৰ উপৰিও জোনাকী, বাঁহী, আলোচনী আদি ভালেমান দুস্প্ৰাপ্য পুৰণি আলোচনী আৰু কিতাপ আদিয়ে প্ৰদৰ্শনী আকৰ্ষণীয় কৰি তোলে।

৯-৩০ বজাত এটি সমদলেৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ আবক্ষ মূৰ্তি উন্মোচন কৰিবলৈ শুক্লেশ্বৰ ঘাটলৈ যাত্ৰা কৰা হয়। মহামহিমোপাধ্যায় শ্ৰীবিপিনচন্দ্ৰ গোস্বামীৰ পৰিচালনাত বিবিধ মাঙ্গলিক অনুষ্ঠানেৰে লুইতৰ পাৰৰ শুক্লেশ্বৰ ঘাট উদ্যানত আগৰৱালা-পৰিয়ালৰ বয়োবৃদ্ধা মহিলা শ্ৰীমতী দময়ন্তী আগৰৱালাই মূৰ্তি উন্মোচন কৰে। আগৰৱালাদেৱৰ আবক্ষমূৰ্তি শ্ৰীপুলক গগৈৰ হতুৱাই নিৰ্মাণ কৰাই শ্ৰীতৰুণকুমাৰ আগৰৱালাই ৰাইজক দান কৰে। এই উপলক্ষে শ্ৰীযতীন গোস্বামীৰ সম্পাদনাত প্ৰকাশিত 'চন্দ্ৰস্মৃতি' নামৰ স্মৃতিগ্ৰন্থৰ উপৰিও শ্ৰীতৰুণকুমাৰ আগৰৱালাই প্ৰকাশ কৰা তলত নাম দিয়া গ্ৰন্থ তিনিখন উন্মোচন কৰা হয়:

(১) চন্দ্ৰামৃত: চন্দ্ৰকুমাৰৰ সম্পূৰ্ণ ৰচনাৱলী ( অতুল হাজৰিকা সংকলিত )

(২) হৰিবিলাস আগৰৱালাৰ আত্মজীৱনী

(৩) চন্দ্ৰকুমাৰ ( জ্যোতিপ্ৰসাদ ৰচিত )

আবেলি ৪ বজাত গুৱাহাটী জিলা-পুথিভঁৰালত লক্ষ্মীনাথ ফুকনৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। উৎসৱ সমিতিৰ সভাপতি

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই আদৰণী ভাষণ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্মাই প্ৰতিবেদন পাঠ কৰে। সভা উদ্বোধন কৰে জ্ঞাননাথ বৰা ডাঙৰীয়াই। সভাত সমজুৱাৰ ফালৰপৰা বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই বক্তৃতা দিয়ে। সভাপতি ফুকনদেৱে ভাষণ প্ৰসঙ্গত চন্দ্ৰকুমাৰৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ বিষয়ে বহলাই আলোচনা কৰে।

সন্ধিয়া অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয় ভগৱতীপ্ৰসাদ বৰুৱা ভৱন আৰু চন্দ্ৰকুমাৰৰ কৰ্মস্থান নিউপ্ৰেছত ( বৰ্তমান হেমকোষ প্ৰেছ ) বন্তি জ্বলোৱা হয়। সন্ধিয়া নিউপ্ৰেছত নাম-প্ৰসঙ্গই উৎসৱৰ গাম্ভীৰ্য্য বঢ়ায়।

২৯ নৱেম্বৰ বুধবাৰে দিনৰ ১০ বজাৰপৰা পুনৰ প্ৰদৰ্শনী মুকলি কৰা হৈছিল।

**ড° হেমন্তকুমাৰ শৰ্মা**

## সাহিত্যৰথী বেজবৰুৱা

প্ৰত্যেক দেশতে বিভিন্ন যুগত এনে একোজন প্ৰতিভাশালী সাহিত্যিকৰ আবিৰ্ভাৱ হয়, যাৰ ৰচনাৰ মাজত 'গোষ্পদে নভোমণ্ডলম্' সদৃশ একোটা জাতিৰ সমগ্ৰ জীৱন প্ৰতিবিম্বিত হৈ উঠে। অসমীয়া সাহিত্যত তেনে এখন গৌৰৱৰ আসন অধিকাৰ কৰিছিল লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ পিছত তেওঁৱেই অসমীয়া সাহিত্যৰ দ্বিতীয় যুগপ্ৰবৰ্তক পুৰুষ। বেজবৰুৱাৰ ৰচনাত অসমীয়া জাতিৰ প্ৰাণৰ ছবি যেনেভাৱে ধৰা পৰিছিল, অসমীয়া জাতিৰ অতীতৰ স্মৃতি আৰু ভবিষ্যতৰ সপোন যেনেভাৱে ফুটি উঠিছিল, আন কোনো এজন লেখকৰ ৰচনাতেই সি তেনেভাৱে ফুটি উঠা নাই। চৌৰতে ক'বলৈ হলে বেজবৰুৱা-সাহিত্য অসমীয়া জাতীয় জীৱনৰ কালজয়ী বাণীমূৰ্তি।

অসমীয়া ভাষাক আধুনিক সাহিত্যৰ উপযোগী বাহন হিচাপে গঢ়ি তুলিলে বেজবৰুৱাই। বৈষ্ণৱ যুগৰ বিস্মৃতপ্ৰায় সাহিত্য আৰু দৰ্শনৰ লগত অসমীয়া জাতিৰ নতুনকৈ পৰিচয় ঘটাই অসমৰ সুমহান

সাংস্কৃতিক উত্তৰাধিকাৰ সম্পৰ্কে সকলোকে সচেতন কৰি তুলিলে বেজবৰুৱাই। অসমীয়া ভাষাত সৰ্বপ্ৰথম সাৰ্থক ব্যঙ্গ ৰচনা, চুটিগল্প, নাটক, জীৱন-চৰিত আৰু সাহিত্য সমালোচনা আদি সৃষ্টি কৰি আধুনিক অসমীয়া সাহিত্যৰ ভেটিও সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিলে বেজবৰুৱাই। এটা কৃতজ্ঞ জাতিয়ে সেই কাৰণে বহুত দিনৰ আগতেই বেজবৰুৱাক সম্ৰাট, সাহিত্যৰথী, ৰসৰাজ আদি আখ্যাৰে ভূষিত কৰি তেখেতক ভাষা-জননীৰ পূজাৰ প্ৰধান ঋত্বিকৰূপে বৰণ কৰি লৈছে।

বেজবৰুৱাৰ ঐতিহাসিক গুৰুত্ব কেৱল অসমীয়া সাহিত্যৰ চাৰিসীমাতে আৱদ্ধ নহয়। আধুনিক কালত যি কেইজন নেতৃস্থানীয় লেখকে ভাৰতৰ সনাতন ঐতিহ্য পুনৰাবিষ্কাৰ কৰি তাৰ লগত নৱলব্ধ য়ুৰোপীয় মানৱতাবাদী চিন্তাৰ সংযোগ সাধন কৰিছিল আৰু তাৰদ্বাৰাই ভাৰতীয় সাহিত্যত আৰু বৌদ্ধিক জীৱনত আধুনিক যুগৰ সূচনা কৰিছিল, সেইসকলৰ ভিতৰত বেজবৰুৱা অন্যতম। বেজবৰুৱাৰ ব্যক্তিত্ব সমন্বয়ধৰ্মী ভাৰতীয় সংস্কৃতিৰ মহত্তম বৈশিষ্ট্যৰে সমুজ্জ্বল।

অসম সাহিত্য সভাই ডিগবৈ অধিবেশনত প্ৰস্তাৱযোগে ১৯৬৮ চনত লক্ষ্মীনাথ বেজবৰুৱা শতবাৰ্ষিকী পালন কৰিবলৈ সিদ্ধান্ত লৈছিল। সেইমতে অসম সাহিত্য সভাৰ উদ্যোগত ১৯৬৮ চনত অসমৰ সৰ্বত্ৰ আৰু ভাৰতৰ বিভিন্ন ঠাইত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী পালন কৰা হৈছিল। বেজবৰুৱা শতবাৰ্ষিকী আঁচনিত ৰাজ্য-চৰ্কাৰে চল্লিছ হাজাৰ টকাৰ অনুদান আৰু পিছত তথ্যচিত্ৰৰ বাবে চৈধ্য হাজাৰ ধৰি মুঠ ৫৪ হাজাৰ অনুদান দিছিল। ৰাজহুৱা দান-বৰঙনিও সংগ্ৰহ কৰা হৈছিল। মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়াই প্ৰধান পৃষ্ঠপোষক হিচাপে শতবাৰ্ষিকী অনুষ্ঠানৰ কাৰ্য্যসূচী সফলতাত গুৰি ধৰে।

১৯৬৮ চনৰ ৫ অক্টোবৰৰ দিনা যোৰহাটত অনুষ্ঠিত উদ্বোধনী

উৎসৱত জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে অভূতপূৰ্ব জন-সমাৱেশ হয়। সেই-দিনাৰ যোৰহাটৰ উপৰিও অন্য ঠাইৰ সমদল বিশেষভাৱে উল্লেখযোগ্য। পুৱা ৮ বজাত পতাকা উত্তোলন কৰে সভাপতি জ্ঞাননাথ বৰা ডাঙৰীয়াই। ৰাজ্যপাল শ্ৰীব্ৰজকুমাৰ নেহৰুৱে বেজবৰুৱাৰ প্ৰতিকৃতি উন্মোচন কৰে। স্মৃতিস্তম্ভ উন্মোচন কৰে তেতিয়াৰ মুখ্য ন্যায়াধীশ শ্ৰীশৰৎকুমাৰ দত্তই। ডাকটিকট মুকলি কৰে শ্ৰীবি. কে. নেহৰুৱে। উদ্বোধনী অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল বঙ্গৰ চিন্তাশীল সাহিত্যিক সমালোচক শ্ৰীঅন্নদাশঙ্কৰ ৰায়। শ্ৰীৰায় ১১ অক্টোবৰ পৰ্য্যন্ত অসমত থাকি যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, নগাঁও, গুৱাহাটী আৰু ছিলং অনুষ্ঠানত সহযোগ কৰে।

শিৱসাগৰ অসম সাহিত্য সভাৰ জন্মস্থান। শিৱসাগৰ নগৰ আৰু ইয়াৰ আশেপাশে বেজবৰুৱাশতবাৰ্ষিকী উপলক্ষে এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হয়। গোটেই ৰংপুৰ নগৰত উঠুলিমুঠুলি লাগি পৰে।

৫ অক্টোবৰ ৰাতিপুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে প্ৰাক্তন সভাপতি পদ্মধৰ চলিহাদেৱে। চিত্ৰ-প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অভিনেতা শ্ৰীপৰশুৰাম বৰুৱাই (ফুমু বৰুৱা)। বেজবৰুৱা ডাকটিকট উন্মোচন কৰে শ্ৰীমতী হেমলতা বৰাই। দিখৌপৰীয়া আমোলাপটিৰ বেজবৰুৱা উদ্যানত কেন্দ্ৰীয়ভাৱে প্ৰতিষ্ঠা কৰা স্মৃতিফলক আৰু অৰুণোদয় পথৰ শিশু-ভৱনৰ চৌহদত পৌৰসভাৰ দানেৰে নিৰ্মিত মাৰ্বল পাথৰৰ আবক্ষ মূৰ্তি উন্মোচন কৰে তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে।

মুকলি সভা উদ্বোধন কৰে সাহিত্য সভাৰ সভাপতি জ্ঞাননাথ বৰাদেৱে। মুখ্য অতিথিৰ আসন লয় বিখ্যাত বঙলা লেখক অন্নদাশঙ্কৰ ৰায়ে। আবেলি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত বেজবৰুৱাৰ দুই জীয়াৰী অৰুণা মুখাৰ্জী, শ্ৰীমতী ৰত্না বৰুৱা, পদ্মধৰ চলিহা, বিমলাপ্ৰসাদ চলিহা,

ড° শ্ৰীমহেশ্বৰ নেওগ প্ৰভৃতি ভালেমান বিশিষ্ট লোকে যোগ দিছিল। ডুপৰীয়া বেজবৰুৱাৰ বংশধৰ আনন্দচন্দ্ৰ বেজবৰুৱাই আৰু সন্ধিয়া শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাই (প্ৰাক্তন এম-পি) নিজ বাসভৱনত বিশিষ্ট আলহীসকলক ভোজমেলত আপ্যায়িত কৰে।

ৰাতি ভগৱতীপ্ৰসাদ বৰুৱা ঘূৰণ-মঞ্চত বেজবৰুৱা ৰচিত 'জয়মতী কুঁৱৰী' নাটৰ সফল অভিনয় হয়। পৰিচালনাত আছিল প্ৰাক্তন গদাধৰ অভিনেতা শ্ৰীফুনু বৰুৱ।

৭ তাৰিখে ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে আয়োজিত সভাত সভাপতিত্ব কৰে সংসদী সদস্য হেম বৰুৱাদেৱে।

৮ তাৰিখে নগাৱত অনুষ্ঠিত আলোচনা-চক্ৰত পৌৰোহিত্য কৰে শ্ৰীৰাধিকামোহন গোস্বামীদেৱে।

ৰাজধানী ছিলঙৰ অনুষ্ঠানত সভাপতিত্ব কৰে হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়াই।

ছাত্ৰ-দিৱসত তেজপুৰ সভাৰ সভাপতিত্ব কৰে পদ্মধৰ চলিহাদেৱে।

গুৱাহাটীত কেন্দ্ৰীয়ভাৱে বেজবৰুৱা উছৱৰ মহিলা দিৱস পালন কৰা হয়। মুকলি সভাত সভানেত্ৰীৰ আসনত আছিল শ্ৰীমতী নলিনীবালা দেৱী।

এই শতবাৰ্ষিকী পালনৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ নিৰ্দেশ ক্ৰমে গুৱাহাটীতো এটি আঞ্চলিক সমিতি গঠন কৰা হয়। এই সমিতিৰ অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক সভাপতি, ড° শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্যক কাৰ্য্যকৰী সভাপতি আৰু শ্ৰীদুৰ্গেশ্বৰ শৰ্মাক প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়। সমিতিয়ে গুৱাহাটীৰ উপৰিও ডিমৰীয়া, সোণাপুৰ, ফটাশিল, পলাশবাৰী, ৰামপুৰ, বকো, শোৱালকুছি, হাজো, ৰঙিয়া আৰু উত্তৰগুৱাহাটীত স্থানীয় শাখা সাহিত্য সভাৰ সহযোগত আলোচনা-চক্ৰ, ৰাজহুৱা সভা পাতি শত-বাৰ্ষিকী উছৱ পালন কৰে। সমিতিৰ উদ্যোগত সাংস্কৃতিক সমাৰোহৰো আয়োজন কৰা হৈছিল আৰু 'বেজবৰুৱা স্মৃতি' নামেৰে এখনি স্মৃতি

গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। এই স্মৃতি-গ্ৰন্থৰ সম্পাদক আছিল শ্ৰীযতীন গোস্বামী। সমিতিয়ে প্ৰায় পাঁচহাজাৰ টকাৰে মূল অসম সাহিত্য সভাকো বেজবৰুৱা শতবাৰ্ষিকী উছৱ উদ্‌যাপনত সহায় কৰে।

নগাভূমিৰ কহিমা অনুষ্ঠানত শ্ৰীলীলা গগৈয়ে অসম সাহিত্য সভাৰ প্ৰতিনিধিত্ব কৰে। কলিকতা, সম্বলপুৰ আৰু নতুন দিল্লীৰ অনুষ্ঠানত ড° শ্ৰীমহেশ্বৰ নেওগ, প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ আৰু অধ্যাপক শ্ৰীযোগেশ দাসে সাহিত্য সভাৰ প্ৰতিনিধিত্ব কৰে। অসম সাহিত্য সভাৰ ফালৰপৰা তিনিওখন ঠাইলৈকে একোখন তৈলচিত্ৰ দান দিয়া হয়।

ইয়াৰ উপৰিও কহিমা, ডিফু, শিলচৰ, ধুবুৰী, শদিয়াত একোখন বেজবৰুৱাৰ চিত্ৰ উন্মোচন কৰা হয়।

১০।১১ তাৰিখে কলিকতাৰ অনুষ্ঠানত ভাষাচাৰ্য্য ড° সুনীতি-কুমাৰ চেটাৰ্জী, শ্ৰীহেমাঙ্গ বিশ্বাস, শ্ৰীক্ষিতীশ ৰায়ৰ সাদৰ-সহযোগ বিশেষভাৱে উল্লেখযোগ্য। কোশল সাহিত্যসমাজৰ উদ্যোগত হোৱা ১৯।১০ তাৰিখৰ সম্বলপুৰৰ অনুষ্ঠানত সমগ্ৰ পশ্চিম উৰিষ্যাৰ জনসমাজত সাহিত্যৰথী বেজবৰুৱাক এগৰাকী জাতীয় সাহিত্যিক হিচাপে দেখুওৱা সন্মান আছিল বিশেষ তাৎপৰ্য্যপূৰ্ণ। এই ক্ষেত্ৰত কোশল সাহিত্যসমাজৰ সভাপতি শ্ৰদ্ধাকৰ সুপাকাৰ আৰু ড° হৰেকৃষ্ণ মহতাবৰ সহযোগ অনুষ্ঠানৰ এটি উজ্জ্বল দিশ।

২৪ নৱেম্বৰত অনুষ্ঠিত নতুন দিল্লী অনুষ্ঠানত পৌৰোহিত্য কৰে কাকাচাহেব কালেলকাৰে। অনুষ্ঠানত সাহিত্যৰথীজনাৰ প্ৰতিকৃতি উন্মোচন কৰি ৰাষ্ট্ৰপতি জাকিৰ হুছেইনে বেজবৰুৱাক এগৰাকী মহান ভাৰতীয় সাহিত্যিক বুলি আখ্যা দিয়ে। নতুন দিল্লী অনুষ্ঠানত সাহিত্য একাডেমীৰ সচিব প্ৰভাকৰ মাচুৱে আৰু শিক্ষামন্ত্ৰী ড° শ্ৰীত্ৰিগুণা সেনে অসমীয়া সাহিত্য আৰু বেজবৰুৱা সম্পৰ্কে আলোচনা কৰে। অসম সাহিত্য সভাৰ আহ্বানত সহঁাৰি দি ভাৰতৰ বিভিন্ন ঠাইত আৰু লণ্ডনতো শতবাৰ্ষিকী অনুষ্ঠান সম্পন্ন কৰা হয়।

যোৱা ৯।১১ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে এটি বিশেষ সমাৰোহ আৰু আলোচনা-চক্ৰ অনুষ্ঠিত হয়। সমাবেশত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি-সকলৰ উপস্থিতি বিশেষভাৱে উল্লেখযোগ্য। এই উপলক্ষে পতা সভা, প্ৰদৰ্শনী আদিত অভূতপূৰ্ব জনসমাবেশ ঘটে। ৰাতি অধ্যাপক আৰু ছাত্ৰসকলে মিলি বেজবৰুৱাৰ 'পাচনি' নাটৰ সফল অভিনয় কৰি দেখুৱায়। উপাচাৰ্য্য শ্ৰীভোজৰাজ শেঠ আৰু ৰেক্টৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই এই সমাৰোহৰ গুৰি ধৰে। এই বিশ্ববিদ্যালয়ত 'লক্ষ্মীনাথ বেজবৰুৱা আসন' প্ৰতিষ্ঠা কৰা হয়। প্ৰথমতে শ্ৰীপৰাগধৰ চলিহা আৰু সম্প্ৰতি অসমীয়া বিভাগৰৰ বৰমূৰীয়া ড° শ্ৰীমহেন্দ্ৰ বৰা এই আসনৰ অধিকাৰী হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়তো ৮ ফেব্ৰুৱাৰী (১৯৬৯) অনুৰূপভাৱে বেজবৰুৱা দিৱসৰ দিহা কৰি অসম সাহিত্য সভাৰ আটাই কেইজন জীৱিত প্ৰাক্তন সভাপতিলৈ সম্বৰ্দ্ধনা আৰু মাননি আগবঢ়োৱা হৈছিল। অনুষ্ঠানত সভাপতিত্ব কৰিছিল পিছৰ কালৰ বেজবৰুৱাৰ 'বাঁহী'ৰ সম্পাদক অমিয়কুমাৰ দাস ডাঙৰীয়াই।

বিভিন্ন শিক্ষানুষ্ঠানত বেজবৰুৱা চ'ৰা মুকলি কৰা সম্পৰ্কত সহাঁৰি পোৱা হয়। অসমৰ সকলো সাহিত্য, শিক্ষা, সাংস্কৃতিক অনুষ্ঠানে শতবাৰ্ষিকী অনুষ্ঠান উপলক্ষে ৰাজহুৱা সভা, আলোচনা-চক্ৰ বেজবৰুৱা কবিতা-গীতৰ আবৃত্তি, নাটক, অভিনয়, প্ৰদৰ্শনী আদিৰ আয়োজন কৰি শতবাৰ্ষিকী অনুষ্ঠান ব্যাপকভাৱে সম্পন্ন কৰে।

৯ অক্টোবৰত (১৯৬৮) বেজবৰুৱা-তথ্যচিত্ৰ 'অমৰ লক্ষ্মীনাথ' গুৱাহাটীৰ ৰূপায়ণ ছবিগৃহত মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱে উন্মোচন কৰে। 'অমৰ লক্ষ্মীনাথ'ৰ সম্পাদনা আৰু পৰিচালনা শ্ৰীকমলনাৰায়ণ চৌধুৰীয়ে আৰু প্ৰযোজনা কৰে শ্ৰীফণী তালুকদাৰে।

শতবাৰ্ষিকী উপলক্ষে এখন পূৰ্ণাঙ্গ জীৱনী, শিশুৰ উপযোগী এখন ৰচনা আৰু কবিতা প্ৰতিযোগিতাও পতা হয়। প্ৰতিযোগিতাত বঁটা

পাওঁতাসকল হ'ল শিশুৰ উপযোগী পুথি : বাণী পাঠক কবিতা : শ্ৰীভবানন্দ বৰা, ৰচনা ( উচ্চ পৰ্য্যায়ৰ ) : শ্ৰীচিত্ৰলেখা দত্ত, ৰচনা ( নিম্ন পৰ্য্যায়ৰ ) : শ্ৰীজয়া দেৱী, ত্ৰিলোচন কৌৰ ·

শতবাৰ্ষিকী উপলক্ষে প্ৰকাশন দুটা পৰ্য্যায়ত হয়। সাহিত্য সভাৰ দ্বাৰা সম্পাদিত গ্ৰন্থ : (১) বেজবৰুৱা গ্ৰন্থাৱলী : সাহিত্য সভাৰ হৈ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত আৰু সাহিত্য প্ৰকাশৰ দ্বাৰা প্ৰকাশিত (২) অসমীয়া ভাষা আৰু সাহিত্য : সাহিত্য সভাৰ হৈ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত, আৰু নিউবুক ষ্টলৰদ্বাৰা প্ৰকাশিত (৩) কেঁহোকলি : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰদ্বাৰা সংকলিত আৰু মণিমাণিকৰদ্বাৰা প্ৰকাশিত হয়।

মুঠতে সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ :

(১) সাহিত্যৰথী বেজবৰুৱা—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
(২) প্ৰবন্ধ বাছনি—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
(৩) বেজবৰুৱাৰ প্ৰতিভা—শ্ৰীমহেশ্চন্দ্ৰ দেৱগোস্বামী
(৪) Religion of Love and Devotion—ডক্টৰ মহেশ্বৰ নেওগ
(৫) চিত্ৰলেখা—ডক্টৰ মহেশ্বৰ নেওগ
(৬) পত্ৰলেখা— ,,
(৭) দিনলেখা— ,,
(৮) সাহিত্যৰথী বেজবৰুৱা—হিন্দী আলোচনা গ্ৰন্থ
(৯) সাহিত্যৰথী বেজবৰুৱা—ইংৰাজী আলোচনা গ্ৰন্থ
(১০) আমাৰ লক্ষ্মীনাথ—শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা
(১১) বেজবৰুৱাৰ বাণী—হৰিপ্ৰসাদ নেওগ
(১২) বেজবৰুৱাৰ গ্ৰন্থাৱলী ( দুই খণ্ড ) সংকলন-সম্পাদনাত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু সহযোগী শ্ৰীযোগেশ দাস

সাহিত্যৰথী বেজবৰুৱাৰ ওপৰত ইংৰাজী পুস্তিকা আৰু *যোহিতেশ্বৰ শইকীয়া প্ৰণীত এখন হিন্দী পুস্তিকা প্ৰকাশ কৰা হৈছে*

শতবাৰ্ষিকী পৰিচালনা সমিতিয়ে ডিব্ৰুগড়ত 'বেজবৰুৱা ভৱন' প্ৰতিষ্ঠাৰ সিদ্ধান্ত লয় আৰু এই সমিতিয়ে সিদ্ধান্তক্ৰমে বেজবৰুৱা শতবাৰ্ষিকী স্মৃতিনিবন্ধন এখন সঙ্কলন কৰা হয়।

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা সম্পাদিত অসম সাহিত্য সভা পত্ৰিকাৰ সেই বছৰৰ তৃতীয় সংখ্যা বেজবৰুৱা সংখ্যাৰূপে প্ৰকাশিত হয়।

উল্লেখযোগ্য যে অসমৰ বিভিন্ন অনুষ্ঠান, শাখাসভা, আঞ্চলিক সমিতি আদিয়েও সাহিত্যৰথীৰ শতবাৰ্ষিকী উপলক্ষে একোখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। কলিকতাত সমিতিয়ে বঙলা ভাষাত আৰু নতুন দিল্লী উৎসৱ সমিতিয়ে ইংৰাজীৰ একোখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে।

—হৰিপ্ৰসাদ নেওগ

## 'জ্ঞান'-কবি মফিজ হাজৰিকা

'জ্ঞানমালিনীৰ'ৰ কবি আৰু ১৯৩০ খ্ৰীষ্টাব্দত গোলাঘাট নগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাদশ অধিবেশনৰ সভাপতি মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্মশতবাৰ্ষিকী উৎসৱৰ কেন্দ্ৰীয় অনুষ্ঠানটি এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত কবিৰ জন্মস্থান ডিবুৰু নগৰত কৃতকাৰ্য্যতাৰে সম্পন্ন হয়।

সেই দিনা আছিল ১৯৭০ খ্ৰীষ্টাব্দৰ ৩০ আগষ্ট। ১৮৯২ শকৰ তেৰ ভাদ। অসমৰ অন্যতম প্ৰাচীন সংস্কৃতিকেন্দ্ৰ ডিবুৰুৰ আমোলাপটি নাট্যমন্দিৰত পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন আৰু অসমৰ স্বনামধন্য প্ৰবীণ চিত্ৰশিল্পী যোৰহাটৰ শ্ৰীসুৰেন বৰদলৈয়ে অঙ্কন কৰা হাজৰিকাচাহেবৰ প্ৰতিকৃতিত বিভিন্ন অনুষ্ঠানৰ পক্ষৰপৰা পুষ্পমাল্য তৰ্পণেৰে অসম সাহিত্য সভাৰ পৃষ্ঠপোষকতাত গঠিত মফিজুদ্দিন আহমদ হাজৰিকা কেন্দ্ৰীয় উৎসৱ পালন সমিতিৰ কাৰ্য্যসূচীৰ পাতনি মেলা হয়। সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে।

তৰ্পণ অনুষ্ঠানৰ পিছত এখন সুসজ্জিত ট্ৰাকত কবিজনাৰ প্ৰতিকৃতিখন আটকধুনীয়াকৈ সজাই ডিবুৰুৰ বিভিন্ন শিক্ষা, সাংস্কৃতিক, সামাজিক অনুষ্ঠানৰ লগতে অগণন গুণমুগ্ধ ৰাইজে আমোলাপটি নাট্যমন্দিৰৰপৰা প্ৰায় ছয় কিলোমিটাৰ পথ সমদল যাত্ৰা কৰি ডিবুৰু নগৰীৰ বৰাগীমঠত অৱস্থিত জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ বাসভৱনত সমবেত হয়, জন্মশতবৰ্ষৰ অন্তৰভৰা শ্ৰদ্ধাঞ্জলি যাচিবলৈ। সমদল তিনিকিলোমিটাৰ দীঘল আছিল। মানকটা টেপৰ গাঁৱৰ গায়ন-বায়ন আৰু বাৰেবৰণীয়া সংস্কৃতিৰ শিল্পীসকলৰ যোগদানে হাজৰিকা-শতবাৰ্ষিকীৰ সমদল আকৰ্ষণীয় কৰি তুলিছিল। পুৰা দহবজাত কবিৰ বাসভৱনত বিপুল জনতাৰ সমাবেশত সাৰ্বজনীন প্ৰাৰ্থনা-সভা অনুষ্ঠিত হয়। গীতা-বাইবেলপাঠ, বৰগীত, গজল, মঙ্গলাচৰণ আদিৰদ্বাৰা প্ৰাৰ্থনা-সভাৰ বিশেষ কাৰ্য্যসূচী আছিল। সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকন. তেতিয়াৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰাক্তন প্ৰধানসম্পাদক স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ, সুসাহিত্যিক শ্ৰীআব্দুছ ছাত্তাৰ আৰু অসম মন্ত্ৰীসভাৰ দুগৰাকী সদস্য শ্ৰীৰমেশচন্দ্ৰ বৰুৱা আৰু শ্ৰীদেবেন্দ্ৰনাথ হাজৰিকাও অন্যান্য সকলৰ লগত প্ৰাৰ্থনা-সভাত উপস্থিত আছিল।

উল্লেখযোগ্য যে ৰাজ্যচৰকাৰৰ পঞ্চায়ত বিভাগে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ পথৰ (তেতিয়াৰ কনভয় ৰোড) ডিব্ৰুগড় গেছ যোগানৰ বিপৰীতে কবিৰ বাসভৱনৰ কাষেদি বৰাগীমঠ পুনৰ বসতি অঞ্চল হৈ মানকটা গাঁৱত সংযোগ হোৱা দুই কিলোমিটাৰ পথ শতবাৰ্ষিকী সমিতিৰ প্ৰস্তাৱৰ ভিত্তিত বৰেণ্য কবিগৰাকীৰ স্মৃতিত নামকৰণ কৰে। প্ৰাৰ্থনা সভা আৰম্ভ হোৱাৰ আগতে অসম চৰকাৰৰ তেতিয়াৰ ৰাজ্যমন্ত্ৰী শ্ৰীদেবেন্দ্ৰনাথ হাজৰিকাৰ উপস্থিতিত অসম চৰকাৰৰ যোগান, আবকাৰী, বাণিজ্য আৰু পৌৰ-প্ৰশাসন দপ্তৰৰ মন্ত্ৰী শ্ৰীৰমেশচন্দ্ৰ বৰুৱাদেৱে উল্লেখিত পথ

ছোৱা 'মফিজুদ্দিন আহমদ হাজৰিকা পথ' নামেৰে আনুষ্ঠানিক ভাৱে বিপুল হৰ্ষধ্বনি আৰু মাঙ্গলিক উৰুলিধ্বনিৰ মাজত ঘোষণা কৰে।

সেই দিনা দিনৰ তিনিবজাৰপৰা আমোলাপটি নাট্যমন্দিৰত শতবাৰ্ষিকী উছৱ উপলক্ষে এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। 'হাজৰিকা গ্ৰন্থাৱলী' উন্মোচন আৰু স্মৃতিগ্ৰন্থ উন্মোচন, সভাৰ ঘাই কাৰ্য্যসুচী আছিল। ৰাজহুৱা সভাৰ পিছত কবি-সম্মিলন, বন্তি প্ৰজ্জ্বলন আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হয়। বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে এটি তেজোদ্দীপ্ত ভাষণেৰে ৰাজহুৱা সভা উদ্বোধন কৰে। পৌৰোহিত্য কৰে অসম সাহিত্য সভাৰ তেতিয়াৰ উপসভাপতি অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহাদেৱে। ভাষণ-প্ৰসঙ্গত তেওঁ কয় যে মফিজুদ্দিনে নিজ প্ৰতিভাৰ বলেৰে অসমীয়া সাহিত্যত এক বিশেষ আসন অধিকাৰ কৰিছে। 'উনবিংশ শতিকাত অসম যেতিয়া শিক্ষাৰ ক্ষেত্ৰত পাছপৰা আছিল, তেতিয়াই মফিজুদ্দিন হাজৰিকাই সহজ ভাষাত উচ্চ ভাবৰ কালজয়ী কবিতা ৰচনা কৰি অমৰ কীৰ্তি থৈ গ'ল। সভাত বকুল বনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, আলোক ৰাজখোৱা, অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীদেবেন হাজৰিকা, শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত আৰু কবিৰ জ্যেষ্ঠপুত্ৰ মোছলেউদ্দিন আহমদ হাজৰিকাই কবি-প্ৰতিভাৰ ওপৰত একোটি চমু অথচ সাৰুৱা ভাষণ দিয়ে।

ইয়াৰ আগতে অসম সাহিত্য সভাই প্ৰকাশ কৰা আৰু শ্ৰীআব্দুছ ছাত্তাৰে সংকলন কৰা 'মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী' আৰু কেন্দ্ৰীয় হাজৰিকা শতবাৰ্ষিকী সমিতিয়ে প্ৰকাশ কৰা আৰু শ্ৰীহেৰম্ব বৰদলৈয়ে সম্পাদনা কৰা "স্মৃতিগ্ৰন্থ" উন্মোচন কৰে নাট্যকাৰ স্বৰ্গীয় লক্ষ্মীকান্ত দত্তদেৱে।

*আলোকচন্দ্ৰ ৰাজখোৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱা প্ৰমুখ্যে নবীন-প্ৰবীণ ভালেমান কবিৰ যোগদানে কবি-সম্মিলন প্ৰাণৱন্ত কৰি তুলিছিল। আনফালে কবিৰ স্বৰচিত*

কবিতা আবৃত্তি কৰি আৰু এক আকৰ্ষণীয় কাৰ্য্যসূচীৰে তুৰণ্টা জোৰা সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰি অগণন গুণমুগ্ধ ৰাইজৰ লগতে শিল্পীসকলেও কবি মফিজলৈ ভক্তি-অৰ্ঘ্য তথা জন্ম-শতবৰ্ষৰ 'চেলাম' নিবেদন কৰিছিল।

২৫।১১।৭৭ শ্ৰীহেৰম্ব বৰদলৈ

## 'মহৰি'ৰ নাট্যকাৰ মজিন্দাৰবৰুৱা

বেজবৰুৱা-শতবাৰ্ষিকীৰ পিছৰপৰাই অসম সাহিত্য সভাৰ যি প্ৰবল আৰ্থিক সংকট আৰম্ভ হৈছিল, ১৯৭০ চনতো এই সংকট প্ৰবল ভাবেই চলি আছিল। এই বছৰ আগষ্ট মাহত অসম সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতি মফিজুদ্দিন আহমদ হাজৰিকাৰ শত-বাৰ্ষিকী উৎসৱ পালন কৰা হয়। বছৰটোৰ শেষৰ ফালে জোনাকী যুগৰ আন এজন কবি-নাট্যকাৰ দুৰ্গাপ্ৰসাদ মজিন্দাৰবৰুৱাৰ শতবৰ্ষ পূৰ্ণ হয়। আৰ্থিক সংকট আৰু সময়ৰ অভাৱ অসুবিধাত সেই বছৰৰ ১৯ ডিচেম্বৰৰপৰা অসম সাহিত্য সভা সপ্তাহ পালনৰ লগতে অসম সাহিত্য সভাৰ তেতিয়াৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে অসম সাহিত্য সভাৰ সকলো শাখাসভা আৰু স্বীকৃতসভালৈকে ১৯ ডিচেম্বৰৰ দিনা দুৰ্গাপ্ৰসাদ মজিন্দাৰ-বৰুৱাৰ সাহিত্যিক অৱদান সম্পৰ্কে আলোচনা কৰি কৃতী সাহিত্যিক-জনাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ অনুৰোধ জনায়। এই অনুৰোধৰ প্ৰতি সঁহাৰি জনাই শাখাসভাবিলাকে আলোচনা-চক্ৰ আদি পাতি কৃতী সাহিত্যিক জনাৰ প্ৰতি শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য আগবঢ়ায়। অসমৰ কেবাখনো বাতৰিকাকতে সেই তাৰিখত মজিন্দাৰবৰুৱাদেৱৰ পোহৰ ছবি ( ফটো ) আৰু সোঁৱৰণ-প্ৰবন্ধ প্ৰকাশ কৰি সাহিত্য সভাৰ লগত সহযোগ কৰে। মজিন্দাৰবৰুৱাৰ জ্যেষ্ঠকন্যা শ্ৰীমতী শশীপ্ৰভা দত্তই অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনলৈ মজিন্দাৰবৰুৱাদেৱৰ প্ৰতিকৃতি এখন দান কৰে।

তেখেতৰ শ্ৰেষ্ঠ নাটক 'মহৰি' পুনৰ প্ৰকাশ কৰা হয়। ১৯ ডিচেম্বৰ তাৰিখে সন্ধ্যা অসম সাহিত্য সভাৰ প্ৰধান কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ-ভৱনত অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে।

ৰংপুৰ ( শিৱসাগৰ ) সাহিত্য সভাৰ উদ্যোগত এই উৎসৱ বিশেষভাৱে শিৱসাগৰত উদ্‌যাপিত হয়। অসম সাহিত্য সভাৰ অন্যান্য শাখাসভায়ো যথাবিধি উৎসৱ পালন কৰে।

**শ্ৰভিন্দেশ্বৰ শৰ্মা**

## সাহিত্য-গুৰু গোহাঞিবৰুৱা

১৯৭১ চনৰ ২৬ নৱেম্বৰৰপৰা পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ শত-বাৰ্ষিকী উৎসৱ আৰম্ভ হয়। অসম সাহিত্য সভাই এই উপলক্ষে গোহাঞি-বৰুৱা ৰচিত অমূল্য গ্ৰন্থৰাজিৰ উচ্চস্তৰৰ আলোচনামূলক প্ৰবন্ধৰাজি সন্নিবিষ্ট 'গোহাঞিবৰুৱা প্ৰতিভা' নামেৰে প্ৰবন্ধ-গ্ৰন্থ প্ৰকাশ কৰে।

এই শতবাৰ্ষিকী সমাৰোহ তেজপুৰ, উত্তৰ লক্ষীমপুৰ, শিৱসাগৰ আৰু কহিমাত অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাবে পালন কৰে। ২৬ নৱেম্বৰৰ দিনা তেজপুৰৰ কেন্দ্ৰীয় উৎসৱত তেজপুৰ সাহিত্য সভা-ভৱনৰ চোতালত অসম সাহিত্য সভা পতাকা উত্তোলন কৰাৰ পিছত তেজপুৰ পৌৰসভাৰ অবিহণা গোহাঞিবৰুৱাৰ আৱক্ষমূৰ্তি উন্মোচন কৰে শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। ৯-৩০ বজাত গোহাঞিবৰুৱাৰ বাস-ভৱন পদ্মকুটিৰলৈ সমদল যাত্ৰা কৰি তাত শ্ৰদ্ধা নিবেদন কৰা হয়। আবেলি ৩ বজাত সাহিত্য সভা ভৱনত অনুষ্ঠিত বিৰাট ৰাজহুৱা সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে প্ৰতিবেদন পাঠ কৰে। সভা উদ্বোধন কৰে শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে। বাগ্মীবৰ ফুকন ডাঙৰীয়াই ড° শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্যই যুগুত কৰা 'গোহাঞিবৰুৱা প্ৰতিভা' আৰু তেজপুৰৰ অভ্যৰ্থনা সমিতিৰ প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ

এখনি উন্মোচন কৰে। বিশিষ্ট অতিথিৰ ভাষণ দিয়ে শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱে আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাষণ দিয়ে শ্ৰীগহনচন্দ্ৰ গোস্বামীদেৱে। ৰাতি তেজপুৰৰ নাট্যমোদীসকলে গোহাঞিবৰুৱাৰ 'বানৰজা' নাটকৰ অভিনয় কৰে।

১০ আঘোণ ২৭ নৱেম্বৰ শনিবাৰে অসম সাহিত্য সভাই দ্বিতীয় দিনৰ কেন্দ্ৰীয় উৎসৱত উত্তৰলক্ষীমপুৰ পৌৰসভাই দান দিয়া গোহাঞিবৰুৱাৰ আবক্ষমূৰ্তি উন্মোচন কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে আৰু মুখ্য অতিথি হিচাপে যোগদান কৰে শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। শ্ৰীললিতচন্দ্ৰ শৰ্মাবৰুৱাৰ সম্পাদনাত যুগুত কৰা গোহাঞিবৰুৱা আৰু তেওঁৰ সাহিত্যিক বন্ধু পানীন্দ্ৰনাথ গগৈৰ সোঁৱৰণত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হয়।

১১ আঘোণ ২৮ নৱেম্বৰত অসম সাহিত্য সভাই শিৱসাগৰ আৰু কহিমাত কেন্দ্ৰীয় উৎসৱ পালন কৰে। কহিমাৰ ৰাজহুৱা সভাত সভাপতিত্ব কৰে প্ৰখ্যাৎ কথা-সাহিত্যিক চৈয়দ আব্দুল মালিকে সভাত মুখ্য অতিথিৰ ভাষণ দিয়ে নগাৰাজ্যৰ শিক্ষামন্ত্ৰী শ্ৰীজ্বাচোকে আংগামীয়ে। বিশিষ্ট বক্তাৰ ভাষণ দি কহিমা সাহিত্য সভাৰ সভাপতি শ্ৰীকুন্ত আংগামীয়ে কহিমাত শিক্ষকতা কৰি থকা কালত গোহাঞিবৰুৱাই কৰা সাহিত্য চৰ্চা আৰু তেওঁৰেই স্থাপন কৰা কহিমা সাহিত্য সভাৰ ইতিবৃত্ত স্মৰণ কৰে। গোহাঞিবৰুৱাৰ প্ৰাক্তন ছাত্ৰ আৰু তেতিয়া চাৰিকুৰি বছৰ অতিক্ৰম কৰা শ্ৰীআংগামীৰ বক্তৃতা শুনি সকলোৱে বৰ ভাল পালে। সভাত মুখ্য অতিথি হিচাপে যোগদান কৰি ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য আৰু অধ্যাপক শ্ৰীলীলা গগৈয়ে একোটি সাৰগৰ্ভ বক্তৃতা দিয়ে। এই উপলক্ষে পুৱাবেলা পতাকা উত্তোলন, নাম-কীৰ্তন, কবি-সন্মিলন আদি অনুষ্ঠিত হয়। উৎসৱৰ গুৰি ধৰিছিল অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্য শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায় আৰু কহিমা সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে।

২৮ নৱেম্বৰ দেওবাৰে শিৱসাগৰত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় উৎসৱ উপলক্ষে ৮ বজাত পতাকা উত্তোলন কৰা হয়। ৯ বজাত সমদলযাত্ৰা আৰু ১১ বজাত গোহাঞিবৰুৱাৰ আবক্ষমূৰ্তি উন্মোচন কৰা হয়। মূৰ্তি উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে। আবেলি ৩ বজাত প্ৰদৰ্শনী উন্মোচন কৰে বুৰঞ্জীবিদ শ্ৰীভুবনচন্দ্ৰ সন্দিকৈদেৱে। বাৰেঘৰ, বুধবাৰী আদি প্ৰাচীন বৈষ্ণৱ সত্ৰৰ আপুৰুগীয়া সাঁচিপতীয়া পুথি আদিৰে সমৃদ্ধ এই প্ৰদৰ্শনীখন উদ্দেশ্যৰ লগত খাপ খোৱা আৰু বৰ মনোগ্ৰাহী হৈছিল। ২ আঘোণ ২৯ নৱেম্বৰৰ দিনা আবেলি ১ বজাত মুকলি সভাৰ সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে। সভা উদ্বোধন কৰে প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে। বিখ্যাত কথা-সাহিত্যিক ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য বিশিষ্ট বক্তাৰ ভাষণ দিয়ে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক অধ্যক্ষ শ্ৰীবীৰেন বৰকটকী আৰু শ্ৰীবসন্তলাল দুৱৰাই ভাষণ আৰু প্ৰতিবেদন দাঙি ধৰে। শিৱসাগৰৰ অভ্যৰ্থনা সমিতিয়ে অধ্যাপক শ্ৰীযোগেন চেতিয়াৰ সম্পাদনাত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও গোহাঞিবৰুৱাৰ সম্বন্ধীয় শ্ৰীপুণ্যমোহন বৰুৱাই এখনি জীৱনী-পুস্তিকা এই উপলক্ষে প্ৰকাশ কৰে। ৰাতি গোহাঞি-বৰুৱা ৰচিত 'গাঁওবুঢ়া' আৰু 'টেটোন তামুলী' নাটকৰ অংশবিশেষ অভিনয় কৰা হয়।

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত যোৰহাট সাহিত্য সভাই কেন্দ্ৰীয় উৎসৱসমূহৰ সমপৰ্য্যায়ৰে গোহাঞিবৰুৱা উৎসৱ উলহমালহেৰে পালন কৰে। ২৮ নৱেম্বৰৰ পুৱা পতাকা উত্তোলন কৰে শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত গোহাঞি-বৰুৱাৰ প্ৰতিকৃতি উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান

সম্পাদক বয়োবৃদ্ধ পূর্ণানন্দ শৰ্মা পাঠকদেৰে। এই উপলক্ষে তিনি মাইল জোৰা কৰা বিৰাট সমদল-যাত্ৰাত বাগিচাৰ বনুৱাসকলকে ধৰি বিভিন্ন দলৰ গায়ন-বায়নে যোগ দিছিল। আবেলি ১ বজাত যোৰহাট জিলা-পুথিভঁৰালত অনুষ্ঠিত বিৰাট ৰাজহুৱা সভাত সভাপতিত্ব কৰে শ্ৰীতীৰ্থনাথ শৰ্মাদেৰে। সভা উদ্বোধন কৰে অসম সাহিত্য সভাৰ বুৰঞ্জী সম্মিলনৰ প্ৰাক্তন সভাপতি অধ্যক্ষ গুণগোবিন্দ দত্তদেৰে আৰু নিৰ্দ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ আৰু প্ৰখ্যাত কথা-সাহিত্যিক ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যদেৰে। গধূলি যোৰহাট সাহিত্য সভাৰ উদ্যোগত যোৰহাটৰ প্ৰখ্যাত অভিনেতাসকলে গোহাঞিবৰুৱাৰ অন্যতম শ্ৰেষ্ঠ নাটক 'গাঁওবুঢ়া'ৰ সফল অভিনয় কৰে। শ্ৰীনগেন শইকীয়া, শ্ৰীমিনতি হাজৰিকা, শ্ৰীভৱ গোস্বামীৰ সম্পাদনাত যোৰহাটৰপৰা এখনি স্মৃতি-গ্ৰন্থ প্ৰকাশ কৰা হয়।

অসম সাহিত্য সভাৰ অনুৰোধক্ৰমে অসম চৰ্কাৰে প্ৰকাশন পৰিষদৰ যোগেদি গোহাঞিবৰুৱাৰ ৰচনাৱলী আৰু জীৱন-সোঁৱৰণ আটকধুনীয়াকৈ প্ৰকাশ কৰে তদুপৰি প্ৰকাশন পৰিষদে এখনি 'গোহাঞিবৰুৱা প্ৰতিভা' প্ৰকাশ কৰে। প্ৰকাশন পৰিষদে আয়োজন কৰা গোহাঞিবৰুৱা উৎসৱৰ সভাত সভাপতিত্ব কৰে মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৰে।

অসম সাহিত্য সভাই গোহাঞিবৰুৱাৰ শিশু উপযোগী জীৱনী প্ৰতিযোগিতাৰ বাবে প্ৰাপ্ত পুথিসমূহৰ ভিতৰত শ্ৰীমতী আৰতি হাজৰিকাৰ পুথিখনি শ্ৰেষ্ঠ বিবেচিত হয়। যোৰহাটৰ ৰাজহুৱা সভাত শ্ৰীমতী হাজৰিকাক এশটকা মূল্যৰ অসম সাহিত্য সভাৰ প্ৰকাশিত গ্ৰন্থ আৰু দুশটকা নগদ, মুঠ তিনিশ টকাৰ পুৰস্কাৰ দিয়া হয়।

অসম, মেঘালয়, নগাৰাজ্য আৰু অৰুণাচলত থকা অসম সাহিত্য সভাৰ প্ৰায় প্ৰতিখন শাখা-সভাই শতবাৰ্ষিকী পালন কৰে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসমৰ অগণন শিক্ষানুষ্ঠানেও এই উৎসৱ

পালন কৰে। বহুতো শাখাসভাই গোহাঞিবৰুৱা সম্পৰ্কে ৰচনা, বক্তৃতা, আবৃত্তি প্ৰতিযোগিতা আদি পাতি ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্যৰ এই সাহিত্য-গুৰুজনৰ প্ৰতি আগ্ৰহান্বিত কৰি তোলে।

—শ্ৰীডিম্বেশ্বৰ শৰ্মা

## পণ্ডিত হেমচন্দ্ৰ গোস্বামী

১৯৭২ চনৰ ৮ জানুৱাৰী তাৰিখে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ শতবাৰ্ষিকী উৎসৱ গোলাঘাট সাহিত্য সভাৰ সহযোগত গোলাঘাট আৰু গোস্বামীৰ জন্মস্থান ঢেকীয়ালত অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে পালন কৰে। সেই দিনা পুৱা পণ্ডিত হেমচন্দ্ৰ গোস্বামী ভৱন প্ৰাঙ্গণত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী-ভৱন মুকলি কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে। উল্লেখযোগ্য যে পণ্ডিত গোস্বামীৰ দুজন সুযোগ্য পুত্ৰ শ্ৰীশৰৎচন্দ্ৰ গোস্বামী আৰু শ্ৰীতৰুণচন্দ্ৰ গোস্বামীয়ে এই ভৱন দান কৰিছে। এই ভৱনত পণ্ডিত গোস্বামীদেৱৰ এখনি প্ৰতিকৃতি উন্মোচন কৰে প্ৰাক্তন সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে। এই উপলক্ষে অনুষ্ঠিত পুস্তক-প্ৰদৰ্শনী মুকলি কৰে প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীদিবাকৰ গোস্বামীদেৱে। তাৰ পিছতে এটি বিৰাট সমদলযাত্ৰাই নগৰ পৰিভ্ৰমণ কৰে। সমদলযাত্ৰাৰ শেষত গোলাঘাট পৌৰসভাই দান দিয়া পণ্ডিত গোস্বামীৰ আৱক্ষমূৰ্তি উন্মোচন কৰে মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই। গোলাঘাট-চিকাৰীঘাট পথটো হেমচন্দ্ৰ গোস্বামীৰ নামেৰে নামকৰণ কৰি উন্মোচনী বক্তৃতা দিয়ে শ্ৰীবিনন্দ বৰুৱাদেৱে।

ইয়াৰ পিছতে সমদলেৰে গোস্বামীদেৱৰ জন্মস্থান ঢেকীয়াললৈ যোৱা হয়। ঢেকীয়াল হাইস্কুল চৌহদৰ পণ্ডিত গোস্বামীদেৱৰ জন্মভেটিত শ্ৰীগিৰিশচন্দ্ৰ গোস্বামীদেৱৰ বাসভৱনত প্ৰাৰ্থনা-সভা

পাতি পণ্ডিত গোস্বামীদেৱৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি দান কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, মুখ্যমন্ত্ৰী চৌধুৰী, ৰাজ্যিক মন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, শ্ৰীছত্ৰগোপাল কৰ্মকাৰ, শিৱসাগৰ জিলাৰ উপায়ুক্ত শ্ৰীৰাঘৱন বাসুদেৱন পিল্লাই প্ৰভৃতি বহুতো নেতৃস্থানীয় লোকে।

আবেলি ২ বজাত গোলাঘাট ৰঙ্গমঞ্চত গোস্বামী শতবাৰ্ষিকীৰ মূলসভা শ্ৰীতীৰ্থনাথ শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভা উদ্বোধন কৰে প্ৰাক্তন সভাপতি শ্ৰীবেণুধৰ শৰ্মাদেৱে। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে শ্ৰীবেণুধৰ শৰ্মাই যুগুত কৰা সুবৃহৎ 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু ৰচনাৱলী', 'পৰমাচাৰ্য্য হেমচন্দ্ৰ গোস্বামী' গ্ৰন্থ আৰু গোলাঘাটৰ অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰে। মূল সভাত শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী, 'গণতন্ত্ৰ'ৰ সম্পাদক শ্ৰীপূৰ্ণচন্দ্ৰ শৰ্মা, অভিনেতা শ্ৰীচন্দ্ৰধৰ গোস্বামী, প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীদিবাকৰ গোস্বামী প্ৰভৃতিয়ে ভাষণ দিয়ে। কাৰ্য্যকৰী সভাপতি ৰাজ্যিক-মন্ত্ৰী শ্ৰীছত্ৰগোপাল কৰ্মকাৰে অভ্যৰ্থনা সমিতিৰ ফালৰপৰা একেষাৰ কয়। এই উপলক্ষে অধ্যাপক শ্ৰীহেম বৰা লিখিত পণ্ডিত গোস্বামীৰ জীৱনী আৰু অধ্যাপক শ্ৰীঅৰুণ খেৰীয়া সম্পাদিত 'হেমচন্দ্ৰিকা' নামৰ আলোচনী প্ৰকাশ হয়।

দ্বিতীয় দিনৰ আলোচনা-চক্ৰত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাদেৱে। সভাত সুসাহিত্যিক শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ডক্টৰ শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন প্ৰভৃতিয়ে একোটি সাৰগৰ্ভ বক্তৃতা দিয়ে। অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক হিচাপে গোলাঘাটৰ উৎসৱৰ গুৰি ধৰিছিল অধ্যাপক শ্ৰীকমলেশ্বৰ শইকীয়াই।

এই উপলক্ষে পণ্ডিত গোস্বামীদেৱৰ জন্মস্থান ঢেকীয়ালত অনুষ্ঠিত দ্বিতীয় দিনৰ ৰাজহুৱা সভাত সভাপতিত্ব কৰে শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে আৰু বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে শ্ৰীবেণুধৰ শৰ্মাদেৱ আৰু শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে। শ্ৰীপ্ৰেমধৰ শইকীয়া, শ্ৰীনগেন শইকীয়াৰ

সম্পাদনাত এখনি স্মৃতিগ্ৰন্থ ঢেকীয়ালৰ অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰে। পণ্ডিত গোস্বামীদেৱৰ জন্মস্থানত দেৰগাঁও সাহিত্য সভাই গোস্বামীদেৱৰ স্মৃতিত আয়োজন কৰা ৰাজহুৱা সভাত সভাপতিত্ব কৰে অধ্যক্ষ ডক্টৰ শ্ৰীমোহিনীকুমাৰ শইকীয়াই। অধ্যাপক শ্ৰীনগেন ঠাকুৰৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে আৰু নিৰ্দিষ্ট বক্তা হিচাপে বক্তৃতা দিয়ে সহকাৰী সম্পাদক শ্ৰীডিম্বেশ্বৰ শৰ্মাই।

২৩ জানুৱাৰীত পণ্ডিত হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকীৰ শেষ উৎসৱ গোস্বামীদেৱৰ প্ৰধান কৰ্মস্থান গুৱাহাটীত উলহমালহেৰে পালন কৰা হয়। পুৰণি লেম্বৰোডটি পণ্ডিত 'হেমচন্দ্ৰ গোস্বামী পথ' নামেৰে নামকৰণ কৰা হয়। উন্মোচন কৰে অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা-দেৱে। তাৰপৰা পণ্ডিত গোস্বামীদেৱৰ বাসভৱনলৈ (বৰ্তমান শ্ৰীতৰুণচন্দ্ৰ গোস্বামীৰ বাসভৱন) সমদলযাত্ৰা কৰা হয়। এই উপলক্ষে আবেলি অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে। সভা উদ্বোধন কৰে শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াই আৰু বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱ আৰু ডক্টৰ শ্ৰীমহেশ্বৰ নেওগদেৱে। ২৩ জানুৱাৰী পৰ্য্যন্ত পোন্ধৰ দিন জুৰি অসম সাহিত্য সভাৰ বিভিন্ন শাখাসভাসমূহে পণ্ডিত গোস্বামী-দেৱৰ শতবাৰ্ষিকী উলহমালহেৰে পালন কৰে।

—শ্ৰীডিম্বেশ্বৰ শৰ্মা

## খণ্ডবাক্যকোষ-প্ৰণেতা বেণুধৰ ৰাজখোৱা

১৯৭২ খ্ৰীষ্টাব্দৰ ১১ ডিচেম্বৰ ২৫ আঘোণ সোমবাৰে ডিব্ৰুগড়ত আৰু খোৱাঙত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমীয়া সাহিত্যৰ জোনাকী আৰু বিজুলী যুগৰ অন্যতম সাৰথি ইংৰাজ আমোলৰ এগৰাকী সুদক্ষ প্ৰশাসক-বিষয়া, কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি আৰু অসমীয়া বিভাগৰ অধ্যাপক ডিব্ৰুগড়

সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু একালৰ ডিব্ৰুগড়ৰ স্বনামধন্য নাগৰিক বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী উছৱ গাম্ভীৰ্য্যপূৰ্ণভাৱে পালন কৰা হয়। অসম সাহিত্য সভাই ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত, ডিব্ৰুগড় নগৰীত ৰাজখোৱা-শতবাৰ্ষিকী উছৱৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰে।

সেই দিনা ৰাতিপুৱা ৫-৩০ বজাত জিলা তথ্য আৰু জনসম্পৰ্ক ৰক্ষী বিভাগৰ সৌজন্যত আয়োজন কৰা মঙ্গল-আৰতিৰ কাৰ্যসূচীৰে শতবাৰ্ষিকী উছৱৰ পাতনি মেলা হয়। তাৰ পিছত এই বিভাগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীজিতেন্দ্ৰনাথ দাসে বেণুধৰ ৰাজখোৱাৰ প্ৰতিভাৰ ওপৰত যুগুত কৰা এটি কথিকা প্ৰচাৰ কৰে।

পুৱা ৮-৩০ বজাত আমোলাপটি নাট্যমন্দিৰ প্ৰাঙ্গণত অসম সাহিত্য সভাৰ উপসভাপতি অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহাদেৱে বিপুল দৰ্শকৰ সমাবেশত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পিছত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু গুণমুগ্ধ ৰাইজে ৰাজখোৱাদেৱৰ প্ৰতিকৃতিসহ আটকধুনীয়াকৈ সজোৱা এখন ট্ৰাক লৈ নগৰৰ প্ৰধান পথবোৰেদি যায়। সমদলৰ অন্তত ডিব্ৰুগড় পৌৰসভাৰ দক্ষিণআমোলাপটিৰ ৰেলগেটৰপৰা বাণনিয়ন্ত্ৰণ বিভাগৰ মথাউৰিলৈকে সমগ্ৰ পথছোৱা 'বেণুধৰ ৰাজখোৱা পথ' নামেৰে নামকৰণ কৰা হয় আৰু তেতিয়াৰ অসম মন্ত্ৰীসভাৰ সদস্যা শ্ৰীমতী পদ্মকুমাৰী গোঁহায়ে অগণন ৰাইজৰ উপস্থিতিত এই পথনামকৰণ কাৰ্যসূচী আনুষ্ঠানিক ভাৱে সম্পন্ন কৰে।

দিনৰ ১১ বজাৰ পৰা স্বৰ্গীয় বেণুধৰ ৰাজখোৱাদেৱৰ আমোলাপটিত থকা বাসভৱনত সাৰ্বজনীন প্ৰাৰ্থনা-সভা অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত হয়।

দুপৰীয়া আমোলাপটি নাট্যমন্দিৰত উপাচাৰ্য্য শ্ৰীজিতেন্দ্ৰনাথ দাসৰ সভাপতিত্বত কৃতকাৰ্য্যভাৱে সম্পন্ন হোৱা কৃষ্টিমূলক ৰাজহুৱা স্মৃতিসভাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক অধ্যাপক

শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে বিশিষ্ট অতিথিৰূপে যোগদান কৰে। ডিব্ৰুগড় সাহিত্য সভা আৰু ৰাজখোৱা-জন্মশতবাৰ্ষিকী সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তদেৱে আদৰণী ভাষণ আৰু ডিব্ৰুগড় সাহিত্য সভা আৰু ৰাজখোৱা জন্ম-শতবাৰ্ষিকী সমিতিৰ প্ৰধান সম্পাদক শ্ৰীভীমকান্ত কোঁৱৰে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। ৰাজখোৱা-পৰিয়ালৰ ডিব্ৰুগড় আৰু ডিব্ৰুগড়ৰ বাহিৰৰ এক বৃহৎসংখ্যক আত্মীয়-স্বজনে শতবাৰ্ষিকী উছৱত যোগদান কৰে। ৰাজখোৱা ডাঙৰীয়াৰ জ্যেষ্ঠপুত্ৰ শ্ৰীশাৰঙ্গধৰ ৰাজখোৱাৰ "দেউতাৰ সোঁৱৰণত" শীৰ্ষক ভাষণ, মানকটা টেপৰ গাঁৱৰ গায়ন-বায়নসকলৰ সাংস্কৃতিক কাৰ্য্যসূচী আৰু নবীনচন্দ্ৰ বৰদলৈ আৰু শ্ৰীনিৰ্মলচন্দ্ৰ চক্ৰৱৰ্তীৰ পৰিচালনাত ডিব্ৰুগড় সঙ্গীত-বিদ্যালয়ে পৰিবেশন কৰা গীত-মাতৰ কাৰ্য্যসূচী বেণুধৰ ৰাজখোৱা-শতবাৰ্ষিকী-উছৱৰ বিশেষ আকৰ্ষণ আছিল। সন্ধিয়া ডিব্ৰুগড়বাসী ৰাইজে ঘৰে ঘৰে বন্তি জ্বলাই এই উছৱৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলে।

অনুষ্ঠানৰ অন্তত ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীহেৰম্ব বৰদলৈয়ে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

অসমীয়া বিভাগৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়তো বেণুধৰ ৰাজখোৱা-শতবাৰ্ষিকী উৎসৱ উপলক্ষে এক আকৰ্ষণীয় আৰু গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন আৰু প্ৰতিকৃতি উন্মোচন কৰা হয়।

আমোলাপটি নাট্যমন্দিৰত ৰাজহুৱা সভা আৰম্ভ হোৱাৰ আগে আগে অসমৰ প্ৰখ্যাত চিত্ৰশিল্পী যোৰহাটৰ প্ৰবীণ নাগৰিক শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈয়ে অঙ্কন কৰা প্ৰতিকৃতিত ডিব্ৰুগড় আৰু উপকণ্ঠৰ বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিৰ পক্ষৰ পৰা পুষ্পমাল্যৰে জন্ম-শতবৰ্ষৰ ভক্তি-অৰ্ঘ্য নিবেদন কৰা দৃশ্য স্মৰণীয় হৈ ৰ'ল।

—শ্ৰীহেৰম্ব বৰদলৈ

# বুৰঞ্জীভাস্কৰ কনকলাল বৰুৱা

অসমৰ ইতিহাস আৰু প্ৰত্নতত্ত্বৰ দুৱাৰ মুকলি কৰোঁতাসকলৰ অন্যতম প্ৰধান, প্ৰাচ্যতত্ত্ববিদ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকলাল বৰুৱা ডাঙৰীয়াৰ জন্মশতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই বৰুৱাদেৱৰ জন্মস্থান গুৱাহাটীত শতবাৰ্ষিকী উছৱ কেন্দ্ৰীয়ভাৱে উদযাপন কৰাৰ সিদ্ধান্ত লৈ ২১।৫।৭২ তাৰিখে বহা কাৰ্য্যনিৰ্বাহক সভাত ড° শ্ৰীমহেশ্বৰ নেওগদেৱক সভাপতি আৰু ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা, শ্ৰীপ্ৰসন্নকুমাৰ দাসক যুটীয়া সম্পাদক আৰু গুৱাহাটীৰ (সৰ্বশ্ৰী) অতুলচন্দ্ৰ হাজৰিকা, ৰজনীকান্ত দেৱশৰ্মা, যোগেশ দাস, মুৰাৰিচৰণ দাস, নন্দ তালুকদাৰ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সদস্য হিচাপে লৈ এটি উছৱ সমিতি গঠন কৰি দিয়ে।

১৬ ডিচেম্বৰৰ (১৯৭২) দিনা এটি গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত শতবাৰ্ষিকীৰ আৰম্ভণী উছৱৰ পাতনি মেলা হয়। বৰুৱাদেৱৰ বাসভৱনৰ আগচোতালত সুসজ্জিত সভামণ্ডপত ফুল, মালা, চাকি, ধূপ-ধুনাৰে সুশোভিত বেদী এখন স্থাপন কৰি তাত কনকলাল বৰুৱাৰ প্ৰতিকৃতি ৰখা হয়। পুৱা ৯ বজাৰ লগে লগে শ্ৰীগোবিন্দ মহন্তৰ খোলবাদনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ হয়। তাৰ পিছত অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে বৰুৱাদেৱৰ গুণ-গৰিমা বৰ্ণাই শ্ৰদ্ধাঞ্জলি-অনুষ্ঠানটিৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। পৰিয়ালৰ ফালৰপৰা স্বৰ্গীয় বৰুৱাৰ পুত্ৰ শ্ৰীচুনিলাল বৰুৱাই অভ্যাগতসকলক আদৰণি জনায় আৰু শ্ৰীকৃষ্ণচন্দ্ৰ বৰুৱাই কনকলাল বৰুৱাৰ পৰিয়ালবৰ্গক চিনাকি কৰি দিয়ে। সম্পাদক শ্ৰীহেমন্তকুমাৰ শৰ্মাৰ আহ্বানক্ৰমে এটি শান্ত সমাহিত পৰিবেশৰ মাজত গুৱাহাটী নগৰ আৰু বাহিৰৰ বিভিন্ন শিক্ষা, সাহিত্য, সংস্কৃতি আদি বিষয়ক সংস্থাৰ এজন এজনকৈ আহি স্বৰ্গীয় বৰুৱাৰ প্ৰতিকৃতিত মাল্যদান-পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে বিখ্যাত উড়িয়া মহিলা-কবি সাহিত্যিক কুমাৰী সুজাতা প্ৰিয়ম্বদাই তেওঁৰ পিতৃ আচাৰ্য্য শ্ৰীশান্তিভদ্ৰৰে সৈতে

যোগদান কৰি স্মৃতি-তৰ্পণ অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়ায়। সভাৰ অন্তত কনকলাল বৰুৱাৰ পৰিয়ালবৰ্গৰ সৌজন্যত চাহ-জলপানেৰে সমজুৱাক আপ্যায়িত কৰা হয়।

আবেলি চাৰিবজাত শতবাৰ্ষিকী উপলক্ষে অসম ৰাজ্যিক সংগ্ৰহালয় প্ৰাঙ্গণত প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীদিবাকৰ গোস্বামীদেৱৰ সভাপতিত্বত এখনি আলোচনা-চক্ৰত কনকলাল বৰুৱাৰ ব্যক্তিত্ব আৰু ঐতিহাসিক পুৰাতাত্ত্বিক অৱিহণা সম্পৰ্কে আলোচনা কৰে— অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, মুখ্য অতিথি অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা, শ্ৰীপ্ৰেমধৰ চৌধুৰী, অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা আৰু ডক্টৰ শ্ৰীহেৰম্বকান্ত বৰপুজাৰীদেৱে। সমজুৱাসকলক সাংস্কৃতিক তথ্যচিত্ৰ দেখুওৱা হয়। সেই দিনা সন্ধিয়াৰপৰা গোটেই নিশা ধৰি ভগৱতী-প্ৰসাদ বৰুৱা-ভৱন, কনকলাল বৰুৱাৰ বাসভৱন আৰু অসম ৰাজ্যিক সংগ্ৰহালয় আৰু কামৰূপ অনুসন্ধান সমিতিৰ ভৱন বিজুলী দীপমালাৰে আলোকিত কৰি ৰখা হয়।

এই জন্ম-শতবাৰ্ষিকীৰ মুখ্য উৎসৱৰ আয়োজন কৰা হয় ৭ জানুৱাৰীৰ (১৯৭৩) দিনা। আবেলি চাৰিবজাত কনকলাল বৰুৱাই নিৰ্মাণ কৰোৱা অসম ৰাজ্যিক সংগ্ৰহালয়ত পুৰণি পুথি আৰু অন্যান্য পুৰাতাত্ত্বিক কীৰ্তিৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অসম ৰাজ্যিক সংগ্ৰহালয়ৰে প্ৰাক্তন সঞ্চালক শ্ৰীপ্ৰেমধৰ চৌধুৰী ডাঙৰীয়াই। সেই দিনা সন্ধিয়া স্থানীয় জিলা-পুথিভঁৰালত গাম্ভীৰ্য্য-পূৰ্ণ মুকলি সভাত সভাপতিত্ব কৰে ড° শ্ৰীমহেশ্বৰ নেওগদেৱে।

সন্ধিয়া ঠিক পাঁচ বজাৰ লগে লগে জিলা পুথিভঁৰালৰ সভাগৃহৰ মঞ্চত শঙ্খ, ঘণ্টা, বৰকাঁহৰ মাঙ্গলিক বাদ্য বাজি উঠে আৰু লগে লগে হাতত সাহিত্য সভাৰ পতাকা লৈ উৎসৱ সমিতিৰ সম্পাদক ডক্টৰ শ্ৰীহেমন্তকুমাৰ শৰ্মাই বাহিৰত ৰৈ থকা সমদলটিক আদৰি আনেগৈ। সমদলটি সভাস্থলীত সোমোৱাৰ লগে লগে বিজুলী-চাকিবোৰ নিৰ্বাপিত হয় আৰু সমদলটিৰ লগত থকা জোৰ-বন্তিৰ পোহৰে এক্কাৰ

সভাগৃহ আলোকিত কৰি 'তমসো মা জ্যোতির্গময়'ৰহে যেন ইঙ্গিত দিলে। এই পোহৰেই যেন সৰগৰপৰা নমাই আনিলে কনকলালৰ পবিত্ৰ আত্মাটিক। সমদলত কঢ়িয়াই অনা বৰুৱাৰ গ্ৰন্থ থকা শৰাই, তামোল-পাণৰ শৰাই, পত্ৰ-পুষ্পৰ মালাধাৰি আৰু তুণৰিসমূহ বৰুৱাদেৱৰ প্ৰতিকৃতিৰ কাষত আৰু বাকী শৰাই, থাল আদি মঞ্চৰ দাঁতিত শাৰী শাৰীকৈ থোৱা হয়। মঙ্গল উৰুলিৰ মাজত সভাপতি নেওগদেৱে প্ৰতিকৃতি উন্মোচন কৰে আৰু সেই প্ৰতিকৃতিত ৰজনীগন্ধাৰ মাল্য প্ৰদান কৰি 'প্ৰাণ প্ৰতিষ্ঠা' কৰে স্বৰ্গীয় বৰুৱাৰ সহধৰ্মিনী শ্ৰীমতী প্ৰেমদা বৰুৱাই। সভাৰ উদ্বোধক শ্ৰীবেণুধৰ শৰ্মাদেৱে ভাষণ-প্ৰসঙ্গত কয় যে কনকলাল বৰুৱা অকল কৃতী বুৰঞ্জীবিদেই নাছিল, তেওঁ কবিতাও লিখিছিল। তেওঁৰ এটি বিশেষ দান হ'ল কৰ্মসাহিত্য। বৰুৱাই অনুভৱ কৰিছিল যে অসমীয়া জাতিৰ অস্তিত্ব শিল্প-উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰিছে। সেই কাৰণে তেওঁ তাৰ শিল্প-উদ্যোগৰ প্ৰচাৰৰ কাৰণে উপযোগী প্ৰবন্ধ-পাতি ৰচনা কৰিছিল। সভাপতি ড° মহেশ্বৰ নেওগদেৱে তেওঁৰ পাণ্ডিত্যপূৰ্ণ অভিভাষণখনিত অসমীয়া সাহিত্যৰ জোনাকী যুগৰ সাৰথিসকলৰ লগত কনকলাল বৰুৱাই কিদৰে অসমীয়া ভাষা-সাহিত্যলৈ অৰিহণা আগবঢ়ালে আৰু অসমৰ প্ৰাক্-আহোম যুগৰ ইতিহাস গ্ৰন্থ 'আৰ্লি হিষ্টৰি অব কামৰূপ' আৰু অন্যান্য গৱেষণামূলক ঐতিহাসিক প্ৰবন্ধ লিখি তেওঁ কিদৰে অসমৰ ঐতিহ্য জগতত প্ৰচাৰ কৰিলে-সেই বিষয়ে বিবৰি কয়। নতুনকৈ প্ৰকাশ পোৱা গ্ৰন্থ দুখনিৰ বিষয়ে উল্লেখ কৰি সভাপতি নেওগদেৱে কয় যে কনকলাল বৰুৱাৰ অধ্যয়ন কনকলাল বৰুৱা নিজে। গ্ৰন্থ দুখনি অধ্যয়ন কৰাৰ পিছত এনে ভাব আহে যে জোনাকীৰ পথপ্ৰদৰ্শক সাহিত্যিক কনকলালতকৈ পৈণত্ত বয়সৰ প্ৰাচীন ভাৰতৰ ইতিহাসৰ গৱেষক পণ্ডিত এই ৰাজৰ্ষি কনকলাল বৰুৱাজন বহুত ওপৰত, যদিও প্ৰথমজনৰ কাৰ্য্যইহে আমাৰ দ্বিতীয়জনৰ কীৰ্তি গ্ৰহণ কৰিবৰ কাৰণে তৈয়াৰ কৰিলে।

সভাত ড° নেওগ সংকলিত-সম্পাদিত 'ষ্টাডিজ ইন্ ড্য আর্লি হিষ্টৰি অব্ আসাম' আৰু শ্ৰীনন্দ তালুকদাৰ সংকলিত-সম্পাদিত 'কনকলাল বৰুৱা ৰচনাৱলী' নামৰ গ্ৰন্থ দুখনি উন্মোচন কৰি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে কয় যে ইংৰাজী গ্ৰন্থখন বৰুৱাৰ 'আৰ্লি হিষ্টৰি অব্ কামৰূপ'তকৈ কোনো গুণে কম মূল্যবান নহয়। হাজৰিকাদেৱে পৰামৰ্শ আগবঢ়ায যে সভাই হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা আদিৰ গ্ৰন্থৰাজি তেওঁলোকৰ পৰিয়ালৰ দানেৰেই প্ৰকাশ কৰিছে। গতিকে সাহিত্য সভাই সেইবোৰ গ্ৰন্থৰ যোগেদি অহা ধন আন কামত খৰচ নকৰি সেই ধনেৰে সোণাৰাম চৌধুৰী, ৰজনী পদ্মপতি প্ৰমুখ্যে যিসকল লোকৰ বুৰঞ্জীমূলক গ্ৰন্থ বা প্ৰবন্ধ সংগৃহীত হৈ প্ৰকাশ নোহোৱাকৈ আছে, তেনেবোৰ ৰচনা প্ৰকাশৰ ব্যৱস্থা কৰিব লাগে।

মুখ্য অতিথি ড° শ্ৰীদেৱপ্ৰসাদ বৰুৱাদেৱে ভাষণত কয় যে অসমৰ প্ৰাচীন ইতিহাসৰ লগত কনকলাল বৰুৱাৰ নামটি এনেভাৱে সাঙোৰ খাই আছে যে অসমৰ পুৰণি কথা উলিয়ালেই তেখেতৰ নামটিও মনলৈ আপোনাআপুনি আহে। যি পৰিবেশত থাকি কনকলাল বৰুৱাই জোনাকী যুগত সাহিত্য-চৰ্চা আৰু জীৱনৰ ভাটী বয়সত প্ৰত্নতত্ত্ব-ইতিহাস চৰ্চা কৰিছিল, সেই পৰিবেশৰ পটভূমিতহে তেওঁৰ অৱিহণাৰ মূল্যায়ন কৰিব লাগে

সভাত শ্ৰীকমলেশ্বৰ চলিহাৰ কবিতা, অধ্যক্ষ শ্ৰীবীৰেন দত্তৰ বৰগীত আৰু কটন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিবেশন কৰা সমবেত সঙ্গীতে অনুষ্ঠানৰ আকৰ্ষণ বঢ়ায়। শেষত অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মা ডাঙৰীয়াই ৰসাল শলাগৰ শৰাই আগবঢ়ায়।

উল্লেখযোগ্য যে কনকলাল বৰুৱাদেৱৰ জন্ম-শতবাৰ্ষিকী উছৱ অসম সাহিত্য সভাৰ সকলো সভাই যথাৰীতি পালন কৰে।

গুৱাহাটীত অনুষ্ঠিত কনকলাল বৰুৱা জন্ম-শতবাৰ্ষিকী উছৱৰ সামৰণি পৰে ১৯৭৩ চনৰ ৮ জানুৱাৰীৰ দিনা। এই উপলক্ষে অসম

সাহিত্য সভাই ভাস্কৰ শ্ৰীযুগল দাসৰ হতুৱাই কনকলাল বৰুৱাৰ আবক্ষ মূৰ্তি এটি নিৰ্মাণ কৰাই স্বৰ্গীয় বৰুৱাৰ যোৰপুখুৰীপাৰত থকা বাস-ভৱনৰ চৌহদৰ উত্তৰ-পশ্চিম চুকত প্ৰতিষ্ঠা কৰে। উৎসৱৰ দিনা এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত অসমৰ ৰাজ্যপাল শ্ৰীলাললনপ্ৰসাদ সিংদেৱে আনুষ্ঠানিকভাৱে এই মূৰ্তি উন্মোচন কৰে। মূৰ্তি থকা স্তম্ভটোৰ গাত ৰখা মাৰ্বল পাথৰৰ ফলিত এই কথাখিনি লিপিবদ্ধ কৰি ৰখা হৈছে ঃ

কনকলাল বৰুৱা

২৫ আঘোণ ১৭৯৪     ২৩ পুহ ১৮১১

ইয়াতেই জন্ম যাৰ, ইয়াতে মৰণ

দৃঢ় লেখনীয়ে যাৰ কৰে কামৰূপ-বুৰঞ্জী নিৰ্মাণ

অ. ভা. উ. সা. 'জোনাকী'ৰে উজলালে

সাহিত্যৰ পথ যিজনাই ॥

স্মৃতিসিক্ত শতাব্দীৰ অৰ্ঘ্য যাচি শ্ৰদ্ধানত

অসম সাহিত্য সভা ॥ ২৩ পুহ ১৮৯৫

উছৱ উপলক্ষে আয়োজন কৰা সভাত সভাপতিত্ব কৰে ডঃ শ্ৰীমহেশ্বৰ নেওগদেৱে। সভাত শ্ৰীমতী নলিনীবালা দেৱী, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীগিৰিধৰ শৰ্ম্মা, ডঃ দীনেশচন্দ্ৰ সৰকাৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰিও বৰুৱাৰ পৰিয়ালবৰ্গ আৰু গুৱাহাটীৰ ভালেমান সাহিত্যিক আৰু বিশিষ্ট নাগৰিকে যোগ দান কৰে।

—ডঃ শ্ৰীহেমন্তকুমাৰ শৰ্মা

## ভাওনিকোঁৱৰ আনন্দচন্দ্ৰ

১৯৭৪ চনত কেইদিনমান অগাগিছাকৈ অসম সাহিত্য সভাৰ দুগৰাকী প্ৰাক্তন সভাপতি, দুজনা বৰেণ্য অসমীয়া সাহিত্যিক ভাওনিকোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালা আৰু সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

ডাঙৰীয়াৰ শতবাৰ্ষিকী উৎসব অসম সাহিত্য সভাই পালন কৰে—কেন্দ্ৰীয়ভাবে যথাক্ৰমে তেজপুৰ আৰু যোৰহাটত।

এই উৎসব উপলক্ষে আনন্দচন্দ্ৰৰ শেষ কৰ্মস্থান বানৰ নগৰ তেজপুৰ উলাহ-আনন্দত মতলীয়া হৈ পৰে। তেজপুৰ সাহিত্য সভাৰ সহযোগত দুদিনীয়াকৈ এই উছব পালন কৰা হয়— পতাকা উত্তোলন, সমদল, ৰাজহুৱা সভা, সাংস্কৃতিক সমাৰোহ আদিৰে। মূল সভাৰ পক্ষৰ-পৰা এই উছবৰ গুৰি ধৰে সভাপতি ড° শ্ৰীমহেশ্বৰ নেওগ আৰু প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই। শাখাসভাৰ হৈ সহযোগ আগবঢ়ায় সম্পাদক শ্ৰীনবীনচন্দ্ৰ কাথহাজৰিকাই হাজৰিকাই নিজে গীত-মাত ৰচনা আৰু পৰিচালনা কৰি উছৱৰ সৌষ্ঠব বঢ়ায়। আনন্দচন্দ্ৰৰ ৰচিত কবিতা আদিও পৰিবেশন কৰা হয়। তেজপুৰ সাহিত্য সভাই স্মৃতিগ্ৰন্থ আৰু অসম সাহিত্য সভাই শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু ড° শ্ৰীমহেন্দ্ৰ বৰাই সংকলন-সম্পাদনত যুগুত কৰা 'আনন্দচন্দ্ৰ আগৰৱালাৰ সমগ্ৰ ৰচনাৱলী' প্ৰকাশ কৰি উছৱৰ স্থায়ী মূল্য ৰাখিবলৈ সক্ষম হয়।

শতবাৰ্ষিকীৰ সময়ত তেজপুৰৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত থকা আনন্দচন্দ্ৰৰ বাসভৱন সমন্বিতে টিলাটি 'আনন্দগিৰি' নামেৰে নামকৰণ কৰা হয়। এই আনন্দগিৰিত অসম সাহিত্য সভাই এটা সংগ্ৰহালয় স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। দুখৰ বিষয় ৰাজ্যিক চৰ্কাৰৰপৰা এই সম্পৰ্কে প্ৰথমতে আশ্বাস পোৱা গৈছিল যদিও পিছত কোনো সঁহাৰি নোপোৱাত সংগ্ৰহালয় কাকতৰ পাতহে মৰহি গ'ল।

তেজপুৰ সাহিত্য সভাই এজন দাতাৰ বদান্যতাত আনন্দচন্দ্ৰ আগৰৱালাৰ এটা আৱক্ষ মূৰ্তি স্থাপন কৰি অসম সাহিত্য সভা তথা অসমীয়া ৰাইজৰ কৃতজ্ঞতাভাজন হয়।

—শ্ৰীবসন্তকুমাৰ গোস্বামী

## সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

১৯৭৪ চনৰ অক্টোবৰৰ ১৫ তাৰিখে, অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশনৰ সভাপতি সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাদেৱৰ জন্ম-শতবাৰ্ষিকী সমাৰোহ পালনৰ দিহা কৰা হয়। এই উছৱ পালনত কেন্দ্ৰীয় সভাক যোৰহাট সাহিত্য সভাই সকলো প্ৰকাৰৰ সহায় আগবঢ়াইছিল।

মূল উছৱ ১৫ অক্টোবৰত হলেও, ১৪ অক্টোবৰৰপৰাই যোৰহাট নগৰত জন্ম-শতবাৰ্ষিকী সমাৰোহ উখলমাখল দেখিবলৈ পোৱা গৈছিল। ১৪ তাৰিখে সন্ধ্যা চন্দ্ৰধৰ বৰুৱাদেৱৰ বাসভৱনত অনুষ্ঠিত হয় শতবাৰ্ষিকী উপলক্ষে অধিবাস। বৰুৱা-পৰিয়ালবৰ্গই পতা এক মাঙ্গলিক অনুষ্ঠানৰ লগতে সাহিত্যৰত্নৰ সাহিত্য আৰু চৰিত্ৰৰ বিভিন্ন দিশ সম্পৰ্কেও আলোচনা কৰা হৈছিল। ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীমুনিন বৰকটকী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা প্ৰভৃতি বিশিষ্ট বক্তাই এই অনুষ্ঠানত ভাগ লয়। সুগায়িকা শ্ৰীমতী নিকুঞ্জলতা মহন্তই এটি বৰগীত পৰিবেশন কৰে।

১৫ অক্টোবৰ মঙলবাৰৰ পুৱাৰপৰা যোৰহাট নগৰ উছৱমুখৰ হৈ পৰে। সকলোৰে লক্ষ্য যেন অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ-ভৱন। শাৰদীয় উছৱৰ আগমুহূৰ্তত পুণ্য মহালয়া তিথিৰ দিনা যোৰহাট তথা অসমবাসীয়ে কবি সাহিত্যিক আৰু সাহিত্য সভাৰ অন্যতম কৰ্ণধাৰগৰাকীলৈ পুনৰ এবাৰ সোঁৱৰণ কৰাৰ মানসেৰে সন্দিকৈ-ভৱনৰ আগচোতালত সমবেত হয়।

ৰাতিপুৱা ৮ বজাৰ লগে লগে, সভাৰ সভাপতি ড° শ্ৰীমহেশ্বৰ নেওগে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি অসমীয়া ভাষা-সাহিত্যৰ অন্যতম যুগজয়ী পুৰুষগৰাকীলৈ শ্ৰদ্ধা জনায়। ড° নেওগে চন্দ্ৰধৰ বৰুৱাক মহাভাৰতৰ গুৰু দ্ৰোণাচাৰ্য্যৰ লগত তুলনা কৰে। শিল্পী

শ্ৰীসুৰেন্দ্ৰ বৰদলৈৰ তুলিকাত সজীৱ ৰূপ লোৱা চন্দ্ৰধৰ বৰুৱাৰ প্ৰতিকৃতি উন্মোচন কৰি বকুল বনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই বৰুবা-দেৱৰ সান্নিধ্য লাভ কৰি কেনেভাবে উপকৃত হৈছিল সেই বিষয়ে বহলাই কয়। তাৰ পিছত আৰম্ভ হয় এক আকৰ্ষণীয় সমদল। সুসজ্জিত ট্ৰাকত বৰুৱাৰ প্ৰতিকৃতি সহ সভাৰ সভাপতি, প্ৰাক্তন সভাপতিসকল হাতী, গায়নবায়ন, বিভিন্ন সম্প্ৰদায়ৰ সঙ্কীৰ্তনৰ দলো গৈছিল। দুপৰীয়া চন্দ্ৰধৰ বৰুৱাদেৱৰ বাসভৱনত এখন প্ৰাৰ্থনা-সভা অনুষ্ঠিত হয় সভাপতিত্ব কৰিছিল শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰদেৱে।

বিয়লি ২ বজাৰপৰা জিলা-পুথিভঁৰালত মুকলি সভা উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য্য শ্ৰীজিতেন্দ্ৰনাথ দাসদেৱে। তেখেতে চন্দ্ৰধৰ বৰুৱাৰ বিভিন্ন দিশৰ এটি আভাষ দাঙি ধৰে। শ্ৰীভৱকৃষ্ণ মিশ্ৰৰ 'স্তুতিবাচন' পাঠৰ পিছত উদ্ধৱ সমিতিৰ সভাপতি শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে আদৰণী ভাষণ দিয়ে। সভাত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ শ্ৰদ্ধাঞ্জলি বাণী আৰু অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই পঠোৱা কবিতা শ্ৰীঅৰুণ গোস্বামীয়ে পাঠ কৰে। শ্ৰীমতী নিকুঞ্জলতা মহন্তই এটি বৰগীত পৰিবেশন কৰে। বিশিষ্ট অতিথি শ্ৰীবেণুধৰ শৰ্মাদেৱে ভাষণত চন্দ্ৰধৰ বৰুৱা আৰু তেখেতৰ যুগটোৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰে। সভাত পৰিয়ালবৰ্গৰ হৈ শ্ৰীনলিনীধৰ বৰুৱায়ো লিখিত প্ৰবন্ধ পাঠ কৰে। সভাপতি ড° শ্ৰীনেওগদেৱে সুচিন্তিত ভাষণত উল্লেখ কৰে যে "চন্দ্ৰধৰ বৰুৱা আমাৰ সাহিত্যত এগৰাকী লেখকো লেখৰ বাটকটীয়া। তেওঁ আমাৰ বাবে কেইবাটিও বাট ভাঙিবৰ যত্ন কৰিছিল অৰণ্য কাটি।'

সন্ধিয়া বন্তি প্ৰজ্জ্বলনৰ পিছত জিলা-পুথিভঁৰালতে আৰম্ভ হয় যোৰহাট থিয়েটাৰ হ'লৰ শিল্পীসকলে নিবেদন কৰা সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানত চন্দ্ৰধৰ বৰুৱাৰ জীৱন-আলেখ্যৰ ভিত্তিত এখনি গীতি-নাট্য পৰিৱেশন কৰা হৈছিল।

সাহিত্যৰত্নৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই বেজবৰুৱাৰ সমগ্ৰ ৰচনাৱলীৰ ( ৰত্নকোষ আৰু পাঠ্য-পুথিৰ বাহিৰে ) এটি সংকলন প্ৰকাশ কৰে। এই সংকলনৰ সম্পাদনাৰ দায়িত্বত আছিল কবিতা আৰু নাটক ভাগত শ্ৰীনগেন শইকীয়া আৰু গদ্য-ভাগত শ্ৰীযতীন্দ্ৰনাথ গোস্বামী। বেজবৰুৱাৰ এখনি বহল জীৱনীও প্ৰকাশ কৰা হয়। গ্ৰন্থকাৰ শ্ৰীডিম্বেশ্বৰ শৰ্মা। শ্ৰীশৰ্মাই 'চন্দ্ৰধৰ বৰুৱা মানুহ জন' নামৰ এখনি সৰু জীৱনীও পৰিয়ালবৰ্গৰ অনুৰোধত কৰে। তদুপৰি জন্ম-শতবাৰ্ষিকী উছৱ সমিতিৰ পক্ষৰপৰা 'জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য' নামৰ এখন 'পৰিচয়-পত্ৰ'ও প্ৰকাশ কৰে।

—শ্ৰীঅমল ৰাজখোৱা

## জ্ঞানৰ্ষি ৰাধানাথ ফুকন

"কিয়নো পাহৰা অসমীয়া হে'ৰা
চিৰকাল তুমি আছিলা স্বাধীন ?"

কবি, চিন্তাশীল লেখক, 'সাংখ্যদৰ্শন'-প্ৰণেতা ৰাধানাথ ফুকনদেৱৰ বেদান্ত-বাচস্পতি নাম স্মৰণৰ লগে লগে চকুৰ আগত ভাহি উঠে এজন ঋষিতুল্য বিশাল ব্যক্তিত্বৰ পুৰুষৰ প্ৰতিচ্ছবি। এই গৰাকী পুণ্যশ্লোকৰ জন্মশতবাৰ্ষিকী উছৱ অসম সাহিত্য সভাৰ আহ্বানক্ৰমে ১৯৭৫ চনৰ ১৫ জুনত ফুকনদেৱৰ জন্মস্থান যোৰহাটত কেন্দ্ৰীয়ভাৱে পালন কৰা হয়।

এই সম্পৰ্কে যোৰহাট সাহিত্য সভাই এখন সমিতি গঠন কৰে আৰু খ্ৰীষ্টাব্দ ১৯৭৫ ৰ জুন মাহৰ ১৪ আৰু ১৫ জুনত বিভিন্ন কাৰ্য্যসূচীৰে এই উছৱ পালন কৰা হয়।

১৪ জুন শনিবাৰে পুৱা ৮ বজাত অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ-ভৱনৰ চোৰহদত সভাৰ সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে অসম সাহিত্য সভাৰ সভাৰ পতাকা উত্তোলন কৰি ঋষিতুল্য ফুকনৰ বিশাল ব্যক্তিত্বৰ বিষয়ে দুআষাৰ কয়। দিনৰ বিয়লি ডেৰবজাৰপৰা

জিলা-পুথিভঁৰালত শতবাৰ্ষিকী উপলক্ষে এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। সভাপতিত্ব কৰে প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে।

১৫ জুন দেওবাৰে পুৱা ৮ বজাত চন্দ্ৰকান্ত সন্দিকৈ-ভৱনত শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে এটি সংস্কৃত শ্লোকেৰে ফুকনৰ এখন প্ৰতিকৃতি উন্মোচন কৰে। অঙ্কন কৰিছিল শিল্পী শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈয়ে। যোৰহাট সাহিত্য সভাৰ পক্ষৰপৰা প্ৰকাশিত শ্ৰীবসন্ত-কুমাৰ গোস্বামী সম্পাদিত এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে। গ্ৰন্থখন ফুকনৰ পৰিয়ালৰ অৰ্থ-সাহাৰ্য্যত প্ৰকাশ কৰা হৈছিল।

গ্ৰন্থ উন্মোচনৰ পিছতেই শ্ৰীমিত্ৰদেৱ মহন্তদেৱৰ নেতৃত্বত আৰম্ভ হয় এটি বিৰাট সমদল-যাত্ৰা। এই সমদলে নগৰৰ ঘাই আলিবাটেৰে আগবাঢ়ি ফুকনৰ বাসভৱনত উপস্থিত হয়গৈ। ফুকনৰ আগচোতালত পতা সভাঘৰত পুৱা এখন প্ৰাৰ্থনা-সভা অনুষ্ঠিত হয়। এই সভা পৰিচালনা কৰে শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে। পণ্ডিত শ্ৰীমনোৰঞ্জন শাস্ত্ৰী, শ্ৰীভৱকৃষ্ণ মিশ্ৰ, শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্যই সংস্কৃত স্তোত্ৰ পাঠ কৰে। ড° শ্ৰীকালীচৰণ দাসে এটি ভাষণেৰে ফুকনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত অসম সাহিত্য সভা, যোৰহাট সাহিত্য সভা, পৰিয়াল প্ৰমুখ্যে অসমৰ বিভিন্ন অনুষ্ঠানৰপৰা বৰেণ্য পুৰুষগৰাকীলৈ শতবাৰ্ষিকীৰ অৰ্ঘ্য আগবঢ়োৱা হয়।

বিয়লি জিলা-পুথিভঁৰালত অনুষ্ঠিত ৰাজহুৱা সভাৰ সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে। সভা উদ্বোধন কৰে ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে। ফুকনৰ বিভিন্ন কৰ্মৰ বিষয়ে ভাষণ দিয়ে প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই। যোৰহাট সাহিত্য সভাৰ সম্পাদক শ্ৰীবসন্তকুমাৰ গোস্বামীয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। যোৰহাট সাহিত্য সভাৰ সভাপতি শ্ৰীদেৱপ্ৰসাদ বৰুৱাই স্বাগত-সম্ভাষণেৰে শতবাৰ্ষিকী উপলক্ষে সমবেত ৰাইজক আদৰণি জনায়।

বিশিষ্ট বক্তা ড° শ্ৰীকালীচৰণ দাসে ফুকনৰ আধ্যাত্মিক দিশত বিচাৰ কৰি দাৰ্শনিক ফুকনৰ অৱিহণাৰ বিষয়ে ব্যাখ্যা কৰে। পণ্ডিত শ্ৰীমনোৰঞ্জন শাস্ত্ৰীয়েও ৰাধানাথ ফুকনদেৱেৰ গ্ৰন্থসমূহৰ বিষয়ে আলোচনা কৰে। ড° শ্ৰীকালীনাথ শৰ্মাই বিজ্ঞান আৰু দৰ্শনৰ সম্যক আলোচনা আগবঢ়াই ফুকনৰ বিজ্ঞানী, ৰচনাত মনীষা কেনেভাৱে প্ৰকাশ পাইছে সেই বিষয়ে আলোচনা কৰে। সভাত শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীদেৱেশ্বৰ শৰ্মা, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা আৰু পৰিয়ালৰ হৈ দুই এগৰাকীয়ে একো-আষাৰ কয় বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱেও এটি বাণী পঠায়। সভাত শ্ৰীহৰেশ্বৰ শৰ্মাৰ নেতৃত্বত যোৰহাট সঙ্গীত-বিদ্যালয়, শ্ৰীভৱকান্ত মিশ্ৰ আৰু তেওঁৰ সঙ্গীবৃন্দই ফুকনৰ ৰচিত দুটামান গীত পৰিৱেশন কৰে। সভাপতিৰ ভাষণত ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে কয়, ৰাধানাথ ফুকন আছিল দুটি শতিকাৰ এজনা তত্বাৰ্থী ঋষি। আধুনিক বিজ্ঞান আৰু ভাৰতীয় দৰ্শনৰ মাজত এটি যোগসূত্ৰ স্থাপন কৰি এই গৰাকী মনীষিয়ে তেখেতৰ সাহিত্য-কৰ্মৰ মাজেদি এটি নতুন সুৰ শুনাইছিল। সন্ধ্যা বন্তি প্ৰজ্জ্বলনেৰে শতবাৰ্ষিকী উছৱ সামৰা হয়।

—শ্ৰীঅমলচন্দ্ৰ ৰাজখোৱা

## কবি-বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱা

অসম সাহিত্য সভাৰ বুৰঞ্জীশাখাৰ প্ৰথম সভাপতি ( ১৯২৫ নগাওঁ ) কবি-বুৰঞ্জীবিদ স্বৰ্গীয় হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী-পূৰ্তি উপলক্ষে অসম সাহিত্য সভাই ১৯৭৬ চনৰ ১৩ জানুৱাৰীৰ দিনটো 'হিতেশ্বৰ বৰবৰুৱাৰ জন্ম-শতবাৰ্ষিকী দিৱস' স্বৰূপে পালন কৰিবলৈ সিদ্ধান্ত লয়। ৰাজ্যৰ ভিতৰ-বাহিৰৰ সকলো শাখা আৰু স্বীকৃত সভাকে এই দিৱস উদ্‌যাপন কৰিবলৈ জনোৱাৰ উপৰিও হিতেশ্বৰ বৰবৰুৱাৰ জন্মস্থান আৰু কৰ্মস্থান যোৰহাটত কেন্দ্ৰীয়ভাৱে এই উছৱ পালন কৰিবলৈ স্থিৰ কৰা হয়। এই

উদ্দেশ্যে অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আৰু তেতিয়াৰ যোৰহাট সাহিত্য সভাৰ সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱক সভাপতি স্বৰূপে লৈ এখনি প্ৰস্তুতি সমিতি গঠন কৰা হয়। এই উছৱৰ লগতে সঙ্গতি ৰাখি সাহিত্য সভাৰ বাৰ্ষিক সপ্তাহ পালনৰ কাৰ্য্যসূচীও যুগুতাই উলিয়া হয়। সেইমতে ১৩ তাৰিখৰ দিনটোত পুৰা সভাৰ পতাকা উত্তোলন আৰু বৰবৰুৱাৰ প্ৰতিকৃতি উন্মোচনৰ পিছত সন্ধিয়া বন্তি-প্ৰজ্জ্বলনেৰে দিনটোৰ কাৰ্য্যসূচী যুগুতোৱা হয়। মাজৰ ১৪, ১৫, ১৬, ১৭ এই চাৰিটা দিনত সপ্তাহৰ অন্যান্য লাগতিয়াল কৰ্মসূচী ধাৰ্য্য কৰি ১৮ জানুৱাৰীৰ দিনা বৰবৰুৱাৰ শতবাৰ্ষিকী উপলক্ষে বৰবৰুৱাৰ বাসভৱনত প্ৰাৰ্থনা-সভাৰ পিছত আবেলি সন্মিকৈ-ভৱনৰ প্ৰাঙ্গণত ৰাজহুৱা সভা আৰু কবি-সন্মিলনেৰে শতবাৰ্ষিকী উছৱ আৰু সপ্তাহৰ কাৰ্য্যসূচীৰ সামৰণী আয়োজন কৰা হয়। প্ৰকৃতপক্ষে কবলৈ গ'লে ১৯৭৬ চনৰ সাহিত্য সভাৰ সপ্তাহ বৰবৰুৱা শতবাৰ্ষিকীৰ কাৰ্য্যসূচীৰে আৰম্ভ কৰা হয় আৰু বৰবৰুৱা শতবাৰ্ষিকীৰ কাৰ্য্যসূচীৰেই সামৰা হয়।

১৩ জানুৱাৰীৰ দিনা ফৰকাল বতৰত ৰাতিপুৱা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চোতালত এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত, কেইবাশও লোকৰ উপস্থিতিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে সভাৰ পতাকা উত্তোলনেৰে উছৱৰ শুভাৰম্ভ কৰে। একে ঠাইতে বেজবৰুৱা স্মৃতিস্তম্ভৰ গাতে লগাকৈ সুসজ্জিতভাৱে আৰৰি ৰখা হয় বৰবৰুৱাৰ এখনি তৈল-প্ৰতিকৃতি। শঙ্খ, ঘণ্টা, উৰুলি-জোকাৰৰ মাজত প্ৰতি-কৃতিৰ আৱৰণ উন্মোচন কৰে যোৰহাটৰ এগৰাকী বয়োবৃদ্ধ নাগৰিক, আৱাহন যুগৰ লেখক, বুৰঞ্জী-অনুৰাগী শ্ৰীতোলনচন্দ্ৰ শইকীয়াদেৱে। তেখেতে ভাষণ-প্ৰসঙ্গত বৰবৰুৱাৰ বুৰঞ্জী-চৰ্চাৰ কথা সোঁৱৰে আৰু তেওঁৰ এই কৰ্মৰ প্ৰতি অসম বুৰঞ্জীৰ অনুৰাগীসকলৰ সজাগ দৃষ্টি আকৰ্ষণ কৰে।

১৮ জানুৱাৰীৰ দিনা মুকলি সভাৰ সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে পতাকা উত্তোলন কৰাৰ পিছত আৰম্ভ হয় বৰবৰুৱা ডাঙৰীয়াৰ বাসভৱনলৈ এটি আকৰ্ষণীয় সমদল-যাত্ৰা। নগৰৰপৰা গাঁৱলৈ সোমোৱা আলিৰ মূৰতে আমডালি আঁৰি দিয়া কলগছৰ তলত সভাৰ সভাপতি ড° শৰ্মাদেৱ, সভাৰ বিশিষ্ট অতিথি ড° শ্ৰীমহেশ্বৰ নেওগক আৰু অন্যান্যসকলক বৰবৰুৱা-পৰিয়ালে শৰাই গামোচাৰে মান ধৰি পুৰণি অসমীয়া ৰীতিৰে, গায়ন-বায়নেৰে আদৰি নিয়ে। বাসভৱনৰ চোতালৰ ৰভাতলীত বেদী নিৰ্মাণ কৰি, ধূপ-ধুনা, পুষ্প-পাত্ৰেৰে শোভিত বৰবৰুৱাৰ প্ৰতিকৃতিৰ সন্মুখত ৰখা হৈছিল— বৰবৰুৱাৰ স্বহস্ত লিখিত ডায়েৰী, পুথি-পত্ৰ আৰু ব্যৱহৃত কিতাপ-পত্ৰ।

প্ৰাৰ্থনা-সভাত বিভিন্ন ধৰ্মীয় প্ৰাৰ্থনা-গীতৰ অন্তত সভাপতিয়ে চমু ভাষণত কবিগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কয় যে "বৰবৰুৱাৰ বাসভৱন আজি অসমৰ সাহিত্যিক আৰু সাহিত্যপ্ৰেমী-সকলৰ বাবে তীৰ্থস্থানত পৰিণত হৈছে।" বৰবৰুৱা-পৰিয়ালৰ ফালৰ-পৰাও অসম সাহিত্য সভাৰ প্ৰতি কৃতজ্ঞতা আৰু সমৱেতসকলৰ প্ৰতি শ্ৰদ্ধা-নিবেদন কৰাৰ অন্তত অনুস্থানৰ সামৰণি পৰে।

কবিৰ ভাষাৰে—

"পুৰি গ'ল ধূপগছি, যদিও নিঃশেষ হ'ল,
তথাপি সৌৰভ তাৰ, আজিও যে থাকি গ'ল।
তোমাৰ নামতো ধন্য অসমৰ কবিকুল,
জুয়ে পোৰা সোণ তুমি, বংশৰ পদুম ফুল।"

সন্দিকৈ-ভৱনৰ চোতালত অনুষ্ঠিত যোৱা ৰাজহুৱা সভাত শ শ লোকৰ সমাৱেশত 'চিৰ চেনেহী মোৰ ভাষা-জননী' গীতেৰে সভা আৰম্ভ কৰাৰ পিছত উদ্বোধনী ভাষণ দান কৰে প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে। সভাৰ সভাপতিৰ ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে যথাবিধি আসন গ্ৰহণ কৰাৰ পিছতে প্ৰাক্তন সভাপতি ড°

শ্ৰীমহেশ্বৰ নেওগদেৱে আমাৰ সম্পাদনাত যুগুতাই উলিওৱা মূল্যৱান ১৪টি ৰচনাৰ সংকলন "হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য" উন্মোচন কৰে। "বুৰঞ্জীৰ কৰিডদেদি" নামেৰে অগতানুগতিক আৰু মনোগ্ৰাহীভাৱে লিখিত ভাষণ-প্ৰসঙ্গত ড° নেওগে বৰবৰুৱাৰ বুৰঞ্জী-চৰ্চা আৰু কাব্য-সাধনাৰ প্ৰেৰণা আৰু প্ৰত্যয়ৰ এটি ছবি তুলি ধৰে। তেখেতে কয়, "প্ৰকৃতপক্ষে আহোম বুৰঞ্জীৰ জ্ঞানৰ বিৱৰণ বহুলতাত, ডিটেইলছত বা তাৰ সাৰ্থকতা নিৰ্ণয়ত হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াৰ উপলব্ধি আছিল অতি গভীৰস্পৰ্শী"

সন্ধিয়া একেঠাইত প্ৰস্তুতি-সমিতিৰদ্বাৰা আয়োজিত কবিসন্মিলন পৰিচালনা কৰে ড° শ্ৰীমহেশ্বৰ নেওগদেৱে।

—শ্ৰীনগেন শইকীয়া

## দেশভক্ত ফুকন

অসম সাহিত্য সভাৰ 'ফুকন আৰু মেধি শবাৰ্ষিকী উৎসৱ সমিতি'ৰ উদ্যোগত ১৯৭৭ চনৰ ২২ আৰু ২৩ জানুৱাৰীৰ দিনা আড়ম্বৰপূৰ্ণভাৱে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী উছৱ কেন্দ্ৰীয়ভাবে গুৱাহাটীত পালন কৰা হয়।

উছৱ সমিতিয়ে ৰাজ্যিক 'বৰদলৈ-ফুকন উছৱ সমিতি'ৰ লগত কেতবোৰ অনুষ্ঠানত সহযোগ কৰে। ভৰলুমুখত দেশভক্তৰ আৱক্ষ মূৰ্তিত উছৱ সমিতিৰ সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে অসম সাহিত্য সভাৰ হৈ পুষ্পাঞ্জলি অৰ্পণ কৰে। ভগৱতীপ্ৰসাদ বৰুৱা-ভৱন প্ৰাঙ্গণত ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে সাহিত্য সভাৰ পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্য্যসূচী মুকলি কৰে। ফুকন-হাউলিত ফুকনৰ তৈলচিত্ৰ উন্মোচন, ফুকনৰ ব্যৱহৃত সামগ্ৰীৰ প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটন, প্ৰাৰ্থনা-সঙ্গীত, ৰাজহুৱা সভা আদি দিনটোৰ কাৰ্য্যসূচীৰ ঘাই আকৰ্ষণ আছিল। ফুকনৰ ৰাসভৱনত পতা অন্যান্য অনুষ্ঠানতো এই

সমিতিয়ে সক্ৰিয় সহযোগ কৰে। সন্ধিয়া ভগৱতীপ্ৰসাদ বৰুৱা-ভৱনত আলোকসজ্জাৰ ব্যৱস্থা কৰাৰ উপৰিও ৰবীন্দ্ৰ ভৱনত সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছিল।

এই উপলক্ষে বৰেণ্য জাতীয় নেতাগৰাকীৰ স্মৃতিত অসম সাহিত্য সভাই শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই সংকলন-সম্পাদনা কৰা 'দেশভক্ত ফুকন স্মৃতিমাল্য' নামৰ এখনি তথ্য-সমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে।

২৩ জানুৱাৰীৰ দিনা জিলা-পুথিভঁৰালত মুকলি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে। উছৱ সমিতিৰ সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শৰ্মাই উছৱৰ এটি আভাস সভাত দাঙি ধৰে। সভা উদ্বোধন কৰে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ ডাঙৰীয়াই। শ্ৰীৰামচৰণ ঠাকুৰীয়াই সম্পাদন কৰা স্মৃতিগ্ৰন্থ 'তৰুণ-স্মৃতি' উন্মোচন কৰে ড° শ্ৰীমহেশ্বৰ নেওগদেৱে। অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মা ডাঙৰীয়াই ফুকন সোঁৱৰণী বক্তৃতাৰ এটি চমু আভাস দিয়ে। উচ্চ-ন্যায়ালয়ৰ ন্যায়াধীশ শ্ৰীভোলানাথ শৰ্মাদেৱে সভাৰ বিশিষ্ট অতিথিৰূপে মুকলি সভাত এটি পাণ্ডিত্যপূৰ্ণ ভাষণ দিয়ে। উছৱ সমিতিৰ সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে দেশভক্ত ফুকনৰ বিষয়ে এটি স্বৰলিপি কবিতা পাঠ কৰি শুনায়। ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা, অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা আৰু সাহিত্য সভাৰ সম্পাদক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা প্ৰভৃতিয়ে ফুকনৰ বহুমুখী প্ৰতিভাৰ আলোচনা কৰি দেশভক্তৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

সেই নিশাও অসম সাহিত্য সভাৰ ভগৱতীপ্ৰসাদ বৰুৱা-ভৱন দেশভক্তৰ স্মৃতি দীপমালাৰে আলোকিত কৰা হয়।

"অমলিন যশৰাশি আজিও উজ্জ্বল,
শতবাৰ্ষিকীত ফুলে শুভ্ৰ শতদল।
'মৰিলে মিলয় স্বৰ্গ, তৰিলেও দেশ'
আজিও যে বীৰবাণী আছে অৱশেষ।"

—শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

# পাঁচটা বক্তৃতা

## প্ৰতিভা দেৱী স্মাৰক-বক্তৃতা

পাতলীয়াকৈ হলেও অসম সাহিত্য সভাই এলানি স্মাৰক-বক্তৃতাৰ আয়োজন কৰি আহিছে।

প্ৰথমটো বক্তৃতা আছিল 'প্ৰতিভা দেৱী স্মাৰক বক্তৃতা'। প্ৰতিভা দেৱী অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতা-সম্পাদক শৰৎচন্দ্ৰ গোস্বামী-দেৱৰ বিদুষী বৰজীয়াৰী। অকালতে মৰহি যোৱা প্ৰতিভাৰ স্বামী প্ৰাক্তন শিক্ষাধিকাৰ উমাকান্ত গোস্বামী।

১৯৪৭ চনত এই বক্তৃতা দিছিল ভাষাচাৰ্য্য সুনীতিকুমাৰ চট্টোপাধ্যায়ে। প্ৰকাশিত গ্ৰন্থখনৰ নাম Kirata Janakriti।

## আনন্দৰাম বৰুৱা স্মাৰক-বক্তৃতা

দ্বিতীয়টো বক্তৃতা আছিল অসমগৌৰৱ পণ্ডিত আনন্দৰাম বৰুৱা ডাঙৰীয়াৰ স্মৃতিত। ১৯৭৫ চনৰ ২৭ আৰু ২৮ অক্টোবৰ তাৰিখে এই বক্তৃতা দিছিল ড° ঠাকুৰদাস শৰ্মাই (বেনাৰছ হিন্দু বিশ্ববিদ্যালয়)।

প্ৰকাশিত গ্ৰন্থৰ নাম Development of Script in Ancient Kamrupa।

## কৰ্মবীৰ বৰদলৈ স্মাৰক-বক্তৃতা

তৃতীয় বক্তৃতাটোৰ দিহা কৰা হৈছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ-দেৱৰ শতবাৰ্ষিকী উছৱ আৰু তৃতীয় লেখক-শিবিৰৰ লগত বজিতা খুৱাই ৭৫ চনৰ ২৪ ডিচেম্বৰত। বক্তৃতাপ্ৰদান অনুষ্ঠান উদ্বোধন কৰিছিল বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই। পৌৰোহিত্য কৰিছিল ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে।. বক্তা আছিল প্ৰবীণ দেশনেতা শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱ।

বক্তৃতাটো প্ৰকাশ হৈছে 'ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা' নামৰ পুথিৰ আকাৰত ।

## দেশভক্ত ফুকন স্মাৰক-বক্তৃতা

চতুৰ্থটো আছিল 'দেশভক্ত তৰুণৰাম ফুকন স্মাৰক-বক্তৃতা'। দেশভক্ত ফুকনৰ শতবাৰ্ষিকী উছৱৰ মুকলি সভাত এই বক্তৃতা চমুৱাই পাঠ কৰিছিল অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে ১৯৭৭ চনৰ ২৩ জানুৱাৰীত। বক্তৃতাৰ বিষয় আছিল 'ভাৰতৰ ৰাজনীতি চিন্তাৰ দুধাৰা—বেদৰপৰা গান্ধীলৈকে'।

দুখৰ বিষয় ফাল চাৰ্চোতেই মাহৰ বতৰ উকলি গৈছে। কিতাপখনে আজি পৰিমিত ছপাশালৰ মজিয়াকে গচকিবৰ নৌ এখোন ;

## হীৰক-জয়ন্তী বৰ্ষ স্মাৰক-বক্তৃতা

অসম সাহিত্য সভাৰ হীৰক-জয়ন্তী বৰ্ষ উপলক্ষে ১৯৭৭ চনৰ ২৬ ডিচেম্বৰত এই বক্তৃতা প্ৰদান কৰিছিল ড° শ্ৰীমহেশ্বৰ নেওগদেৱে। বক্তৃতাৰ বিষয় "সমালোচনা-সাহিত্যৰ সমালোচনা।"

—শ্ৰীবসন্তকুমাৰ গোস্বামী

# লেখক-শিবিৰ

অসম সাহিত্য সভাৰ অগ্ৰগতিৰ পথত লেখক-শিবিৰ শেহতীয়া বলিষ্ঠ পদক্ষেপ। এই লেখক-শিবিৰৰ প্ৰথম অনুষ্ঠানৰ আদৰণী-সভাপতিৰ ভাষণত এই লেখকে কোৱা কথাখিনিকে দোহাৰিছোঁ: "আজি অসম সাহিত্য সভাই পোনপ্ৰথমবাৰৰ বাবে এসপ্তাহ জোৰা লেখক-শিবিৰৰ আয়োজন কৰি এটা নতুন প্ৰচেষ্টাৰ পাতনি মেলিছে। এই প্ৰচেষ্টা সাফল্যমণ্ডিত হোৱাটোৱেই সকলোৰে কাম্য। এই লেখক-শিবিৰ কুৰুক্ষেত্ৰ-যুদ্ধত ৰণং দেহি মনোভাৱেৰে স্থাপন কৰা কৌৰৱ-শিবিৰ বা পাণ্ডৱ-শিবিৰ নহয়। ই হৈছে বীণাপাণিৰ সাধকসকলৰ আলোচনা-গৱেষণাৰ ক্ষেত্ৰ·······
এই লেখক-শিবিৰৰ দিহা কৰি সাহিত্য সভাই এটা ভাল কামকে কৰিছে বুলি ভাবিবৰ থল আছে, কিয়নো সাহিত্য সভাৰ মূল বছৰেকীয়া অধিবেশনৰ সময়ত প্ৰকৃতপক্ষে সাহিত্যিকসকলৰ ভেটাভেটি নহয় বুলিয়েই ক'ব পাৰি। যিসকল সাহিত্যিক প্ৰতিনিধি হৈ তালৈ যায়, অৰ্জুনৰ লক্ষ্য চৰাইৰ চকুটোত থকাৰ দৰে তেখাসবৰ দৃষ্টি থাকে নতুন নিৰ্বাচন, খোৱা-বোৱা আৰু সাংস্কৃতিক মৌমেলৰ জাকজমকীয়া ফালটোৰ প্ৰতিহে। সেই সময়ত সাহিত্য গৌণভাৱেহে থাকে। ভালেমান কবি, সাহিত্যিকে সেই হৈচৈচেলাৰ মাজত সোমাবলৈ টান পাই বসতে নাম থৈ সাহিত্য সভাৰপৰা ফালৰি কাটি আঁতৰি থাকে। তেনে সাহিত্যিকসকলক একত্ৰিত কৰি মিলা-প্ৰীতি আৰু সাহিত্য-আলোচনাৰ সচল বাতাবৰণ গঢ়ি তুলিবলৈ এই নিচিনা লেখক-শিবিৰে নিশ্চয় সুচল মিলাই দিব পাৰে। তদুপৰি এনে শিবিৰৰ লগতে বিভিন্ন জনজাতিৰ সাহিত্যিক গোষ্ঠীক আমন্ত্ৰণ জনাই অনাটো বৰ ভাল কথা হৈছে। অতি পৰিতাপৰ বিষয় ৰাজনীতিৰ পাকচক্ৰত পৰি আমাৰ

পৰস্পৰৰ মাজত থকা সাতামপুৰুষীয়া সম্বন্ধৰ এনাজৰীডাল আজি সোলোকঢোলোক হৈ পৰিছে। জনজাতিসকল প্ৰকৃতপক্ষে বিৰাট অসমীয়া জাতিৰ কুহুমটো। তেওঁলোকৰ প্ৰতিজনৰে সিৰে সিৰে একেজনা অসম মাতৃৰে তেজৰ সোঁত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈ আছে। ন্যস্ত স্বাৰ্থৰ কবলত পৰি আজি আমি বহুতে বিভেদৰ মন্ত্ৰ জপি হাতৰ কুঠাৰ ভৰিত মাৰিবলৈ উপক্ৰম কৰিছোঁহক। আমি আজি পাহৰি গৈছোঁ, 'তেজ ধুলে উটে, মঙহ ধুলে ফুটে।' মই অন্তৰৰপৰা আশা কৰোঁ, এই লেখক-শিবিৰত, অসম সাহিত্য সভাৰ আহলবহল মুকলি পূজামণ্ডপত-বুজাবুজিৰ মাজেদি, এৰাধৰাৰ মাজেদি, আলোচনা-বিলোচনাৰ মাজেদি আমাৰ মাজত সংক্ৰমিত হোৱা বিভেদ-বীজাণুবোৰ যেন সমূলঞ্চে ধ্বংস হৈ যায়।''

ঠোৰতে ইয়াকে কব পাৰি যে বয়স বাঢ়ি অহাৰ লগে লগে, অসম সাহিত্য সভাৰ অবয়ব বাঢ়ি অহাৰ লগে লগে আৰু বছেৰেকীয়া অধিবেশন প্ৰায় লোক-উৎসৱত পৰিণত হোৱাত সাহিত্য সভাৰ লগত প্ৰকৃত সাহিত্যিক আৰু লেখকসকল প্ৰায় বিচ্ছিন্ন হৈ পৰিছে ৰাম নোহোৱা ৰামায়ণ, কৃষ্ণ নোহোৱা বৃন্দাবন আৰু সাহিত্যিক নোহোৱা সাহিত্য সভা সতেজ আৰু প্ৰাণৱন্ত হব নোৱাৰে। তেনে হোৱাটো কাৰো কাম্য নহয়। সুখৰ বিষয় সম্প্ৰতি লেখক-শিবিৰ সাহিত্য সভাৰ পৰিপূৰক হিচাপে সৃষ্টি হৈছে। এই শিবিৰৰ যোগেদি সাহিত্য সভাৰ আৰু লেখকগোষ্ঠীৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ চেষ্টা কৰা হৈছে। এই লেখক-শিবিৰ অসম সাহিত্য সভাৰেই একোটা সৰু আকৰ্ষণীয় অধিবেশন। এতিয়ালৈকে এই লেখক-শিবিৰ পাঁচবাৰ সফলভাৱে সুসম্পন্ন হৈ গৈছে—দুবাৰ গুৱাহাটীত, এবাৰ যোৰহাটত, এবাৰ তেজপুৰত আৰু এবাৰ শিৱসাগৰত। এই শিবিৰৰ প্ৰতিজন অংশ গ্ৰহণকাৰীৰ সাহিত্যিক জীৱনৰ কথা আৰু স্বকীয় চিন্তাধাৰাৰ কথা প্ৰশ্নোত্তৰৰ যোগে আহৰণ কৰি ৰখা হৈছে। প্ৰথম তিনিখন শিবিৰৰ সুসম্পাদিত বিতং বিৱৰণ ইতিমধ্যে গ্ৰন্থৰ

আকাৰত প্ৰকশে হৈছে। বাকী ছুখনেও সোনকালে পোহৰৰ মুখ দেখিব নিশ্চয়। সেই কাৰণে ৰূপলেখাৰ এই অধ্যায়ত শিবিৰ কেইটাৰ চমু আভাসহে দিয়া হৈছে, সম্পূৰ্ণ বিকাশৰ বিৱৰণ পঢ়িবলৈ পোৱা যাব মূল গ্ৰন্থতহে।

এই-লেখক-শিবিৰৰ প্ৰথম আৰু প্ৰধান উদ্যোক্তা অধ্যাপক শ্ৰীনগেন শইকীয়া ( প্ৰাক্তন প্ৰধান সম্পাদক )। তেওঁ লিখিছে :

"লেখক-শিবিৰ কি আৰু কিয়, এই সম্পৰ্কে বহুতৰে মনত প্ৰশ্ন উঠিছে। আমাৰ ৰাজ্যত যিহেতু এই বিষয়টো একেবাৰে নতুন সেই বাবে প্ৰশ্ন উঠাতো স্বাভাৱিক। পৃথিৱীৰ অন্যান্য উন্নত দেশত লেখক-শিবিৰৰ সঘন আয়োজন কৰা হয় যাতে সমকালীন ভাষা-সাহিত্যৰ বিভিন্ন সমস্যাৱলী সম্পৰ্কে অন্তৰঙ্গ চিন্তা-চৰ্চা কৰিব পাৰি—দেশৰ সাহিত্যৰ ভৱিষ্যতৰ দিক্ নিৰ্ণয় কৰিব পাৰি। এইটোও স্বীকাৰ্য্য—লেখকসকলক ৰচনাৰ বাবে দিক্নিৰ্ণয় কৰি দিয়া কাৰো পক্ষেই সম্ভৱ নহয়।

আজি প্ৰায় এযুগৰো ওপৰ হ'ল অসমীয়া আলোচনীৰ পাততে লেখক-শিবিৰ সম্পৰ্কে প্ৰাথমিক চিন্তা প্ৰকাশিত হৈছিল। কিন্তু আয়োজনৰ প্ৰস্তুতিৰ বাবে কোনো আগবাঢ়ি অহা নাছিল। বহুতৰে মনত এই প্ৰশ্নৰো উদয় হৈছে—অসম সাহিত্য সভাৰ অধিবেশনৰ সময়তে এনে শিবিৰ বা লেখক-সমাবেশৰ আয়োজন কৰিব নোৱাৰি নে? সাহিত্য সভালৈ লেখকসকলৰ একাংশ যায়। বাকীসকলকো তালৈকে মাতি নিব পাৰিলে শিবিৰ আয়োজনৰ খৰচৰপৰা দেখোন হাত সাৰিব পাৰি। দেখাত কথাটো হয়, কিন্তু তেনে হৈ উঠাৰ সম্ভাৱনা সহজতে দেখা নাই ; কাৰণ (১) সাহিত্য সভাৰ অধিবেশনত সাহিত্যিকসকলতকৈ ভাষা-সাহিত্যপ্ৰেমী লোকৰ সমাগমেই হয় আটাইতকৈ বেছি। (২) অধিবেশনৰ উছৱমুখৰ পৰিবেশত 'ছিৰিয়াছ' আৰু অন্তৰঙ্গ চিন্তা-চৰ্চাৰ অৱকাশ প্ৰায় নাই। (৩) সৃষ্টিশীল লেখকসকলৰ বহুতেই ৰাজহুৱা আত্মপ্ৰকাশ কৰা বা

ভাষণ দিয়াৰ পক্ষপাতী নহয়। (৪) অধিবেশনৰ প্ৰস্তুতি আৰু লেখক-শিবিৰৰ প্ৰস্তুতি একেলগে কৰাও বৰ জটিল। গতিকে লেখকসকলক বেলেগে একত্ৰিত কৰিব লাগিব আৰু যিসকলক নিজৰ ৰচনাৰ অন্তৰালৰ ইতিহাস ব্যক্ত কৰিব পৰাকৈ এটি শান্ত পৰিবেশ দিব পাৰিব লাগিব। অসমত প্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাৰ উদ্যোগত সাদিনীয়াকৈ লেখক-শিবিৰৰ আয়োজন কৰা হৈছে। ব্যক্তিগতভাৱে মই ১৯৬৮ চনতেই এটি প্ৰস্তাৱ সভাত দাঙি ধৰিছিলো; কিন্তু সেই বছৰ ৰাজ্যৰ বাহিৰে-ভিতৰে হোৱা বেজবৰুৱা জন্ম-শতবাৰ্ষিকী উছৱৰ পয়োভৰত আৰু পিছৰ বছৰ অৰ্থাভাৱত এই বিষয়ে চিন্তা কৰিব পৰা নহৈছিল।

"১৯৭০ চনত পুনৰ এটি প্ৰস্তাৱ মই আগবঢ়াইছিলো। কিন্তু তেতিয়াও সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰা সম্ভৱ হৈ নুঠিল। ১৯৭২ চনৰ ফেব্ৰুৱাৰী মাহত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত সভাত প্ৰস্তাৱটি দাঙি ধৰাত কাৰ্য্যনিৰ্বাহক সমিতিয়ে প্ৰস্তাৱটি গ্ৰহণ কৰে। এই প্ৰস্তাৱটি দিয়াৰ আন কেইটিমান কাৰণো আছিল। (১) অসমত এতিয়া ভাষিক বিচ্ছিন্নতাবাদ গঢ়ি তুলিবৰ বাবে ন্যস্ত স্বাৰ্থই বিভিন্ন প্ৰকাৰে চেষ্টা কৰি আছিছে আৰু উত্তৰ-পূব ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ সংহতিৰ ঘাই সূত্ৰডাল ছিঙিবলৈ অহোপুৰুষাৰ্থ কৰিছে। আমি একেলগ হৈ আমাৰ ভাষিক সাংস্কৃতিক সমস্যাসমূহ বিচাৰ-বিশ্লেষণ কৰাৰ আৰু সমাধানৰ উপায় উলিওৱাটো সেই বাবে হৈ পৰিছে অত্যাৱশ্যকীয়। (২) অসম সাহিত্য সভাক বহুতেই সাহিত্যিকহীন সাহিত্য সভা বুলি অভিযুক্ত নকৰাকৈ থকা নাই। সভাই যেতিয়ালৈকে সাহিত্যিকসকলে অনুভব কৰা সমস্যা আৰু সাহিত্যিকৰ সমস্যাত গুৰুত্ব আৰোপ নকৰিব, সেই পৰ্য্যন্ত সভাৰ লগত সৃষ্টিক্ষম লেখকসকলে প্ৰাণৰ সম্পৰ্কও বিচাৰি নাপায়। গতিকে আমাৰ বৰ্তমানৰ সাহিত্যৰ আৰু সাহিত্যিকৰ সমস্যাৱলী সম্পৰ্কে আলোচনা কৰিবলৈ লেখকসকলক

একত্ৰিত কৰিবই লাগিব। (৩) অসমীয়া আধুনিক সাহিত্যই যোৱা পঁচিছ বছৰত যথেষ্ট ব্যাপ্তি লাভ কৰিছে, কিন্তু এই সময়ছোৱাৰ সাহিত্যৰ বিষয়ে এতিয়াও প্ৰামাণ্য গ্ৰন্থ এখনি লিখা হোৱা নাই। আমি যদি এই সময়ছোৱাৰ লেখকসকলক নিমন্ত্ৰণ কৰি আনি সিকলৰ ৰচনা, ইতিহাস, ভাব, বিষয়, ৰীতি আদি সম্পৰ্কে সিসকলৰ মুখৰপৰাই জানিব পাৰোঁ, তেনেহলে সেইখিনি কথা আমাৰ সাহিত্যৰ ইতিহাস ৰচনাৰ বাবে হ'ব আটাইতকৈ নিৰ্ভৰযোগ্য আৰু প্ৰামাণ্য দলিল স্বৰূপ।"

## প্ৰথম লেখক-শিবিৰ, গুৱাহাটী

### স্থান—কটন কলেজ প্ৰেক্ষাগৃহ

সঞ্চালক—ডঃ শ্ৰীমহেশ্বৰ নেওগ

সম্পাদক—শ্ৰীনগেন শইকীয়া

( ১৯৭৩ চনৰ ২৬ ডিচেম্বৰৰপৰা ১৯৭৯ চনৰ ১ জানুৱাৰীলৈ ):

### উদ্বোধনী অনুষ্ঠান

শ্ৰীনগেন শইকীয়া ( সম্পাদকীয় ) অধ্যক্ষ আব্দুল জেলিল ( আদৰণি ) শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ, শিক্ষামন্ত্ৰী ( উদ্বোধনি ), অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী ( মুখ্য অতিথি) অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ( সভাপতি )

অলোচনাৰ বিষয় : অসমৰ থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা

অংশগ্ৰহণকাৰীসকল : মিচিং ভাষা— ১) শ্ৰীতৰুণচন্দ্ৰ পামেগাম, (২) শ্ৰীভৃগুমুনি কাগয়ুং, (৩) শ্ৰীনাহেন্দ্ৰ পাড়ুন ; ৰাভা ভাষা (৪) শ্ৰীৰাজেন ৰাভা, (৫) শ্ৰীমণি ৰাভা ; কাৰ্বি ভাষা—(৬) শ্ৰীৰংবং তেৰাং ; বড়ো ভাষা (৭) শ্ৰীভবেন নাৰ্জি (৮) শ্ৰীৰামদাস বসুমাতাৰী (৯) শ্ৰীপ্ৰমোদ ব্ৰহ্ম, (১০) শ্ৰীবিহুৰাম বড়ো ; তিৱা ভাষা—'১১) শ্ৰীপদ্ম পাটৰ ; থলুৱা ভাষা—(১২) ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য।

**আলোচনাৰ বিষয় : যোৱা পঁচিছ বছৰৰ অসমীয়া কবিতা।**

**অংশগ্ৰহণকাৰী সকল :** (১) শ্ৰীনৰকান্ত বৰুৱা. (২) শ্ৰীহীৰেন ভট্টাচাৰ্য্য, (৩) ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ, (৪) শ্ৰীপৰেশমল্ল বৰুৱা, (৬) ড° শ্ৰীমতী লক্ষহীৰা দাস, (৬) শ্ৰীআনিছ উজ্জ জামান, (৭) শ্ৰীনাৰায়ণ বেজবৰুৱা, (৮) শ্ৰীমহিম বৰা, (৯) শ্ৰীচৈয়দ আব্দুল মালিক, (১) শ্ৰীমতী প্ৰবীণা শইকীয়া, (১১) শ্ৰীনলিনীধৰ ভট্টাচাৰ্য্য (১২) শ্ৰীহীৰেন দত্ত।

**আলোচনাৰ বিষয় : যোৱা পঁচিছ বছৰৰ অসমীয়া চুটিগল্প**

**অংশগ্ৰহণকাৰীসকল :** (১) শ্ৰীচৈয়দ আব্দুল মালিক, (২) ড° শ্ৰীভবেন্দ্ৰনাথ শইকীয়া, (৩) শ্ৰীমহিম বৰা, (৪) শ্ৰীসৌৰভকুমাৰ চলিহা, (৫) শ্ৰীযোগেশ দাস, ৬) শ্ৰীলক্ষ্মীনন্দন বৰা, (৭) ড° প্ৰণবজ্যোতি ডেকা, (৮) শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ, (৯) শ্ৰীঅৰুণ গোস্বামী (১০) শ্ৰীপোলেন বৰকটকী, (১১) শ্ৰীকুমুদ গোস্বামী, (১২) শ্ৰীনগেন শইকীয়া, (১৩) শ্ৰীমুনীন বৰকটকী।

**আলোচনাৰ বিষয় : যোৱা পঁচিছ বছৰৰ অসমীয়া উপন্যাস**

**অংশগ্ৰহণকাৰীসকল :** (১) শ্ৰীচৈয়দ আব্দুল মালিক, (২) ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, (৩) শ্ৰীযোগেশ দাস, (৪) শ্ৰীনৰকান্ত বৰুৱা, (৫) শ্ৰীলক্ষ্মীনন্দন বৰা, (৬) শ্ৰীহিতেশ ডেকা, (৭) শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া, (৮) শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ, (৯) শ্ৰীনবীন বৰুৱা, (১০) ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা।

**আলোচনাৰ বিষয় : যোৱা পঁচিছ বছৰৰ অসমীয়া নাটক**

**অংশগ্ৰহণকাৰীসকল** (১) শ্ৰীসত্যপ্ৰসাদ বৰুৱা, (২) শ্ৰীফণী তালুকদাৰ, (৩) শ্ৰীঅৰুণ শৰ্মা, (৪) শ্ৰীৰত্ন ওজা, (৫) শ্ৰীউত্তম বৰুৱা, (৬) শ্ৰীপ্ৰফুল্ল বৰা, (৭) শ্ৰীঅতুল বৰদলৈ, (৮) শ্ৰীদুলাল ৰয়, (৯) ড° শ্ৰীশৈলেন ভঁৰালী।

আলোচনাৰ বিষয় : (ক) সমালোচকৰ দায়িত্ব আৰু কৰ্তব্য
(খ) সাহিত্য সৃষ্টি আৰু ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা

অংশগ্ৰহণকাৰীসকল : (ক) (১) শ্ৰীমুনীন বৰকটকী (২) ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, (৩) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, (৪) শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, (৫) ড° শ্ৰীপ্ৰফুল্ল কটকী, (৬) ড° শ্ৰীহেমন্ত-কুমাৰ শৰ্মা।

(খ) (১) শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া, (২) শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী।

**সামৰণি অনুষ্ঠান**—ড° শ্ৰীমহেশ্বৰ নেওগ (সঞ্চালক) নলিনীবালা দেৱী (স্মৃতিগ্ৰন্থ-উন্মোচিকা), শ্ৰীযতীন গোস্বামী (স্মৃতিগ্ৰন্থ-সম্পাদক) মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ (মুখ্য অতিথি), অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা (সভাপতি)

## দ্বিতীয় লেখক-শিবিৰ, গুৱাহাটী

স্থান : কটন কলেজ নবকলাভৱন

( ৬ নৱেম্বৰৰপৰা ৯ নৱেম্বৰলৈ, ১৯৭৪ চন )

সঞ্চালক : ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ

সম্পাদক : শ্ৰীনগেন শইকীয়া

সম্পাদক শ্ৰীনগেন শইকীয়াই লিখিছে—"অসমৰ বিভিন্ন থলুৱা ভাষা-উপভাষা বহু যুগ ধৰি কথিত ৰূপত আছিল আৰু আছে। ইতিমধ্যে এই জনজাতীয় ভাষা-উপভাষাসমূহ অসমীয়া লিপিৰেই লিখাৰ সাৰ্থক যত্নও মন কৰিবলগীয়া। আমাৰ জনজাতীয় ভাষাসমূহৰ লগত থকা অসমীয়া ভাষাৰ সম্পৰ্ক তেজৰ সম্পৰ্ক। উপৰিও জনজাতীয় ভাষাসমূহে অসমীয়া ভাষাৰ সহযোগেৰেই নিজকে আধুনিক ৰূপত বিকশিত কৰিব লাগিব, এই কথা বাস্তৱতে অস্বীকাৰ কৰা নাজায়। কেৱল এয়ে নহয়; উত্তৰ-পূব ভাৰতৰ বিভিন্ন জন-গোষ্ঠীৰ উমৈহতীয়া ভাষা হিচাপেও অসমীয়া ভাষাৰ গুৰুত্ব আছে। অসমৰ ৰাজনৈতিক মানচিত্ৰত ই ৰাজ্যভাষা হিচাপে শিক্ষা, প্ৰশাসন

বেপাৰ-বাণিজ্য সকলোতে ব্যৱহৃত ; আৰু সাংস্কৃতিক অসমৰ নগা-ভূমি, অৰুণাচল, আনকি ব্ৰহ্মদেশৰ কন্যাক নগাসকলৰ মাজতো ইয়েই একমাত্ৰ সংযোগী ভাষা—লাগিলে তাক চৰ্কাৰীভাৱে স্বীকাৰ কৰা হওকেই বা নহওকেই। এই কথাও সমানেই স্মৰণযোগ্য যে অসমীয়া ভাষা অসমৰ কোনো এটা বিশেষ সম্প্ৰদায়ৰ ভাষা নহয় ; ই সকলোৰে উমৈহতীয়া ভাষা। আমাৰ বহুতৰে যদি কোনোবা কালত কিবা কথিত ভাষা আছিল, পাহৰি অসমীয়া ভাষাক নিজৰ ভাষা হিচাপে গ্ৰহণ কৰিলোঁ। আৰু বহুতেই হয়তো প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক, যি কাৰণতেই নহওক, নিজৰ কথিত ভাষাটো সীমিত পৰিসৰত মাত্ৰ ব্যৱহাৰ কৰি থাকি বহল পৰিসৰত অসমীয়া ভাষাৰ মাজেদিয়েই আত্মপৰিচয় লাভ কৰিলোঁ। নৃতত্ত্ব আৰু সমাজতত্ত্বৰ অধ্যয়নে আমাৰ বংশলতাৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা আৰু ভাষাতত্ত্ব আৰু জনসংস্কৃতিৰ অধ্যয়নে আমাৰ ভাষিক আৰু সাংস্কৃতিক ঘন-সম্পৰ্কৰ কথা স্পষ্টভাৱেই প্ৰমাণ কৰিছে।

আমাৰ থলুৱা ভাষা-উপভাষাসমূহৰ অৱস্থিতিৰ এনে এটা পটভূমিত এই লিপিহীন ভাষাসমুহৰ বাবে অসমীয়া লিপিৰ ব্যৱহাৰেই প্ৰয়োজনীয় আৰু উপযোগী। ভাষাতত্ত্ব আৰু দেশীয় পাৰিপাৰ্শ্বিকতা দুয়ো তাকে বিচাৰে। কোনো ব্যক্তি বা অনুষ্ঠানে দুখন এখন পুথি ৰোমান লিপিৰে লিখি উলিয়াইছিল যদিও এনে পুথিয়ে জনসাধাৰণৰপৰা অকণো সহানুভূতি লাভ কৰিব নোৱাৰাৰ উদাহৰণ বহুত আছে। কিন্তু অসমীয়া লিপিৰে লিখি উলিওৱা পুথিসমূহ সংশ্লিষ্ট ভাষা-ভাষীসকলে দ্বিধাহীনভাৱে গ্ৰহণ কৰাৰ উদাহৰণ ঢেৰ। তাৰ মূল কাৰণ অসমীয়া ভাষা আৰু লিপিৰ লগত থকা আমাৰ জনগোষ্ঠীসমূহৰ দীৰ্ঘদিনৰ পৰিচয়, আত্মীয়তা আৰু স্বাভাৱিক ভাববেগযুক্ত সম্পৰ্ক।

"কিন্তু আজি কিছুদিনৰপৰা এচাম লোকে জনজাতীয় ভাষাৰ বাবে ৰোমান লিপিৰ গ্ৰহণীয়তাৰ সপক্ষে মাত মাতিবলৈ আৰম্ভ কৰিছে।

প্ৰথমে এই কণ্ঠ আছিল ক্ষীণ। প্ৰথমে বহুতৰে ধাৰণা হৈছিল আৰু এতিয়াও আমাৰ বহুতো লোকৰ ধাৰণা আছে যে এই দাবীৰ কিবা একাডেমিক যুক্তি আছে। যদি ৰোমান লিপি ললে আমাৰ জনজাতীয় ভাষাসমূহৰ উন্নতি সাধিত হয়, তেনেহলে সেই দাবী সমৰ্থন কৰিবহে লাগে। তদুপৰি এটা ভাষাৰ লিপি কি হব—সেইটো সেই ভাষা-ভাষী লোকে ঠিক কৰিব, গতিকে আনে মাত মাতিবলৈ যোৱা মানে মাত মাতোঁতাক কিবা স্বাৰ্থ থকাটো বুজায়। এনেবোৰ সন্দেহৰ উত্তৰত আমি কম, হয় আমাৰ এটাই স্বাৰ্থ আছে আৰু সেই স্বাৰ্থ হ'ল অসমৰ জনজাতীয় ভাষাসমূহৰ সুস্থ বিকাশ বাঞ্ছা কৰাৰ স্বাৰ্থ, আমাৰ সাংস্কৃতিক আৰু সাম্প্ৰদায়িক ঐক্য ৰক্ষাৰ স্বাৰ্থ। অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ থিং সন্মিলনে (১৯৬৯) গ্ৰহণ কৰা এটা প্ৰস্তাৱত স্পষ্টভাৱেই কোৱা হৈছিল যে ৰাজ্যভাষা হিচাপে অসমীয়া ভাষাৰ প্ৰয়োগ বাঞ্ছা কৰাৰ উপৰিও অসম সাহিত্য সভাই আমাৰ থলুৱা ভাষা-উপভাষাসমূহৰ বিকাশ আৰু উন্নয়ন বাঞ্ছা কৰে। তদুপৰি ১৯৭৩ চনত থলুৱা ভাষা-সংস্কৃতি উদ্ধাৰৰ আঁচনি এখনো গ্ৰহণ কৰি আমাৰ বিভিন্ন জনজাতিসকলৰ পৰিচয়, ভাষা আৰু সংস্কৃতিৰ পৰিচয়মূলক পুথি-পত্ৰ প্ৰকাশৰ আঁচনি গ্ৰহণ কৰা হয়। ১৯৭৪ চনত সেই আঁচনি সম্প্ৰসাৰণ কৰি লোৱা হৈছে। আমি এইটো আন্তৰিকতাৰে কামনা কৰোঁ যে বহল জাতীয়তাৰ পটভূমিত আমাৰ বিভিন্ন জনগোটসমূহে নিজকে প্ৰতিষ্ঠা কৰক; কিন্তু এই প্ৰতিষ্ঠাই বিচ্ছিন্নতাবাদৰ পৃষ্ঠপোষকতা কৰিব নালাগিব।

সি যিকি নহওক ৰোমান লিপিৰ সপক্ষে দুই এটা ক্ষীণ ধ্বনি শুনি এনে ধ্বনিৰ একাডেমিক যুক্তিযুক্ততা বিচাৰ কৰি চোৱাটো আমি অতিশয় প্ৰয়োজনীয় বুলি অনুভৱ কৰিছিলোঁ। যদি বহল বিদ্যায়তনিক বিচাৰত দেশীয় পাৰিপাৰ্শ্বিকতাৰপৰা বিচ্ছিন্ন নোহোৱাকৈ ৰোমান লিপিৰ প্ৰয়োগৰ যুক্তিযুক্ততা প্ৰমাণিত হয়, তেনেহলে আমাৰ মাত্ত মতাৰ কোনো প্ৰয়োজনেই নহয়। অসম

সাহিত্য সভাৰ উদ্যোগত ১৯৭৩ চনৰ ডিচেম্বৰ মাহৰ ২৬ তাৰিখৰপৰা সাদিনীয়াকৈ আয়োজন কৰা প্ৰথম লেখক-শিবিৰৰ প্ৰথম দিনাৰ কাৰ্য্য-সূচীত 'অসমৰ থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা' শীৰ্ষক আলোচনাৰ ব্যৱস্থা কৰা হৈছিল আৰু আমাৰ জনজাতীয় ভাষাৰ প্ৰতিনিধিসকলৰ আগত অন্যান্য লিপি সম্পৰ্কীয় প্ৰশ্নটোৰ লগতে উত্থাপন কৰা হৈছিল। সেই আলোচনাত মিচিং, কাৰ্বি, ৰাভা আদি আমাৰ জনজাতীয় ভাষাৰ প্ৰতিনিধিসকলে স্পষ্টভাৱেই অসমীয়া লিপি গ্ৰহণৰ সপক্ষে মত প্ৰকাশ কৰিছিল।

কিন্তু লাহে লাহে ই এটা জটিল সমস্যাত পৰিণত হ'লগৈ। ১।৭।৭৪ তাৰিখে প্ৰকাশিত কামৰূপ জিলাৰ বড়ো সাহিত্যৰ অনুষ্ঠানৰ পক্ষৰ পৰা অসম চৰ্কাৰলৈ দিয়া আবেদন-পত্ৰ এখনিও আমালৈ পঠোৱা হয়। সদৌ বড়ো সাহিত্য সভাৰদ্বাৰা প্ৰচাৰিত মহাকালগুৰি সম্মিলনৰ প্ৰস্তাৱটিও আমাৰ হাতত পৰেহি।

অসম সাহিত্য সভাই ভাৰতীয় আৰ্য্য-অনাৰ্য্য কোনো মূলৰ ভাষাৰ ধ্বনি প্ৰকাশ কৰিব পৰাৰ ক্ষমতা ৰোমান লিপিৰ আছে বুলি প্ৰত্যয় যাব পৰা নাই। সভাই বাঞ্ছা কৰি আহিছে—আমাৰ জনজাতীয় ভাষাসমূহতো একে লিপি ব্যৱহৃত হক। অসমৰ-পৰা বঙ্গৰ শেষ সীমালৈকে লিপিৰ সুষমতা আৰু ঐক্য ৰক্ষিত হলে ভাষাসমূহৰ মাজত এটা আন্তঃ-সংযোগ আৰু আন্তঃসংহতি গঢ় লৈ উঠিব পাৰিব। ভাষাবিজ্ঞানে আৰু দেশীয় পাৰিপাৰ্শ্বিকতায়ো ৰোমান লিপি গ্ৰহণ কৰিবলৈ নকয়।

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ১৩।১৪ অক্টোবৰত যোৰহাটত বহা অধিবেশনে সমগ্ৰ বিষয়টো পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চায় আৰু একাডেমিক বা বিদ্যায়তনিক বিচাৰত গুৰুত্ব দি বড়ো সাহিত্য সভা আৰু ছাত্ৰসংস্থাক যিসকলৰ সিদ্ধান্ত পুনৰবিচাৰৰ বাবে গোহাৰি জনাই এটি ব্যাখ্যাত্মক প্ৰস্তাৱ গ্ৰহণ কৰে।"

সঞ্চালক ড° নেওগে আৰম্ভণিতে কয়,—"১৩ আৰু ১৪ অক্টোবৰ ১৯৭৩ তাৰিখে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ-ভৱনত বহা অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ জৰুৰী বৈঠকে বিশদ আলোচনাৰ পিছত তলত দিয়া প্ৰস্তাৱটি গ্ৰহণ কৰে :

"বড়ো সাহিত্য সভা আৰু বড়ো ছাত্ৰসকলে বড়ো ভাষাৰ বাবে ৰোমান লিপি গ্ৰহণ কৰা লৈ বৰ্তমানে যি আন্দোলন আৰম্ভ কৰিছে আৰু সেই আন্দোলনৰ মাজত বৰপেটাৰোডত হোৱা আৰক্ষীৰ গুলীচালনা আৰু দুজন লোকৰ অবাঞ্ছনীয় মৃত্যু ঘটা আদি লৈ যি পৰিস্থিতিৰ উদ্ভৱ হৈছে, তাত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ এই জৰুৰী বৈঠকে গভীৰ উদ্বেগ প্ৰকাশ কৰে।

এই প্ৰসঙ্গত কাৰ্য্যনিৰ্বাহক সমিতিয়ে বিনম্ৰভাৱে আঙুলিয়াই দিবলৈ বিচাৰে, কোনো ৰাজনৈতিক মতবাদ বাহিৰৰ প্ৰৰোচনা বা খন্তেকীয়া ভাবাবেগৰদ্বাৰা নহৈ সকলোৰে বড়ো ভাষাৰ লিপিৰ কথা বড়ো তথা আন সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ অৰ্থে সম্পূৰ্ণৰূপে একাডেমিক বা বিদ্যাভিত্তিক বিচাৰত নিৰ্ণয় কৰাটোহে বাঞ্ছনীয়।

বিশেষকৈ যুগ যুগ ধৰি অভূতপূৰ্ব মিলাপ্ৰীতিৰ মাজত থকা আমাৰ লোকসকলৰ মাজত লিপি প্ৰয়োগৰ পাৰ্থক্যই এক বিষাক্ত বাতাবৰণ আৰু দুৰ্যোৰ ৰাজনৈতিক জটিলতা সৃষ্টি কৰাৰ সম্ভাৱনাই দেখা দিছে আৰু সি অসমৰ কাৰো বাবেই শান্তি-সুখকৰ নহ'ব।

"এই বিষয়ত সম্পূৰ্ণ বিদ্যাভিত্তিক বিচাৰেইহে মাথোন হোৱা বাঞ্ছনীয়; বিশেষকৈ সম্পৰ্কিত ভাষা-ভাষী গোষ্ঠীৰ ভবিষ্যত যাতে সাময়িক ভাবাবেগৰদ্বাৰা যাতে ক্ষতিগ্ৰস্ত আৰু পৰাহত নহয়, তালৈ লক্ষ্য ৰখাটো সকলো পক্ষৰে নিতান্ত বাঞ্ছনীয়।

সৰ্বশেষত অসম সাহিত্য সভাই উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ মাজৰ ভাষিক, সাংস্কৃতিক আৰু সাম্প্ৰদায়িক ঐক্য বিনষ্ট কৰিব পৰা আৰু আমাৰ সৰলমতীয়া লোকসকলক বিভ্ৰান্ত কৰিব

পৰা দেশী-বিদেশী গোপন শক্তিসমূহৰ বিপক্ষে মুঠ বান্ধি থিয় দিবলৈ জনসাধাৰণলৈ আন্তৰিক আহ্বান জনায়।”

## ঃ আলোচ্য বিষয় ঃ

(১) অসমৰ জনজাতীয় ভাষাৰ বাবে উপযোগী লিপি-ৰোমান নে অসমীয়া ?

(২) অসমীয়া লিপিৰ সৰলীকৰণ।

(৩) অসমীয়া ভাষা আৰু বড়ো ভাষাৰ সাদৃশ্য।

উপস্থিতৰ সংখ্যা ঃ ১৮০ জন।

## উদ্বোধনী অনুষ্ঠান

৬-১১-৭৪ তাৰিখে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে উদ্বোধনী ভাষণত আলোচনাৰ-দ্বাৰা শান্তিপূৰ্ণভাৱে লিপি-সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। তেওঁ স্বৰচিত এটি কবিতাৰে ভাষণ সামৰে। সঞ্চালক ডক্টৰ শ্ৰীমহেশ্বৰ নেওগদেৱে কয় যে অসম সাহিত্য সভাই লিপি সম্পৰ্কে কোনো সিদ্ধান্ত কাৰো ওপৰত জাপি দিব খোজা নাই। বড়ো ভাষাৰ বাবে ৰোমান লিপি গ্ৰহণৰ সমৰ্থনত হোৱা আন্দোলনৰ পটভূমিত বড়ো তথা অসমৰ জনজাতীয় ভাষাসমূহৰ লিপিসম্পৰ্কীয় বিষয়টো একাডেমিক দৃষ্টিভঙ্গীৰে বিচাৰ-বিশ্লেষণ কৰি চাই পৰাপক্ষত সকলোৰে গ্ৰহণযোগ্য এটা সিদ্ধান্তত উপনীত হোৱাটোহে শিবিৰৰ মাই উদ্দেশ্য।

প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই শিবিৰৰ উদ্দেশ্য আৰু লক্ষ্য ব্যাখ্যা কৰি সম্পাদকীয় প্ৰতিবেদনত প্ৰথম লেখক-শিবিৰত অসমৰ থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা সম্পৰ্কে হোৱা আলোচনাত জনজাতীয় অসমীয়া লেখকসকলে অসমীয়া আৰু ৰোমান লিপিৰ সপক্ষে আৰু বিপক্ষে দাঙি ধৰা যুক্তি, বড়ো সাহিত্য সভাৰদ্বাৰা

প্রচাৰিত প্রচাৰপত্রসমূহ উত্থাপন কৰে আৰু এই সন্দৰ্ভত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ১৯৭৪ চনৰ ১৩ আৰু ১৪ অক্টোবৰত বহা অধিবেশনে গ্ৰহণ কৰা প্ৰস্তাৱ উত্থাপন কৰে। ৰোমান লিপিৰ সমৰ্থনত পিকেটিং কৰোঁতাসকলৰ ওপৰত অমানুষিক অত্যাচাৰ কৰা হৈছে বুলি বড়ো সাহিত্য সভাৰ অভিযোগৰ কথা উল্লেখ কৰি প্ৰতিবেদনত কোৱা হয়, জনজাতীয়-অজনজাতীয় কোনো লোকে যদি জনজাতীয় অসমীয়াৰ মৰ্য্যদাত আঘাত লাগিব পৰা কিবা কাম কৰিছে, তেনে কাম কৰা লোকক সভাই নিন্দা কৰে। তদুপৰি কোনো দুৰ্বৃত্তৰ কাৰ্য্যক সম্প্ৰদায়বিশেষৰ কাৰ্য্য বুলি নধৰিবলৈ অনুৰোধ কৰা হয়।

সভাত অসমৰ সমাজ-কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্মদেৱে বিশিষ্ট অতিথিৰূপে ভাষণ দি কয় যে কি লিপিৰ মাধ্যমেৰে ভাষাৰ উৎকৰ্ষ সাধিত হব, সেই কথা শিক্ষাবিদ আৰু ভাষাতাত্ত্বিকসকলে বিচাৰ কৰিব লাগে। তেওঁ অসম সাহিত্য সভাই বিভিন্ন জাতি-উপজাতিৰ মাজত সম্প্ৰীতি স্থাপনৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়।

## আলচসমূহ

১। অসমৰ জনজাতীয় ভাষাৰ লিপি : ডক্টৰ শ্ৰীমহেন্দ্ৰ বৰা।

২। অসমৰ থলুৱা ভাষা-গোষ্ঠীৰ বাবে উপযোগী লিপি—ৰোমান নে অসমীয়া : ডক্টৰ শ্ৰীউপেন্দ্ৰনাথ গোস্বামী

৩। বড়ো পণ্ডিতসকললৈ এটি অনুৰোধ : শ্ৰীমেদিনী চৌধুৰী

৪। অসমৰ বৰ্তমান সামাজিক আৰু জনজাতীয় পটভূমিত লিপি-সমস্যা : ডক্টৰ শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

৫। বড়ো ভাষা আৰু অসমীয়া লিপি : ডক্টৰ শ্ৰীগোলোকচন্দ্ৰ গোস্বামী

৬। অসমীয়া লিপিৰ সবলীকৰণ : ডক্টৰ শ্ৰীমহেন্দ্ৰ বৰা

৭। Script for the Tribal Languages of Assam : Dr. Maheswar Neog.

**অংশগ্ৰহণকাৰীসকল ঃ** ড° শ্ৰীগোলোকচন্দ্ৰ গোস্বামী, ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীৰাজেন ৰাভা, শ্ৰীনাহেন্দ্ৰ পাড়ুন, শ্ৰীতৰুণ চন্দ্ৰ পামেগাম, শ্ৰীভৃগুমুনি কাগ্যুং, শ্ৰীথানেশ্বৰ বড়ো, শ্ৰীইন্দ্ৰেশ্বৰ পেগু, শ্ৰীপ্ৰমোদচন্দ্ৰ ব্ৰহ্ম, শ্ৰীদণ্ডেশ্বৰ গগৈ, শ্ৰীবিভীষণ পেগু, শ্ৰীচামচিং হাঞ্চে, শ্ৰীমতী নিৰুপমা হাগজেৰ, শ্ৰীগগনচন্দ্ৰ সোণোৱাল, শ্ৰীবলাইৰাম সেনাপতি, শ্ৰীৰামদাস বসুমতাৰী, শ্ৰীটিকাৰাম উপাধ্যায়, শ্ৰীসতীশচন্দ্ৰ মেছ, শ্ৰীদধি মহন্ত, শ্ৰীলোকনাথ ভৰালী, শ্ৰীচৈয়দ আব্দুল মালিক, ড° শ্ৰীউপেন্দ্ৰনাথ গোস্বামী, শ্ৰীকেশৱচন্দ্ৰ ৰায়, ড° শ্ৰীপ্ৰণৱজ্যোতি ডেকা, শ্ৰীহলিৰাম বসুমতাৰী, শ্ৰীহিতেশ ডেকা, শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীবিশ্বেশ্বৰ হাজৰিকা প্ৰভৃতি।

## সামৰণী অনুষ্ঠান

এই সামৰণী সভা পৰিচালনা কৰে ড° শ্ৰীমহেশ্বৰ নেওগে। বিশিষ্ট অতিথি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে ভাষণ-প্ৰসঙ্গত লিপি সম্পৰ্কে হোৱা আলোচনাৰ প্ৰসঙ্গ উত্থাপন কৰি কয় যে এসময়ত প্ৰাচীন অসমত বড়োগোষ্ঠীৰ ৰাজন্য-বৰ্গই শাসন কৰিছিল আৰু তেওঁলোকে অসমীয়া লিপিৰেহে শাসনাৱলী লিখোৱাৰ উদাহৰণ পোৱা গৈছে। হয়তো অসমীয়া লিপিয়েই বড়োসকলৰ লিপি আছিল ; কালক্ৰমত বড়োভাষা কথিত ৰূপত ব্যৱহৃত হৈ থকাত লিপি-প্ৰয়োগৰ প্ৰশ্নও পিছলৈ নোহোৱা হ'ল। তেখেতে অসমীয়া লিপিৰ যিখিনি সৰলীকৰণে লিপিৰ সৌন্দৰ্য্য হ্ৰাস নকৰে বা যিখিনি সৰলীকৰণ ব্যৱহাৰিক দিশৰপৰাই প্ৰয়োজনীয় বুলি অনুভূত হৈছে, সেইখিনি গ্ৰহণীয় বুলি কয়। শ্ৰীশৰ্মাদেৱে বড়োভাষীসকলক সনিৰ্বন্ধ অনুৰোধ জনায় যাতে

যিসকলে লিপিৰ প্ৰশ্নটোত অধিক আবেগজড়িত নকৰি পুনৰ ঐতিহাসিক আৰু বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ কৰি চায়। আনগৰাকী বিশিষ্ট অতিথি প্ৰথিতযশা সাহিত্যিক চৈয়দ আব্দুল মালিকে লিপি-বিভ্ৰাট সম্পৰ্কে সৰস আলোচনা এটি আগবঢ়ায়। তেওঁ শেষত কয় যে সাহিত্য সমৃদ্ধ কৰিবলৈহে বড়ো-সকলে চেষ্টা কৰিব লাগে। ৰোমান লিপি এই সমৃদ্ধিৰ সহায়ক নহয়। গৃহমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াদেৱে কয় যে ৰাজ্যখনৰ সংহতিৰ প্ৰশ্নটো মনত ৰাখিহে লিপিৰ সমস্যা সমাধানৰ কথা ভাবিব লাগে। অসম সাহিত্য সভাই জনজাতীয় ভাষাৰ প্ৰতিনিধিসকলক নিমন্ত্ৰণ কৰি আনি এই সমস্যাটো মুকলিকৈ আলোচনা কৰাৰ ব্যৱস্থা কৰাৰ বাবে শলাগ লয় আৰু কয় ইয়াৰদ্বাৰা সকলো পক্ষই লাভবান হব পাৰে। তেওঁ কয়, বন্দুকৰ শক্তিৰে কোনো সমস্যাৰ সমাধান নহয়, আলাপ আলোচনাৰ মাজেৰেহে সমাধানৰ পথ ওলাব।

প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই সঞ্চালক, প্ৰতিনিধিবৰ্গ আদি সকলোকে অসম সাহিত্য সভাৰ পক্ষৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে এই আলোচনাই আমাৰ ভৱিষ্যতৰ বাবে পথ-প্ৰদৰ্শন কৰিব। ইমানতেই এই আলোচনাৰ সামৰণি নিশ্চয় নহয়; ই কেৱল আৰম্ভণিহে।

## তৃতীয় লেখক-শিবিৰ, যোৰহাট

২৫, ২৬ ডিচেম্বৰ, ১৯৭৫ চন

স্থান : চন্দ্ৰকান্ত সন্দিকৈ-ভৱন প্ৰাঙ্গণ

সঞ্চালসককল : (১) ড° শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰী
(২) শ্ৰীচৈয়দ আব্দুল মালিক
(৩) শ্ৰীবিপিনকুমাৰ বৰগোহাঁই
(৪)শ্ৰীবীৰেন ফুকন

সম্পাদক : শ্ৰীনগেন শইকীয়া

## আলোচ্য বিষয়সমূহ

১। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন
২। সাহিত্য আৰু সাহিত্য সমালোচনাৰ ধাৰা
৩। লেখক আৰু প্ৰকাশকৰ সম্পৰ্ক আৰু চুক্তি
৪। অসমীয়া সঙ্গীতৰ ধাৰা : জ্যোতি সঙ্গীত

## উদ্বোধনী অনুষ্ঠান

আদৰণী সভাৰ সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে কয় : "অসম সাহিত্য সভাৰদ্বাৰা আয়োজিত এই তৃতীয় লেখক-শিবিৰৰ দুদিনীয়া আলোচনাত অংশগ্ৰহণ কৰিবৰ কাৰণে অসমৰ বিভিন্ন ঠাইৰপৰা আহি সাহিত্যিক, সমালোচক, বুৰঞ্জীবিদ্ আহি ইয়াত সন্মিলিত হৈছে। অসম সাহিত্য সভাই লেখক-শিবিৰৰ প্ৰস্তুতিৰ ভাৰ যোৰহাটবাসীৰ ওপৰত ন্যস্ত কৰাৰ কাৰণে আমি অতি কম সময়ৰ ভিতৰতে খৰখেদাকৈ শিবিৰৰ যাবতীয় আয়োজন কৰিবলগা হৈছে।" × × ×

প্ৰাক্তন সঞ্চালক ড° শ্ৰীমহেশ্বৰ নেওগদেৱে কয় : "লেখক-শিবিৰৰ পৰিকল্পনা অসম সাহিত্য সভাৰ বুৰঞ্জীত এটা নতুন পৰিকল্পনা আৰু ১৯৭৩ চনৰ ডিচেম্বৰ মাহৰ ২৬ তাৰিখৰপৰা ১৯৭৪ চনৰ জানুৱাৰী মাহৰ ১ তাৰিখলৈকে গুৱাহাটীত আয়োজন কৰা প্ৰথম লেখক শিবিৰৰ কাৰ্য্যসূচীয়েই আছিল পৰিকল্পনাৰ প্ৰথম বাস্তৱ ৰূপ আধুনিক যুগৰ অসমীয়া সাহিত্যৰ কবিতা, চুটিগল্প, উপন্যাস, সমালোচনা সাহিত্য আৰু অসমৰ জনজাতীয় ভাষাসমূহৰ আলোচনা অন্তৰ্ভুক্ত কৰি আয়োজিত সেই শিবিৰে আমাৰ লেখকসকলক আমাৰ ভাষা-সাহিত্যৰ বিভিন্ন প্ৰশ্ন আৰু সমস্যা সম্পৰ্কে অন্তৰঙ্গভাৱে আলোচনা কৰাৰ প্ৰথম পথ মুকলি কৰি দিলে। ১৯৭৪ চনৰ নৱেম্বৰ মাহৰ ৬ তাৰিখৰপৰা ৯ তাৰিখলৈকে চাৰিদিনীয়াকৈ দ্বিতীয় লেখক-শিবিৰৰ আয়োজন কৰি সেই সময়ৰ এটা জৰুৰী প্ৰশ্ন—

বড়ো ভাষাকে ধৰি অসমৰ জনজাতীয় ভাষাসমূহৰ বাবে কোনটো লিপি উপযোগী আৰু অসমীয়া লিপিৰ সৰলীকৰণ—এই দুই বিষয়ৰ প্ৰশস্ত আলোচনাৰ বাবে ব্যৱস্থা কৰা হৈছিল। এই দুয়োবাৰ আয়োজন কৰা শিবিৰে প্ৰমান কৰিলে যে অসম সাহিত্য সভাই লেখক-শিবিৰৰ আয়োজন কৰি এটি ভাল কামৰ আৰম্ভণ কৰিছে। × × এইবাৰৰ শিবিৰৰ কাৰ্য্যসূচীত যিকেইটা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে আটাইকেউটিয়েই বৰ গুৰুত্বপূৰ্ণ বিষয়।"

এই সভাত সভাপতিত্ব কৰি সেই বছৰৰ অসম সাহিত্য সভাৰ সভাপতি ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে কয়, "অসম সাহিত্য সভাৰ মুকলি অধিবেশনৰ মাজত যি কাম সম্পন্ন কৰিব নোৱাৰি, লেখক-শিবিৰৰ কাৰ্য্যসূচীৰে তেনে কাম সম্পন্ন কৰিব পাৰি। অসম সাহিত্য সভাই এই বাৰৰ লেখক-শিবিৰৰ সূচী আগৰ দুটাতকৈ বেলেগ। এই শিবিৰত আলোচনাৰ বাবে গ্ৰহণ কৰা হৈছে—বুৰঞ্জী আৰু পুৰাতত্ত্বৰ অধ্যয়ন, সাহিত্য আৰু সাহিত্য সমালোচনাৰ ধাৰা আৰু লেখক-প্ৰকাশকৰ সম্পৰ্ক এইকেইটা বিষয়। এই বিষয়ে আলোচনা কৰিবলৈ প্ৰায় ৪০।৫০ জন লেখক-লেখিকাক আমি নিমন্ত্ৰণ জনাই আনিছো। আশা কৰিছোঁ, সিসকলৰ আলোচনাই এই বিষয়বোৰত নতুন পোহৰ পেলাব পাৰিব আৰু বহুতো নতুন তথ্যপাতি পোহৰলৈ আনিব।"

## ঃ প্ৰথম ঃ

প্ৰথম বিষয়ৰ অংশগ্ৰহণকাৰীসকল আছিল ড° শ্ৰীৰবীন্দ্ৰ দেৱচৌধুৰী, শ্ৰীনিশিপদ চৌধুৰী, ডক্টৰ শ্ৰীমোহিনী কুমাৰ শইকীয়া, শ্ৰীযতীন গোস্বামী, শ্ৰীআব্দুছ ছাত্তাৰ, শ্ৰীনবীনচন্দ্ৰ গোস্বামী, শ্ৰীনগেন শইকীয়া, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীতীৰ্থনাথ শৰ্মা, শ্ৰীতোলনচন্দ্ৰ শইকীয়া, শ্ৰীবিজয়ভূষণ হাজৰিকা প্ৰভৃতি।

সঞ্চালকৰ ভাষণত ডক্টৰ শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰীয়ে অসম বুৰঞ্জী অধ্যয়নৰ উল্লেখ কৰি কয়—'বুৰঞ্জী বিষয়টো বৰ ব্যাপক আৰু বৰ গুৰুত্বপূৰ্ণ। ই একোখন দেশৰ একোটা জাতিৰ সকলো দিশ সামৰি লয়। কি ৰাজনীতি, কি অৰ্থনীতি, কি ধৰ্মনীতি, সংস্কৃতি-সভ্যতা, শিক্ষা, বেহা-বেপাৰ, ভাস্কৰ্য্য, স্থাপত্য, পুথি-পত্ৰ, লিখাৰ সামগ্ৰী, ঘৰ-দুৱাৰ, সাজপাৰ, আ-অলঙ্কাৰ—মুঠতে এনে এটা বিষয় নাই যিটো বুৰঞ্জীৰ পৰিসৰৰ ভিতৰত নপৰে।' অসম বুৰঞ্জী অধ্যয়নৰ ক্ষেত্ৰতো দৃষ্টি বহল আৰু সুক্ষ্ম কৰি লব লাগিব। অসমৰ ইতিহাস সম্পৰ্কে যি গবেষণা, আলোচনা আদি হৈছে, সেইবোৰ কিমান দূৰলৈকে নিখুত হৈছে চোৱাৰ প্ৰয়োজন আছে।

## : দ্বিতীয় :

ডক্টৰ শ্ৰীগোবিন্দপ্ৰসাদ শৰ্মা, শ্ৰীবীৰেন বৰকটকী, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, আব্দুছ ছাত্তাৰ ডক্টৰ শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী শ্ৰীতৰুণচন্দ্ৰ পামেগাম, শ্ৰীললিত বৰুৱা প্ৰভৃতি আছিল আলোচনাৰ দ্বিতীয় বিষয়টোৰ অংশগ্ৰহণকাৰী।

সঞ্চালকৰ আসনৰপৰা প্ৰসিদ্ধ কথাশিল্পী শ্ৰীচৈয়দ আব্দুল মালিকে কয় যে সাহিত্যিকৰ মূল সম্বল হ'ল মানুহৰ জীৱন। জীৱনৰ হাঁহি-কন্দোন হৃদয়েৰে অনুভৱ কৰা আৰু তাৰ শিল্পসম্মত ৰূপদান কৰা তেওঁৰ কাম। এই কাম সাহিত্যিকৰ একান্ত নিজৰ কাম। তেওঁৰ আদৰ্শ, তেওঁৰ প্ৰতিভা আৰু তেওঁৰ ক্ষমতাৰেই তেওঁ সৃষ্টি কৰে। সমালোচকৰ মূল সম্বল হল—সাহিত্যিকৰ সৃষ্টি ভালেই হওক বা বেয়াই হওক তাক নতুনকৈ সৃষ্টি কৰাৰ ক্ষমতা সমালোচকৰ নাই।

## : তৃতীয় :

শ্ৰীনগেন শইকীয়া, শ্ৰীআব্দুছ ছাত্তাৰ, কুমাৰ কিশোৰ, শ্ৰীবীৰেন বৰকটকী, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীতৰুণচন্দ্ৰ পামেগাম,

শ্ৰযতীন্দ্ৰনাথ গোস্বামী, ডক্টৰ শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ, চৈয়দ আব্দুল মালিক প্ৰভৃতিয়ে আলোচনাৰ তৃতীয় বিষয়টোত ভাগ লৈছিল।

সঞ্চালক শ্ৰীবিপিনকুমাৰ বৰগোহাঁইদেৱে কয়, "লেখক আৰু প্ৰকাশকৰ ক্ষেত্ৰত যি সম্পৰ্ক থাকে বা থাকিব লাগে, বহু সময়ত সেই সম্পৰ্ক বাঞ্ছা কৰাৰ দৰে নাথাকে। আজিৰ আলোচনাত কেইবাগৰাকীও সন্মানিত লেখকে তেখেতসকলৰ ব্যক্তিগত তিতা-কেঁহা অভিজ্ঞতাৰ কথা দাঙি ধৰিছে। × × × এজন লেখকৰ বাবে তেওঁৰ ৰচনা নিজৰ সন্তানৰ দৰেই মৰমৰ। সন্তানৰ মাজেৰে পিতৃ-মাতৃৰ আশা-আকাঙ্খা প্ৰকাশিত হোৱাৰ দৰেই লেখকেও তেওঁৰ ৰচনাৰ মাজেদিয়েই নিজক প্ৰকাশ কৰে আৰু বিমল আনন্দ লাভ কৰে। প্ৰকাশকসকলে লেখকৰ এই ইচ্ছা পূৰণক প্ৰধান সহায়ক হিচাপে থিয় দিয়ে। গতিকে দুয়োৰো মাজৰ সম্পৰ্ক মধুৰতকৈও মধুৰ হোৱাটোৱেই কাম্য; কিন্তু আমাৰ আজি সমৱেত লেখকসকলৰ প্ৰায় সকলোটিকেই ব্যক্ত কৰিছে যে একশ্ৰেণীৰ প্ৰকাশকে লেখকক প্ৰাপ্যৰপৰা বঞ্চিত কৰি আহিছে আৰু ধনৰ লোভত অশ্লীল পুথি-পত্ৰ প্ৰকাশ কৰি সমাজৰ নৈতিক মানদণ্ডৰ পতন ঘটাইছে। এইটো সঁচাকৈয়ে আমাৰ সমাজৰ বাবে, জাতিৰ বাবে বৰ দুখৰ কথা; কিন্তু প্ৰকৃত সাহিত্য কালে সতকাই উটুৱাই নিব নোৱাৰে। তাতে যদি সেই সাহিত্য জনতাৰ জীৱনৰ ওচৰ চপা হয়, জনতাৰ প্ৰিয় হয়, তেতিয়া হলে তাৰ সোৱাদো দীৰ্ঘস্থায়ী হয়।

## : চতুৰ্থ :

চতুৰ্থ বিষয়টোৰ শ্ৰীনিৰ্মলচন্দ্ৰ চক্ৰৱৰ্তী আছিল একমাত্ৰ অংশ-গ্ৰহণকাৰী।

সঞ্চালক শ্ৰীবীৰেন ফুকনে কয়, "জ্যোতি-সঙ্গীতক এটা বিশেষ ধাৰাৰূপে বিজ্ঞানসন্মতভাৱে স্বীকৃতি পাবলৈ হলে, জ্যোতিপ্ৰসাদৰ সকলো গীতৰ শুদ্ধ স্বৰলিপি যুগুতোৱাৰ ওপৰত গুৰুত্ব দিব লাগিব।

সম্প্ৰতি যিসকলে জ্যোতি-সঙ্গীত পৰিবেশন কৰি আছে, সেইসকলে এই বিষয়ে দৃষ্টিপাত কৰিব বুলি আশা কৰিলোঁ। এটা কথা প্ৰসঙ্গ ক্ৰমে কব পাৰি যে দুই-এটা জ্যোতি-সঙ্গীত যিভাৱে পৰিবেশন কৰা হৈছে তাত দুই-এটা আঁসোৱাই চকুত নপৰা নহয়। যেনে—গাঁৱে গাঁৱে বন্তি জ্বলাই যাম' গীতটিৰ প্ৰচলিত ৰূপৰ স্তৰক সম্পূৰ্ণ বাদ পৰি গৈছে। আকৌ 'মোৰে জীৱনৰে সখা কৃষ্ণ' গীতটিতো সুৰৰ তাৰতম্য নোহোৱাকৈ থকা নাই।

## সামৰণী অনুষ্ঠান

ডিচেম্বৰ ২৬, ১৯৭৫ অব দিনা আবেলি ৫ বজাত আয়োজিত অসমৰ তৃতীয় লেখক-শিবিৰৰ কাৰ্য্যসূচীৰ সামৰণী সভাত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ডক্টৰ শ্ৰীসতেন্দ্ৰনাথ শৰ্মাদেৱে কয় "সাহিত্য সভাৰ উদ্যোগত আয়োজিত তৃতীয় লেখক-শিবিৰৰ আলোচ্য বিষয়সমূহত অংশ গ্ৰহণ কৰি নিমন্ত্ৰিত লেখকসকলে আটাইকেউটি বিষয়তে নতুন চিন্তাচৰ্চাৰ বাট মোকলাই দিলে। এই আলোচনাৰ দ্বাৰা আমি দেশৰ বুৰঞ্জী, আমাৰ সাহিত্য, লেখক-প্ৰকাশকৰ সম্পৰ্ক আধুনিক অসমীয়া সঙ্গীতৰ বিষয়ে আমাৰ প্ৰত্যেকৰে কৰণীয় সম্পৰ্কে নিসন্দেহে ইঙ্গিত লাভ কৰিছোঁ। ভবিষ্যতে এই বিষয়সমূহৰ বিস্তৃত অধ্যয়ন সম্ভৱ হৈ উঠিলেহে লেখক-শিবিৰৰ আয়োজন সাৰ্থক হব।

অপ্ৰিয় হলেও ক'ব লাগিব যে দুদিনত চাৰিটা গুৰুত্বপূৰ্ণ বিষয় সামৰি লোৱাৰ বাবে আৰু লিখিত ভাষণৰ সংখ্যা তাকৰ হোৱাৰ বাবে এই শিবিৰ পূৰ্ব্ববৎ আশানুৰূপভাৱে সাফল্যমণ্ডিত হোৱা নাছিল। কেৱল অসমৰ নাট-নৃত্য-সঙ্গীতকে লৈ প্ৰথম শিবিৰৰ দৰে সাদিনীয়া আলোচনা-চক্ৰ পাতিব পাৰি। আগলৈ এনে কৰাটো বাঞ্ছনীয়।

# চতুৰ্থ লেখক-শিবিৰ, তেজপুৰ

## ( ২৪, ২৫ ডিচেম্বৰ, ১৯৭৬ চন )

স্থান :—জিলা পুথিভঁৰাল, তেজপুৰ

সঞ্চালক :—ড° শ্ৰীমহেশ্বৰ নেওগ

সম্পাদক :—ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা

আলোচ্য বিষয়সমূহ :

(১) সাম্প্ৰতিক সাহিত্য : ৰুচি, আদৰ্শ আৰু সামাজিক দায়িত্ব।

(২) অসমীয়া সংবাদপত্ৰ আৰু আলোচনীৰ সমস্যা আৰু মান

### আৰম্ভণী অনুষ্ঠান

চতুৰ্থ লেখক-শিবিৰ উপলক্ষে ২৪ ডিচেম্বৰ তাৰিখে ৰাতিপুৱা ৮-৩০ বজাত, তেজপুৰ সাহিত্য সভা ভৱন-প্ৰাঙ্গণত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে। স্থানীয় জিলা-পুথিভঁৰাল প্ৰেক্ষাগৃহত শ্ৰী শৰ্মাৰ সভাপতিত্বত বহা উদ্বোধনী অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই লেখক-শিবিৰ উদ্বোধন কৰি কয়, "এই লেখক-শিবিৰ ন্যায়নিষ্ঠ শিবিৰ আৰু ইয়াৰ প্ৰধান উদ্দেশ্য হ'ব এদল চিন্তাশীল লেখক প্ৰস্তুত কৰাটো।" ইয়াৰ পিছত অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে লেখক-শিবিৰত অংশগ্ৰহণকাৰীসকলক আদৰণি জনাই ভাষণ দিয়ে। অসম সাহিত্য সভাৰ সম্পাদক ডক্টৰ শ্ৰীহেমন্তকুমাৰ শৰ্মাই সম্পাদকীয় প্ৰতিবেদনত জাতীয় জাগৰণ আনি দিব পৰা অসম সাহিত্য সভাৰ মেলাৰূপী ৰূপটোৰো প্ৰয়োজন আছে বুলি মত প্ৰকাশ কৰে। লগতে তেওঁ কয় যে সাহিত্যৰ নানা দিশত গভীৰ চিন্তাশীল বিষয় আলোচনা কৰিবলৈকে অসম সাহিত্য সভাই আজি কেইবছৰপৰা লেখক-শিবিৰৰ আয়োজন কৰিছে।

লেখক-শিবিৰৰ সঞ্চালক ড° শ্ৰীমহেশ্বৰ নেওগে এটি ভাষণ দি শিবিৰ শব্দটোৰ তাৎপৰ্য্য দাঙি ধৰি কয়, "যদিও আমি পুৰণি ( শিবিৰ ) শব্দ এটা ঘঁহিপিহি আদৰি লৈছোঁ, প্ৰকৃততে শিবিৰ শব্দৰ পৰিবৰ্তে সত্ৰ শব্দটোহে বেছি প্ৰণিধানযোগ্য হলহেঁতেন। সমাজবাদী বাস্তৱতা আজি সমগ্ৰ পৃথিৱীৰ এটা সমস্যা হৈ পৰিছে। আমি এই সমস্যাৰপৰা আঁতৰি থাকিব নোৱাৰোঁ। সমাজবাদ আৰু সাহিত্য দুয়োৰে মাজত আমি সমন্বয় ৰক্ষা কৰি চলিব লাগিব।" সভাত শ্ৰীকৃষ্ণ শৰ্মাই তেজপুৰৰ ঐতিহ্য সম্পৰ্কে এটি স্বৰচিত কবিতা পাঠ কৰে।

## প্ৰথম অধিবেশন

২৪ ডিচেম্বৰৰ দিনৰ ১০ বজাত সঞ্চালক ডক্টৰ নেওগৰ পৰিচালনাত আলোচনা-চক্ৰৰ প্ৰথম অধিবেশন আৰম্ভ হয়। 'সাম্প্ৰতিক অসমীয়া সাহিত্য : ৰুচি, আদৰ্শ আৰু সামাজিক দায়িত্ব' এই বিষয়টো উত্থাপন কৰি অধ্যাপক শ্ৰীনবকান্ত বৰুৱাই সাহিত্যৰ বিভিন্ন ধাৰাৰ বিভিন্ন ৰুচিবোধ, বিশ্বসাহিত্যৰ মান, সমাজবাদী সাহিত্য সৃষ্টিৰ মূল আৰু প্ৰকৃতি, আৰু আজিৰ সাহিত্যিক-সমালোচকে সমাজবাদী বাস্তৱ সাহিত্যৰ কিদৰে সৃষ্টি কৰিব লাগে সেই বিষয়ে উদ্ধৃতি দি ভাষণ দিয়ে। আলোচনাত অংশ গ্ৰহণ কৰি ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই সমাজাবদী বাস্তৱতাক মূলতে এটা দাৰ্শনিক বৃত্তি বুলি কয়। এই ভাৱধাৰা পোনতে এমিল জেলিনই আনে, তাৰ পিছত ক্ৰমে গোগলছ টলষ্টয়ে, কাৰ্লমাৰ্ক্স, লেনিন আদিয়ে পূৰ্ণ ৰূপ দিয়ে বুলি তেওঁ কয়। শ্ৰীৰাম গোস্বামীয়ে কয় যে ৰাজনীতিৰ লগত খাপ খুৱাই সাহিত্য সৃষ্টি কৰাৰ বিষয়েও সাহিত্যিকসকলে চিন্তা কৰিব লাগে। শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ব্যক্ত কৰে যে চেমনীয়াবিলাকৰ মন কলুষিত কৰিব পৰা ৰচনাসমূহ অতি সোণকালে বন্ধ কৰা উচিত। শ্ৰীনাহেন্দ্ৰ পাতুনে কয় যে আমাৰ সমাজত গভীৰ সাহিত্যতকৈ

জনপ্ৰিয় সাহিত্যত পঢ়ুৱৈৰ সংখ্যাহে অধিক। ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই কয়, ভাল আৰু বেয়া ৰুচিৰ মাজত ৰুচিবোধৰ এটা মধ্যম পন্থাও আছে আৰু সেই পন্থাও পঢ়ুৱৈৰ সংখ্যাই আমাৰ মাজত বেছি। শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈৰ মতে সাহিত্যও ধৰ্মীয় ভাবধাৰাৰো বিশেষ মূল্য আছে। শ্ৰীনগেন শইকীয়াই আধুনিক সাহিত্য আৰু মাৰ্ক্সীয় ভাবধাৰাই আমাৰ সাহিত্যত কিদৰে প্ৰভাৱ পেলাইছে, সেই বিষয়ে বিবৰি কয়। অধ্যাপক ৰায়হান ছাহে সমাজ, লেখক আৰু পাঠকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থাকিব লাগে বুলি মত দাঙি ধৰে। ড° শ্ৰীগোবিন্দপ্ৰসাদ শৰ্মাই সাহিত্য-সমলোচনাৰ মান আৰু ৰুচি বিষয়টো পাশ্চাত্যত সমালোচনাৰ ভিত্তিত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আলোচনা কৰে। অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মাই নন্দনতত্ত্ব সম্পৰ্কে ৰসাল আলোচনা কৰে। শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই সাহিত্য কি, লেখক কোন আৰু লেখকৰ সাহিত্য ৰচনাৰ উদ্দেশ্য কি—নিজে এই প্ৰশ্ন-কেইটাৰ অৱতাৰণা কৰি তাৰ যথাযথ উত্তৰ দিয়ে। এইসকলৰ উপৰিও (সৰ্বশ্ৰী) বীৰেন্দ্ৰকুমাৰ দাস, মহেশচন্দ্ৰ দেৱগোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, শুচিব্ৰতা ৰায়চৌধুৰী, আলিমুন্নিছা পিয়াৰ আদিয়ে আলোচনাত অংশগ্ৰহণ কৰে।

## দ্বিতীয় অধিবেশন

২৫ ডিচেম্বৰৰ দিনা পুৱা ৯ বজাৰপৰা আলোচনা-চক্ৰৰ দ্বিতীয় অধিবেশন উদ্বোধন কৰে শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াদেৱে। ভাষণত তেওঁ সাম্প্ৰতিক কালত সংবাদ-পত্ৰসমূহে সমাজবাদী ৰাষ্ট্ৰৰ বাহক হিচাপে কাম কৰি যোৱাটো উচিত বুলি মত পোষণ কৰে। তেওঁ কয়, "বাতৰি কাকতে ৰাজনৈতিক মতবাদৰ উপৰিও সাহিত্য, সংস্কৃতি, অৰ্থনীতি আদি বিষয়ৰ সংবাদো পৰিবেশন কৰা উচিত।"

সেই দিনাৰ আলোচনাৰ বিষয় আছিল "অসমীয়া সংবাদ-পত্ৰ আৰু মান।" শিবিৰ-সঞ্চালক ডক্টৰ নেওগে আক্ষেপৰ সুৰত উঠি

অহা ডেকাচামৰ কাৰণে পঢ়িবলগীয়া আৰু শিকিবলগীয়া ভাল অসমীয়া আলোচনী বৰ্তমানে এখনো নাই। আলোচনাৰ বিষয়টো উত্থাপন কৰে শ্ৰীমুনীন বৰকটকীয়ে। শ্ৰীযোগেশ দাস আৰু শ্ৰীবীৰেন বৰকটকীয়ে সংবাদপত্ৰৰ 'বিষয়-বস্তু নিৰ্বাচন: লেখক আৰু পাঠক' এই সম্পৰ্কে থৰচি মাৰি আলোচনা কৰে। শ্ৰীৰাধিকা-মোহন ভাগৱতীয়ে বাতৰি-কাকতত বিষয়-বস্তু উপস্থাপন-ৰীতি সম্পৰ্কে আলোচনা কৰি কয় যে একোটা সংবাদকে বিভিন্ন বাতৰি-কাকতে আৰোপ কৰা গুৰুত্ব অনুসাৰে কাকতত বিভিন্ন স্তম্ভ প্ৰকাশ কৰে। শ্ৰীধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীয়ে 'বাতৰি-কাকতত দৃষ্টিভঙ্গী' সম্পৰ্কে আলোচনা কৰে। ড° শ্ৰীউপেন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীলীলা গগৈয়ে অসমীয়া আখৰ-জোঁটনি আৰু আভিধানিক ৰূপৰ বিপৰ্য্যয় সম্পৰ্কে বিতংভাৱে আলোচনা আগবঢ়ায়। এই সকলৰ উপৰিও (সৰ্বশ্ৰী) ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, যতীন গোস্বামী, ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, লোকনাথ ভঁৰালী, সতীশ চৌধুৰী, নাৰায়ণ দাস, পদ্মপাটৰ দুৰ্গেশ্বৰ শৰ্মা, সত্যপ্ৰসাদ বৰুৱা, ড° নিৰ্মলপ্ৰভা বৰদলৈ, নগেন শইকীয়া, ৰজনীকান্ত দেৱশৰ্মা, যতীন্দ্ৰনাথ গোস্বামী আদিয়ে আলোচনাত অংশ গ্ৰহণ কৰে।

## সামৰণী উৎসৱ

২৫ ডিচেম্বৰৰ দিনা গধূলি শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মাৰ সভাপতিত্বত সামৰণী উৎসৱ অনুষ্ঠিত হয়। সভাত বিশিষ্ট অতিথি হিচাপে যোগ দিয়ে ৰাজ্যিক বিত্তমন্ত্ৰী শ্ৰীবিজয়চন্দ্ৰ শৰ্মাদেৱে। এই সভাতেই তেজপুৰ সাহিত্য সভা তথা তেজপুৰীয়া ৰাইজৰ হৈ তেজপুৰ সাহিত্য সভাৰ সভাপতি শ্ৰীগহনচন্দ্ৰ গোস্বামীদেৱে সভাপতি শ্ৰীশৰ্মাক সম্বৰ্ধনা জনায়। সভাত আদৰণী সমিতিৰ ফালৰপৰা শ্ৰীগহনচন্দ্ৰ গোস্বামী, শ্ৰীচন্দ্ৰধৰ গোস্বামী আৰু শ্ৰীনবীনচন্দ্ৰ কাথহাজৰিকাই ভাষণ দি অসমৰ বিভিন্ন প্ৰান্তৰপৰা গৈ লেখ-কশিবিৰত যোগ দিয়া ব্যক্তিসকলৰ শলাগ লয়।

অসম সাহিত্য সভাৰ ফালৰপৰা প্ৰধান সম্পাদক ড° শ্ৰীহেমন্তকুমাৰ শৰ্মাই লেখক-শিবিৰ কৃতকাৰ্য্য কৰি তোলাৰ কাৰণে অভ্যৰ্থনা সমিতি আলোচনা-চক্ৰত অংশগ্ৰহণকাৰী আৰু সমজুৱাক কৃতজ্ঞতা জ্ঞাপন কৰে।

লেখক-শিবিৰ উপলক্ষে তেজপুৰ সাহিত্য সভাই নিশা সাংস্কৃতিক সমাৰোহৰো আয়োজন কৰিছিল। তাত শ্ৰীনবীনচন্দ্ৰ কাথহাজৰিকাই ব্ৰজাৱলী ভাষাত ৰচনা কৰা 'দুঃশাসনৰ ৰক্তপান' নামৰ নাটখনি কৃতকাৰ্য্যতাৰে মঞ্চস্থ কৰা হৈছিল।

## পঞ্চম লেখক-শিবিৰ, শিৱসাগৰ

স্থান—শিৱসাগৰ নাট্যমন্দিৰ

১৪,২৫ অক্টোবৰ ১৯৭৭ চন

সঞ্চালক—(১) ড° শ্ৰীমহেন্দ্ৰ বৰা

(২) অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মা

প্ৰধান সম্পাদক—শ্ৰীআব্দুছ ছাত্তাৰ

অসম সাহিত্য সভাৰ আয়োজন কৰা এই লেখক-শিবিৰে শিৱসাগৰ নগৰত সাহিত্যৰ উছৱমুখৰ পৰিবেশ সৃষ্টি কৰিছিল। স্থানীয় অভ্যৰ্থনা সমিতিৰ নেতৃত্ব কৰিছিল শ্ৰীইমৰান ছাহে আৰু তেওঁৰ সতীৰ্থসকলে।

### উদ্বোধনী অনুষ্ঠান

১৪ তাৰিখে বাতিপুৱা উছৱৰ পাতনি মেলে ড° শ্ৰীমহেশ্বৰ নেওগে শিৱসাগৰ নাট্যমন্দিৰৰ চৌহদত অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে। তাৰ পিছতেই অভ্যৰ্থনা সমিতিয়ে যুগুত কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰে শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে এই স্মৃতিগ্ৰন্থৰ সংকলক আৰু সম্পাদক শ্ৰীনাহেন্দ্ৰ পাদুন।

এই সভাৰ পৌৰোহিত্য কৰে ড° নেওগেই। সেইদিনাই ৰাতিপুৱা ন বজাৰ আগে আগে ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ সভাপতিত্বত আৰম্ভ হোৱা এই লেখক-শিবিৰ উদ্বোধন কৰে কলিকতা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰ অধ্যাপক ড° শ্ৰীআশুতোষ ভট্টাচাৰ্য্যদেৱে।

ড° ভট্টাচাৰ্য্যই সাহিত্যৰ ইতিহাস প্ৰণয়নৰ ত্ৰুটী সম্পৰ্কত বিস্তাৰিতভাবে বৰ্ণনা কৰি কয় যে কোনো সাহিত্যই এটা যুগৰ সাহিত্য নহয়। এটা যুগৰপৰা আন এটা যুগলৈ যি বিৰাট পৰিবৰ্তন সাধিত হৈছে, সেই পৰিবৰ্তনৰ লগত ইতিহাস প্ৰণেতাই নিজকে একাত্ম কৰি নিব নোৱাৰালৈকে আৰু সাহিত্যৰ বিভিন্ন বিভাগত বিশেষজ্ঞ হৈ নুঠালৈকে তেওঁ পূৰ্ণাঙ্গ ইতিহাস প্ৰণয়ন-অধিকাৰ পোৱা উচিত নহয়। সাহিত্যৰ ইতিহাসত লোক-সাহিত্যত যথাযোগ্য স্থান বা স্বীকৃতি নিদিয়াত তেওঁ আক্ষেপ কৰি কয় যে প্ৰচুৰ উপাদান থকা লোক-সাহিত্যৰ সলনি আমি বিদেশৰপৰা ধাৰ কৰা বস্তুৰে আমাৰ সাহিত্য সমৃদ্ধ কৰিবলৈ যত্নপৰ হৈছোঁহক। তাৰ ফলত আমি জাতীয় সাহিত্য সৃষ্টিৰপৰা বঞ্চিত হৈছোঁ। বাহিৰক জনোৱাৰ উদ্দেশ্যে ইংৰাজীত ইতিহাস প্ৰণয়নৰ তেওঁ বিপৰীতে অভিমত পোষণ কৰে। সাহিত্যৰ ইতিহাসত জাতিৰ চিন্তা ভাবনা, চৰিত্ৰৰ সন্ধান থাকিব। তাকে কৰিবলৈ জীৱনৰ গভীৰৰ পৰা গভীৰতমলৈ সোমাই গৈ জাতীয় সাহিত্যৰ সৃষ্টি কৰিব লাগিব। তেওঁ অসমৰ লোক-সঙ্গীত অতি চহকী বুলি ভূয়সী প্ৰসংসা কৰে। সভাপতি ড° শৰ্মাই অসমীয়া সাহিত্যপুৰ্ণাঙ্গ ইতিহাস প্ৰণয়নৰ সমস্যা সম্পৰ্কত উদাহৰণ সহ ব্যাখ্যা দাঙি ধৰে।

## প্ৰথম অধিবেশন

এই দিনাৰ আলোচনাত বিষয় আছিল 'অসমীয়া' সাহিত্যৰ বুৰঞ্জী অধ্যয়নৰ সমস্যা আৰু তাৰ দান। লেখক-শিবিৰৰ আলোচনা চক্ৰৰ প্ৰথম অধিবেশনত অংশ গ্ৰহণকাৰী প্ৰায় সৰহখিনিয়ে অসমীয়া

সাহিত্যৰ পূৰ্ণাঙ্গ ইতিহাস প্ৰণয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সঞ্চালক শ্ৰীমহেন্দ্ৰ বৰাকে মুখ্য কৰি আলোচনাৰ পাতনি তৰোঁতা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মা, আলোচনাৰ মোখনি মাৰোতা ড° মহেশ্বৰ নেওগ সকলোৱেই বৰ্তমানলৈকে প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীক ইতিহাসৰ প্ৰকৃত অৰ্থত গ্ৰহণ কৰিব নোৱাৰি বুলি মত প্ৰকাশ কৰে। তেওঁলোকে ইতিহাসত কিতাপৰ বৰ্ণনাৰ সলনি কিতথানৰ অন্তৰালত থকা জাতিটো, তাৰ ভাব, তাৰ চৰিত্ৰ প্ৰকাশ থকাটো বিচাৰে। ইতিহাসৰ প্ৰধান কাম সময়ৰ পৰিবৰ্তনৰ বিচাৰ কৰাটোহে হ'ব লাগে বুলি তেওঁলোকে ঐক্যমত প্ৰকাশ কৰে। তেওঁলোক সকলোৱেই নতুন দৃষ্টিভঙ্গীৰে বৈজ্ঞানিক-ভাৱে প্ৰণয়ন কৰা এখন অসমীয়া সাহিত্যৰ পূৰ্ণাঙ্গ ইতিহাস বাঞ্ছা কৰে।

## দ্বিতীয় অধিবেশন

এই দিনৰ আলোচনাৰ অংশগ্ৰহণকাৰীসকল আছিল—শ্ৰীতীৰ্থনাথ শৰ্মা, ড° শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ড° শ্ৰীহেমন্ত কুমাৰ শৰ্মা, শ্ৰীনগেন শইকীয়া, ড° শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা প্ৰভৃতি। চক্ৰ পৰিচালনা কৰিছিল ড° শ্ৰীমহেন্দ্ৰ বৰাদেৱে।

লেখক-শিবিৰৰ "বৰ্তমান স্কুলীয়া পাঠ্যপুথিৰ সমস্যা আৰু মান" শীৰ্ষক দ্বিতীয় দিনাৰ আলোচনাত অংশগ্ৰহণকাৰী বক্তাসকলৰ সৰহখিনিৰে ভাষণৰ মূল কথা হ'ল যে অসমৰ পাঠ্যপুথিসমূহ যথেষ্ট কঠিন আঁসোৱাহযুক্ত আৰু ইংৰাজীৰ বাহিৰে আন কোনো পাঠ্যপুথি নিৰ্ভুলভাৱে ছপা হোৱা নাই। সেই কাৰণে সকলোবোৰ কিতাপৰে পুনৰ পৰীক্ষা হব লাগে। শিৱসাগৰ নাট্যমন্দিৰৰ পৰিপূৰ্ণ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই আলোচনা চক্ৰত সভাপতিত্ব কৰি ড° মহেশ্বৰ নেওগে কয় যে আজিকালি প্ৰকাশ হোৱা পাঠ্যপুথিবিলাকত পানীন্দ্ৰ নাথ গগৈৰ কিতাপত পোৱাৰ দৰে আবেদন নাই। পাঠ্যক্ৰমৰ লগত

পাঠ্যপুথিৰ সঙ্গীত নাৰাখি, ছাত্ৰৰ বয়সৰ প্ৰতি দৃষ্টিপাত নকৰি যধেমধে জটিল কৰি প্ৰণয়ন কৰা পাঠ্যপুথিবিলাকে শিক্ষাজগতত যি এক খেলিমেলিৰ সৃষ্টি কৰিছে যি সমগ্ৰ জাতিটোক ধ্বংস পথলৈ ঠেলি দিছে। শিক্ষা জগতৰ এই খেলিমেলিৰ কাৰণে তেওঁ শিক্ষা বিভাগৰ উৰ্ধতন মহলকে জগৰীয়া কৰি এই বিষয়ত চকু দিবলৈ কয়।

এই দিনাৰ আলোচনা-চক্ৰৰ সঞ্চালক শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে স্পষ্ট ভাষাৰে কয় যে বৰ্তমান পাঠ্যক্ৰম ছাত্ৰৰ বাবে এক বব নোৱাৰা বোজা হৈ পৰিছে। সেই দেখি তেওঁ বয়স আৰু বুদ্ধিবৃত্তি অনুসৰি পাঠ্যপুথি ৰচনা কৰিবলৈ পৰামৰ্শ দিয়ে।

একেটা শ্ৰেণীৰে পাঠ্যপুথিসমূহৰ ভাষাৰ মান বিভিন্ন হোৱাত তেওঁ আশ্চৰ্য্য প্ৰকাশ কৰে। তেওঁ পাঠ্যপুথিৰ কঠিনতা সম্পৰ্কত আক্ষেপৰ সুৰত কয় যে ইংৰাজী মাধ্যম থাকোঁতে যিমান সহায়িকা ওলাইছিল

মাধ্যমিক শিক্ষা বৰ্ডৰ অধ্যক্ষ শ্ৰীদণ্ডেশ্বৰ গগৈদেৱে তথ্যপূৰ্ণ ভাষণত কয় যে পাঠ্যক্ৰমৰ লগত পাঠ্যপুথিৰ নিবিড় সম্পৰ্ক আছে আৰু পাঠ্যপুথিৰ মানদণ্ড ভাল নহলে শিক্ষাৰ মানদণ্ড কেতিয়াও ভাল নহয়।

নতুন শিক্ষা নীতি প্ৰবৰ্তনৰ কাৰণে মাধ্যমিক বৰ্ডে খৰ-খেদাকৈ সিদ্ধান্ত গ্ৰহণ কৰাত বিৰূপ অভিমত প্ৰকাশ কৰি তেওঁ কয় নিম্নমানৰ পাঠ্যপুথিকে চলাই দিয়া হ'ল। তেওঁ পাঠ্যপুথি প্ৰকাশন-নিগমৰ পাঠ্যপুথিৰ মানদণ্ড উন্নত কৰণৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শৱলী দাঙি ধৰি সেই অনুক্ৰমে পাঠ্যপুথি সংশোধন তথা পুনৰ মূল্যায়নৰ বাবে আহবান জনায়।

অসম পাঠ্যপুথি প্ৰকাশন আৰু গৱেষণা পৰিষদৰ সঞ্চালক শ্ৰীমহিমচন্দ্ৰ তাকলুদাৰে পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাৱলী দাঙি ধৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সচিব শ্ৰীলীলা গগৈয়ে পাঠ্যপুথিবিলাকত বিশেষকৈ চৰকাৰী মঞ্জুৰী নোপোৱা কিতাপবিলাকতে নানা ধৰণৰ খুত আছে বুলি অভিযোগ তুলি কয় যে পাঠ্যপুথি প্ৰস্তুত কৰিবলৈ এটা

গৱেষণা বিভাগ লাগে। তেওঁ নিগমৰ হাতত থকা কিতাপসমূহ পুনৰ পৰীক্ষাৰ দাবী কৰি ভাষা আৰু বিষয়ৰ ওপৰত কর্তৃত্ব থকা লোকক পাঠ্যপুথি লিখিবলৈ দিব লাগে বুলি পৰামৰ্শ দিয়ে। আন এজন অংশগ্রহণকাৰী শ্ৰীলক্ষ্মীনন্দন বৰাই পাঠ্যপুথিৰ লেখক সৃষ্টি হ'ব লাগে বুলি মত পোষণ কৰি কয় যে পাঠ্যপুথিত সমসাময়িক সময় বা যুগৰ চিন্তা প্ৰতিফলিত হ'ব লাগে।

পাঠ্যপুথি সম্পৰ্কীয় গভীৰ আলোচনাত নিমগ্ন হৈ পৰা শ্ৰোতা-মণ্ডলীক অংশগ্ৰহণকাৰীসকলে বিভিন্ন পাঠ্যপুথিৰপৰা দিয়া হাস্যস্কৰ উদ্ধৃতিয়ে, বিশেষকৈ শ্ৰীৰজনীকান্ত দেৱশৰ্মাৰ ব্যঙ্গ উক্তিয়ে শ্ৰোতাক আনন্দ দিছিল। আলোচনাত (সৰ্বশ্ৰী) যতীন গোস্বামী, প্ৰিয়দাস তালুকদাৰ, তৰুণচন্দ্ৰ পামেগাম, বীৰেন বৰকটকী, প্ৰফুল্ল দত্ত আদিয়ে অংশ গ্ৰহণ কৰে।

সন্ধ্যা নাট্যমন্দিৰত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পিছত শিৱসাগৰ যুৱ দলে 'ৰামবিজয় নাট' পৰিৱেশন কৰে।

এই উপলক্ষে অভ্যৰ্থনা সমিতিৰ সৌজন্যত বকুলবনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা সভাপতিত্বত কবি-সম্মিলন অনুষ্ঠিত হয়।

# লেছোঁৰবোটলা

## কাৰ্য্য-নিৰ্বাহক সমিতিৰ প্ৰথম কাৰ্য্য-বিৱৰণি

অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহক সভাৰ অধিৱেশন

সময় • ২০-২-১৯১৮, গধূলি ৭½ বজাত

ঠাই : শ্ৰীযুত কুলধৰ চলিহাৰ ঘৰ

উপস্থিত : শ্ৰীযুত কুলধৰ চলিহা, শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শ্ৰীযুত পূৰ্ণানন্দ শৰ্মা ( লোকৰ-দ্বাৰা by proxy ) সম্পাদক, আৰু সহকাৰী সম্পাদক।

আসাম সাহিত্য সভাৰ নিয়মাৱলী আৰু ছপাৰ খৰচ সভাৰপৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হ'ল।

( সৰ্বসম্মতিক্ৰমে গৃহীত )

সভাৰ সম্বন্ধে পোৱা টকা স্বীকাৰ কৰিবৰ নিমিত্তে ১০০০ ( এক হাজাৰ ) ৰচিদ ছপা কৰিবলৈ আৰু ছপাৰ খৰচ সভাৰপৰা নিৰ্বাহ কৰিবলৈ সম্পাদকক ক্ষমতা দিয়া হ'ল। ( সৰ্বসম্মতিক্ৰমে গৃহীত )

ৰেভাৰেণ্ড এছ অ' দি বগ্‌ছ্‌ আৰু ৰেভাৰেণ্ড চি, এইছ, টিলদেন্‌ চাহাবক এই সভাৰ সভ্য কৰি লোৱা হক।

প্ৰস্তাৱক—শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, সমৰ্থক—শ্ৰীযুত দেৱেশ্বৰ শৰ্মা আৰু সৰ্বসম্মতিক্ৰমে গৃহীত। শ্ৰীদেৱেশ্বৰ শৰ্মা,

সহকাৰী সম্পাদক

২০-২-১৯৭৮

**কাৰ্য্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিবেশন ( ২৫-৪-১৯১৮ ) যোৰহাট সাহিত্য সভাক শাখা-সভাৰূপে স্বীকৃতি দিয়ে। এই বছৰতে গুৱাহাটীৰ** অ. ভা. উ. সা. **সভা (৮-৬-১৯১৮) তেজপুৰৰ, অ. ভা.** উ **সা. সভা (১৩-৯-১৯১৮), উত্তৰ লক্ষীমপুৰ সাহিত্য সভা (১৩-৯-১৯১৮),**

নাজিৰা সাহিত্য সভা (১৩-৯-১৯১৮), শিৱসাগৰ সাহিত্য সভা (১৩-৯-১৯১৮), গৌৰীপুৰ সাহিত্য সভা (২৬-৯-১৮), গোলাঘাট সাহিত্য সভা (২৬-৯-১৮) আৰু মঙলদৈ সাহিত্য সভাক (২৬-৯-১৮) শাখাসভাৰূপে আৰু শিৱসাগৰৰ বিমলালয় সভা আৰু ডিব্ৰুগড় সাহিত্য সভাক স্বীকৃত সভাস্বৰূপে স্বীকৃতি দিয়া হয়। ১৯২১ চনলৈকে মুঠ ১৬খন শাখা সাহিত্য সভা গঠন হয়। ইয়াৰ উপৰিও গুৱাহাটী অ. ভা. উ. সা সভাৰ সভ্য ৮৭ জন, যোৰহাট সাহিত্য সভাৰ ৬৬ জন, শিৱসাগৰ সাহিত্য সভাৰ ৪৭ জন সভ্য।

## হিতৈষী আৰু আজীৱন সভ্য

ডিব্ৰুগড়ত অনুষ্ঠিত ৬ষ্ঠ সম্মিলনৰ নিয়মাৱলীৰ গঠন ৫ম ছেদত স্থায়ী সভ্য অন্তৰ্ভুক্ত হয়। ১৯২৪ জনৰ ২৭ ডিচেম্বৰ তাৰিখে গুৱাহাটীত বহা সভাৰ সপ্তম সম্মিলনৰ তৃতীয় দিনা (২১ ডিচেম্বৰ) মুকলি অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, কালাৰাম মেধি, ঈশ্বৰপ্ৰসাদ বৰুৱা, গঙ্গাৰাম চৌধুৰী—এইসকলে স্থায়ী সভ্য হ'বলৈ প্ৰতিশ্ৰুতি দিয়ে। সেইমতে তেখেতসকল সভাৰ আজীৱন সভ্য। কিন্তু এখেতসকলৰ আগতে শিৱসাগৰ। তাৰাপ্ৰসাদ চলিহা (৮.১.১৯) লক্ষ্মীনাথ বেজবৰুৱা (২১.১.২৫), নন্দেশ্বৰ চক্ৰৱৰ্তী (১৮.৬.২৫), ঈশ্বৰপ্ৰসাদ বৰুৱা (১৮.৬.২), গঙ্গাৰাম চৌধুৰী (২৮.৭.২৫) জিতেন্দ্ৰ কুমাৰ দাস (২৮.৭.২৫), ৰজনীকান্ত বৰদলৈয়ে (২৬.১১.২৫) ক্ৰমে স্থায়ী সভ্যৰূপে স্বীকৃতি লাভ কৰে।

ডিব্ৰুগড়ত অনুষ্ঠিত ষষ্ঠ সম্মিলনৰ (গ) সভাৰ গঠন ৯ম বিধিত হিতৈষী সভ্য অন্তৰ্ভুক্ত কৰা হয়। "...কাৰ্য্যনিৰ্বাহক সভাই যি কোনো বিশিষ্ট ব্যক্তিক বিশেষ বিবেচনা কৰি সভাৰ হিতৈষী (patron) ভুক্ত কৰি ল'ব পাৰিব।" সভাৰ সপ্তম সম্মিলনৰ পঞ্চম

প্ৰস্তাৱমতে ৰাধাকান্ত সন্দিকৈ আৰু ৰাধাকান্ত গোস্বামীক হিতৈষী সভ্য মনোনীত কৰা হয়।

## অভ্যৰ্থনা সমিতি

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা যুগত মূল সভাৰ দৰে সেই সময়ৰ অভ্যৰ্থনা সমিতিবোৰ শকতআৱত নাছিল। অভ্যৰ্থনা সমিতি-বিলাকে টোটকনাটক কৰি নিয়াৰিকৈ বছেৰেকীয়া অধিবেশন পাতি নিজৰ কৰ্তব্য সম্পন্ন কৰিছিল। কেতিয়াবা সামান্য ৰাহি হলেও তাৰ সদ্ব্যৱহাৰ কৰিছিল। প্ৰথম বৰপেটা অধিবেশনৰ হিচাপৰ বহীত হোকা-চিলিমৰ খৰচ পৰ্য্যন্ত উল্লেখ থকা দেখা গৈছে।

সঞ্জীৱনী যুগত মূল সভাৰ গালৈ তেজ-পানী আহিল। অভ্যৰ্থনা সমিতিবিলাকো সেই অনুপাতে টনকিয়াল হৈ পৰিছিল আৰু অধিবেশন সমাপ্ত হোৱাৰ পিছত ৰাহি ধনৰ উচিত বণ্টন কৰা হৈছিল বুলি কব পাৰি। এই যুগৰ শেষৰ নগাও অধিবেশনত কিন্তু অভ্যৰ্থনা সমিতিয়ে জোখাৰে ধন তুলিব পৰা নাছিল। ৰাজ্যিক চৰকাৰৰপৰা প্ৰদৰ্শনীৰ বাবে পাবলগীয়া দহহেজাৰ টকাৰ অনুদান শেষ মুহূৰ্ত্তো হাতত নপৰাত অভ্যৰ্থনা সমিতি বৰ বিপাঙত পৰিছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি মহীচন্দ্ৰ বৰা ডাঙৰীয়াই নিজৰ ঘৰ-মাটি বন্ধকত ৰাখি ধাৰলৈ ধন লৈ দৰ্শক-প্ৰতিনিধিক নিৰামিষ ভোজন কৰাই হলেও নিয়াৰিকৈ অধিবেশন সম্পন্ন কৰিছিল; অৱশ্যে সভাৰ অন্তত চৰকাৰী অনুদান হাতত পৰাত বৰা ডাঙৰীয়াৰ ঘৰ-মাটি ঋণমুক্ত হয়। বৰা ডাঙৰীয়াৰ এই অসম সাহিত্য সভা হিতৈষিণা নিশ্চয় প্ৰশংসাৰ যোগ্য।

বৰ্ত্তমানে বিস্তাৰ যুগত অসম সাহিত্য সভাৰ গা-গাৰি শকত হৈ অহাৰ লগে লগে অভ্যৰ্থনা সমিতিবিলাকো পথালিকোমোৰাৰ দৰে বাঢ়ি অহা দেখা গৈছে। মহাদেউৰ ধনেৰে কুবেৰ ভঁৰালী হোৱাৰ দৰে ৰাইজ আৰু ৰাজ্য-চৰকাৰৰ ধনেৰে পৰিপুষ্ট কোনো কোনো

অভ্যৰ্থনা সমিতিয়ে সময়মতে পৰীক্ষিত হিচাপ দাখিল নকৰাটো মন কৰিবলগীয়া কথা। এই সম্পৰ্কত মূল সভাৰ অভ্যৰ্থনা সমিতিৰ ওপৰত বিশেষ কিবা নিয়ন্ত্ৰণ আছে বুলি কব পৰা নেযায়। বাৰ্ষিকী ছপাবলৈ কেইহেজাৰমান টকা পালেই যেন আশুতোষ মূল সভা সন্তুষ্ট হয়। অভ্যৰ্থনা সমিতিয়ে ছপা কৰা গ্ৰন্থ, ৰাহি হোৱা ধন আদি আৰ্জিত সম্পত্তিৰ গৰাকী কোন হয় কোনেও নেজানে। বৰ্তমানে আমাৰ ৰাজহুৱা জীৱনৰ সকলো স্তৰতে দুৰ্নীতিয়ে পোখা মেলাৰ দৰে সাহিত্য সভাৰ সকলোবিলাক নহলেও কোনো কোনো অভ্যৰ্থনা সমিতিয়ে ধনৰ অপব্যৱহাৰ কৰাটো আৰু মূলসভা নিৰ্বিকাৰ বম্‌ভোলা হৈ থকাটো দেখ দেখ কথা।

"সেৱকে যদি কৰি কৰে অপকাৰ,
অপযশে পায় স্বামীক তাৰ।"

গতিকে 'স্বামী' অসম সাহিত্য সভা সাৱধান'। পৰোক্ষভাবে হলেও দুৰ্নীতিক প্ৰশ্ৰয় দি যেন বাটৰ কচু গাত ঘঁহি লোৱা নহয়।

## জিলা সাহিত্য-পৰিষদ

স্বীকৃতিপ্ৰাপ্ত নহলেও নৱজাত জিলা সাহিত্য-পৰিষদ কেইখনক অসম সাহিত্য সভাৰেই বৈধ সন্তান বুলি কব পৰা যায়। একে জাত, একে মাত, একে প্ৰতীক, একে নিচান তথাপি ৰহাৰ ৰহদৈ, টিপামৰ ভাদৈ, শলগুৰিৰ আঘোণী বাই—সম্বন্ধত একোটা নাই। এই জিলা সাহিত্য-পৰিষদৰ কোনোখন চালুকীয়া হৈছে, কোনোখন পানীকেচুৱা আৰু কোনোখনে উপজি কলপাতত পৰাৰ পিছতেই চকু মুদিছে।

এতিয়ালৈয়ে পুথি-প্ৰকাশৰ ক্ষেত্ৰত কামৰূপ সাহিত্য-পৰিষদে আৰু সংগঠনৰ ক্ষেত্ৰত ডিব্ৰুগড় সাহিত্য-পৰিষদে আশাৰ বেঙনি দেখুৱাইছে। উচিত বাটেৰে গলে আৰু ভাল আগদাল পালে

এই পৰিষদ কেইখনৰপৰা ভালেখিনি আশা কৰিবৰ থল আছে। ৰামকৃষ্ণ মিছন আৰু খৃষ্টীয় যাজকসমাজ আদিৰ দৰে সেৱাৰ মনোবৃত্তিৰে নিজ নিজ অঞ্চলত নিষ্ঠাৰে কাম কৰিলে এই সাহিত্য-পৰিষদ কেইখনে সংগঠন, (বিশেষকৈ পমুৱা, বহুৱা আৰু জনজাতীয় অঞ্চলত) আৰু সংহতিৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ শাখাসভাবোৰৰ লগত হাত ধৰাধৰি কৰি কাম কৰি গলে দেশৰ আৰু জাতিৰ নথৈ উপকাৰ হব।

অসম সাহিত্য সভাৰ সুবিশাল পৰিসৰৰ মাজত কেনেভাৱে কতো আউল নলগাকৈ এই সাহিত্য-পৰিষদবোৰক সহঅবস্থানৰ ভেটিও সামৰি লব পাৰি, সেই সম্পৰ্কে খুতিনাতি মাৰি বিভিন্ন দিশৰপৰা চিন্তা কৰি চাই যথোচিত ব্যৱস্থা লব ৰসময় হৈছে।

## অসম সাহিত্য সভা আৰু একাডেমী

কেন্দ্ৰীয় সাহিত্য একাডেমী, সঙ্গীত-নাটক একাডেমী, ললিত-কলা একাডেমী আৰু ৰাজ্যিক অসম একাডেমীৰ লগত অসম সাহিত্য সভাৰ পোনপটীয়া সম্পৰ্ক একো নাই, তথাপি পৰস্পৰৰ মাজত সহঅৱস্থানমূলক প্ৰীতিৰ সম্পৰ্ক নথকা বুলি কব নোৱাৰি।

সাহিত্য একাডেমীৰ প্ৰতিষ্ঠা কালতে অসমতো ইয়াৰ শাখা স্থাপন কৰাৰ প্ৰশ্ন উঠিছিল আৰু একাডেমীৰ অসমৰ উপদেষ্টা-সমিতিত সেই বিষয়ে আলোচনাও হৈছিল। সেই সময়ত উপদেষ্টা-সমিতিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, ড° বাণীকান্ত কাকতি, ড° সূৰ্য্যকুমাৰ ভূঞা প্ৰমুখ্যে সদস্যসকল আছিল। উপদেষ্টা-সমিতিৰ সচিব ড° বিৰিঞ্চি-কুমাৰ বৰুৱাই এই বিষয়ে মত বিচৰাত শ্ৰদ্ধেয় সন্দিকৈ ডাঙৰীয়াই কলে বোলে অসম সাহিত্য সভা থাকোঁতে ইয়াত আন এখন অসম সাহিত্য সভাৰ সমান্তৰাল অনুষ্ঠানৰ একো প্ৰয়োজন নাই। আমি সকলোৱে সেই কথাতে হয়ভৰ দিয়াত দিল্লীৰপৰা অহা পৰামৰ্শ সিমানতে তল পৰিল।

তাৰ পিছতে অৱশ্যে ড° বিৰিঞ্চিকুমাৰ বৰুৱাই তেওঁৰ আগচোতালত লগৰীয়া জনচেৰেক বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু সাহিত্যিকক লৈ ৰাজ্যিক পৰ্য্যায়ৰ অসম একাডেমী গঠন কৰিলে, চৰকাৰী অনুদান আনিলে, সুকীয়া মাটি-ঘৰ কৰিলে। এই একাডেমীৰ কাৰ্য্যপৰিসৰ সীমিত আৰু গুৱাহাটীতে আৱদ্ধ। আজিও ইয়াৰ জীৱন-বন্তি টিমিকঢামাককৈ জ্বলি আছে।

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা যুগত সাহিত্যৰ লগত সংস্কৃতিৰ অতি ক্ষীণ সম্পৰ্কহে আছিল। বছেৰেকীয়া অধিবেশন উপলক্ষে স্থানীয়ভাৱে একোখন নাট্যাভিনয়ৰ দিহা কৰা হৈছিল আৰু অধিবেশনৰ কাৰ্য্যসূচীৰ মাজে মাজে গীত দিয়া হৈছিল ইমানেই।

সঞ্জীৱনী যুগত সাহিত্যৰ লগত সংস্কৃতিয়ে ফেৰ পাতিলে। ইয়াৰ ভিতৰতে অৱশ্যে অসম সঙ্গীত-নাটক একাডেমীৰ সৃষ্টি হোৱাত সংস্কৃতিয়ে এখন সুকীয়া আহলবহল অৱস্থানৰ ক্ষেত্ৰ লাভ কৰিছিল। এই একাডেমীৰ প্ৰতিষ্ঠাত্ৰী বিজনীৰ ৰাণী সবিতা দেৱীৰ বিয়োগৰ পিছত সুদক্ষ পৰিচালকৰ অভাৱত অসম সঙ্গীত-নাটক একাডেমীৰ অপমৃত্যু ঘটিল আৰু তাৰ ফলত বিস্তাৰ যুগৰ সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশবোৰত সংস্কৃতি-সমাৰোহ এৰিবও নোৱাৰা ধৰিবও নোৱৰা ভালুকৰ সাঙীৰ দৰে হৈছে। কোনো কোনো সময়ত সংস্কৃতিয়ে সাহিত্যৰ উশাহ-নিশাহ লব নোৱাৰা অৱস্থা উদ্ভৱ কৰাও দেখা গৈছে। সহযোগী মনোভাবেৰে সাহিত্যিক আৰু শিল্পীয়ে হাত ধৰাধৰি কৰি আগবাঢ়ি যোৱাটো আমি বাঞ্ছনীয় বুলি ভাবোঁ।

## বিশ্বকোষ

১৯৫৮ চনতে পদ্মধৰ চলিহাৰ সভাপতিত্বত তিনিচুকীয়াত অনুষ্ঠিত অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনত গৃহীত হোৱা এটা প্ৰস্তাৱত কোৱা হৈছিল যে অসমীয়া সাহিত্যত বিশ্বকোষ

এখনৰ অভাৰত জাতীয় সাহিত্যৰ অবয়ব এতিয়াও অসম্পূৰ্ণ, সেই কাৰণে অসম সাহিত্য সভাই এখন অসমীয়া বিশ্বকোষ প্ৰণয়ন কৰিবলৈ সিদ্ধান্ত লয়।

ইয়াৰ পিছতো কেইবছৰমান অসম সাহিত্য সভাৰ বছেৰেকীয়া কাৰ্য্যক্ৰমণিকাত 'বিশ্বকোষ'ৰ স্থান আগত আছিল। সভাই ৰাজ্যিক চৰকাৰলৈ প্ৰস্তাৱ, আঁচনি আৰু ধনৰ বাবে খাটনি ধৰি আছিল। অসম সাহিত্য সভাৰ বাবে বিশ্বকোষ প্ৰণয়ন আৰু প্ৰকাশ কৰাটো আৰ্থিক ফালৰপৰা দাঙিব নোৱৰা শিলৰ দৰে এক দুৰ্বহ বোজা বিবেচিত হলেও, এই সম্পৰ্কে চেষ্টা চলাই থকা হৈছিল। অৱশেষত ৰাজ্যিক চৰকাৰে অসম প্ৰকাশন-পৰিষদৰ যোগেদি বিশ্বকোষ উলিয়াবলৈ সিদ্ধান্ত লোৱাত অসম সাহিত্য সভাই সকাহ লভিলে।

আনবোৰ ভাৰতীয় ভাষাত ইতিমধ্যে বিশ্বকোষে ছপাৰ পোহৰ দেখা পালেই, কিন্তু অসম প্ৰকাশন-পৰিষদে বছৰৰ পিছত বছৰ পাৰ হৈ যোৱা সত্বেও আৰু লক্ষাধিক টকা খৰচ হৈছে যদিও এতিয়ালৈকে অলপো আশাৰ ৰেঙণি দেখুৱাব পৰা নাই। যি-সকলৰ ওপৰত ভাগে ভাগে এই গুৰু দায়িত্বৰ ভাৰ দিয়া হৈছে, যাইকৈ সেইসকলৰ কেবাজনৰো সোপাটিলা কামৰ বাবে হেনো এই লাখটকীয়া বিশ্বকোষৰ আঁচনি উমনিতে ঘোলা হবৰ উপক্ৰম হৈছে। ঘুন্নুকঘানাককৈ শুনা গৈছে বোলে পৰিষদৰ ভিতৰ-চ'ৰাত ইতিমধ্যে বিশ্বকোষ-প্ৰণয়নৰ কাম পৰিহাৰ কৰাৰ পৰিস্থিতি উদ্ভৱ হৈছে। শুনা কথা সঁচা হলে সকলোৰে পক্ষে ই অতি পৰিতাপ আৰু লাজৰ কথা হব নিশ্চয়। শক্তি আৰু অৰ্থৰ এনেদৰে বিৰাট অপচয় কৰাটো এক অমাৰ্জনীয় অপৰাধ। ইয়াৰ পিছত ?

## সানমিহলি

অসম সাহিত্য সভাৰ তিনিকুৰিবছৰীয়া জীৱন-কালত অনেক সুকীৰ্তি লিপিট খাই আছে। সেইবোৰৰ কিছুমান ইতিমধ্যে

স্মৃতিপটৰপৰা মচ খাই গৈছে। অকীৰ্তিও নিশ্চয় আছে। সেইবোৰ খুচৰি উলিয়াই শুকানমুখীয়া ঘাত লোণ চটিয়ালে অপকাৰৰ বাহিৰে কাৰো একো উপকাৰ নহয়। সেইবোৰ ভবিষ্যতৰ বাবে শিকনি বুলিহে ধৰি লব লাগে।

অসম প্ৰকাশন-পৰিষদ, ৰবীন্দ্ৰ-ভৱন আদি অসম সাহিত্য সভাৰ পৰোক্ষ প্ৰচেষ্টাৰ ফল বুলি এই গ্ৰন্থৰ যথাস্থানত বিবৃত কৰি অহা হৈছে। শৰাইঘাট সাঁকো, ঢেকিয়ালফুকন সাঁকো আদি স্থাপনতো অসম সাহিত্য সভাই প্ৰস্তাৱ লৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা সম্পৰ্কতো অসম সাহিত্য সভাই মাত মাতিছিল। অসম সাহিত্য সভাই শতাধিক সৰু-বৰ গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰিবলৈকো যথাসাধ্যে চেষ্টা কৰি আহিছে। শতবাৰ্ষিকী, লেখক-শিবিৰ আদিও অসম সাহিত্য সভাৰ উল্লেখযোগ্য অৰিহণা।

অসম সাহিত্য সভা ৰাজনৈতিক অনুষ্ঠান নহয় অৰ্থাৎ ই ৰাজনীতিৰ খেল নেখেলে। সেয়ে হলেও ইয়াৰ ওপৰত যে সময়ে সময়ে ৰাজনীতিৰ প্ৰভাৱ পৰা নাই, তেনে কথাও কব নোৱাৰি। এই ৰাজনীতি অৱশ্যে ভাষা-সংস্কৃতিৰ আত্মৰক্ষাৰ নীতিহে। এই বিষয়তো অসম সাহিত্য সভাই কোনো দলীয় ৰাজনৈতিক অনুষ্ঠানৰ বহতীয়া নহৈ স্বতন্ত্ৰীয়াভাৱে ন্যস্ত স্বাৰ্থৰ বিৰুদ্ধে যুঁজি আহিছে ৰাজ্যভাষা আন্দোলন, শিক্ষাৰ মাধ্যম আন্দোলনত অসম সাহিত্য সভাৰ ভূমিকা জাকত জিলিকা হৈ আছে। কেবাটাও কেন্দ্ৰীয় আৰু ৰাজ্যিক-আয়োগৰ আগত সাক্ষ্যপ্ৰমাণ আৰু স্মাৰকপত্ৰ দাখিল কৰি অসম সাহিত্য সভাৰ সজাতী দলে সময়ে সময়ে উচিত কথাত মাত মাতি ধৰ্মৰ ডাক দিবলগীয়া হৈছে

বিস্তাৰ-যুগত ড° শ্ৰীমহেশ্বৰ নেওগ, হৰিপ্ৰসাদ নেওগ, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীনগেন শইকীয়া প্ৰমুখ্যে প্ৰধান সম্পাদকসকলৰ বছেৰেকীয়া প্ৰতিবেদনত সভাৰ কাম-কাজৰ বিতং বিৱৰণ লিপিবদ্ধ

হৈ আছে। এই দলিলসদৃশ প্ৰতিবেদনবোৰৰপৰা ৰূপলেখাত থপিয়াই থপিয়াই দুই একেষাৰ কথাহে লিখা হৈছে। সীমিত পৰিসৰত সকলো কথা সামৰি লব পৰা হোৱা নাই। ইচ্ছুকসকলে বাৰ্ষিকী-বোৰত চকু ফুৰাই চালেই বহু লাগতিয়াল কথা তলানলা মাৰি জানিব পাৰিব। এই প্ৰতিবেদনবোৰ স্বৰূপাৰ্থত অসম সাহিত্য সভাৰ প্ৰকৃত দলিল স্বৰূপ।

এই সম্পূৰ্ণ প্ৰতিবেদন আৰু বছেৰেকীয়া সভাত গৃহীত প্ৰস্তাবসামগ্ৰী গ্ৰন্থাকাৰে প্ৰকাশ কৰিলে শাখাসভাবোৰৰ কাৰণে লাগতিয়াল হাত-পুথি ( Hand-book ) বিবেচিত হব।

# মধুৰেণ সমাপয়েৎ

১৯৭৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত দুদিনীয়াকৈ যোৰহাটত অসম সাহিত্য সভাৰ হীৰক-জয়ন্তী প্ৰতিষ্ঠা দিৱস মহাসমাৰোহেৰে অনুষ্ঠিত হয়। এই সমাৰোহে সভাৰ তিনিকুৰিবছৰীয়া জীৱন-পুস্তিকাৰ শেষৰ অধ্যায়টোৰ সমাপ্তি ঘটায়। এই হীৰক-জয়ন্তী সমাৰোহৰ পৌৰোহিত্য কৰি সভাপতি আব্দুল মালিকে সভাৰ পতাকা উত্তোলন কৰি কাৰ্য্যসূচীৰ পাতনি মেলে। এই পবিত্ৰ উৎসৱ উপলক্ষে সভাই প্ৰকাশ কৰা গ্ৰন্থসমূহ উন্মোচন কৰে প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰে। আন এগৰাকী প্ৰাক্তন সভাপতি ড' শ্ৰীমহেশ্বৰ নেওগদেৱে স্মাৰক-বক্তৃতা প্ৰদান কৰে। বকুলবনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই কবিতা-কুঁৱৰীক সন্ধিয়া-মেললৈ সজাই-পৰাই আনে। সভাৰ প্ৰথম কাৰ্য্যনিৰ্বাহকৰ একমাত্ৰ জীৱিত সদস্য বাগ্মীবৰ শ্ৰীনীলমনি ফুকন ডাঙৰীয়ালৈ বিশেষ মাননি আগবঢ়োৱা হয়। আন আন প্ৰাক্তনসকলেও সভাৰ বটা-বাহন লাভ কৰে। প্ৰধান সম্পাদক আব্দুল ছাত্তাৰে হীৰক-জয়ন্তীৰ বৰ্ষফল সমজুৱা-সকলক অৱগত কৰায় এনেদৰে :

"১৯১৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখটো অসমীয়া জাতীয় জীৱন-বুৰঞ্জীত সোণালী আখৰেৰে লিখা এটা বিশেষ দিন। এই দিনটোতে বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ নগৰত জন্ম লাভ কৰিছিল অসম সাহিত্য সভাই। স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীকে ধৰি সেই সময়ৰ বিশিষ্ট সাহিত্যপ্ৰেমী ব্যক্তিৰ যি ত্যাগ আৰু পৰিশ্ৰম, তাৰ ফলতেই সভাই প্ৰতিষ্ঠা লাভ কৰিলে। সেইসকলক আজিৰ হীৰক-জয়ন্তীত কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। সেইসকলৰ কাৰণেই অসম সাহিত্য সভা আজি অসমীয়া সাহিত্য-সংস্কৃতি আৰু জাতীয়তাৰ বৃহৎ অনুষ্ঠান হৈ পৰিছে। ১৯১৭ চনত শিৱসাগৰত বহা প্ৰথম

অধিবেশনত প্ৰায় সাত-আঠ শ মানুহ গোট খাইছিল বুলি জনা যায়। এতিয়া বাৰ্ষিক অধিবেশনত মানুহ গোট খায় লাখৰ হিচাপত। অসম সাহিত্য সভাৰ ব্যাপকতা আৰু বিশালতা সম্পৰ্কে ইয়াৰপৰাই অনুভৱ কৰিব পাৰি।

তিনিকুৰি বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে হীৰক-জয়ন্তী উছৱ পাতিবৰ কাৰণে অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত কৰে ২৩।৩।৭৬ তাৰিখৰ বৈঠকত। সেয়েহে আজি সভাৰ হীৰক-জয়ন্তী উছৱ কেন্দ্ৰীয়ভাৱে যোৰহাটত পালন কৰা হৈছে।

এতিয়ালৈকে এই সভাখনে নানা আলৈ-আহুকাল আৰু দুৰ্য্যোগ অতিক্ৰম কৰি আজি ১৯৭৭ চনত যাঠিবছৰ পূৰ্ণ কৰিলে। সন্দেহ নাই, অসম সাহিত্য সভা অসমীয়া জাতিৰ একমাত্ৰ বৃহৎ জাতীয় অনুষ্ঠান। সাহিত্য সভাৰ যি সংগ্ৰাম আৰু সমস্যা সেয়া হৈছে অসমৰ সমস্যা আৰু অসমৰ সংগ্ৰাম। এই অনুষ্ঠানৰ ব্যাপকতা আৰু বিশালতা বুজাত সহজ হ'ব, যেতিয়া আমি দেখিম যে ১৯১৮ চনত অৰ্থাৎ সভা প্ৰতিষ্ঠা হোৱাৰ পিছৰ বছৰত যিখন সভাৰ শাখাসভাৰ সংখ্যা আছিল ১০ খন সেইখন সভাৰ আজি ১৯৭৭ চনত শাখাসভা হ'ল ৪৯২ খন আৰু স্বীকৃত সভা ১৮ খন। আজীৱন সভ্যৰ সংখ্যা সম্প্ৰতি ৮৪৪ জন আৰু অসম সাহিত্য সভাৰ মুঠ সভ্যসংখ্যা প্ৰায় ৪২ হেজাৰ।

১৯২৭ চনত সভাৰ প্ৰথম পুথি প্ৰকাশন আৰম্ভ হয়—"শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ"ৰে আৰু এই ১৯৭৭ চনৰ মাজভাগলৈকে প্ৰকাশিত পুথিৰ সংখ্যা হৈছে ১৪৮ খন। মুখপত্ৰ 'অসম সাহিত্য সভা পত্ৰিকা'ৰ জন্ম হয় ১৯২৬ চনত আৰু এতিয়া পত্ৰিকাই ৩৪ বছৰত ভৰি দিছে। অসম সাহিত্য সভাৰ ৬০ বছৰ পূৰ্ণ হ'লেও যুদ্ধকালীন আৰু যুদ্ধোত্তৰ অৱস্থাত আৰু নানা কাৰণে বছৰি সভা অনুষ্ঠিত নোহোৱাত এতিয়ালৈকে ৪৪ খন অধিবেশনহে অনুষ্ঠিত হৈছে।

গতিকে আজি অসম সাহিত্য সভাৰ ষাঠিবছৰীয়া হীৰক-জয়ন্তী উছৱহে পতা হৈছে। এই হীৰক-জয়ন্তী উপলক্ষে কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্তক্রমে তলত উল্লেখ কৰা প্ৰকাশনৰ ব্যৱস্থা কৰা হৈছে ঃ

১। **অসম সাহিত্য সভাৰ ৰূপলেখা ঃ** এই পুথিখনত অসম সাহিত্য সভাৰ জন্মৰপৰা এতিয়ালৈকে সকলো দিশৰ গৌৰৱোজ্জ্বল বুৰঞ্জী সন্নিৱিষ্ট হৈছে। এই পুথিখন যুগুত কৰিছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰথিতযশা সাহিত্যিক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে।

২। **অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা ঃ** ১৯২৭ চনৰপৰা ১৯৭৭ চনৰ মাজভাগলৈকে প্ৰকাশিত ১৪৮ খন পুথিৰ বিষয়-বস্তু সহ তালিকা। এই পুথিখন যুগুতাইছে সুসাহিত্যিক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱে।

৩। **অসম সাহিত্য সভাৰ সুবচনী ঃ** অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰপৰা চতুশ্চত্বাবিংশ অধিবেশনলৈকে সভাপতিসকলে দিয়া ভাষণৰ সংগৃহীত বাছকবনীয়া বাণী-উদ্ধৃতিৰ এইখন পুথি। এই পুথিখন সম্পাদনা কৰিছে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদক আব্দুছ ছাত্তাৰ আৰু শ্ৰীবসন্তকুমাৰ গোস্বামীয়ে।

৪। **অভিলেখ ঃ** এই পুথিখন হৈছে অসম সাহিত্য সভাৰ নথিপত্ৰসম্বলিত হীৰক-জয়ন্তীৰ স্মৰণিকা। পুথিখন সম্পাদনা কৰিছে প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদক-আব্দুছ ছাত্তাৰ আৰু শ্ৰীবসন্তকুমাৰ গোস্বামীয়ে।

৫। **অসম সাহিত্য সভাৰ 'শাখাসভাৰ পৰিচয়' ঃ** এইখন শাখাসভা, স্বীকৃত সভা আৰু আজীৱন সভ্যৰ পৰিচয় জ্ঞাপন পুথি। পুথিৰ সংকলয়িতা হৈছে প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰ।

এই উৎসৱতে আৰু তিনিখন পুথিৰ উন্মোচনৰ ব্যৱস্থা কৰা হ'ল।

১। **বাতৰিৰ বিভূতি**ঃ এই পুথিখনত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ 'দৈনিক বাতৰি'ৰ বছা বছা সম্পাদকীয়ৰ সম্পাদনা কৰিছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াই।

২। **শতাব্দীৰ অৰ্ঘ্য**ঃ এই পুথিখন অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ৰচিত কবিতাৰ পুথি। তেখেতে কিতাপৰ সকলো স্বত্ব সাহিত্য সভাক দান কৰিছে।

৩। **Anandaram Dhekial Phukan**: Plea for Assam & Assamese. Edited & Compiled by Dr. Moheswar Neog.

উছৰ সমিতিৰ পক্ষৰপৰা এখন স্মাৰকগ্ৰন্থ 'হীৰক-জ্যোতি' সুসাহিত্যিক শ্ৰীঅতুলানন্দ গোস্বামীদেৱৰ সম্পাদনাত হীৰক-জয়ন্তী উপলক্ষে প্ৰকাশ কৰা হৈছে।"

এই হীৰক-জয়ন্তী সমাৰোহ উদ্বোধন কৰিবলৈ আহিছিল এলাহাবাদ বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰ অধ্যাপক, বিখ্যাৎ মৈথেলী পণ্ডিত শ্ৰীজয়কান্ত মিশ্ৰ। ৰাধাকান্ত, কৃষ্ণকান্ত, ৰত্নকান্ত, বাণীকান্তৰ দৰে জয়কান্ত নামটোও অসমীয়াগন্ধী। অধ্যাপক মিশ্ৰৰ ভাষণখনিও হৈছিল অসমীয়াগন্ধী আৰু তাৎপৰ্যপূৰ্ণ।

এই গ্ৰন্থৰ সামৰণিত অধ্যাপক মিশ্ৰৰ ভাষণৰ অংশবিশেষ তুলি দি হীৰক-জয়ন্তী আৰু ৰূপলেখাৰ মধুৰেণ সমাপয়েৎ কৰা হ'ল।

ড° মিশ্ৰই কয়, "ভাৰতৰ শ্ৰেষ্ঠ পৰাম্পৰাবোৰৰ অসম এটা সংগ্ৰহালয় স্বৰূপ। অসমীয়া সাহিত্য আৰু সংস্কৃতিয়ে সামগ্ৰিকভাবে ভাৰতৰ গৌৰৱক অস্বীকাৰ কৰিব নোৱাৰাকৈ ইন্ধন যোগাইছে। ইয়াক বাধাগ্ৰস্ত কৰাৰ প্ৰচেষ্টা চলিলে দুখৰ কথা হব। গঠন কালত ৰোপন কৰা বীজ আৰু প্ৰতিষ্ঠিত কৰা যোগাযোগে ইয়াত অতি উত্তম ফল দিছে। আপোনালোকে যি কৰিছে তাৰ তুলনা নাই। ভগৱান আপোনালোকৰ সহায় হওক।"

ড° মিশ্ৰই তেওঁৰ পাণ্ডিত্যপূৰ্ণ ভাষণত মিথিলা আৰু অসমৰ বিশিষ্ট লেখকসকলৰ উদ্ধৃতি দি অসমীয়া আৰু মৈথিলী ভাষাৰ সাদৃশ্য, দুয়োটা ভাষাৰ লিপি, দুয়োটা সাহিত্যৰ মাজৰ যোগাযোগ সম্পৰ্কে ব্যাখ্যা কৰে। তেওঁ কয়, "এটা দিশত মৈথিলী লিপিৰ লগত অসমীয়া লিপি সাদৃশ্যপূৰ্ণ—কিন্তু বঙলা লিপিৰ লগত নহয়। পঞ্চদশ শতিকাত বিদ্যাপতিৰ প্ৰভাৱো পূৰ্বোত্তৰ অঞ্চলৰ সাহিত্যৰ বিকাশৰ অন্যতম ডাঙৰ কাৰণ আছিল। ষষ্ঠদশ আৰু সপ্তদশ শতিকাত অসমীয়া সঙ্গীতৰ লগত মৈথিলী সঙ্গীতৰ নিবিড় সম্পৰ্ক আছে কিন্তু এই বিষয়টো বিতংভাৱে উদ্ঘাটিত হোৱা নাই। হিন্দুস্থানী সঙ্গীতৰ বৰ্তমানৰ পণ্ডিতসকলে বিদ্যাপতি আৰু শঙ্কৰদেৱৰ গীতক জয়দেৱৰ গীতৰ দৰে সঙ্গীতত প্ৰয়োগ কৰিবলৈ টান পায়।

মৈথিলীসকলে হিন্দীক ৰাষ্ট্ৰ-ভাষা হিচাপে কেতিয়াও বিৰোধিতা কৰা নাই। কিন্তু তেওঁলোকে হিন্দীৰ প্ৰতি অন্ধ উদ্যম দেখুৱাও নাই। মৈথিলীসকলে হিন্দীৰ কাৰণে কৰিবপৰা সকলোখিনি কৰিছে কিন্তু সেইবুলি তেওঁলোকে ইয়াক মাতৃভাষা হিচাপে গ্ৰহণ নকৰি মাত্ৰ সহায়ক ভাষা হিচাপেহে স্বীকাৰ কৰে।

ৰাষ্ট্ৰীয় সংহতি এটা মূল্যবান শিকনি। সংহতি ভাৰতৰ প্ৰয়োজন। সেইবুলি চকুলো আৰু তেজেৰে সংহতি আনিব নোৱাৰি। সংহতি আহিব ফুল আৰু হাঁহিৰেহে। ৰাষ্ট্ৰই তেতিয়াহে পৰিপূৰ্ণতা লাভ কৰিব যেতিয়া ইয়াৰ সকলোতে আনন্দ বিৰাজ কৰিব।

কেৱল অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে কাম কৰি অহা এই সাহিত্য সভাই এটা সৰ্বভাৰতীয় সংগঠন হিচাপে সেই একেটা ভাবতে কাম কৰি যাওক। মই অসমীয়া ভাষাৰ খ্যাতি আৰু অগ্ৰগতিত মৈথিলী ভাষাৰ খ্যাতি আৰু অগ্ৰগতি দেখা পাইছোঁ।'

ঃ সমাপ্ত ঃ

# পৰিশিষ্ট

## সভাপতিসকল

১। শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা (*শিৱসাগৰ, ১৯১৭ চন, ডিচেম্বৰ)

২। চন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন (গোৱালপাৰা, ১৯১৮ ডিচেম্বৰ)

৩। কালিৰাম মেধি, (বৰপেটা, ১৯১৯ ডিচেম্বৰ)

৪ পণ্ডিত হেমচন্দ্ৰ গোস্বামী (তেজপুৰ, ১৯২০ ডিচেম্বৰ)

৫। অমৃতভূষণ দেৱঅধিকাৰী, (যোৰহাট, ১৯২৩ মাৰ্চ)

৬। কনকলাল বৰুৱা (ডিব্ৰুগড়, ১৯২৪ এপ্ৰিল)

৭। লক্ষ্মীনাথ বেজবৰুৱা (গুৱাহাটী, ১৯২৪ ডিচেম্বৰ)

৮। ৰজনীকান্ত বৰদলৈ (নগাওঁ, ১৯২৫ ডিচেম্বৰ)

৯। বেণুধৰ ৰাজখোৱা (ধুবুৰী, ১৯২৬ অক্টোবৰ)

১০। দেশভক্ত তৰুণৰাম ফুকন (গোৱালপাৰা, ১৯২৭ অক্টোবৰ)

১১। কমলাকান্ত ভট্টাচাৰ্য্য, (যোৰহাট, ১৯২৯ মাৰ্চ)

১২। মফিজুদ্দিন আহমদ হাজৰিকা (গোলাঘাট, ১৯৩০ মাৰ্চ)

১৩। জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী (শিৱসাগৰ, ১৯৩১ ডিচেম্বৰ)

১৪। জ্ঞানদাভিৰাম বৰুৱা, (উত্তৰলখীমপুৰ, ১৯৩৩ ডিচেম্বৰ)

১৫। আনন্দচন্দ্ৰ আগৰৱালা, (মঙলদৈ, ১৯৩৪ ডিচেম্বৰ)

১৬। ৰঘুনাথ চৌধাৰী (তেজপুৰ, ১৯৩৬ এপ্ৰিল)

১৭। শ্ৰীকৃষ্ণকান্ত সন্দিকৈ (গুৱাহাটী, ১৯৩৭ ডিচেম্বৰ)

১৮। ড° ময়িদুল ইছলাম বৰা (যোৰহাট, ১৯৪০ ডিচেম্বৰ)

১৯। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন (শিৱসাগৰ, ১৯৪৪ অক্টোবৰ)

২০। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন (ডিব্ৰুগড়, ১৯৪৭ এপ্ৰিল)

২১। অম্বিকাগিৰী ৰায়চৌধুৰী, ( মার্ঘেৰিটা, ১৯৫০ মার্চ )
২২। ড° সূর্য্যকুমাৰ ভূঞা, ( ছিলং, ১৯৫৩, নৱেম্বৰ )
২৩। শ্রীমতী নলিনীবালা দেৱী ( যোৰহাট, ১৯৫৪ ডিচেম্বৰ )
২৪। যতীন্দ্রনাথ দুৱৰা, ( গুৱাহাটী, ১৯৫৫ ডিচেম্বৰ )
২৫। শ্রীবেণুধৰ শর্মা ( ধুবুৰী, ১৯৫৬ ডিচেম্বৰ )
২৬। অধ্যক্ষ পদ্মধৰ চলিহা ( তিনিচুকীয়া, ১৯৫৮ এপ্রিল )
২৭। অধ্যাপক শ্রীঅতুলচন্দ্র হাজৰিকা ( নগাঁও, ১৯৫৯ এপ্রিল )
২৮। অধ্যক্ষ শ্রীত্রৈলোক্যনাথ গোস্বামী ( পলাশবাৰী, ১৯৬০ অক্টোবৰ )
২৯। অধ্যক্ষ শ্রীত্রৈলোক্যনাথ গোস্বামী (গোৱালপাৰা, ১৯৬১ অক্টোবৰ)
৩০। ৰত্নকান্ত বৰকাকতী ( নাজিৰা, ১৯৬৩ এপ্রিল )
৩১। শ্রীশ্রীমিত্রদেৱ মহন্ত ( ডিগবৈ, ১৯৬৪ এপ্রিল )
৩২। ডিম্বেশ্বৰ নেওগ ( নলবাৰী, ১৯৬৫ জানুৱাৰী )
৩৩। শ্রীবিনন্দচন্দ্র বৰুৱা ( উত্তৰলখীমপুৰ, ১৯৬৬ মার্চ )
৩৪। নকুলচন্দ্র ভূঞা ( ডিব্রুগড়, ১৯৬৬-৬৭ ডিচেম্বৰ/জানুৱাৰী)
৩৫। জ্ঞাননাথ বৰা ( তেজপুৰ, ১৯৬৮ জানুৱাৰী )
৩৬। শ্রীআনন্দচন্দ্র বৰুৱা, ( বৰপেটা, ১৯৬৯ ফেব্রুৱাৰী )
৩৭। অধ্যাপক শ্রীউপেন্দ্রচন্দ্র লেখাৰু
( খিং, ১৯৭৫, ফেব্রুৱাৰী )
৩৮। অধ্যক্ষ শ্রীতীর্থনাথ শর্মা ( মাকুম, ১৯৭১ এপ্রিল)
৩৯। অধ্যক্ষ হেম বৰুৱা ( ধুবুৰী, ১৯৭২ এপ্রিল )
৪০। অধ্যক্ষ শ্রীগিৰিধৰ শর্মা, ( বৰ্ডিয়া, ১৯৭৩ ফেব্রুৱাৰী )
৪১। ড° শ্রীমহেশ্বৰ নেওগ ( মঙলদৈ, ১৯৭৪ )
৪২। ড° শ্রীসত্যেন্দ্রনাথ শর্মা ( তিতাবৰ, ১৯৭৫ )
৪৩। অধ্যক্ষ শ্রীযজ্ঞেশ্বৰ শর্মা ( টিহু, ১৯৭৬ )
৪৪। চৈয়দ আব্দুল মালিক ( অভয়াপুৰী, ১৯৭৭ )

## উপসভাপতিসকল

১। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত—১৯৫৬
২। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা—১৯৫৭
৩। ,, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা—১৯৫৮
৪। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—১৯৫৯
৫। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—১৯৬০
৬। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—১৯৬১
৭। অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা—১৯৬২
৮। ,, শ্ৰীপৰাগধৰ চলিহা—১৯৬৩
৯। ,, শ্ৰীপৰাগধৰ চলিহা—১৯৬৪
১০। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—১৯৬৫
১১। অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা—১৯৬৬
১২। ড° শ্ৰীমহেশ্বৰ নেওগ—১৯৬৭
১৩। শ্ৰীমহেশ্বৰ নেওগ—১৯৬৮
১৪। অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী—১৯৬৯
১৫। ,, শ্ৰীপৰাগধৰ চলিহা—১৯৭০
১৬। ,, শ্ৰীপৰাগধৰ চলিহা—১৯৭১
১৭। ডঃ শ্ৰীমহেশ্বৰ নেওগ—১৯৭২
১৮। অধ্যক্ষ শ্ৰীহৰেশ্বৰ গোস্বামী—১৯৭৩
১৯। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—১৯৭৪
২০। শ্ৰীতৰুণ পামেগাম—১৯৭৫
২১। শ্ৰীহিতেশ ডেকা—১৯৭৬
২২। শ্ৰীগোৱিন্দ পৈৰা—১৯৭৭

## উদ্বোধকসকল

১। শ্ৰীবিষ্ণুৰাম মেধি—১৯৫১ ছিলং
২। শ্ৰীনাৰায়ণদেৱ মিশ্ৰ, ভাগৱতবাগীশ—১৯৫৪ যোৰহাট

৩। শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী—১৯৫৬ ধুবুৰী
৪। শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী—১৯৫৮ তিনিচুকীয়া
৫। ৰত্নকান্ত বৰকাকতী—১৯৫৯ নগাঁও
৬। শ্ৰীৰঘুনাথ চৌধাৰী—১৯৬০ পলাশবাৰী
৭। শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী—১৯৬১ গোৱালপাৰা
৮। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন—১৯৬৩ শদিয়া
৯। শ্ৰীবিষ্ণুসহায় ( ৰাজ্যপাল )—১৯৬৪ ডিগবৈ
১০। মহাদেৱ শৰ্মা—১৯৬৫ নলবাৰী
১১। শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী—১৯৬৬ উত্তৰলক্ষীমপুৰ
১২। বিমলাপ্ৰসাদ চলিহা—১৯৬৭ ডিব্ৰুগড়
১৩। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা—১৯৬৮ তেজপুৰ
১৪। শ্ৰীব্ৰজকুমাৰ নেহৰু ( ৰাজ্যপাল )—১৯৬৯ বৰপেটা
১৫। শ্ৰীদেৱকান্ত বৰুৱা—১৯৭০ খিং
১৬। শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী—১৯৭২ মাকুম
১৭। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—১৯৭২ ধুবুৰী
১৮। শ্ৰীশৰৎচন্দ্ৰ সিংহ—১৯৭৩ বজিয়া
১৯। শ্ৰীকালিন্দীচৰণ পাণিগ্ৰাহী—১৯৭৪ মঙলদৈ
২০। শ্ৰীকৃপালসিং নাৰাং ( পাঞ্জাবৰ মুখ্যমন্ত্ৰী—১৯৭৫ তিতাবৰ
২১। ফখৰুদ্দিন আলি আহমেদ ( ৰাষ্ট্ৰপতি )—১৯৭৫ ডিহ
২২। (ক) শ্ৰীশৰৎচন্দ্ৰ সিংহ—১৯৭৫ অভয়াপুৰী
(খ) শ্ৰীপ্ৰেম খুণ্ডু ( অৰুণাচলৰ মুখ্যমন্ত্ৰী )– ১৯৭৬

## অভ্যৰ্থনা সমিতিৰ সভাপতিসকল

১। গুণাভিৰাম বৰুৱা, শিৱসাগৰ ১৯১৭
২। জমিদাৰ প্ৰভাতচন্দ্ৰনাৰায়ণ চৌধুৰী, গোৱালপাৰা ১৯১৮
৩। ৰামপ্ৰসাদ দাস, বৰপেটা ১৯১৯
৪। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, তেজপুৰ ১৯২০
৫। দানবীৰ ৰাধাকান্ত সন্দিকৈ, যোৰহাট ১৯২৩

৬। শিৱৰাম শৰ্মা, ডিব্ৰুগড় ১৯২৪
৭। সত্যনাথ বৰা, গুৱাহাটী ১৯২৪
৮। জ্ঞানদাভিৰাম বৰুৱা, নগাঁও ১৯২৪
৯। জমিদাৰ ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী, ধুবুৰী ১৯২৬
১০। জমিদাৰ ভোলানাথ চৌধুৰী, গোৱালপাৰা ১৯২৭
১১। শিৱপ্ৰসাদ বৰুৱা, ৰায়বাহাতুৰ, যোৰহাট ১৯২৯
১২। ব্ৰহ্মানন্দ দত্ত, গোলাঘাট ১৯৩০
১৩। ভুৱনচন্দ্ৰ গগৈ; শিৱসাগৰ ১৯৩১
১৪। সৰ্বেশ্বৰ বৰুৱা; উত্তৰলখীমপুৰ ১৯৩৩
১৫। শ্ৰীতপেশ্বৰ শৰ্মা; মঙলদৈ ১৯৩৪
১৬। আনন্দচন্দ্ৰ আগৰৱালা; তেজপুৰ ১৯৩৬
১৭। লোকপ্ৰিয় গোপীনাথ বৰদলৈ; গুৱাহাটী ১৯৩৭
১৮। হেড়ম্বপ্ৰসাদ বৰুৱা; যোৰহাট ১৯৪০
১৯। মুহিবুল্লা; শিৱসাগৰ ১৯৪৪
২০। বেণুধৰ ৰাজখোৱা; ডিব্ৰুগড় ১৯৪৭
২১। শ্ৰীবিপিনকুমাৰ বৰগোহাঁই; মাৰ্ঘেৰিটা ১৯৫০
২২। মতিৰাম বৰা; ছিলং ১৯৫৩
২৩। ৰাধানাথ ফুকন; যোৰহাট ১৯৫৪
২৪। ন্যায়াধীশ হলীৰাম ডেকা; গুৱাহাটী ১৯৫৫
২৫। প্ৰমথনাথ চক্ৰৱৰ্ত্তী; ধুবুৰী ১৯৫৬
২৬। সোমেশ্বৰ বৰুৱা; তিনিচুকীয়া ১৯৫৮
২৭। মহীচন্দ্ৰ বৰা; নগাঁও ১৯৫৯
২৮। শ্ৰীঅৱলাকান্ত গোস্বামী; পলাশবাৰী ১৯৬০
২৯। খগেন্দ্ৰনাথ নাথ; গোৱালপাৰা ১৯৬১
৩০। শ্ৰীবেদনাথ বৰঠাকুৰ; নাজিৰা ১৯৬৩
৩১। শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা; ডিগবৈ ১৯৬৪
৩২। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী; নলবাৰী ১৯৬৫

৩৩। শ্ৰীযোগানন্দ বৰগোহাঞি ; উত্তৰলক্ষীমপুৰ ১৯৬৬
৩৪। শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত ; ডিব্ৰুগড় ১৯৬৬-৬৭
৩৫। শ্ৰীকমলাপ্ৰসাদ আগৰৱালা ; তেজপুৰ ১৯৬৮
৩৬। শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী ; বৰপেটা ১৯৬৯
৩৭। শ্ৰীচন্দ্ৰকান্ত বৰকাকতী ; থিং ১৯৭০
৩৮। শ্ৰীৰমেশচন্দ্ৰ বৰুৱা ; মাকুম ১৯৭১
৩৯। শ্ৰীদীনেশৰঞ্জন সৰকাৰ ; ধুবুৰী ১৯৭২
৪০। শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা ; ৰঙিয়া ১৯৭৩
৪১। শ্ৰীবাহাদুৰ বসুমাতাৰী ; মঙলদৈ ১৯৭৪
৪২। শ্ৰীচক্ৰেশ্বৰ শইকীয়া ; তিতাবৰ ১৯৭৫
৪৩। ডাঃ শ্ৰীভূমিধৰ চলিহা ; টিহু ১৯৭৬
৪৪। শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্ম ; অভয়াপুৰী ১৯৭৭

## বুৰঞ্জী-সভাৰ সভাপতিসকল

১। হিতেশ্বৰ বৰবৰুৱা ; নগাও ১৯২৫
২। ড° সূৰ্য্যকুমাৰ ভূঞা, ধুবুৰী ১৯২৬
৩। প্ৰমথনাথ চক্ৰৱৰ্তী, যোৰহাট ১৯২৮
৪। ৰজনীকুমাৰ পদ্মপতি, গোলাঘাট ১৯২৯
৫। সোণাৰাম চৌধুৰী, শিৱসাগৰ ১৯৩১
৬। সৰ্বেশ্বৰ শৰ্মাকটকী, উত্তৰলক্ষীমপুৰ ১৯৩৩
৭। কনকলাল বৰুৱা, ৰায়বাহাদুৰ, গুৱাহাটী ১৯৩৭
৮। সৰ্বানন্দ ৰাজকুমাৰ, ডিব্ৰুগড় ১৯৪৭
৯। শ্ৰীবেণুধৰ শৰ্মা, ছিলং ১৯৫৩
১০। শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱা, যোৰহাট ১৯৫৪
১১। ড° বিৰিঞ্চিকুমাৰ বৰুৱা, গুৱাহাটী ১৯৫৫
১২। ৰূপনাথ ব্ৰহ্ম, ধুবুৰী ১৯৫৬
১৩। ৰাজমোহন নাথ, ডিনিচুকীয়া ১৯৫৮

১৪। ড° শ্ৰীপদ্মেশ্বৰ গগৈ, নগাঁও ১৯৫৯
১৫। শ্ৰীপ্ৰেমধৰ চৌধুৰী, গোৱালপাৰা ১৯৬১
১৬। ড° শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰী, নাজিৰা ১৯৬২
১৭। সৰ্বেশ্বৰ বৰুৱা, নলবাৰী ১৯৬৪
১৮। শ্ৰীকৰুণানন্দ দত্ত, উত্তৰলক্ষীমপুৰ ১৯৬৬
১৯। কেশৱনাৰায়ণ দত্ত, ডিব্ৰুগড় ১৯৬৭
২০। অধ্যক্ষ গুণগোবিন্দ দত্ত, তেজপুৰ ১৯৬৮
২১। শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, বৰপেটা ১৯৬৯
২২। শ্ৰীভুবনচন্দ্ৰ সন্দিকৈ, ধিং ১৯৭০
২৩। ড° শ্ৰীহেৰম্বকান্ত বৰপূজাৰী, ধুবুৰী ১৯৭২
২৪। শ্ৰীমুৰাৰিচৰণ দাস, ৰঙিয়া ১৯৭৩
২৫। শ্ৰীসদানন্দ চলিহা, মঙলদৈ ১৯৭৪

## কবিতা-মণ্ডপৰ সভাপতিসকল

১। শ্ৰীআনন্দচন্দ্ৰ বৰুৱা (যোৰহাট, ১৯৫৫)
২। অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা (নগাঁও, ১৯৫৯)
৩। শ্ৰীমতী নলিনীবালা দেৱী (পলাশবাৰী, ১৯৬০)
৪। ডিম্বেশ্বৰ নেওগ (নাজিৰা, ১৯৬২)
৫। দৈৱচন্দ্ৰ তালুকদাৰ (নলবাৰী, ১৯৬৫)
৬। শ্ৰীআনন্দচন্দ্ৰ বৰুৱা (উঃ লক্ষীমপুৰ, ১৯৬৬)
৭। শ্ৰীপ্ৰসন্নলাল চৌধুৰী (ডিব্ৰুগড়, ১৯৬৭)
৮। শ্ৰীমতী নলিনীবালা দেৱী (বৰপেটা, ১৯৬৯)
৯। শ্ৰীনৰকান্ত বৰুৱা (ধিং, ১৯৭০)
১০। শ্ৰীকমলেশ্বৰ চলিহা (মাকুম, ১৯৭১)
১১। বৈকুণ্ঠনাথ তৰ্কতীৰ্থ (ধুবুৰী, ১৯৭২)
১২। শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকন (ৰঙিয়া, ১৯৭৩)
১৩। শ্ৰীভবানন্দ ৰাজখোৱা (মঙলদৈ, ১৯৭৪)

১৪। শ্ৰীকেশৱ মহন্ত ( তিতাবৰ, ১৯৭৫ )
১৫। ড° শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈ ( চিলং, ১৯৭৬ )
১৬। শ্ৰীবীৰেন বৰকটকী ( অভয়াপুৰী, ১৯৭৭ )

## বিজ্ঞান-সভা

১। জীৱনৰাম ফুকন, ডিব্ৰুগড় ১৯৪৭
২। অধ্যক্ষ শ্ৰীবি. এম. পিণ্ট, ছিলং, ১৯৫৩
৩। ড° হিৰণ্যচন্দ্ৰ ভূঞা, যোৰহাট, ১৯৫৪
৪। ড° বোধিনীকান্ত বৰুৱা, গুৱাহাটী, ১৯৫৫
৫। হৰিপ্ৰসাদ বৰুৱা, তিনিচুকীয়া, ১৯৫৮
৬। ড° পবনচন্দ্ৰ মহন্ত, নগাঁও, ১৯৫৯
৭। ড° কালীনাথ শৰ্মা, ডিব্ৰুগড়, ১৯৬৭

## দৰ্শন-সভাৰ সভাপতিসকল

১। ষড়ানন তৰ্কতীৰ্থ, ধুবুৰী, ১৯২৬
২। ৰাধিকানন্দ চৌধুৰী ( প্ৰশান্তমূৰ্তি ), গুৱাহাটী, ১৯৩৭

## অৰ্থনীতি সভাৰ সভাপতি

১। উমাকান্ত গোস্বামী, গুৱাহাটী ১৯৩৭

## পুথিভঁৰাল সভাৰ সভাপতি

১। ৰামেশ্বৰ বৰুৱা, গুৱাহাটী ১৯৩৭

## আলোচনা-চক্ৰৰ সভাপতিসকল

১। ন্যায়াধীশ হলীৰাম ডেকা, তিনিচুকীয়া ১৯৫৮
২। ড: শ্ৰীমহেশ্বৰ নেওগ, নগাঁও ১৯৫৯
৩। শ্ৰীতীৰ্থনাথ শৰ্মা, পলাশবাৰী ১৯৬০

৪। শ্ৰীমতী ইন্দিৰা মিৰি, নাজিৰা ১৯৬৩
৫। শ্ৰীদেৱকান্ত বৰুৱা, ডিগবৈ ১৯৬৪
৬। হেম বৰুৱা, নলবাৰী ১৯৬৫
৭। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী, উত্তৰলখীমপুৰ ১৯৬৬
৮। ড° মহেশ্বৰ নেওগ, ডিব্ৰুগড় ১৯৬৭
৯। ড° যোগীৰাজ বসু, তেজপুৰ ১৯৬৮
১০। ড° শ্ৰীমহেন্দ্ৰ বৰা, বৰপেটা ১৯৬৯
১১। শ্ৰীবিপিনকুমাৰ বৰগোহাঁই, ধিং ১৯৭০
১২। ড° শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, মাকুম ১৯৭১
১৩। শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা, ধুবুৰী ১৯৭২
১৪। শ্ৰীছগনলাল জৈন, ৰঙিয়া ১৯৭১
১৫। ড° শ্ৰীউপেন গোস্বামী, মঙলদৈ ১৯৭৪
১৬। ড° শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, তিতাবৰ ১৯৭৫
১৭। চৈয়দ আব্দুল মালিক, টিহু ১৯৭৬
১৮। শ্ৰীযোগেশ দাস, অভয়াপুৰী ১৯৭৭

## সংস্কৃতি-সঙ্গীত সভাৰ সভাপতিসকল

১। নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ডিব্ৰুগড় ১৯২৪
২। ৰজনীকান্ত বৰদলৈ, গুৱাহাটী ১৯২৪
৩। চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন, নগাঁও ১৯২৫
৪। অধ্যক্ষ পদ্মধৰ চলিহা, মঙলদৈ ১৯৩৪
৫। জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী, তেজপুৰ ১৯৩৬
৬। কীৰ্ত্তিনাথ শৰ্মাবৰদলৈ, গুৱাহাটী ১৯৩৭
৭। অম্বিকাগিৰী ৰায়চৌধুৰী, শিৱসাগৰ ১৯৪৪
৮। শ্ৰীৰুস্তমজী, ডিব্ৰুগড় ১৯৪৭
৯। নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, মাৰ্ঘেৰিটা ১৯৫০
১০। কুলধৰ চলিহা, ছিলং ১৯৫৩

১১। শ্ৰীমিত্ৰদেৱ মহন্ত, গুৱাহাটী ১৯৫৫
১২। শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, ধুবুৰী ১৯৫৬
১৩। বিষ্ণুপ্ৰসাদ ৰাভা, তিনিচুকীয়া ১৯৫৬
১৪। অধ্যক্ষ পদ্মধৰ চলিহা ; নগাঁও ১৯৫৯
১৫। মানগোবিন্দ চক্ৰৱৰ্তী, পলাশবাৰী ১৯৬০
১৬। পাৰ্বতিপ্ৰসাদ বৰুৱা, গোৱালপাৰা ১৯৬১
১৭। ড° শ্ৰীভূপেন হাজৰিকা, নাজিৰা ১৯৬৩
১৮। শ্ৰীশান্তিদেৱ ঘোষ, ডিগবৈ ১৯৬৪
১৯। মুক্তিনাথ শৰ্মাবৰদলৈ. নলবাৰী ১৯৬৫
২০। শ্ৰীপৰাগধৰ চলিহা, উত্তৰলখীমপুৰ ১৯৬৬
২১। শ্ৰীজীৱেশ্বৰ গোস্বামী, ডিব্ৰুগড় ১৯৬৭
২২। শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, তেজপুৰ ১৯৬৮
২৩। শ্ৰীগহনচন্দ্ৰ গোস্বামী, বৰপেটা ১৯৬৯
২৪। ফণী শৰ্মা, ধিং ১৯৭০
২৫। শ্ৰীকমলনাৰায়ণ চৌধুৰী, মাকুম ১৯৭১
২৬। ডাঃ অন্নদাচৰণ দাস, ধুবুৰী ১৯৭২
২৭। গজেন বৰুৱা, ৰঙিয়া ১৯৭৩
২৮। শ্ৰীনাৰায়ণচন্দ্ৰ বেজবৰুৱা, মঙলদৈ ১৯৭৪
২৯। শ্ৰীসত্যপ্ৰসাদ বৰুৱা, তিতাবৰ ১৯৭৫
৩০। শ্ৰীসাৰদাকান্ত বৰদলৈ, টিহু ১৯৭৬
৩১। শ্ৰীচন্দ্ৰধৰ গোস্বামী, অভয়াপুৰী ১৯৭৭

## সংবাদ-সাহিত্য সভাৰ সভাপতি

১। শ্ৰীবেণুধৰ শৰ্মা, ডিব্ৰুগড় ১৯৬৭

## প্ৰদৰ্শনী উদ্বোধকসকল

১। ছাব চৈয়দ চাদুল্লা, শিৱসাগৰ ১৯৬৪
২। ৰত্নাকুমাৰী ৰাজখোৱানী, ডিব্ৰুগড় ১৯৪১

৩। শ্ৰীজয়ৰাম দাস দৌলতৰাম, শিলং ১৯৫৩
৪। মহাদেৱ শৰ্মা, যোৰহাট ১৯৫৪
৫। অমিয়কুমাৰ দাস, গুৱাহাটী ১৯৫৫
৬। শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়, ধুবুৰী ১৯৫৬
৭। দেৱেশ্বৰ শৰ্মা, তিনিচুকীয়া ১৯৫৮
৮। ড° সূৰ্য্যকুমাৰ ভূঞা, নগাও ১৯৫৯
৯। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, পলাশবাৰী ১৯৬০
১০। ৰূপনাথ ব্ৰহ্ম, গোৱালপাৰা ১৯৬১
১১। বিমলাপ্ৰসাদ চলিহা, নাজিৰা ১৯৬৩
১২। শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা, ডিগবৈ ১৯৬৪
১৩। প্ৰমথনাথ চক্ৰৱৰ্ত্তী, নলবাৰী ১৯৬৫
১৪। অমিয়কুমাৰ দাস, উত্তৰলক্ষীমপুৰ ১৯৬৬
১৫। শ্ৰীবিষ্ণুৰাম মেধি, ডিব্ৰুগড় ১৯৬৭
১৬। অধ্যক্ষ হেম বৰুৱা, তেজপুৰ ১৯৬৮
১৭। ড° শ্ৰীমথুৰানাথ গোস্বামী, বৰপেটা ১৯৬৯
১৮। ড° শ্ৰীসত্যৰঞ্জন বৰুৱা, ধিং ১৯৭০
১৯। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, মাকুম ১৯৭১
২০। ড° মহেশ্বৰ নেওগ, ধুবুৰী ১৯৭২
২১। শ্ৰীযুগল দাস, বজিয়া ১৯৭২
২২। শ্ৰীহৰেন্দ্ৰ তালুকদাৰ, মঙলদৈ ১৯৭৩
২৩। " " তিতাবৰ ১৯৭৫
২৪। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, টিহু ১৯৭৬
২৫। শ্ৰীহিতেশ্বৰ শইকীয়া, অভয়াপুৰী ১৯৭৭

## প্ৰধান সম্পাদকসকল

১। শৰৎচন্দ্ৰ গোস্বামী, শিৱসাগৰ, ১৯১৭-১৮ চন
২। পদ্মনাথ গোহাঞিবৰুৱা, গোৱালপাৰা, ১৯১৮-১৯ চন

৩। সত্যনাথ বৰা, বৰপেটা, ১৯১৯-২০ চন
৪। শৰৎচন্দ্ৰ গোস্বামী, তেজপুৰ, ১৯২০-২৩ চন
৫। " " " , যোৰহাট, ১৯২৩-২৪ চন
৬। " " " , ডিব্ৰুগড়, ১৯২৪ চন
৭। " " " , গুৱাহাটী, ১৯২৪-২৫ চন
৮। " " " , নগাওঁ, ১৯২৫-২৬ চন
৯। " " " , ধুবুৰী, ১৯২৬-২৭ চন
৯ (ক) পূৰ্ণানন্দ শৰ্মা পাঠক ১৯২৭ চন
১০। " " " গোৱালপাৰা, ১৯২৭-২৮ চন
১১। " " " যোৰহাট, ১৯২৯ চন
১২। কমলাকান্ত বৰুৱা, গোলাঘাট, ১৯৩০-৩১ চন
১৩। দেৱেশ্বৰ চলিহা " শিৱসাগৰ, ১৯৩১-৩৩ চন
১৪। " " " লক্ষীমপুৰ, ১৯৩৩-৩৪ চন
১৫। চন্দ্ৰধৰ বৰুৱা, " মঙলদৈ, ১৯৩৪-৩৬ চন
১৬। দেৱানন্দ শৰ্মা, " তেজপুৰ, ১৯৩৬-৩৭ চন
১৭। বামেশ্বৰ বৰুৱা, " গুৱাহাটী, ১৯৩৭-৩৯ চন
১৭ (ক) " " " বিশেষ অধিবেশন, যোৰহাট,
১৯৩৯-৪০ চন
১৮। পূৰ্ণানন্দ শৰ্মাপাঠক যোৰহাট, ১৯৪০-৪২ চন
১৮ (ক) বামেশ্বৰ বৰুৱা, যোৰহাট, ১৯৪২-৪৪ চন
১৯। ডিম্বেশ্বৰ নেওগ শিৱসাগৰ, ১৯৪৪-৪৭ চন
২০। শ্ৰীমুক্তানাথ বৰুৱা, ডিব্ৰুগড়, ১৯৪৭-৫০ চন
২১। কেশৱনাৰায়ণ দত্ত, মাৰ্ঘেৰিটা, ১৯৫০-৫৩ চন
২২। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্বিলং, ১৯৫৩-৫৪ চন
২৩। " " যোৰহাট, ১৯৫৪-৫৫ চন
২৪। " " গুৱাহাটী, ১৯৫৫-৫৬ চন
২৫। অধ্যক্ষ শ্ৰীপদ্মধৰ চলিহা ধুবুৰী, ১৯৫৬-৫৮ চন

২৬। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা তিনিচুকীয়া, ১৯৫৮-৫৯ চন
২৭ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, নগাঁও, ১৯৫৯-৬০ চন
২৮। ড° শ্ৰীমহেশ্বৰ নেওগ, পলাশবাৰী, ১৯৬০-৬৩ চন
২৯। ড° শ্ৰীমহেশ্বৰ নেওগ, নাজিৰা, ১৯৬৩-৬৫ চন
৩০। হৰিপ্ৰসাদ নেওগ, নলবাৰী, ১৯৬৫-৬৬ চন
৩১। " " " উত্তৰ লক্ষীমপুৰ, ১৯৬৬-৬৭ চন
৩২। " " " ডিব্ৰুগড়, ১৯৬৭-৬৮ চন
৩৩। " " " তেজপুৰ, ১৯৬৮-৬৯ চন
৩৪। আব্দুল মালিক, বৰপেটা, ১৯৬৯-৭০ চন
৩৫। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ধিং, ১৯৭০-৭১ চন
৩৬। " " মাকুম, ১৯৭১-৭২ চন
৩৭। " " ধুবুৰী, ১৯৭২ ৭৩ চন
৩৮। শ্ৰীনগেন শইকীয়া ৰঙিয়া, ১৯৭৩-৭৪ চন
মঙলদৈ, ১৯৭৪-৭৫ চন
তিতাবৰ, ১৯৭৫-৭৬ চন
৩৯। ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা, টিহু, ১৯৭৬-৭৭ চন
৪০। আব্দুছ ছাত্তাৰ, অভয়াপুৰী, ১৯৭৭-৭৮ চন

## সহকাৰী সম্পাদকসকল

১। দেৱেশ্বৰ শৰ্মা ( তৰাজান )
২। চন্দ্ৰনাথ শৰ্মা আৰু দণ্ডিনাথ কলিতা
৩। চন্দ্ৰনাথ শৰ্মা আৰু জ্ঞলতিৰাম লহকৰ
৪। হৰিনাথ পাঠকচৌধুৰী আৰু হৰিনাৰায়ণ দত্তবৰুৱা
৬। দেৱেন্দ্ৰনাথ বেজবৰুৱা আৰু হৰিনাথ পাঠকচৌধুৰী
৭। হৰিনাথ পাঠকচৌধুৰী আৰু নকুলচন্দ্ৰ ভূঞা
৮, ৯। বিষ্ণুচন্দ্ৰ বৰুৱা আৰু হৰিনাৰায়ণ দত্তবৰুৱা
১০। হৰিনাৰায়ণ দত্তবৰুৱা আৰু বিষ্ণুচন্দ্ৰ বৰুৱা

১১। লক্ষেশ্বৰ শৰ্মাবৰুৱা আৰু শ্ৰীৰাধানাথ হাজৰিকা
১২। লক্ষেশ্বৰ শৰ্মাবৰুৱা আৰু হেৰম্বপ্ৰসাদ বৰুৱা
১৩, ১৪। লক্ষেশ্বৰ শৰ্মাবৰুৱা আৰু শ্ৰীমিত্ৰদেৱ মহন্ত
১৫। দেবেন্দ্ৰনাথ বেজবৰুৱা আৰু তুলসীনাৰায়ণ শৰ্ম্মা ১৯৩৯-৩৫
১৬। শ্ৰীমিত্ৰদেৱ মহন্ত ১৯৩৬-৩৭
১৭, ১৮। শ্ৰীমুক্তানাথ বৰুৱা ১০৩৭-৩৯, ১৯৩৯-৪০
১৯। শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য ১৯৪০-৪১
২০। শ্ৰীমুক্তানাথ বৰুৱা আৰু শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য ৪১-৪৪
২১। বলীনাৰায়ণ বৰুৱা, ১৯৪৪-৪৭
২২। শ্ৰীজিতেন্দ্ৰকুমাৰ বৰুৱা, ১৯৪৭-৫০
২৩। শ্ৰীহেমচন্দ্ৰ দত্ত ১৯৫০ ৫৩
২৪। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু ড° শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য ১৯৫৩-৫৪
২৫। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু কৰুণাধৰ বৰুৱা, ১৯৫৪-৫৫
২৬। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ১৯৫৫-৫৬, ১৯৫৬-৫৮, ১৯৫৮-৫৯
২৭। হৰিপ্ৰসাদ নেওগ ১৯৫৯-৬০, ১৯৬০-৬৩
২৮। হৰিপ্ৰসাদ নেওগ আৰু ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা, ১৯৬৩-৬৫
২৯। শ্ৰীৰমা বৰঠাকুৰ আৰু শ্ৰীদুৰ্গেশ্বৰ শৰ্মা ১৯৬৫-৬৬
৩০। শ্ৰীনগেন শইকীয়া আৰু শ্ৰীনন্দ তালুকদাৰ ১৯৬৬-৬৭
৩১। শ্ৰীনগেন শইকীয় আৰু শ্ৰীনন্দ তালুকদাৰ ১৯৬৭-৬৮
৩২। শ্ৰীনগেন শইকীয়া আৰু শ্ৰীনন্দ তালুকদাৰ ১৯৬৮-৬৯
৩৩। শ্ৰীনগেন শইকীয়া আৰু শ্ৰীনন্দ তালুকদাৰ ১৯৬৯-৭০
৩৪। শ্ৰীডিম্বেশ্বৰ শৰ্মা আৰু শ্ৰীভগগিৰী ৰায়চৌধুৰী ১৯৭০-৭১
৩৫। শ্ৰীডিম্বেশ্বৰ শৰ্মা আৰু শ্ৰীভগগিৰী ৰায়চৌধুৰী ১৯৭১-৭২
৩৬। শ্ৰীডিম্বেশ্বৰ শৰ্মা আৰু শ্ৰীপ্ৰসন্নৰাম দাস ১৯৭২-৭৩
৩৭। শ্ৰীঅমল ৰাজখোৱা আৰু শ্ৰীগোবিন্দ মহন্ত, ১৯৭৩-৭৪
৩৮। শ্ৰীঅমল ৰাজখোৱা আৰু শ্ৰীপ্ৰসন্ন দাস,

৪০। শ্ৰীবসন্তকুমাৰ গোস্বামী আৰু শ্ৰীপ্ৰসন্ন দাস,
( শ্ৰীৰামচন্দ্ৰ ঠাকুৰীয়া )

৪১। শ্ৰীবসন্তকুমাৰ গোস্বামী আৰু ড° শ্ৰীনিৰ্মলপদ চৌধুৰী

### পত্ৰিকাৰ সম্পাদকসকল

১ম, ২য়, ৩য়, ৬ষ্ঠ বছৰ—চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন
৪ৰ্থ বছৰ—দেৱানন্দ ভঁৰালী
৫ম বছৰ—পূৰ্ণানন্দ শৰ্মা পাঠক আৰু ডিম্বেশ্বৰ নেওগ
৭ম ৮ম, ১১শ বছৰ—ডিম্বেশ্বৰ নেওগ
৯ম, ১০ম বছৰ—ৰামেশ্বৰ বৰুৱা

| | |
|---|---|
| নতুন প্ৰকাশ, | —কেশৱনাৰায়ণ দত্ত |
| ১৩শ, ১৫শ বছৰ, | —শ্ৰীৰজনীকান্ত দেৱশৰ্ম্মা |
| ১৪শ বছৰ, | —প্ৰেমধৰ ৰাজখোৱা |
| ১৬শ, ১৭শ, ১৮শ, বছৰ, | —ড° শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা |
| ২০শ, ২১ (১, ২) বছৰ, | — শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| ২১শ (৩) ২২শ বছৰ, | —শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী |
| ২৩শ, ২৪শ, | —শ্ৰীযোগেশ দাস |
| ২৫শ বছৰ, | — ড° শ্ৰী সত্যেন্দ্ৰনাৰায়ণ গোস্বামী |
| ২৬শ বছৰ, | —শ্ৰীদুৰ্গেশ্বৰ শৰ্মা |
| ২৭শ বছৰ (১), | — ড° শ্ৰীৰবিচন্দ্ৰ ভট্টাচাৰ্য্য |
| ২৭শ (২, ৩), ২৯শ (১) বছৰ | —শ্ৰীযতীন গোস্বামী |
| ২৮শ (২, ৩), ২৯শ (১), বছৰ | —শ্ৰীআব্দুৰ ছাত্তাৰ |
| ২৯শ (২, ৩), | —শ্ৰীপৰেশমল্ল বৰুৱা |
| ৩০শ বছৰ ( মাহেকীয়া ) | —শ্ৰীহেমন্তকুমাৰ শৰ্মা, |
| ৩১শ বছৰ, | —শ্ৰীমহেন্দ্ৰ বৰা |
| ৩২শ বছৰ, | —শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা |

## ভাষা-জ্ঞান পৰীক্ষাৰ সচিবসকল

১। চৈয়দ আব্দুল মালিক
২। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
৩। শ্ৰীৰমা বৰঠাকুৰ
৪। শ্ৰীনগেন শইকীয়া
৫। শ্ৰীঅমল ৰাজখোৱা
৬। শ্ৰীবসন্তকুমাৰ গোস্বামী
৭। শ্ৰীপ্ৰকাশ গোস্বামী

## বিবিধ সন্মান

ৰায়বাহাদুৰ : ১। পদ্মনাথ গোহাঞিবৰুৱা
২। কালিৰাম মেধি
৩। কনকলাল বৰুৱা
৪। বেণুধৰ ৰাজখোৱা
৫। আনন্দচন্দ্ৰ আগৰৱালা
৬। সূৰ্য্যকুমাৰ ভূঞা

চি-আই-ই : কনকলাল বৰুৱা

আই-এচ-ও : শৰৎচন্দ্ৰ গোস্বামী

পদ্মভূষণ : ১। শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
২। অমিয়কুমাৰ দাস
৩। শ্ৰীনৰকান্ত বৰুৱা

পদ্মশ্ৰী : ১। সূৰ্য্যকুমাৰ ভূঞা
২। শ্ৰীমতী নলিনীবালা দেৱী
৩। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
৪। শ্ৰীআনন্দচন্দ্ৰ বৰুৱা
৫। শ্ৰীমহেশ্বৰ নেওগ

সদস্য মহীয়ান (একাডেমী) : বাগ্মীবৰ শ্ৰীনীলমণি ফুকন
সদস্য মহীয়ান (সাহিত্য সভা) : শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

# শুদ্ধি আৰু সংযোজন

কিতাপ পঢ়াৰ আগতে তলত দিয়া ভুলবোৰ শুধৰাই লোৱাৰ মিনতিৰে :

| পৃষ্ঠা | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ২১ | ৯ | হৰেকৃষ্ণ | হৰিকৃষ্ণ |
| ২৭ | ২৬ | বন্ধনীৰ ভিতৰত "শইকীয়া" বাদ দিব | |
| ৩৪ | ২ | ১৯১০ চন | ১৯২৩ চন |
| ৩৯ | ২৩ | অধিবেশনৰ | অভিভাষণৰ |
| ৩৫ | ১০ | মৃদু | অপ্ৰিয় |
| ৭৪ | ২ | ১৯৪ চন | ১৯৪০ চন |
| ৯৬ | ২ | ১৫২ | ১৫৩ |
| ১১৮ | ৪ | নাৰাৰণচন্দ্ৰ মিশ্ৰ | নাৰায়ণ দেৱমিশ্ৰ |
| ১৩২ | ২৪ | এইবাৰেই | তেওঁৰ সম্পাদকীয় কাৰ্য্য-কালতেই |
| ১৫১ | ১৮ | 20।8 39 | 20।8।59 |
| ১৭৮ | ২ | পাতিনিকা | গাণিকা |
| ২২১ | ১ | ১৯৭৫-৪৪ | ১৯৭৩-৭৪ |
| ২২৪ | ৭ | বিংশ শতাব্দীৰ | মধ্যবিংশ শতিকাৰ |
| ২২৭ | ১৫ | উঠিছিলৰ পাছৰ 'দীপলিপ কন্যাখানি এই অলাগতিয়াল শব্দ দুটা বাদ দিব | |
| ২৩৩ | ১৫ | শ্ৰীদেৱেশ্বৰ গোস্বামী | শ্ৰীঅৰুণচন্দ্ৰ গোস্বামী |
| ২৪৭ | ৩ | 'বাদপৰা' শব্দদুটা 'কবিসকলে' শব্দটোৰ আগলৈ যাব। | |

## যথাস্থানত সংযোগ হ'ব

১। ১১৮ পৃঃ ১৯৫৪-৫৫ চনত যোৰহাটত অনুষ্ঠিত অধিবেশনৰ বুৰঞ্জী সভা সম্পন্ন হয় শিক্ষাধিকাৰ শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱাদেৱৰ পৌৰোহিত্যত।

২। ২০৩ পৃঃ ৮ ফেব্ৰুৱাৰী নিশা সঙ্গীত-সমাৰোহ সন্ধিয়া উদ্বোধন কৰে অধ্যক্ষ হেম বৰুৱাদেৱে ( প্ৰাক্তন সভাপতি )

৩। ১৭৪ পৃঃ মুকলি সভা উদ্বোধন কৰে বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই।

৪। ১৭৫ পৃঃ অধিবেশন উদ্বোধন কৰে ৰাজ্যপাল শ্ৰীবিষ্ণুসহায়। ( ডিগবৈ )

৫। ২০৯ পৃঃ টিং অধিবেশত প্ৰধান সম্পাদক নিৰ্বাচিত হয় শ্ৰীযতীন্দ্ৰনাথ গোস্বামী। বেজবৰুৱা শতবাৰ্ষিকীৰ মেটমৰা ধাৰৰ গধুৰ বোজাটো তেৱেঁই বহন কৰিবলগীয়া হয়। তিনি বছৰ তেওঁৰ কাৰ্য্যকালৰ অন্তত এই ধাৰ পৰিশোধ কৰি ২৪,১০৮.৬ পাই ৰাহি হয়। এইদৰে শ্ৰীগোস্বামীয়ে এই সভাক ঋণমুক্ত কৰি স্বচ্ছল অৱস্থালৈ আনিব পৰাটো নিশ্চয় কৃতিত্বৰ কথা।

৬। ২৭৪ পৃঃ পুৰস্কৃত গ্ৰন্থ শিশু-সাহিত্যত যোগ হ'ব—বাণী পাঠকৰ 'লক্ষ্মীনাথ বেজবৰুৱা' আৰু আৰতি হাজৰিকাৰ 'পদ্মনাথ গোহাঞিবৰুৱা'।

৭। শ্ৰীবেণুধৰ শৰ্মা সংকলিত-সম্পাদিত 'হেমচন্দ্ৰ গোস্বামী ৰচনাৱলীয়ে ভাল ছপাৰ কাৰণে অসম সাহিত্য সভাই ১৯৭১ চনত ভাৰতচৰকাৰৰ' ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে।

৮। ১৪৮ পৃঃ ১৯৬০ চনৰ অক্টোবৰ মাহত অসম বিধান সভাত 'অসম শাসকীয় ভাষা' বিল গৃহীত হয় আৰু একে চনৰ ডিচেম্বৰ মাহত আইনত পৰিণত হয়।

৯। ১৩৮ পৃঃ ( শেষৰ অংশ ): এই অধিবেশনত প্ৰেমধৰ ৰাজখোৱাই কলিকতাত কিতাপ ছপাবলৈ নিয়া ধন-সংক্ৰান্তত এক

অপ্ৰিয় প্ৰসঙ্গ উত্থাপিত হয়। অৱশেষত আদালতলৈ গৈ বিষয়টোৰ অমীমাংসিতভাৱে সামৰণি পৰে।

১০। ২২১ পৃঃ ( ২য় পৰিচ্ছেদ যোগ হ'ব ): এই বছৰ শ্ৰীযোগেন শইকীয়া প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁ ৰাজ্য-চৰকাৰৰ ওচৰত বিস্তৃত আঁচনি ( ১ম লেখক-শিবিৰ, প্ৰকাশন আদি ) দাখিল কৰাত প্ৰথম বাৰৰ বাবে বাৰ্ষিক মঞ্জুৰীৰ উপৰিও একলাখ টকাৰ অনুদান পোৱা হয়। এইজন সম্পাদকৰ কাৰ্য্যকালত বৰদলৈ আৰু আনন্দৰাম বৰুৱা স্মাৰক-বক্তৃতাৰ দিহা কৰা হয়।

১১। ২৪৫ পৃঃ ( শেষৰ ছেদটো তলৰ দৰে হ'ব ): অভয়াপুৰী অধিৱেশনত আব্দুছ ছাত্তাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এওঁৰ কাৰ্য্যকালৰ বছৰটো অসম সাহিত্য সভাৰ হীৰক-জয়ন্তী বৰ্ষ হিচাপে বিশেষ গুৰুত্বপূৰ্ণ। শিৱসাগৰত পঞ্চম লেখক-শিবিৰ কৃতকাৰ্য্যতাৰে সম্পন্ন হয়। ২৬।২৭ ডিচেম্বৰত যোৰহাটত হীৰক-জয়ন্তী বৰ্ষ দিৱস অনুষ্ঠিত হয়। এই উপলক্ষে অসম সাহিত্য সভাৰ জীৱন-বৃত্তান্ত সম্বলিত কেবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। ভাষাচাৰ্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱক 'সদস্যমহীয়ান' উপাধি প্ৰদান এই বৰ্ষৰ উল্লেখযোগ্য কীৰ্তি।

টোকা: এই শুদ্ধি-সংযোজনবোৰ গ্ৰন্থৰ দ্বিতীয় তাঙৰণৰ যথাস্থানত সন্নিবিষ্ট হ'ব বুলি আশা ৰখা হৈছে। —গ্ৰন্থকাৰ

— - —

# অসম সাহিত্য সভাৰ


## সভাপতিসকল



পদ্মনাথ গোহাঞিবৰুৱা
শিৱসাগৰ, ১৯১৭



চন্দ্ৰধৰ বৰুৱা
গোৱালপাৰা, ১৯১৮



কালিৰাম মেধি
বৰপেটা, ১৯১৯



হেমচন্দ্ৰ গোস্বামী
তেজপুৰ, ১৯২০



অমৃতভূষণ অধিকাৰী
যোৰহাট, ১৯২৩




কনকলাল বৰুৱা
ডিব্ৰুগড়, ১৯২৪



লক্ষ্মীনাথ বেজবৰুৱা
গুৱাহাটী ১৯২৪



ৰজনীকান্ত বৰদলৈ
নগাঁও, ১৯২৫



বেণুধৰ ৰাজখোৱা

ধুবুৰী, ১৯২৬




[illegible]ৰাম [illegible]

গোৱালপাৰা, [illegible]৭



কমলাকান্ত ভট্টাচাৰ্য

যোৰহাট, ১৯২৯




মফিজুদ্দিন আহম্মদ হাজৰিকা

গোলাঘাট, [illegible]০




নগেন্দ্ৰনাৰায়ণ চৌধুৰী

শিৱসাগৰ, ১৯৩১



জ্ঞানদাভিৰাম বৰুৱা

উত্তৰ লক্ষীমপুৰ, ১৯৩৩




আনন্দচন্দ্ৰ আগৰৱালা

মংগলদৈ, ১৯৩৪



ৰঘুনাথ চৌধাৰী

তেজপুৰ, ১৯৩৬



শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
গুৱাহাটী, ১৯৩৭



মফিজুল ইচলাম বৰা
যোৰহাট, ১৯৪০



শ্ৰীনীলমণি ফুকন
শিৱসাগৰ, ১৯৪৪
ডিব্ৰুগড়, ১৯৪৭



অম্বিকাগিৰি ৰায়চৌধুৰী
মাৰ্ঘেৰিটা, ১৯৫০




নমকুমাৰ ভূঞা
চিলং ১৯৫০



শ্ৰীনলিনীবালা দেৱী
যোৰহাট ১৯৫৪



যতীন্দ্ৰনাথ দুৱৰা
গুৱাহাটী, ১৯৫৫




শ্ৰীবেণুধৰ শৰ্মা
ধুবুৰী, ১৯৫৬



পদ্মধৰ চলিহা

তিনিচুকীয়া, ১৯৫৮



শ্ৰী অতুলচন্দ্ৰ [illegible]

[illegible]



শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

পলাশবাৰী ১৯৬০

গোৱালপাৰা, ১৯৬১



[illegible] বৰকাকতী

[illegible], ১৯৬১



শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত
ডিগবৈ, ১৯৬৪



ডিম্বেশ্বৰ নেওগ
নলবাৰী, ১৯৬৫



শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা
উত্তৰলক্ষীমপুৰ, ১৯৬৬




নকুলচন্দ্ৰ ভূঞা
ডিব্ৰুগড়, ১৯৬৬




জ্ঞাননাথ বৰা

তেজপুৰ, ১৯৬৮



শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

বৰপেটা, ১৯৬৯



শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু

ধিং, ১৯৭০



শ্ৰীতীৰ্থনাথ শৰ্মা

মাকুম, ১৯৭১



হেম বৰুৱা
ধুবুৰী, ১৯৭২



শ্ৰীগিৰিধৰ শৰ্মা
ৰঙিয়া, ১৯৭৩



শ্ৰীমহেশ্বৰ নেওগ
মংগলদৈ, ১৯৭৪



শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা
তিতাবৰ, ১৯৭৫



শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
টিহু ১৯৭৬



শ্ৰীসৈয়দ আব্দুল মালিক
অভয়াপুৰী, ১৯৭৭



শ্ৰীপ্ৰসন্নলাল চৌধুৰী
গোলাঘাট, ১৯৭৮



শৰৎচন্দ্ৰ গোস্বামী
প্ৰতিষ্ঠাতা প্ৰধান সম্পাদক